(গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰিবছৰীয়া পাঠ্যক্ৰমৰ (FYGUP) স্নাতক মহলাৰ কলা শাখাৰ ৰাজনীতি বিজ্ঞানৰ প্ৰথম যান্মাসিকৰ মূল কাকতৰ আৰ্হিত প্ৰস্তুত পাঠ্যপুথি)

# ৰাজনৈতিক তত্ত্বৰ পৰিচয়

# Introduction to Political Theory

**প্ৰথম যান্মাসিক**

**ড° ভবেন কাকতি**
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয়, চামতা
**ড° ছাইকী তালুকদাৰ**
বিভাগীয় মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ মহাবিদ্যালয়, চামতা

MRITYUNJOY PRAKASHAN
Panbazar, Guwahati-781001

**Introduction to Political Theory:** A text book on political science for B. A. First Semester (FYGUP) of Gauhati University, written by ***Bhaben Kakati, Saiki Talukdar*** and published by Binoy Kr. Deka and Paresh Patowary on behalf of Mrityunjoy Prakashan, Guwahati (Assam)

---

**মৃত্যুঞ্জয় প্ৰকাশন**
পানবজাৰ, গুৱাহাটী- **১**
দূৰভাষ ঃ ৭০০২২১৪২২৭, ৯৩৬৫৮৮৭৮০৫
E-mail: mrityunjoyprakashan@gmail.com

*No part of this book may be reprinted or reproduced or utilised in any form or by any electric, mechanicale or other means, now known or here after invented including photocopying and recording, or in any information storage and retrival system, without permission in writing from the publishers & authors.*

© লিখক

**প্ৰথম প্ৰকাশ** ঃ ২০২৩ ইং

ISBN : 978-93-90826-01-8

**মূল্য** ঃ ০০.০০ টকা।

**পৰিবেশক** ঃ মৃত্যুঞ্জয় প্ৰকাশন, পাণবজাৰ; অশোক বুক ষ্টল, পাণবজাৰ; বুক এম্প'ৰিয়াম, পাণবজাৰ; ডি. কে. বুক ষ্টল, পাণবজাৰ; বুক লেণ্ড, পাণবজাৰ; মৃত্যুঞ্জয় প্ৰকাশন, সৰ্থেবাৰী; ফ্ৰেইণ্ডচ বুক ষ্টল, পাণবজাৰ; বি. আৰ বুক ষ্টল, পাণবজাৰ; বুক ভেলী, পাণবজাৰ; আসাম বুকচ্, বৰপেটাৰোড।

**মুদ্ৰণ** ঃ

# পাতনি

ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে ৰাজনৈতিক তত্ত্ব। মণিষীসকলে ৰাজনৈতিক ধাৰণাবোৰ ব্যাখ্যা কৰোতে অথবা ৰাজনৈতিক সমস্যাবোৰ তথা পৰিঘটনাবোৰ বিশ্লেষণ কৰোতে পোৱা সিদ্ধান্তৰ ভিত্তিতে এই তত্ত্ববোৰ গঢ় লৈ উঠিছে। অতি প্ৰাচীন কালৰ পৰাই ৰাজনৈতিক তত্ত্ববোৰে সমস্যা সমাধান তথা বিশ্লেষণৰ ক্ষেত্ৰত সমাজ জীৱনলৈ অৰিহণা যোগাই আহিছে। সম্প্ৰতি আন আন সমাজ বিজ্ঞানৰ দৰে ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰলৈও নতুন নতুন বিষয়ৰ উন্মেষণ ঘটিছে। ন ন সমস্যাবোৰ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত নতুন নতুন তাত্ত্বিক সৌধ আৰু সংকল্পনা নিৰ্মাণ কৰা হৈছে।

নতুন শিক্ষানীতিৰ আধাৰত প্ৰৱৰ্তন কৰা (FYUGP) গুৱাহাটী বিশ্ববিদ্যালয়ে 2023-24 চনৰপৰা গ্ৰহণ কৰিবলৈ লোৱাত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই পাঠ্যপুথি ৰচনা কৰা হৈছে। বিষয়বস্তু আলোচনা কৰোতে যিমান সম্ভৱ সহজ আৰু প্ৰাঞ্জল উপস্থাপনৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে প্ৰথম প্ৰকাশতে কিতাপখন নিখুত হোৱা বুলি আমি ক'ব বিচৰা নাই। দুই-এটা ছপাৰ ভুলৰ লগতে প্ৰকাশভংগীৰ জঠৰতাও থাকিব পাৰে। সহৃদয় পঢুৱৈসকলে আঙুলিয়াই দিলে আমি কৃতাৰ্থ হ'ম। কিতাপখন প্ৰস্তুত কৰোতে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাক অধিক প্ৰাধান্য দিয়া বাবে সাধাৰণ পাঠকৰ বাবে ই মনোগ্ৰাহী নহ'বও পাৰে। কিতাপখনে ছাত্ৰ-ছাত্ৰীৰ কিঞ্চিৎ উপকাৰ সাধিলে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম।

শেষত কিতাপখন যুগুত কৰোতে যিসকল গ্ৰন্থকাৰৰ দেশী-বিদেশী গ্ৰন্থৰ সহায় লৈছোঁ তেখেতসকললৈ কৃতজ্ঞতা যাচিছোঁ। কিতাপখন যুগুত কৰোতে প্ৰদান কৰা উৎসাহৰ বাবে সমূহ অধ্যাপক অধ্যাপিকাৰ শলাগ লৈছোঁ। মৃত্যুঞ্জয় প্ৰকাশনৰ স্বত্বাধিকাৰী বিনয় ডেকা কিতাপখন প্ৰকাশৰ দায়িত্ব লোৱাৰ বাবে লগতে প্ৰেছৰ ডি.টি.পি.ৰ ত্ৰিলোচন ডেকাৰ সহযোগিতাৰ বাবে আটাইলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

—লেখকদ্বয়

Four Year Undergraduate Programme
Subject: Political Science
Semester: 1st Semester
Course Name: POL 01-01

# Introduction to Political Theory (Core)

**Unit I: Understanding Political Theory**

(a) What is Politics?
(b) What is Political Theory?
(c) Relevance of political theory

**Unit II: Approaches and Contemporary Perspectives on Political Theory**

(a) Liberal
(b) Marxist
(c) Feminist

**Unit III: Concepts in Political Theory**

(a) State
(b) Rights
(c) Liberty
(d) Equality
(e) Justice

**Unit IV: Understanding Democracy**

(a) Concept of Democracy
(b) Types of democracy
(c) Critique of democracy

# CONTENTS

## ৰাজনৈতিক তত্ত্বৰ পৰিচয়
## (Introduction to Political Theory)

অধ্যায়- ১ ঃ **ৰাজনৈতিক তত্ত্ববোধ**

- ৰাজনীতি কি?
  What is Politics?
- ৰাজনৈতিক তত্ত্ব কি?
  What is Political Theory?
- ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা
  Relevance of political theory

অধ্যায়- ২ ঃ **ৰাজনৈতিক তত্ত্বৰ দৃষ্টিভংগীসমূহ আৰু সমসাময়িক দৃষ্টিকোণ**
**Approaches and Contemporary Perspectives on Political Theory**

- উদাৰতাবাদ (Liberal)
- মাৰ্ক্সবাদ (Marxist)
- নাৰীবাদ (Feminist)

অধ্যায়- ৩ ঃ **ৰাজনৈতিক তত্ত্বৰ অৱধাৰণাসমূহ**
**Concepts in Political Theory**

- ৰাষ্ট্ৰ (State)
- অধিকাৰ (Rights)
- স্বতন্ত্ৰতা (Liberty)
- সমতা (Equality)
- ন্যায় (Justice)

অধ্যায়- ৪ ঃ **গণতন্ত্ৰৰ অৱধাৰণা**
**Understanding Democracy**

- গণতন্ত্ৰৰ ধাৰণা
  Concept of Democracy
- গণতন্ত্ৰৰ প্ৰকাৰ
  Types of Democracy
- গণতন্ত্ৰৰ সমালোচনা
  Critique of Democracy

## অধ্যায়- ১

# ৰাজনৈতিক তত্ত্ববোধ
# (Understanding Political Theory)

**ৰাজনীতি কি ? (What is Politics?)**

সমসাময়িক বিশ্বত সকলোতকৈ অধিক চৰ্চিত বিষয়সমূহৰ ভিতৰত ৰাজনীতি অন্যতম। একেবাৰে অশিক্ষিত লোকজনৰ পৰা উচ্চশিক্ষিত ব্যক্তিজনলৈ, দৰিদ্ৰজনৰ পৰা কোটিপতিজনলৈকে জাতি, বৰ্ণ, লিঙ্গ, ধৰ্ম, জন্মস্থান নিৰ্বিশেষে 'ৰাজনীতি'ক লৈ সকলোৱে আলোচনা কৰে। অৱশ্যে আটাইবোৰ ব্যক্তিৰ আলোচনা প্ৰকৃতি আৰু বিষয়বস্তু পৃথক ধৰণৰ হয়। যাৰ ফলত এক বিদ্যায়তনিক বিষয় হিচাবে 'ৰাজনীতি' ধাৰণাৰ সঠিক আলোচনা অত্যন্ত প্ৰাসংগিক হৈ পৰিছে।

'ৰাজনীতি'ক সঠিকভাৱে বিশ্লেষণ কৰিবলৈ হ'লে পোনপ্ৰথমে ৰাজনীতি সম্পৰ্কে সাধাৰণ জনগণৰ চিন্তাধাৰা অথবা দৃষ্টিকোণেৰে চোৱাতো দৰকাৰ। সাধাৰণ জনগণৰ দৃষ্টিত 'ৰাজনীতি'ৰ অৰ্থ বহুপৰিমাণেই নএগ্ৰাৰ্থক। সমাজৰ চক্ৰান্তমূলক কাৰ্যকলাপ, যেনে ঃ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, প্ৰবঞ্চনা, পক্ষপাতমূলক আচৰণ, মিছা প্ৰতিশ্ৰুতি, ক্ষমতাৰ অপব্যৱহাৰ আদি কাৰ্যকলাপসমূহকে ৰাজনীতিৰ অন্তৰ্গত হিচাপে বিবেচনা কৰে। যাৰ ফলত সমাজত 'ভাল মানুহে ৰাজনীতি নকৰে' এনেধৰণৰ বক্তব্যই সুলভ হয়। অৱশ্যে ৰাজনীতি সম্পৰ্কীয় নএগ্ৰাৰ্থক চিন্তাধাৰা একাংশ চিন্তাবিদৰ লিখনিতো পোৱা যায়। উদাহৰণস্বৰূপে ১৭৭৫ চনতে চেমুৱেল জনচনে ৰাজনীতিক কেৱল বিশ্বত নিজকে প্ৰতিষ্ঠাৰ আহিলা হিচাপেহে আখ্যা দিছিল (Nothing more than a means of rising in the World)। ঊনৈশ শতিকাতো হেনৰী এডামছে ৰাজনীতিক ঘৃণাৰ এক গাঠনিগত সংগঠন হিচাপেহে অভিহিত কৰিছে (the systematic organization of Hatreds)। ৰাজনীতি সম্পৰ্কীয় এনে চিন্তাধাৰাই ৰাজনীতিক এক বৰ্জনীয় বিষয়লৈ ৰূপান্তৰিত কৰিছে। কিন্তু দৰাচলতে ৰাজনীতি বৰ্জনীয় নে ? ৰাজনীতি নকৰাকৈয়ে সমাজৰ প্ৰগতি সম্ভৱনে ? এনে প্ৰশ্নৰ সমাধান বিচাৰিবলৈ 'ৰাজনীতি'ৰ তাত্বিক বিশ্লেষণৰ প্ৰয়োজন।

তত্বগতভাৱে ৰাজনীতিক নিৰ্দিষ্ট এটা দিশতে আলোচনা কৰিব নোৱাৰি। প্ৰকৃততে ৰাজনীতি এক বহুপাক্ষিক বিষয়। ইয়াক ক্ষমতা প্ৰয়োগৰ প্ৰক্ৰিয়া, চৰকাৰ পৰিচালনাৰ কৌশল, সংঘাত আৰু সহমতৰ এক প্ৰক্ৰিয়া, সামূহিক সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াকে ধৰি বিভিন্ন ক্ষেত্ৰত আলোচনা কৰা হয়। ইয়াৰ বাবে ইয়াক Heywood এ 'essentialy contested' (বিভিন্ন বিৰোধীপূৰ্ণ) ধাৰণা হিচাপে অভিহিত কৰিছে। ৰাজনীতি সম্পৰ্কে থকা বিৰোধপূৰ্ণ কেতবোৰ মতবাদৰ সিদ্ধান্তবোৰ এনেধৰণৰ—

**(১) ৰাজনীতি ৰাষ্ট্ৰ পৰিচালনাৰ এক কৌশল (Politics as the art of Government) ঃ**

ৰাজনীতি হৈছে চৰকাৰ পৰিচালনাৰ এক অন্যতম কলা। বিচমাৰ্কে ৰাজনীতিক লৈ যেতিয়া মন্তব্য কৰিছিল যে ৰাজনীতি বিজ্ঞান নহয় ই এক কলাহে'। স্বাভাৱিকতে তেওঁৰ কলাৰ ধাৰণাই চৰকাৰ পৰিচালনা কৰা কৌশলকে সূচাইছিল। 'ৰাজনীতি' শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিশ্লেষণ কৰিলেও এনে ধাৰণাৰে সমল পোৱা যায়।

'ৰাজনীতি' শব্দটোৰ ইংৰাজী শব্দ 'Politics' গ্ৰীক শব্দ 'Polis' ৰ পৰা উদ্ভৱ হোৱা। প্ৰাচীন গ্ৰীচৰ ৰাষ্ট্ৰবোৰৰ আকৃতি যথেষ্ট সৰু আছিল। সেইবোৰক নগৰ ৰাষ্ট্ৰ বা City State নামে জনা গৈছিল। গ্ৰীচত নগৰ ৰাষ্ট্ৰবোৰক 'Polis' আখ্যা দিয়া হৈছিল। 'Polis' বা নগৰ ৰাষ্ট্ৰ পৰিচালনাৰ লগত জড়িত নীতি-নিয়মকে 'Politics' আখ্যা দিয়া হৈছিল। গতিকে ৰাষ্ট্ৰ পৰিচালনা নীতি বা কৌশলকে 'ৰাজনীতি' আখ্যা দিয়াটো ব্যুৎপত্তিগত অৰ্থৰ ফালৰ পৰাও প্ৰাসংগিক। পৰম্পৰাগত চিন্তাবিদসকলৰ লিখনিতো ৰাজনীতিক ৰাষ্ট্ৰ পৰিচালনাৰ কৌশলৰ মাজতে আবদ্ধ হোৱা দেখা যায়। গাৰ্ণাৰৰ মতবাদ "ৰাজনীতি ৰাষ্ট্ৰতে আৰম্ভ ৰাষ্ট্ৰতে শেষ" এই চিন্তাধাৰাৰে ফচল। অৱশ্যে কুৰি শতিকাৰ চিন্তাবিদ ডেভিদ ইষ্টনৰ ৰাজনীতি সম্পৰ্কীয় ব্যাখ্যা 'মূল্যৰ কৰ্তৃত্বসম্পন্ন বিতৰণেই ৰাজনীতি' এনে চিন্তাধাৰাকে প্ৰকাশ কৰে। ইষ্টনৰ মূল্য শব্দই বস্তুগত আৰু অবস্তুগত দুয়োটা দিশকে সামৰি লৈ সমাজৰ অধিকাংশ লোকৰ দাবীৰ প্ৰতি কৰ্তৃপক্ষই মূল্য বিতৰণৰ দ্বাৰা সহাৰি প্ৰদানৰ প্ৰক্ৰিয়াকে ৰাজনীতি আখ্যা দিছে। কৰ্তৃপক্ষ হৈছে সমাজৰ বৈধ ক্ষমতাশালী ব্যক্তি বা গোট, যি প্ৰকৃততে ৰাষ্ট্ৰ নিয়ন্ত্ৰণকাৰীসকলক বুজাইছে।

অৱশ্যে ৰাজনীতিক ৰাষ্ট্ৰ পৰিচালনাৰ এক কৌশল হিচাপে বিবেচনা কৰিলে স্বাভাৱিকতে ৰাষ্ট্ৰ পৰিচালনাকাৰীসকল কোন সেয়াই অন্য প্ৰশ্নৰ অৱতাৰণা কৰে। গ্ৰীকসকলৰ দৃষ্টিত 'Polity' পৰিচালনাকাৰীসকলকে কেৱল সিদ্ধান্ত নিৰ্ণায়কৰ ভূমিকাত

ৰাখিলে সমাজৰ এক বৃহৎ গোষ্ঠীৰ কাম-কাজ অথবা চিন্তাধাৰা 'ৰাজনীতি' ধাৰণাৰ আঁওতাৰ বাহিৰত থাকিব। যাৰ ফলত 'ৰাজনীতি'ৰ ক্ষেত্ৰখন এক সংকীৰ্ণ পৰ্যায়তে সীমাবদ্ধ থাকিব।

ৰাজনীতি সম্পৰ্কীয় এনে চিন্তাধাৰাৰ আত ধৰিয়েই ৰাজনীতি সম্পৰ্কীয় নেতিবাচক ধাৰণা গা কৰি উঠিছে। এনে চিন্তাধাৰাই ৰাজনীতিক স্বাভাৱিকতে জনসাধাৰণৰ দৃষ্টিত ৰাজনৈতিক নেতাসকলৰ কাৰ্য হিচাপে পৰিগণিত কৰিছে। যিহেতু সমাজৰ সৰহ সংখ্যক ৰাজনৈতিক নেতাই ক্ষমতাৰ বাবে সংগ্ৰামত যিকোনো উপায়ে লিপ্ত হোৱা দেখা যায় আৰু এই নেতাসকলৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, মিছা আশ্বাসকে সমাজে দেখা পায় ফলত ৰাজনীতি ব্যক্তিস্বাৰ্থ পূৰণৰ আহিলা হিচাপেহে সমাজে বিবেচনা কৰিবলৈ লয়। এনে চিন্তাধাৰাকে মেকিয়াভেলিয়ে 'The Prince' গ্ৰন্থত জনসাধাৰণৰ মাজত তাত্বিকভাবে দাঙি ধৰিছে।

**(২) ৰাজনীতি সামূহিক স্বাৰ্থৰ সতে জড়িত প্ৰক্ৰিয়া (Politics as Public Affairs) ঃ**

ৰাজনীতিক সামূহিক স্বাৰ্থৰ সতে জড়িত প্ৰক্ৰিয়া হিচাপেও একাংশ চিন্তাবিদে ব্যাখ্যা কৰিছে। বিখ্যাত গ্ৰীক চিন্তাবিদ এৰিষ্ট'টলে মানুহক জন্মগতভাৱে ৰাজনৈতিক প্ৰাণী হিচাপে অভিহিত কৰিছে। এৰিষ্ট'টলৰ এই মন্তব্যৰ অৰ্থ হ'ল মানুহে ৰাজনৈতিক সমাজ এখনতহে সুস্থ জীৱন বৰ্তাই ৰখাতো সম্ভৱ। গতিকে এই ক্ষেত্ৰত ৰাজনীতি হ'ব ব্যক্তিক ন্যায়সংগত সমাজ প্ৰদানৰ বাবে গ্ৰহণ কৰা কাৰ্যকলাপ। এৰিষ্টটলে এনে ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজনীতিক 'master science' (প্ৰকৃত বিজ্ঞান) আখ্যা দিছে। এৰিষ্টটলৰ পিছত ৰুছোৱে 'General will' (সাধাৰণ ইচ্ছা)ৰ ধাৰণাৰ দ্বাৰাও মন্তব্য প্ৰকাশ কৰিছে যে ৰাজহুৱা জীৱনত ব্যক্তিয়ে প্ৰত্যক্ষ আৰু নিয়মিত অংশগ্ৰহণেৰে জনসাধাৰণৰ সামূহিক স্বাৰ্থ পূৰণ কৰিব পাৰে। পৰৱৰ্তী সময়ত Hannah Arend এ 'The Human Condition' ত মন্তব্য প্ৰকাশ কৰিছে 'Politics is the most important form of human activity because it involves interactions amongst free and equal citizen.'

দৰাচলতে ৰাজহুৱা জীৱনত সামূহিক স্বাৰ্থৰ প্ৰতি জনসাধাৰণে প্ৰকাশ কৰা মন্তব্য অথবা কাৰ্যকলাপো ব্যাপক অৰ্থত একো একোটা ৰাজনৈতিক কাৰ্য। অৱশ্যে 'ৰাজহুৱা জীৱন'ৰ ধাৰণাই সময়ে সময়ে বিতৰ্কৰ সূচনা কৰি আহিছে। উদাৰতাবাদীসকলে ব্যক্তিৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰ্যকলাপবোৰ ৰাজহুৱা জীৱনৰ অন্তৰ্গত নহয় বুলি দাবী কৰিছে। তেওঁলোকৰ দৃষ্টিত এইবোৰ ব্যক্তিগত জীৱনৰ ক্ষেত্ৰৰ অন্তৰ্গত আৰু এনেবোৰ দিশ ব্যক্তিয়ে নিজেই নিৰ্ণয় কৰাটো যুগুত। অৱশ্যে সমাজবাদী চিন্তাবিদসকলে ব্যক্তিৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশবোৰকো ৰাজহুৱা ক্ষেত্ৰত সামৰি লৈছে। নাৰীবাদী চিন্তাবিদসকলে আকৌ পৰিয়ালকো ৰাজহুৱা জীৱনৰ অন্তৰ্গত কৰিবলৈ দাবী জনাই আহিছে। কিয়নো পৰিয়ালৰ চাৰিবেৰৰ মাজত থকা মহিলাসকলৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক বিকাশক জনস্বাৰ্থৰ পৰিসৰৰ পৰা আঁতৰাই ৰাখিব নোৱাৰি। মহিলাসকলৰ সুস্থ বিকাশৰ বাবে পৰিয়ালৰ কাজ-কাজকো ৰাজহুৱা ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰাটো দৰকাৰ।

মুঠতে এখন সমাজৰ সকলো ব্যক্তিৰে সৰ্বাংগীন বিকাশৰ বাবে ৰাজহুৱা জীৱনত গ্ৰহণ কৰা কাৰ্যসূচী তথা মতবাদসমূহকো বহল অৰ্থ ৰাজনীতিৰে অংশবিশেষ হিচাপে অভিহিত কৰা হয়।

**(৩) ৰাজনীতি হৈছে পাৰস্পৰিক বুজাবুজি আৰু সহমতৰ সমষ্টি (Politics as Compromise and Consensus) ঃ**

ৰাজনীতি সম্পৰ্কীয় তৃতীয় ধাৰণাটো হৈছে ই পাৰস্পৰিক বুজাবুজি আৰু সহমতৰ সমষ্টি। দৰাচলতে ৰাজনীতি সংঘাত নিৰাময়ৰ এক প্ৰক্ৰিয়া। সংঘাত সমাজৰ বাবে প্ৰাকৃতিক ঘটনা। প্ৰত্যেক ব্যক্তিয়ে এজনৰপৰা আনজনতকৈ পৃথক। তেওঁলোকৰ ইচ্ছা আকাংক্ষাও ভিন্ন ধৰণৰ হয়। ৰাজহুৱা জীৱনত সেয়ে সংঘাত স্বাভাৱিকতে আহে। ৰাজনীতিয়ে সংঘাতত অৱতীৰ্ণ হোৱা গোষ্ঠীসমূহৰ মাজত বুজাবুজি, আলোচনা অথবা ক্ষমতা প্ৰয়োগেৰে হ'লেও মীমাংসা কৰে। বিশিষ্ট চিন্তাবিদ বাৰ্ণাৰ্ড ক্ৰিক (Bernard Crick)ৰ মতে ৰাজনীতি হৈছে এটা সমূহৰ কল্যাণ তথা বৰ্তি থকাৰ বাবে সমূহৰ বিভিন্ন অংশৰ মাজত প্ৰয়োজন ভিত্তিক ক্ষমতাৰ বিতৰণৰে ভিন্ন স্বাৰ্থৰ মাজত মিলাপ্ৰীতি স্থাপন কৰা প্ৰক্ৰিয়া। (Politics is the activity by which differing interests within a given unit of rule are conciliated by giving them a share in power in proportion to their welfare and the survival of the whole Community.)

ক্ৰিকৰ মতে, সমাজৰ বিভিন্ন গোটৰ মাজত থকা স্বাৰ্থবোৰ মিলাপ্ৰীতিৰে সমাধানহে কৰিব লাগে। তেনে স্বাৰ্থক কেতিয়াওঁ অগ্ৰাহ্য কৰিব নালাগে। স্বাৰ্থবোৰৰ মাজত বুজাবুজি প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো যিমান সম্ভৱ সংঘৰ্ষ বা আক্ৰমণতকৈ আলোচনাৰহে আশ্ৰয় ল'ব লাগে।

ৰাজনীতি সম্পৰ্কীয় এই ধাৰণাই সমাজত সামূহিক স্বাৰ্থ পূৰণৰ বাবে গঢ়ি উঠা আন্দোলন, প্ৰতিবাদকে ধৰি চৰকাৰে সেইবোৰৰ ওপৰত গ্ৰহণ কৰা প্ৰতিক্ৰিয়া তথা চৰকাৰ-জনসাধাৰণৰ মাজত বিবাদ, বিতৰ্ক, বিভিন্ন গোষ্ঠীৰ মাজত চলা বিতৰ্ক বিবাদকো সামৰি লয়। এই সকলোবোৰ জনকল্যাণৰ স্বাৰ্থত পৰিচালিত আৰু প্ৰেৰিত কৰাটোৱে সঠিক ৰাজনীতি।

**(৪) ক্ষমতা প্ৰয়োগেই ৰাজনীতি (Politics is use of Power) ঃ**

ৰাজনীতি সম্পৰ্কীয় চতুৰ্থ ধাৰণাটো হৈছে ক্ষমতা সম্বন্ধীয়। ৰাজনীতি সম্পৰ্কীয় এই ধাৰণাই সমাজৰ সকলো স্তৰৰ অনুষ্ঠান, ব্যক্তিকে সামৰি লৈছে। বিখ্যাত চিন্তাবিদে হেৰল্ড লাচৱেলৰ ‘Politics : Who gets What, When How’ ত মন্তব্য কৰিছে ‘ৰাজনীতি হৈছে প্ৰভাৱ আৰু প্ৰভাৱশালীসকলৰ কাৰ্য-কলাপ অধ্যয়ন’ (Politics is the study of influence and influencial) ঠিক তেনেদৰে Kate Millett এ ‘Sexual Politics’ গ্ৰন্থত উল্লেখ কৰিছে যে ৰাজনীতি হৈছে ক্ষমতা সংৰক্ষণৰ অধ্যয়ন, য'ত এটা ব্যক্তি সমষ্টি আন এটা ব্যক্তি সমষ্টিৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে। (Politics is power structure relationships arrangement whereby one group of persons is cotrolled by another.) মাৰ্ক্সীয় চিন্তাবিদ মাৰ্ক্স আৰু এঙ্গেলচৰ লিখনিতো ৰাজনীতিক এক ক্ষমতা সম্পৰ্কীয় আলোচনাই আখ্যাই দিয়া হৈছে, য'ত এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক শোষণ কৰে।

ৰাজনীতি সম্পৰ্কীয় ওপৰোক্ত ধাৰণাই সমাজত ক্ষমতা সম্পৰ্কীয় আলোচনাকে সামৰি লৈছে। যিহেতু সমাজৰ প্ৰায় সকলোবোৰ সংৰচনাই ক্ষমতাৰ দ্বাৰা প্ৰভাৱান্বিত আৰু নিয়ন্ত্ৰিত, সেয়েহে এই ধাৰণাই ৰাজনীতিৰ পৰিসৰক ব্যাপকতা প্ৰদান কৰিছে।

ওপৰৰ আলোচনাবোৰৰ পৰা দেখা গ'ল যে ৰাজনীতি প্ৰকৃততে এক বহুপাক্ষিক বিষয়। ইয়াক নিৰ্দিষ্ট এটা ক্ষেত্ৰ বা পদ্ধতিৰ দ্বাৰা নিৰূপণ কৰিব নোৱাৰি। ৰাজীৱ ভাৰ্গৱে তেওঁৰ ‘What is political theory and why do we need it’ গ্ৰন্থত ‘ৰাজনীতি’ৰ ধাৰণাটো ৭ টা দিশত উল্লেখ কৰিছে—

(১) ৰাজনীতি হৈছে সামূহিক কল্যাণ সাধনৰ বাবে প্ৰয়োগ কৰা সামূহিক ক্ষমতা। এই ক্ষেত্ৰত ৰাজনীতিয়ে ক্ষমতা আৰু মূল্যবোধ দুয়োটাকে সামৰি লয়।

(২) ৰাজনীতি হৈছে ক্ষমতাগোষ্ঠীৰ মাজৰ সংঘাত য'ত এটা গোষ্ঠীয়ে আন এটা গোষ্ঠীৰ ওপৰত প্ৰভাৱ খটুৱাই নিজৰ শুদ্ধতা প্ৰতিপন্ন কৰিব পাৰে।

(৩) ৰাজনীতিয়ে ব্যক্তিস্বাৰ্থৰ বাবে ক্ষমতা প্ৰয়োগক সূচায়। য'ত এটা গোষ্ঠীয়ে কেৱল নিজস্বাৰ্থ সিদ্ধিৰ বাবে প্ৰভাৱ প্ৰয়োগ কৰে।

(৪) ৰাজনীতিয়ে ৰাষ্ট্ৰ ক্ষমতাকো সূচায়। ইয়াত এটা শক্তি গোটে নিজকে চূড়ান্ত শক্তিধৰ হিচাপে প্ৰতিষ্ঠা কৰে।

(৫) ৰাজনীতিয়ে সাধাৰণ জনতাৰ উন্নতিৰ বাবে প্ৰয়োগ কৰা ৰাষ্ট্ৰ ক্ষমতাক সূচায়।

(৬) ৰাজনীতিয়ে এটা নিৰ্দিষ্ট গোষ্ঠীয়ে আন এটা গোষ্ঠীক অবদমনৰ বাবে প্ৰয়োগ কৰা ৰাষ্ট্ৰ ক্ষমতাক সূচায়।

(৭) ৰাজনীতিয়ে ৰাষ্ট্ৰ ক্ষমতাৰ বাহিৰেও সমাজৰ আন অনুষ্ঠান যেনে স্বাস্থ্য সেৱা, শিক্ষা, আন কল্যাণকৰ অনুষ্ঠানৰপৰা জনসাধাৰণে স্বতঃসিদ্ধভাৱে আনুগত্য আহৰণৰ সূচায়।

দৰাচলতে ৰাজনীতিৰ অৰ্থ ব্যাপক। ই ৰাষ্ট্ৰীয় কৰ্তৃপক্ষ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানকে ধৰি সৰ্বসাধাৰণ লোকৰ ৰাজহুৱা স্বাৰ্থজনিত কাৰণ অংশগ্ৰহণৰ সকলো দিশকে সামৰি লয়, য'ত বিবাদ, প্ৰতিবাদ, সংঘাত পাৰস্পৰিক বুজাবুজিৰ মাধ্যমত এক সহমতত উপনীত হোৱা যায়। ই কেতিয়াও বৰ্জনীয় হ'ব নোৱাৰে। সমাজ তথা ৰাষ্ট্ৰকল্যাণকে ৰাজনীতিৰ মূল উদ্দেশ্য আখ্যা দিব পাৰি। স্বাভাৱিকতে জনতাৰ অধিক অংশগ্ৰহণেহে ইয়াৰ সঠিক পথ নিৰ্দেশনা দিব পাৰে।

## ৰাজনীতি সম্পৰ্কীয় ভিন্ন ধাৰণাবোৰ
## (Different views on Politics)

ৰাজনীতি সম্পৰ্কে চিন্তাবিদসকলে ভিন্ন দৃষ্টিভংগীৰে আলোচনা তথা বিশ্লেষণ কৰা বাবে ‘ৰাজনীতি’ ব্যাখ্যা প্ৰদানকাৰী চিন্তাবিদসকলক ভিন্ন ভিন্ন গোষ্ঠীত অন্তৰ্ভুক্ত কৰি ল'ব পাৰি। তলত সেই সম্পৰ্কে এক ধাৰণা আগবঢ়োৱা হৈছে—

**ৰাজনীতি সম্পৰ্কে উদাৰতাবাদী মতবাদ ঃ**

(১) **ৰাজনীতি হৈছে গোষ্ঠীগত কাৰ্যাৱলী ঃ** উদাৰতাবাদী চিন্তাবিদসকলে ৰাজনীতিক গোষ্ঠীগত কাৰ্যাৱলী অথবা ৰাষ্ট্ৰৰ কাৰ্যাৱলী

হিচাপে বিবেচনা কৰে। তেওঁলোকৰ মতে এখন সমাজত বাস কৰা ভিন্ন গোষ্ঠীৰ মানুহে নিজৰ গোষ্ঠীৰ স্বাৰ্থসুৰক্ষাৰ বাবে প্ৰচেষ্টা চলাই থাকে। প্ৰতিটো গোষ্ঠীৰ সদস্যই সমাজৰ মূল্যৰ কৰ্তৃত্বসম্পন্ন বিতৰণ নিজৰ পক্ষত ৰাখিবলৈ অহৰহ প্ৰচেষ্টা চলাই থাকে। ৰাষ্ট্ৰৰ কাম হৈছে এই গোষ্ঠীসমূহৰ মাজত চলা প্ৰতিযোগিতাৰ মাজত সমিলমিলৰ দ্বাৰা মূল্যৰ বিতৰণ সঠিকভাৱে কৰা। উদাৰতাবাদীসকলে বিভিন্ন গোষ্ঠীৰ নিজৰ স্বাৰ্থপূৰণৰ বাবে গ্ৰহণ কৰা কৌশল আৰু ৰাষ্ট্ৰৰ আঁচনি প্ৰণয়নৰ দ্বাৰা সেইবোৰৰ সমাধান কৰাৰ মাজতে ৰাজনীতি নিহিত থকা বুলি বিবেচনা কৰে।

(২) **ৰাজনীতি হৈছে বিবাদ নিষ্পত্তিৰ উপায় ঃ** উদাৰতাবাদীসকলে ৰাজনীতি বিবাদ নিষ্পত্তিৰ এক প্ৰক্ৰিয়া অথবা উপায় হিচাপে বিবেচনা কৰে। ওপৰৰ দফাটোত ইতিমধ্যে উল্লেখ কৰা হৈছে সমাজত নিজৰ শক্তি বৃদ্ধিৰ বাবে অথবা বৈষয়িক সম্পদ তথা অবৈষয়িক চিন্তাধাৰা নিজৰ গোষ্ঠীৰ সপক্ষে নিবলৈ অহৰহ প্ৰচেষ্টা চলি থাকে। এনে প্ৰচেষ্টাৰ ফলতে সমাজত সংঘাতৰ সূচনা হয়। কিন্তু এই সংঘাতবোৰ ভালদৰে অনুধাৱন কৰিলে মীমাংসাৰ বাবে সংঘাতত উপনীত হোৱা গোষ্ঠীৰ মাজত সাধাৰণ স্বাৰ্থ বিচাৰি পোৱা যায়। ৰাজনীতিয়ে এই সাধাৰণ স্বাৰ্থ বিচাৰি উলিয়াই সংঘাতত অৱতীৰ্ণ গোষ্ঠীক সহমতত উপনীত কৰায়। সেয়ে ৰাজনীতি হৈছে সমাজত শৃঙ্খলা, শান্তি প্ৰতিষ্ঠাৰ এক আহিলা।

(৩) **ৰাজনীতি হৈছে সমাজৰ উৎকৰ্ষ সাধনৰ এক প্ৰক্ৰিয়া ঃ** ৰাজনীতি সমাজৰ প্ৰগতি সাধনৰ এক প্ৰক্ৰিয়া হিচাপে উদাৰতাবাদীসকলে বিবেচনা কৰে। তেওঁলোকৰ মতে সমাজৰ বিভিন্ন গোষ্ঠীগত স্বাৰ্থৰ মাজৰ সংঘাতক আঁতৰাই ৰাজনীতিয়ে সকলো পক্ষৰে মাজত সহমত প্ৰতিষ্ঠাৰ দ্বাৰা পূৰ্বতকৈ উন্নত এক পৰিৱেশৰ সূচনা কৰি সমাজৰ প্ৰগতিত অৰিহণা যোগায়। অৰ্থাৎ গোষ্ঠীস্বাৰ্থ পূৰণৰ বাবে গোষ্ঠীসমূহে অৱতীৰ্ণ হোৱা সংঘাতক মীমাংসা কৰিবৰ বাবে ৰাষ্ট্ৰ বা কৰ্তৃপক্ষই এক উন্নত বাতাবৰণৰ সৃষ্টি কৰে, যি উভয় পক্ষৰে গ্ৰহণযোগ্য। এনে বাতাবৰণৰ ফলতে ৰাষ্ট্ৰ বা সমাজে পৰ্যায়ক্ৰমে উৎকৰ্ষ লাভ কৰি থাকে।

উদাৰতাবাদীসকলৰ দৃষ্টিত ৰাজনীতি প্ৰকৃততে প্ৰগতি সাধনৰ এক উপায় বা প্ৰক্ৰিয়া, য'ত গোষ্ঠীগত স্বাৰ্থপূৰণৰ বাবে বিভিন্ন প্ৰতিযোগিতা হয়, প্ৰতিযোগিতাই সংঘাতৰ সূচনা কৰে। এনে সংঘাত মীমাংসাৰ বাবে সকলো পক্ষৰে স্বাৰ্থপূৰণ হোৱাকৈ ৰাষ্ট্ৰই বিধি বা আঁচনি প্ৰণয়ন কৰে।

**ৰাজনীতি সম্পৰ্কে মাৰ্ক্সবাদীসকলৰ ধাৰণা (Marxist views of Politics) ঃ**

মাৰ্ক্সবাদী চিন্তাবিদসকলে ৰাজনীতি সামাজিক ব্যৱস্থাৰ উপৰুৱা গাঁথনি হিচাপেহে অভিহিত কৰে। এওঁলোকৰ দৃষ্টিত অৰ্থনীতি হৈছে মূল গাঁথনি। অৰ্থনীতিৰ ওপৰত ভিত্তি কৰিয়েই সমাজ এখনৰ ৰাজনীতি গঢ় লয়। অৰ্থাৎ অৰ্থনৈতিক সমস্যা সমাধান হ'লে ৰাজনীতি সম্পৰ্কীয় সমস্যাবোৰ নিজে নিজেই আঁতৰ হয়। আনহাতে অৰ্থনৈতিক সমস্যা যেতিয়ালৈকে থাকে তেতিয়ালৈকে বাকী সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক দিশবোৰে একো সমাধান আনিব নোৱাৰে। মাৰ্ক্সবাদী চিন্তাবিদসকলৰ দৃষ্টিত ৰাজনীতি হ'ল—

(১) **শ্ৰেণী অবদমনৰ এক আহিলা ঃ** মাৰ্ক্সবাদী চিন্তাবিদসকলৰ মতে ৰাজনীতি হৈছে শ্ৰেণী অবদমনৰ এক আহিলা। শক্তিশালী শ্ৰেণীটোৱে দুৰ্বলী শ্ৰেণীটোক অবদমনৰ বাবে ৰাজনীতিৰ আশ্ৰয় লয়। এংগেলছে তেওঁৰ 'The Original of the Family, Property and the state' ত মন্তব্য কৰিছে যে ৰাষ্ট্ৰ যন্ত্ৰৰ সহায়ত অৰ্থনৈতিকভাৱে আধিপত্যশীল শ্ৰেণীটো ৰাজনৈতিক ক্ষেত্ৰতো আধিপত্যশীল হৈ উঠে আৰু নতুন নতুন কৌশলৰ সহায়ত সমাজৰ দুৰ্বল শ্ৰেণীটোৰ ওপৰত শোষণৰ বোজা জাপি দিয়ে।

(২) **শ্ৰেণীস্বাৰ্থবোৰ সহমতত উপনীত হ'ব নোৱাৰে ঃ** উদাৰতাবাদীসকলে সকলো গোষ্ঠীগত স্বাৰ্থ সমিলমিলৰ দ্বাৰা সহমতত উপনীত হ'ব পাৰে বুলি মন্তব্য কৰাৰ বিপৰীতে মাৰ্ক্সবাদীসকলৰ মতে শ্ৰেণীস্বাৰ্থ কেতিয়াও সহমতৰ দ্বাৰা পূৰণ কৰা সম্ভৱ নহয়। সেয়ে সকলো সমাজতে শ্ৰেণী সংঘাত স্থায়ী ৰূপত দেখা যায়। মাৰ্ক্স আৰু এংগেলছে 'Communist Manifesto'ত মন্তব্য কৰিছে— 'সকলো সমাজৰে ইতিহাস শ্ৰেণীসংগ্ৰামৰ ইতিহাস' ('The history of all hitherto existing society is the history of class struggle')। ৰাজনীতিয়ে শ্ৰেণী সংগ্ৰামৰ অবসান ঘটাব নোৱাৰে। তাৰ পৰিৱৰ্তে শক্তিশালী শ্ৰেণীটোৱে দুৰ্বল সকলৰ ওপৰত অবদমন চলোৱাত ৰাজনীতিয়ে সহায় কৰে। যেতিয়ালৈ বিশ্বত শ্ৰেণীবিভক্ত সমাজ থাকিব তেতিয়ালৈকে ৰাষ্ট্ৰ আৰু ৰাজনীতিক সমাজৰ শক্তিশালী শ্ৰেণীটোৱে নিজৰ আহিলা হিচাবে ব্যৱহাৰ কৰি থাকিব। মাৰ্ক্সবাদীসকলে সেয়েহে মন্তব্য কৰে যে শ্ৰেণী সংঘাতৰ সমাপ্তি হ'লেই ৰাজনীতিৰো পৰিসমাপ্তি ঘটিব।

**ৰাজনীতি সম্পৰ্কে সামূহিকতাবাদী দৃষ্টিভংগী (Communitarian views of Politics) ঃ**

সামূহিকতাবাদীসকলৰ মতে মানুহে এক সামূহিক জীৱনতহে নিজৰ বিকাশ কৰিব পাৰে। উদাৰতাবাদীসকলে ব্যক্তিগত প্ৰগতি সাধনৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে সামূহিকতাবাদীসকলে ব্যক্তিক সামাজিক জীৱনৰ অংশ হিচাপেহে প্ৰতিপন্ন কৰিব বিচাৰিছে। এওঁলোকৰ দৃষ্টিত ৰাজনীতি হৈছে সামূহিক কল্যাণ সাধনৰ এক উপায়। ৰাজনীতিয়ে সুস্থ সমাজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভূমিকা লয়। সুস্থ সমাজৰ অংশ হিচাপে ব্যক্তিয়ে আপোনা-আপুনি নিজৰ উন্নতি বা বিকাশ লাভ কৰিব পাৰে। অৰ্থাৎ ৰাজনীতি জনকল্যাণৰ এক আহিলা।

**ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞান (Politics and Political Science) ঃ**

সাধাৰণতে ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞান বহুতো আলোচনাত সমাৰ্থক শব্দ হিচাপেই ব্যৱহাৰ কৰা দেখা যায়। পিছে ভালদৰে পৰীক্ষা বা অধ্যয়ন কৰিলে ইহঁতৰ মাজত কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। অৱশ্যে এনে পাৰ্থক্য সাধাৰণ আলোচনাবোৰত সিমান প্ৰাসংগিক হৈ নপৰে। ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞানৰ পাৰ্থক্য বিচাৰি যোৱাৰ আগতে ৰাজনীতি বিজ্ঞানৰ অৰ্থ আলোচনা কৰাহে যুক্তিসংগত হ'ব।

**ৰাজনীতি বিজ্ঞান কি ? (What is Political Science?) ঃ**

আগতেই উল্লেখ কৰা হৈছে যে ভালেমান লিখনিত ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞানক সমাৰ্থক শব্দ হিচাবেই ব্যৱহাৰ কৰা হৈছিল। ষষ্ঠদশ শতিকাত জ্যা বদাই প্ৰথমে 'Political Science' শব্দটো ব্যৱহাৰ কৰাৰ পাছৰ পৰাই ৰাজনীতিৰ ঠাইত ৰাজনীতি বিজ্ঞান শব্দটো অধিক ব্যৱহাৰ হৈ আহিছে।

ৰাজনীতি বিজ্ঞান ধাৰণাটো মূলতঃ দুটা অৰ্থত ব্যৱহৃত হৈ আহিছে। ৰাজনীতি বিজ্ঞানৰ এই দুই ধাৰণাক তলত আলোচনা কৰা হ'ল—

**পৰম্পৰাগত অৰ্থ ঃ**

ৰাজনীতি বিজ্ঞানৰ পৰম্পৰাগত ধাৰণাই মূলত ৰাষ্ট্ৰকেন্দ্ৰীক আলোচনাক বুজায়। The Dictionary of Political Science এ পৰম্পৰাগত অৰ্থ বাখ্যা কৰি কৈছে "ৰাজনীতি বিজ্ঞান" হ'ল ৰাষ্ট্ৰৰ বিষয়ে প্ৰণালীবদ্ধ আলোচনা তথা ৰাষ্ট্ৰৰ আভ্যন্তৰীণ আৰু বাহ্যিক সম্পৰ্কৰ পৰিচালনা প্ৰক্ৰিয়া। (Political Science is a systematic study of the state and of the processes governing its external and internal relations)। এই এচাম ৰাজনীতিবিদে মূলত, ৰাজনীতি বিজ্ঞানক ৰাষ্ট্ৰৰ লগতে একত্ৰিত কৰিছিল যেনে—

গাৰ্ণাৰৰ মতে— ৰাজনীতি ৰাষ্ট্ৰতে আৰম্ভ হয়, ৰাষ্ট্ৰতে শেষ হয় (Political Science begins and ends with the state)

ব্লাণ্টস্লিৰ মতে— ৰাজনীতি বিজ্ঞান মূলতঃ ৰাষ্ট্ৰকেন্দ্ৰীক যিয়ে, ৰাষ্ট্ৰৰ প্ৰাৰম্ভিক অৱস্থাবোৰ ইয়াৰ মূল প্ৰকৃতিবোৰ বিকাশ আৰু প্ৰকাশৰ বিভিন্ন দিশবোৰ বুজাৰ কাৰণে যত্ন কৰে" (Politics is concerned with the state which endeavours to understand and comprehend the state in its fundamental conditions, in its essential nature, in its various forms of manifestation)

এচাম পৰম্পৰাবাদী আলোচকে ৰাজনীতি বিজ্ঞানক চৰকাৰ আৰু ৰাষ্ট্ৰক সামৰি আলোচনা কৰিছিল। এইসকলৰ ভিতৰত অন্যতম হ'ল জন চিলি, কেটলিন, পল জেনেট, গিলখ্ৰাইষ্ট আদি পণ্ডিতসকল।

চাৰ জন চিলিৰ মতে 'ৰাষ্ট্ৰীয় অৰ্থনীতিয়ে যেনেকৈ সম্পদ, জীৱবিদ্যাই যেনেকৈ জীৱন সম্পৰ্কে আলোচনা কৰে ৰাজনীতি বিজ্ঞানে তেনেকৈ চৰকাৰ সম্পৰ্কীয় বিষয় অনুসন্ধান চলায়। (Political science investigates the phenomenon of govt as political economy deals with wealth, Biology with life....)

অধ্যাপক গিলখ্ৰাইষ্টৰ মতে, 'ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ আৰু চৰকাৰৰ বিষয়ে আলোচনা কৰে' (Political science deals with state & govt.)

মেকমিলান আধুনিক অভিধানৰ আলোচনা অনুসৰি— ৰাজনীতি বিজ্ঞান হ'ল চৰকাৰৰ সংগঠন আৰু পৰিচালনাৰ লগত জড়িত বিষয় (Political Science deals with the organisation and administration of government)

মুঠতে ৰাজনীতি বিজ্ঞানৰ পৰম্পৰাগত ধাৰণাই ৰাজনীতিক মূলতঃ অনুষ্ঠানকেন্দ্ৰীক আলোচনাৰ মাজতে সীমাবদ্ধ কৰি ৰাখে। ৰাজনীতি বিজ্ঞানৰ এনে ধাৰণাই ৰাজনীতি বিজ্ঞানৰ কিছু দিশ প্ৰতিফলিত কৰিলেও ই সম্পূৰ্ণ ব্যাখ্যা দিব পৰা নাই।

**ৰাজনীতি বিজ্ঞানৰ আধুনিক অৰ্থ ঃ**

আধুনিক ৰাজনীতিবিদসকলৰ একাংশই ৰাজনীতি বিজ্ঞানক অনুষ্ঠানকেন্দ্ৰিকতাৰ পৰা মুক্ত কৰি কাৰ্য্যকলাপ আৰু আচৰণৰ লগত সংযুক্ত কৰিব বিচাৰিছে। হবছ, মেক্সৱেৰাৰৰ পৰা আৰম্ভ কৰি চাৰ্লচ মেৰিয়াম, লাচৱেল, এডবাৰ্ড চিলচ্, কেটলিন, ৰবাৰ্ট ডাল আদি ৰাজনৈতিক পণ্ডিতসকলে ৰাজনীতি বিজ্ঞানক এক ক্ষমতাৰ বিষয়ে অধ্যয়ন কৰা বিষয় হিচাবে উল্লেখ কৰিছে। লাচৱেলৰ মতে ‘প্ৰভাব আৰু প্ৰভাৰশালীসকলৰ ক্ৰিয়া-কলাপৰ আলোচনাই হৈছে ৰাজনীতি’। (Politics is the study of influence and influencial)

ৰবাৰ্ট ডালৰ মতে “ৰাজনীতি বিজ্ঞান ক্ষমতা, কৰ্তৃত্ব আৰু শাসনৰ লগতহে জড়িত। (Political science deals with power, rule and authority)

মুঠতে এই চাম ৰাজনীতিবিদে ৰাজনীতি বিজ্ঞানক মূলতঃ ক্ষমতাকেন্দ্ৰিক সম্পৰ্কৰ মাজতে আবদ্ধ কৰি ৰাখিছে। ৰাজনীতি বিজ্ঞান সম্পৰ্কীয় এনে মন্তব্যও সম্পূৰ্ণ গ্ৰহণযোগ্য নহয়।

বৰ্তমান সময়ত ৰাজনীতি বিজ্ঞানৰ সংজ্ঞা দিয়াটো এক দুৰূহ কাম হৈ পৰিছে। তথাপি ৰাজনীতি বিজ্ঞান সম্পৰ্কে আমি থোৰতে ক’বলৈ হ’লে ক’ব লাগিব ৰাজনীতি বিজ্ঞান হ’ল এক সমাজ বিজ্ঞান, য’ত ৰাষ্ট্ৰ চৰকাৰৰপৰা আৰম্ভ কৰি মানুহৰ জন-কল্যাণৰ লগত জড়িত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ গঠন, পদ্ধতি, কৰ্তব্যৰ লগতে সেইবোৰৰ অনুষ্ঠানৰ প্ৰতি মানুহৰ আচৰণ, মূল্যবোধ সম্পৰ্কে বিশ্লেষণাত্মক আলোচনা কৰা হয়।

**ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞানৰ পাৰিভাষিক প্ৰভেদ (Terminological distinction between Politics and Political Science) ঃ**

আগতে উল্লেখ কৰা হৈছে যে ভালেমান চিন্তাবিদৰ লিখনিত ‘ৰাজনীতি’ শব্দৰ পৰিৱৰ্তে ‘ৰাজনীতি বিজ্ঞানো’ ব্যৱহাৰ কৰা হয়। ৰাজনীতি আৰু ‘ৰাজনীতি বিজ্ঞানৰ’ মাজত ভালেমান মিল থাকিলেও ইহঁতৰ মাজত পাৰ্থক্য নথকা নহয়। ৰাজনীতি মূলতঃ ব্যৱহাৰিক সমস্যা বা দিশৰ লগত জড়িত। ই ৰাজনৈতিক আৰু প্ৰশাসনীয় সমস্যাসমূহক বুজায়। ৰাজনীতি চৰকাৰৰ প্ৰকৃত শাসন কাৰ্য্য, ৰাজনৈতিক দলৰ বিভিন্ন পদক্ষেপ, নিৰ্বাচনী কাৰ্য্য আদিৰ লগত জড়িত। ৰাজনীতিয়ে ৰাষ্ট্ৰ চৰকাৰৰ গঠন পদ্ধতিক আওকাণ কৰে, কিন্তু ৰাজনীতি বিজ্ঞানে দুয়োটা দিশকে সামৰি লয়। ই যেনেদৰে চৰকাৰৰ গঠন পদ্ধতি আলোচনা কৰে তেনেদৰে ই বিভিন্ন প্ৰশাসনিক, ৰাজনৈতিক সমস্যা সম্পৰ্কেও অধ্যয়ন কৰে।

মুঠতে ৰাজনীতি বিজ্ঞানৰ পৰিসৰ বহল। ই ব্যৱহাৰিক আৰু তাত্বিক দুয়োটা দিশকে সামৰি লয়। ৰাজনীতি হ’ল ৰাজনীতি বিজ্ঞানৰ অংশবিশেষ মাত্ৰ।

**ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি (Nature of Political Science) ঃ**

ৰাজনীতি বিজ্ঞান সম্পৰ্কে কৰা বিভিন্ন আলোচনাৰপৰা ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি সম্পৰ্কে কিছু আভাস পাব পাৰি। তলত ৰাজনীতি বিজ্ঞানৰ তেনে চৰিত্ৰ বা বৈশিষ্ট্যবোৰ আলোচনা কৰা হ’ল—

(১) **এক সমাজ বিজ্ঞান (A Social Science)** ঃ ৰাজনীতি বিজ্ঞানক এক সমাজ বিজ্ঞান আখ্যা দিয়া হয়। সমাজ বিজ্ঞানৰ মূল বিষয়বস্তু হৈছে ব্যক্তি আৰু সমাজ। ৰাজনীতি বিজ্ঞানে ব্যক্তিক এক সামাজিক প্ৰাণী হিচাবে জ্ঞান কৰি ব্যক্তি সমাজৰ বিভিন্ন সম্পৰ্ক অধ্যয়ন কৰে। সমাজভেদে ব্যক্তিৰ আচৰণৰ প্ৰকৃতি কিয় বেলেগ হয়, সমাজৰ লগত ব্যক্তিয়ে কিদৰে সমযোজন কৰে, সামাজীকৰণ কি আৰু কেনেদৰে হয় সেয়া ৰাজনীতি বিজ্ঞানত সুন্দৰ বিশ্লেষণ দিয়া হয়। ব্যক্তি আৰু সমাজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা বাবে ইয়াক এক গুৰুত্বপূৰ্ণ সমাজ বিজ্ঞান বোলে।

(২) **এক প্ৰগতিশীল বিজ্ঞান (A Progressive Science)** ঃ ৰাজনীতি বিজ্ঞানক প্ৰগতিশীল আখ্যা দিয়া হয়। গতিশীলতা ইয়াৰ অন্যতম বৈশিষ্ট্য। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সভ্যতা, সংস্কৃতি আৰু সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনৰ ধাৰাক অধ্যয়ন কৰাৰ বাবে ৰাজনীতি বিজ্ঞানে নিজৰ বিষয়বস্তু, অধ্যয়ন পদ্ধতিৰো পৰিৱৰ্তন সাধন কৰি লয়। সময়ৰ গতিশীলতাৰ লগত সামঞ্জস্য ৰাখি চলাৰ বাবেই ইয়াক প্ৰগতিশীল বিজ্ঞান আখ্যা দিয়া হয়।

(৩) **বৰ্ণনাত্মক আৰু উপদেশাত্মক বিজ্ঞান (Narrative & Theological Science)** ঃ ৰাজনীতি বিজ্ঞান বৰ্ণনাত্মক। সমাজত

ঘটা বিভিন্ন ঘটনা প্ৰবাহৰ বিশ্লেষণাত্মক বৰ্ণনা দাঙি ধৰে। লগতে ই কিছু পৰিমাণে উপদেশাত্মকো। যেনে ঃ কোনো এটা ৰাজনৈতিক সমস্যা আলোচনা কৰোতে ই কেৱল ৰাজনৈতিক সমস্যাটোৰ বৰ্ণনা দিয়েই ক্ষান্ত নাথাকেই সেই সমস্যা সমাধানৰ বাবে কেনে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা উচিত সেই সম্পৰ্কে উপদেশো দিয়ে। সেয়ে মেক্স ৱেবাৰে ৰাজনীতি বিজ্ঞানক এবিধ বৰ্ণনাত্মক আৰু উপদেশাত্মক বিজ্ঞান হিচাবে অভিহিত কৰিছে।

(৪) **তাত্ত্বিক আৰু ব্যৱহাৰিক দিশযুক্ত বিজ্ঞান (Science consisting of theoretical & practical aspects) ঃ** ৰাজনীতি বিজ্ঞানৰ দুটা দিশ আছে, এটা তাত্ত্বিক আৰু আনটো ব্যৱহাৰিক। তাত্ত্বিক বিজ্ঞান হিচাবে ই কোনো ঘটনাৰ ওপৰত পুংখানুপুংখ অধ্যয়ন চলায় আৰু তাৰ ফলাফলবোৰ সাধৰণীকৰণ কৰি নতুন নতুন তত্ব আবিৰ্ভাব কৰে। আকৌ ইয়াৰ এটা ব্যৱহাৰিক বা প্ৰয়োগিক দিশো আছে। ই আবিৰ্ভাব কৰা তত্ত্ববোৰ বিভিন্ন ঘটনা আলোচনা বা সমস্যা সমাধানত প্ৰয়োগ কৰে।

(৫) **বিজ্ঞান আৰু কলাৰ সংমিশ্ৰণ (A subject bearing elements of both Science & Arts) ঃ** ৰাজনীতি বিজ্ঞানক কেৱল বিজ্ঞান বা কলা আখ্যা দিব নোৱাৰি। ইয়াৰ বৈজ্ঞানিক গুণাগুণ থকাৰ লগতে কলা সুলভ চৰিত্ৰও আছে। দুয়োবিধৰ উপাদানৰ সমাহাৰত সৃষ্টি হোৱা দৰাচলতে ই এক মিশ্ৰিত বিষয়।

তলত ৰাজনীতি বিজ্ঞানৰ কলা আৰু বিজ্ঞান প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা হ'ল—

**বিজ্ঞান হিচাবে ৰাজনীতি বিজ্ঞান (Political Science as a Science) ঃ**

ৰাজনীতি বিজ্ঞান প্ৰকৃত অৰ্থত বিজ্ঞান হয় নে নহয় এই লৈ জন্মলগ্নৰে পৰা বিতৰ্ক চলি আহিছে। এচাম পণ্ডিতে ৰাজনীতি বিজ্ঞানক বিজ্ঞান আখ্যা দিব নোখোজে। মেইটলেণ্ডৰ মতে "মই যেতিয়া ৰাজনীতি বিজ্ঞান শীৰ্ষক পৰীক্ষাৰ প্ৰশ্নবোৰ দেখিবলৈ পাওঁ তেতিয়া প্ৰশ্নবোৰৰ বাবে নহয় শিৰোনামটোৰ বাবেহে আক্ষেপ কৰোঁ" (When I see a good set of examination questions headed by the word political science' I regret not the the questions but the titles) মেইটলেণ্ডৰ লেখিয়াকৈ বাৰ্ক, কমটে প্ৰভৃতি ৰাজনীতিবিদসকলেও ৰাজনীতি বিজ্ঞানক বিজ্ঞান আখ্যা দিব নোখোজে। ইয়াৰ মূল কাৰণ হ'ল—

(ক) প্ৰকৃত বিজ্ঞানৰ লেখিয়াকৈ ৰাজনীতি বিজ্ঞানত সৰ্ব গ্ৰহণযোগ্য সিদ্ধান্ত লোৱাটো অসম্ভৱ। ৰাজনীতি বিজ্ঞানৰ গ্ৰহণ কৰা সৰহভাগ সিদ্ধান্তই বিতৰ্কমূলক আৰু সময়সাপেক্ষ।

(খ) ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ বিষয় হ'ল মানুহ। কিন্তু মানুহৰ আচৰণক কেতিয়াও সম্পূৰ্ণ শুদ্ধকৈ পৰীক্ষা কৰিব নোৱাৰি। তাৰ বাবে ইয়াৰ গৱেষণা বহু সময়ত বস্তুগত (Objective) নহয়।

(গ) ৰাজনীতি বিজ্ঞানীসকলে সৰহভাগ সিদ্ধান্ত লওঁতে অনুমানৰ ওপৰত নিৰ্ভৰ কৰে। অনুমানৰ ওপৰত গ্ৰহণ কৰা সিদ্ধান্ত বা বিষয়ৰ বৈজ্ঞানিক ভিত্তিত সীমিত।

ৰাজনীতি বিজ্ঞানক বিজ্ঞান আখ্যা দিব নোখোজা লোকসকলে দৰাচলতে বিজ্ঞান শব্দৰ অপ ব্যাখ্যা আগবঢ়াইছে নাইবা অতিশয় সংকীৰ্ণ অৰ্থতহে বিজ্ঞান শব্দটো ব্যৱহাৰ কৰিছে। বিজ্ঞানৰ প্ৰকৃত অৰ্থ হ'ল সুসংবদ্ধ জ্ঞান। বিজ্ঞানৰ এনে অৰ্থই ৰাজনীতি বিজ্ঞানক বিজ্ঞানৰ শাৰীলৈ উন্নিত কৰে। সেয়েহে পোলকে কৈছিল "ৰাজনীতি বিজ্ঞানক বিজ্ঞান বুলি গণ্য নকৰা লোকসকলে দৰাচলতে বিজ্ঞাননো প্ৰকৃততে কি সেই কথাকেই নাজানে।" তলৰ যুক্তিবোৰেৰে ৰাজনীতি বিজ্ঞানক বিজ্ঞান হিচাবে প্ৰতিষ্ঠা কৰিব পাৰি—

(ক) বিজ্ঞানৰ প্ৰকৃত অৰ্থ যদি সুসংবদ্ধ আলোচনা হয় তেন্তে ৰাজনীতি বিজ্ঞানক বিজ্ঞান বুলিব পাৰি। ৰাজনীতি বিজ্ঞানে ৰাজনৈতিক ঘটনাক্ৰমকে সুসংবদ্ধভাৱে আলোচনা কৰে।

(খ) ৰাজনীতি বিজ্ঞানৰ সূত্ৰ বা সিদ্ধান্তবোৰ ভৱিষ্যত বা বৰ্তমান কৰ্ত্তব্যক্ষেত্ৰত প্ৰয়োগ কৰি সমস্যা সমাধান কৰিব পৰা যায়। সেইফালৰ পৰা ই বিজ্ঞান।

(গ) ৰাজনীতি বিজ্ঞানৰ সিদ্ধান্ত পৰীক্ষণৰ বাবে কোনো গৱেষণাগাৰ নাই বুলি যি মন্তব্য দিয়া হয় সেয়াও সম্পূৰ্ণ ভুল। ৰাজনীতি বিজ্ঞানৰ বাবে গোটেই পৃথিৱীখনেই হৈছে গৱেষণাগাৰ। উদাহৰণস্বৰূপে বিভিন্ন ৰাজনৈতিক ব্যৱস্থা পৰীক্ষণৰ বাবে ৰাজনীতি বিজ্ঞানীসকলে গোটেই পৃথিৱীখনকে গৱেষণাগাৰ হিচাবে ব্যৱহাৰ কৰে।

ৰাজনীতি বিজ্ঞানক বিজ্ঞান হিচাবে প্ৰতিষ্ঠা কৰাৰ বাবে কিছু যুক্তি থাকিলেও ৰাজনীতি বিজ্ঞানক প্ৰাকৃতিক বিজ্ঞানৰ মৰ্যাদা দিব পৰা নাযায়। প্ৰাকৃতিক বিজ্ঞানৰ গতিসমূহৰ দৰে সাৰ্বজনীনতা আৰু সঠিক সিদ্ধান্ত দিব পৰা ক্ষমতা ৰাজনীতি বিজ্ঞানৰ নাই। গতিকে আমি ইয়াক সমাজৰ ৰাজনৈতিক দিশৰ লগত জড়িত সমাজ বিজ্ঞান বুলি কোৱাটোহে আমাৰ পক্ষে সমীচীন হ'ব।

**কলা হিচাবে ৰাজনীতি বিজ্ঞান (Political Science as Art) ঃ**

বিজ্ঞানৰ লেখিয়াকৈ ৰাজনীতি বিজ্ঞানৰ ভালেমান কলাত্মক দিশো আছে। ব্লাণ্টস্লিয়ে ৰাজনীতি বিজ্ঞান যিমান বিজ্ঞান তাতকৈ অধিক পৰিমাণে কলা হিচাবে আখ্যা দিছে। ৰাজনীতি বিজ্ঞানৰ কলাত্মক দিশ সম্পৰ্কে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

(ক) বাস্তৱ প্ৰয়োগিকতা কলাৰ অন্যতম বৈশিষ্ট্য। কলা হ'বলৈ হ'লে কোনো উদ্দেশ্য সাধনৰ বাবে কলাক বাস্তৱ ৰূপ দিব পৰা হ'ব লাগিব। ৰাজনীতি বিজ্ঞান এক প্ৰয়োগিক বিজ্ঞান। ৰাজনীতিৰ বিভিন্ন তত্ত্ববোৰক বাস্তৱ সমস্যাবোৰ সমাধান কৰা ক্ষেত্ৰত প্ৰয়োগ হয়।

(খ) কলাৰ আন এটা বৈশিষ্ট্য হৈছে অভ্যাসৰ ফলত পাৰদৰ্শিতা বৃদ্ধি। কোনো এটা কলাত্মক বিষয়ৰ ওপৰত বহুদিন অভ্যাস কৰি থাকিলে তাৰ বিভিন্ন কৌশলবোৰ সহজতে আয়ত্ত্বাধীন হয়, যাৰ ফলত ব্যক্তিজনৰ পাৰদৰ্শিতা বৃদ্ধি পায়। ৰাজনীতি বিজ্ঞানো এই ক্ষেত্ৰত এক কলাত্মক বিষয়। কিয়নো, বহু দিন চৰ্চা কৰাৰ ফলতে ৰাজনৈতিক নেতাসকলে বক্তৃতা দিয়াৰ কৌশল, সমস্যা সহজে বুজি পোৱা বা সমস্যা সমাধান কৰাত সফল হয়।

ওপৰোক্ত দিশবোৰৰপৰা ৰাজনীতি বিজ্ঞানক কলা হিচাবে আখ্যা দিব পাৰিলেও প্ৰকৃততে ৰাজনীতি বিজ্ঞান কলা আৰু বিজ্ঞান সমষ্টিহে। ৰাজনীতি বিজ্ঞানৰ তত্ত্বগত দিশটোৱে ৰাজনীতি বিজ্ঞানক বিজ্ঞান হিচাবে প্ৰতিষ্ঠা কৰাৰ বিপৰীতে ইয়াৰ প্ৰয়োগিক দিশটোৱে ইয়াক কলা হিচাবে কাৰ্য্যকৰী কৰিছে।

**ৰাজনীতি বিজ্ঞানৰ পৰিসৰ নাইবা বিষয়বস্তু (Scope of Political Science or its Subject Matter) ঃ**

কোনো বিষয়ৰ অধ্যয়ন ক্ষেত্ৰ বা পৰিসৰ বুলিলে সেই বিষয়টোৱে অধ্যয়ন বা আলোচনা কৰা সকলো বিষয় বা উপাদানকে বুজায়। ৰাজনীতি বিজ্ঞানৰ পৰিসৰে সাধাৰণতে ইয়াৰ অধ্যয়ন ক্ষেত্ৰকে বুজায়। পিছে ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন ক্ষেত্ৰ বা পৰিসৰ সম্পৰ্কে যথেষ্ট মতানৈক্য দেখিবলৈ পোৱা যায়। এক প্ৰগতিশীল সমাজ বিজ্ঞান হিচাবে ইতিমধ্যে ৰাজনীতি বিজ্ঞানে সময়ৰ লগে লগে নানা নতুন বিষয়কো ইয়াৰ অন্তৰ্গত কৰি ইয়াৰ পৰিসৰ ব্যাপক কৰি তুলিছে। ৰোডিৰ মতেও 'ৰাজনীতি বিজ্ঞানৰ সঠিক সীমাৰেখা নিৰ্দ্ধাৰণ কৰিব নোৱাৰি' (No precise & definite boundaries can be placed around political science)। তলত ৰাজনীতি বিজ্ঞানৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰা হ'ল।

**(1) ৰাষ্ট্ৰ আৰু চৰকাৰ ঃ** ৰাজনীতি বিজ্ঞানৰ মূল বিষয়বস্তু হৈছে ৰাষ্ট্ৰ। ৰাজনীতি বিজ্ঞানৰ জন্মই স্পষ্টভাৱে প্ৰমাণ কৰে প্ৰাচীন গ্ৰীকৰ নগৰ ৰাষ্ট্ৰ (Polis) পৰিচালনাৰ বাবেই গ্ৰহণ কৰা নীতি-নিয়মেই আছিল ৰাজনীতি। সেয়ে ৰাষ্ট্ৰক ৰাজনীতি বিজ্ঞানৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আখ্যা দিব পাৰি। ভালেমান পণ্ডিতেও এই ক্ষেত্ৰত সহমত পোষণ কৰিছে। অধ্যাপক গাৰ্নাৰৰ মতে "ৰাজনীতি বিজ্ঞান ৰাষ্ট্ৰতে আৰম্ভ, ৰাষ্ট্ৰতে শেষ" (Politics begins and ends with the state) ব্লাণ্টস্লিৰ মতেও 'ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰৰ মৌলিক তত্ত্ববোৰ, চৰিত্ৰসমূহ, বিভিন্ন অংশবোৰ আৰু ইয়াৰ ক্ৰমোন্নতিৰ বিষয়ে বুজিবলৈ প্ৰচেষ্টা চলায়। (Politics is concerned with the state which endeavours to understand and comprehend the state in its fundamental condition, in its essential nature, in its various forms of manifestations, its development)

ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰৰ লগতে ৰাষ্ট্ৰৰ চালিকা শক্তিস্বৰূপ চৰকাৰৰ বিষয়ে অধ্যয়ন কৰে। চৰকাৰৰ বিভিন্ন গঠন, প্ৰকৃতি তথা চৰকাৰ পৰিচালনাৰ বিভিন্ন পদ্ধতিসমূহৰ বিষয়ে ই অধ্যয়ন কৰে। ৰাষ্ট্ৰৰ মূৰ্ত্ত প্ৰকাশ হ'ল চৰকাৰ। সেয়ে প্ৰকৃত পক্ষে ৰাষ্ট্ৰৰ অধ্যয়নেই চৰকাৰৰ অধ্যয়নত পৰিণত হয়। অধ্যাপক পল জেনেট, লাস্কি, গেটেল, গিলখ্ৰাইষ্ট আদি পণ্ডিতসকলে ৰাষ্ট্ৰ আৰু চৰকাৰক ৰাজনীতি বিজ্ঞানৰ বিষয়বস্তু হিচাপে অভিহিত কৰিছে।

**(2) ৰাজনৈতিক সংস্থা আৰু অনুষ্ঠান সম্পৰ্কে অধ্যয়ন ঃ** ৰাজনীতি বিজ্ঞানে ৰাষ্ট্ৰ আৰু চৰকাৰৰ উপৰিও বিভিন্ন ৰাজনৈতিক অনুষ্ঠানৰ বিষয়ে অধ্যয়ন কৰে। ৰাজনৈতিক অনুষ্ঠান বুলিলে সংবিধান, জন প্ৰশাসন, ৰাজনৈতিক দল, বিভিন্ন প্ৰভাবগোষ্ঠীক বুজায়। ৰাজনীতি বিজ্ঞানে এনে বিভিন্ন অনুষ্ঠানৰ গঠন, প্ৰকৃতি, কাৰ্য্য তথা আচৰণ সম্পৰ্কে অধ্যয়ন কৰে। আধুনিক ভালেমান ৰাজনীতি বিজ্ঞানী, যেনে ঃ আলমণ্ড, পাৱেল, লাচৱেল, ইষ্টন আদিয়ে সংস্থা আৰু অনুষ্ঠান সম্পৰ্কে অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

**(3) ক্ষমতা সম্পৰ্কে অধ্যয়ন ঃ** এচাম ৰাজনীতিবিদৰ মতে ক্ষমতাই হ'ল ৰাজনীতিৰ মূল বিষয়। তেওঁলোকৰ মতে ক্ষমতাৰ ভেটি, ক্ষমতাৰ দ্বাৰা প্ৰতিপত্তি প্ৰতিষ্ঠাৰ পদ্ধতি ক্ষমতা প্ৰয়োগ আৰু ইয়াৰ ফলাফল সম্পৰ্কে অধ্যয়ন কৰাই হ'ল ৰাজনীতি

বিজ্ঞানৰ মূল ভেটি। এলান বল, ৰবাৰ্ট ডাল প্ৰভৃতি লেখকসকলে মন্তব্য প্ৰকাশ কৰিছে যে ৰাজনীতিয়ে মূলতঃ ক্ষমতাৰ সম্পৰ্কবোৰৰ বিষয়ে অধ্যয়ন কৰে। জাতীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত ব্যক্তি প্ৰতিষ্ঠান বা ৰাষ্ট্ৰই সদায় ক্ষমতা লাভৰ প্ৰচেষ্টা চলাই থাকে। এনে বিভিন্ন প্ৰচেষ্টাবোৰক ৰাজনীতিত অধ্যয়ন কৰা হয়।

মাৰ্ক্সীয় আদৰ্শৰ সমৰ্থকসকলৰ মতেও ৰাজনীতি বিজ্ঞানৰ মূল আলোচ্য বিষয় হ'ল ক্ষমতা। তেওঁলোকে অৰ্থনৈতিক ক্ষমতাৰ ভিত্তিত সমাজৰ বিভিন্ন দিশবোৰৰ আলোচনা কৰিছে। মাৰ্ক্সীবাদীসকলৰ মতে, ৰাষ্ট্ৰীয় ক্ষমতা লাভৰ বাবে অহৰহ সমাজত শ্ৰেণীসমূহৰ মাজত সংঘৰ্ষ অব্যাহত থাকে।

**(4) ৰাজনৈতিক গতিশীলতা ঃ** ৰাজনীতি বিজ্ঞানে ৰাজনৈতিক গতিশীলতাৰ বিষয়ে অধ্যয়ন কৰে। সমাজ গতিশীল। সময়ৰ পৰিবৰ্তনৰ লগে লগে ৰাষ্ট্ৰ আৰু চৰকাৰৰ ব্যৱস্থাৰ লগতে অন্যান্য অনুষ্ঠানসমূহৰো পৰিবৰ্তন হ'ল। ৰাজনীতি বিজ্ঞানে অনুষ্ঠানসমূহৰ হোৱা এনে বিভিন্ন পৰিবৰ্তনসমূহৰ বিষয়ে অধ্যয়ন কৰে। লগতে পৰিবৰ্তনৰ বিভিন্ন কাৰণ আৰু এনে পৰিবৰ্তনৰ প্ৰতিক্ৰিয়া সম্পৰ্কেও আলোচনা কৰে।

**(5) আন্তৰ্জাতিক আইন আৰু অনুষ্ঠান ঃ** বৰ্তমান সময়ত কোনো ৰাষ্ট্ৰই অকলশৰীয়া হৈ থাকিব নোৱাৰে। বিভিন্ন কাৰণত এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰৰ লগত সম্পৰ্ক স্থাপন কৰে। এনে সম্পৰ্ক ৰক্ষাৰ বা নিয়ন্ত্ৰণৰ বাবে বিভিন্ন আন্তৰ্জাতিক আইন তথা আন্তৰ্জাতিক অনুষ্ঠান গঠন কৰা হৈছে। ৰাজনীতি বিজ্ঞানে এই আইন বা অনুষ্ঠানবোৰৰ বিষয়ে অধ্যয়ন কৰে। ইয়াৰ উপৰিও নিৰস্ত্ৰীকৰণ, পৰিবেশ সক্ৰান্তীয় বা অৰ্থনৈতিক তথা ৰাজনৈতিক সমিলমিলৰ বাবে বিভিন্ন আন্তৰ্জাতিক সন্মিলনো অনুষ্ঠিত হয়। এনে সন্মিলনৰ উদ্দেশ্য, সফলতা বা বিভিন্ন কাৰ্যব্যৱস্থা সম্পৰ্কেও ৰাজনীতি বিজ্ঞানত অধ্যয়ন কৰা হয়।

**(6) মানৱ আচৰণ সম্পৰ্কে অধ্যয়ন ঃ** ৰাজনীতি বিজ্ঞানৰ অধ্যয়নত মানৱ আচৰণকো গুৰুত্ব প্ৰদান কৰে। বিশেষকৈ আচৰণবাদী বিপ্লৱৰ পিছৰ পৰাই ৰাজনীতি বিজ্ঞান অধ্যয়নত মানৱ আচৰণক বিশেষভাবে আলোচনা কৰি অহা হৈছে। হেৰল্ড লাচৱেল, চাৰ্লচ মেৰিয়াম প্ৰভৃতি পণ্ডিতসকলে ৰাজনীতি বিজ্ঞানক মানৱ আচৰণৰ বিজ্ঞান আখ্যা দিছে। বৰ্তমান সময়তো ৰাজনীতি বিজ্ঞানত মানৱ আচৰণ সম্পৰ্কীয় ভালেমান গৱেষণা চলাই থকা হৈছে। নিৰ্বাচনৰ সময়ত ভোটাৰৰ আচৰণ, চৰকাৰৰ প্ৰতি জনসাধাৰণৰ দৃষ্টিভংগী, ৰাজনৈতিক দলবোৰৰৰ আচৰণ আদি এনে কেতবোৰ উদাহৰণ।

**(7) পৰিৱেশ সম্পৰ্কীয় অধ্যয়ন ঃ** বৰ্তমান ৰাজনীতি বিজ্ঞানৰ আলোচনাবোৰত পৰিবেশ সম্পৰ্কীয় আলোচনাই বিশেষ স্থান লাভ কৰিছে। ৰাষ্ট্ৰীয় বা আন্তৰ্জাতিক আলোচনাবোৰত পৰিবেশ সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি অহা হৈছে। ইতিমধ্যে পৰিৱেশ সুৰক্ষাৰ বাবে বিভিন্ন সংস্থা বা আন্দোলনো গঢ়ি উঠিছে। এনে আন্দোলন তথা সংস্থাবোৰৰ দাবীবোৰ ৰাজনৈতিক কৰ্তৃপক্ষৰ ওচৰত দাঙি ধৰি পৰিৱেশ সংৰক্ষণ কৰিব খোজা হৈছে। ৰাজনীতি বিজ্ঞানত পৰিৱেশ সম্পৰ্কীয় আলোচনা, আন্দোলন তথা সংস্থাবোৰৰ বিভিন্ন পদক্ষেপবোৰৰ বিষয়ে অধ্যয়ন কৰা হয়।

এনেদৰে সময়ে সময়ে ৰাজনীতি বিজ্ঞানৰ পৰিসৰ ক্ৰমাৎ বৃদ্ধি হ'বলৈ ধৰিছে। ১৯৪৮ চনত ইউনেস্কোত বহা এক সন্মিলনত তলত উল্লেখ কৰা বিষয়বোৰক ৰাজনীতি বিজ্ঞানৰ পৰিসৰত অন্তৰ্ভুক্ত হৈছে—

(i) ৰাজনৈতিক তত্ত্ব, আদৰ্শ, ইতিহাস (ii) ৰাজনৈতিক প্ৰতিষ্ঠান, সংবিধান, জাতীয় চৰকাৰ, স্থানীয় চৰকাৰ, লোক প্ৰশাসন, চৰকাৰৰ আৰ্থিক আৰু সামাজিক কাৰ্য তুলনামূলক ৰাজনৈতিক প্ৰতিষ্ঠান (iii) ৰাজনৈতিক দল, গোষ্ঠী আৰু জনমত, (vi) আন্তৰ্জাতিক সম্পৰ্ক।

মুঠতে দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী কালছোৱাত ৰাজনীতি বিজ্ঞানলৈ ভালেমান নতুন নতুন বিষয় সংযোজিত হৈছে। যিহেতু ৰাজনীতিৰ মূল উদ্দেশ্য হ'ল মানৱ জীৱনৰ অধ্যয়ন সেয়েহে মানৱ জীৱনক প্ৰভাৱিত কৰা সকলো বিষয়েই ৰাজনীতি বিজ্ঞানত স্থান পাই আহিছে। বৰ্তমান ৰাজনীতি বিজ্ঞানে অন্যান্য সমাজ বিজ্ঞানৰ সৈতে সহযোগিতা কৰি ভালেমান নতুন বিষয়ক ইয়াৰ পৰিধিৰ অন্তৰ্ভুক্ত কৰাৰ ফলত ইয়াৰ পৰিধি ক্ৰমাৎ বহল হৈ পৰিছে। অদূৰ ভৱিষ্যতেও ৰাজনীতি বিজ্ঞানলৈ অনেক নতুন বিষয় অন্তৰ্ভুক্ত হৈ ইয়াক এক অধিক জটিল বিষয়লৈ পৰিবৰ্তন কৰিব।

**ৰাজনীতি বিজ্ঞান অধ্যয়নৰ উপকাৰিতা (Utility of the study of Political Science) ঃ**

মানুহে বহু শতাব্দীৰ আগৰপৰাই ৰাজনীতি বিজ্ঞান অধ্যয়ন কৰি আহিছে আৰু বৰ্তমান ইয়াৰ জনপ্ৰিয়তা যথেষ্ট বৃদ্ধিও পাইছে। দৰাচলতে মানুহে কোনো ক্ষেত্ৰতে ৰাজনৈতিক জীৱনৰপৰা আঁতৰত থাকিব নোৱাৰে। মহাত্মা গান্ধীয়ে সঠিকভাৱেই

কৈছিল ৰাজনীতি হ'ল এক সৰ্প কুণ্ডলী সদৃশ। কোনোবাই ইয়াৰপৰা পলাব খুজিলেও তেওঁ পলাব নোৱাৰে। মানুহে সেয়েহে ৰাজনৈতিক জীৱনৰ জ্ঞান লাভ কৰাৰ বাবে ৰাজনীতি বিজ্ঞান অধ্যয়ন কৰা দৰকাৰ। তলত ৰাজনীতি বিজ্ঞান অধ্যয়নৰ উপকাৰিতাবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

**(i)** **ৰাষ্ট্ৰ সম্পৰ্কীয় জ্ঞান ঃ** মানুহে ব্যক্তিগত তথা সামূহিক উদ্দেশ্য সাধনৰ বাবে গঠন কৰে অনুষ্ঠানবোৰৰ ভিতৰত ৰাষ্ট্ৰ অন্যতম। গতিকে ৰাষ্ট্ৰৰ বিষয়ে জ্ঞান থকাটো প্ৰতিজন নাগৰিকৰ কৰ্তব্য। সমাজৰ আটাইতকৈ কৰ্তৃত্বসম্পন্ন অনুষ্ঠানৰ যোগেদিয়েই আমাৰ ব্যক্তিগত তথা সামাজিক সম্পৰ্কবোৰ নিয়ন্ত্ৰিত হয়। ৰাজনীতি বিজ্ঞানৰ জ্ঞানে মানুহক ৰাষ্ট্ৰ গঠন, প্ৰকৃতিৰ লগতে ইয়াৰ কাৰ্য্য পৰিসৰৰ বিষয়ে বিৱৰণ আগবঢ়ায়, যাৰ ফলত তেওঁ ৰাষ্ট্ৰীয় প্ৰভাৱ সম্পৰ্কে এক স্পষ্ট ধাৰণা কৰিব পাৰে।

**(ii)** **চৰকাৰ সম্পৰ্কীয় জ্ঞান ঃ** ৰাষ্ট্ৰ পৰিচালনাত চৰকাৰৰ ভূমিকা যথেষ্ট। অৱশ্যে চৰকাৰ বিভিন্ন প্ৰকাৰৰ হোৱা বাবে ইয়াৰ সমাজ তথা ব্যক্তিক নিয়ন্ত্ৰণ আৰু পৰিচালন কৰা পদ্ধতিও বেলেগ বেলেগ ধৰণৰ হয়। চৰকাৰে দেশ পৰিচালনা কৰাৰ বাবে কিছুমান নিৰ্দিষ্ট নীতি-নিয়ম ৰচনা কৰে। এই নীতি-নিয়মৰ অন্তৰালত উদ্দেশ্য নিহিত থাকে। জনসাধাৰণৰ সমৰ্থনেহে ইয়াক বাস্তৱৰূপ দিয়াব পাৰে। সেয়েহে জনসাধাৰণে স্বাভাৱিকতে এনে দিশবোৰ সম্পৰ্কে সজাগ থকাটো প্ৰয়োজন। এনে সজাগতা ৰাজনীতি বিজ্ঞানৰ অধ্যয়নেহে প্ৰদান কৰিব পাৰে।

**(iii)** **ৰাজনৈতিক সচেতনতা বৃদ্ধি ঃ** ৰাজনীতি বিজ্ঞানৰ অধ্যয়নে ব্যক্তিক ৰাজনৈতিকভাৱে সচেতন কৰি তোলে। ৰাজনীতিৰ অধ্যয়নে প্ৰজাক নিজৰ দেশৰ চৰকাৰৰ বিভিন্ন দিশবোৰ জনাৰ লগতে শাসন ব্যৱস্থাত জনসাধাৰণে কেনে ভূমিকা লোৱা উচিত সেই সম্পৰ্কেও জ্ঞান দিয়ে। যেনে ঃ চৰকাৰৰ কাৰ্য্য জনমুখাপেক্ষী হ'লেও জনসাধাৰণে চৰকাৰৰ তেনে কামক প্ৰশংসা তথা সমৰ্থন কৰিব লাগে। আনহাতে চৰকাৰৰ কাম-কাজ জনগণৰ বিৰোধী হ'লে তাৰ প্ৰতিবাদ বা বিৰুদ্ধাচৰণ কৰিব লাগে। প্ৰতিবাদ বা বিৰুদ্ধাচৰণ প্ৰক্ৰিয়াও ধ্বংসাত্মক নহৈ গঠনাত্মক হ'লেহে অধিক সুফল পোৱা যায়। এনে দিশবোৰৰ বিষয়ে প্ৰকৃত জ্ঞান ৰাজনীতি বিজ্ঞানৰ পৰাহে পোৱা যায়।

**(iv)** **অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সচেতনতা ঃ** ৰাজনীতি বিজ্ঞানৰ অধ্যয়নে নাগৰিকক তেওঁলোকৰ অধিকাৰ আৰু কৰ্তব্য সম্পৰ্কেও সঠিক জ্ঞান প্ৰদান কৰে। আমি কি কি উপায়েৰে নিজৰ দায়িত্ব পালন কৰিব পাৰোঁ, আমি ৰাষ্ট্ৰৰপৰা কোনবোৰ সুবিধা দাবী কৰিব পাৰোঁ এই বিষয়ে জনাতো অত্যন্ত প্ৰয়োজনীয়। মানুহে নিজৰ সুবিধাৰ বাবেহে ৰাষ্ট্ৰৰ জন্ম দিছে সেয়ে স্বাভাৱিকতে ৰাষ্ট্ৰৰ ওচৰত মানুহৰ দাবী থাকিব। কিন্তু তাৰ লগে লগে ৰাষ্ট্ৰখনক সুসংগঠিত কৰি ৰাখিবলৈ তেওঁ কিছু কৰ্তব্যও পালন কৰিব লাগে। তেতিয়াহে ৰাষ্ট্ৰই নিজে প্ৰগতি লাভ কৰাৰ লগতে জনসাধাৰণক প্ৰয়োজনীয় সুবিধা দিবলৈ সমৰ্থ হ'ব।

**(v)** **সুস্থ সবল জনমত গঠন ঃ** ৰাজনীতি বিজ্ঞানৰ অধ্যয়নে সজাগ, সচেতন, কৰ্তব্যপৰায়ণ আৰু দায়িত্বশীল নাগৰিক গঢ় দিয়াত সহায় কৰে। দেশত দেখা দিয়া বিভিন্ন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যা সমাধানৰ বাবে সুস্থ সবল শুদ্ধ জনমত গঠন কৰাতো ৰাজনীতি বিজ্ঞানৰ অধ্যয়নে সহায় কৰে।

**(vi)** **আন্তৰ্জাতিক দৃষ্টিভংগী ঃ** ৰাজনীতি বিজ্ঞানৰ জ্ঞানে মানুহক বিশ্ব ৰাজনীতিৰ ঘটনাৱলীৰ সবিশেষ বিৱৰণ দিয়ে। বৰ্তমান কোনো ৰাষ্ট্ৰই স্বাৱলম্বী নহয়। বিভিন্ন কাৰণত এখনে আনখনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। আকৌ বিশ্বায়নৰ যুগত এখন ৰাষ্ট্ৰত আৱিৰ্ভাৱ হোৱা সমস্যাই আন ৰাষ্ট্ৰতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সেয়ে আধুনিক যুগৰ প্ৰত্যেকজন ব্যক্তিয়ে আন্তঃৰাষ্ট্ৰীয় সমস্যা আৰু ইয়াৰ সমাধানৰ বিষয়ে চিন্তা কৰাটো প্ৰয়োজনীয়। এনে সচেতনতা বা জ্ঞান লাভৰ বাবে ব্যক্তিজনে স্বাভাৱিকতে ৰাজনীতি বিজ্ঞান অধ্যয়ন কৰিব লাগে।

ওপৰৰ আলোচনাৰ দ্বাৰা এই কথা প্ৰতিপন্ন হয় যে ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন অবিহনে স্বাভাৱিক জীৱন যাত্ৰা সম্ভৱ নহয়। আকৌ বৰ্তমান সময়ত শিক্ষা, সংস্কৃতি, বিজ্ঞান, অৰ্থনীতি আদি সকলো ৰাজনীতিৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত। ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন অবিহনে জনসাধাৰণৰ এইবোৰ বিষয়ত সূক্ষ্ম জ্ঞান লাভ কৰাটো অসম্ভৱ। মুঠতে ব্যক্তিয়ে নিজৰ ব্যক্তিগত তথা সামাজিক দায়িত্ব পালন কৰিবলৈ যাওঁতে সততে ৰাজনীতি বিজ্ঞান অধ্যয়নৰ প্ৰয়োজন হয়। সেয়েহে জৰ্জ বাৰ্ণাৰ্ড শ্বই কৈছিল 'ৰাজনীতি বিজ্ঞানহে একমাত্ৰ বিজ্ঞান, যিয়ে সভ্যতাক ৰক্ষা কৰিব পাৰে। (Political Science is the science by which alone civilization can be saved.)

**ৰাজনৈতিক তত্ত্ব (Political Theory) ঃ**

ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ল ৰাজনৈতিক তত্ত্ব। বিভিন্ন সময়ৰ ৰাজনৈতিক দাৰ্শনিক সকলে প্ৰচলিত ধ্যান ধাৰণাৰ ভিত্তিত নাইবা বিভিন্ন পৰীক্ষণৰ সহায়ত ৰাজনৈতিক তত্ত্বসমূহ আগবঢ়াই আহিছে। এই ৰাজনৈতিক তত্ত্বৰ ভেটিতেই মানুহৰ সংঘবদ্ধ ৰাজনৈতিক জীৱনৰ ওপৰত ৰাজনীতি বিজ্ঞানৰ বিকাশ হৈছে। ৰাজনীতি বিজ্ঞানত ৰাজনৈতিক তত্ত্বৰ ভূমিকা জনাৰ আগতে ৰাজনৈতিক তত্ত্বনো কি সেয়া আলোচনা কৰাহে উচিত হ'ব।

তত্ত্ব মানে কি (What is theory) সকলো বিজ্ঞানৰ জ্ঞানেই তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। এই তত্ত্ব শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Theory' গ্ৰীক শব্দ 'Theoria'ৰ পৰা আহিছে যাৰ অৰ্থ হ'ল কোনো বিষয় জনাৰ বাবে মানসিক ধ্যান ধাৰণা প্ৰদান কৰা (A well focoused mental look taken at something in a state of contemplation with the inten to grasm or understand it) আৰ্নণ্ড ব্ৰেষ্ট (Arnold Breeht) এ তত্ত্ব শব্দটোৰ দুটা অৰ্থ প্ৰকাশ কৰিছে। সংকীৰ্ণ অৰ্থত তত্ত্বই কোনো বিষয়ৰ ওপৰত বিশ্লেষণ বা ব্যাখ্যা (explanatory tought only) আকৌ বহুল অৰ্থত তত্ত্ব এজন ব্যক্তিৰ বা চিন্তাবিদ কোনো বিষয়ৰ ওপৰত সম্পূৰ্ণ অধ্যয়নক বুজায় (entire teaching on a subject)। এনে অধ্যয়নৰ ভিতৰত কাৰ্য্যৰ বিৱৰণ, চিন্তাবিদৰ নিজ বিশ্লেষণ তেওঁৰ সেই বিষয় সম্পৰ্কত ঐতিহাসিক ধাৰণা, তেওঁৰ প্ৰমূল্যবোধ, প্ৰকাশ লক্ষ্য নীতি আৰু পৰিকল্পনাক সামৰি লয়।

কাৰ্লডাটচ্ (Karl Deutsch) ৰ মতে তত্ত্বই কোনো বিষয়ৰ বিশ্লেষণৰ অসংলগ্ন তথ্যবোৰৰ মাজত সম্পৰ্ক স্থাপন কৰাৰ লগতে কোনবোৰ তথ্য প্ৰাসংগিক সেইবোৰ বিচৰাৰ লগতে প্ৰাপ্ত তথ্যৰ ভিত্তিত ভৱিষ্যৎ সম্পৰ্কেও আভাস দিয়ে।

কেটলিনৰ মতে তত্ত্ব শব্দটো এখন খালী চেক সদৃশ যাৰ প্ৰয়োগৰ ওপৰত ইয়াৰ মূল্য আৰু উপযোগিতা নিৰ্ভৰ কৰে। (theory is like a blank cheque whose value is its utility and the way in which it is put into practice)

আৰ্নণ্ড ব্ৰেষ্ট এ পুনৰ কৈছে তত্ত্ব হৈছে তথ্যৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু কোনো ধাৰণাক সমৰ্থন কৰা প্ৰকল্প। অৰ্থাৎ তথ্যৰ দ্বাৰা সমৰ্থিত ধাৰনাই তত্ত্ব (The theory is a proposal which is expressed in terms of some data and support some idea)

অৰ্থাৎ তত্ত্ব হৈছে কোনো বিষয়ৰ ওপৰত কৰা প্ৰণালীবদ্ধ, যুক্তিসন্মত বা তথ্যভিত্তিক বিশ্লেষণ। অৱশ্যে সকলো তত্ত্বই বিজ্ঞানসন্মত নহ'বও পাৰে। কিন্তু ই যিকোনো বিষয়ৰে তত্ত্বমূলক অধ্যয়ন কৰা বিষয়বস্তুৰ এটা ব্যাখ্যা দাঙি ধৰাত সফল হ'ব লাগিব।

**ৰাজনৈতিক তত্ত্বৰ অৰ্থ (Meaning of Political Theory) ঃ** ৰাজনৈতিক তত্ত্ব হ'ল ৰাজনীতি বিজ্ঞানৰ অবিচ্ছেদ্য অংগ। ফ্ৰেডৰিক পোলকৰ মতে ৰাজনীতি বিজ্ঞান তত্ত্ব আৰু প্ৰয়োগ এই দুই অংশৰ সমষ্টি ইয়াৰ পৰা স্পষ্ট হয় যে ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞানৰ এক অংশস্বৰূপ। ৰাজনৈতিক তত্ত্ব মূলতঃ দুটা শব্দৰ সমষ্টি (ৰাজনৈতিক আৰু তত্ত্ব)। ইতিমধ্যে ৰাজনীতি আৰু তত্ত্বৰ ধাৰণা সম্পৰ্কে ওপৰত আলোচনা কৰা হৈছে। গতিকে ইয়াত কেৱল ৰাজনৈতিক তত্ত্ব সম্পৰ্কীয় ধাৰণা দিবলৈ প্ৰয়াস কৰা হৈছে।

ৰাজনৈতিক তত্ত্বই মূলত ৰাজনৈতিক বিষয় সমস্যা আদিৰ ওপৰত কৰা প্ৰণালীবদ্ধ আলোচনাক বুজায়। অবশ্যে আলোচনা কেৱল বৰ্ণণাত্মক হলেই নহয়, ই তথ্যভিত্তিক বা যুক্তিসন্মত হ'ব লাগিব। ৰাজনৈতিক তত্ত্ব সম্পৰ্কে ৰাজনৈতিক সমালোচকসকলে বিভিন্ন ধাৰণা আগবঢ়াইছে। তলত সেইবোৰ উল্লেখ কৰা হ'ল—

(i) চেবাইনৰ মতে— ব্যাপক অৰ্থত ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিষয়ক বা ৰাজনীতি সম্বন্ধীয় আৰু ক্ষুদ্ৰ অৰ্থত ৰাজনৈতিক সমস্যাবোৰৰ প্ৰণালীবদ্ধ অনুসন্ধানক বুজায় (Broadly it means as anything about politics or relevent to politics and narrowly as the disciplined investigation of political problems)

(ii) অধ্যাপক ব্লুমৰ মতে ৰাজনৈতিক তত্ত্বই ৰাজনীতি বিষয়ক বিশ্লেষণ, ৰাজনৈতিক বিশ্ব সম্পৰ্কে এক অভিজ্ঞতা আৰু এক ভবিষ্যতৰ ৰাজনৈতিক ঘটনাৰ প্ৰসংগ দাঙি ধৰে। ইয়াৰ অবিহনে আমি কোনো এক ঘটনাক ৰাজনৈতিক হিচাবে স্বীকৃতি দিবলৈ, কোনো ঘটনাৰ উৎপত্তিৰ কাৰণ, ইয়াৰ ভাল-বেয়া হিচাবে বিচাৰ কৰিবলৈ বা ভবিষ্যতৰ ঘটনা সম্পৰ্কে আভাস পাবলৈ অসমৰ্থ। (political theory is an explanation of what politics is all about a general under standing of the political world, a frame of reference without one we should be unable to recognise an event as political decide anything about why it happened, judge whether it was good or bad or decide that was likely to happen next.)

(iii) জে জি প্লানো আৰু আৰ ই ৰিগচৰ মতে- ৰাজনৈতিক তত্ত্ব হৈছে কেতবোৰ চিন্তাৰ সমষ্টি যিয়ে ৰাজনৈতিক ধাৰণা, পৰিঘটনা আদিৰ মূল্যায়ন ব্যাখ্যা আৰু ভৱিষ্যৎবাণী কৰিব খোজে। (political theory is a body of thought that seeks to evaluate, explain and predict political phenomena)

(iv) ডেভিড হেণ্ডৰ মতে— ৰাজনৈতিক তত্ত্ব হ'ল মানুহৰ ৰাজনৈতিক সামৰ্থ্য তথা ৰাষ্ট্ৰ চৰকাৰ আৰু সমাজৰ গঠন প্ৰকৃতি লক্ষ্য সম্পৰ্কীয় ধ্যানধাৰণা, মন্তব্য আদিৰ লগত জড়িত হৈ থকা ৰাজনৈতিক জীৱন ধাৰণাৰ বিষয়ে কৰা সাধাৰণীকৰণৰ সমষ্টি। (political theory is a network of concepts and generalization about political life involving ideas assumptions and statement about the nature purpose and key features of government, state and society and about the political capabilities of human beings)

(v) এনডু হেকাৰৰ মতে— ৰাজনৈতিক তত্ত্বই এহাতেদি ভাল ৰাষ্ট্ৰ আৰু ভাল সমাজৰ নীতিৰ নিৰ্মোহ অধ্যয়ন, আনহাতে ৰাজনৈতিক আৰু সামাজিক বাস্তৱ অভিজ্ঞতাৰ নিৰ্লিপ্ত অন্বেষণ কৰে। (political theory is a combination of a disintersted search for the principle of good state & good society on the one hand and a disinterested search for knopledge of political and social relity on the other)

(vi) ৰাজনীতি বিজ্ঞানৰ অভিধান (Political Science dictionary) অনুসৰি ৰাজনৈতিক তত্ত্ব হ'ল ৰাজনৈতিক প্ৰপঞ্চবোৰৰ (Phenomenon) বিকাশ, বিশ্লেষণ বা ভৱিষ্যত সম্পৰ্কে কৰা চিন্তাৰ সমষ্টি। ৰাজনীতি বিজ্ঞানৰ এক অংশ হিচাবে ই ৰাজনৈতিক ধাৰণা, মূলবোধ আদিৰ বিশ্লেষণৰ লগতে ৰাজনৈতিক আচৰণৰ বিশ্লেষণ তথা ভৱিষ্যৎ সম্পৰ্কে আভাস দিয়ে। (A body of thoght that seeks to evaluate, explain and predict political phenomena. As a subfield of political science, it is concerned with political ideas, value and concepts and the explanation of prediction of political behaviour) মুঠতে ৰাজনৈতিক তত্ত্ব হ'ল ৰাজনৈতিক বাস্তৱতাক অনুধাৱণ কৰিবলৈ গৈ ৰাজনৈতিক সমস্যা বিশ্লেষণৰ পৰা পোৱা তথ্যৰ সাধাৰণীকৰণৰ ফল।

**ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি ঃ (Nature of Political Theory)** ৰাজনৈতিক তত্ত্ব সম্পৰ্কে বিভিন্ন পণ্ডিতে কৰা মন্তব্যবোৰৰ পৰা ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি সম্পৰ্কে আভাস পাব পাৰি। তলত তাৰ কেইটিমান দিশ আঙুলিয়াই দেখুওৱা হ'ল—

(১) ৰাজনৈতিক তত্ত্বই ৰাজনীতিৰ লগত জড়িত বিষয়হে আলোচনা কৰে। নাগৰিকৰ ৰাজনৈতিক জীৱন, মানুহৰ ৰাজনৈতিক আচৰণ, বিভিন্ন ৰাজনৈতিক সমস্যা আদি হ'ল ৰাজনৈতিক তত্ত্বৰ আলোচ্য বিষয়।

(২) ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক দিশটো বিবেচনা কৰিবলৈও সামাজিক, অৰ্থনৈতিক, মনস্তাত্বিক, ভৌগলিক, ঐতিহাসিক আৰু নৈতিক জীৱনৰ প্ৰসংগতহে ৰাজনীতিৰ অৰ্থ বিচাৰ কৰে।

(৩) ৰাজনৈতিক তত্ত্ব অভিজ্ঞতাবাদী আৰু আদৰ্শাত্মক দুয়ো ধৰণৰ হ'ব পাৰে । ৰাজনীতিৰ ভালেমান তত্ত্ব আদৰ্শাত্মক হোৱাৰ পৰিবৰ্ত্তে ভালেমান ৰাজনৈতিক তত্ত্ব বিজ্ঞানসন্মত পদ্ধতিৰ ভেটিত প্ৰতিষ্ঠিত। অভিজ্ঞতাবাদী তত্ত্ববোৰ পৰঞ্জয্যবেক্ষণ, তথ্যপাতিৰ সংগ্ৰহ আৰু সেই তথ্য সাধৰণীকৰণৰ ফলতহে উদ্ভৱ হয়।

(৪) ৰাজনৈতিক তত্ত্ব অভিজ্ঞতাবাদী বা আদৰ্শাত্মক যিয়েই নহওক কিয় ই প্ৰাকৃতিক বিজ্ঞানৰ তত্ত্বৰ দৰে সম্পূৰ্ণ মূল্যবোধ নিৰপেক্ষ হ'ব নোৱাৰে। মূল্যবোধ নিৰপেক্ষ কিছু পৰিমাণে হলেও সম্পূৰ্ণৰূপে মূল্যবোধক আঁতৰাই ৰাখিব নোৱাৰি কিয়নো ৰাজনৈতিক তত্ত্ববোৰ মানৱ আচৰণৰ লগত জড়িত।

(৫) ৰাজনৈতিক তত্ত্ব গতিশীল। সময় আৰু সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন পদ্ধতিৰো পৰিবৰ্ত্তন হৈ আছে। কোনো গভীৰ সামাজিক সংকট আৰু জলন্ত সমস্যাই চিন্তাবিদসকলৰ মনত সৃষ্টি কৰা নৈৰাশ্য আৰু হতাশাই তেওঁলোকক এখন ভাল সমাজত ভাল জীৱনৰ বাতাবৰণ সৃষ্টিৰ বাবে নতুন ৰাজনৈতিক তত্ত্ব উদ্ভাবন কৰিবলৈ উদগণি দিয়ে। সেয়েহে স্বাভাৱিকতে ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি গতিশীল।

(৬) ৰাজনৈতিক তত্ত্ব উদ্দেশ্যমূলক। প্ৰচলিত সমাজ ব্যৱস্থাৰ আসোঁৱাহ আৰু দুৰ্বলতাবোৰ আঁতৰাই নতুন সম্পূৰ্ণ আৰু ন্যায্য ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলাৰ স্বাৰ্থতেই চিন্তাবিদ সকলে নতুন নতুন ৰাজনৈতিক তত্ত্বৰ অৱতাৰণা কৰে। প্ৰাচীন আদৰ্শাত্মক তত্ত্ববোৰৰ মূল উদ্দেশ্য আছিল আদৰ্শ ৰাষ্ট্ৰ বা আদৰ্শ চৰকাৰ প্ৰতিষ্ঠা। আকৌ বৰ্তমান সময়ৰ ৰাজনৈতিক তত্ত্ববোৰৰ উদ্দেশ্য হ'ল সমাজৰ সমস্যাৰ সমাধান বা প্ৰচলিত দোষ-ত্ৰুটি আঁতৰ কৰা।

**ৰাজনৈতিক তত্ত্বৰ পৰিসৰ বা অধ্যয়নৰ বিষয়বস্তু (Subject matter or Scope of Political Theory) ঃ**

কোনো বিষয়ৰ পৰিসৰ বা অধ্যয়ন ক্ষেত্ৰ হ'ল তাৰ অন্তৰ্গত বিষয়বস্তুবোৰ। ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞানৰ এক অংশ হলেও ৰাজনৈতিক তত্ত্বৰ পৰিসৰ প্ৰায় ৰাজনীতি বিজ্ঞানৰ সমান। কিয়নো ৰাজনীতি বিজ্ঞানৰ যিকোনো অধ্যয়ন ৰাজনৈতিক তত্ত্বৰ মাধ্যমতেই কৰা হয়। সেয়েহে ৰাজনীতি বিজ্ঞানৰ দৰেই ৰাজনৈতিক তত্ত্বৰো পৰিসৰ নিৰ্দ্ধাৰণ কৰাটো সহজ নহয়। সময়ৰ পৰিবৰ্ত্তনৰ গতিতে ৰাজনৈতিক তত্ত্বৰ বিষয়বস্তুৰো যথেষ্ট প্ৰসাৰ লাভ কৰিছে। বিশেষকৈ আচৰণবাদী আন্দোলনৰ সময়ৰ পৰাই ৰাজনৈতিক তত্ত্বৰ পৰিসৰ যথেষ্ট সম্প্ৰসাৰণ ঘটিছে। তলত ৰাজনৈতিক তত্ত্বৰ অধ্যয়নৰ বিষয়বস্তুৰ চমু আভাস দিয়া হৈছে।

(i) **ৰাষ্ট্ৰ, চৰকাৰ আৰু ৰাজনৈতিক সংগঠন ঃ** ৰাজনৈতিক তত্ত্বৰ অধ্যয়নৰ মূল বিষয়বস্তু হ'ল ৰাষ্ট্ৰ। প্ৰাচীন গ্ৰীচৰ প্লেটো, এৰিষ্টটলৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে ৰাষ্ট্ৰৰ কাৰ্য্য প্ৰকৃতি আদিৰ ওপৰত অনেক অধ্যয়ন কৰি অহা হৈছে। সম্ভৱতঃ এনে ৰাজনৈতিক পণ্ডিত কমেই ওলাব যি ৰাষ্ট্ৰৰ আলোচনাক এৰাই চলি নিজৰ তত্ত্ব দাঙি ধৰিছে।

ৰাজনৈতিক তত্ত্বত ৰাষ্ট্ৰৰ লগতে ৰাষ্ট্ৰৰ পৰিচালনাৰ যন্ত্ৰস্বৰূপ চৰকাৰ আৰু চৰকাৰক প্ৰভাৱান্বিত কৰা বিভিন্ন ৰাজনৈতিক সংগঠনৰ বিষয়ে অধ্যয়ন কৰা হয়।

(ii) **মানৱ আচৰণ ঃ** ৰাজনৈতিক তত্ত্বৰ আন এক গুৰুত্বপূৰ্ণ বিষয়বস্তু হৈছে মানৱ আচৰণ। প্ৰত্যেকটো ঘটনা প্ৰবাহৰ লগত মানৱ আচৰণ জড়িত হৈ থাকে। ৰাজনৈতিক তত্ত্বই পৰিবেশ বা পৰিস্থিতিভেদে মানৱ আচৰণ কিয় ভিন্ন হয়, মানৱ আচৰণে আন অনুষ্ঠানবোৰক কি দৰে প্ৰভাৱান্বিত কৰে আদিৰ ওপৰত বিশ্লেষণ কৰে।

(iii) **ৰাজনৈতিক আদৰ্শ ঃ** ৰাজনৈতিক তত্ত্বই বিভিন্ন ৰাজনৈতিক আদৰ্শবোৰৰ ওপৰত অধ্যয়ন চলায়। মানৱ সমাজক আলোড়িত কৰি অহা আৰু পৃথিৱীৰ বিভিন্ন সংবিধানে স্বীকৃতি দিয়া আদৰ্শবোৰৰ বিষয়ে ৰাজনৈতিক তত্ত্বত অধ্যয়ন কৰা হয়। উদাহৰণ স্বৰূপে স্বাধীনতা, ন্যায়, সমতা বা ভাতৃত্বৰ আদৰ্শক পৃথিবীৰ বিভিন্ন সংবিধানে স্বীকৃতি প্ৰদান কৰিছে। কিন্তু সমাজ ব্যৱস্থাত এই আদৰ্শবোৰ ৰূপায়ন হৈছে নে নাই, যদি হৈছে কি কি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু যদি হোৱা নাই কোনবোৰ কাৰকে তাত বাধা প্ৰদান কৰিছে সেইবোৰৰ পৰীক্ষণ কৰে।

ৰাজনৈতিক তত্ত্বই বিভিন্ন আদৰ্শৰ ওপৰত নতুন নতুন ব্যাখ্যাও প্ৰদান কৰি আহিছে।

(iv) **সমসাময়িক ৰাজনৈতিক সমস্যা ঃ** সমকালীন ৰাজনৈতিক ঘটনাৱলীৰ অধ্যয়ন ৰাজনৈতিক তত্ত্বৰ অন্যতম বিষয়বস্তু। সময়ৰ পৰিবৰ্তনৰ লগে লগে আমি নতুন নতুন সমস্যাৰ সন্মুখীন হৈছো। এনে সমস্যাৰ কাৰণ উদ্‌ঘাটন কৰা আৰু তাৰ সমাধানৰ পথ প্ৰশস্ত কৰাটো ৰাজনৈতিক তত্ত্বৰ অন্যতম কাৰ্য্য। যেনে ঃ বৰ্তমান সময়ত মানৱ সমাজে অনেক পৰিবেশ সম্পৰ্কীয় সমস্যাৰ লগতে স্বাস্থ্য সমস্যা, খাদ্য সমস্যাৰ সন্মুখীন হৈছে। ৰাজনৈতিক তত্ত্বই বৈজ্ঞানিক পদ্ধতিৰে এনে সমস্যাবোৰ বিশ্লেষণ কৰি তাৰ কাৰণ উদ্‌ঘাটনৰ লগতে সেইবোৰৰ সমাধানৰো দিক নিৰ্দেশন কৰে।

(v) **ৰাজনৈতিক গতিশীলতা ঃ** ৰাজনৈতিক গতিশীলতাৰ অধ্যয়ন ৰাজনৈতিক তত্ত্বৰ আন এক বিষয়বস্তু। পৰিবৰ্তন এক স্বাভাবিক পৰিঘটনা। সময় আৰু পৰিস্থিতিৰ পৰিবৰ্তনৰ লগে লগে প্ৰতিটো অনুস্থানলৈ পৰিবৰ্তন আছে। এই পৰিবৰ্তনৰ গতিধাৰাৰ বিষয়ে ৰাজনৈতিক তত্ত্বত অধ্যয়ন কৰা হয়। উদাহৰণস্বৰূপে মাৰ্ক্সৰ ইতিহাসৰ বস্তুবাদী তত্ত্বত আদিম সাম্যবাদৰ পৰা বৰ্তমান সময়লৈ হোৱা সমাজৰ গতিশীলতাৰ লগতে ৰাজনৈতিক পৰিবৰ্তনবোৰৰ বিষয়েও আলোচনা কৰিছে।

(vi) **সামাজিক আন্দোলন ঃ** বৰ্তমান বিশ্বৰ প্ৰতিখন দেশে বিভিন্ন সামাজিক আন্দোলনৰ মুখামুখি হ'বলগীয়া হৈছে। কোনোবাটো আন্দোলনে চৰকাৰ বিকাশ নীতিৰ পৰিবৰ্তনৰ বাবে, আকৌ কোনোবাটো আন্দোলন গণতন্ত্ৰ ৰক্ষাৰ বাবে কোনো কোনো আন্দোলন প্ৰচলিত সমাজব্যৱস্থাৰ সংস্কাৰৰ বাবে গঢ়ি উঠিছে। এই আন্দোলনবোৰে ৰাষ্ট্ৰৰ ওপৰত প্ৰচুৰ চাপো প্ৰদান কৰিবলৈ সক্ষম হৈছে। ৰাজনৈতিক তত্ত্বত এনে বিভিন্ন আন্দোলনৰ কাৰণ, আন্দোলনৰ পদ্ধতি তথা ফলাফল সমূহৰ ওপৰটো বিচাৰ বিশ্লেষণ চলিছে।

(vii) **ক্ষমতা ঃ** ক্ষমতা ৰাজনৈতিক তত্ত্বৰ আন এক কেন্দ্ৰীয় বিষয়। ৰাজনৈতিক তত্ত্বত ক্ষমতাৰ প্ৰয়োগ, ক্ষমতা আহৰনৰ কৌশল আদি বিস্তৃত ৰূপত অধ্যয়ন কৰা হয়। জাতীয় প্ৰেক্ষাপটেই হওক বা আন্তৰ্জাতিক প্ৰেক্ষাপটেই হওক ক্ষমতা লাভৰ প্ৰচেষ্টাৰ বাবে অনেক যুঁজ-বাগৰ লাগে। কেতিয়াবা ই সংঘৰ্ষৰ ৰূপো পায় আৰু আন কেতিয়াবা ইয়াক নিয়ন্ত্ৰণৰ বাবে ভাৰসমতাৰ সৃষ্টি কৰা হয়। ৰাজনৈতিক তত্ত্বৰ ক্ষমতা সম্পৰ্কীয় এনে দিশবোৰ গভীৰভাৱে বিশ্লেষণ কৰা হয়।

বৰ্তমান সময়ত ৰাজনৈতিক তত্ত্বৰ বিষয়বস্তুৰ অনেক সম্প্ৰসাৰণ ঘটিছে। শেহতীয়াকৈ ৰাজনৈতিক তত্ত্ব চিন্তাধাৰাত পৰাম্পৰাগত ধাৰণাবোৰৰ ওপৰত নতুন নতুন দৃষ্টি ভংগীৰে আলোচনা আগবঢ়োৱা হৈছে। যেনে— যুদ্ধ, শান্তি, বিকাশ, নিৰাপত্তা

আদি ধাৰণাবোৰক ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হৈছে। ইয়াৰ ফলত ৰাজনৈতিক তত্ত্ব অধিক বাস্তৱমুখী হোৱাৰ লগতে জনসমাজত সমাদৰো লাভ কৰিবলৈ সক্ষম হৈছে।

জে আৰ পেনকে (J.R. Pennok) ৰাজনৈতিক তত্ত্বৰ বিষয়বস্তুক বিস্তৃতভাৱে আলোচনা কৰিছে। তেওঁৰ মতে বৰ্তমান সময়ত ৰাজনৈতিক তত্ত্বৰ বিষয়বস্তুক মূলত পাচঁটা ভাগত ভগাব পাৰি—

(i) **নৈতিকতা সম্পৰ্কীয় ঃ** ৰাজনৈতিক তত্ত্বৰ এই বিভাগটোৱে মূলত নৈতিকতা সম্পৰ্কীয় যেনে উচিত, অনুচিত ভাল-বেয়া দিশৰ লগত জড়িত। ইয়াৰ অধ্যয়ন পদ্ধতি মূলতঃ আগমন যুক্তিৰ ওপৰত প্ৰতিস্থিত।

(ii) **কাল্পনিক ঃ** ৰাজনৈতিক তত্ত্বৰ এই বিভাগটো আদৰ্শাত্মক। ই মূলতঃ আদৰ্শ ৰাষ্ট্ৰ আদৰ্শ চৰকাৰ, দাৰ্শনিক ৰজাৰ দৰে কিছুমান সমাজ কল্যাণকৰ অথচ কাল্পনিক অনুষ্ঠানৰ বিষয়ে বৰ্ণনা দিয়ে।

(iii) **সামাজিক ঃ** ৰাজনৈতিক তত্ত্বৰ এই বিভাগত মূলত ৰাষ্ট্ৰ আৰু সমাজৰ বিভিন্ন দিশসমূহ বৈজ্ঞানিক বিশ্লেষণেৰে কৰা হয়।

(iv) **বৈধিক ঃ** ই মূলতঃ আইন, সাৰ্বভৌমত্ব, সংবিধান আদি ধাৰণাৰ লগত সংযুক্ত।

(v) **বৈজ্ঞানিক ঃ** ৰাজনৈতিক তত্ত্বৰ এই বিভাগত মানুহৰ বিভিন্ন ৰাজনৈতিক আচৰণবোৰ ক্ষেত্ৰ অধ্যয়নৰ মাধ্যমত তথ্য সংগ্ৰহ কৰি সেইবোৰৰ সাধৰণীকৰণৰ ফলত কোনো সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়েই ভৱিষ্যৎ সম্পৰ্কেও কিছু ধাৰণা প্ৰদান কৰে।

**ৰাজনৈতিক তত্ত্বৰ তাৎপৰ্য্য/গুৰুত্ব (Significance of political theory) ঃ**

ৰাজনৈতিক তত্ত্ব হ'ল ৰাজনৈতিক ঘটনাৱলী অধ্যয়নৰ আহিলাস্বৰূপ। ৰাজনৈতিক তত্ত্বৰ সহায়ত ৰাজনৈতিক ঘটনাৱলী অধ্যয়ন কৰাৰ লগতে সমাজত উদ্ভৱ হোৱা বিভিন্ন সমস্যাৰ বিশ্লেষণ, আলোচনা আদিৰ সহায়ত ৰাজনৈতিক সমস্যা সমূহৰ সমাধানৰ পথো উন্মুক্ত কৰা হয়। এইবোৰৰ উপৰিও পুৰণি ৰাজনৈতিক তত্ত্ববোৰৰ সীমাবদ্ধতা চিনাক্ত কৰি সেইবোৰ সময় উপযোগীকৈ পৰিবৰ্তন সাধন কৰি লয়। তলত ৰাজনৈতিক তত্ত্বৰ বিভিন্ন তাৎপৰ্য্যবোৰ আলোচনা কৰা হ'ল-

(i) **বিভিন্ন ধাৰণা আৰু সমস্যা সম্পৰ্কীয় জ্ঞানদান ঃ** ৰাজনৈতিক তত্ত্বই ব্যক্তিৰ বাস্তৱ জীৱনৰ লগত সঙ্গতি থকা বিভিন্ন ধাৰণা যেনেঃ সমতা স্বাধীনতা, সামাজিক ন্যায় অধিকাৰ, নাগৰিকৰ আদি সম্পৰ্কে জনসাধাৰণক জ্ঞান প্ৰদান কৰে। ইয়াৰ লগতে জনসাধাৰণৰ বিভিন্ন আৰ্থ সামাজিক আৰু ৰাজনৈতিক সমস্যা যেনেঃ দৰিদ্ৰতা, নিৰক্ষৰতা, দুৰ্নীতি, সন্ত্ৰাসবাদ, নৃগোষ্ঠীয় সংঘৰ্ষ আদিৰ কাৰণ কাৰক আদি উদ্ভাৱন কৰাৰ লগতে সমাধানৰ পথো প্ৰশস্ত কৰি লয়।

(ii) **ৰাজনীতি বিজ্ঞানক স্বতন্ত্ৰতা দান ঃ** ৰাজনৈতিক তত্ত্বই ৰাজনীতি বিজ্ঞানক এটা সম্পূৰ্ণ বিষয় হিচাবে প্ৰতিষ্ঠাত সহায় কৰিছে। তত্ত্বইহে কোনো এটা বিষয়ক বিজ্ঞানৰ মৰ্য্যদা প্ৰদান কৰিব পাৰে। ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক ধাৰণা বা ঘটনাৱলীৰ বৈজ্ঞানিক বিশ্লেষণ সম্ভৱ কৰি ৰাজনীতি বিজ্ঞানৰ স্বতন্ত্ৰতা প্ৰদান কৰিছে।

(iii) **সুনাগৰিক নিৰ্মাণ ঃ** ৰাজনৈতিক তত্ত্বই জনসাধাৰণৰ মাজত অধিকাৰ, কৰ্তব্য আদি সম্পৰ্কীয় জ্ঞানৰ বিস্তাৰ কৰিছে। ইয়াৰ ফলত জনসাধাৰণে দেশৰ প্ৰতি পালন কৰিব লগা দায়িত্বসমূহ জনাৰ লগতে ৰাষ্ট্ৰৰ পৰাও পাবলগা অধিকাৰ সম্পৰ্কে জ্ঞান লাভ কৰিছে। ৰাজনৈতিক তত্ত্বই জনসাধাৰণৰ মনত গণতান্ত্ৰিক চেতনা আৰু দায়িত্ববোধ জগাই তোলাত যথেষ্ট সহায় কৰিছে। ইয়াৰ উপৰিও হিংসা বা সংঘৰ্ষ কিদৰে আঁতৰাব পাৰি, মানৱ সম্পদৰ কিদৰে সদব্যৱহাৰ কৰিব পাৰি আদি সম্পৰ্কীয় জ্ঞানদানেৰে ব্যক্তিক ৰাজনৈতিক বাস্তৱতা উপলব্ধি কৰাই সুনাগৰিক হোৱাত সহায় কৰিছে।

(iv) **চৰকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নীতি-নিৰ্দ্ধাৰণ ঃ** বৰ্তমান সময়ত ৰাষ্ট্ৰ পৰিচালনাৰ বাবে গ্ৰহণ কৰিব লগা নীতি নিৰ্দ্ধাৰণ কৰাটো ৰাজনৈতিক তত্ত্বই সহায় কৰে। সমাজৰ পৰিবৰ্তনশীলতাৰ লগত খাপ খোৱাকৈ সময়ে সময়ে ৰাষ্ট্ৰই পুৰণি নীতি-নিয়মৰ সংশোধন কৰি নতুন নিয়ম তৈয়াৰ কৰিবলগা হয়। এইক্ষেত্ৰত নীতি- নিৰ্দ্ধাৰক সকলে ৰাজনৈতিক তত্ত্বই বিভিন্ন ঘটনাৱলী বিশ্লেষণ কৰি পোৱা তথ্যবোৰৰ সাধৰণীকৰণৰ যোগেদি নিৰ্দ্ধাৰণ কৰা ফলাফলৰ সহায়ত ভৱিষ্যৎ সম্পৰ্কেও আভাস দিয়ে। এনে ভৱিষ্যৎবাণীৰ ওপৰত ভিত্তি কৰিয়েই চৰকাৰ বা নীতি নিৰ্দ্ধাৰক সকলে সিদ্ধান্ত লয়।

(v) **নতুন তত্ত্বৰ উদ্ভাৱণ ঃ** ৰাজনৈতিক তত্ত্বই নতুন তত্ত্ব উদ্ভাৱনতো সহায় কৰে। সাধাৰণতে বৰ্তমানৰ প্ৰচলিত ধাৰণা আৰু পুৰণি তত্ত্বৰ মাজত যি খালী ঠাইৰ সৃষ্টি হয় তাক নিৰ্মূল কৰাৰ বাবে প্ৰয়োজনীয় গৱেষণাৰে নতুন সিদ্ধান্ত বা তত্ত্ব গ্ৰহণ কৰে।

(vi) **বিকাশৰ চৰিত্ৰ উন্মোচন ঃ** ৰাজনৈতিক তত্ত্বৰ মাধ্যমেদি এখন দেশৰ বিকাশৰ প্ৰকৃত চৰিত্ৰ সম্পৰ্কে জানিব পৰা যায়। অৰ্থনৈতিক মানদণ্ডই যে এখন দেশৰ বিকাশৰ প্ৰকৃত প্ৰতিচ্ছবি নহয়, নাইবা ঘৰুৱা উৎপাদন বৃদ্ধি হলেই যে সমাজৰ সকলোৰে

জীৱিকাৰ মানদণ্ড উন্নত নহয় তাক ৰাজনৈতিক তত্ত্বৰ বিশ্লেষণে স্পষ্ট কৰি দিয়ে। বিকাশৰ ধাৰণা গতি প্ৰকৃতি সম্পৰ্কে সৰ্বসাধাৰণৰ কিছু জ্ঞান হোৱাৰ বাবেই আজি ৰাষ্ট্ৰই বিকাশৰ বাবে গ্ৰহণ কৰা আঁচনি কিছুমানৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি তুলিছে। ই এফালেদি গণতান্ত্ৰিক ভাবধাৰাক শক্তিশালী কৰাৰ লগতে চৰকাৰকো জনমুখাপেক্ষী হোৱাত সহায় কৰিছে। এনে সুফলৰ কৃতিত্ব ৰাজনৈতিক তত্ত্বই দাবী কৰিব পাৰে।

বিশিষ্ট ৰাজনীতি বিদ ডেভিড ইষ্টনে ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব তিনিটা দিশত আলোচনা কৰিছে।

(i) ৰাজনৈতিক তত্ত্বই গুৰুত্বপূৰ্ণ ৰাজনৈতিক চলকবোৰ চিনাক্ত কৰি সেইবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰে।

(ii) ৰাজনৈতিক তত্ত্বই বিভিন্ন গৱেষণাৰ ফলাফলবোৰ তুলনামূলক অধ্যয়ন কৰাত সহায় কৰে। ই পূৰ্ব গৱেষক সকলৰ সিদ্ধান্তবোৰৰ শুদ্ধতা নিশ্চিত কৰাৰ লগতে পুনৰ গৱেষণাৰ প্ৰয়োজন হোৱা ক্ষেত্ৰবোৰ নিৰ্দ্ধাৰণ কৰে।

(iii) তাত্ত্বিক সংগঠনে ইয়াৰ গৱেষণাবোৰ অধিক বিশ্বাসযোগ্য কৰি তোলে। অধ্যাপক চি ৰাইট মিলচেওঁ ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব চাৰিটা ক্ষেত্ৰত আলোচনা কৰিছে—

**(১) সামাজিক বাস্তৱতা (Social reality) ঃ** ৰাজনৈতিক তত্ত্ব হ'ল এক আদৰ্শ যাৰ মাধ্যমত কোনো ৰাজনৈতিক অনুষ্ঠান আৰু ইয়াৰ কাৰ্য্যকলাপৰ যুক্তিসংগত বিচাৰ কৰা হয়। ইয়াৰ দ্বাৰা চাহিদা বা প্ৰয়োজনবোৰক উত্থাপন কৰা হয়, সমালোচনা আগবঢ়োৱা হয় সেই সম্পৰ্কে উপদেশ দিয়া হয়, ইয়াৰ সহায়ত ইস্তাহাৰ প্ৰস্তুত কৰা হয় আৰু এটা সময়ত কোনো আঁচনি তৈয়াৰ কৰা হয়।

**(২) নৈতিকতা বিচাৰ ঃ** ৰাজনৈতিক তত্ত্বই মানুহৰ ৰাজনৈতিক আচৰণ, আন্দোলন, আশা-আকাঙ্খা আৰু চৰকাৰী নীতিসমূহৰ ন্যায্যতা বিচাৰ কৰে।

**(৩) ৰাজনৈতিক কাৰ্য্য পদ্ধতি ঃ** ৰাজনৈতিক তত্ত্বই কাৰ্য্য পদ্ধতি সংস্কাৰ বিপ্লৱ আৰু সংৰক্ষণৰ উপায়বোৰ নিৰ্ণয় কৰে।

**(৪) তত্ত্ব নিৰ্মাণ ঃ** ৰাজনৈতিক তত্ত্বই মানব সমাজ আৰু বুৰঞ্জীৰ ওপৰত তত্ত্ব নিৰ্মাণ কৰে। সমাজ কিদৰে গঠিত হয়, ই কেনেদৰে কাৰ্য্য সম্পাদন কৰে; ইয়াৰ উপাদানবোৰ কিদৰে সম্পৰ্কযুক্ত আৰু ইয়াৰ মাজত হোৱা সংঘাট আৰু মীমাংসাৰ পথ নিৰ্ণয় কৰে।

মুঠতে ৰাজনৈতিক তত্ত্বই ব্যক্তি সমাজ আৰু প্ৰকৃতি সম্পৰ্কে জ্ঞান লাভ কৰোতে এজন শিক্ষক, পথ প্ৰদৰ্শক তথা দাৰ্শনিকৰ ভূমিকা লয়। এখন সুস্থ ৰাজনৈতিক বিশ্ব সম্পৰ্কে সন্তেদ দিয়া বাবে ৰাজনৈতিক তত্ত্ব অবিহনে আমি আজি সভ্য জীৱনৰ কল্পনা কৰিব নোৱাৰা হৈছো।

**ৰাজনৈতিক তত্ত্বৰ বিকাশ (Evolution of political theory) ঃ** ৰাজনৈতিক তত্ত্বৰ বিকাশৰ বিভিন্ন দিশবোৰক মূলতঃ তিনিটা স্তৰত আলোচনা কৰিব পাৰি—

(i) পৰাম্পৰাগত বা ধ্ৰুপদী ৰাজনৈতিক তত্ত্ব (Classical Political Theory)

(ii) আধুনিক ৰাজনৈতিক তত্ত্ব (Modern Political Theory)

(iii) সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব (Contemporary Political Theory)

**পৰম্পৰাগত বা ধ্ৰুপদী ৰাজনৈতিক তত্ত্ব (Classical Political Theory) ঃ**

ৰাজনীতি বিজ্ঞানৰ বিকাশৰ প্ৰাৰম্ভিক স্তৰত এনে তত্ত্বৰ উৎপত্তি তথা প্ৰসাৰ সাধন হৈছিল। এই স্তৰৰ তত্ত্বৰ আৰম্ভণি হৈছে গ্ৰীক সংস্কৃতিক কেন্দ্ৰ কৰি আগবঢ়োৱা চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটলৰ ধাৰণাসমূহৰ পৰা। প্লেটোৰ 'ৰিপাব্লিক' আৰু এৰিষ্টটলৰ 'পলিটি' গ্ৰন্থই আছিল ৰাজনৈতিক তত্ত্বৰ পথ প্ৰদৰ্শক স্বৰূপ। এই সময়ৰ তত্ত্ববোৰে নৈতিক ধাৰণাৰ ভিত্তিত বিভিন্ন অনুষ্ঠানৰ ভাল-বেয়া, উচিত-অনুচিত বিচাৰ কৰিছিল। এই স্তৰৰ তত্ত্বসমূহে প্ৰধানকৈ কিছুমান সমস্যাৰ সমাধান দিব বিচাৰিছিল। যেনেঃ অনুষ্ঠানবোৰৰ কিয় প্ৰয়োজন? চৰকাৰক বৈধতা কিহে প্ৰদান কৰে? কোনবোৰ অধিকাৰ সুৰক্ষাৰ প্ৰয়োজন আৰু কিয়? আইন কি? নাগৰিকৰ প্ৰকৃত কৰ্ত্তব্য কি? এই প্ৰশ্নবোৰৰ উত্তৰবোৰ আইনৰ দৃষ্টিভংগীৰে দিয়াৰ পৰিবৰ্ত্তে নৈতিকতাৰ দৃষ্টিৰে দিয়াহে যত্ন কৰিছিল।

প্ৰাচীন গ্ৰীচৰ দৰে প্ৰাচ্যৰ দেশবোৰতো এই স্তৰত ভালেমান লিখনিত ৰাজনৈতিক তত্ত্বৰ আলোচনা হৈছিল। চীনৰ কনফুচিয়াচ, মেন'চিয়াও, ভাৰতৰ মনু, কৌটিল্য আদি দাৰ্শনিক সকলেও ৰাজনৈতিক একতা আৰু সুস্থিৰতা প্ৰতিষ্ঠাৰ বাবে নিজ নিজ দৃষ্টিভংগীৰে চিন্তাৰ প্ৰকাশ ঘটাইছিল। কনুফুচিয়াচ (551-479 B.C.) হ'ল প্ৰাচ্যৰ দেশসমূহৰ প্ৰথম ৰাজনৈতিক চিন্তাবিদ। তেওঁৰ 'Analeces' ত উল্লেখ আছে যে বংশনুক্ৰমিক বা সামৰিক শাসনতকৈ নৈতিক শাসনেই শ্ৰেয়। চৰকাৰ হ'ল মানুহৰ যুক্তি আৰু প্ৰকৃত গুণৰ

সমাহাৰ। কনফুছিয়াছে প্ৰজাৰ বাবে আত্ম নিয়ন্ত্ৰণ আৰু কৰ্ত্তব্য সম্পৰ্কেও উল্লেখ কৰিছে। কনফুছিয়াচৰ দৰে মেনছিয়াছেও ৰাষ্ট্ৰৰ বিভিন্ন প্ৰয়োজনীয় আহিলাসমূহৰ বিষয়ে উল্লেখ কৰিছে। ভাৰতত ৰাজনৈতিক ধাৰণাৰ বিকাশ প্ৰাচীন বেদৰ সময়ৰ পৰাই হোৱা বুলি ক'ব পাৰি। বেদ, উপনিষদ, মহাভাৰত আদি ধৰ্ম গ্ৰন্থবোৰত ৰাজনীতি সম্বন্ধীয় বিভিন্ন ধাৰণা আগবঢ়োৱা হৈছে। এইবোৰৰ উপৰিও মনুস্মৃতি আৰু অৰ্থশাস্ত্ৰ বিশেষ ৰাজনৈতিক ধাৰণাৰ আবদান আছিল। অৰ্থশাস্ত্ৰত ৰজাৰ নিয়ম, ৰাষ্ট্ৰৰ পৰিচালনাৰ বিভিন্ন কৌশল সম্পৰ্কে উল্লেখ আছে।

মধ্যযুগত বিশেষকৈ ইউৰোপত হোৱা ৰাজনৈতিক আলোচনাৰ গুৰি ধৰিছিল আগষ্টাইন আৰু থমাচ একুইনাছে। এওঁলোকে ৰাজনৈতিক দৰ্শনক সম্পূৰ্ণৰূপে খ্ৰীষ্টিয়ান ধৰ্মৰ ভিত্তিত আলোচনা কৰিছিল। ৰজা আৰু গীৰ্জাৰ মাজত হোৱা সংঘাটক কেন্দ্ৰ কৰিয়েই এওঁলোকৰ ৰাজনৈতিক ধাৰণা প্ৰকাশিত হৈছিল। মুঠতে এই স্তৰৰ ৰাজনৈতিক তত্ববোৰ আছিল সম্পূৰ্ণ ৰাষ্ট্ৰ কেন্দ্ৰীক নৈতিকতা ভিত্তিক। ধৰ্মৰ লগত ৰাজনীতিক একেলগে আলোচনা কৰি চলিছিল। অৱশ্যে ষোল শতিকাৰ বিশিষ্ট ৰাজনীতিবিদ মেকিয়াভেলিয়ে তেওঁৰ 'The prince' আৰু 'the Discourse' নামৰ গ্ৰন্থত ধৰ্মৰ পৰা ৰাজনীতিক পৃথক কৰাৰ লগতে বাস্তৱসন্মত আলোচনাৰে ৰাজনীতি বিজ্ঞানলৈ এক নতুন ধাৰাৰ সূচনা কৰিছিল। সেয়েহে বহুতে তেওঁক আধুনিক ৰাজনৈতিক তত্ত্বৰ পথ প্ৰদৰ্শক বুলিও কয়।

**আধুনিক ৰাজনৈতিক তত্ত্ব (Modern political theory)**

মেকিয়াভেলিৰ পৰৱৰ্তী সময়ত ৰাজনীতি বিজ্ঞানলৈ কিছু পৰিবৰ্তন আহিছিল। থমাচ হবছ, জনলক, ৰুছো, মন্টেস্কু আদিৰ লিখনিয়ে প্ৰাচীন ধ্যান-ধাৰণাৰ পৰা কিছু আঁতৰি আহি ৰাজনৈতিক ধাৰণা আলোচনা কৰিছিল। হবছে তেওঁৰ 'Leviathan' (১৬৫১) গ্ৰন্থত ক্ষমতা সম্পৰ্কীয় আলোচনাৰে ৰাজনীতি বিজ্ঞানত নতুন চিন্তাৰ খোৰাক যোগাইছিল। মেকিয়াভেলিৰ দৰে হবচেও সমাজৰ পৰা অৰাজকতা আঁতৰ কৰাৰ বাবে এক শক্তিশালী কেন্দ্ৰীয় শক্তি থকাটো বিচাৰিছিল। হবচৰ মতে জনসাধাৰণ হ'ল সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী, কিন্তু সামাজিক পৰিবেশত শান্তি আৰু নিৰাপত্তা বজায় ৰখাৰ স্বাৰ্থত জনসাধাৰণে এই ক্ষমতা কোনো শক্তিৰ হাতত সমূহীয়া ভাৱে অৰ্পণ কৰে। হবচৰ পিছত লকে তেওঁৰ 'The Treatises of Civil Government' গ্ৰন্থত ব্যক্তিৰ অধিকাৰৰ বিষয় উত্থাপন কৰিছিল, ঠিক তেনেদৰে মন্টেস্কুয়ে ক্ষমতাৰ পৃথকীকৰণ তত্ত্ব উদ্ভাৱন কৰি ৰাজনৈতিক তত্ত্ব সম্পূৰ্ণ প্ৰয়োগিক বিষয়লৈ স্থানান্তৰিত কৰিছিল।

ঊনৈশ শতিকাৰ পৰৱৰ্তী সময়ত ৰাজনৈতিক তত্ত্বলৈ ভালেমান দিশৰ পৰা চৰ্চা আৰম্ভ হ'বলৈ ধৰে। আধুনিক ৰাজনৈতিক তত্ত্বৰ মূল বিকাশ আৰম্ভ হয় ১৯৬০ চনৰ পাচৰ পৰাহে ।

উদ্যেগিক বিপ্লৱ নগৰীকৰণ আৰু পুঁজিবাদৰ উত্থানক কেন্দ্ৰ কৰি সমাজ ব্যৱস্থাত হোৱা পৰিবৰ্ত্তনক লৈ ৰাজনৈতিক আলোচনাসমূহ আগবাঢ়িবলৈ ধৰিলে। এই সময়ছোৱাত ৰাজনৈতিক তত্ববোৰ সম্পূৰ্ণ দুটা বিপৰীত দৃষ্টিভংগীত আলোচনা হৈছিল। একাংশ ৰাজনৈতিক তত্ত্ব আছিল উদাৰতাবাদ কেন্দ্ৰীক, যিয়ে পুঁজিবাদী ধ্যান ধাৰণাক সম্পূৰ্ণ সমৰ্থন কৰিছিল। আন একাংশই পুঁজিবাদী সমাজ ব্যৱস্থাৰ হোৱা দোষ-ত্ৰুটিবোৰ আলোচনা কৰি ইয়াৰ পৰিবৰ্তন আনিব বিচাৰিছিল।

আদৰ্শাত্মক ধ্যান ধাৰণাই ৰাজনৈতিক পৰিঘটনাবোৰৰ ব্যাখ্যা ব্যৰ্থ হোৱাৰ অভিযোগ তুলি ডেভিড ইষ্টন, লাচৱেল, চাৰ্লচ মেৰিয়াম প্ৰভৃতি ৰাজনৈতিক চিন্তাবিদ নেতৃত্বত নতুন নতুন পদ্ধতি আৰু কৌশলৰ সহায়ত ৰাজনৈতিক পৰিঘটনাবোৰ পৰীক্ষণ কৰিবলৈ আৰম্ভ কৰে। এওঁলোকে প্ৰাচীন আদৰ্শত্মক মূল্যবোধ যুক্ত অধ্যয়নৰ পৰিবৰ্তে অভিজ্ঞতাবাদী মূল্যবোধ নিৰপেক্ষ বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিছিল। আচৰণবাদৰে শেষৰ চোৱা সময়ত বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পাচত হোৱা সামাজিক আৰু ৰাজনৈতিক সমস্যাবোৰ আলোচনা কৰাত আচৰনবাদ ব্যৰ্থ হোৱাৰ বাবে ইষ্টন নেতৃত্বতে এক নতুন ৰাজনৈতিক আন্দোলন গঢ় লৈ উঠে, যাৰ আচৰেনোত্তৰ বাদ পদ্ধতিৰ ওপৰত গুৰুত্ব প্ৰদান নকৰি সামাজিক সমস্যাৰ প্ৰকৃতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ ল'লে।

**(iii) সমসাময়িক ৰাজনৈতিক তত্ত্ব (Contemporary Political Theory)**

ৰাজনৈতিক পৰিঘটনাবোৰ বিশ্লেষণৰ ক্ষেত্ৰত পৰম্পৰাবাদী আৰু আধুনিক উভয় তত্ত্বই ব্যৰ্থ হোৱাৰ পাচত এচাম ৰাজনৈতিক চিন্তাবিদৰ নেতৃত্বত সমসাময়িক ৰাজনৈতিক চিন্তাধাৰাৰ উদ্ভৱ হয়। কিয়নো পৰম্পৰাবাদী চিন্তাবিদ সকলৰ দৰে অধিক দাৰ্শনিক দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলে ইয়াৰ প্ৰয়োগিক দিশটোক অৱজ্ঞা কৰা হ'ব আনহাতে আধুনিক দৃষ্টিভংগীৰ দৰে অধিক বিজ্ঞানসন্মত পদ্ধতি গ্ৰহণত গুৰুত্ব দিলে ই প্ৰকৃত লক্ষ্য পূৰণত ব্যৰ্থ হ'ব। যদি ৰাজনৈতিক তত্বৰ মূল কাম ৰাজনৈতিক সমস্যা বিশ্লেষণ কৰি তাৰ সমাধানৰ পথ প্ৰশস্ত কৰাই হয় তেন্তে সমসাময়িক ৰাজনৈতিক তত্ত্বই তেনে সমস্যা অধ্যয়ন আৰু সমাধানৰ

বাবে আগবাঢ়ি আহিছে। এওঁলোকৰ বাবে সমস্যা আলোচনা কৰা পদ্ধতিত গুৰুত্ব দিয়াতকৈ ইয়াৰ সমাধানৰ পথ সুনিশ্চিত কৰাটোৱে মূল কাম। ব্ৰায়ন বেৰী, জন ৰ'লছ, ৰবাৰ্ট নজিক, জন প্লামেনটজ আদিৰ লিখনিসমূহৰ মাজেৰে এনে তত্ত্বৰ প্ৰকাশ ঘটিছে। ব্ৰায়ান ব্ৰেৰীয়ে তেওঁৰ 'political argument' ত উল্লেখ কৰিছে যে ৰাজনৈতিক তত্ত্বই কোনো বিষয় পূৰ্ণসংগঠন বা পুনঃআৱিষ্কাৰৰ বাবে নীতি আৰু অনুষ্ঠানৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰিব লাগে (while attempting to reconstruct and rediscover the role of political theory attempts to study the relation between principles and instititions)। জন ৰ'লছে তেওঁৰ 'A theory of Justice' ত উল্লেখ কৰিছে যে সমসাময়িক ৰাজনৈতিক তত্ত্বৰ অন্য এক কাম হ'ল বৈজ্ঞানিক বা অভিজ্ঞতাবাদী পদ্ধতিৰে সত্য উদ্‌ঘাটনৰ বাবে নিৰবিচ্ছিন্নভাৱে চলাই থকা প্ৰচেষ্টা। (a continuous search for truth and suggests that the attempt can be made alongside the scientific-empirical methods)। জন প্লামেনটজৰ মতে ৰাজনৈতিক তত্ত্বত অভিজ্ঞতা বাদী বিশ্লেষণৰ লগত যুক্তি আৰু নৈতিকতাৰ সমাৱেশ হয় (the empirical analysis and reflections of a logical and moral characters can coexist in political theory)

১৯৭০ চনৰ পৰৱৰ্তী সময়ত হোৱা ৰাজনৈতিক তত্ত্বৰ পৰিৱৰ্তনৰ ধাৰাক মূলত চাৰিটা দিশত আলোচনা কৰিব পাৰি—

(i) ৰাজনৈতিক তত্ত্ব নৈতিক দৰ্শনৰ এক অংশ স্বৰূপে আদৰ্শত্মক অধ্যয়নত গুৰুত্ব দিয়ে। ৰাজনৈতিক তত্ত্বৰ কাম কেৱল সামাজিক সংগঠনৰ মূল্য নিৰ্ণয়ৰ বাবে সাধাৰণ নীতি গ্ৰহণেই নহয়, ইয়াৰ লগতে উপযুক্ত সংগঠন পদ্ধতি আৰু আঁচনিও তৈয়াৰ কৰিব লাগে ।

(ii) ৰাজনৈতিক তত্ত্ব মানুহৰ উপস্থিতিৰ লগত জড়িত বিভিন্ন বিষয়ৰ ওপৰত গভীৰ পৰঞ্জয্যবেক্ষণ। সেয়ে ই কোনো দৰ্শন বা আদৰ্শাত্মক নীতিৰ অংশ নহয়।

(iii) ৰাজনৈতিক তত্ত্বই প্ৰাথমিকভাৱে কোনো ৰাজনৈতিক সমাজৰ স্ববিচাৰৰ ধাৰণাবোৰক স্পষ্ট কৰে।

(iv) ৰাজনৈতিক তত্ত্ব বিচাৰ যোগ্য, বিশ্লেষণাত্মক, কথোপকথন সম্বন্ধীয় আৰু স্পৰ্শকাতৰ হ'ব লাগে।

**ৰাজনৈতিক তত্ত্বৰ অৱক্ষয় (Decline of political theory) ঃ**

অতি প্ৰাচীন কালৰ পৰাই ৰাজনীতি বিজ্ঞান অধ্যয়নত ৰাজনৈতিক তত্ত্বই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিলেও কুৰি শতিকাৰ মধ্যভাগত একাংশ ৰাজনৈতিক চিন্তাবিদে ৰাজনীতি বিজ্ঞানৰ তত্ত্ববোৰৰ প্ৰাসংগিকতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিবলৈ ধৰিলে। ডেভিড ইষ্টন, আলফ্ৰেড কৰান প্ৰভৃতি আধুনিক ৰাজনৈতিক চিন্তাবিদ সকলে মন্তব্য কৰে যে জন ষ্টুৱাৰ্ষ্ট মিল আৰু কাৰ্ল মাৰ্ক্সৰ পাচত কোনো প্ৰভাৱশালী ৰাজনৈতিক দাৰ্শনিকৰ জন্ম হোৱা নাই। ইষ্টনৰ মতে সামাজিক আলোড়ন আৰু পৰিবৰ্তনৰ মাজেৰেই ৰাজনৈতিক তত্ত্বৰ বিকাশ হয়, কিন্তু বৰ্তমান সময় সংঘৰ্ষ আৰু অস্থিৰতাৰ মাজেৰে অতিবাহিত হৈছে যদিও কোনো ধৰণৰ বিশেষ তত্ত্বৰ সৃষ্টি হোৱা নাই। গতিকে ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব হ্ৰাস হৈছে নাইবা ইয়াৰ অবক্ষয় হৈছে।

দৰাচলতে ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব হ্ৰাসৰ ধাৰণাটো সমগ্ৰ ৰাজনৈতিক তত্ত্বকে সামৰি লোৱা নাই। ইষ্টন বা কবানে উল্লেখ কৰা ৰাজনৈতিক তত্ত্বই আদৰ্শাত্মক তত্ত্বকহে সামৰি লৈছে। আচৰণবাদৰ আৰম্ভণিৰ লগে লগে ৰাজনৈতিক অধ্যয়ন পদ্ধতিত অনেক পৰিবৰ্তন সাধন হৈছিল আৰু ই আদৰ্শাত্মক তত্ত্বৰ বিপৰীতে অভিজ্ঞতাবাদী তত্ত্বকহে প্ৰাধান্য দিছিল। ইয়াৰ ফলত আদৰ্শাত্মক তত্ত্ব নতুনকৈ প্ৰতিষ্ঠা বা বিকাশ হোৱা নাছিল। ইয়াকে তত্ত্বৰ অৱক্ষয় আখ্যা দিয়া হৈছে। অৰ্থাৎ ৰাজনৈতিক তত্ত্বৰ অৱক্ষয়ে আদৰ্শাত্মক তত্ত্বৰ অৱক্ষয়কহে বুজাইছে।

**ৰাজনৈতিক তত্ত্বৰ অৱক্ষয়ৰ কাৰণ (Causes for the decline of political theory) ঃ**

ৰাজনীতি বিজ্ঞানত আদৰ্শত্মক তত্ত্বৰ অবক্ষয়ৰ অন্তৰালত ভালেমান কাৰক নিহিত আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

**(i) প্ৰচলিত তত্ত্বৰ আসোঁৱাহ ঃ** ডেভিড ইষ্টনৰ মতে প্ৰচলিত তত্ত্বৰ আসোঁৱাহৰ বাবেই ৰাজনৈতিক তত্ত্বৰ অৱক্ষয় ঘটিছে। According to Eston 'A theory must have an empirical base for this it should deal with both values and facts. কিন্তু আদৰ্শাত্মক তত্ত্বই কোনো ধৰণৰ পৰীক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান নকৰাৰ বাবে ক্ৰমাৎ ইয়াৰ অৱক্ষয় ঘটিছিল।

**(ii) ঐতিহাসিকতাবাদ ঃ** ডেভিদ ইষ্টনৰ মতে ইতিহাসৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি নতুন চিন্তাধাৰাৰ প্ৰতি কম গুৰুত্ব প্ৰদানো ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব হ্ৰাসৰ অন্যতম কাৰণ। ঊনবিংশ শতিকালৈ ৰাজনৈতিক চিন্তাবিদ সকলে প্ৰাচীন ৰাজনৈতিক ধাৰণাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল। প্ৰাচীন ৰাজনৈতিক মূল্যবোধৰ আলোচনাত তেওঁলোক বেছি উৎসাহী আছিল যাৰ বাবেই

ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব ক্ৰমাৎ কমি আছে।

**(iii) তথ্যৰ প্ৰতি অতি বিশ্বাস ঃ** ৰাজনৈতিক ঘটনা আৰু তথ্যৰ আহৰণ অন্যতম কাৰণ। বৰ্তমানৰ ৰাজনৈতিক চিন্তাবিদ সকলে ৰাজনৈতিক ঘটনা বিশ্লেষণৰ বাবে তথ্য আহৰণৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছে, যদিও তাত্ত্বিক বিশ্লেষণত ব্যৰ্থ হৈছে।

**(iv) নৈতিক আপেক্ষিকতাবাদ ঃ** নৈতিক আপেক্ষিকতাবাদকো ৰাজনৈতিক তত্ত্বৰ অবক্ষয়ৰ কাৰণ হিচাবে অভিহিত কৰিব পাৰিব। নৈতিক আপেক্ষিকতাবাদৰ অৰ্থ হৈছে আলোচনা বা বিশ্লেষণ পদ্ধতিত নৈতিকতাক বা মূল্যবোধক আতঁৰাই ৰখা। আধুনিক ৰাজনৈতিক পণ্ডিত সকলৰ আলোচনাত মূল্যবোধক বৰ্জন কৰা হৈছে যদিও ৰাজনৈতিক আলোচনা মূল্যবোধ বৰ্ণিত সম্পূৰ্ণৰূপে হ'ব নোৱাৰে।

**(v) ক্ষমতাৰ ধাৰণা প্ৰয়োগ ঃ** ক'বানৰ মতে ক্ষমতাৰ ওপৰত অতি গুৰুত্ব প্ৰয়োগে ৰাজনৈতিক তত্ত্বৰ অৱক্ষয় ঘটাইছে। মেক্স ৱেবাৰ, ব্ৰাউণ্ডি জুভেনেল, ই.এইচ কাৰ, হেল্ড লাচৱেল প্ৰভৃতি ৰাজনৈতিক পণ্ডিত সকলে ক্ষমতাৰ ওপৰত অতি গুৰুত্ব প্ৰদানে নৈতিকতাক কবৰ দিছে, যাৰ ফলত আদৰ্শাত্মক তত্ত্ববোৰৰ প্ৰভাৱ নাইকিয়া হৈছিল।

ওপৰোক্ত কাৰণবোৰৰ বাবে ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব হ্ৰাস হোৱা বুলি কলেও দৰাচলতে ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব হ্ৰাস হোৱা নাই। ৰাজনৈতিক তত্ত্বৰ গাথনিৰ ক্ষেত্ৰতহে পৰিবৰ্ত্তন হৈছে।

**ৰাজনৈতিক তত্ত্বৰ পুনৰজাগৰণ (Revival of political theory) ঃ** ৰাজনৈতিক তত্ত্বৰ অবক্ষয়ৰ ধাৰণাৰ প্ৰতিক্ৰিয়া স্বৰূপে ৰাজনীতি বিজ্ঞানত ৰাজনৈতিক তত্ত্বৰ পুনৰজাগৰণ ধাৰণাৰ জন্ম হৈছিল। ৰাজনৈতিক তত্ত্বৰ পুনৰ জাগৰণ ধাৰণাৰ সমৰ্থক সকলৰ মতে 'ৰাজনৈতিক তত্ত্বৰ অৱক্ষয়' এটা ভ্ৰান্ত ধাৰণা। যিসকলে এই ভ্ৰান্ত ধাৰণাৰ পোষকতা কৰে তেওঁলোকে প্ৰকৃততে ৰাজনৈতিক তত্ত্বক যথেষ্ট সংকীৰ্ণ অৰ্থত ব্যৱহাৰ কৰিছে। এওঁলোকে মূলতঃ ৰাজনৈতিক তত্বক আদৰ্শত্মক ক্ষেত্ৰতহে বিচাৰ কৰে। এক নতুন ধাৰাৰ মাধ্যমত ৰাজনৈতিক তত্ত্বক আলোচনা কৰা পৰিঘটনাকে এওঁলোকে ৰাজনৈতিক তত্ত্বৰ অৱক্ষয় আখ্যা দিছে।

বিংশ শতিকাৰ মাজতে এচাম চিন্তাবিদে পুনৰ পৰম্পৰাবাদী চিন্তাধাৰাৰে ৰাজনৈতিক সমস্যা বিশ্লেষণ কৰিবলৈ ধৰে। বিশেষকৈ এৰণ্ডে (Arend), ষ্ট্ৰচ (Strauss), ভয়েজেলিন (Voegelin), ৰ'লচ (Rawls), মেকফাৰচন (Macpherson), নজিক (Nozick), মাৰ্কুচ (Marcuse), জুভেনল (Jouvenal), আদি পণ্ডিতসকলে পুনৰ ধ্ৰুপদী আৰ্হিতে নিজৰ চিন্তাধাৰা ব্যক্ত কৰিবলৈ ধৰে।

বাৰ্লিন, ব্লণ্ডেল আৰু ষ্ট্ৰছে স্পষ্ট ৰূপত মন্তব্য কৰিছে যে ৰাজনৈতিক তত্ত্ব, ৰাজনৈতিক দাৰ্শনিক চিন্তাধাৰাতো কেতিয়াও অৱক্ষয় হ'ব নোৱাৰে। বাৰ্লিনৰ মতে ৰাজনৈতিক দৰ্শন অবিহনে কোনো সমাজেই জীয়াই থাকিব নোৱাৰে (these cannot exist any society without political philosophy)। বাৰ্লিনে পুনৰ উল্লেখ কৰিছে যে অভিজ্ঞতা বাদে (empricism) মূল্যৰ ভূমিকাক অস্বীকাৰ কৰি পৰম্পৰাগত দৃষ্টিভংগীলৈ যথেষ্ট প্ৰত্যাহ্বান আনিছিল, যাৰ বাবেই বহুতে ৰাজনৈতিক তত্ত্বৰ অৱক্ষয় হোৱা বুলি মন্তব্য কৰিছিল। কিন্তু মানুহৰ আচৰণক সম্পূৰ্ণ বস্তুনিষ্ঠ বা পৰীক্ষণমূলক অনুমেয়ৰ (hypothesis) দ্বাৰা অনুসন্ধান কৰি বাস্তৱ ৰাজনীতি আলোচনা কৰিলে ই ভুল পদ্ধতি গ্ৰহণ কৰাহে হ'ব। Berlin says that observation of human behaviour by formulating empiricial hypothesis, as done by some other thinkers would lead to understanding as explaining of political reality in a wrong way।

ব্ৰণ্ডেল, ষ্টচ আদি ৰাজনৈতিক পণ্ডিত সকলে মন্তব্য কৰিছে যে প্ৰত্যক্ষবাদ (positivism)ৰ বিকাশে আদৰ্শাত্মক তত্ত্বক অৱক্ষয় কৰিব নোৱাৰে। তেওঁলোকে তত্ত্ব হিচাবে আদৰ্শাত্মক আৰু অভিজ্ঞতাবাদ উভয়ক সমৰ্থন কৰিছে। অৱশ্যে ষ্ট্ৰচৰ মতে, তুলনামূলকভাবে পৰম্পৰাগত পদ্ধতি নতুন পদ্ধতিতকৈ অধিক উন্নতমানৰ। কিয়নো ৰাজনীতিৰ লগত আদৰ্শ, মূল্যবোধ আদিৰ নিবিড় সম্পৰ্ক আছে। ৰাজনৈতিক দৰ্শন তত্ত্বই ৰাজনৈতিক শৃংখলা আৰু ধাৰণাবোৰ সেয়ে শুদ্ধভাবে আলোচনা কৰিব পাৰে। ৰাজনৈতিক তত্ত্ববিদ সকলে কেৱল মানুহক তত্ত্ব সম্পৰ্ক বা ক্ষমতাৰ প্ৰতিযোগিতাৰ আলোচনাতে সীমাবদ্ধ নহৈ শুদ্ধ ৰাজনৈতিক শৃংখলাৰ অন্বেষণত ব্যস্ত হ'ব লাগে। (Political theorist is not merly concerned with the study of man in relation to authority on his role in the struggle for power, he also seeks to know the right or good of political order)।

মুঠতে ৰাজনৈতিক তত্ত্ব সম্পৰ্কে প্ৰাচীন গ্ৰীক নগৰ ৰাষ্ট্ৰক কেন্দ্ৰ কৰি যি আলোচনা আৰম্ভ হৈছিল সি বৰ্তমান সময়লৈকে অব্যাহত আছে। বিভিন্ন সময়ৰ পৰিপেক্ষিতত ইয়াৰ অধ্যয়ন পদ্ধতিৰ কিছু পৰিবৰ্তন সাধন হোৱাতো স্বাভাবিক। উদাহৰণস্বৰূপে

আৰম্ভণিৰ স্তৰত ৰাজনৈতিক তত্ত্ব আদৰ্শাত্মক বা দাৰ্শনিক দিশেৰে বিশ্লেষণ আৰম্ভ হলেও উনৈছ শতিকাৰ শেষ ভাগৰ পৰা অভিজ্ঞতামূলক বা পৰীক্ষামূলক অধ্যয়ন পদ্ধতিয়ে আদৰ্শাত্মক তত্ত্বক সাময়িকভাৱে অৱদমন কৰিলেও পৰবৰ্তী সময়ত পুনৰ আদৰ্শাত্মক তত্ত্বই এচাম চিন্তাবিদৰ চিন্তাধাৰাত প্ৰতিস্ফূত হবলৈ ধৰে। থোৰতে ক'বলৈ হলে ৰাজনৈতিক তত্ত্বৰ বিকাশ সুস্থিৰ নহয়। বিভিন্ন সময়ৰ দাৰ্শনিক বা বিশ্লেষকে ভিন্ন দৃষ্টিভংগীৰে নিজৰ আলোচনা আগবঢ়ায়। হেকাৰৰ মতে— Political theory is never ending conversation among theorist. Political theory does not mean traditional or normative theory alone. It consists of both normative and empirical political theorists।

**প্ৰশ্নাৱলী ঃ**

১। ৰাজনীতি কি? ৰাজনীতিৰ তাত্বিক ব্যাখ্যা আগবঢ়োৱা।

২। ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞানৰ পৰিভাষিক প্ৰভেদ আলোচনা কৰা।

৩। ৰাজনীতি বিজ্ঞান কি? ৰাজনীতি বিজ্ঞানৰ প্ৰকৃতি আৰু পৰিসৰ আলোচনা কৰা।

৪। ৰাজনীতি বিজ্ঞান আৰু কলাৰ সংমিশ্ৰণ আলোচনা কৰা।

৫। ৰাজনৈতিক তত্ত্ব কি? ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি আলোচনা কৰা।

৬। ৰাজনৈতিক তত্ত্বৰ পৰিসৰ আলোচনা কৰা।

৭। ৰাজনৈতিক তত্ত্বৰ তাৎপৰ্য বা প্ৰাসংগিকতা আলোচনা কৰা।

৮। ৰাজনৈতিক তত্ত্বৰ অবক্ষয় ধাৰণাটো আলোচনা কৰা।

৯। ৰাজনৈতিক তত্ত্বৰ পুনৰ জাগৰণ ধাৰণাটো আলোচনা কৰা।

## অধ্যায়- ২
## ৰাজনৈতিক তত্ত্বৰ দৃষ্টিভংগীসমূহ আৰু সমসাময়িক দৃষ্টিকোণ
## Approaches and Contemporary Perspectives on Political Theory

**ৰাজনীতি বিজ্ঞান অধ্যয়নৰ দৃষ্টিভংগীবোৰ (Approaches to the study of Political Science) ঃ**

ৰাজনীতি বিজ্ঞান সমাজ বিজ্ঞানৰ এক অংশ স্বৰূপ। সমাজ বিজ্ঞানৰ প্ৰতিটো শাখাৰেই আলোচনা আৰু বিশ্লেষণৰ বাবে সুনিৰ্দিষ্ট দৃষ্টিভংগী আছে। পৰিবৰ্তনশীল মানৱ সমাজ ব্যৱস্থাক অধ্যয়ন কৰাৰ বাবে অধ্যয়ন তথা বিশ্লেষণৰ মাধ্যমৰো পৰিবৰ্তন সাধন হয়। ৰাজনীতি বিজ্ঞানৰো সময়ে সময়ে অধ্যয়নৰ দৃষ্টিভংগীৰো পৰিবৰ্তন হৈ আহিছে। ৰাজনীতি বিজ্ঞানৰ বিভিন্ন দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰাৰ প্ৰাক্ মুহূৰ্ত্তত দৃষ্টিভংগীনো কি তাক জনাতো দৰকাৰ।

**দৃষ্টিভংগী কি ? (What is approach?) ঃ**

কোনো এটা সমস্যা বিশ্লেষণ বা পৰ্য্যবেক্ষনৰ আহিলা হৈছে দৃষ্টিভংগী। প্ৰত্যেক অধ্যয়নৰ বিষয়ত ইয়াৰ বিষয়বস্তু সম্পৰ্কে বৰ্ণনা দিওঁতে বা আলোচনা কৰোতে এক নিৰ্দিষ্ট পদ্ধতি গ্ৰহণ কৰা হয়। সেই নিৰ্দিষ্ট পদ্ধতিয়েই হ'ল দৃষ্টিভংগী।

অৱশ্যে পদ্ধতি আৰু দৃষ্টিভংগীৰ মাজত এক পাৰ্থক্য বিৰাজমান। পদ্ধতি বুলিলে কোনো কাৰ্য্য সাধন কৰা এক নিৰ্দিষ্ট উপায়ক বুজোৱা হয়। প্ৰণালীবদ্ধভাৱে ক'বলৈ হলে পদ্ধতি হ'ল অনুসন্ধানৰ এক প্ৰক্ৰিয়া, যাৰ যোগেদি বিশ্বাসযোগ্য জ্ঞান আহৰণ কৰাৰ লগতে বিশ্বাসযোগ্য সিদ্ধান্ততো উপনীত হ'ব পাৰি (method may be defined as the procedure of enquery by which reliable knowledge could be obtained and reliable conclusion can be drawn) অন্যহাতেদি দৃষ্টিভংগীৰ পৰিসৰ পদ্ধতিতকৈ বহল। দৃষ্টিভংগীয়ে পদ্ধতি (অনুসন্ধান প্ৰক্ৰিয়া)ৰ লগতে অধ্যয়ন কৰিবলগা বিষয় বা সমস্যাক (কি বিষয় অধ্যয়ন কৰা হ'ব) সামৰি লয়। (Approach comprehends not only the method but also the focus of our study)

দৃষ্টিভংগী প্ৰসংগত ভাৰ্নন ভান ডাইকৰ মন্তব্য উল্লেখযোগ্য। ডাইকৰ মতে "দৃষ্টিভংগী হ'ল ৰাজনৈতিক সমস্যা আৰু সংগৃহীত তথ্যবোৰৰ বৰ্ণনা বা বিশ্লেষণৰ নিয়ম বা পদ্ধতি" (approach is defined to denote the creteria employed in selecting the questions to ask and the data to consider in political enquiry) যিহেতু ৰাজনৈতিক সমস্যা আৰু তথ্যৰ পৰিসংখ্যা যথেষ্ট বেছি সেয়েহে ৰাজনৈতিক পণ্ডিতসকলে নিজ নিজ চিন্তাধাৰাৰে ঘটনাৰ বিশ্লেষণ আগবঢ়ায়। এই বাবেই ৰাজনীতি বিজ্ঞান অধ্যয়নত ভিন্ন দৃষ্টিভংগীৰ সমাহাৰ হোৱা দেখা যায়।

এ চি ইচাক (A.C. Issac)ৰ মতে ৰাজনৈতিক প্ৰপঞ্চ অধ্যয়নৰ বাবে গ্ৰহণ কৰা ৰাজনৈতিক অনুসন্ধানৰ সাধাৰণ কৌশলবোৰেই হ'ল দৃষ্টিভংগী। (An approach, in political enquiry is a general strategy for studing political phenomenon) জৰ্জ চিম্পচন (George simpson) ৰ মতে দৃষ্টিভংগী হ'ল কিছুমান নিয়মৰ সমষ্টি যিবোৰে সমস্যা নিৰ্বাচন আৰু অনুসন্ধানৰ বাবে তথ্য সংগ্ৰহত সহায় কৰে। (An approach consists of criteria employed in selecting the problems and date for investigations)

দৃষ্টিভংগী সম্পৰ্কে দাঙি ধৰা সংজ্ঞাবোৰৰপৰা কিছুমান সিদ্ধান্তত উপনীত হ'ব পৰা যায়। যেনে—

(i) দৃষ্টিভংগী হ'ল কিছুমান সাধাৰণ নিয়মৰ সমষ্টি, যিয়ে কোনো বিষয় অধ্যয়ন আৰু বিশ্লেষণত সহায় কৰে।

(ii) দৃষ্টিভংগী হ'ল কোনো বিষয় অধ্যয়নৰ বাবে গ্ৰহণ কৰা বিজ্ঞানসন্মত উপায়।

(iii) দৃষ্টিভংগী ভালেমান পৰ্যায়ৰ সমষ্টি। সমস্যা নিৰ্বাচন কৰা, সমস্যাৰ লগত সংগতি থকা তথ্য আহৰণ কৰা, তথ্যবোৰ বিশ্লেষণ কৰা আৰু তাৰপৰা কোনো সিদ্ধান্তত উপনীত হোৱা।

(iv) দৃষ্টিভংগী হ'ল তত্ত্বৰ প্ৰতিস্থাপক। দৃষ্টিভংগীয়ে বাস্তৱতাক ব্যাখ্যা কৰি তত্ত্ব প্ৰতিষ্ঠাত সহায় কৰে। যেতিয়া এটা দৃষ্টিভংগীয়ে সমস্যা নিৰ্বাচন আৰু তথ্যৰ বিশ্লেষণৰপৰা সাৰ্বজনীন সিদ্ধান্ত তৈয়াৰ কৰিব পাৰে তেতিয়া ই তত্ত্বলৈ ৰূপান্তৰিত হয়।

**উদাৰতাবাদ (Liberalism) ঃ**

লেটিন ভাষাৰ Liber শব্দৰ অৰ্থ আছিল এক শ্ৰেণীৰ মুক্ত মানুহ। মানুহ যিসকল দাস নহয় তেওঁলোকক বুজাবলৈ লেটিন ভাষাৰ Liber শব্দটো ব্যৱহাৰ কৰা হৈছিল। ৰাজনৈতিক প্ৰেক্ষাপটত উদাৰতাবাদ শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল স্পেইনত ১৮১২ চনত। ১৮৪০ চন মানলৈ সমগ্ৰ ইউৰোপত ৰাজনৈতিক ধাৰণাৰ সমষ্টি হিচাপে উদাৰতাবাদ জনপ্ৰিয় হৈ উঠিছিল। অৱশ্যে শৃংখলাবদ্ধ

অধ্যয়ন নহ'লেও উদাৰতাবাদী ধাৰণাৰ বিকাশ কিন্তু ইয়াৰ বহু পূৰ্বেই আৰম্ভ হৈছিল। কিন্তু এক সম্পূৰ্ণ বিকশিত ধাৰণা বা আদৰ্শ হিচাপে উদাৰতাবাদৰ উত্থান ঘটিছিল ইউৰোপত হোৱা সামন্তবাদৰ পতনৰ ফলস্বৰূপে আৰু এক বজাৰভিত্তিক পুজিবাদী সমাজৰ উত্থানৰ লগে লগে। বহু সময়ত আকৌ উদাৰতাবাদে মধ্যবিত্ত শ্ৰেণীৰ লোকৰ আশা-আকাংক্ষাকো প্ৰতিনিধিত্ব কৰিছিল, যি আকংক্ষা বা ইচ্ছাৰ সাধাৰণতে সংঘাত ঘটিছিল প্ৰতিষ্ঠিত ৰাজতন্ত্ৰমূলক শাসকৰ লগত। সেয়েহে এনে অৱস্থাৰ পৰা ব্যক্তিৰ মুক্তি বিচৰা উদাৰতাবাদক উগ্ৰ সংস্কাৰবাদী বুলিও ক'ব পাৰি। অৰ্থাৎ উদাৰতাবাদে প্ৰচলিত ব্যৱস্থাৰ সংস্কাৰৰ পোষকতা কৰিছিল। সোতৰ শতিকাৰ ইংলিছ বিপ্লৱ, ১৭৭৬ চনৰ আমেৰিকাৰ স্বাধীনতা যুদ্ধ, ১৭৮৯ চনৰ ফৰাছী বিপ্লৱ ইত্যাদিয়ে উদাৰতাবাদৰ মূল নীতিবোৰকেই প্ৰতিনিধিত্ব কৰিছিল যদিও সেই সময়ত ৰাজনৈতিক প্ৰেক্ষাপটত 'উদাৰতাবাদে' বিশেষ প্ৰসাৰ লাভ কৰা নাছিল। 'দৈৱিক তত্ত্বৰ' ভিত্তিত প্ৰতিষ্ঠিত 'ৰজাৰ সৰ্বোচ্চ ক্ষমতা'ক উদাৰতাবাদে প্ৰত্যাহ্বান জনাইছিল। সৰ্বাত্মকবাদৰ বিপৰীতে উদাৰতাবাদে সাংবিধানিকতাবাদ আৰু পিছলৈ প্ৰতিনিধিত্বমূলক চৰকাৰৰ পোষকতা কৰিছিল। সামন্তবাদী ব্যৱস্থা ভূ-মালিকস্বত্বমূলক আভিজাত্যৰ দ্বাৰা পৰিচালিত ব্যৱস্থা, য'ত ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰ মাত্ৰ কেইজনমানে ভোগ কৰিব পাৰে আৰু য'ত সামাজিক মৰ্যাদা তথা স্থান জন্মৰ গৌৰবময় দ্বাৰা নিৰ্দ্ধাৰণ হয় তাৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল উদাৰতাবাদে। প্ৰকৃততে ঊনবিংশ শতিকাটোৱেই আছিল উদাৰতাবাদীৰ সময়। এইখিনি সময়তে পশ্চিমীয়া দেশসমূহ উদ্যোগীকৰণৰ প্ৰসাৰ ঘটিছিল। এইখিনি সময়তে পশ্চিমীয়া দেশসমূহত উদ্যোগীকৰণৰ প্ৰসাৰ ঘটিছিল আৰু উদাৰতাবাদী আদৰ্শ সাফল্য লাভ কৰিছিল। উদাৰতাবাদীসকলে ৰাষ্ট্ৰ তথা চৰকাৰৰ হস্তক্ষেপৰপৰা মুক্ত এক অৰ্থনৈতিক ব্যৱস্থাৰ পোষকতা কৰিছিল। এনেকুৱা এক অৰ্থনৈতিক ব্যৱস্থাৰ আৰম্ভণি হৈছিল ইংলেণ্ডত আৰু পিছলৈ প্ৰায় সমগ্ৰ ইউৰোপত ইয়াৰ সম্প্ৰসাৰণ ঘটিছিল। বিংশ শতিকালৈ এই সম্প্ৰসাৰণ ঘটিছিল এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অন্তৰ্গত উন্নয়নশীল ৰাষ্ট্ৰসমূহলৈ। অৱশ্যে, ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়।

উদাৰতাবাদী আদৰ্শৰ মূল ভিত্তি হ'ল ব্যক্তিবাদ। ব্যক্তিক মূল হিচাপে লৈ উদাৰতাবাদীসকলে তেওঁলোকৰ সকলোবোৰ ধাৰণাৰ আগবঢ়াইছিল। তেওঁলোকৰ মতে ব্যক্তিৰ বিকাশেই সমাজৰ বিকাশৰ মূল। ব্যক্তিৰ সম্পূৰ্ণ বিকাশৰ বাবে তেওঁলোকক সম্পূৰ্ণ স্বতন্ত্ৰতা প্ৰদান কৰিব লাগে। ব্যক্তিক স্বতন্ত্ৰতা প্ৰদানৰ পোষকতাৰ সপক্ষে উদাৰতাবাদীসকলে মত পোষণ কৰে যে ব্যক্তি যুক্তিপূৰ্ণ প্ৰাণী। গতিকে তেওঁলোকে নিজৰ বিকাশৰ কাৰণে শুদ্ধ পথেই গ্ৰহণ কৰিব বা নিজৰ প্ৰতিভাৰ সঠিক বিকাশৰ বাবে স্বতন্ত্ৰতাক ব্যৱহাৰ কৰিব পাৰিব। গতিকে উদাৰতাবাদৰ মূল উপাদান বা বিষয়বোৰ হ'ল ব্যক্তি, স্বতন্ত্ৰতা, যুক্তি, সন্মতি, ন্যায় ইত্যাদি। ব্যক্তিক সম্পূৰ্ণ স্বতন্ত্ৰতা প্ৰদানৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিব পৰা সকলো বৈধ ক্ষমতাসম্পন্ন অনুষ্ঠানৰ সংশোধনৰ পোষকতা কৰি তেওঁলোকে মত পোষণ কৰে যে ৰাষ্ট্ৰক যিমান পাৰি কম ক্ষমতা প্ৰদান কৰিব লাগে। অন্যথা এনে ক্ষমতাসম্পন্ন ৰাষ্ট্ৰৰ বিভিন্ন কাৰ্য-কলাপে ব্যক্তিৰ স্বতন্ত্ৰতা উপভোগৰ পথত বাধাৰ সৃষ্টি কৰিব। ৰাষ্ট্ৰৰ ক্ষমতা কম কৰিবলৈ গৈছে উদাৰতাবাদে ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰপৰা মুক্ত অৰ্থনীতি অৰ্থাৎ, বজাৰ অৰ্থনীতিৰ প্ৰস্তাৱ আগবঢ়ায়। আকৌ, ব্যক্তি স্বতন্ত্ৰতাৰ সুৰক্ষাৰ বাবেই ই প্ৰয়োজনবশত সমাজৰ সংস্কাৰৰো পোষকতা কৰিছিল। সামাজিক দিশত উদাৰতাবাদে ধৰ্মনিৰপেক্ষতাৰ পোষকতা কৰাৰ বিপৰীতে ৰাজনৈতিক দিশত ই গণতন্ত্ৰ, সন্মতি, সাংবিধানিক চৰকাৰৰ পোষকতা কৰে আৰু অৰ্থনৈতিক ক্ষেত্ৰত মুক্ত প্ৰতিযোগিতামূলক বজাৰ অৰ্থনীতি, ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ পোষকতা কৰে। মূলতঃ তিনিটা পৰ্যায়ৰ মাজেৰে উদাৰতাবাদে বিকাশ লাভ কৰিছে। সেইবোৰ তলত আলোচনা কৰা হ'ল—

**সনাতন বা ধ্ৰুপদী উদাৰতাবাদ (Classical Liberalism)ঃ**

সনাতন বা ধ্ৰুপদী উদাৰতাবাদ হ'ল উদাৰতাবাদৰ বিকাশৰ প্ৰাৰম্ভিক পৰ্যায়। "ৰাষ্ট্ৰ প্ৰয়োজনীয় অশুভ অনুষ্ঠান বা State is a necessary evil" হ'ল এই পৰ্যায়ৰ মূল বৈশিষ্ট্য। ব্যক্তি, ব্যক্তি স্বতন্ত্ৰতাক সৰ্বোচ্চ হিচাপে গণ্য কৰা সনাতন উদাৰতাবাদে ৰাষ্ট্ৰক যথেষ্ট কম ক্ষমতা দিয়াৰ পোষকতা কৰে। তেওঁলোকৰ মতে ৰাষ্ট্ৰৰ প্ৰয়োজন কেৱল ব্যক্তিৰ স্বতন্ত্ৰতাৰ সুৰক্ষাৰ বাবে। কিন্তু ই বেছি ক্ষমতা প্ৰয়োগ কৰিব পৰা বা কৰা ৰাষ্ট্ৰক ই অশুভ অনুষ্ঠান হিচাপে গণ্য কৰে। গতিকে ই ৰাষ্ট্ৰক কম ক্ষমতা দিয়াৰ পোষকতা কৰে। সনাতন উদাৰতাবাদৰ অন্যতম প্ৰৱক্তা হ'ল সীমিত আৰু সাংবিধানিক চৰকাৰৰ পথ প্ৰদৰ্শক আৰু ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰৰ প্ৰৱক্তা জন ল'ক। জন ল'কে তিনিটা মূল অধিকাৰৰ সমষ্টিক প্ৰাকৃতিক অধিকাৰ আখ্যা দিছিল। তেওঁৰ মতে জীৱনৰ অধিকাৰ, স্বতন্ত্ৰতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ হ'ল ব্যক্তিয়ে জন্মগতভাৱে লাভ কৰা প্ৰাকৃতিক অধিকাৰ। এই অধিকাৰবোৰ অলংঘনীয়, অৰ্থাৎ কোনোৱে ব্যক্তিৰ এই অধিকাৰবোৰ ভংগ কৰিব নোৱাৰে। আনকি বৈধ ক্ষমতাসম্পন্ন ৰাষ্ট্ৰও ইয়াৰ ব্যতিক্ৰম নহয়। ৰাষ্ট্ৰৰ মূল কাম হ'ল ব্যক্তিৰ এই প্ৰাকৃতিক অধিকাৰবোৰ সুৰক্ষিত কৰা। ব্যক্তি স্বতন্ত্ৰতাক সৰ্বোচ্চ হিচাপে গণ্য কৰা সনাতন উদাৰতাবাদে

ব্যক্তিৰ ব্যক্তিগত সম্পত্তিৰ অধিকাৰকো স্বীকৃতি দিয়ে। আকৌ এইক্ষেত্ৰত অৰ্থাৎ অৰ্থনৈতিক ক্ষেত্ৰত ই ৰাষ্ট্ৰৰ সক্ৰিয় ভূমিকাক সমৰ্থন নকৰে। সনাতন উদাৰতাবাদৰ আন এজন প্ৰৱক্তা আডাম স্মিথে ৰাষ্ট্ৰীয় হস্তক্ষেপৰ বিৰোধিতা কৰি "অৰ্থনৈতিক অহস্তক্ষেপ বা "Laissez fair" নীতি আগবঢ়াইছিল। আডাম স্মিথে মত প্ৰকাশ কৰিছিল যে ব্যক্তিৰ অৰ্থনৈতিক কাম-কাজত ৰাষ্ট্ৰৰ কোনো ধৰণৰ হস্তক্ষেপ উচিত নহয়। ব্যক্তিৰ নিজৰ দক্ষতা আৰু যোগ্যতা অনুসৰি সম্পদ আহৰণত ৰাষ্ট্ৰই কোনো প্ৰতিৰোধৰ সৃষ্টি কৰিব নালাগে।

## সনাতন উদাৰতাবাদ মূল নীতি
## (Basic Principles of Classical Liberalism)

(১) **ব্যক্তি সৰ্বোচ্চতা (Supremacy of Individual) ঃ** সনাতন উদাৰতাবাদৰ মতে ব্যক্তি হ'ল সকলো কাৰ্যৰে মূল। অৰ্থাৎ ব্যক্তি উদ্দেশ্য সাধনৰ মাধ্যম নহয়, ৰাষ্ট্ৰহে মাধ্যম। ব্যক্তিৰ স্বতন্ত্ৰতা ৰক্ষাই হ'ল ৰাষ্ট্ৰৰ অৱস্থিতিৰ মূল কাৰণ। ব্যক্তিৰ প্ৰয়োজনৰ স্বাৰ্থত চুক্তিৰ জৰিয়তে ৰাষ্ট্ৰৰ সৃষ্টি কৰা হৈছে। গতিকে ৰাষ্ট্ৰই ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশত বাধাৰ সৃষ্টি কৰা কোনো কাৰ্যই কৰিব নালাগে।

(২) **ব্যক্তিৰ অবাধ স্বতন্ত্ৰতা (Unlimited liberty) ঃ** সনাতন উদাৰতাবাদীসকলৰ মতে ব্যক্তি যুক্তিবাদী প্ৰাণী। গতিকে ব্যক্তিয়ে নিজৰ ভাল-বেয়া সঠিকভাৱে নিৰ্দ্ধাৰণ কৰিব পাৰে। কোনো শক্তি বা অনুষ্ঠানে ব্যক্তিৰ ভাল-বেয়া নিৰ্দ্ধাৰণ বাবে ব্যক্তিৰ কাৰ্যত বাধাৰ সৃষ্টি কৰিব নালাগে। ব্যক্তিৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ দ্বাৰাহে সামাজিক প্ৰগতি সম্ভৱ হয়। আকৌ ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ বাবে তেওঁলোকক যথাসম্ভৱ স্বাধীনতা প্ৰদান কৰিব লাগে। স্বতন্ত্ৰতাৰ প্ৰতি অহা বা উঠা বাধাই ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰতো প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। সেয়েহে সনাতন উদাৰতাবাদীসকলে ব্যক্তিক অবাধ স্বাধীনতা দিয়াৰ পোষকতা কৰিছিল। জন লকে ব্যক্তিৰ তিনি প্ৰকাৰৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল— জীৱন, সম্পত্তি আৰু স্বতন্ত্ৰতাৰ অধিকাৰ।

(৩) **ৰাষ্ট্ৰ এক প্ৰয়োজনীয় অশুভ অনুষ্ঠান (State is a necessary evil) ঃ** সনাতন উদাৰতাবাদীসকলে ৰাষ্ট্ৰক এক প্ৰয়োজনীয় কিন্তু অশুভ অনুষ্ঠান আখ্যা দিয়ে। ব্যক্তিৰ নিৰাপত্তা, স্বতন্ত্ৰতা সুনিশ্চিত কৰাৰ বাবে তেওঁলোকে ৰাষ্ট্ৰক প্ৰয়োজনীয় অনুষ্ঠান আখ্যা দিয়ে। কিন্তু ৰাষ্ট্ৰৰ সম্প্ৰসাৰিত কাৰ্য আৰু ব্যক্তিৰ স্বতন্ত্ৰতাৰ ওপৰত বাধা আৰোপ কৰা বাবে ৰাষ্ট্ৰক অশুভ অনুষ্ঠান আখ্যা দিয়ে।

(৪) **সীমিত ৰাষ্ট্ৰ (Minimal State) ঃ** সনাতন উদাৰতাবাদীসকলে যিহেতু ৰাষ্ট্ৰক প্ৰয়োজনীয় অশুভ অনুষ্ঠান আখ্যা দিয়ে সেয়েহে তেওঁলোকে ৰাষ্ট্ৰক সীমিত হোৱাৰ পোষকতা কৰে। অৰ্থাৎ তেওঁলোকে ৰাষ্ট্ৰক যথেষ্ট ক্ষমতা আৰু কাৰ্যাৱলী প্ৰদান কৰাৰ পোষকতা নকৰে। তেওঁলোকৰ মতে, ৰাষ্ট্ৰৰ কাৰ্য্যৰ সম্প্ৰসাৰণে ব্যক্তিৰ স্বতন্ত্ৰতাত বাধাৰ সৃষ্টি কৰে। সেয়েহে ব্যক্তিৰ স্বতন্ত্ৰতা সুনিশ্চিত কৰিবৰ বাবে ৰাষ্ট্ৰৰ ক্ষমতা সীমিত কৰিব লাগে। সীমিত ৰাষ্ট্ৰৰ পোষকতা কৰা আদাম স্মিথে উদ্ভাৱন কৰিছিল Laissez fair নীতি, যি নীতি অনুসৰি ৰাষ্ট্ৰই কোনো ধৰণৰ অৰ্থনৈতিক কাম-কাজত অংশগ্ৰহণ কৰিব নালাগে।

(৫) **ব্যক্তিগত সম্পত্তিৰ অধিকাৰ পোষকতা (Emphasis on right to property) ঃ** সনাতন উদাৰতাবাদীসকলে ব্যক্তিগত সম্পত্তিৰ প্ৰতি কোনো বিৰূপ মন্তব্য প্ৰকাশ কৰা নাছিল। বৰঞ্চ তেওঁলোকে ব্যক্তিক ব্যক্তিগত সম্পত্তিৰ ক্ষেত্ৰত অবাধ স্বতন্ত্ৰতা দিয়াৰ পোষকতা কৰিছিল। তেওঁলোকৰ মতে, ব্যক্তিৰ দক্ষতা বা যোগ্যতা অনুসৰি ব্যক্তিক সম্পত্তি আহৰণৰ স্বতন্ত্ৰতা প্ৰদান কৰিব লাগে।

এইদৰে সনাতন উদাৰতাবাদী সকলে ব্যক্তিক অবাধ স্বতন্ত্ৰতা আৰু এখন সীমিত 'পুলিচ ৰাষ্ট্ৰ'ৰ পোষকতা কৰিছিল।

**আধুনিক উদাৰতাবাদ (Modern Liberalism) ঃ**

সনাতন উদাৰতাবাদৰ মূল নীতি ব্যক্তিৰ অবাধ স্বতন্ত্ৰতা, অবাধ সম্পত্তিৰ অধিকাৰ, সীমিত ৰাষ্ট্ৰ, অৰ্থনৈতিক প্ৰগতিৰ মাধ্যম, মুক্ত বজাৰ ব্যৱস্থা ইত্যাদিয়ে পশ্চিমীয়া সমাজত যথেষ্ট সমস্যাৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত আৰু সামাজিক শ্ৰেণী বৈষম্যতা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত তথা 1929-30 চনত সূচনা হোৱা আৰু ক্ৰমান্বয়ে ভয়াৱহ ৰূপ ধাৰণ কৰা অৰ্থনৈতিক মন্দাৱস্থা তথা সংকটে সনাতন উদাৰতাবাদৰ প্ৰতি সমালোচনাৰ জোৱাৰ আনিছিল। এনে অৱস্থাত উদাৰতাবাদৰ হেৰোৱা সন্মান উদ্ধাৰৰ ক্ষেত্ৰত উদাৰতাবাদৰ

আভ্যন্তৰীণ সংশোধনৰ প্ৰয়োজনীয়তা আহি পৰিছিল। ইয়াৰ ফলস্বৰূপেই উদ্ভৱ হৈছিল আধুনিক উদাৰতাবাদৰ। অৰ্থাৎ আধুনিক উদাৰতাবাদক 1930 ৰ দশকত সংঘটিত হোৱা অৰ্থনৈতিক সংকটৰ ফল বুলিও ক'ব পাৰি। আধুনিক উদাৰতাবাদৰ প্ৰধান প্ৰৱক্তাসকল আছিল জে.এছ.মিল, টি. এইছ. গ্ৰীন, জে.এম. কেইনচ্, এল.টি. হৰহাউচ ইত্যাদি। এইসকল আধুনিক উদাৰতাবাদীয়ে উদাৰতাবাদৰ মূল মন্ত্ৰ ব্যক্তি স্বতন্ত্ৰতাৰ কোনো সালসলনি কৰা নাছিল। মাত্ৰ ৰাষ্ট্ৰৰ ভূমিকা সম্পৰ্কত পূৰ্বৰ উদাৰতাবাদীসকলৰ ধাৰণাৰ সংশোধন ঘটাইছিল। পূৰ্বৰ সীমিত ক্ষমতাসম্পন্ন ৰাষ্ট্ৰৰ সলনি এওঁলোকে উদ্ভাৱন কৰিছিল অধিক ক্ষমতাসম্পন্ন ৰাষ্ট্ৰৰ। ইয়াৰ ফলস্বৰূপেই কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাৰ বিকাশ ঘটিছিল। কল্যাণকামী ৰাষ্ট্ৰৰ এজন অন্যতম প্ৰৱক্তা জে.এম.কেইনচে মত প্ৰকাশ কৰিছিল যে বজাৰৰ দৰে অদৃশ্য শক্তি বা হাতে সমাজৰ সকলো সমস্যাৰ কেতিয়াও সমাধান কৰিব নোৱাৰে বা সমাধান কৰাত বিফল হৈছে। গতিকে ইয়াৰ সমাধানস্বৰূপে ৰাষ্ট্ৰক জনসাধাৰণৰ বাবে প্ৰয়োজনীয় কিছুমান কাৰ্য সম্পাদনৰ কৰ্তৃত্ব প্ৰদান কৰিব লাগে। অৰ্থাৎ এওঁলোকে Laissez fair বা অৰ্থনৈতিক অহস্তক্ষেপ নীতিৰ পোষকতা কৰা নাছিল। এওঁলোকৰ মতে, আভ্যন্তৰীণ আইন-শৃংখলা ৰক্ষা আৰু নাগৰিকৰ বাবে নিৰাপত্তা সুনিশ্চিত কৰাই ৰাষ্ট্ৰৰ মূল কাম নহয়, ব্যক্তিৰ কল্যাণৰ বাবে প্ৰয়োজনীয় আন আন কাৰ্যও ৰাষ্ট্ৰই সম্পাদন কৰিব লাগে। গ্ৰীণে মত প্ৰকাশ কৰিছিল যে জনসাধাৰণে ৰাষ্ট্ৰৰ আনুগত্য স্বীকাৰ কৰাৰ মূল ভিত্তি হ'ল ৰাষ্ট্ৰক জনসাধাৰণে সামাজিক কল্যাণৰ উৎস হিচাপে গ্ৰহণ কৰে। গতিকে আধুনিক উদাৰতাবাদীসকলে ৰাষ্ট্ৰক অশুভ অনুষ্ঠান হিচাপে গণ্য নকৰে। ৰাষ্ট্ৰৰ সপক্ষে যুক্তি প্ৰদান কৰা আধুনিক উদাৰতাবাদক সকাৰাত্মক উদাৰতাবাদ (Positive liberalism) বুলি জনা যায়। অৰ্থনৈতিক সংকট আৰু ইয়াৰ ভয়াৱহ পৰিণতিৰ পৰা মুক্তি লাভ কৰিবলৈ ইংলেণ্ড, আমেৰিকা আদি দেশেও ৰাষ্ট্ৰ সম্পাদিত জনকল্যাণমূলক কাৰ্যৰ ওপৰত গুৰুত্ব দিবলৈ বাধ্য হৈছিল। আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টে গ্ৰহণ কৰা New Deal হ'ল ইয়াৰ অন্যতম উদাহৰণ।

গতিকে দেখা যায় যে মূলতঃ এটা দিশত সনাতন উদাৰতাবাদ আৰু আধুনিক উদাৰতাবাদৰ মাজত বৃহৎ পাৰ্থক্য পৰিলক্ষিত হৈছিল, সেয়া হ'ল ৰাষ্ট্ৰৰ ধাৰণা। ৰাষ্ট্ৰৰ ব্যক্তিৰ কল্যাণ সাধনৰ অন্যতম মাধ্যম হিচাপে গ্ৰহণ কৰাটোৱেই হ'ল আধুনিক উদাৰতাবাদৰ অন্যতম বৈশিষ্ট্য।

এক গভীৰ সংকটৰ সময়ত উদাৰতাবাদৰ সংশোধনৰ দ্বাৰা ইয়াক গ্ৰহণযোগ্য কৰি তোলাৰ ক্ষেত্ৰত কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাৰ দ্বাৰা আধুনিক উদাৰতাবাদীসকলৰ বিশেষকৈ কেইনচ্ৰ এই প্ৰচেষ্টাক পৰিচালনামূলক পুজিবাদ বা Managed Capitalism বুলি জনা যায়।

**নব্য উদাৰতাবাদ (Neo-Liberalism) ঃ**

নব্য-উদাৰতাবাদ হ'ল, 1960-70 ৰ দশকত হোৱা সনাতন উদাৰতাবাদৰ পুনৰ উত্থান। আগতেই উল্লেখ কৰা হৈছে যে 1930 ৰ দশকত সংঘটিত হোৱা অৰ্থনৈতিক মন্দাৱস্থাৰ পৰা পৰিত্ৰাণৰ উদ্দেশ্যে সনাতন উদাৰতাবাদৰ সংশোধন ঘটাই আধুনিক উদাৰতাবাদলৈ যাত্ৰা কৰা হৈছিল। ৰাষ্ট্ৰক ব্যক্তিৰ কল্যাণৰ মাধ্যম হিচাপে গণ্য কৰি আধুনিক উদাৰতাবাদীসকলে ৰাষ্ট্ৰৰ ক্ষমতাৰ সম্প্ৰসাৰণৰ পোষকতা কৰিছিল। আনকি ইংলেণ্ড, আমেৰিকা আদি ৰাষ্ট্ৰত বহু পৰিমাণে কল্যাণকামী ৰাষ্ট্ৰ ব্যৱস্থা প্ৰতিষ্ঠাও কৰা হৈছিল। কিন্তু এই ব্যৱস্থাই আশাব্যঞ্জক সমাধান আগবঢ়াব পৰা নাছিল। 1970 ৰ দশকৰ পৰাই পুনৰ বিভিন্ন সমস্যাই গা কৰি উঠিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত এনে উদাৰতাবাদীয়ে মত প্ৰকাশ কৰিছিল যে পূৰ্ব অৱস্থালৈ (সনাতন উদাৰতাবাদ) প্ৰত্যাৱৰ্তনেই হ'ল ইয়াৰ মূল সমাধান। ফলস্বৰূপে উদ্ভৱ হৈছিল নব্য-উদাৰতাবাদৰ (Neo-liberalism)। গতিকে নব্য-উদাৰতাবাদ হ'ল সনাতন উদাৰতাবাদৰ নতুন ৰূপ। এই নতুন ধাৰাৰ নেতৃত্ব বহন কৰিছিল জন ৰ'লছ্, এফ.এ. হায়েক, ৰবাৰ্ট ন'জিক, মিল্টন ফ্ৰাইডমেন ইত্যাদি চিন্তাবিদে। সনাতন উদাৰতাবাদীসকলৰ দৰে নব্য-উদাৰতাবাদীসকলেও ব্যক্তিৰ অবাধ স্বতন্ত্ৰতা, ব্যক্তিগত সম্পত্তিৰ অধিকাৰ, সীমিত ৰাষ্ট্ৰ, মুক্ত বজাৰ অৰ্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**নব্য উদাৰতাবাদৰ অৰ্থ (Meaning of Neo-Liberalism) ঃ**

ইংৰাজী Neo-Liberalism শব্দটোৰ প্ৰথম ব্যৱহাৰ কৰিছিল ফৰাচী অৰ্থনীতিবিদ Charles Gide এ। আকৌ Neo-Liberalism শব্দটোৰ বহুল প্ৰয়োগ কৰিছিল Jacques Cros এ তেওঁৰ গৱেষণা গ্ৰন্থ "Le neo-liberalisme' at larivision du liberalism"ত।

Neo-Liberalism বা নব্য-উদাৰতাবাদ সম্পৰ্কত আগবঢ়োৱা আখ্যাসমূহৰ ভিতৰত অন্যতম হ'ল David Harvey তেওঁৰ গ্ৰন্থ A Brief History of Neo-liberalism ত আগবঢ়োৱা ব্যাখ্যা। ডেভিত হাৰ্ভেৰ নব্য-উদাৰতাবাদ সম্পৰ্কীয় সংজ্ঞাটো তলত উল্লেখ কৰা হ'ল—

Neo-liberalism is in the first instance a theory of political economic practices that proposes that human well being can best be advanced by liberating individual entrepreneurial freedoms and skills within an institutional framework characterized by strong private property rights, free markets and free trade. The Role of the state is to create and preserve an institutional framework appropriate to such practices. The State has to guarantee, for example, the quality and integrity of money. It must also set up those military, defense, police and legal structures and function required to secure private property rights and to guarantee, by force if need be, the proper functioning of markets. Furthermore, if markets do not exist (in areas such as land, water, education, health care, social security or environmental pollution) then they must be created, by state action if necessary. But beyond these tasks the state should not venture. State interventions in markets (once created) must be kept to a bare minimum because, according to the theory, the state cannot possibly possess enough information to second guess market signals (prices) and because powerful interest groups will inevitably distort and bias state interventions (particularly in democractes) for their own benefit.'

হার্ভেৰ সংজ্ঞাৰ সংক্ষিপ্ত অৰ্থ হ'ল, নব্য-উদাৰতাবাদ হ'ল এক তত্ব, যিয়ে ব্যক্তিৰ স্বতন্ত্ৰতাৰ বা ব্যক্তিৰ ব্যক্তিগত সম্পত্তিৰ সুৰক্ষিত কৰা এক আনুষ্ঠানিক গাঁঠনিৰ জৰিয়তে ব্যক্তিৰ কল্যাণৰ পোষকতা কৰে। এনে ব্যৱস্থাত ৰাষ্ট্ৰৰ মূল দায়িত্ব হ'ব তেনেকুৱা এটা আনুষ্ঠানিক গাঁঠনিৰ সৃষ্টি আৰু সুৰক্ষিত কৰা। আনকি বজাৰ ব্যৱস্থা নোহোৱা অঞ্চলত ৰাষ্ট্ৰই এই ব্যৱস্থা জনকল্যাণৰ প্ৰতি লক্ষ্য ৰাখি সৃষ্টি কৰিব লাগিব। কিন্তু এই বজাৰ ব্যৱস্থাৰ কাৰ্যত ৰাষ্ট্ৰই কোনো ধৰণৰ হস্তক্ষেপৰ পৰা বিৰত থাকিব লাগিব। অৰ্থাৎ, ইয়াৰ সৃষ্টিতে ৰাষ্ট্ৰ সীমাবদ্ধ হৈ থাকিব লাগিব।

নব্য-উদাৰতাবাদীসকলে মত পোষণ কৰে যে ৰাষ্ট্ৰৰ কাৰ্যৰ সম্প্ৰসাৰণে ব্যক্তিৰ স্বতন্ত্ৰতাত সীমাবদ্ধতা আৰোপ কৰি ব্যক্তিৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ পথ ৰুদ্ধ কৰে। তেওঁলোকে অৰ্থনৈতিক কাম-কাজত বিশেষকৈ এখন মুক্ত সমাজ অৰ্থাৎ বজাৰৰ পোষকতা কৰে, য'ত প্ৰত্যেক ব্যক্তিয়ে নিজৰ সামৰ্থ্য অনুসৰি প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে। নব্য উদাৰতাবাদৰ সমৰ্থকসকলে ব্যক্তিগত অৰ্থনৈতিক খণ্ডক নাগৰিক সমাজৰ মৰ্যাদা প্ৰদান কৰি মত পোষণ কৰে যে বজাৰৰ মুক্ত অৱস্থাইহে প্ৰকৃত অৰ্থত গণতন্ত্ৰক প্ৰতিনিধিত্ব কৰে। আনকি নব্য-উদাৰতাবাদৰ এজন সমৰ্থক মিল্টন ফ্ৰাইডমেনে মত প্ৰকাশ কৰিছিল যে বজাৰ বিৰোধী নীতি গ্ৰহণ কৰা যিকোনো প্ৰকাৰৰ চৰকাৰেই অগণতান্ত্ৰিক। গতিকে ৰাষ্ট্ৰই সদায় বজাৰৰ কাম-কাজ সুচাৰুৰূপে সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নব্য-উদাৰতাবাদীসকলৰ মতে বজাৰ অৰ্থনীতি হ'ল, ব্যক্তিৰ মুক্ত সহযোগিতামূলক জীৱনৰ এক অন্যতম উপাদান।

ব্যক্তিগতকৰণৰ উপৰিও নব্য-উদাৰতাবাদৰ আন এটা অন্যতম উপাদান হ'ল উদাৰীকৰণ অৰ্থাৎ ৰাষ্ট্ৰ, বিশেষকৈ ৰাষ্ট্ৰীয় অৰ্থনীতিৰ মাজত থকা সীমাৰ বিলোপ সাধন কৰি মূলধন আৰু সামগ্ৰীৰ মুক্ত সৰবৰাহৰ বাবে সঠিক ব্যৱস্থা কৰা, যাতে যোগ্য ব্যক্তিয়ে নিজৰ যোগ্যতা অনুসৰি প্ৰাপ্য লাভ কৰিব পাৰে। উদাৰীকৰণৰ এটা অনিবাৰ্য ফল যিটো নব্য-উদাৰতাবাদৰ আন এটা গুৰুত্বপূৰ্ণ দিশ, সেয়া হ'ল নব্য উদাৰতাবাদী নীতি সম্বলিত ৰাষ্ট্ৰত উন্নয়নৰ গতি, প্ৰকৃতি সাধাৰণতে আন্তৰ্জাতিক অৰ্থনৈতিক সংস্থাসমূহৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। অৰ্থাৎ আগতেই উল্লেখ কৰাৰ দৰে ইয়াত সামগ্ৰীৰ লগত মূলধনৰো সৰবৰাহ হয়।

নব-উদাৰতাবাদৰ অন্যতম প্ৰৱক্তা হায়েকে তেওঁৰ বিখ্যাত গ্ৰন্থ The Road to Serfdom (1944) ত তেওঁৰ ৰাষ্ট্ৰ বিৰোধী, বিশেষকৈ কল্যাণকামী ৰাষ্ট্ৰ বিৰোধী, ৰাষ্ট্ৰীয় উদ্যোগত পৰিচালিত পৰিকল্পনা বিৰোধী যুক্তিসমূহ সন্নিৱিষ্ট কৰিছিল। আন এজন নব্য-উদাৰতাবাদী ৰবাৰ্ট নজিকে তেওঁৰ বিখ্যাত গ্ৰন্থ Anarchy, State and Utopia (1974) ত এখন Night Watchman State অৰ্থাৎ 'নৈশ প্ৰহৰী ৰাষ্ট্ৰ'ৰ পোষকতা কৰি মত প্ৰকাশ কৰিছিল ৰাষ্ট্ৰৰ ক্ষমতা ব্যক্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাতে সীমাবদ্ধ থকা উচিত। ইয়াৰ বাহিৰে আন কাৰ্যত ৰাষ্ট্ৰৰ অংশগ্ৰহণ তেওঁৰ মতে অনৈতিক আৰু অন্যায়। এইদৰে নব্য-উদাৰতাবাদীসকলে ৰাষ্ট্ৰৰ মৰ্যাদাক পুনৰ পিছলৈ স্থানান্তৰ কৰি আন শক্তিক বা অনুষ্ঠানক জন কল্যাণৰ দায়িত্ব প্ৰদানৰ পোষকতা কৰিছিল। ৰাষ্ট্ৰীয় হস্তক্ষেপক সংকুচিত বা সীমাবদ্ধ কৰাৰ যুক্তিতেই নব্য-উদাৰতাবাদীসকলে ব্যক্তিৰ কল্যাণ বা প্ৰয়োজনীয় সেৱা খণ্ডসমূহৰ ৰাষ্ট্ৰীয়কৰণ বিৰোধিতা কৰি এইবোৰ ব্যক্তিগত খণ্ডৰ হাতত অৰ্পণ কৰাৰ পোষকতা কৰিছিল। অৱশ্যে হায়েকে বিভিন্ন সময়ত বিভিন্ন অসুৰক্ষিত গোটৰ কল্যাণৰ বাবে সীমিত ৰাষ্ট্ৰীয় হস্তক্ষেপৰ পোষকতা কৰিছিল। প্ৰকৃততে তেওঁ ৰাষ্ট্ৰীয় আধিপত্যৰ সলনি সীমিত ৰাষ্ট্ৰীয় হস্তক্ষেপৰ পোষকতা কৰিছিল।

**নব্য-উদাৰতাবাদৰ বৈশিষ্ট্য (Characteristic of Neo-Liberalism) ঃ**

নব্য-উদাৰতাবাদৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল—

(১) **ব্যক্তি সৰ্বোচ্চতা (Supremacy of Individual) ঃ** সনাতন উদাৰতাবাদীসকলৰ দৰে নব্য-উদাৰতাবাদীসকলেও ব্যক্তিক সৰ্বোচ্চ স্থান প্ৰদান কৰিছিল। তেওঁলোকেও ব্যক্তিক মাধ্যম হিচাপে গ্ৰহণ নকৰি ৰাষ্ট্ৰক ব্যক্তিৰ কল্যাণ সাধনৰ মাধ্যম আখ্যা দিয়ে। তেওঁলোকৰ দৰ্শনৰ মূল কেন্দ্ৰবিন্দুৰে হ'ল ব্যক্তি। ব্যক্তি, ব্যক্তিৰ স্বতন্ত্ৰতাৰ সুৰক্ষাক লৈয়ে নব্য-উদাৰতাবাদীসকল আবৃত।

(২) **ব্যক্তিক অবাধ স্বতন্ত্ৰতা (Unlimited liberty to the Individual) ঃ** নব্য-উদাৰতাবাদীসকে ব্যক্তিক যুক্তিবাদী প্ৰাণী হিচাপে গণ্য কৰি ব্যক্তিক অবাধ স্বতন্ত্ৰতা দিয়াৰ পোষকতা কৰে। তেওঁলোকৰ মতে পূৰ্ণ স্বতন্ত্ৰতাইহে ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰে আৰু সামাজিক প্ৰগতিত সহায় কৰে। মুক্ত বজাৰ ব্যৱস্থাৰ মাধ্যমত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বৰ বাবে ব্যক্তিক পূৰ্ণ স্বতন্ত্ৰতা প্ৰদান কৰাটো অন্যতম চৰ্ত বুলি নব্য উদাৰতাবাদীসকলে মত পোষণ কৰে।

(৩) **ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ পোষকতা (Right to Private Property) ঃ** বিভিন্ন প্ৰকাৰৰ স্বতন্ত্ৰতা তথা অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা নব্য উদাৰতাবাদীসকলে সনাতন উদাৰতাবাদীসকলৰ দৰে ব্যক্তিৰ ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ পোষকতা কৰে। তেওঁলোকৰ মতে সমাজৰ প্ৰত্যেক ব্যক্তিকে নিজৰ যোগ্যতা অনুসৰি সম্পত্তি আহৰণ আৰু সংৰক্ষণৰ অধিকাৰ প্ৰদান কৰিব লাগে।

(৪) **সীমিত ৰাষ্ট্ৰ (Minimal State) ঃ** নব্য-উদাৰতাবাদী আদৰ্শৰ অন্যতম বৈশিষ্ট্য হ'ল সীমিত ৰাষ্ট্ৰৰ পোষকতা। কেইনচ্‌ৰ কল্যাণকামী ৰাষ্ট্ৰ তথা ৰাষ্ট্ৰৰ সম্প্ৰসাৰিত কাৰ্যক ব্যক্তি স্বতন্ত্ৰতাৰ অন্যতম প্ৰতিবন্ধক হিচাপে গণ্য কৰি নব্য-উদাৰতাবাদীসকলে এক সীমিত ৰাষ্ট্ৰৰ পোষকতা কৰি ৰাষ্ট্ৰক নূন্যতম ক্ষমতা প্ৰদানৰ সপক্ষে মত পোষণ কৰে। নব্য-উদাৰতাবাদৰ অন্যতম প্ৰৱৰ্তক হায়েক, নজিক হ'ল সীমিত ৰাষ্ট্ৰৰ অন্যতম প্ৰৱক্তা। নজিকে এখন 'Night Watchman' বা 'নৈশ প্ৰহৰী ৰাষ্ট্ৰ'ৰ পোষকতা কৰি মত প্ৰদান কৰিছিল যে ব্যক্তিৰ কল্যাণৰ লগত জড়িত কাৰ্য সম্পাদনত ৰাষ্ট্ৰৰ হস্তক্ষেপ অনৈতিক আৰু অন্যায়।

(৫) **বজাৰ অৰ্থনীতি (Market Economy) ঃ** নব্য-উদাৰতাবাদীসকলে ৰাষ্ট্ৰৰ সলনি বজাৰ মাধ্যমত পৰিচালিত অৰ্থনীতিৰ পোষকতা কৰে। তেওঁলোকৰ মতে মুক্ত বজাৰ ব্যৱস্থাই ব্যক্তিক নিজৰ দক্ষতা প্ৰদৰ্শনৰ পূৰ্ণ সুবিধা প্ৰদান কৰে। ৰাষ্ট্ৰৰ দায়িত্ব হ'ল বজাৰ ব্যৱস্থাৰ সূক্ষ্ম পৰিচালনাৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো সৃষ্টি কৰা, বজাৰ ব্যৱস্থাত প্ৰতিবন্ধকতা সৃষ্টি কৰা নহয়।

(৬) **ব্যক্তিগতকৰণ (Privatization) ঃ** সীমিত ৰাষ্ট্ৰৰ পোষকতা কৰা নব্য উদাৰতাবাদী সকলে ব্যক্তিৰ কল্যাণ বা প্ৰয়োজনৰ বাবে জড়িত সেৱাসমূহৰ দায়িত্ব ৰাষ্ট্ৰক অৰ্পণ কৰাৰ সম্পূৰ্ণ বিৰোধিতা কৰে আৰু এইবোৰৰ দায়িত্ব ব্যক্তিগত খণ্ডৰ হাতত অৰ্পণৰ সপক্ষে মত পোষণ কৰে। এইদৰে নব্য-উদাৰতাবাদীসকলে ৰাষ্ট্ৰীয় কাৰ্যৰ সংকোচনৰ দ্বাৰা সীমিত ৰাষ্ট্ৰ স্থাপনৰ পথ সূচল কৰে।

(৭) **উদাৰীকৰণ (Liberalisation) ঃ** উদাৰীকৰণ নব্য-উদাৰতাবাদৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। উদাৰ অৰ্থনীতিৰ পোষকতা কৰা নব্য-উদাৰতাবাদীসকলে মূলধন আৰু সামগ্ৰীৰ বাধাহীন সৰবৰাহৰ সপক্ষে মত পোষণ কৰে আৰু উদাৰীকৰণক বিকাশৰ অন্যতম মাধ্যম হিচাপে গ্ৰহণ কৰে।

(৮) **আন্তৰ্জাতিক অৰ্থনৈতিক সংস্থাৰ গুৰুত্বপূৰ্ণ ভূমিকা (Important role of international Economic Organization) ঃ** আগতেই উল্লেখ কৰা হৈছে যে নব্য-উদাৰতাবাদে উদাৰীকৰণ অৰ্থাৎ মূলধন আৰু সামগ্ৰীৰ মুক্ত আৰু বাধাহীন সৰবৰাহত গুৰুত্ব আৰোপ কৰে। গতিকে ৰাষ্ট্ৰসমূহৰ ওপৰত বিভিন্ন ক্ষেত্ৰত আন্তৰ্জাতিক সংস্থা তথা অনুষ্ঠানৰ মুক্ত হস্তক্ষেপ সহজ হৈ পৰে। বিশেষকৈ অৰ্থনৈতিকভাৱে দুৰ্বল ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক কাৰণত বা ঋণৰ বাবে বিভিন্ন সময়ত আন্তৰ্জাতিক সংস্থা যেনে— আন্তৰ্জাতিক মুদ্ৰা নিধি (IMF), বিশ্ব বেংক (World Bank) আদিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। লগে লগে বিভিন্ন আঁচনি বা ব্যৱস্থা যেনে— Structural Adjustment Programme (SAP) আদিৰ সহায়ত আন্তৰ্জাতিক সংস্থাবোৰে ৰাষ্ট্ৰবোৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত হস্তক্ষেপৰ সুযোগ লাভ কৰে। এইদৰে নব্য-উদাৰীকৰণ ব্যৱস্থাত আন্তৰ্জাতিক সংস্থাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

নব্য-উদাৰতাবাদীসকলে Laissez fair নীতিক সনাতন উদাৰতাবাদী সকলৰ দৰে অৰ্থনৈতিক দিশতে সীমাবদ্ধ ৰখাৰ সলনি সামাজিক, ৰাজনৈতিক দিশলৈ সম্প্ৰসাৰণ কৰিব বিচাৰে। অৰ্থাৎ এওঁলোকে ব্যক্তিৰ অৰ্থনৈতিক কাৰ্যৰ উপৰিও সামাজিক, ৰাজনৈতিক কাৰ্যতো কোনো ধৰণৰ হস্তক্ষেপ বা সীমাবদ্ধতাৰ পোষকতা নকৰে। অৰ্থাৎ, এওঁলোকে ব্যক্তিক সম্পূৰ্ণ স্বতন্ত্ৰতা প্ৰদানৰ পোষকতা কৰে। নব্য-উদাৰতাবাদী নীতিৰ বাস্তৱ প্ৰয়োগ বৰ্তমান সময়ত বিভিন্ন ৰাষ্ট্ৰলৈ সম্প্ৰসাৰণ হৈছে যদিও ইয়াৰ প্ৰকৃত অৰ্থত আৰম্ভণি হৈছিল ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেচাৰ আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰোনাল্ড ৰেগানৰ সময়ছোৱাত। 1980-90 ৰ দশকত আমেৰিকা যুক্তৰাষ্ট্ৰত সম্পূৰ্ণৰূপে কেইনচীয়ান কল্যাণকামী নীতিক উপেক্ষা কৰি নব্য-উদাৰতাবাদী মঞ্চ তৈয়াৰ কৰা হৈছিল। 1991 চনত ছোভিয়েট সংঘৰ পতনৰ পিছত নব্য-উদাৰতাবাদী আদৰ্শই এক নতুন গতি লাভ কৰিছে।

**মূল্যায়ণ (Evaluation) ঃ**

সনাতন উদাৰতাবাদৰ প্ৰতি সততে উত্থাপিত হোৱা সকলো সমালোচনাই নব্য-উদাৰতাবাদৰ ক্ষেত্ৰতো প্ৰযোজ্য। সনাতন উদাৰতাবাদৰ দৰে নব্য-উদাৰতাবাদো সমাজৰ মুষ্টিয়েম পুজিপতি লোকৰ দৰ্শন। নব্য-উদাৰতাবাদে পোষকতা কৰা মুক্ত প্ৰতিযোগিতামূলক বজাৰত মাত্ৰ দক্ষতাসম্পন্ন ব্যক্তিয়েহে লাভান্বিত হ'ব পাৰে বা হৈছে। সমাজৰ প্ৰত্যেক ব্যক্তিয়ে সম দক্ষতাসম্পন্ন নহয়। বিভিন্ন শাৰীৰিক তথা মানসিক বা আন কাৰণত সমাজৰ প্ৰত্যেক ব্যক্তিয়ে নিজৰ দক্ষতা প্ৰদৰ্শন কৰিব নোৱাৰিব পাৰে বা নোৱাৰে। সমাজৰ এই শ্ৰেণীৰ লোকৰ স্বাৰ্থৰ সুৰক্ষা সম্পৰ্কে নব্য উদাৰতাবাদীসকলে কোনো পৰামৰ্শ আগবঢ়োৱা নাই।

আকৌ, নব্য উদাৰতাবাদীসকলে অগ্ৰাধিকাৰ প্ৰদান কৰা উদাৰতাবাদী নীতিয়েও সমাজৰ দৰিদ্ৰতা তথা বৈষম্য কোনো ৰূপে হ্ৰাস কৰিব পৰা নাই, বৰঞ্চ বৃদ্ধিহে কৰিছে।

মূলধনৰ উদাৰীকৰণ আৰু ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নত আন্তৰ্জাতিক সংস্থাৰ অন্তৰ্ভুক্তি প্ৰশ্নৰ বাহিৰত নহয়। প্ৰথম কথা, এই অনুষ্ঠানবোৰৰ নিজৰ গঠন প্ৰক্ৰিয়াই গণতান্ত্ৰিক নহয়। উন্নত ৰাষ্ট্ৰৰ নীতি নিৰ্দেশনা অনুসৰি পৰিচালিত এই অনুষ্ঠানবোৰ বহু পৰিমাণে আধিপত্যশালী। অৰ্থাৎ, এইবোৰে ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে বুলি ক'ব পাৰি। কাৰণ ঋণৰ লগত এই অনুষ্ঠানবোৰে বান্ধি দিয়া চৰ্তাৱলীয়ে ৰাষ্ট্ৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত হস্তক্ষেপ কৰে। বিভিন্ন সময়ত অৰ্থনৈতিকভাৱে দুৰ্বল ৰাষ্ট্ৰৰ ওপৰত এইবোৰে ঋণৰ লগতে প্ৰদান কৰা চৰ্তসমূহে ৰাষ্ট্ৰবোৰৰ আভ্যন্তৰীণ সাৰ্বভৌমত্বৰ ওপৰতো প্ৰশ্নৰ উদ্ৰেক কৰিছে। আকৌ বিভিন্ন সময়ত এই সংস্থাসমূহৰ গাঠনি গত (Structural Adjustment Programme) কাৰ্যসূচীয়ে ৰাষ্ট্ৰবোৰক জনসাধাৰণৰ প্ৰয়োজনীয় সেৱা খণ্ড সমূহৰ পৰা আঁতৰি আহিবলৈ বাধ্য কৰোৱাৰ ফলত এই দেশসমূহৰ দৰিদ্ৰ জনসাধাৰণৰ অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ পৰিছে।

মুক্ত বজাৰ অৰ্থনীতিয়ে এহাতে কিছুমান সামগ্ৰীৰ গুৰুত্ব তথা চাহিদা বৃদ্ধি কৰিছে, আনহাতে সাধাৰণ জনতাক এইবোৰৰ ব্যৱহাৰৰ সুবিধাৰ পৰা অতি কৌশলপূৰ্ণভাৱে বঞ্চিত কৰিছে।

আকৌ নব্য-উদাৰতাবাদীসকলে সমৰ্থন কৰা বজাৰ অৰ্থনীতি বা মুক্ত বজাৰ ব্যৱস্থাও বহু সময়ত সমালোচনাৰ পাত্ৰ। নব্য উদাৰতাবাদীসকলে পোষকতা কৰা মুক্ত প্ৰতিযোগিতামূলক বজাৰ অৰ্থনীতি এখন সমতাপূৰ্ণ সমাজতহে সম্ভৱ। কিন্তু বিভিন্ন দিশৰপৰা অসমান ব্যক্তি আৰু ৰাষ্ট্ৰৰে পৰিপূৰ্ণ বৰ্তমান সমাজত নব্য-উদাৰতাবাদীসকলে মতপোষণ কৰা মুক্ত প্ৰতিযোগিতামূলক বজাৰৰ অৱস্থিতি প্ৰকৃত অৰ্থত এক অবাস্তৱ ধাৰণা।

নব্য-উদাৰতাবাদৰ সীমিত ৰাষ্ট্ৰৰ ধাৰণা সম্পৰ্কতো বিভিন্ন সমালোচনাৰ উদ্ভৱ হৈছে বা হয়। সীমিত ৰাষ্ট্ৰ সকলো সমাজৰ কাৰণে কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। বিশেষকৈ বিভিন্ন কাৰণত দুৰ্বল আৰু অনুন্নত জনসমষ্টিৰে সমৃদ্ধ ৰাষ্ট্ৰসমূহত জনকল্যাণৰ অৰ্থে ৰাষ্ট্ৰৰ সক্ৰিয় ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। এনে সমাজত ৰাষ্ট্ৰৰ নিস্ক্ৰিয় ভূমিকাই জনকল্যাণ ব্যাহত কৰাৰ লগতে সমাজৰ দুৰ্বল লোকৰ জীৱন-যাপন দুৰূহ কৰি তুলিব পাৰে। অৱশ্যে হায়েকে সীমিত ৰাষ্ট্ৰৰ পোষকতা কৰাৰ পিছতো স্পষ্টভাৱে মত প্ৰকাশ কৰিছিল যে কিছুমান বিশেষ পৰিস্থিতিত আৰু বিশেষভাৱে দুৰ্বল লোকৰ কল্যাণৰ বাবে ৰাষ্ট্ৰই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## মাৰ্ক্সবাদ

## (Marxism)

সমাজবাদৰ বৈজ্ঞানিক ভিত্তিক প্ৰতিষ্ঠা কৰিবলৈ জাৰ্মান দাৰ্শনিক কাৰ্লমাৰ্ক্স আৰু লগতে ফ্ৰেডেৰিক এঙ্গেঁলছে যি ৰাজনৈতিক আৰু অৰ্থনৈতিক নীতি আগবঢ়াইছিল তাৰ সমষ্টিকেই মাৰ্ক্সবাদ বুলি ক'ব পাৰি। মাৰ্ক্সবাদক মূলতঃ কাৰ্লমাৰ্ক্সৰ চিন্তাৰ সমষ্টি বুলিয়েই গণ্য কৰা হয় যদিও এঙ্গেঁলছ আৰু মাৰ্ক্সৰ অনুগামী কিছুমান চিন্তাবিদেও মাৰ্ক্সবাদৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

মাৰ্ক্সবাদী চিন্তাধাৰা ঊনৈশ শতিকাৰ মাজভাগত বিকশিত হ'বলৈ আৰম্ভ কৰিছিল। মাৰ্ক্সবাদৰ উৎপত্তি কিন্তু পুজিবাদী ব্যৱস্থাৰ শোচনীয় অৱস্থাৰ ফল। অৰ্থাৎ পুজিবাদী ব্যৱস্থাই জনসাধাৰণৰ জীৱনলৈ নমাই অনা অনিশ্চয়তা ৰোধৰ বাবেই মাৰ্ক্সবাদৰ উৎপত্তি হৈছিল। সোতৰ শতিকাত ব্যক্তি স্বতন্ত্ৰতাক মূল নীতি হিচাপে লৈ উদ্ভৱ হোৱা উদাৰতাবাদী ব্যৱস্থাই অৰ্থনৈতিক অহস্তক্ষেপ অৰ্থাৎ Laissez fair আৰু মুক্ত বজাৰে ব্যক্তি স্বতন্ত্ৰতাৰ বাবে সুৰক্ষিত পৰিৱেশ সৃষ্টি কৰিব পৰা নাছিল। ইয়াৰ বিপৰীতে ই মুষ্টিমেয় কিছুমান ব্যক্তিৰ সৃষ্টি কৰিছিল, যিবোৰে সমাজত সুবিধাৰ স্বত্বাধিকাৰ হৈছিল। অৰ্থাৎ বৈধ আৰু ৰাজনৈতিক সমতাই সমাজত এক বৃহৎ অৰ্থনৈতিক অসমতাৰ সৃষ্টি কৰিছিল। সনাতন উদাৰতাবাদৰ প্ৰৱক্তাসকলে বিশ্বাস কৰিছিল যে অৰ্থনৈতিক মুক্ততাই ব্যক্তিৰ বৈষয়িক দিশটো উন্নত কৰাত সহায় কৰিব। কিন্তু বাস্তৱত ইয়াৰ বিপৰীতহে হৈছিল। ইয়াৰ প্ৰতিবাদ তথা সমাধান হিচাপে আহিছিল সমাজবাদী চিন্তাবিদসকলৰ চিন্তা, যিসকলে মুক্ত অৰ্থনীতিৰ বিৰোধিতাৰে নিজৰ পৰামৰ্শক আগবঢ়াইছিল। এই সমাজবাদী চিন্তাবিদসকলৰ অন্যতম আছিল। Saint Simon (1760-1825), Louis Blanc (1811-82) ইত্যাদি। এওঁলোকে ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু কেন্দ্ৰীকৃত এক অৰ্থনৈতিক ব্যৱস্থাৰ ধাৰণা আগবঢ়াইছিল। আকৌ Robert Owen (1771-1858), Charles Fourier (1772-1837) আদিয়ে 'মুক্ত অৰ্থনীতিৰ' বিপৰীতে 'মুক্ত সহযোগিতাৰ' জৰিয়তে এক আদৰ্শ সমাজ প্ৰতিষ্ঠাৰ পথ দেখুৱাইছিল। কিন্তু এই সকলোবোৰ চিন্তাবিদৰে চিন্তাৰ মূল দুৰ্বলতা আছিল এওঁলোকে ধাৰণাবোৰ প্ৰয়োগৰ কোনো পথ দেখুৱাব পৰা নাছিল। অৰ্থাৎ, তেওঁলোকে সমস্যা চিনাক্ত কৰিছিল, সমাধানো দিছিল কিন্তু সমাধানৰ পথ দেখুৱাব পৰা নাছিল। ফলস্বৰূপে এইবোৰ বাস্তৱ সমস্যা সমাধানৰ পথত সফল ব্যৱস্থা হিচাপে পৰিগণিত হোৱাৰ সলনি কাল্পনিক সমাজবাদী বা Utopian Socialist হিচাপেহে পৰিগণিত হৈছিল, যিবোৰ কল্পনাহে কৰিব পাৰি, বাস্তৱায়িত কৰিব নোৱাৰি। আৰু এইখিনি সময়তে (1830 চন মানত) কিছুসংখ্যক ডেকা চিন্তাবিদে এই সমাজবাদক তীব্ৰভাৱে সমালোচনা কৰিবলৈ আৰম্ভ কৰিছিল। এইসকলৰ ভিতৰত অন্যতম আছিল জাৰ্মান দাৰ্শনিক কাৰ্ল মাৰ্ক্স। তেওঁৰ লগতে আছিল আন এজন জাৰ্মান দাৰ্শনিক আৰু ইংলেণ্ডৰ বাসিন্দা ফ্ৰেডেৰিক এঙ্গেঁলছ। মাৰ্ক্স আৰু এঙ্গেঁলছে কাল্পনিক সমাজবাদক বৈজ্ঞানিক সমাজবাদলৈ ৰূপান্তৰ কৰি সমাজবাদক বাস্তৱায়িত কৰিব বিচাৰিছিল। বৈজ্ঞানিক সমাজবাদৰ জৰিয়তেই তেওঁলোকে সমাজত প্ৰচলিত সমস্যাৰ সমাধান কৰিব বিচাৰিছিল। এই প্ৰচেষ্টাৰ ফলস্বৰূপেই উদ্ভৱ হৈছিল মাৰ্ক্সবাদৰ। মাৰ্ক্স আৰু এঙ্গেঁলছে তেওঁলোকৰ বিখ্যাত গ্ৰন্থ Communist Menifesto (1848) ত সমাজৰ দুৰ্বল তথা শ্ৰমিক শ্ৰেণীৰ কি ভূমিকা হ'ব লাগে সেয়া বিশদভাৱে আলোচনা কৰি এক নতুন পথ উদ্ভাৱনৰ চেষ্টা কৰিছিল। Communist Menifesto ৰ লগতে মাৰ্ক্সৰ Das Capital (1861), A Contribution to the Critique of Political Economy (1859) আদিও মাৰ্ক্সবাদৰ নীতি সন্নিৱিষ্ঠ কৰা অন্যতম লিখনি। গতিকে মাৰ্ক্সবাদ হ'ল বৈজ্ঞানিক সমাজবাদৰ ভিত্তি প্ৰতিষ্ঠা কৰিবলৈ মাৰ্ক্স আৰু এঙ্গেঁলছে আগবঢ়োৱা ৰাজনৈতিক আৰু অৰ্থনৈতিক নীতিৰ সমষ্টি। এই নীতিয়ে ইতিহাসক শাসক আৰু শাসিত অৰ্থাৎ ধনী আৰু দুখীয়া শ্ৰেণীৰ সংঘাত হিচাপে বিবেচনা কৰি মত প্ৰকাশ কৰে যে এই সংঘাতৰ মূল কাৰণ হ'ল প্ৰচলিত উৎপাদনৰ আহিলাৰ লগত জড়িত ভুল ব্যৱস্থা, য'ত এটা মুষ্টিমেয় শ্ৰেণী লাভান্বিত হোৱাৰ বিপৰীতে এক বৃহৎ সংখ্যক লোক এই আহিলাৰ গৰাকীৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু শোষিত হ'ব লগা হয়। পুজিবাদৰ শেষৰ ফালে সংঘাত তীব্ৰতৰ হ'ব আৰু এক বিপ্লৱৰ জৰিয়তে এই শোষণমূলক পুজিবাদৰ অৱসান হ'ব। ইয়াৰ লগে লগেই সমাজবাদ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত হ'ব। এয়াই মাৰ্ক্সবাদৰ মূল দিশ। মাৰ্ক্স আৰু এঙ্গেঁলছৰ লগতে আন কিছুমান চিন্তাবিদেও মাৰ্ক্সবাদৰ বিকাশত অৰিহণা যোগাইছিল। সেইসকলৰ ভিতৰত অন্যতম হ'ল ৰাছিয়াৰ বৈপ্লৱিক নেতা V.I. Lenin (1870-1924) চিন্তাবিদ Rosa Luxemburg (1871-1919) চীনৰ বৈপ্লৱিক নেতা Mao Tse Dong (1893-1976) ইত্যাদি। অৱশ্যে পিছলৈ আন আন কিছুমান চিন্তাবিদো এই ধাৰাৰ লগত কিছু পৰিৱৰ্তিত ধাৰণাৰে সংযোজিত হৈছিল, যিবোৰ নব্য মাৰ্ক্সবাদী হিচাপে পৰিচিত।

**মাৰ্ক্সবাদৰ মূল ধাৰা বা নীতি (Main Principle Marxism)ঃ**

মাৰ্ক্সবাদ মূলতঃ কেইটামান ধাৰণাৰ সমষ্টি। সেইবোৰ হ'ল— (ক) দ্বন্দাত্মক বস্তুবাদ, (খ) ঐতিহাসিক বস্তুবাদ, (গ) শ্ৰেণী সংঘৰ্ষ, (ঘ) উদ্বৃত্ত্ব মূল্য।

**(ক) দ্বন্দাত্মক বস্তুবাদ (Dialetical Materialism) ঃ**

দ্বন্দাত্মক শব্দটো গ্ৰীক শব্দ 'Dilego' ৰ পৰা উৎপত্তি হৈছে আৰু ইয়াৰ অৰ্থ হৈছে Dialogue অৰ্থাৎ আলোচনা বা বাৰ্তালাপ। মাৰ্ক্সৰ আৰু মাৰ্ক্সবাদৰ দাৰ্শনিক ভিত্তি হ'ল দ্বন্দাত্মক বস্তুবাদ। অৰ্থাৎ, দ্বন্দাত্মক ধাৰণাৰ জৰিয়তেই মাৰ্ক্স আৰু তেওঁৰ সহযোগী সকলে তেওঁলোকৰ ধাৰণাক আলোচনা কৰিছিল। অৱশ্যে দ্বন্দাত্মক ধাৰণাটো মাৰ্ক্সে আন এজন জাৰ্মান দাৰ্শনিক হেগেলৰ পৰা গ্ৰহণ কৰিছিল আৰু ইয়াৰ লগত বস্তুবাদক সংযোগ কৰি সামাজিক বিকাশৰ ধাৰণাটো আলোচনা কৰিছিল। দ্বন্দাত্মক শব্দটোৱে এক পদ্ধতিক বুজায় যাৰ দ্বাৰা কিছুমান ধাৰণা গঢ় দিয়া হয় আৰু বৌদ্ধিক বিতৰ্কৰ দ্বাৰা এইবোৰ সময়ৰ লগে লগে স্পষ্ট আৰু প্ৰতিষ্ঠিত হয়। হেগেলৰ মতে, প্ৰথম এটা প্ৰপঞ্চ (Thesis)ৰ প্ৰতিষ্ঠা হয়। লগে লগে এই প্ৰপঞ্চ আন আন কিছুমান বিৰোধ প্ৰপঞ্চৰ (Anti Thesis)পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হয়। এই দুয়োধৰণৰ প্ৰপঞ্চৰ সংঘাতৰ স্বতস্ফূৰ্ত ফল হ'ল আন এক সন্মিলিত প্ৰপঞ্চ (Synthesis) যি প্ৰপঞ্চই পূৰ্বৰ দুয়োধৰণৰ প্ৰপঞ্চৰ লগত জড়িত সত্য আৰু বৈধ দিশবোৰ অন্তৰ্ভুক্ত কৰে। হেগেলৰ মতে, প্ৰাৰম্ভিক পৰ্যায়ৰ প্ৰপঞ্চই কেতিয়াও প্ৰকৃত সত্যক প্ৰতিনিধিত্ব নকৰে। আনকি এই দুয়োধৰণৰ প্ৰপঞ্চৰ সংঘাতৰ ফলত উৎপত্তি হোৱা নতুন প্ৰপঞ্চও চূড়ান্ত সত্য নহয়। গতিকে শেষৰ প্ৰপঞ্চ (Synthesis) যিয়ে পূৰ্বৰ দুয়োটা প্ৰপঞ্চৰে সত্য আৰু বৈধ উপাদানক একেলগ কৰে, তাক লৈও নতুন বিতৰ্ক আৰু আলোচনা আৰম্ভ হয় আৰু ইও এটা সময়ত প্ৰাথমিক প্ৰপঞ্চলৈ (Thesis) পৰিৱৰ্তিত হয়। এইদৰে সমাজত ধাৰণাৰ বিতৰ্ক আৰু বিকাশ এক চলমান প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া তেতিয়ালৈকে চলি থাকে যেতিয়ালৈ প্ৰকৃত সত্য (Absolute truth) প্ৰতিষ্ঠা নহয়। হেগেলৰ মতে, দ্বন্দাত্মক পদ্ধতিত ঘটা ধাৰণাৰ বিৱৰ্তনে সামাজিক অনুষ্ঠানৰ বিকাশত সহায় কৰে। গতিকে তেওঁৰ মতে সকলো সামাজিক অনুষ্ঠানে ইয়াৰ লগত জড়িত ধাৰণাক প্ৰতিনিধিত্ব কৰে। হেগেলে সকলো সামাজিক অনুষ্ঠানৰ ভিতৰত ৰাষ্ট্ৰক চূড়ান্ত আৰু সত্য হিচাপে বিবেচনা কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰ হ'ল সমাজত ভগৱানৰ দ্বাৰা প্ৰতিষ্ঠিত এক অনুষ্ঠান, যি সকলো দিশৰপৰা সম্পূৰ্ণ এক অনুষ্ঠান। মাৰ্ক্সে হেগেলৰ এই দ্বন্দাত্মক বিৱৰ্তনৰ ধাৰণাটো সামাজিক বিকাশৰ কাৰক হিচাপে গ্ৰহণ কৰিছিল। মাত্ৰ মাৰ্ক্সে দ্বন্দাত্মক ধাৰণাক বস্তুৰ (Matter) ক্ষেত্ৰত প্ৰয়োগ কৰিছিল, ধাৰণা (idea) ৰ ক্ষেত্ৰত নহয়। তেওঁৰ মতে 'বস্তু' (Matter) হে সামাজিক পৰিৱৰ্তনৰ মূল কাৰক, ধাৰণা (idea) নহয়। আনকি মাৰ্ক্সৰ মতে, সামাজিক অনুষ্ঠানবোৰো ব্যক্তিৰ জীৱনৰ লগত জড়িত বস্তুগত দিশৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। অৰ্থাৎ, প্ৰচলিত অৰ্থনৈতিক আহিলাৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। জাৰ্মান দাৰ্শনিক Ludwing Feuerbach ৰ পৰা বস্তুবাদৰ ধাৰণাক গ্ৰহণ কৰা মাৰ্ক্সে মত প্ৰকাশ কৰিছিল যে ভাৱ বা ধাৰণা (idea) নহয়, বস্তুহে হৈছে চূড়ান্ত বাস্তৱতা। তেওঁৰ মতে, সমাজৰ বিকাশ হৈছে বস্তু অথবা বস্তুগত দিশসমূহৰ বিকাশ।

মাৰ্ক্সৰ সহযোগী এঙ্গেঁলছে দ্বন্দাত্মক নীতি বা ধাৰণাক চিন্তা, মানৰ সমাজ আৰু প্ৰকৃতিৰ বিকাশৰ সাধাৰণ নীতিৰ বিজ্ঞান আখ্যা দিছিল আৰু তিনি ধৰণৰ দ্বন্দাত্মক নীতি আগবঢ়াইছিল। এই নীতিবোৰ হ'ল—

(১) **সংখ্যাগতক গুণগতলৈ পৰিৱৰ্তন ঃ** এই নিয়ম আগবঢ়োৱা হৈছিল নতুন দিশৰ আৱিৰ্ভাৱ আৰু ইয়াৰ ফলাফল ব্যাখ্যা কৰাৰ বাবে। এই নীতি অনুসৰি কোনো এক নিৰ্দিষ্ট সীমাৰ মাজত হোৱা সংখ্যাগত পৰিৱৰ্তনে কোনো গুণগত পৰিৱৰ্তন সাধন নকৰে। এক নিৰ্দিষ্ট সীমা অতিক্ৰম কৰাৰ পিছতহে পৰিমাণগত পৰিৱৰ্তন গুণগত পৰিৱৰ্তনলৈ ৰূপান্তৰিত হয়। তেওঁৰ মতে, বস্তুৰ গুণগত পৰিৱৰ্তন হঠাতে হোৱা পৰিৱৰ্তন। মাৰ্ক্স আৰু এঙ্গেঁলছৰ মতে, সমাজৰ পৰিবৰ্তনো হঠাতে হোৱা পৰিৱৰ্তনৰ দ্বাৰা হয়। অৰ্থাৎ, বিপ্লৱৰ দৰে ঘটনাৰ জৰিয়তেহে সমাজৰ গুণগত পৰিৱৰ্তন হয়। পুজিবাদৰ পৰা সমাজবাদলৈ সমাজৰ পৰিৱৰ্তন হঠাৎ অহা কাৰণতহে অৰ্থাৎ বিপ্লৱৰ দ্বাৰা হয়। মাৰ্ক্সৰ মতে সংখ্যাগত বা পৰিমাণগত পৰিৱৰ্তন অবিৰত আৰু মসৃণ। কিন্তু গুণগত পৰিৱৰ্তন দ্ৰুত। সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত বিপ্লৱ এক গুণগত আৰু দ্ৰুত পৰিৱৰ্তন।

(২) **বিপৰীত ঐক্যৰ নিয়ম (Law of Unity of Oppositions) ঃ** এঙ্গেঁলছৰ মতে দ্বন্দাত্মক বস্তুবাদৰ দ্বিতীয় নীতি হৈছে বিপৰীত ধাৰণাৰ ঐক্যৰ নীতি। এই নীতিয়ে বিপৰীত মুখী ধাৰণাই কেনেকৈ বিৰোধৰ মাজেৰে সমাজৰ বিকাশত সহায় কৰে তাক ব্যাখ্যা কৰে। কঠিন (Hard) আৰু নৰম (Soft) দুটা সম্পূৰ্ণ বিপৰীত ধাৰা। কিন্তু এই দুয়োটাই কেতিয়াবা দুয়োটাকে সমৃদ্ধ আৰু সহায় কৰে। সেয়েহে লোৰ দৰে কঠিন সামগ্ৰিকো বিভিন্ন আকৃতিলৈ পৰিৱৰ্তন কৰিব পাৰি। মাৰ্ক্সবাদীসকলেও

বিশ্বাস কৰে যে প্ৰত্যেক সমাজতে দুটা বিপৰীতমুখী ধাৰা বা শক্তি থাকে। এই বৈপৰীত্যই সমাজৰ বিকাশত সহায় কৰে। যেনেঃ পুজিবাদী সমাজত ধনী বা বুৰ্জোৱা আৰু শ্ৰমিক— এই দুই ধৰণৰ বিপৰীত শক্তি থাকে। আৰু ইয়াৰ মাজত হৈ থকা অহৰহ সংঘাতে এক নতুন ব্যৱস্থাৰ সৃষ্টিত সহায় কৰে। গতিকে বৈপৰীত্য সমাজ বিকাশৰ এক কাৰক।

(৩) **বিৰোধৰ বিৰোধ নীতি (Negation of Negation Principle)ঃ** মাৰ্ক্স আৰু এঙ্গেঁলছৰ মতে, বিকাশ বা প্ৰগতিৰ মূল নীতি হ'ল বিৰোধৰ বিৰোধ। সামাজিক বিকাশৰ প্ৰতিটো স্তৰেই নিজৰ মাজত বিৰোধ আৰু প্ৰস্থানৰ পথ অন্তৰ্ভুক্ত কৰে। এই প্ৰস্থানে এক নতুন আৰু বিকশিত অৱস্থাৰ বাবে পথ মুকলি কৰে। অৰ্থাৎ, বিৰোধৰ বিৰোধ নীতিৰ মূল কথা হৈছে নতুন ব্যৱস্থাৰ দ্বাৰা পুৰণিৰ উচ্ছেদ আৰু পুৰণি পৰ্যায়ৰ দ্বাৰা নতুন পৰ্যায় বা ব্যৱস্থাক স্থান এৰি দিয়া। ইয়াক প্ৰপঞ্চ (Thesis), বিপৰীত প্ৰপঞ্চ (Anti Thesis) আৰু সত্য (Synthesis) হিচাপেও আলোচনা কৰিব পাৰি। প্ৰপঞ্চ প্ৰথম অৱস্থাত গঢ় লয়। ইয়াত বিৰোধ বা দ্বন্দ আছে আৰু এই দ্বন্দৰ ফলত এক নতুন সত্য বা প্ৰপঞ্চ (Synthesis)ৰ উদ্ভৱ হয়, যি প্ৰপঞ্চই পূৰ্বৰ দুয়োটা প্ৰপঞ্চৰ সত্য আৰু বৈধ ধাৰণাক গ্ৰহণ কৰে। মাৰ্ক্স আৰু এঙ্গেঁলছৰ মতে এই বিৰোধৰ বিৰোধেই হ'ল সামাজিক বিকাশৰ মূল লক্ষণ বা বৈশিষ্ট্য।

মাৰ্ক্সে দ্বন্দাত্মক ধাৰণা বা নীতিসমূহক তেওঁৰ ঐতিহাসিক বস্তুবাদ নীতিৰ জৰিয়তে সামাজিক জীৱনত প্ৰয়োগ কৰি দেখুৱাইছিল।

**(খ) ঐতিহাসিক বস্তুবাদ (Historical Materialism)ঃ**

দ্বন্দাত্মক বস্তুবাদ হ'ল মাৰ্ক্সবাদৰ দাৰ্শনিক ভিত্তি আৰু ঐতিহাসিক বস্তুবাদ হ'ল মাৰ্ক্সবাদৰ অভিজ্ঞতাবাদী ভিত্তি। মাৰ্ক্সে দ্বন্দাত্মক বস্তুবাদক এই ধাৰণাৰ জৰিয়তে সামাজিক আৰু ঐতিহাসিক দিশত প্ৰয়োগ কৰি দেখুৱাইছিল। ঐতিহাসিক বস্তুবাদ হ'ল এক ধাৰণা যিয়ে বিশ্বাস কৰে যে সমাজৰ অৰ্থনৈতিক দিশ বা সম্পৰ্কইহে সামাজিক বিকাশ আৰু সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ধৰ্মীয় সম্পৰ্ক তথা দিশক নিৰ্দ্ধাৰণ কৰে। অৰ্থাৎ, কোনো এখন সমাজৰ সকলো সামাজিক সম্পৰ্ক কেৱল অৰ্থনৈতিক দিশৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। মাৰ্ক্সৰ এই বিশ্বাসৰ মূল কাৰণ আছিল এক সহজ সত্য— ব্যক্তিৰ জীৱনৰ নিশ্চয়তা নিৰ্ভৰ কৰে বস্তুগত দিশৰ আহৰণৰ ওপৰত। উৎপাদনেই হ'ল সেয়েহে ব্যক্তিৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম। মাৰ্ক্সৰ মতে আনকি সমাজ সৃষ্টিয়েই হৈছিল অৰ্থনৈতিক উৎপাদনৰ স্বাৰ্থত। কিয়নো, মানুহে অকলশৰীয়াকৈ নহয় সংঘবদ্ধভাৱেহে বেছি উৎপাদন কৰে। এখন সম্পূৰ্ণ সমাজেহে ব্যক্তিৰ সকলো প্ৰয়োজন পূৰণ কৰিব পৰা অৱস্থা লাভ কৰে। মাৰ্ক্সৰ মতে, এনে সমাজ গঢ় ল'বলৈ বহুতো সংঘাতৰ সন্মুখীন হ'বলগীয়া হয়। সমাজ এখন গঢ় লোৱাৰ পৰাই তাত বিভিন্ন দিশৰপৰা সংঘাতৰ সূচনা হয় আৰু এটা সম্পূৰ্ণ সত্য বা এখন সম্পূৰ্ণ সমাজ প্ৰতিষ্ঠা নোহোৱালৈকে এই সংঘাত চলি থাকে। মাৰ্ক্সৰ মতে, যিহেতু বস্তুগত উৎপাদনেই সামাজিক জীৱনৰ মূল, সেয়েহে ইয়াৰ অৰ্থাৎ, উৎপাদনৰ আহিলাৰ পৰিৱৰ্তনৰ লগে লগে সমাজৰো পৰিৱৰ্তন হয়। অৰ্থাৎ, অৰ্থনৈতিক উপাদান হ'ল মূল ভিত্তি আৰু আন উপাদানবোৰ (যেনে ঃ সামাজিক, ৰাজনৈতিক) হ'ল ইয়াৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰু পৰিৱৰ্তিত দিশ বা সম্পৰ্ক। উৎপাদনৰ আহিলাৰ পৰিৱৰ্তন কিয় হয় এই প্ৰশ্নৰ উত্তৰত মাৰ্ক্সে মত প্ৰকাশ কৰিছিল যে উৎপাদনৰ অগ্ৰগতি (প্ৰয়োজন পূৰণৰ বাবে প্ৰয়োজনীয়)ৰ বাবে ব্যক্তিয়ে চলাই থকা অহৰহ প্ৰচেষ্টাৰ বাবেই উৎপাদনৰ আহিলাবোৰ পৰিৱৰ্তন হয় আৰু লগে লগে সমাজৰো পৰিৱৰ্তন হয়। এই ধাৰণাক বিস্তৃতভাৱে ব্যাখ্যা কৰিবলৈ গৈ মাৰ্ক্সে উৎপাদনৰ শক্তি (Forces of Production) আৰু উৎপাদনৰ সম্পৰ্ক (Relation of production)ৰ পাৰ্থক্যগত দিশটো উল্লেখ কৰিছিল। তেওঁৰ মতে উৎপাদনৰ শক্তিৰ পৰিৱৰ্তন (আহিলাপাতি, জ্ঞান) আৰু অগ্ৰগতিয়ে উৎপাদনৰ সম্পৰ্কৰ লগত সংঘাতৰ সূচনা কৰে। এই সংঘাত এটা সময়ত এনে এটা পৰ্যায়ত উপনীত হয় যে প্ৰচলিত উৎপাদনৰ সম্পৰ্ক অৰ্থাৎ উৎপাদনৰ আহিলাৰ মালিকীস্বত্বৰ ব্যৱস্থাবোৰ উৎপাদনৰ শক্তিৰ লগত ফেৰ মাৰিব নোৱাৰা হয়। ইয়াৰ ফলতেই প্ৰচলিত উৎপাদনৰ আহিলাৰ অৱসান ঘটে আৰু এক নতুন উৎপাদনৰ আহিলাৰ উৎপত্তি হয়। সমাজৰ পৰিৱৰ্তনৰ এই ধাৰাক দ্বন্দাত্মক ধাৰণাৰ সহায়তো আলোচনা কৰিব পাৰি। দ্বন্দাত্মক ধাৰণা অনুসৰি প্ৰচলিত সমাজ ব্যৱস্থা হ'ল প্ৰাথমিক প্ৰপঞ্চ বা Thesis, য'ত অৱধাৰিতভাৱেই প্ৰত্যাহ্বান বা বিৰোধী প্ৰপঞ্চ অৰ্থাৎ, Anti Thesis থাকে। এই দুয়োটাৰে মাজৰ সংঘাতে এক নতুন সমাজ বা Synthesis ৰ প্ৰতিষ্ঠাত সহায় কৰে। ইয়াৰ দ্বাৰাই মাৰ্ক্সে দাস সমাজৰপৰা সামন্তবাদী সমাজ আৰু সামন্তবাদী সমাজৰ পৰা পুজিবাদী সমাজ, পুজিবাদী সমাজৰ পৰা সমাজবাদী সমাজৰ বিবৰ্তনৰ ধাৰাক ব্যাখ্যা কৰিছিল। তেওঁৰ মতে, ইতিহাসৰ প্ৰতিটো স্তৰতেই আভ্যন্তৰীণ সংঘাত আৰু ধ্বংসৰ কাৰণ নিহীত হৈ থাকে। মাৰ্ক্সে পুজিবাদী সমাজক এক সমস্যাপূৰ্ণ

সমাজ আখ্যা দিছিল। কাৰণ ইয়াত মূলতঃ দুই শ্ৰেণীৰ বিপৰীতমুখী লোক থাকে আৰু য'ত এচামে আন দুৰ্বল শ্ৰেণীক শোষণ কৰে।

মাৰ্ক্স আৰু এঙ্গেঁলছে ইতিহাসৰ বিকাশৰ মূলতঃ চাৰিটা স্তৰৰ বিকাশৰ বিষয়ে আলোচনা কৰিছিল। সেইবোৰ হ'ল—

**আদিম সাম্যবাদ (Primitive Comunism) ঃ**

আদিম সাম্যবাদী সমাজ মাৰ্ক্সৰ মতে সামাজিক বিকাশৰ প্ৰাৰম্ভিক স্তৰ। ইয়াত শ্ৰমৰ প্ৰকৃতি আছিল সামূহিক। ব্যক্তিগত সম্পত্তিৰ কোনো স্থান নাছিল বাবে কোনো শ্ৰেণী নাছিল। উৎপাদনৰ আহিলা বা মাধ্যম সৰল আছিল আৰু সকলোৰে শ্ৰম কৰিব লগা হৈছিল। কিন্তু সময়ৰ গতিত উৎপাদনৰ আহিলা সলনি হ'বলৈ ধৰিলে আৰু ব্যক্তিগত সম্পত্তিৰ উত্থান হ'ল আৰু এক নতুন সমাজ ব্যৱস্থাৰ জন্ম হ'ল তথা আদিম সাম্যবাদী সমাজৰ অৱসান ঘটিল।

**দাস সমাজ (Slave Society) ঃ**

ব্যক্তিগত সম্পত্তিৰ উত্থানে যি শ্ৰেণী বিভাজিত সমাজৰ জন্ম দিছিল সেয়াই আছিল দাস সমাজ। এই সমাজৰ শ্ৰেণী দুটা হ'ল দাস আৰু মালিক। মালিকসকলে এই সমাজত বিভিন্ন নিয়ম আৰু অনুষ্ঠানৰ জৰিয়তে দাসসকলৰ ওপৰত নিয়ন্ত্ৰণ চলাইছিল। কিন্তু মাৰ্ক্সৰ মতে, এই ব্যৱস্থা চিৰন্তন নহয়। দাস মালিকৰ এই অত্যাচাৰৰ বিৰুদ্ধে দাসসকলে প্ৰতিবাদ কৰি এক নতুন ব্যৱস্থাৰ পথ প্ৰশস্ত কৰিছিল।

**সামন্ত সমাজ (Feudal Society) ঃ**

উৎপাদনৰ আহিলা কৃষি হোৱাৰ লগে লগে সমাজ ব্যৱস্থাও সামন্তবাদলৈ পৰিৱৰ্তিত হৈছিল আৰু দুটা নতুন শ্ৰেণীৰ আৱিৰ্ভাৱ ঘটিছিল। সেয়া হ'ল সামন্ত প্ৰভু আৰু ভূমিহীন খেতিয়ক। দাসসকলতকৈ ভূমিহীন খেতিয়কৰ অৱস্থা কিছু উন্নত আছিল যদিও এওঁলোকো সম্পূৰ্ণৰূপে সামন্ত প্ৰভু বা ভূ-স্বামীসকলৰ নিয়ন্ত্ৰণাধীন। ইয়াত ভূমিহীন কৃষকে কৃষিৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় শ্ৰম প্ৰদান কৰিব লাগিছিল। লাহে লাহে উৎপাদনৰ নতুন কৌশল বা আহিলা আহিল আৰু সমাজো পৰিৱৰ্তন হ'ল পুজিবাদলৈ।

**পুজিবাদী সমাজ (Capitalist Society) ঃ**

পুজিবাদী সমাজৰ উৎপাদনৰ মূল আহিলা হ'ল উদ্যোগ আৰু এই সমাজৰ মূল শ্ৰেণী দুটা হ'ল পুজিপতি আৰু শ্ৰমিক। এই সমাজত শ্ৰমিকসকলে মূল্যৰ সৃষ্টি কৰে আৰু বুৰ্জোৱা তথা পুজিপতিসকলে ইয়াক উপভোগ কৰে। ফলত শ্ৰেণী সংঘৰ্ষৰ উৎপত্তি হয়। মাৰ্ক্সৰ মতে মূল্যৰ উপভোগেৰে পুজিপতিসকলে শ্ৰমিকৰ শোষণ প্ৰক্ৰিয়া চলাই যায়। যেতিয়ালৈকে এনে শোষণ চলি থাকে তেতিয়ালৈ দুয়োটা শ্ৰেণীৰ মাজত সংঘাতে তীব্ৰতৰ হৈ থাকে আৰু চৰম অৱস্থাৰ এই সংঘাত বিপ্লৱলৈ ৰূপান্তৰিত হয়। মাৰ্ক্সৰ মতে বিপ্লৱৰ পিছত কিছুসময়লৈ সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা হয় আৰু শেষত ই সাম্যবাদলৈ গতি কৰে। অৰ্থাৎ, সাম্যবাদী সমাজৰ সৃষ্টি পুজিবাদী সমাজৰ অৱসানৰ পিছত হয়। মাৰ্ক্সৰ এই সাম্যবাদী সমাজ শ্ৰেণীহীন অৰ্থাৎ ইয়াত কোনো শ্ৰেণী নাথাকে আৰু শ্ৰেণী শোষণো নাথাকে।

এইদৰে মাৰ্ক্সে ঐতিহাসিক বস্তুবাদৰ দ্বাৰা সমাজৰ বিৱৰ্তনক ব্যাখ্যা কৰে আৰু মত প্ৰকাশ কৰে যে সমাজ পৰিৱৰ্তনৰ মূল কাৰণ হ'ল— অৰ্থনৈতিক উপাদান। মাৰ্ক্সৰ এই ধাৰণাই যথেষ্ট সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল মূলতঃ এটা কাৰণত আৰু সেয়া হ'ল কেৱল অৰ্থনৈতিক উপাদানক সমাজ বিৱৰ্তনৰ মূল আৰু একমাত্ৰ কাৰণ হিচাপে গণ্য কৰাটো। অৰ্থনৈতিক উপাদান এক গুৰুত্বপূৰ্ণ উপাদান, কিন্তু একমাত্ৰ কাৰণ নহয় বুলি ইতিহাসৰ বিভিন্ন ঘটনাই ইতিমধ্যে সেয়া প্ৰমাণ কৰিছে। জাতিয়তাবাদ, ধৰ্ম, সংস্কৃতি ইত্যাদিৰ দৰে উপাদানে সমাজৰ বিকাশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আকৌ, মাৰ্ক্সৰ ধাৰণাৰ অধ্যয়নৰ পৰা অৰ্থনৈতিক বা উৎপাদনৰ আহিলাৰ পৰিৱৰ্তনৰ বাখ্যা পোৱা যায়, কিন্তু এই পৰিৱৰ্তনৰ কাৰণ ব্যাখ্যা দেখিবলৈ পোৱা নাযায়।

**শ্ৰেণী সংঘৰ্ষ (Class Struggle) ঃ**

মাৰ্ক্সবাদৰ এক অন্যতম ধাৰণা হ'ল শ্ৰেণী সংঘৰ্ষৰ ধাৰণা। অন্য অৰ্থত ক'ব পাৰি যে ই মাৰ্ক্সবাদৰ সামাজিক ভিত্তি বা উপাদানক প্ৰতিনিধিত্ব কৰে। মাৰ্ক্সবাদৰ এই ধাৰণাটো মূলতঃ মাৰ্ক্স আৰু এঙ্গেঁলছৰ গ্ৰন্থ Communist Menifesto ত উল্লেখ আছে। Communist Menifesto গ্ৰন্থখন আৰম্ভই হৈছিল শ্ৰেণী সংঘৰ্ষৰ ব্যাখ্যাৰে, য'ত লিখা হৈছিল "The history of all hitherto society is the history of class struggles" অৰ্থাৎ সকলো সমাজৰ ইতিহাস হ'ল শ্ৰেণী সংঘৰ্ষৰ ইতিহাস। মাৰ্ক্স আৰু এঙ্গেঁলছৰ এই গ্ৰন্থখনৰ মূলতঃ শ্ৰেণী বিভক্ত সমাজৰ মাজৰ সংঘাতৰ বিশ্লেষণৰ জৰিয়তে আৰম্ভ হৈছিল। সেয়েহে ইয়াৰ বিৱৰণ দাস সমাজৰ পৰাই পোৱা যায়, য'ত সমাজ মূলতঃ দুটা শ্ৰেণীত বিভক্ত আছিল আৰু বিপৰীতমুখী এই দুয়োটা শ্ৰেণীৰ

মাজতে অবিৰত সংঘাতৰ উপস্থিতি আছিল। মাৰ্ক্স আৰু এঙ্গেঁলছৰ মতে, উৎপাদনৰ আহিলাৰ পৰিৱৰ্তনৰ লগত সমাজৰো পৰিৱৰ্তন হৈছিল, কিন্তু শ্ৰেণী সংঘাতৰ অৱসান নঘটিল। দাস সমাজৰ পৰা সামন্ত সমাজ আৰু সামন্ত সমাজৰ পৰা পুজিবাদী সমাজলৈ হোৱা পৰিৱৰ্তনৰ ফলত শ্ৰেণী সলনি হৈছিল দাস আৰু মালিকৰ পৰা ভূ-স্বামী আৰু ভূমিহীন কৃষকলৈ আৰু ভূ-স্বামী আৰু ভূমিহীন কৃষকৰ পৰা পুজিপতি আৰু শ্ৰমিকলৈ। কিন্তু এই পৰিৱৰ্তনবোৰে শ্ৰেণীৰ প্ৰকৃতি আৰু শ্ৰেণীৰ সম্পৰ্কক মুঠেও সলনি কৰা নাছিল। অৰ্থাৎ, শ্ৰেণীৰ নাম যিয়েই নহওক মূলতঃ দুটাই শ্ৰেণী— শোষক আৰু শোষিত আৰু দুয়োটা শ্ৰেণীৰ মাজত অবিৰত সংঘাত। প্ৰত্যেক সমাজতে শোষণ আৰু সংঘৰ্ষৰ উপস্থিতি মাৰ্ক্সৰ মতে অবিৰাম আছিল। দাস সমাজত দাস আৰু মালিকৰ মাজত, সামন্ত সমাজত ভূ-স্বামী আৰু ভূমিহীন খেতিয়কৰ মাজৰ সংঘাত আৰু পুজিবাদী সমাজত পুজিপতি আৰু শ্ৰমিকৰ মাজৰ সংঘাত তেওঁলোকৰ মতে শ্ৰেণী বিভক্ত সমাজৰ চিৰন্তন প্ৰকৃতি। পুজিবাদী সমাজৰ সংঘাত সম্পৰ্কে মাৰ্ক্স আৰু এঙ্গেঁলছে লিখিছিল "The modern bourgeios society that has sprouted from the ruins of feudal society has not done away with class antagonisms. It has but established new classes, new condition of oppression, new forms of struggle in place of the old ones." তেওঁলোকৰ মতে, পুঁজিবাদী সমাজৰ এই সংঘৰ্ষ তীব্ৰ হ'ব আৰু ই বিপ্লৱৰ পথ মুকলি কৰিব। Communist Menifesto ত এনেদৰে লিখিছিল "Our epoch, the epoch of the bourgeoisic, possesses, however, this distinctive feature; it has simplified the class antagonisms. Society as a whole is more and more splitting up into two real hostile camps, into two great classes directly being each other– Bourgeoise and proletariat." অৰ্থাৎ, পুজিবাদী সমাজত শ্ৰেণীসংঘৰ্ষই সৰল ৰূপ লয় আৰু দুটা সম্পূৰ্ণ বিপৰীতমুখী শত্ৰুতাপন্ন শ্ৰেণীৰ বুৰ্জোৱা আৰু সৰ্বহাৰাই প্ৰত্যক্ষভাৱে মুখা-মুখী হয়। গতিকে বিপৰীতমুখী দুই শ্ৰেণীৰ প্ৰত্যক্ষ আৰু তীব্ৰ বিৰোধিতাই তেওঁলোকৰ মতে পুঁজিবাদৰ শেষ পৰ্যায়ত বিপ্লৱৰ ৰূপ ল'ব আৰু ইয়াৰ পিছত অৰ্থাৎ বিপ্লৱৰ পিছত সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা হ'ব যি এক অন্তবৰ্তী কালীন ব্যৱস্থা আৰু সিয়ে এখন সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ পথ মুকলি কৰিব। অৰ্থাৎ, মাৰ্ক্সৰ মতে শ্ৰেণী সংঘৰ্ষৰ চূড়ান্ত ৰূপ হ'ল বিপ্লৱ। মাৰ্ক্স আৰু এঙ্গেঁলছে সৰ্বহাৰাৰ বৈপ্লৱিক ক্ষমতাৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছিল আৰু মত প্ৰকাশ কৰিছিল যে কেৱল সৰ্বহাৰা শ্ৰেণীৰেই সেই বিশেষ বৈপ্লৱিক ক্ষমতা আছে যি ক্ষমতাই বিপ্লৱৰ জৰিয়তে এখন সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰাত সহায় কৰিব। এই সমাজত প্ৰত্যেকেই কৰ্ম কৰিব আৰু নিজৰ প্ৰয়োজনীয় অভাৱ পূৰণ কৰিব। ইয়াত সকলো সম্পদৰ সামাজিক মালিকীস্বত্ব থাকিব। সমাজবাদী সমাজ হ'ব এক শ্ৰেণীহীন আৰু শোষণহীন সমাজ। মাৰ্ক্সৰ মতে, এই বিপ্লৱেই হ'ল মানৱ জাতিৰ সৰলীকৰণৰ শেষ পৰ্যায়, কিয়নো ইয়াত জয়লাভ কৰা সৰ্বহাৰা শ্ৰেণীটোৰ পিছত আৰু কোনো শোষিত শ্ৰেণী নাথাকে। সৰ্বহাৰাসকলেই হ'ল সবাতোকৈ শোষিত আৰু দুৰ্বল শ্ৰেণী। গতিকে এই শ্ৰেণীটোৱে যেতিয়া ক্ষমতাত অধিষ্ঠিত হ'ব তেতিয়া আৰু কোনো শোষিত শ্ৰেণী সমাজত নাথাকেই।

মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাও তেওঁৰ আন ধাৰণাসমূহৰ দৰে তীব্ৰ সমালোচিত। এই ধাৰণা মূলতঃ সমালোচিত সমাজত মাত্ৰ দুটা শ্ৰেণীৰ উপস্থিতিক স্বীকাৰ কৰাৰ বাবে আৰু এই দুটা শ্ৰেণীৰ মাজৰ অবিৰত সংঘাতৰ প্ৰতিচ্ছবি অংকন কৰাৰ বাবে। আকৌ, বিপ্লৱৰ পিছত যে সৰ্বহাৰাৰ হাতলৈয়ে ক্ষমতা যাব তাৰো কোনো নিশ্চয়তা নাই। সেয়েহে অধ্যাপক লাস্কিৰ দৰে চিন্তাবিদেও মত প্ৰকাশ কৰিছিল যে মাৰ্ক্সে ভৱাৰ দৰে পুজিবাদৰ অৱসান মানে সমাজবাদ প্ৰতিষ্ঠা নহ'বও পাৰে, ই নৈৰাজ্য বা একনায়কত্ববাদলৈও ৰূপান্তৰ হ'ব পাৰে। আকৌ, মাৰ্ক্সৰ এই ধাৰণাৰ আন এটা গুৰুত্বপূৰ্ণ দুৰ্বলতা হ'ল যে ই শ্ৰেণীৰ সংগ্ৰাম, শ্ৰেণী সংঘাত আদিৰ বৰ্ণনা কৰে, কিন্তু শ্ৰেণী কি সেয়া ব্যাখ্যা সঠিককৈ নকৰে।

**উদ্বৃত্ত মূল্য (Surplus Value) ঃ**

মাৰ্ক্সবাদৰ অৰ্থনৈতিক দিশটো প্ৰতিফলিত কৰা ধাৰণাটো হ'ল উদ্বৃত্ত মূল্যৰ ধাৰণা। মাৰ্ক্সবাদীসকলৰ মতে পুজিবাজী ব্যৱস্থাত শ্ৰমিক শ্ৰেণীৰ শোষণ হয়। উদ্বৃত্ত মূল্যৰ ধাৰণাই পুজিবাদী সমাজত এই শোষণ কেনেকৈ হয় সেয়া বৰ্ণনা কৰে। মাৰ্ক্সৰ মতে, একমাত্ৰ শ্ৰমেই হ'ল মূল্য উৎপাদনৰ আহিলা। উৎপাদনৰ চাৰিটা উপাদানৰ ভিতৰত কেৱল শ্ৰম বা শ্ৰমিকেহে মূল্য উৎপাদন কৰিব পাৰে। বাকী তিনিটা উপাদান যেনেঃ ভূমি, মূলধন আৰু সংগঠনে মূল্য উৎপাদন কৰিব নোৱাৰে, এইবোৰে মাত্ৰ সামগ্ৰীৰ পুনৰ উৎপাদনহে কৰে।

গতিকে, মাৰ্ক্সৰ মতে, শ্ৰমিকেহে যিহেতু মূল্য উৎপাদন কৰে সেয়েহে তেওঁলোকে ইয়াৰ ভাগ ল'ব লাগে। কিন্তু পুজিবাদী ব্যৱস্থাত ইয়াৰ বিপৰীতহে হোৱা দেখা যায়। মাৰ্ক্সৰ মতে, কোনো এটা সামগ্ৰীৰ উৎপাদনৰ লগত জড়িত মূল্য নিৰ্দ্ধাৰণ কৰোতে

ইয়াৰ সামগ্ৰিক মূল্য নিৰ্দ্ধাৰণ কৰিব লাগে, অৰ্থাৎ উৎপাদনৰ বিভিন্ন পৰ্যায়ত হোৱা মূল্যক যেনেঃ কেচামালৰ উৎপাদনৰ পৰা আৰম্ভ কৰি ইয়াৰ প্ৰক্ৰিয়াগত দিশলৈ নিৰ্দ্ধাৰণ কৰিব লাগে, য'ত শ্ৰমিকৰ শ্ৰমৰ মূল্যহে জড়িত হৈ থাকে। উদ্বৃত্ত মূল্যৰ কথা ক'বলৈ গৈ মাৰ্ক্সে কোনো এটা সামগ্ৰীৰ মূল্য (Value) আৰু দাম (Price)ৰ পাৰ্থক্যৰ কথা কৈছিল। তেওঁৰ মতে, দাম হ'ল কোনো এটা সামগ্ৰীৰ টকা-পইচাগত প্ৰকাশ (monetary expression)। যদি কোনো এটা বস্তুৰ দাম ইয়াৰ মূল্যৰ স'তে একে হয় তেনেহ'লে সেয়া হ'ল বস্তুটোৰ প্ৰকৃত দাম (natural price)। কিন্তু প্ৰতিটো সামগ্ৰীৰ প্ৰকৃত মূল্যৰ সলনি এক বজাৰ দাম থাকে যি দাম চাহিদা আৰু যোগানৰ নীতি অনুসৰি নিৰ্দ্ধাৰিত হয়। গতিকে কোনো এটা সামগ্ৰীৰ বজাৰ দাম হ'ল সামগ্ৰীৰ প্ৰকৃত দামতকৈ অধিক বা কেতিয়াবা তাতকৈ কম। মাৰ্ক্সৰ মতে, মুক্ত বজাৰ অৰ্থনীতিত অৰ্থাৎ পুজিবাদী ব্যৱস্থাত শ্ৰমিকসকলক প্ৰচলিত বজাৰ দামত নিজৰ শ্ৰম বিক্ৰী কৰিবলৈ বাধ্য কৰোৱা হয়, যি মূল্য সাধাৰণতে তেওঁৰ শ্ৰমৰ মূল্যতকৈ কম। এনে অৰ্থনীতিত শ্ৰমৰ বজাৰ মূল্য ইয়াৰ প্ৰকৃত হ'বলগীয়া মূল্যৰ দ্বাৰা নিৰ্দ্ধাৰিত নহয়, এয়া নিৰ্দ্ধাৰিত হয় শ্ৰমিকৰ নিজৰ আৰু পৰিয়ালৰ নূন্যতম প্ৰয়োজন পূৰণ কৰাত যাতে শ্ৰমিকজনৰ পিছত তেওঁৰ সন্তানো শ্ৰমিক হয় আৰু পিতৃৰ পিছত পুজিবাদী ব্যৱস্থাৰ প্ৰচলনত সহায়ক হয়। অৰ্থাৎ, পুজিবাদী ব্যৱস্থাত শ্ৰমিকৰ শ্ৰমৰ বজাৰ মূল্য এনেদৰে নিৰ্দ্ধাৰণ কৰা হয় যাতে তেওঁৰ শ্ৰমিকৰ জীৱন আৰু প্ৰয়োজন পূৰণ হয়। ইয়াত শ্ৰমিকৰ শ্ৰমৰ প্ৰকৃত মূল্যক প্ৰদান কৰা নহয়। যদি এজন শ্ৰমিকে সপ্তাহত ৩০ ঘণ্টা শ্ৰম কৰিলেই তেওঁৰ নিজৰ আৰু পৰিয়ালৰ প্ৰয়োজন পূৰণ কৰিব পাৰে আৰু যদি তেওঁ ৩০ ঘণ্টাই কাম কৰে তেনেহ'লে তাত কোনো উদ্বৃত্ত মূল্য উৎপাদন নহয়। কিন্তু পুজিবাদী অৰ্থনীতিত শ্ৰমিকমজনক তেওঁৰ সৰ্বোচ্চ শ্ৰম দিবলৈ বাধ্য কৰোৱা হয় আৰু তাৰ বিপৰীতে তেওঁক মাত্ৰ এক নূন্যতম মূল্যহে প্ৰদান কৰা হয়। আকৌ শ্ৰমিকৰ সংখ্যাৰ বৃদ্ধিয়েও শ্ৰমিকৰ শ্ৰমৰ বজাৰ মূল্য নিম্নগামী কৰে। গতিকে, শ্ৰমিকৰ শ্ৰমৰ প্ৰকৃত মূল্য আৰু বজাৰ মূল্যৰ পাৰ্থক্যই হ'ল উদ্ধৃত্ত মূল্য। মাৰ্ক্সৰ মতে, শ্ৰমৰ মূল্যক দুটা ভাগত ভগাব পাৰি— শ্ৰমিকক শ্ৰমৰ পাৰিশ্ৰমিক হিচাপে দিয়া মূল্য আৰু উদ্বৃত্ত মূল্য যি শ্ৰমিকৰ দ্বাৰাই উৎপাদিত কিন্তু শ্ৰমিকক প্ৰদান কৰা নহয়, পুজিপতিসকলৰ বাবেহে সংৰক্ষিত। এই মূল্য পুজিপতিসকলৰ বাবে হৈ উঠে লাভ (Profit)। মাৰ্ক্সৰ মতে, এই উদ্বৃত্ত মূল্য বা লাভৰ দ্বাৰাই উৎপাদনৰ প্ৰয়োজনীয়তা যেনে ভাৰা, কেচা সামগ্ৰী আদি পূৰণ কৰা হয়। আৰু যদিহে ভূমি, আন্তঃগাঠনি, মূলধন আদি মালিকৰে বা পুজিপতিৰে হয় তেনেহ'লে সমগ্ৰ উদ্বৃত্ত মূল্যৰ গৰাকী তেওঁ নিজেই হয়। অৱশ্যে, মাৰ্ক্সৰ মতে, উদ্বৃত্ত মূল্যৰ পুজিপতিসকলৰ দ্বাৰা হস্তগতকৰণৰ কিছুমান সুদূৰ প্ৰসাৰী ফল আছে। আৰু এই ফলবোৰতেই পুজিবাদ ধ্বংসৰ বীজ লুকাই থাকে। পুজিবাদী ব্যৱস্থাৰ অহৰহ প্ৰতিযোগিতাই ক্ষুদ্ৰ পুজিপতিসকলক প্ৰতিযোগিতাৰ পৰা বাহিৰ কৰে আৰু ক্ৰমান্বয়ে পুজিপতিৰ সংখ্যা হ্ৰাস হয় আৰু শ্ৰমিকৰ সংখ্যা বৃদ্ধি হয়। আকৌ উদ্যোগৰ কেন্দ্ৰীকৰণৰ ফলতো একে অঞ্চলত বহু শ্ৰমিক একত্ৰিত হয় আৰু তেওঁলোকৰ মাজত সহযোগিতা আৰু সচেতনতা বৃদ্ধি হয়। আনফালে উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে বজাৰৰ সন্ধানে যাতায়াত তথা যোগাযোগ ব্যৱস্থাৰ উন্নতি কৰে আৰু ইয়াৰ ফলত শ্ৰমিকৰ যোগাযোগ সহজ আৰু সম্ভৱ হৈ উঠে। আকৌ পুজিবাদী ব্যৱস্থাৰ শ্ৰমিকৰপৰা উদ্বৃত্ত মূল্য আহৰণৰ বাবে শ্ৰমিকক যি অধিক শ্ৰম কৰিবলৈ বাধ্য কৰোৱা হয় তাৰ ফলত অধিক সামগ্ৰী উৎপাদিত হয় যদিও ইয়াৰ বাবে শ্ৰমৰ অভাৱ হয় কাৰণ ক্ৰেতাৰ অধিকসংখ্যকেই শ্ৰমিক শ্ৰেণীৰ আৰু তেওঁলোকৰ নিম্ন মজুৰীৰ বাবে ক্ৰয় ক্ষমতা নাথাকে। ফলত উৎপাদিত সামগ্ৰীৰ বিক্ৰী কম হয় আৰু এইবোৰ পঞ্জীভূত হয়। ফলত পুজিবাদী অৰ্থনীতিও সংকটৰ সন্মুখীন হয়। ওপৰত উল্লেখ কৰা ধৰণে বজাৰৰ সম্প্ৰসাৰণত শ্ৰমিকৰ সংঘবদ্ধ প্ৰতিৰোধ বা বিপ্লৱে প্ৰতিবাদৰ অৱসান ঘটাই এক সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰে বা কৰিব য'ত উৎপাদনৰ আহিলাৰ মালিকীস্বত্ব সামাজিক হ'ব। ইয়াত উদ্বৃত্ত মূল্যৰ কোনো স্থান নাথাকে আৰু শ্ৰমিকক তেওঁৰ শ্ৰমৰ প্ৰকৃত মূল্য প্ৰদান কৰা হ'ব।

মাৰ্ক্সৰ আন ধাৰণাসমূহৰ দৰে উদ্বৃত্ত মূল্যৰ ধাৰণাও যথেষ্ট সমালোচিত। কেৱল শ্ৰমিকেহে শ্ৰমৰ দ্বাৰা মূল্য উৎপাদন কৰে ধাৰণাৰ সমালোচনা অধিক তীব্ৰ, কিয়নো ইয়াৰ দ্বাৰা উৎপাদন আন আন উপাদান যেনে ঃ ভূমি, মূলধন, সংগঠন আদিৰ গুৰুত্বক সম্পূৰ্ণৰূপে নস্যাৎ কৰা হৈছে। কিন্তু কোনো এটা সামগ্ৰীৰ উৎপাদনত এইবোৰে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আকৌ, সমালোচসকলৰ মতে, ইয়াৰ দ্বাৰা পুজিপতিসকলৰ সংগঠনৰ পৰিচালনাৰ লগত জড়িত কামকো অৱহেলা কৰা হৈছে। কোনো এটা সংগঠন বা উদ্যোগৰ পৰিচালনাৰ ক্ষেত্ৰত পুজিপতিসকলেও যথেষ্ট শ্ৰম কৰিব লগা হয়। কিন্তু এই শ্ৰমৰ কোনো মূল্য থকা বুলি মাৰ্ক্সে স্বীকাৰ নকৰে। ইমানৰ পিছতো এই কথা কিন্তু সত্য যে পুজিবাদী অৰ্থনীতিৰ শোষণৰ এক স্পষ্ট প্ৰতিচ্ছবি দাঙি ধৰাত মাৰ্ক্স যথেষ্ট সফল। তেওঁৰ এই ধাৰণা শ্ৰমিকৰ মৰ্যাদা বা শ্ৰম মূল্য দাবীৰ এক অন্যতম সফল আহিলাৰূপে পৰিগণিত হৈছে।

**নব্য মাৰ্ক্সবাদ (Neo Marxism) ঃ**

নব্য মাৰ্ক্সবাদ হ'ল মাৰ্ক্সৰ ডেকা কালৰ কিছু মানৱীয় চিন্তা আৰু সাম্প্ৰতিক কিছুমান চিন্তাবিদৰ দ্বাৰা সমাজৰ আন আন দিশৰ ওপৰত আলোকপাত কৰা এক ধাৰণা যি ধাৰণাই কেৱল অৰ্থনৈতিক উপাদনকে বিশেষণৰ মূল আহিলা হিচাপে গণ্য নকৰে আৰু আন মানৱীয় দিশৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। হাঙ্গেঁৰীৰ মাৰ্ক্সবাদী George Lukacs (1885-1971) আছিল প্ৰথমগৰাকী ব্যক্তি যিয়ে মাৰ্ক্সবাদক এক মানৱতাবাদী দৰ্শন হিচাপে প্ৰতিষ্ঠা কৰাত গুৰুত্ব দিছিল। আকৌ আধিপত্যৰ (Hegemoney) ধাৰণাৰ প্ৰৱক্তা Antonio Garmsci এ এক নতুন শ্ৰেণীব্যৱস্থাৰ ব্যাখ্যা আগবঢ়াইছিল, য'ত শ্ৰেণী ব্যৱস্থা কেৱল অৰ্থনৈতিক আৰু ৰাজনৈতিক অসমতাৰ দ্বাৰা নিৰ্দ্ধাৰিত নহয়, বৰঞ্চ বুৰ্জোৱা শ্ৰেণীৰ আধিপত্য প্ৰতিষ্ঠা হয় নাগৰিক সমতাৰ বিভিন্ন উপাদান যেনে ঃ শ্ৰমিক সংঘ, ধৰ্মীয় অনুষ্ঠান, প্ৰচাৰ মাধ্যম আদিৰ দ্বাৰা কৌশলপূৰ্ণভাৱে বুৰ্জোৱা মূল্যবোধ, বিশ্বাস আৰু সংস্কৃতিৰ প্ৰতিষ্ঠাৰ দ্বাৰা। অৰ্থাৎ নব্য মাৰ্ক্সবাদীসকলে শোষণৰ নতুন আহিলা বা কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মাৰ্ক্সবাদী চিন্তাৰ এই নতুন ঢৌক সংগঠিত ৰূপ দিয়াত সহায় কৰিছিল Frankfurt School এ। এই অনুষ্ঠানৰ লগত জড়িত ব্যক্তিসকলে পুজিবাদী ব্যৱস্থাৰ তীব্ৰ বিৰোধিতা কৰিছিল যদিও ছোভিয়েট ব্যৱস্থাৰ প্ৰতিও আগ্ৰহী নাছিল। সেয়েহে মাৰ্ক্সবাদৰ মূল উদ্দেশ্যক আগত ৰাখি তেওঁলোকে সামাজিক প্ৰগতিৰ এক বিকল্প পথৰ সন্ধান কৰিছিল। Frankfurt School ৰ অন্তৰ্গত চিন্তাবিদসকলৰ ধাৰণাক একেলগে সমালোচনা তত্ত্ব বা Critical theory আখ্যা দিয়া হয়, যিয়ে মাৰ্ক্সবাদ সম্পৰ্কে কিছুমান নতুন বিশ্লেষণ আগবঢ়াইছিল।

শেষত ক'ব পাৰি যে নব্য মাৰ্ক্সবাদ মূলতঃ দুটা দিশৰপৰা বিশ্লেষিত— মানৱিক আৰু বৈজ্ঞানিক (Humanist and Scientific)। মানৱীয় বা মানৱিক দিশৰ মূল বিষয়বোৰ হ'ল বিচ্ছিন্নতা (Alienation) আৰু ইয়াৰ লগত জড়িত সমস্যা আৰু মানৱীয় দিশৰ সৰলীকৰণ। আকৌ বৈজ্ঞানিক দিশৰ মূল বিষয় হ'ল গাঠনিগত দিশ তথা সামাজিক, সাংস্কৃতিক আৰু আদৰ্শগত দিশৰ ওপৰত গুৰুত্ব প্ৰদান।

## নাৰীবাদী দৃষ্টিভংগী
## (Feminist Perspetive)

ৰাজনৈতিক তত্ত্বৰ নাৰীবাদী দৃষ্টিভংগী নাৰীবাদী আদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত। নাৰীবাদ হ'ল এক ধাৰণা তথা আন্দোলন যি সমাজত নাৰীৰ স্থান, নাৰীৰ বঞ্চনা আৰু বৈষম্য তথা অত্যাচাৰ আদিৰ পৰ্যালোচনা কৰে, বিৰোধিতা কৰে আৰু সমাজত নাৰীক সম-মৰ্যাদা, স্থান, সম্পত্তি তথা অধিকাৰৰ গৰাকী কৰিব বিচাৰে আৰু সমাজত নিজৰ প্ৰাপ্য প্ৰদান কৰিব বিচাৰে। নাৰীবাদী ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক ক্ষেত্ৰখনক পুনৰ নিৰ্দ্ধাৰণ কৰিব বিচাৰে আৰু নাৰী আৰু পুৰুষৰ সম্পৰ্কক ৰাজনীতিৰ অন্তৰ্গত কৰিব বিচাৰে। পূৰ্বতে ৰাজহুৱা জীৱনৰ লগত জড়িত সম্পৰ্ক আৰু অনুষ্ঠানৰ কাম-কাজবোৰ ৰাজনীতিৰ অন্তৰ্গত হিচাপে বিবেচনা কৰা হৈছিল। নাৰীবাদে এই ধাৰণাক প্ৰত্যাহ্বান জনাইছিল আৰু ৰাজনৈতিক ক্ষেত্ৰৰ পুনৰ নিৰ্দ্ধাৰণ দাবী উত্থাপন কৰিছিল। নাৰীবাদীসকলে মত প্ৰকাশ কৰে যে ৰাজহুৱা (Public) আৰু ব্যক্তিগত (Private) ক্ষেত্ৰৰ পৃথকতাই ৰাজনৈতিক তত্ত্বক এক অসম্পূৰ্ণ দিশত পৰিণত কৰিব পাৰে, যিটো চিহ্নিত কৰি নাইকীয়া কৰাটো অতি প্ৰয়োজনীয়।

নাৰীবাদ তুলনামূলকভাৱে এক নতুন ধাৰণা যদিও ইয়াৰ সূচনা বহু আগতেই হৈছিল বুলি ক'ব পাৰি। বিশেষকৈ গ্ৰীচ আৰু চীন দেশত ইয়াৰ আৰম্ভণি ঘটিছিল। ইটালীত ১৪০৫ চনত প্ৰকাশিত Christine de pizan ৰ গ্ৰন্থ 'Book of the City of Ladies'ক নাৰীবাদৰ উত্থানত অৰিহণা যোগোৱা প্ৰথম লিখনিসমূহৰ ভিতৰত অন্যতম আখ্যা দিব পাৰি। এই গ্ৰন্থখনত (য'ত বিভিন্ন বিখ্যাত নাৰীৰ কৰ্ম আৰু অৱদানৰ উল্লেখ আছিল) আধুনিক নাৰীবাদৰ বহুতো গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰা হৈছিল আৰু বিভিন্ন অধিকাৰৰ দাবী উত্থাপন কৰা হৈছিল। ইয়াৰ পিছত ঊনৈশ শতিকাৰ মধ্যভাগতহে সংগঠিত আৰু শৃংখলাবদ্ধভাৱে নাৰীৰ অধিকাৰৰ দাবীৰ উত্থাপনেৰে নাৰীবাদী আন্দোলনৰ বিকাশ ঘটিছিল আৰু নাৰীবাদী ধাৰণাৰ প্ৰকাশ ঘটিছিল। এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল Marry Wollstonecraft ৰ গ্ৰন্থ 'A Vindication of Rights of Women' (1792) শীৰ্ষক গ্ৰন্থখন। এই গ্ৰন্থখনত Wollstoncraft এ নাৰীৰ সম শিক্ষাৰ অধিকাৰৰ দাবী উত্থাপন কৰিছিল। তেওঁৰ পিছত J.S. Mill এ নাৰীৰ ৰাজনৈতিক অধিকাৰৰ দাবী উত্থাপন কৰি নাৰীবাদী আন্দোলনক নতুন মাত্ৰা প্ৰদান কৰিছিল। ১৮৪৮ চনত আমেৰিকাত হোৱা Seneca Falls Convention এ নাৰীবাদৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। নাৰী অধিকাৰ সম্পৰ্কীয় এইখনেই প্ৰথম সন্মিলন

আছিল। নাৰীৰ বিভিন্ন অধিকাৰৰ দাবীৰ বিষয়ে এই সন্মিলনত বিশদভাৱে আলোচনা কৰা হৈছিল। সময়ৰ লগে লগে নাৰীবাদী আদৰ্শৰ দাবী আৰু প্ৰকৃতি সলনি হৈ আহিছে যদিও ইয়াৰ মূল বিষয় একেই আছে। উদাৰতাবাদী নাৰীবাদেৰে নাৰীবাদৰ প্ৰথম পৰ্যায় আৰম্ভ হৈছিল আৰু সমাজবাদী নাৰীবাদে ইয়াৰ প্ৰথম পৰ্যায়ক এক নতুন দিশ প্ৰদান কৰিছিল। দ্বিতীয় পৰ্যায়ত চৰম নাৰীবাদৰ উত্থানে নাৰীবাদক এক বৈপ্লৱিক ৰূপ প্ৰদান কৰিছিল। তৃতীয় পৰ্যায়ত নাৰীবাদী আন্দোলন তথা আদৰ্শত বিভিন্নতাৰ দাবী উত্থাপন হৈছিল আৰু ইয়াৰ ফলস্বৰূপে আহিছিল নাৰীবাদৰ কিছুমান নতুন ভাগ যেনে ঃ উত্তৰ আধুনিক নাৰীবাদ, কৃষ্ণাঙ্গ নাৰীবাদ, লেজবিয়ান নাৰীবাদ ইত্যাদি।

**নাৰীবাদৰ মূল বিষয়সমূহ (Core thems of Feminism) ঃ**

১৯৬০ চন মানলৈ নাৰীবাদক এক পৃথক আদৰ্শ হিচাপে গণ কৰাৰ ক্ষেত্ৰত যথেষ্ট প্ৰশ্নৰ উদ্ভৱ হৈছিল। বৰঞ্চ তেতিয়া ইয়াক উদাৰতাবাদ আৰু সমাজবাদৰে এক অংশ হিচাপে গণ্য কৰিব খোজা হৈছিল। উদাৰতাবাদ আৰু সমাজবাদৰ যি অংশ বা ধাৰণাই লিঙ্গগত সমতা আৰু স্বাধীনতাক সমৰ্থন কৰিছিল তাৰ প্ৰতিৰূপ হিচাপেহে নাৰীবাদক অধ্যয়ন কৰাৰ প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু চৰম নাৰীবাদৰ উত্থানে পৰিস্থিতি সলনি কৰিছিল। লিঙ্গ বৈষম্যৰ প্ৰকৃত আৰু বাস্তৱ ছবিখন দাঙি ধৰি চৰম নাৰীবাদসকলে মত পোষণ কৰিছিল যে প্ৰচলিত আদৰ্শ তথা ধাৰণাবোৰ নাৰীৰ সামাজিক ভূমিকাৰ মূল্যায়ণত সম্পূৰ্ণৰূপে অসফল। বৰঞ্চ এইবোৰে বহুসময়ত পুৰুষতান্ত্ৰিকতা আৰু ইয়াৰ লগত জড়িত মূল্যবোধক সহায়হে কৰে। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে নাৰীবাদী আদৰ্শৰ ভিতৰত কাৰো পাৰ্থক্য নাই। পাৰ্থক্য আছে বাবেই নাৰীবাদ উদাৰ নাৰীবাদ, সমাজবাদী নাৰীবাদ, চৰম নাৰীবাদ আদি দিশত বিভক্ত। কিন্তু ইয়াৰ পিছতো নাৰীবাদৰ প্ৰত্যেক ধাৰাতেই কিছু ধাৰণা আছে, যিবোৰ ধাৰণাৰ উপস্থিতিক লৈ নাৰীবাদীসকলৰ মাজত কোনো পাৰ্থক্য নাই। সেইবোৰ হ'ল—

**1. পুৰুষতান্ত্ৰিকতা (Patriarchy) ঃ**

পুৰুষ আৰু নাৰীৰ মাজৰ ক্ষমতা সম্পৰ্কীয় দিশক আলোচনা কৰিবলৈ নাৰীবাদীসকলে পুৰুষতন্ত্ৰৰ ধাৰণাটো ব্যৱহাৰ কৰে। পুৰুষতান্ত্ৰিকতা হ'ল এক ৰাজনৈতিক আৰু সামাজিক গাঠনি, যাৰ জৰিয়তে পুৰুষৰদ্বাৰা মহিলাৰ নিয়ন্ত্ৰণ আৰু অৱদমনক যুক্তিযুক্ততা প্ৰদান কৰা হয়। পুৰুষতন্ত্ৰৰ অৰ্থই হ'ল 'rule by father' অৰ্থাৎ পিতৃ/পুৰুষৰ দ্বাৰা শাসন। অৱশ্যে ইয়াক লৈও কিছু বিতৰ্ক নোহোৱা নহয়। কিছুমান নাৰীবাদী চিন্তাবিদৰ মতে পৰিয়ালত পিতৃ আৰু স্বামীৰ শাসন আৰু নিয়ন্ত্ৰণেই বৃহত্তৰ সমাজত পুৰুষৰ দ্বাৰা নাৰীৰ ওপৰত শাসন আৰু অৱদমনৰ প্ৰক্ৰিয়া তৰান্বিত কৰে। কিন্তু বেছিসংখ্যক নাৰীবাদী চিন্তাবিদেই বিশ্বাস কৰে যে পৰিয়ালৰ দৰে সমাজৰ প্ৰাথমিক গোটত পুৰুষৰ আধিপত্যই সমাজৰ আন সকলো অনুষ্ঠানতেই পুৰুষৰ আধিপত্যক সূচায় বা প্ৰতিনিধিত্ব কৰে। যি পাৰ্থক্যই নাথকক পুৰুষতন্ত্ৰই মূলত পুৰুষৰ দ্বাৰা নাৰীৰ শাসনক বুজায়। সেয়া ঘৰৰ ভিতৰতেই হওক বা বাহিৰতেই হওক। পুৰুষতন্ত্ৰই এক অধিক্ৰমিক গাঠনিত বিশ্বাস কৰে, য'ত শাৰীৰিক পাৰ্থক্যৰ ভিত্তিত ব্যক্তিক সামাজিক স্থান, মৰ্যাদা আৰু কাৰ্য তথা ক্ষমতা প্ৰদান কৰা হয়। Sylvia Wallby এ তেওঁৰ গ্ৰন্থ 'Theorising Patriarchy' ত কৈছিল, "পুৰুষতান্ত্ৰিকতা হ'ল সামাজিক গাঠনিৰ এক অন্যতম ব্যৱস্থা আৰু ইয়াৰ অনুশীলন, যাৰ দ্বাৰা পুৰুষে নাৰীক শোষণ আৰু দমন কৰে।" (patriarchy is a system of social structures and practices in which men dominate, oppress and exploit women)

পুৰুষতন্ত্ৰৰ উৎপত্তি সম্পৰ্কত পৰম্পৰাগত ধাৰণাই মত প্ৰকাশ কৰে যে পুৰুষতান্ত্ৰিকতা হ'ল পুৰুষ আৰু নাৰীৰ শাৰীৰিক পাৰ্থক্যগত কাৰণত নিৰ্দ্ধাৰিত হোৱা এক ব্যৱস্থা। শাৰীৰিক দিশত অধিক শক্তিশালী হিচাপে পুৰুষক গণ্য কৰা এই ধাৰণাই সেয়েহে মত পোষণ কৰে যে পুৰুষৰ কাৰ্য হ'ল ঘৰৰ বাহিৰৰ দিশত মনোনিৱেশ কৰা আৰু নাৰীৰ কাম হ'ল সন্তান জন্ম দিয়া, সন্তান লালন-পালন কৰা আৰু ঘৰুৱা কাম-কাজ সম্পাদন কৰা। অৰ্থাৎ, এওঁলোকৰ মতে শাৰীৰিক ক্ষমতাৰ দ্বাৰাহে ব্যক্তিৰ মানসিক ক্ষমতা আৰু সামাজিক ভূমিকা নিৰ্দ্ধাৰিত হয়। আকৌ মাৰ্ক্সবাদী এঙ্গেলছে তেওঁৰ বিখ্যাত গ্ৰন্থ "Origin of family, private property and state" (1884) ত পুৰুষতান্ত্ৰিকতাৰ উৎপত্তি সম্পৰ্কত নিজৰ মতামত দাঙি ধৰিছিল। তেওঁৰ মতে ব্যক্তিগত সম্পত্তিৰ ধাৰণাৰ উৎপত্তিয়েই হ'ল পুৰুষতান্ত্ৰিকতাৰ উত্থানৰ প্ৰধান কাৰণ। অৰ্থাৎ উৎপাদনৰ আহিলাৰ বা গৰাকীৰ দ্বাৰা সম্পদহীন দুৰ্বল ব্যক্তিৰ অন্যতম মহিলাৰ শোষণ সম্পত্তিৰ উৎপত্তিৰ লগত আৰু পুজিবাদী ব্যৱস্থাৰ লগত জড়িত। উৎপাদনৰ আহিলাৰ গৰাকী সাধাৰণতে পুৰুষসকল হয় আৰু অৱধাৰিতভাৱে পুৰুষৰদ্বাৰা নাৰীৰ শোষণৰ পথ মুকলি হয়। গতিকে এওঁলোকৰ মতে ব্যক্তিগত সম্পত্তিৰ বিলুপ্তি সাধন আৰু পুজিবাদী ব্যৱস্থাৰ অৱসানেই হ'ল পুৰুষতন্ত্ৰৰ অৱসানৰো উপায়।

পুৰুষতান্ত্রিকতাৰ প্রকৃতি সম্পর্কত বিভিন্ন চিন্তাবিদে মত প্রকাশ কৰে যে ই সময় আৰু স্থান ভেদে পৃথক হয়। উদাহৰণস্বৰূপে উন্নত তথা আধুনিক সমাজ এখনত পুৰুষৰ নিয়ন্ত্রণ বা আধিপত্যৰ প্রকৃতি কেনেকুৱা হ'ব সেয়া এখন পৰম্পৰাগত আৰু অনুন্নত সমাজতকৈ বহু পৰিমাণে পৃথক। সেয়েহে উন্নত দেশত যি সময়ত মহিলাই ক্রমাগতভাবে ভোটদানৰ অধিকাৰ, বিবাহ-বিচ্ছেদৰ অধিকাৰ, সন্তান গৰ্ভপাত কৰাৰ অধিকাৰ বিচাৰিছে সেই একেই সময়তে অনুন্নত এচিয়া, আফ্রিকাৰ দেশসমূহৰ মহিলাই শিক্ষাৰ অধিকাৰ, স্বাস্থ্যৰ অধিকাৰ আৰু আনকি জীৱনৰ অধিকাৰৰ বাবেও দাবী উত্থাপন কৰিব লগা হৈছে। বহু সমাজত এতিয়াও মহিলাই মানৱীয় মৰ্যাদা লাভ কৰিবলৈ সক্ষম হোৱা নাই। অৱশ্যে, প্রকৃতি যেনেকুৱাই নহওক পুৰুষতন্ত্রৰ মূল উদ্দেশ্য সকলো ক্ষেত্ৰতেই একে, সেয়া হ'ল নাৰীৰ অৱদমন। আৰু ইয়াৰ মূল ভিত্তি হ'ল সেই ধাৰণা, যিয়ে বিশ্বাস কৰে যে প্রকৃতিগতভাৱেই পুৰুষ নাৰীতকৈ উচ্চ আৰু সেয়েহে নাৰীসকল অৱদমিত হৈ থকাটো এটা প্রাকৃতিক ঘটনা। প্রকৃততে পুৰুষতন্ত্ৰক প্রচলনত কিছুমান ব্যৱস্থা বা গাঠনিয়ে সহায় কৰে। পৰিয়াল, সামাজিক আৰু ধৰ্মীয় পৰম্পৰা তথা ৰীতি-নীতি, অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থা আদি হ'ল পুৰুষতন্ত্রৰ মূল স্তম্ভ। এইবোৰ তলত আলোচনা কৰা হ'ল—

**পুৰুষতান্ত্রিকতা প্রচলন বা প্রৱর্তনৰ কাৰক বা মাধ্যম (Causes of Patriarchy or Pillars of Patriarchy)ঃ**

পুৰুষতান্ত্রিকতা এটা ব্যৱস্থা, যিটোৰ প্রচলনৰ বাবে কিছুমান আহিলা বা মাধ্যমৰ প্রয়োজন। অৰ্থাৎ, সমাজত প্রচলিত কিছুমান আহিঁ বা ব্যৱস্থাই পুৰুষতান্ত্রিকতাৰ মাধ্যম হিচাপে কাম কৰি নাৰীৰ অৱদমনক সম্ভৱপৰ কৰি তোলে। এইবোৰক পুৰুষতান্ত্রিকতাৰ মূল স্তম্ভ বুলি ক'ব পাৰি। তলত সেইবোৰ আলোচনা কৰা হ'ল—

(১) **পৰিয়াল (Family)** ঃ সমাজৰ প্রথম অৰ্থাৎ, প্রাথমিক গোট হ'ল পৰিয়াল। পৰিয়ালৰ পৰাই ব্যক্তি সমাজৰ ৰীতি-নীতিবোৰৰ বিষয়ে জ্ঞাত হয়। পৰিয়ালৰ কাৰ্য সম্পাদনৰ প্রথা, সিদ্ধান্ত গ্ৰহণৰ প্রকৃতি আদিয়ে ক্রমান্বয়ে শিশু এটাক এক অধিক্রমিক ব্যৱস্থাৰ লগত পৰিচিত কৰোৱায়। পৰিয়ালৰ মুৰব্বী সাধাৰণতে পুৰুষসকল হয় আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াতো এওঁলোকৰে আধিপত্য প্রতিষ্ঠা হয়। পৰিয়ালে পুৰুষতন্ত্রৰ এই ধাৰা এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ কঢ়িয়াই নিয়ে আৰু পুৰুষতান্ত্রিকতাৰ প্রচলনত অৰিহণা যোগায়।

(২) **সমাজ আৰু সামাজিক ব্যৱস্থা (Society and Social System)** ঃ পুৰুষতান্ত্রিকতা প্রচলনৰ আন এটা মাধ্যম হ'ল সমাজ তথা সামাজিক ব্যৱস্থা। পৰিয়ালৰ দৰে সমাজো বৈষম্যপূৰ্ণ আৰু অধিক্রমিক। এই ধৰণৰ সমাজতো পুৰুষক উচ্চতম স্থানত আৰু মহিলাসকলক এক অৱদমিত তথা নিম্ন স্থানত উপস্থাপন কৰা হয়। বিশেষকৈ সামাজিক ৰীতি-নীতি আৰু পৰম্পৰাসমূহে পুৰুষসকলৰ আধিপত্য প্রতিষ্ঠাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজিক ব্যৱস্থাৰ গাঁঠনি, ৰীতি-নীতিবোৰ সাধাৰণতে পুৰুষৰ দ্বাৰা পুৰুষৰ সুবিধাৰ্থে নিৰ্দ্ধাৰণ কৰা হয়। গতিকে বিভিন্ন সময়ত এইবোৰে পুৰুষতান্ত্রিকতাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰে।

(৩) **ধৰ্ম আৰু ধৰ্মীয় ৰীতি-নীতি (Religion and Religious rituals)** ঃ ধৰ্ম আৰু ধৰ্মীয় ৰীতি-নীতিও পুৰুষতান্ত্রিকতাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰে। বিভিন্ন সময়ত দেখা যায় যে ধৰ্মৰ অপব্যাখ্যা বা ব্যৱহাৰৰ দ্বাৰা কিছুমান ৰীতি-নীতি বা নিয়মৰ সৃষ্টি কৰা হয়, যিবোৰে সাধাৰণতে মহিলাসকলক এক অৱদমিত আৰু নিম্নস্থান প্রদান কৰে। ধৰ্মীয় তথা সামাজিক ৰীতি-নীতিৰ ফলতে এতিয়াও পৃথিৱীৰ বভিন্ন অঞ্চলত মহিলাসকলক বিভিন্ন অধিকাৰৰপৰা বঞ্চিত কৰা হয়।

(৪) **অৰ্থনৈতিক ব্যৱস্থা (Economic System)** ঃ সামাজিক ব্যৱস্থাৰ এটা অন্যতম গুৰুত্বপূৰ্ণ দিশ হ'ল অৰ্থনৈতিক ব্যৱস্থা। সম্পত্তিৰ ভাগ-বিতৰণ, অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আদিয়েও পুৰুষতান্ত্রিকতাৰ প্রচলনত যথেষ্ট পৰিমাণে সহায় কৰে। যি অৰ্থনীতিত বেছিভাগ কাৰ্য বা সিদ্ধান্ত পুৰুষৰ দ্বাৰা নিৰ্ধাৰিত হয়, য'ত মহিলাক সম্পত্তি আহৰণ আৰু সম্পত্তি বিতৰণত বৈষম্য কৰা হয়, তাত মহিলাৰ সৱলীকৰণ কেতিয়াও সম্ভৱ নহয়। এনে অৱস্থাই পুৰুষতান্ত্রিকতাৰ প্রচলনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(৫) **ৰাজনৈতিক ব্যৱস্থা (Political System)** ঃ অৰ্থনৈতিক ব্যৱস্থাৰ দৰে ৰাজনৈতিক ব্যৱস্থাও সমাজৰ এটা অন্যতম গুৰুত্বপূৰ্ণ দিশ, যিটোৱে পুৰুষতান্ত্রিকতাৰ প্রচলনত যথেষ্ট অৰিহণা যোগায়। ৰাজনৈতিক ব্যৱস্থাৰ দ্বাৰাই সমাজৰ গতি, প্রকৃতি নিৰ্দ্ধাৰিত হয়। এনে ক্ষেত্ৰত ৰাজনৈতিক ব্যৱস্থা যদি সম্পূৰ্ণৰূপে পুৰুষৰ আধিপত্যৰ দ্বাৰা পৰিচালিত হয় অৰ্থাৎ, ৰাজনৈতিক সংগঠন, কাম-কাজ সকলোতে যদি পুৰুষৰ নিয়ন্ত্রণ সাব্যস্ত হয় তেনেহ'লে মহিলাৰ মৰ্যাদাৰ উন্নীতকৰণ কেতিয়াও সম্ভৱ নহয়।

ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশত এই ধৰণৰ সমস্যাই দেখা যায়। স্বাধীনতাৰ ঠিক পিছতেই সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ প্ৰদান কৰা ভাৰতবৰ্ষত স্বাধীনতাৰ 65 বছৰ পাৰ হোৱাৰ পিছতো সংসদত মহিলা প্ৰতিনিধিৰ হাৰ 10% হোৱা নাই। প্ৰকৃততে সামাজিক পৰিকাঠামোইহে ৰাজনৈতিক, অৰ্থনৈতিক দিশবোৰ পৰিচালিত কৰে। যি দেশৰ সামাজিক পৰিকাঠামো পুৰুষৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত তাত ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় কোনো দিশতেই সমতা প্ৰতিষ্ঠা হ'ব নোৱাৰে।

এইদৰে দেখা যায় যে পৰিয়াল, সমাজকে ধৰি আন বিভিন্ন মাধ্যমেও পুৰুষতান্ত্ৰিকতাৰ প্ৰৱৰ্তনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ওপৰোক্ত মাধ্যমবোৰত পুনৰ গঠন আৰু সংশোধনেহে এক সমতাপূৰ্ণ সমাজ (Egalitarian Society) প্ৰতিষ্ঠা কৰিব পাৰিব।

**পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰু নিয়ন্ত্ৰিত দিশ (Aspects determined or controld by man in a Patriarchal society) ঃ**

আগতেই আলোচনা কৰা হৈছে যে পুৰুষতান্ত্ৰিক সমাজৰ সকলো দিশ পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰু নিয়ন্ত্ৰিত হয়। মূলতঃ যিবোৰ দিশ পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত হয় সেইবোৰ তলত আলোচনা কৰা হ'ল—

(১) **মহিলাৰ কাৰ্য ক্ষমতা (Women's productive or Labour Power) ঃ** ঘৰৰ বাহিৰ আৰু ভিতৰ এই দুয়োটা ক্ষেত্ৰতে মহিলাৰ উৎপাদন তথা কাৰ্য ক্ষমতা পুৰুষ প্ৰধান সমাজত পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। সাধাৰণতে এনেকুৱা সমাজত ব্যক্তিগত পৰ্যায়ত সকলো কাৰ্য অৰ্থাৎ ঘৰুৱা কাম-কাজবোৰ মহিলাৰ দ্বাৰা সম্পাদিত হয়, যিবোৰৰ দ্বাৰা ঘৰখনৰ পুৰুষসকল আৰু আন আন লোকসকল লাভান্বিত হয়। এইদৰে ঘৰুৱা ক্ষেত্ৰত পুৰুষৰদ্বাৰা মহিলাৰ কাৰ্য ক্ষমতা নিৰ্দ্ধাৰিত হয়। আকৌ, বিভিন্ন সময়ত এই সমাজত মহিলাই ঘৰৰ বাহিৰত গৈ কৰ্ম সম্পাদন কৰিব নে নকৰে আৰু কৰিলেও কেনেকুৱা কাৰ্য সম্পাদন কৰিব বা পাৰিশ্ৰমিক কিমান লাভ কৰিব এই সকলোবোৰ পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়।

(২) **মহিলাৰ সন্তান জন্ম দানৰ ক্ষমতা (Women's Reproductive Power) ঃ** পুৰুষপ্ৰধান সমাজত মহিলাৰ সন্তান জন্ম দানৰ ক্ষমতা সাধাৰণতে পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। সন্তানৰ সংখ্যা, গৰ্ভনিৰোধকৰ ব্যৱহাৰ আদি সকলো সিদ্ধান্ত এখন পুৰুষ প্ৰধান সমাজত পুৰুষসকলে গ্ৰহণ কৰে। মহিলাসকলক এই দিশত কোনো গুৰুত্ব আৰোপ কৰা নহয়। এইদৰে পুৰুষতান্ত্ৰিকতাই মাতৃত্ব, মাতৃত্ব সম্পৰ্কীয় চৰ্ত নিৰ্দ্ধাৰণ কৰে। মহিলাৰ মাতৃত্বৰ ভূমিকা হ'ল পুৰুষতান্ত্ৰিকতাৰ অন্যতম উপায়, যাৰ সহায়ত মহিলাৰ ওপৰত অৱদমন অতি সহজ হৈ পৰে।

(৩) **সম্পত্তি তথা অৰ্থনৈতিক দিশত (Property and Economic aspect) ঃ** অৰ্থনৈতিক দিশ হ'ল সমাজৰ এক অন্যতম গুৰুত্বপূৰ্ণ দিশ, যিটো পুৰুষৰদ্বাৰা নিৰ্দ্ধাৰিত হয়। সম্পত্তিৰ প্ৰৱাহৰ ধাৰা, অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ, কাৰ্য সম্পাদন আদি সকলো ক্ষেত্ৰতে পুৰুষৰ নিয়ন্ত্ৰণ সাব্যস্ত হয়। সাধাৰণতে দেখা যায় যে যিবিলাক কাৰ্যত মৰ্যাদা আৰু পাৰিশ্ৰমিক থাকে সেইবিলাক কাৰ্যচত পুৰুষক অগ্ৰাধিকাৰ দিয়া হয় বা পুৰুষৰ নিয়ন্ত্ৰণত ৰখা হয়। বিভিন্ন সময়ত আকৌ মহিলাৰ কাৰ্যক্ষেত্ৰত অংশগ্ৰহণৰ সিদ্ধান্তও পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়।

(৪) **মহিলাৰ চলন-ফুৰণ (Women's mobility) ঃ** পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ দ্বাৰা সঘনাই নিয়ন্ত্ৰিত আৰু নিৰ্দ্ধাৰিত হোৱা এটা দিশ হ'ল মহিলাৰ চলন-ফুৰণ। মহিলাসকল ক'ত কেতিয়া আৰু কেনেকৈ যাব বা ওলাব-সোমাব সেই সকলো কাৰ্য পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। আনকি বিভিন্ন সময়ত দেখা যায় যে সাংবিধানিক অধিকাৰ প্ৰদানৰ পিছতো মহিলাসকলক বিভিন্ন ক্ষেত্ৰত হকা-বাধা কৰা হয়। ইয়াৰ ফলত বিভিন্ন সময়ত মহিলাসকল নিজৰ প্ৰাপ্য আৰু প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হয়। মহিলাসকলক বিভিন্ন ক্ষেত্ৰত হকা-বাধা কৰা হয়। ইয়াৰ ফলত বিভিন্ন সময়ত মহিলাসকল নিজৰ প্ৰাপ্য আৰু প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হয়।

(৫) **মহিলাৰ ৰাজনৈতিক অংশগ্ৰহণ (Political Participation of Women) ঃ** ৰাজনৈতিক ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণে পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰণ হয়। আনকি, মহিলাৰ ৰাজনৈতিক অধিকাৰবোৰ যেনে ঃ ভোটদান, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আদি প্ৰদান কৰাৰ সিদ্ধান্তও পুৰুষসকলে গ্ৰহণ কৰে। আকৌ, বিভিন্ন সময়ত মহিলাই এই অধিকাৰবোৰ উপভোগ পুৰুষৰ দ্বাৰা নিৰ্দ্ধাৰিত ধৰণে কৰিব লগা হয়। উদাহৰণস্বৰূপে ভাৰতৰ দৰে দেশত বেছিভাগ সময়ত দেখা যায় যে মহিলাসকলে

শিক্ষাৰ অভাৱতে হওক বা সচেতনতাৰ অভাৱতেই হওক, ভোটাদানৰ সময়ত নিজৰ স্বামী তথা পৰিয়ালৰ আন মুৰব্বীৰ দ্বাৰা পৰিচালিত হয়।

**2. ৰাজনীতিৰ অৰ্থ পুনৰ নিৰ্দ্ধাৰণ (Redefining the Political) ঃ**

পৰম্পৰাগত তথা সাধাৰণ অৰ্থত ৰাজনীতিৰ বিষয় বুলিলে ৰাজহুৱা বিষয়বোৰকে বুজোৱা হয়। অৰ্থাৎ, চৰকাৰী অনুষ্ঠান, ৰাজনৈতিক দল, প্ৰভাৱগোষ্ঠী, ৰাজনৈতিক বিতৰ্ক আদি বা এইবোৰৰ লগত জড়িত কাম-কাজবোৰৰ সমষ্টিকেই ৰাজনীতি হিচাপে গণ্য কৰা হয়। পৰিয়াল, ইয়াৰ অন্তৰ্গত বিভিন্ন সম্পৰ্ক বা কাম-কাজবোৰক 'ব্যক্তিগত' পৰিসৰৰ অন্তৰ্গত কৰা হয় আৰু এইবোৰক সেয়েহে ৰাজনৈতিক হিচাপে গণ্য কৰা নহয়। আধুনিক নাৰীবাদীসকলে এই ধাৰণাৰ তথা পাৰ্থক্যৰ বিৰোধিতা কৰে আৰু মত পোষণ কৰে যে ৰাজনীতি কেৱল চৰকাৰী অনুষ্ঠান আৰু ৰাজনৈতিক দলৰ কাম-কাজৰ লগতেই জড়িত নহয়; ৰাজনীতি হ'ল এক কাৰ্য সি সকলো সামাজিক গোটৰ কাৰ্যৰ লগত জড়িত। য'তেই সামাজিক সংঘাত আছে বা থাকে তাতেই ৰাজনীতি থাকে বুলি মত পোষণ কৰা নাৰীবাদীসকলে সেয়েহে দাবী উত্থাপন কৰে যে পৰিয়ালৰ কাম-কাজ আৰু সম্পৰ্কৰ লগত জড়িত দিশবোৰো ৰাজনীতিৰ অন্তৰ্গত কৰিব লাগে। অৰ্থাৎ, "ৰাজনীতিৰ পৰিসৰ বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ প্ৰতি তেওঁলোকে দৃষ্টি আকৰ্ষণ কৰে। নাৰীবাদীসকল বিশেষকৈ দ্বিতীয় পৰ্যায়ৰ চৰম নাৰীবাদীসকলৰ মূল দাবীয়েই আছিল 'Personal is Political'। চৰম নাৰীবাদৰ অন্যতম সমৰ্থক Kate Millett এ ৰাজনীতিক "এক ক্ষমতা সম্পৰ্কীয় গাঠনি য'ত এটা গোটৰ ব্যক্তিক আন এটা গোটে নিয়ন্ত্ৰণ কৰে" বুলি মত প্ৰকাশ কৰিছিল (Power structured relationships arrangement whereby one group of persons is controlled by another.)। চৰকাৰ আৰু নাগৰিকৰ মাজৰ সম্পৰ্ক যদি স্পষ্ট অৰ্থত ৰাজনৈতিক, তেনেহ'লে মালিক আৰু কৰ্মচাৰী, পৰিয়ালৰ মাজৰ সম্পৰ্ক অৰ্থাৎ গিৰীয়েক-ঘৈণীয়েকৰ সম্পৰ্ক, পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰ মাজৰ সম্পৰ্কও ৰাজনৈতিক। কাৰণ ইয়াতো ক্ষমতা সম্পৰ্কীয় দিশ স্পষ্টভাৱে জড়িত হৈ থাকে। গতিকে নাৰীবাদী সকলৰ মতে ৰাজনীতিৰ অৰ্থ সম্পৰ্কীয় দিশ স্পষ্টভাৱে জড়িত হৈ থাকে। গতিকে নাৰীবাদী সকলৰ মতে ৰাজনীতিৰ অৰ্থ সম্পৰ্কীয় আলোচনা কেৱল বিদ্যায়তনিক এক বিষয় নহয়। ইয়াৰ পৰিসৰ তাতকৈ যথেষ্ট বহল। তেওঁলোকে মত পোষণ কৰে যে সমাজত শাৰীৰিক লিঙ্গগত পাৰ্থক্য (Sexual inequality) ক এই কাৰণেই মান্যতা প্ৰদান কৰা হয় যে এই কাম-কাজৰ মাজত প্ৰচলিত শাৰীৰিক লিঙ্গগত পাৰ্থক্যক প্ৰাকৃতিক হিচাপে গণ্য কৰে, ৰাজনৈতিক হিচাপে নহয়। অৰ্থাৎ পৰিয়ালৰ বাহিৰৰ ক্ষমতাগত পাৰ্থক্য (যেনে ঃ চৰকাৰ আৰু নাগৰিক) ৰাজনৈতিক, কিন্তু পৰিয়ালৰ দৰে সমাজৰ প্ৰাথমিক গোটৰ মাজৰ ক্ষমতাগত পাৰ্থক্য ৰাজনৈতিক নহয়। সাধাৰণতে, ৰাজনীতি, ঘৰৰ বাহিৰৰ বিভিন্ন কাম যেনে ঃ চৰকাৰী কাৰ্যত অংশগ্ৰহণ, উপাৰ্জন, শিল্প সাহিত্য আদি বিষয়বোৰ ৰাজহুৱা হিচাপে গণ্য কৰি পুৰুষৰ বাবে নিৰ্দ্ধাৰিত কৰি ৰখা হয় আৰু ঘৰৰ ভিতৰৰ কাম-কাজ যেনেঃ ৰন্ধা-বঢ়া, চাফ-চিকুণ কৰা তথা সন্তান লালন-পালন কৰা ইত্যাদিবোৰ মহিলাৰ বাবে নিৰ্দ্ধাৰিত হিচাপে গণ্য কৰা হয়। এনে ক্ষেত্ৰত যদিহে ৰাজনীতি কেৱল পুৰুষৰ ৰাজহুৱা দিশৰ লগতেই জড়িত বুলি গণ্য কৰা হয় তেনেহ'লে লিঙ্গ সমতাৰ ধাৰণাৰ কোনো ৰাজনৈতিক গুৰুত্বই নাথাকিব। পৰিয়ালত নাৰীৰ কাৰ্য আৰু ভূমিকা ৰাজনীতিৰ বাহিৰতেই ৰৈ যাব। চৰম নাৰীবাদীসকলে সেয়েহে ৰাজনৈতিক ক্ষেত্ৰৰ পুনৰ বিবেচনাৰ দাবী উত্থাপন কৰিছিল আৰু ঘৰুৱা কাম-কাজসমূহক 'The politics of every life' আখ্যা দিছিল। বিভিন্ন নাৰীবাদীৰ মতে আকৌ কৰ্মৰ ব্যক্তিগত ৰাজহুৱা বিভাজনৰ অৱসানৰ অৰ্থ হ'ল নাৰীৰ ঘৰুৱা কাম-কাজৰ দায়িত্ব চৰকাৰ বা আন অনুষ্ঠানলৈ হস্তান্তৰকৰণ। সেয়েহে তেওঁলোকে কৰ্ম ক্ষেত্ৰত শিশুৰ বাবে পৰিচৰ্য্যা গৃহ বা বিদ্যালয়ৰ (Nursery and Crech) ৰ সমৰ্থন কৰে। চৰম নাৰীবাদীসকলৰ লগতে সমাজবাদী নাৰীবাদীসকলেও 'ব্যক্তিগত'ক 'ৰাজনৈতিক'লৈ পৰিৱৰ্তন কৰাৰ পোষকতা কৰিছিল। অৱশ্যে উদাৰতাবাদী নাৰীবাদে যদিও পুৰুষৰ সমানে নাৰীৰ শিক্ষাৰ অধিকাৰ, কৰ্মৰ অধিকাৰ আৰু ৰাজনৈতিক জীৱনত অংশগ্ৰহণৰ অধিকাৰৰ দাবী উত্থাপন কৰে তথাপিও তেওঁলোকে ব্যক্তিগত ক্ষেত্ৰৰ ৰাজনীতিকৰণৰ পৰা হ'বপৰা বিপদৰ কথাও সোঁৱৰায় আৰু মত প্ৰকাশ কৰে যে এই বিষয়টো ব্যক্তিগত ইচ্ছা বা স্বতন্ত্ৰতাৰ অন্তৰ্গত। অৰ্থাৎ, তেওঁলোকৰ মতে কোনো ব্যক্তিয়ে নিজে বিচাৰিলেহে ব্যক্তিগত ক্ষেত্ৰৰ ৰাজনীতি বা ৰাজহুৱা ক্ষেত্ৰলৈ সম্প্ৰসাৰণ হ'ব লাগে, অন্যথাই নহয়।

**3. 'Gender' আৰু 'Sex' ঃ**

'Gender' আৰু 'Sex' ৰ পাৰ্থক্য নিৰূপণ নাৰীবাদৰ অন্তৰ্গত আন এক বিষয়। সাধাৰণ অৰ্থত 'Gender' আৰু 'Sex' ক একে অৰ্থতে ব্যৱহাৰ কৰা হয়। অসমীয়া পৰিভাষাত দুয়োটা শব্দক 'লিঙ্গ' শব্দৰে বুজোৱা হয়। অৱশ্যে গভীৰভাৱে লক্ষ্য কৰিলে

দুয়োটা ধাৰণাৰ মাজত কিছু পাৰ্থক্য দেখা যায়। John Money এ প্ৰথমে ‘Sex’ আৰু ‘Gender’ ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিছিল। ‘Gender’ আৰু ‘Sex’ ৰ মাজত থকা মূল পাৰ্থক্যবোৰ হ’ল—

(১) ‘Sex’ হৈছে জীৱবিজ্ঞানৰ ধাৰণা। দৈহিক গাঁথনি আৰু ধাৰণা ক্ষমতাৰ ভিত্তিত পুৰুষ আৰু মহিলাৰ মাজত যি পাৰ্থক্য তাক ‘Sex’ ৰ দ্বাৰা বুজোৱা হয়। আনহাতে, ‘Gender’ হ’ল সমাজ বিজ্ঞানৰ ধাৰণা। ‘Gender’ ৰ দ্বাৰা ‘Sex’ ভিত্তিক সমাজত প্ৰদান কৰা প্ৰস্থিতি বা ভূমিকাক বুজায়।

(২) ‘Sex’ জন্মগত। ‘Sex’ ৰ ধাৰণাটো পৰিৱৰ্তন কৰিব নোৱাৰি, কিন্তু ‘Gender’ যিহেতু সমাজ প্ৰদত্ত সেয়ে শিক্ষা বা সমাজ সংস্কাৰৰ দ্বাৰা ইয়াৰ পৰিৱৰ্তন সম্ভৱ।

(৩) ‘Gender’ এ কৰ্মবিভাজনৰ দ্বাৰা নিৰ্ণিত সামাজিক প্ৰস্থিতিক সূচায়. ‘Sex’ ৰ লগত কৰ্মবিভাজনৰ সম্পৰ্ক নাই।

(৪) ‘Gender’ এ ক্ষমতা সম্পৰ্ক সূচায়। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই পুৰুষ-মহিলাৰ মাজত এক কৰ্মবিভাজনৰ সৃষ্টি কৰি পুৰুষৰ কামবোৰক ৰাজহুৱা সিদ্ধান্ত নিৰ্ণয় প্ৰক্ৰিয়াৰ লগত জড়িত কৰাৰ বিপৰীতে মহিলাৰ কামবোৰক গৃহ পৰিৱেশত আবদ্ধ ৰাখি তাক ক্ষমতাৰ পৰিসৰৰ পৰা আঁতৰত ৰাখিছে। কিন্তু ‘Sex’ এ ক্ষমতা সম্পৰ্ক নিৰ্ণয় নকৰে।

মুঠতে ‘Gender’ এ এক সামাজিক পৰিচয় প্ৰদান কৰে। এই পৰিচয়ৰ লগত সম্পদৰ ভাগ বিতৰণ আদি দিশবোৰ জড়িত। নাৰীবাদী সকলে সমাজে নিৰ্দ্ধাৰণ কৰা ‘Gender’ ধাৰণাক বিঘটন কৰি সকলো কৰ্ম আৰু ভূমিকাৰ পুনৰ নিৰ্দ্ধাৰণৰ দাবী উত্থাপন কৰিছে।

**4. সমতা আৰু পাৰ্থক্য (Equality and Difference) ঃ**

নাৰীবাদৰ প্ৰাথমিক তথা পৰম্পৰাগত দাবী আছিল সমতা। আনকি নাৰীবাদী আন্দোলনৰ অন্যতম বৈশিষ্ট্যই হৈ পৰিছিল সমতাৰ দাবী। অৰ্থাৎ, বিভিন্ন অধিকাৰ ভোগত পুৰুষৰ সমানে সুবিধা লাভ। উদাহৰণস্বৰূপে, উদাৰতাবাদী নাৰীবাদীসকলে পৌৰ আৰু ৰাজনৈতিক অধিকাৰ ভোগৰ ক্ষেত্ৰত পুৰুষৰ সমানে নাৰীসকলৰ অধিকাৰো দাবী কৰিছিল। কিন্তু নাৰীবাদীসকলৰ বা নাৰীবাদী আন্দোলনৰ সমতাৰ এই দাবী বিতৰ্কৰ উৰ্দ্ধত নহয়। বিভিন্ন নাৰীবাদী চিন্তাবিদেই আনকি সমতাক নাকচ কৰি পৃথকতা বা পৃথক বৈশিষ্ট্যৰে নাৰীৰ মৰ্যাদা আৰু স্থান সুৰক্ষিত কৰাৰ দাবী উত্থাপন কৰিছে। সমাজবাদী নাৰীবাদীসকলে সমতাৰ দাবীৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰে আৰু মত পোষণ কৰে যে যেতিয়ালৈকে নাৰীয়ে সামাজিক ক্ষেত্ৰত সমতা উপভোগ কৰিব নোৱাৰে তেতিয়ালৈকে আন আন ক্ষেত্ৰৰ অধিকাৰবোৰ মূল্যহীন হৈ পৰিব। তেওঁলোকৰ মতে অৰ্থনৈতিক সমতাই হে প্ৰকৃত অৰ্থত সমতা প্ৰতিষ্ঠা কৰাত আৰু নাৰীসকলক অধিকাৰ ভোগ কৰাত সহায় কৰিব পাৰিব। সেয়েহে তেওঁলোকে নাৰীৰ বাবে সম্পত্তি আহৰণৰ অধিকাৰ, সম মজুৰীৰ অধিকাৰৰ দাবী উত্থাপন কৰিছিল। চৰম নাৰীবাদীসকলে আকৌ পৰিয়াল আৰু ব্যক্তিগত জীৱনত নাৰীৰ বাবে সমতাৰ দাবী উত্থাপন কৰিছিল। অৰ্থাৎ তেওঁলোকৰ মতে ঘৰুৱা কাম-কাজ, সন্তানৰ লালন-পালন, নিজৰ শৰীৰ আৰু যৌনতা সম্পৰ্কীয় বিষয়তহে নাৰীৰ বাবে সমতাৰ দাবী উত্থাপন কৰিছিল। এইদৰে সমতাৰ সমৰ্থক নাৰীবাদীসকলে (Equality Feminist) নিজৰ মাজত বিভিন্ন পাৰ্থক্য থাকিলেও পুৰুষ আৰু নাৰীৰ সমতাৰ অৰ্থাৎ পুৰুষৰ সমানে নাৰীৰ অধিকাৰ ভোগত থকা পাৰ্থক্যক পুৰুষতন্ত্ৰৰ লগত সংযোগ স্থাপন কৰে আৰু বিশ্বাস কৰে যে পুৰুষতান্ত্ৰিক ব্যৱস্থাৰ পুৰুষৰ শোষণ আৰু অৱদমনৰ ফলতে নাৰী আৰু পুৰুষৰ মাজত অধিকাৰ ভোগৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়।

এই ধাৰণাৰ বিপৰীতে আন একাংশ নাৰীবাদীয়ে আকৌ পৃথকতাৰ পোষণৰ দাবীহে কৰে। পৃথকতাৰ সমৰ্থনকাৰী নাৰীবাদী সকল (Difference Feminist) পুৰুষৰ সমানে অধিকাৰ ভোগৰ দাবী উত্থাপন কৰা নাৰীবাদীসকলৰ বিপৰীতে বিশ্বাস কৰে যে এনেকুৱা সমতা অৰ্থাৎ পুৰুষৰ দৰে সমতা দৰাচলতে এক প্ৰহসন আৰু অগ্ৰহণযোগ্য, কাৰণ ই নাৰীক পুৰুষৰ দৰে হোৱাৰহে পোষকতা কৰে বা এওঁলোকৰ মতে পুৰুষৰ যি উদ্দেশ্য (সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষেত্ৰত) সেয়া মহিলাৰো উদ্দেশ্য হ’ব লাগে, যি কেতিয়াও গ্ৰহণযোগ্য নহয়। গতিকে তেওঁলোকৰ মতে সমতাৰ দাবী প্ৰকৃততে পুৰুষৰ দৰে হোৱাৰ দাবীলৈহে পৰিৱৰ্তিত হয়। ইয়াৰ লগে লগে সাধাৰণতে পুৰুষৰ মাজত দেখা পোৱা কিছুমান বিশেষ বৈশিষ্ট্যও যেনে ঃ উগ্ৰতা, আধিপত্যতা আদিও আহৰণ কৰা যাব যিটো সমাজৰ বাবেও অতি ভয়াবহ হ’ব। সেয়েহে পৃথকতাবাদী নাৰীবাদীসকলে মত পোষণ কৰে যে প্ৰকৃত স্বতন্ত্ৰতাই পৃথকতা বজাই ৰাখি পূৰ্ণতা লাভ বা প্ৰতিভাৰ বিকাশক বুজায়। এওঁলোকৰ মতে পুৰুষৰ দৰে নহয়, নাৰীৰ স্বকীয় পাৰ্থক্য আৰু বৈশিষ্ট্য অক্ষুণ্ণ ৰাখিহে প্ৰাপ্য মৰ্যাদা, সুযোগ সুবিধা বা অধিকাৰ প্ৰদান কৰিব লাগে। অৰ্থাৎ, পৃথকতা নাৰীবাদীসকলে শাৰীৰিক

লিঙ্গগত পাৰ্থক্যক স্বীকাৰ কৰে আৰু ইয়াৰ সামাজিক আৰু ৰাজনৈতিক গুৰুত্বৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁলোকৰ মতে শাৰীৰিক আৰু মানসিক দিশত পুৰুষৰ লগত নাৰীৰ যথেষ্ট পাৰ্থক্য আছে। পুৰুষসকল যেনেকৈ উগ্ৰ আৰু প্ৰতিযোগিতামূলক মনোভাৱৰ ঠিক তাৰ বিপৰীতে সাধাৰণতে নাৰীসকল বহু পৰিমাণে নম্ৰ আৰু সৃষ্টিশীল হোৱা দেখা যায়। গতিকে পুৰুষ নাৰীৰ এই শাৰীৰিক আৰু মানসিক পাৰ্থক্যক অস্বীকাৰ কৰাটো ভুল। সেয়েহে পৃথকতাৰ বা পাৰ্থক্যক সমৰ্থন কৰা নাৰীবাদীসকলে নাৰীক নাৰীৰ স্বকীয়তাপূৰ্ণ স্বতন্ত্ৰতা উপভোগ কৰাৰহে সমৰ্থন কৰে, শাৰীৰিক পাৰ্থক্যহীন পুৰুষৰ দৰে সমতা নহয়।

**(১) নাৰীবাদৰ পৰ্যায় (Stages of Feminism) ঃ**

নাৰীবাদৰ বিকাশক বিভিন্ন পৰ্যায়ত আলোচনা কৰিব পাৰি—

**উদাৰতাবাদী নাৰীবাদ (Liberal Feminism) ঃ**

উদাৰতাবাদী নাৰীবাদ হ'ল নাৰীবাদৰ প্ৰাৰম্ভিক পৰ্যায়ৰ অন্তৰ্গত। উদাৰতাবাদৰ লগত নাৰীবাদৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। উদাৰতাবাদে যুক্তিবাদী প্ৰাণী হিচাপে ব্যক্তিক গণ্য কৰি ব্যক্তিৰ স্বতন্ত্ৰতাক সৰ্বোচ্চ স্থান প্ৰদান কৰে। সেই যুক্তিতেই উদাৰতাবাদী নাৰীবাদীসকলে পুৰুষৰ লগতে নাৰীৰ সম অধিকাৰৰ দাবী উত্থাপন কৰে। অৰ্থাৎ, উদাৰতাবাদী নাৰীবাদীসকলৰ মতে, সকলো ব্যক্তিয়েই যদি যুক্তিবাদী আৰু যুক্তিবাদী হোৱাৰ পৰিপ্ৰেক্ষিতত যদি ব্যক্তি স্বতন্ত্ৰতাৰ দাবীদাৰ হয়, তেনেহ'লে নাৰীসকল ইয়াৰ পৰা কিয় বঞ্চিত হ'ব? গতিকে নাৰীবাদৰ এই ধাৰাৰ মূল দাবী হ'ল পুৰুষৰ লগতে নাৰীৰ সম অধিকাৰক স্বীকৃতি। উদাৰতাবাদী নাৰীবাদৰ মূল প্ৰৱক্তা Marry Wollstonecraft এ তেওঁৰ বিখ্যাত গ্ৰন্থ 'A Vindication of Rights of Women' (1792)ত দাবী উত্থাপন কৰিছিল যে ব্যক্তি হিচাপে নাৰীয়ে পুৰুষৰ সমানে অধিকাৰ লাভ কৰা উচিত। তেওঁ মূলতঃ নাৰীৰ শিক্ষাৰ অধিকাৰৰ দাবী উত্থাপন কৰি মত প্ৰকাশ কৰিছিল যে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পুৰুষ আৰু নাৰীৰ মাজত যিবোৰ পাৰ্থক্য বা বৈষম্য হৈ আহিছে সেইবোৰ নাইকীয়া হৈ যাব বা অপ্ৰাসঙ্গিক হৈ পৰিব যদিহে নাৰীসকলক শিক্ষাৰ সুবিধা প্ৰদান কৰা হয়। কাৰণ শিক্ষাই নাৰীসকলৰ যুক্তিবাদীতাৰ বিকাশত সহায় কৰিব আৰু তেওঁলোককো যুক্তিবাদী প্ৰণী হিচাপে সমাজত প্ৰতিষ্ঠা কৰিব আৰু তেতিয়াই তেওঁলোকে নিজৰ বাবে প্ৰয়োজনীয় সুবিধা তথা স্বাধীনতা উপভোগ কৰিব পাৰিব। পৌৰ অধিকাৰ আৰু অৰ্থনৈতিক স্বতন্ত্ৰতাৰ দাবী (নাৰীৰ বাবে) উত্থাপন কৰা Marry Wollstonecraft এ নাৰীৰ শিক্ষাৰ অধিকাৰৰ বিশেষকৈ সম শিক্ষাৰ অধিকাৰৰ তীব্ৰ দাবী উত্থাপন কৰিছিল। কিয়নো সেইখিনি সময়ত পুৰুষ আৰু নাৰীৰ শিক্ষাৰ বিষয় পৃথক পৃথক কৰা হৈছিল। পুৰুষসকলক প্ৰদান কৰা বুৰঞ্জী, দৰ্শন আদি বিষয়বোৰ নাৰীৰ বাবে কঠিন আৰু অপ্ৰয়োজনীয় হিচাপে গণ্য কৰি জীৱবিদ্যা, উদ্ভিদবিদ্যা আদিৰ দৰে বিষয়ৰ প্ৰতিহে তেওঁলোকক আকৰ্ষিত কৰাৰ চেষ্টা কৰা হৈছিল। আনকি শাৰীৰিক শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়কো নাৰীৰ শিক্ষাৰ পাঠ্যক্ৰমৰ বাহিৰত ৰখা হৈছিল। পুৰুষ আৰু নাৰীৰ বাবে পৃথক পাঠ্যকক্ৰমৰ পোষকতা কৰা ব্যক্তি স্বতন্ত্ৰাবাদী দাৰ্শনিক ৰুচোক Wollstonecraft এ কঠোৰ সমালোচনা কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে ৰুচোৰ এই ব্যৱস্থাই তেওঁৰ দৰ্শনৰ মূল ভিত্তি স্বতন্ত্ৰতাৰ নীতিকেই ভংগ কৰে। উল্লেখযোগ্য যে ৰুচোই তেওঁৰ বিখ্যাত গ্ৰন্থ 'Emile' ত পুৰুষ আৰু নাৰীৰ বাবে পৃথক পাঠ্যক্ৰমৰ পৰামৰ্শ আগবঢ়াইছিল। প্ৰচলিত বৈষম্যমূলক ব্যৱস্থাৰ অৱসানৰ দাবী উত্থাপন কৰি Wollstonecraft এ এখন এনেকুৱা সমাজৰ দাবী উত্থাপন কৰিছিল যিখন সমাজত মহিলাই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সকলো ক্ষেত্ৰত স্বতন্ত্ৰভাৱে অংশগ্ৰহণ কৰিব পাৰিব। John Stuart Mill হ'ল আন এজন বিখ্যাত উদাৰতাবাদী নাৰীবাদী। Mill এ তেওঁৰ সংগী Harriet Taylor ৰ মতে লিখা বিখ্যাত গ্ৰন্থ 'On the Subjection of Women' (1869) ত মত প্ৰকাশ কৰিছিল যে নাৰীও পুৰুষৰ সমানেই যুক্তিবাদী প্ৰাণী। জন্মগত বা প্ৰাকৃতিক পাৰ্থক্যৰ বাবে ব্যক্তিৰ যুক্তি বুদ্ধিত কোনো বৈষম্য নহয় বা হ'ব নোৱাৰে। গতিকে অধিকাৰ ভোগ কৰাৰ ক্ষেত্ৰত পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্য থকা উচিত নহয় বা হ'ব নোৱাৰে। Mill এ নাৰীৰ ভোটদানৰ অধিকাৰৰ সপক্ষে বৃটিছ সংসদত তীব্ৰ দাবী উত্থাপন কৰিছিল। তেওঁ আকৌ মত প্ৰকাশ কৰিছিল যে পৰিয়ালেই হ'ল আটাইতকৈ শ্ৰেষ্ঠ ঠাই বা অনুষ্ঠান য'ত প্ৰত্যেক ব্যক্তিয়ে স্বতন্ত্ৰতাৰ প্ৰয়োজনীয়তা আৰু মূল্য সম্পৰ্কে শিক্ষা ল'ব পাৰে। আমেৰিকাত হোৱা দাসত্ব বিৰোধী আন্দোলনৰ ফলস্বৰূপে Elizabeth Cady Stanton আৰু তেওঁৰ বন্ধু Susan Anthony এ নাৰীৰ বাবে সমতা আৰু স্বাধীনতাৰ দাবী উত্থাপন কৰিছিল। 'The Revolution' শীৰ্ষক এখন নাৰীবাদী আলোচনী তেওঁলোকে প্ৰকাশ কৰিছিল (১৮৬০ চনত) আৰু ইয়াৰ জৰিয়তেই তেওঁলোকে নাৰী সম্পৰ্কীয় বিষয়বোৰ উত্থাপন কৰিছিল। উদাৰতাবাদী নাৰীবাদৰ ফলস্বৰূপেই বিশ্বৰ বিভিন্ন প্ৰান্তত নাৰীসকলে ভোটাধিকাৰ লাভ কৰিবলৈ আৰম্ভ কৰিছিল। ইংলেণ্ডত উদাৰতাবাদী নাৰীবাদে বিশেষ সফলতা লাভ কৰিছিল যেতিয়া

১৯২৪ চনত ইংলেণ্ডৰ সকলো মহিলাকে ভোটাধিকাৰ প্ৰদান কৰা হৈছিল। ইয়াৰ পূৰ্বে নিউজিলেণ্ডত ১৮৯৩ চনতেই নাৰীক ভোটাধিকাৰ প্ৰদান কৰা হৈছিল।

উদাৰ নাৰীবাদৰ দ্বিতীয় পৰ্যায়ক প্ৰতিনিধিত্ব কৰে আমেৰিকাৰ Betty Friedan ৰ লিখনি আৰু কাৰ্য পন্থাই। তেওঁৰ বিখ্যাত গ্ৰন্থ 'Feminist Mystique' (1963) ত তেওঁ আলোচনা কৰিছিল কিদৰে আমেৰিকাৰ মধ্যম শ্ৰেণীৰ মহিলাসকলে ৰাজহুৱা জীৱনৰ লগত জড়িত কাৰ্যৰপৰা বিৰত থাকিব লগা হোৱা বাবে হতাশা আৰু একাকীত্বত ভুগিব লগা হয়। মহিলাই ঘৰৰ ভিতৰত বা ঘৰুৱা কাম-কাজৰ মাজতে নিৰাপদ অনুভৱ কৰে বুলি থকা প্ৰচলিত ধাৰণাক তেওঁ এক সাংস্কৃতিক ৰূপকাহিনী (Cultural Myth) আখ্যা দিছিল আৰু মত প্ৰকাশ কৰিছিল যে এই ধাৰণাৰ দ্বাৰাই মহিলাসকলক ৰাজহুৱা কাৰ্যৰ পৰা বিৰত ৰাখে, যি পিছলৈ তেওঁলোকৰ বাবে হতাশাৰ কাৰণ হৈ পৰে। Betty Friedan এ পিছলৈ বিশ্বৰ সৰ্ববৃহৎ নাৰী সংগঠন National Organisation of Women (NOW) অৰ্থাৎ ৰাষ্ট্ৰীয় নাৰী সংগঠন আমেৰিকাত প্ৰতিষ্ঠা কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই সংগঠনটোৱে কেৱল নাৰীৰ বাবে সমতাৰ আৰু অধিকাৰৰ দাবীয়েই উত্থাপন কৰা নাছিল, বৰং আমেৰিকাৰ মহিলাসকলৰ অৰ্থনৈতিক অংশগ্ৰহণ, কৰ্মক্ষেত্ৰত শিশু পৰিচৰ্যাৰ ব্যৱস্থা ইত্যাদি ব্যৱস্থাৰ ক্ষেত্ৰতো এক বিশেষ ভূমিকা পালন কৰি উদাৰ নাৰীবাদক এক নতুন মাত্ৰা প্ৰদান কৰিছিল।

উদাৰ নাৰীবাদৰ দাৰ্শনিক ভিত্তি হ'ল ব্যক্তিবাদ। ব্যক্তিবাদ হ'ল সেই মতাদৰ্শ যিয়ে ব্যক্তিক আন অনুষ্ঠান আদিতকৈ সৰ্বোচ্চ জ্ঞান কৰে আৰু মত পোষণ কৰে যে সকলো ব্যক্তি সমমূল্য আৰু মৰ্যাদাৰ দাবীদাৰ। গতিকে, জাতি, বৰ্ণ, লিঙ্গ, ধৰ্মৰ ভিত্তিত ব্যক্তিৰ মাজত বৈষম্য কৰা উচিত নহয়। তেওঁলোকে বিশ্বাস কৰে যে ব্যক্তিক যদিহে মূল্যায়ন কৰিব লগা হয় তেনেহ'লে তেওঁলোকৰ জ্ঞান, দক্ষতা, আচৰণ, যুক্তিকতা, বৌদ্ধিকতা আদিৰ ভিত্তিত হে কৰিব লাগে, জাতি, ধৰ্ম বা লিঙ্গৰ ভিত্তিত নহয়। ব্যক্তিবাদক মূল ভিত্তি হিচাপে গ্ৰহণ কৰা উদাৰতাবাদে এই ভিত্তিতে সকলো ব্যক্তিৰ বাবে সম-অধিকাৰৰ দাবী উত্থাপন কৰে। গতিকে, উদাৰ নাৰীবাদেও মত পোষণ কৰে যে লিঙ্গৰ ভিত্তিত অধিকাৰৰ বৈষম্য কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। এই ভিত্তিতেই Marry Wollstonecraft, J.S. Mill আদিৰ দৰে নাৰীবাদী চিন্তাবিদে পুৰুষৰ সমানে নাৰীৰ বাবে শিক্ষাৰ অধিকাৰ, ভোটদানৰ অধিকাৰ আদিৰ দাবী উত্থাপন কৰিছিল। আনকি, ভোটদানৰ অধিকাৰক লৈ হোৱা সমগ্ৰ আন্দোলনসমূহৰ ভিত্তি আছিল ব্যক্তিবাদী চিন্তা আৰু উদাৰতাবাদী ধাৰণা। এই ধাৰণাৰ ভিত্তিতেই উদাৰ নাৰীবাদীসকলে বিশ্বাস কৰিছিল যে নাৰী সৱলীকৰণ প্ৰক্ৰিয়াক নাৰীৰ ভোটাধিকাৰেহে তৰান্বিত কৰিব পাৰিব। গতিকে উদাৰ নাৰীবাদৰ প্ৰধান দাবী আছিল পুৰুষৰ সমানে নাৰীক ভোটাধিকাৰ প্ৰদান। ৰাজহুৱা জীৱন আৰু অনুষ্ঠানসমূহত তেওঁলোকে নাৰীৰ অংশগ্ৰহণ বৃদ্ধিৰ পোষকতা কৰিছিল। ইয়াৰ বাবে তেওঁলোকে প্ৰচলিত ব্যৱস্থাৰ সংশোধনৰ পোষকতা কৰিছিল। ব্যক্তিৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ পাৰ্থক্যক তেওঁলোকে বিলুপ্ত কৰিব খোজা নাছিল। তেওঁলোকে মাত্ৰ ৰাজহুৱা জীৱনত নাৰীৰ অংশগ্ৰহণৰ মাত্ৰা বৃদ্ধিৰ দাবী উত্থাপন কৰিছিল। তেওঁলোকে আনকি প্ৰচলিত সামাজিক গাঠনিৰ অৰ্থাৎ পুৰুষতন্ত্ৰৰো বিলুপ্তিৰ দাবী কৰা নাছিল। মাত্ৰ ইয়াৰ সংস্কাৰৰ দ্বাৰা মহিলাৰ অংশগ্ৰহণ সুনিশ্চিত কৰিব বিচাৰিছিল।

উদাৰ নাৰীবাদৰ প্ৰকৃতিৰ আন এটা উল্লেখনীয় দিশ হ'ল যে এওঁলোকে পুৰুষ আৰু নাৰীৰ মাজৰ পাৰ্থক্যক অস্বীকাৰ কৰা নাছিল। সেয়েহে তেওঁলোকে ঘৰুৱা কাম-কাজত মহিলাৰ অংশগ্ৰহণক স্বাভাৱিক হিচাপে গ্ৰহণ কৰিছিল। আনকি আধুনিক উদাৰ নাৰীবাদী চিন্তাবিদসকলেও এই ক্ষেত্ৰত সহমত দাঙি ধৰে। Betty Friedan এ তেওঁৰ বিখ্যাত গ্ৰন্থ 'The Feminine Mystique' (1963) ত এই সম্পৰ্কে আলোচনা কৰিছিল। এই ধাৰণাৰ বাবে উদাৰ নাৰীবাদীসকল যথেষ্ট পৰিমাণে সমালোচিত, বিশেষকৈ চৰম নাৰীবাদীসকল এই ধাৰণাৰ ঘোৰ বিৰোধী।

সমতাৰ অধিকাৰৰ দাবী উদাৰ নাৰীবাদৰ মূল বিষয়বস্তু। উদাৰ নাৰীবাদৰ এই দাবীয়ে সমাজৰ শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ নাৰীসকলক নাৰীবাদী আন্দোলন আৰু ইয়াৰ দাবীসমূহৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছিল। সেয়েহে দেখা গৈছিল যে ঊনৈশ শতিকাত ভোটাধিকাৰ লাভৰ বাবে যি আন্দোলন গঢ়ি উঠিছিল তাৰ নেতৃত্ব বহন কৰিছিল কিছুমান শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মহিলাই, যিসকলৰ বাবে ভোটাধিকাৰ এক সুবিধাজনক অধিকাৰ আছিল। গতিকে, বহুসময়ত উদাৰতাবাদী নাৰীবাদ আৰু ইয়াৰ দাবী সমাজৰ এক শ্ৰেণীৰ মহিলাৰ কাৰণেহে উপযোগী হৈ উঠিছিল। ই সমাজৰ প্ৰচলিত আন কিছুমান বৈষম্যৰ উৎস যেনে ঃ শ্ৰেণী, জাতি আদিৰ প্ৰতি ই বিশেষ মনোযোগ দিয়া নাছিল। ফলস্বৰূপে ই শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ আন্দোলন আৰু দাবীত পৰিণত হৈছিল। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপেই ৯০ ৰ দশকত নাৰীবাদৰ আৰু কিছুমান নতুন ধাৰাৰ সৃষ্টি হৈছিল।

**সমাজবাদী নাৰীবাদ (Socialist Feminism) ঃ**

সমাজবাদী নাৰীবাদ নাৰীবাদৰ বিকাশৰ প্ৰথম পৰ্যায়ৰে অন্তৰ্গত। কিন্তু এই নাৰীবাদ উদাৰ নাৰীবাদতকৈ (একে পৰ্যায়ৰ হ'লেও) বহু পৰিমাণে পৃথক। সমাজবাদী নাৰীবাদ মূলতঃ মাৰ্ক্স আৰু বিশেষকৈ এঙ্গেঁলছৰ চিন্তাৰ ওপৰত প্ৰতিষ্ঠিত। উদাৰতাবাদী নাৰীবাদৰ বিপৰীতে সমাজবাদী নাৰীবাদে বিশ্বাস কৰে যে নাৰীসকলে সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত লাভ কৰা সমস্যা বা প্ৰতিনিধিত্বহীনতা কেৱল পুৰুষৰ সমানে নাৰীয়ে লাভ কৰা সম অধিকাৰৰ দ্বাৰা বা পুৰুষৰ সমানে সম অধিকাৰ প্ৰদানৰ দ্বাৰা নাইকিয়া কৰাটো সম্ভৱ নহয়। কাৰণ পুৰুষ আৰু নাৰীৰ অধিকাৰৰ এই পাৰ্থক্য সমাজৰ আৰ্থ-সামাজিক গাঠনিৰ ফল, য'ত নাৰীক অৰ্থনৈতিক ক্ষেত্ৰত কোনো ক্ষমতা বা সুবিধা প্ৰদান কৰা নহয়। সমাজবাদী নাৰীবাদী সকলৰ মতে আৰ্থ-সামাজিক সমতা অবিহনে পৌৰ আৰু ৰাজনৈতিক অধিকাৰ দাবী কৰাটো মূল্যহীন। গতিকে, ইয়াৰ বাবে এক সামাজিক বিপ্লৱৰ প্ৰয়োজন।

সমাজবাদী নাৰীবাদীসকলৰ মূল কথা হ'ল পুৰুষতন্ত্ৰক একমাত্ৰ আৰ্থ-সামাজিক প্ৰেক্ষাপটতহে বুজিব পাৰি। অৰ্থাৎ, পুৰুষতন্ত্ৰ পুজিবাদী সমাজ আৰু অৰ্থনীতিৰ ফল। পুজিবাদী সমাজ সদায় উৎপাদনৰ আহিলাৰ গৰাকীৰ পক্ষত থাকে আৰু উৎপাদনৰ আহিলাৰ গৰাকী যিহেতু সাধাৰণতে পুৰুষসকল, সেয়েহে পুৰুষৰ দ্বাৰা নাৰীৰ শোষণ পুজিবাদী সমাজত স্বতঃস্ফূৰ্ত। এই ধাৰণাক মূলতঃ প্ৰক্ষেপ কৰিছিল ফ্ৰেডেৰিক এঙ্গেলছে তেওঁৰ বিখ্যাত গ্ৰন্থ 'The Origin of family, private property and State' (1884)ত। এঙ্গেলছ এ মত প্ৰকাশ কৰিছিল সমাজ পুজিবাদী অৱস্থালৈ গতি কৰাৰ লগে লগে আৰু ব্যক্তিগত সম্পত্তিৰ উত্থানৰ লগে লগে নাৰীৰ স্থানৰো পৰিৱৰ্তন ঘটিছে। পুজিবাদী সমাজৰ পূৰ্বে সমাজ বহুপৰিমাণে সাম্যবাদী আছিল য'ত সম্পত্তি আহৰণ, বংশ পৰম্পৰা আদিত মাতৃৰ অধিকাৰ সুৰক্ষিত আছিল। কিন্তু ব্যক্তিগত সম্পত্তিৰ ধাৰণাৰ উদ্ভৱৰ পিছতেই অহা পুজিবাদী সমাজে নাৰী তথা মাতৃৰ উপৰোক্ত অধিকাৰবোৰ খৰ্ব কৰিবলৈ আৰম্ভ কৰে। কাৰণ ইয়াত সম্পত্তিৰ গৰাকীৰহে আধিপত্য চলে, সম্পদহীনৰ নহয়। আন সমাজবাদীসকলৰ দৰে এঙ্গেলছেও বিশ্বাস কৰে যে পুজিবাদী সমাজত নাৰীৰ অৱদমন পৰিয়ালৰ পৰাই আৰম্ভ হয়। তেওঁৰ মতে, বুৰ্জোৱা পৰিয়াল সদায় পুৰুষতান্ত্ৰিক। কাৰণ ইয়াত সম্পদৰ গৰাকী পিতৃয়ে তেওঁৰ সম্পত্তি তেওঁৰ পিছত তেওঁৰ পুত্ৰলৈহে লৈ যায়। ইয়াৰ লগে লগে আন আন সামাজিক ক্ষেত্ৰতো নাৰীৰ ওপৰত বিভিন্ন ৰীতি-নীতি আৰোপ কৰি তেওঁলোকক পৰাধীন কৰা হয়, যিবোৰৰ পৰা পুৰুষ মুক্ত হৈ থাকে। বিভিন্ন সমাজবাদী চিন্তাবিদৰ মতে নাৰীক ঘৰুৱা কাম-কাজত আৱদ্ধ কৰি ৰখা আৰু সন্তানৰ লালন-পালনত আৱদ্ধ কৰি ৰখাৰ দৰে কাৰ্যই পুজিবাদৰ অৰ্থনৈতিক উদ্দেশ্যক সাফল্যমণ্ডিত কৰাত সহায় কৰে। অৰ্থাৎ সম্পদৰ আহৰণ মুষ্টিমেয় লোকৰ হাতত ৰখাত সহায় কৰে। বিভিন্ন সমাজবাদী নাৰীবাদীয়ে আকৌ মত প্ৰকাশ কৰে যে পুজিবাদী অৰ্থনীতিত মহিলাসকল হ'ল কৰ্মৰ বা শ্ৰমৰ সংৰক্ষিত সৈন্য অৰ্থাৎ 'Reserved army of labour' কাৰণ যেতিয়া প্ৰয়োজন হয় তেতিয়াই তেওঁলোকক কৰ্মত নিয়োজিত কৰিব পৰা যায় আৰু যেতিয়াই অৰ্থনীতিত সংকট আহে তেতিয়াই তেওঁলোকক অৰ্থনৈতিক ক্ষেত্ৰখনৰ কৰ্মৰ পৰা আঁতৰাই আনি ঘৰুৱা কাম-কাজত আৱদ্ধ কৰি ৰাখিব পৰা যায়। অৰ্থাৎ, উৎপাদন বৃদ্ধিৰ বা উৎপাদনৰ বৃদ্ধিৰ দাবীৰ সময়ত তেওঁলোকক কৰ্মখণ্ডত যিদৰে ব্যৱহাৰ কৰিব পৰা যায় ঠিক একেদৰে উৎপাদনৰ চাহিদাহীন সময়ত বা অৰ্থনৈতিক খণ্ডৰ সংকটৰ সময়ত অতি সহজে তেওঁলোকক ঘৰুৱা কাম-কাজ, সন্তানৰ চোৱা-চিতা আদিৰ দায়িত্ব বহন কৰা মহিলাসকলে পুৰুষসকলক ঘৰুৱা কামৰ চিন্তাৰ পৰা মুক্ত কৰে আৰু অৰ্থনৈতিক ক্ষেত্ৰত উৎপাদন বৃদ্ধিত পুৰুষক আত্ম নিয়োগ কৰাত সহায় কৰে। ইয়াৰ লগে লগে পৰিয়ালৰ মূল উপাৰ্জনকাৰী হৈ পৰে পুৰুষসকল আৰু স্বতঃস্ফূৰ্তভাৱে তেওঁলোকে পৰিয়ালত আটাইতকৈ সন্মানজনক স্থান লাভ কৰে আৰু ঘৰুৱা কামৰ বোজাৰ পৰাও মুক্ত হৈ পৰে।

নাৰীৰ বিভিন্ন অধিকাৰক সামাজিক আৰু অৰ্থনৈতিক কাৰকৰপৰা পৃথক কৰিব নোৱাৰি বুলি মত পোষণ কৰা প্ৰত্যেক সমাজবাদী ধাৰাই কিন্তু আৰ্থ-সামাজিক দিশৰ লগত অধিকাৰৰ সম্পৰ্কক কিছু পৃথক ধৰণে আলোচনা কৰে। মাৰ্ক্সবাদী নাৰীবাদীসকলে শ্ৰেণী ৰাজনীতিক (Class Politics) নাৰীৰ বিষয়ত (Sexual Politics) কৈ বেছি গুৰুত্ব দিয়ে। তেওঁলোকৰ মতে শ্ৰেণী পাৰ্থক্য আৰু শোষণ নাৰী বিষয়তকৈ বেছি গভীৰ আৰু গুৰুত্বপূৰ্ণ। নাৰীৰ অৱদমন শ্ৰেণী অৱদমনৰেই অন্তৰ্গত আৰু সেয়েহে ইয়াৰ বাবে পৃথক কৈ নহয়, শ্ৰেণী শোষণৰ বাবে হোৱা সামাজিক বিপ্লৱৰ দ্বাৰাহে এইবোৰ নিৰ্মূল কৰিব পৰা যাব। অৰ্থাৎ, পুজিবাদৰ অৱসানৰ বাবে যি সামাজিক বিপ্লৱ হ'ব তাৰ লগে লগেই নাৰীৰ অৱদমনো নাইকিয়া হ'ব আৰু এখন সমাজবাদী সমাজ প্ৰতিষ্ঠা হ'ব। গতিকে মাৰ্ক্সবাদী নাৰীবাদীসকলৰ মতে শ্ৰেণী ৰাজনীতিতহে বেছি গুৰুত্ব দিয়া উচিত। মাৰ্ক্সবাদী নাৰীবাদীসকলৰ মতে, নাৰীবাদী আন্দোলনকাৰীসকলেও সেয়েহে শ্ৰমিক বিপ্লৱক সফল কৰাৰ বাবে ইয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগে। কাৰণ বিপ্লৱ যদি

বিভিন্ন দিশত হয় তেনেহ'লে ই শক্তিশালী নহ'বও পাৰে। সেয়েহে সংগঠিত, একত্ৰিত আৰু শক্তিশালী বিপ্লৱৰ স্বাৰ্থত নাৰীবাদীসকলে নাৰীৰ অধিকাৰৰ বাবে পৃথককৈ কাম কৰাৰ পৰা বিৰত থাকিব লাগে বুলি মাৰ্ক্সবাদী নাৰীবাদীসকলে প্ৰচাৰ চলায়। ইয়াৰ বিপৰীতে, সমাজবাদী নাৰীবাদীসকলে বিশেষকৈ আধুনিক সমাজবাদী নাৰীবাদীসকলে আকৌ শ্ৰেণী ৰাজনীতিক (Class Politics) নাৰী ৰাজনীতিত (Sexual Politics) কৈ প্ৰাধান্য দিয়াৰ বিৰোধিতা কৰে। আধুনিক সমাজবাদী নাৰীবাদীসকলৰ মতে, শ্ৰেণী শোষণৰ সমানেই গুৰুত্বপূৰ্ণ নাৰীৰ শোষণমূলক কাৰ্য। অৱশ্যে, তেওঁলোকৰ এই ধাৰণাৰ আৰত সমাজবাদী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা হোৱা ৰাছিয়াৰ অভিজ্ঞতা জড়িত হৈ আছে বুলিও বিভিন্নজনে মত প্ৰকাশ কৰে। কিয়নো বিপ্লৱৰ পিছত প্ৰতিষ্ঠা হোৱা ৰাছিয়াত সমাজবাদেও পুৰুষতন্ত্ৰৰ অৱসান ঘটাব নোৱাৰিলে। গতিকে, তেওঁলোকৰ মতে, শ্ৰেণী বিপ্লৱৰ ফলত লিঙ্গ সমতা প্ৰতিষ্ঠা নহ'বও পাৰে আৰু ইয়াৰ বাবে পৃথক আন্দোলনৰ প্ৰয়োজন। বহু নব্য মাৰ্ক্সবাদী চিন্তাবিদে সেয়েহে নাৰীৰ বিষয়টো কেৱল অৰ্থনৈতিক প্ৰেক্ষাপটত আলোচনা কৰাটো সম্ভৱ নহয় বুলি মত পোষণ কৰে আৰু কয় যে ইয়াৰ বাবে কোনো সমাজৰ সাংস্কৃতিক আৰু আদৰ্শগত দিশটোও আলোচনা কৰাটো প্ৰয়োজনীয়। অৰ্থাৎ, তেওঁলোকে সমাজৰ পুৰুষতান্ত্ৰিকতাৰ দৰে গাঠনিকো গুৰুত্ব প্ৰদান কৰে। নাৰীসকলে যিহেতু অৰ্থনৈতিক, সামাজিক ঘৰুৱা তথা যৌন জীৱন সম্পৰ্কীয় সকলো দিশতেই অংশগ্ৰহণ কৰে আৰু এই সকলোবোৰ দিশ বা ক্ষেত্ৰতেই অৱদমন আৰু শোষণৰ সন্মুখীন হয় সেয়েহে তেওঁলোকে সকলো ক্ষেত্ৰতেই স্বতন্ত্ৰতা পোৱাটো কাম্য, কেৱল অৰ্থনৈতিক ক্ষেত্ৰত নহয়।

**চৰম নাৰীবাদ (Redical Feminism) ঃ**

চৰম নাৰীবাদ নাৰীবাদৰ দ্বিতীয় পৰ্যায়ৰ লগত জড়িত। চৰম নাৰীবাদৰ মূল আক্ৰমণ আছিল সামাজিক, ব্যক্তিগত তথা ঘৰুৱা আৰু যৌন জীৱনত নাৰীয়ে সন্মুখীন হোৱা অৱদমন আৰু শোষণ। অৰ্থাৎ, উদাৰ আৰু সমাজবাদী নাৰীবাদৰ বিপৰীতে চৰম নাৰীবাদৰ মূল লক্ষ্য আছিল ব্যক্তিগত জীৱনত, পৰিয়ালত নাৰীয়ে সন্মুখীন হোৱা সমস্যাৰ সমাধানৰ দাবী উত্থাপন কৰা। বেছিসংখ্যক চৰম নাৰীবাদীৰ মতে, পুৰুষতন্ত্ৰ হ'ল এক সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক ব্যৱস্থা যাৰ উৎপত্তি পৰিয়াল, ব্যক্তিগত তথা ঘৰুৱা পৰিৱেশৰ গাঠনিত হয়। সেয়েহে চৰম নাৰীবাদীসকলে বিশ্বাস কৰে যে এনে পৰিস্থিতিৰ অৱসানৰ বাবে এক যৌন আন্দোলন (Sexual Revolution) ৰ প্ৰয়োজন, যাৰ জৰিয়তে সমাজ তথা পৰিয়ালৰ শোষণমূলক গাঠনিবোৰ ধ্বংস কৰিব পৰা যায়। এইদৰে ৬০ আৰু ৭০ ৰ দশকত চৰম নাৰীবাদীসকলে উদাৰ আৰু সমাজবাদী নাৰীবাদীয়ে কোৱাৰ দৰে ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ পৰিৱৰ্তে এক নতুন দিশত গুৰুত্ব আৰোপ কৰি নাৰীবাদৰ ভিতৰতেই এক নতুন চেতনাৰ সৃষ্টি কৰিছিল। এই ধাৰাৰ মূল প্ৰৱক্তা আছিল Simone de Beauvoir। তেওঁৰ লগতে, Eva Figes, Germaine Greer, Kate Millett ইত্যাদিয়েও চৰম নাৰীবাদৰ বিকাশত অৰিহণা আগবঢ়াইছিল। Eva Figes এ তেওঁৰ গ্ৰন্থ 'Patriarchal Attitudes' (1970) ত ব্যাখ্যা কৰিছিল যে কেৱল ৰাজনৈতিক বা আন বিধিগত দিশৰ লগতে নাৰীসকলে সমাজ এখনৰ সংস্কৃতি, দৰ্শন, ধৰ্ম, নৈতিকতা আদি সকলো দিশ পুৰুষতন্ত্ৰৰ মূল্যবোধৰ দ্বাৰা প্ৰভাৱিত যি দিশ তাৎপৰ্যহীন হিচাপেই ৰৈ যায়। সমাজৰ এই সকলোবোৰ দিশতেই মহিলাক পুৰুষতকৈ কম বা নাৰী সুলভ বৈশিষ্ট্য অনুসৰণ কৰিবলৈ মহিলাক বাধ্য কৰোৱা হয়। ঠিক একেদৰে Kate Millett এ তেওঁৰ বিখ্যাত 'Sexual Politics' (1970)ত মত প্ৰকাশ কৰিছিল যে পুৰুষতন্ত্ৰ হ'ল এক সামাজিক বাধা। যাৰ উপস্থিতি সমাজৰ সকলো গাঠনি যেনেঃ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদিত আধুনিক তথা সকলোতে দেখা যায়। তেওঁৰ মতে পুৰুষতন্ত্ৰৰ মূল প্ৰবাহক পৰিয়ালতেই ল'ৰা আৰু ছোৱালীক সমাজত পালন কৰিবলগীয়া তেওঁলোকৰ মূল তথা পাৰ্থক্যপূৰ্ণ ভূমিকাৰ লগত পৰিচিত কৰোৱা হয় যদিও ইয়াৰ সহযোগী হিচাপে কাম কৰে শিল্প, সাহিত্য, অৰ্থনীতি ইত্যাদিয়ে। মিলেটৰ মতে পুৰুষতান্ত্ৰিকতাক অৱসান কৰাৰ বাবে এক সচেতনতাৰ প্ৰয়োজন যি সচেতনতাই সকলোকে ব্যক্তি হিচাপে নিজৰ প্ৰাপ্য লাভত সহায় কৰিব বা যি সচেতনতাই ৰাজহুৱা জীৱনৰ উপৰিও ব্যক্তিগত জীৱনত তথা পৰিয়ালত নাৰীক শোষণৰ পৰা মুক্ত কৰিব। Germaine Greer এ আকৌ তেওঁৰ গ্ৰন্থ 'The Female Eunuch' (1970) ত মহিলাসকলক এক নিষ্প্ৰভ জীৱন তথা যৌন জীৱন অৰ্থাৎ আনৰ দ্বাৰা পৰিচালিত যৌন জীৱন কটাবলৈ বাধ্য কৰোৱা বুলি মত প্ৰকাশ কৰে আৰু কয় যে ইয়াৰ ফলত মহিলাসকলৰ প্ৰকৃত যৌনতা বা যৌন জীৱন তথা ব্যক্তিত্বৰ কিছু দিশ পৰিস্ফূত হ'বলৈ সুযোগ নাপায়। অৰ্থাৎ, মহিলাসকলক প্ৰচলিত ব্যৱস্থাই এক যৌনতাহীন ব্যক্তি হিচাপেহে প্ৰক্ষেপ কৰে।

চৰম নাৰীবাদৰ মূল বৈশিষ্ট্য হ'ল যে ই যৌন শোষণক মুখ্য হিচাপে গ্ৰহণ কৰি শ্ৰেণী শোষণ, বৰ্ণগত শোষণ আদিক গৌণ হিচাপে গ্ৰহণ কৰে। তেওঁলোকৰ মত সেয়েহে লিঙ্গগত বিষয় আৰু লিঙ্গগত শোষণ সামাজিক শ্ৰেণী, বৰ্ণ আৰু ৰাষ্ট্ৰতকৈও

ৰাজনৈতিকভাৱে গুৰুত্বপূৰ্ণ। পুৰুষতন্ত্ৰক তেওঁলোকে এক সংগঠিত আৰু শৃংখলাবদ্ধ লিঙ্গ শোষণৰ আৰু নিয়ন্ত্ৰণৰ আনুষ্ঠানিক আহিলা হিচাপে গণ্য কৰে।

ইংৰাজ ঔপন্যাসিক Virginia Woolf আৰু ফৰাচী ঔপন্যাসিক Simone de Beauvoir হ'ল চৰম নাৰীবাদৰ অন্যতম মূল প্ৰৱক্তা। Virginia Woolf এ তেওঁৰ গ্ৰন্থ 'A Room of ones Own' (1929) ত ব্যাখ্যা আগবঢ়াইছিল কিদৰে পুৰুষৰ দ্বাৰা নাৰী সামাজিক আৰু মানসিকভাৱে শোষিত হয়। Virginia Woolf এ চৰম নাৰীবাদৰ আনুষ্ঠানিক উত্থানৰ কিছু পূৰ্বেই এই ধাৰণা আগবঢ়াই চৰম নাৰীবাদৰ সূচনা কৰি গৈছিল। তেওঁৰ কিছু পিছতেই ফৰাচী ঔপন্যাসিক Simone de Beauvouir এ তেওঁৰ বিখ্যাত গ্ৰন্থ 'The Second Sex' (1949) ৰ Sigmond Freud ৰ বিতৰ্কিত ধাৰণা 'Biology is Destin' অৰ্থাৎ প্ৰত্যাহ্বান জনাইছিল আৰু মত প্ৰকাশ কৰিছিল যে 'A Woman is not born but made' অৰ্থাৎ 'নাৰী জন্মগত নহয়, নাৰী সজোৱা হয়'। অৰ্থাৎ, সমাজত নাৰী যি মৰ্যাদা বা স্থানত থাকে সেয়া নাৰীৰ সামাজিকীকৰণৰ ফল। জন্মৰ পৰাই নাৰীক এনেকুৱা কিছুমান শিক্ষা বা সংস্কৃতিৰ লগত পৰিচিত কৰোৱা হয় যাৰ ফলত তেওঁলোকে পুৰুষক নাৰীতকৈ উচ্চ বুলি জ্ঞান কৰিবলৈ ধৰে। অৰ্থাৎ, সমাজত পুৰুষ নাৰীৰ স্থান নিৰ্দ্ধাৰণত সামাজিকীকৰণ প্ৰক্ৰিয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আৰু এনে সামাজিক জীৱন প্ৰক্ৰিয়াৰ দ্বাৰাই নাৰীৰ স্থান আৰু আচৰণ নিৰ্দ্ধাৰণ কৰা হয়। সেয়েহে তেওঁ কৈছিল যে নাৰী জন্মগত হোৱাতকৈ সমাজ সৃষ্ট। গতিকে এনে কৃত্ৰিম তথা মানৱ সৃষ্ট ব্যৱস্থা ধ্বংস কৰি নিজৰ স্থান উন্নত কৰিবলৈ Beauvoir এ নাৰীসকলক আহ্বান জনাইছিল।

চৰম নাৰীবাদৰ আন এগৰাকী গুৰুত্বপূৰ্ণ প্ৰৱক্তা হ'ল Shulamith Firestone। তেওঁ তেওঁৰ বিখ্যাত গ্ৰন্থ 'The Dialectic of Sex' (1970) ত মত প্ৰকাশ কৰিছিল যে, নাৰীৰ শোষণ, শ্ৰেণী শোষণ আৰু বৰ্ণগত শোষণৰ দৰে গভীৰ বা বিস্তৰ বিষয় হিচাপে আলোচনা কৰিব পৰা নাযায়। তেওঁৰ মতে ঐতিহাসিকভাৱে নাৰী হ'ল প্ৰথম শোষিত শ্ৰেণী আৰু তেওঁলোকৰ অৱদমনক অন্ধবিশ্বাসৰ অৱসান বা শ্ৰেণী সমাজৰ অৱসানৰ দ্বাৰা ধ্বংস কৰিব পৰা নাযায়। Firestone ৰ মতে নাৰীৰ শোষণৰ মূল ভিত্তি হ'ল শাৰীৰিক (Biological)। অৰ্থাৎ সন্তান জন্মদানৰ ক্ষমতাই নাৰীক দুৰ্বল লিঙ্গ হিচাপে প্ৰতিষ্ঠা কৰে। আকৌ জন্মৰ পিছত শিশুৰ লালন-পালন, মাতৃ দুগ্ধ ইত্যাদিয়ে নাৰীক ঘৰুৱা কাম-কাজ, সন্তানৰ লালন-পালন আদিৰ ভিতৰতেই আৱদ্ধ কৰি ৰাখে। সেয়েহে তেওঁৰ মতে এনেকুৱা পৰিস্থিতিৰ অৱসানেহে নাৰীক প্ৰয়োজনীয় মুক্তি প্ৰদান কৰিব। ইয়াৰ বাবে তেওঁ চিকিৎসা বিজ্ঞানৰ উন্নতিক এক পথ হিচাপে গ্ৰহণ কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে গৰ্ভ নিৰোধক ব্যৱস্থা, শিশু খাদ্য, টেষ্ট টিউব কেচুৱা আদিৰ দৰে নতুন ব্যৱস্থাই নাৰীক প্ৰচলিত আৰু প্ৰকৃতি প্ৰদত্ত কাৰ্যবোৰৰ পৰা মুক্ত কৰিব আৰু এক নতুন ব্যৱস্থাৰ সূচনা হ'ব য'ত সন্তানৰ জন্ম আৰু লালন-পালনৰ দায়িত্ব কেৱল মহিলাৰেই হৈ নাথাকিব।

চৰম নাৰীবাদৰ মূল দাবীসমূহৰ অন্যতম আছিল 'Personal is Political' অৰ্থাৎ 'ৰাজহুৱা জীৱনৰ উপৰিও ব্যক্তিগত সম্পৰ্ক আৰু কাম-কাজো ৰাজনীতিৰ অন্তৰ্গত' আৰু সমানে গুৰুত্বপূৰ্ণ। সেয়েহে তেওঁলোকে ৰাজনৈতিক ক্ষেত্ৰৰ পুনৰ বিবেচনাৰ দাবী উত্থাপন কৰিছিল। চৰম নাৰীবাদীসকলে মত প্ৰকাশ কৰে যে পৰিয়ালত পুৰুষ-নাৰীৰ সম্পৰ্কও ক্ষমতাৰ সম্পৰ্ক আৰু সেয়েহে ক্ষমতা সম্পৰ্কীয় যিকোনো কাৰ্যই ৰাজনীতিৰ অন্তৰ্গত হোৱা উচিত।

**নাৰীবাদৰ তৃতীয় আৰু তাৰ পিছৰ পৰ্যায় (Third wave Feminism and beyond)ঃ**

নাৰীবাদৰ পৰ্যায়সমূহক কেৱল উদাৰতাবাদী, সমাজবাদী আৰু চৰম— এই তিনিটা ভাগত আলোচনা কৰাটো সঠিক নহ'ব। কাৰণ সময়ৰ লগে লগে নাৰীবাদ সম্পৰ্কীয় চিন্তা-চৰ্চাৰো পৰিৱৰ্তন হৈছে বা হৈ আহিছে। বিশেষকৈ ১৯৭০ চন মানৰপৰা নাৰীবাদী আলোচনাই কিছু পৃথকতাৰ দিশে গতি কৰিছে। এই পৃথক ধাৰাটোক তৃতীয় পৰ্যায় হিচাপেও আখ্যা দিব পাৰি। এই পৰ্যায়তে উদ্ভৱ হৈছে নাৰীবাদৰ কেইটামান নতুন ধাৰা যেনে ঃ কৃষ্ণাঙ্গ নাৰীবাদ, লেজবিয়ান নাৰীবাদ, উত্তৰ আধুনিক নাৰীবাদ ইত্যাদি। এই পৰ্যায়টোক বিভিন্ন নামেৰে জনা যায়। যেনেঃ নতুন নাৰীবাদ, উত্তৰ নাৰীবাদ ইত্যাদি। নাৰীবাদৰ এই নতুন পৰ্যায়টোক জনপ্ৰিয় কৰিছিল কিছুমান ডেকা নাৰীবাদী কৰ্মীয়ে মূলতঃ ১৯৯০ চন মানৰপৰা। তেওঁলোকৰ দাবী বা যুক্তি আছিল যে ৬০ আৰু ৭০ ৰ দশকৰ নাৰীবাদী আন্দোলনৰ দাবীসমূহে তেওঁলোকৰ দৰে যুৱ নাৰীসকলৰ প্ৰয়োজনীয়তা উপযুক্ত মৰ্যাদা প্ৰদান কৰিব পৰা নাই। সেয়েহে কিছু নতুন চিন্তা আৰু কৰ্মৰ প্ৰয়োজন। নতুন বা উত্তৰ নাৰীবাদৰ ভিতৰত ওপৰত উল্লেখ কৰা ধৰণে বিভিন্ন পৃথক গোট থাকিলেও এই সকলোৰে এটা মূল বৈশিষ্ট্য বা প্ৰকৃতি হ'ল পাৰ্থক্যক স্বীকৃতি প্ৰদান। কিন্তু পাৰ্থক্যৰ দ্বাৰা তেওঁলোকে পুৰুষ আৰু নাৰীৰ পাৰ্থক্য (উদাৰতাবাদী, চৰম নাৰীবাদীসকলৰ দৰে)ক বুজোৱা নাছিল। ইয়াৰ বিপৰীতে তেওঁলোকে বিভিন্ন সমাজৰ নাৰীৰ মাজত থকা পাৰ্থক্যৰ বিষয়েহে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছিল আৰু বুজাব বিচাৰিছিল যে পশ্চিমীয়া উন্নত দেশসমূহৰ

শিক্ষিত নাৰীসকলৰ তুলনাত অনুন্নত সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ আৰু শ্বেতাংগ মহিলা সকলৰ তুলনাত কৃষ্ণাঙ্গ মহিলাসকলে লাভ কৰা শোষণ আৰু নিৰ্যাতনৰ প্ৰকৃতি পৃথক আৰু বেছি। সেয়েহে সকলো নাৰীৰ সমস্যা একে হিচাপে বিবেচনা কৰাটো আৰু সকলোৰে বাবে সমব্যৱস্থাৰ অধিকাৰৰ দাবী উত্থাপন কৰাটো তেওঁলোকৰ মতে সঠিক উপায় নহয়। ইয়াৰ ফলতেই বিশ্বৰ বিভিন্ন প্ৰান্তত এনেকুৱা মহিলাৰ অধিকাৰৰ দাবী সজোৰে উত্থাপন হৈছে আৰু তেওঁলোকৰ পৃথক দাবীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈও সক্ষম হৈছে। এই ক্ষেত্ৰত বিশেষভাৱে সফল হিচাপে পৰিগণিত হৈছে কৃষ্ণাঙ্গ নাৰীবাদ। কৃষ্ণাঙ্গ নাৰীবাদে পৰম্পৰাগত নাৰীবাদৰ অন্তৰ্গত উদাৰতাবাদী নাৰীবাদক বৰ্ণ বৈষম্যৰ দিশটো আওকাণ কৰা বাবে তীব্ৰ সমালোচনা কৰে আৰু প্ৰতিষ্ঠা কৰিব বিচাৰে বা কৰে কিদৰে কৃষ্ণ বৰ্ণৰ মহিলাসকলে শ্বেতাংগ মহিলাসকলৰ তুলনাত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত এক পিছপৰা জীৱন অতিবাহিত কৰিব লগা হয়। অৰ্থাৎ, কৃষ্ণাঙ্গ নাৰীবাদৰ মূল উদ্দেশ্য হ'ল ক'লা ছালৰ মহিলাসকলে সন্মুখীন হোৱা বিশেষ বৈষম্য আৰু শোষণক পৃথককৈ প্ৰতিষ্ঠা কৰা, যি বিষয় নাৰীবাদৰ পূৰ্বৰ পৰ্যায়বোৰে আওকাণ কৰিছিল।

নাৰীবাদৰ এই পৰ্যায়ত যথেষ্ট নতুন ধাৰণাই ঠাই পাইছে। কিছুমানৰ মতে নাৰীৰ অৱদমনৰ মূল কাৰণ ৰাজনৈতিক হোৱাতকৈ বহু পৰিমাণে মানসিক। সেয়েহে Naomi Wolf এ মহিলাসকলক নতুন নাৰী শক্তিৰ সঠিক প্ৰয়োগৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছিল। আকৌ Germaine Greer এ নাৰীক পুৰুষৰ সমানে অধিকাৰ প্ৰদানৰ দাবীক তীব্ৰ সমালচোনা কৰি মত প্ৰকাশ কৰিছিল যে ইয়াৰ দ্বাৰা অৰ্থাৎ পুৰুষৰ সমান অধিকাৰৰ দাবী উত্থাপনৰ দ্বাৰা নাৰীসকলে নিজৰেই স্বতন্ত্ৰতাৰ পথ বন্ধ কৰিছে আৰু এক ভুৱা সৰলীকৰণৰ পিছতহে অগ্ৰসৰ হৈছে। তেওঁৰ মতে, এই কাৰ্যও আনকি পুৰুষতন্ত্ৰৰেই, যি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বিভিন্ন উপায়ে প্ৰৱাহিত হৈ থাকে।

**প্ৰশ্নাৱলী ঃ**

১। দৃষ্টিভংগী মানে কি বুজা?

২। উদাৰতাবাদ কি? সনাতন উদাৰতাবাদৰ মূলনীতিবোৰ আলোচনা কৰা।

৩। আধুনিক উদাৰতাবাৰ মূল নীতিবোৰ আলোচনা কৰা।

৪। সনাতন উদাৰতাবাদ আৰু আধুনিক উদাৰতাবাদৰ মাজত পাৰ্থক্য আলোচনা কৰা।

৫। নব্য উদাৰতাবাদৰ অৰ্থ লিখা। নব্য উদাৰতাবাদৰ বৈশিষ্টবোৰ আলোচনা কৰা।

৬। মাৰ্ক্সবাদ কি? মাৰ্ক্সবাদৰ মূলনীতিবোৰ আলোচনা কৰা।

৭। দ্বন্দাত্মক বস্তুবাদৰ ধাৰণাটো সমালোচনাত্মকভাবে আলোচনা কৰা।

৮। ইতিহাস বস্তুবাদী ব্যাখ্যা ধাৰণাটো সমালোচনাত্মকভাবে আলোচনা কৰা।

৯। শ্ৰেণী সংগ্ৰাম তত্ত্বতৰ ধাৰণাটো সমালোচনাত্মকভাবে আলোচনা কৰা।

১০। নাৰীবাদ কি? নাৰীবাদৰ মূল বিষয়বোৰ আলোচনা কৰা।

১১। নাৰীবাদৰ বিকাশৰ বিভিন্ন স্তৰবোৰ আলোচনা কৰা।

১২। পুৰুষতন্ত্ৰ কি? পুৰুষতন্ত্ৰৰ মূল স্তম্ভবোৰ আলোচনা কৰা।

১৩। চমুটো লিখা ঃ

(ক) উদাৰতাবাদী নাৰীবাদ

(খ) সমাজবাদী নাৰীবাদ

(গ) কৃষ্ণাংগ নাৰীবাদ

(ঘ) জৈৱিক লিংগ আৰু সামাজিক লিংগৰ পাৰ্থক্য।

(ক) নব্য মাৰ্ক্সবাদ

## অধ্যায়- ৩
## ৰাজনৈতিক তত্ত্বৰ ধাৰণাসমূহ
## (Concepts in Political Theory)

# (ক) ৰাষ্ট্ৰ (State)

ৰাজনীতি বিজ্ঞানৰ এটা কেন্দ্ৰীয় বিষয় হ'ল ৰাষ্ট্ৰ। ৰাজনীতিৰ সকলোবোৰ অধ্যয়নেই ৰাষ্ট্ৰক কেন্দ্ৰ কৰি আৰম্ভ হয়। অৱশ্যে ৰাষ্ট্ৰক কেতিয়াবা জাতি, সমাজ বা চৰকাৰ আদিৰ প্ৰতিশব্দ হিচাবেওঁ ব্যৱহাৰ কৰা হয়। ৰাষ্ট্ৰৰ কৰ্ম, প্ৰকৃতি আদি বিষয়ক লৈওঁ ৰাজনীতি বিজ্ঞানত যথেষ্ট মতবাদ পোৱা যায়।

**ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণা (Concept of State) ঃ** সাধাৰণ অৰ্থত ৰাষ্ট্ৰ হ'ল এক ৰাজনৈতিক সমাজ। মানুহে সমাজবদ্ধভাবে বাস কৰাৰ ফলতে ক্ৰমোন্নতিৰ ফলত ৰাষ্ট্ৰৰ জন্ম হৈছিল। অৱশ্যে ৰাষ্ট্ৰ শব্দটো আদিতে ব্যৱহাৰ হোৱা নাছিল। উদাহৰণস্বৰূপে প্ৰাচীন গ্ৰীচত ৰাজনৈতিক সমাজক 'polis' আখ্যা দিয়া হৈছিল। Polis আছিল আজিৰ ৰাষ্ট্ৰৰ তুলনাত বহুত পৰিমাণে আয়তনত সৰু ৰাষ্ট্ৰ। ৰোমান সকলে আকৌ এনে অনুষ্ঠানক 'civitas' বুলিছিল। জাৰ্মানীৰ আদিবাসী টিউটন সকলে ৰাষ্ট্ৰৰ দৰে অনুষ্ঠানক ষ্টেটাচ (status) বুলিছিল। পণ্ডিত সকলে ঠাৰৰ কৰে যে এই ষ্টেটাচ (status) শব্দৰ পৰাই ইংৰাজীৰ ষ্টেট (state) আৰু অসমীয়াত 'ৰাষ্ট্ৰ' শব্দটোৰ উদ্ভৱ হৈছে। 'ৰাষ্ট্ৰ'ৰ দৰে অনুষ্ঠান বহু আগতে জন্ম হলেওঁ ৰাষ্ট্ৰৰ নামাকৰণ যোল শ শতিকালৈ হোৱা নাছিল। ইটালীৰ বিখ্যাত চিন্তানায়ক মেকিয়াভেলিয়ে তেওঁৰ 'The prince' নামৰ গ্ৰন্থত 'State' শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল। তেতিয়াৰে পৰা ৰাষ্ট্ৰ শব্দটোৰ বহুল ব্যৱহাৰ হৈ আহিছে।

সামাজিক জীৱন সুশৃংখল আৰু শান্তিপূৰ্ণ কৰি তোলাৰ বাবে জন্ম হোৱা 'ৰাষ্ট্ৰ' নামৰ অনুষ্ঠানটোৱে কি বুজায় তাৰ উত্তৰ দিবলৈ যাওঁতে ৰাজনৈতিক পণ্ডিত সকলে বিভিন্ন দৃষ্টিকোণৰ পৰা ৰাষ্ট্ৰৰ সংজ্ঞা আগবঢ়াইছে। ৰাষ্ট্ৰৰ সংজ্ঞাৰ বিভিন্নতাৰ মূল কাৰণ হ'ল বিভিন্ন চিন্তাবিদৰ ৰাষ্ট্ৰ সৃষ্টিৰ উদ্দেশ্যে আৰু ইয়াৰ প্ৰকৃতি সম্বন্ধে পোষণ কৰা ধাৰণাৰ বিভিন্নতা। তলত বিভিন্ন ৰাজনৈতিক পণ্ডিতে ৰাষ্ট্ৰ সম্পৰ্কে আগবঢ়োৱা মন্তব্যবোৰ উল্লেখ কৰা হ'ল।

গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে সুস্থ আৰু স্বাবলম্বী জীবন যাপন কৰিবলৈ কিছুমান একত্ৰিত হোৱা পৰিয়াল আৰু গাওঁৰ সমষ্টিয়েই ৰাষ্ট্ৰ। (The State is a union of families having for its end perfect and self suffering life by which we lead a happy and perfect life)

বাজেচৰ মতে কোনো নিৰ্দিষ্ট ভূখণ্ডৰ মানুহৰ সংঘবদ্ধ জীৱনকে ৰাষ্ট্ৰ বোলে। (The State is a particular portion of mankind viewed as organised unit)

ব্লান্টস্লিৰ মতে 'কোনো এক নিৰ্দিষ্ট চাৰিসীমাৰ ভিতৰত থকা ৰাজনৈতিক ভাবে সংগঠিত জনসমষ্টিয়ে হ'ল ৰাষ্ট্ৰ। (The State is a politicaly organised people of a definite territory)

অধ্যাপক গাৰ্ণাৰৰ মতে 'ৰাষ্ট্ৰ ৰাজনীতি বিজ্ঞান আৰু শাসনাতান্ত্ৰিক আইনৰ ধাৰণা মতে কম বেছি পৰিমানৰ এক জনসমষ্টি, যি স্থায়ীভাৱে কোনো নিৰ্দিষ্ট ভূখণ্ড অধিকাৰ কৰি থাকে, যি বহিশক্তিৰ নিয়ন্ত্ৰণৰ পৰা সম্পূৰ্ণভাৱে মুক্ত যাৰ সৰহ সংখ্যক অধিবাসীৰেই স্বাভাৱিক আনুগত্য লাভ কৰা এটা সুসংগঠিত চৰকাৰ আছে।

ওপৰৰ সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে ড° গাৰ্ণাৰৰ সংজ্ঞাটোকে আটাইতকৈ গ্ৰহণযোগ্য বুলি মানি লব পৰা যায় কিয়নো গাৰ্ণাৰৰ সংজ্ঞাটোত ৰাষ্ট্ৰৰ থাকিবলগীয়া আটাইকেইটা উপাদান সন্নিবিষ্ট আছে। তলত ৰাষ্ট্ৰৰ উপাদানবোৰ আলোচনা কৰা হ'ল—

**ৰাষ্ট্ৰৰ উপাদান (Elements of State) ঃ**

ৰাষ্ট্ৰ সম্পৰ্কে চিন্তাবিদ সকলে দাঙি ধৰা সংজ্ঞাৰ ভিত্তিত ৰাষ্ট্ৰ এখনত বিভিন্ন উপাদানৰ সমাহাৰ ঘটা দেখা পোৱা যায়। ৰাষ্ট্ৰ এখনৰ মূল উপাদান চাৰিটা—

(i) জনসমষ্টি (population)

(ii) নিৰ্দিষ্ট ভূখণ্ড (Definite territory)

(iii) চৰকাৰ (Government)

(iv) সাৰ্বভৌমত্ব (Sovereignty)

**জনসমষ্টি ঃ** জনসমষ্টি ৰাষ্ট্ৰৰ এক অপৰিহাৰ্য্য উপাদন। ৰাষ্ট্ৰ সৃষ্টিৰ গুৰিতে আছিল জনসাধাৰণৰ প্ৰয়োজনীয়তা। জনসাধাৰণক বাদ দি ৰাষ্ট্ৰৰ চিন্তা কৰাটোওঁ সম্ভৱপৰ নহয়। অৱশ্যে ৰাষ্ট্ৰৰ জনসংখ্যা কিমান হব লাগে সেয়া কোনো ধৰা বন্ধা নিয়ম নাই। অতীতত ৰাষ্ট্ৰবোৰৰ আকৃতি ক্ষুদ্ৰ বা কম পৰিসৰৰ থকা বাবে জনসংখ্যাৰ পৰিমানো আছিল কম আনহাতে বৰ্ত্তমান ৰাষ্ট্ৰৰ আয়তন বিশাল হোৱাৰ লগে লগে জনসংখ্যাৰ পৰিমানো বৃদ্ধি পাইছে। অৱশ্যে বৰ্তমান সময়তো ভেটিকান চিটিৰ দৰে ক্ষুদ্ৰ ৰাষ্ট্ৰৰ যাৰ জনসংখ্যা হেজাৰৰো কম তেনে ৰাষ্ট্ৰওঁ আছে। আনফালে চীন, ভাৰতৰ দৰে ১০০ কৌটিতকৈ অধিক জনসংখ্যা থকা ৰাষ্ট্ৰওঁ বিশ্বত দেখা যায়। বিভিন্ন ৰাজনৈতিক দাৰ্শনিক সকলে এখন আদৰ্শ ৰাষ্ট্ৰৰ জনসংখ্যা কিমান হব লাগে সেই সম্পৰ্কে মন্তব্য প্ৰকাশ কৰিছে। প্লেটোৰ মতে এখন আদৰ্শ ৰাষ্ট্ৰৰ জনসংখ্যা ৫০৪০ জন হব লাগে। ৰুছোৱে আকৌ জনসংখ্যাৰ পৰিমাণ ১০,০০০ হ'ব লাগে বুলিহে মন্তব্য কৰিছিল। এৰিষ্ট'টলে আকৌ ৰাষ্ট্ৰৰ জনসংখ্যা খুব বেছি বা খুব কম হ'ব নালাগে বুলিয়ে উল্লেখ কৰিছিল। দৰাচলতে ৰাষ্ট্ৰৰ জনসংখ্যা কিমান হোৱাটো দৰকাৰ সি বহু পৰিমাণে নিৰ্ভৰ কৰে সেই দেশত পোৱা সম্পদ আৰু আয়তনৰ ওপৰত।

ৰাষ্ট্ৰ এখনৰ বাসিন্দা সকলক দুটা ভাগত ভগাব পাৰি — নাগৰিক আৰু বিদেশী। যিসকল ব্যক্তিয়ে ৰাষ্ট্ৰত স্থায়ীভাৱে বসবাস কৰে আৰু ৰাষ্ট্ৰই প্ৰদান কৰা সকলো অধিকাৰ ভোগ কৰে তেওঁক ৰাষ্ট্ৰৰ স্থায়ী বাসিন্দা বোলা হয়। আনহাতে যিসকল ব্যক্তিয়ে বেলেগ কোনো ৰাষ্ট্ৰৰ নাগৰিক হৈয়ো আন ৰাষ্ট্ৰত অস্থায়ীভাৱে বাস কৰি থাকে তেওঁলোকক বিদেশী বুলি কোৱা হয়।

**নিৰ্দিষ্ট ভূখণ্ড (Definite territory)** ঃ জনসংখ্যাৰ দৰেই আন এক ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ উপাদান হ'ল ভূখণ্ড। কেৱল জনসংখ্যাৰে ৰাষ্ট্ৰ হ'ব নোৱাৰে। জনসংখ্যাই সংঘবদ্ধ ভাৱে কোনো এটুকুৰা ঠাইত স্থায়ীভাৱে বসবাস কৰিলেহে ৰাষ্ট্ৰৰ জন্ম হয়। উদাহৰণস্বৰূপে ইহুদী সকলে অস্থায়ীভাৱে ঘূৰি ফুৰালৈকে ৰাষ্ট্ৰ গঠন কৰিব পৰা নাছিল। ১৯৪৮ চনত পেলেষ্টাইনত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ পাচতহে ইজৰাইল ৰাষ্ট্ৰখনৰ সৃষ্টি হ'ল। ব্লান্টস্লিৰ মতে 'জনসমষ্টিৰ ভিতৰত যিদৰে ৰাষ্ট্ৰৰ ব্যক্তিগত ভেটি নিহিত আছে, ভূখণ্ডৰ মাজত সেইদৰে বস্তুগত ভেটি নিহিত আছে। যেতিয়ালৈ জনসাধৰণে কোনো ভূখণ্ডৰ গৰাকী নহয় তেতিয়ালৈকে ৰাষ্ট্ৰ গঠন হ'ব নোৱাৰে (As the state has the personal basis in the people so it has material basis in the land. The people do not become a state untill they have acquired territory)

জনসংখ্যাৰ দৰে ৰাষ্ট্ৰৰ ভূখণ্ডৰো নিৰ্দিষ্ট ধৰা বন্ধা পৰিসৰ নাই। একাংশ লোকৰ মতে ৰাষ্ট্ৰৰ আয়তন সৰু হ'ব লাগে আকৌ আন একাংশৰ মতে ৰাষ্ট্ৰৰ আয়তন বৃহৎ হ'লেহে সি উপযোগী হয়। বৰ্ত্তমান বিশ্বত অৱশ্যে সৰু ডাঙৰ আয়তনৰ উভয় ৰাষ্ট্ৰই বিদ্যমান। ভেটিকানৰ দৰে সৰু ৰাষ্ট্ৰই যাৰ আয়তন মাত্ৰ ৪৪ বৰ্গ কিঃমিঃ এতিয়াওঁ আছে। আনহাতে ৰাছিয়াৰ দৰে ৮৩,৩৬৫১০ বৰ্গ মাইল ৰাষ্ট্ৰও আছে।

ৰাষ্ট্ৰ এখনৰ নিৰ্দিষ্ট ভূখণ্ড বুলিলে কেৱল ই আগুৰি থকা মাটিখিনিকে নবুজায় তাৰ পৰিবৰ্ত্তে ভূখণ্ডই জল, স্থল বায়ুমণ্ডলকো সামৰি লয়। ৰাষ্ট্ৰত থকা নদ নদী, খাল বিল, পাহাৰ পৰ্বত সকলো ভূখণ্ডৰ অন্তৰ্গত। আকৌ ৰাষ্ট্ৰৰ ভূখণ্ড সমুদ্ৰৰ উপকুলৰ লগত সংলগ্ন হলে সমুদ্ৰৰ কিছু অংশ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণাধীন হয়। অৱশ্যে সমুদ্ৰৰ কিমান দূৰলৈ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ থাকিব তাৰ কোনো ধৰাবন্ধা নিয়ম নাই।

**চৰকাৰ (Government)** ঃ ৰাষ্ট্ৰ গঠনৰ আন এক অপৰিহাৰ্য্য উপাদন হ'ল চৰকাৰ। চৰকাৰ ৰাষ্ট্ৰ পৰিচালনাৰ যন্ত্ৰ স্বৰূপ। ৰাষ্ট্ৰৰ সকলো ইচ্ছা আকাংক্ষা আদি চৰকাৰৰ মাধ্যমতহে প্ৰকাশ পায়। চৰকাৰ আৰু ৰাষ্ট্ৰৰ মাজত এনে নিৰবিচিন্ন সম্পৰ্কৰ বাবেই বহুতো লোকে ৰাষ্ট্ৰৰ আৰু চৰকাৰৰ মাজত কোনো প্ৰভেদ নাৰাখে।

সকলো ৰাষ্ট্ৰৰ চৰকাৰ একে নহয়। ৰাষ্ট্ৰৰ চৰকাৰ বিভিন্ন প্ৰকাৰৰ হব পাৰে। বৰ্ত্তমান যুগত প্ৰায় সকলো ৰাষ্ট্ৰই গণতান্ত্ৰিক হলেওঁ চৰকাৰৰ প্ৰকাৰ বেলেগ বেলেগ যেনে — যুক্তৰাষ্ট্ৰীয়, একাত্মক, সংসদীয়, সীমিত গণতান্ত্ৰিক, ৰাজতান্ত্ৰিক আদি হ'ব পাৰে।

**সাৰ্বভৌমত্ব (Sovereignty)** ঃ ৰাষ্ট্ৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানটো হ'ল সাৰ্বভৌমত্ব। সাৰ্বভৌমত্ব ৰাষ্ট্ৰৰ প্ৰাণ স্বৰূপ। জনসংখ্যা, নিৰ্দিষ্ট ভূখণ্ড বা চৰকাৰ থাকিলেওঁ সাৰ্বভৌমত্ব অবিহনে ৰাষ্ট্ৰ গঠন কৰিব নোৱাৰি। সাৰ্বভৌমত্বই সৰ্ব্বোচ্চ ক্ষমতাক বুজায়। এই ক্ষমতা কেৱল ৰাষ্ট্ৰৰ ভিতৰত ব্যক্তি আৰু অনুস্থানৰ ওপৰতে প্ৰয়োগ নহয়। ইয়ে ৰাষ্ট্ৰক বিদেশী শক্তিৰ পৰাওঁ মুক্ত ৰাখে।

সাৰ্বভৌমত্বৰ দিশ দুটা (i) বহিঃ সাৰ্বভৌমত্ব (ii) আভ্যন্তৰীণ সাৰ্বভৌমত্ব। আভ্যন্তৰীণ সাৰ্বভৌমত্বই ৰাষ্ট্ৰক ইয়াৰ ভৌগলিক পৰিসীমাৰ ভিতৰত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। এই ক্ষমতাৰ যোগেদি ৰাষ্ট্ৰই ইয়াৰ অন্তৰ্গত সকলো ব্যক্তি তথা অনুষ্ঠানক নিয়ন্ত্ৰণ কৰিব পাৰে। আকৌ বহিঃ সাৰ্বভৌমত্বই ৰাষ্ট্ৰক বহিঃক্ষেত্ৰত বা বহিঃ ৰাষ্ট্ৰৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰে।

ৰাষ্ট্ৰৰ এই চাৰিটা উপাদানৰ উপৰিও আধুনিক ৰাজনৈতিক চিন্তাবিদসকলে আৰু দুটা উপাদানৰ কথা উল্লেখ কৰিছে। সেই দুটা হ'ল ৰাষ্ট্ৰৰ স্থায়িত্ব আৰু বৈদেশিক স্বীকৃতি।

**স্থায়ীত্ব (Permanance)ঃ** স্থায়ীত্বক ৰাষ্ট্ৰৰ এক উপাদান বুলি গণ্য কৰা হয়। স্থায়ীভাৱে কোনো নিৰ্দিষ্ট ভূখণ্ড অধিকাৰ কৰি সংগঠিত হোৱা আৰু স্বাধীনভাৱে শাসন চলাই থকা জন সমষ্টিকহে ৰাষ্ট্ৰ বুলি গণ্য কৰা হয়। ৰাষ্ট্ৰৰ স্থায়ীত্ব ৰাষ্ট্ৰৰ এটা উল্লেখযোগ্য উপাদান হলেওঁ ইয়াক অপৰিহাৰ্য বুলি গণ্য কৰা নহয়।

**স্বীকৃতি (Recognition)ঃ** আধুনিক চিন্তাবিদসকলৰ বহুতে স্বীকৃতিকো ৰাষ্ট্ৰৰ এক উপাদানৰূপে চিহ্নিত কৰিছে। বৰ্ত্তমান সময়ৰ কোনো ৰাষ্ট্ৰই অকলশৰীয়াভাৱে জীৱন নিৰ্বাহ কৰিব নোৱাৰে। বিভিন্ন কাৰণত এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰৰ ওপৰত আৰ্থিক সামৰিক সাহাৰ্য্য লাভৰ প্ৰয়োজন আহি পৰে। এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰৰ পৰা সাহাৰ্য্য লাভৰ প্ৰাক চৰ্ত্ত হ'ল স্বীকৃতি লাভ। আৰ্ন্তজাতিক আইনবিদ অপেন হেইমেওঁ মন্তব্য কৰিছে যে একমাত্ৰ স্বীকৃতিৰ দ্বাৰাহে কোনো ৰাষ্ট্ৰই আন্তৰ্জাতিক সত্তা লাভ কৰিব পাৰে আৰু আৰ্ন্তজাতিক আইনৰ বিষয়বস্তু হ'ব পাৰে।

**ৰাষ্ট্ৰ আৰু চৰকাৰৰ সম্পৰ্ক (Relation between State and Government)ঃ** ৰাজনীতি বিজ্ঞান অধ্যয়নৰ দুটা মূল বিষয়বস্তু হৈছে ৰাষ্ট্ৰ আৰু চৰকাৰ। অতি প্ৰাচীন কালৰে পৰা ৰাষ্ট্ৰ আৰু চৰকাৰৰ বিষয়ে অধ্যয়ন চলি আহিছে। বহুতো ৰাজনৈতিক আলোচকে ৰাষ্ট্ৰ আৰু চৰকাৰক সমাৰ্থক শব্দ হিচাবে ব্যৱহাৰ কৰিছিল। অৱশ্যে ইয়াৰ অন্তৰালত কাৰণো নিহিত আছে। ৰাষ্ট্ৰৰ সকলো ইচ্ছা অনিচ্ছা তথা ক্ষমতা চৰকাৰৰ যোগেদি কাৰ্যকাৰী হয়। বিশিষ্ট ৰাজনীতিবিদ হবছে তেওঁৰ আলোচনাত ৰাষ্ট্ৰ আৰু চৰকাৰক একে অৰ্থতে বা সীমিত পাৰ্থক্যত ব্যৱহাৰ কৰিছিল। ইংলেণ্ডৰ ষ্টুৱাৰ্ড বংশৰ ৰজা কিছুমানে নিজৰ চূড়ান্ত কৰ্তৃত্ব দেখুৱাবলৈ গৈ ৰাষ্ট্ৰ আৰু প্ৰশাসকক এক কৰি পেলাইছে। ফ্ৰান্সৰ ৰজা চতুৰ্দশ লুয়ে স্পষ্টভাৱে ঘোষণা কৰিছিল 'ময়েই ৰাষ্ট্ৰ'। (I am the State - Louis XIV)

প্ৰকৃত অৰ্থত ৰাষ্ট্ৰ আৰু চৰকাৰৰ অৰ্থ সম্পূৰ্ণ বেলেগ। ইংৰাজ দাৰ্শনিক জন ল'কেই প্ৰথম ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত পাৰ্থক্য নিৰূপণ কৰিছিল। ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজৰ পাৰ্থক্যবোৰ তলত আলোচনা কৰা হ'ল—

১। ৰাষ্ট্ৰ এটা সম্পূৰ্ণ অনুষ্ঠান, চৰকাৰ হ'ল তাৰ অংশ মাত্ৰ। জনসংখ্যা, নিৰ্দিষ্ট ভূখণ্ড, চৰকাৰ আৰু সাৰ্বভৌমত্বক লৈ ৰাষ্ট্ৰ গঠিত আনহাতে চৰকাৰ ইয়াৰ এটা উপাদানহে মাত্ৰ।

২। ৰাষ্ট্ৰ এটা স্থায়ী অনুষ্ঠান ইয়াৰ পৰিৱৰ্ত্তন নাই, কিন্তু চৰকাৰ অস্থায়ী পৰিৱৰ্ত্তনশীল। গণতান্ত্ৰিক চৰকাৰবোৰ এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ভঙা পতা হৈ থাকে কিন্তু ৰাষ্ট্ৰ স্থায়ী ইয়াৰ পৰিৱৰ্ত্তন নহয়।

৩। ৰাষ্ট্ৰৰ লগত চৰকাৰৰ আন এটা উল্লেখযোগ্য পাৰ্থক্য হ'ল— ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা আছে। কিন্তু চৰকাৰৰ এই সাৰ্বভৌম ক্ষমতা নাই। চৰকাৰে সকলো ক্ষমতা ৰাষ্ট্ৰৰ পৰাহে পায়। এই ক্ষেত্ৰত গিলখ্ৰাইষ্টে কৈছে 'ৰাষ্ট্ৰৰ লগত সম্পৰ্ক থকা বাবেহে চৰকাৰে ক্ষমতা লাভ কৰে ই সাৰ্বভৌম নহয়' (Government has power in virtul of its relation to the state. It is not sovereign)

৪। ৰাষ্ট্ৰ এটা বিমূৰ্ত ধাৰণা। চৰকাৰ তাৰ বাস্তৱ ৰূপ। চৰকাৰৰ মাধ্যমেৰেই ৰাষ্ট্ৰ মূৰ্তমান হৈ উঠে। চৰকাৰৰ মাজেৰেই ৰাষ্ট্ৰৰ অস্তিত্ব অনুভূত হয়। ৰাষ্ট্ৰৰ সকলো কাম কাজ চৰকাৰে কৰে।

৫। সকলো জনসাধাৰণক লৈ ৰাষ্ট্ৰ গঠিত হয়। কিন্তু ৰাষ্ট্ৰৰ সীমিত সংখ্যক লোকক লৈহে চৰকাৰ গঠিত হয়। সমগ্ৰ জনসাধাৰণৰ ভিতৰত এটা অতি কম অংশহে চৰকাৰত ভাগ লয়।

৬। ৰাষ্ট্ৰৰ প্ৰকৃতি একে। পৃথিৱীৰ সকলো ৰাষ্ট্ৰৰে গঠন একে। সকলো ৰাষ্ট্ৰই ভূখণ্ড, জনসাধাৰণ, চৰকাৰ আৰু সাৰ্বভৌমত্বৰে গঠিত। কিন্তু প্ৰত্যেক ৰাষ্ট্ৰৰ চৰকাৰৰ প্ৰকৃতি ভিন ভিন হয়। কোনো ৰাষ্ট্ৰত গনতন্ত্ৰ আন কোনোত একনায়কতন্ত্ৰ আকৌ আন কোনো দেশত ৰাজতন্ত্ৰও থাকিব পাৰে ।

ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত কিছুমান পাৰ্থক্য থাকিলেওঁ দুয়োটা অনুষ্ঠানৰ মাজৰ সম্পৰ্ক অতি নিবিড় আৰু ঘনিষ্ঠ। এটাক বাদ দি আনটো থাকিব নোৱাৰে। ৰাষ্ট্ৰৰ সকলো ইচ্ছা প্ৰকাশিত হয় তথা কাৰ্যকৰী হয় চৰকাৰৰ যোগেদিহে। ৰাষ্ট্ৰ এখনৰ নিৰাপত্তা,

অখণ্ডতা, জনসাধাৰণৰ ৰক্ষণাবেক্ষণ চৰকাৰৰ দ্বাৰাহে কাৰ্যকৰী হয়। মুঠতে ৰাষ্ট্ৰ আৰু চৰকাৰ এটা আনটোৰ পৰিপূৰক।

**ৰাষ্ট্ৰ আৰু সমাজৰ সম্পৰ্ক (Relation between state and society)ঃ**

কোনো জনসমষ্টিয়ে যেতিয়া সমূহীয়া উদ্দেশ্যলৈ সংঘবদ্ধ হৈ বাস কৰে তেতিয়াই সমাজ গঠিত হয়। মানুহ সমাজ প্ৰিয় প্ৰাণী। নিজৰ কিছুমান প্ৰয়োজন চৰিতাৰ্থ কৰিবলৈ মানুহে সমাজৰ সৃষ্টি কৰিছিল। সমাজ প্ৰতিষ্ঠাৰ অন্তৰালত লুকাই আছে নিজৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় সুযোগ আদায় কৰা। সমাজৰ দৰে ৰাষ্ট্ৰও মানব সৃষ্ট অনুষ্ঠান। মানুহে এটা সময়ত সমাজত নিৰপত্তাহীনতাৰ শংকা কৰি ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ জন্ম দিছিল। গ্ৰীক ৰাজনীতিত প্ৰাচীন সময়ত ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত কোনো ধৰণৰ প্ৰভেদ ৰখা নাছিল। অৱশ্যে সেই সময়ত ৰাষ্ট্ৰ আৰু সমাজৰ মাজত পাৰ্থক্য নৰখাৰ কাৰণো নথকা নহয়। সেই সময়ত গ্ৰীক নগৰবিলাকৰ জনসংখ্যা সীমিত হোৱাৰ উপৰিও ইয়াৰ এলেকাওঁ সীমিত আছিল। যাৰ বাবে প্লেটো এৰিষ্ট'টল আদি ৰাজনীতিবিদ সকলে ৰাষ্ট্ৰ সমাজৰ মাজত কোনো ধৰণৰ পাৰ্থক্য ৰখা নাছিল। অৱশ্যে দুয়োটা অনুষ্ঠানৰে কিছুমান নিজস্ব আৰু সুকীয়া বৈশিষ্ট আছে।

ৰাষ্ট্ৰ আৰু সমাজৰ মাজত থকা প্ৰভেদবোৰ হ'ল—

(i) ৰাষ্ট্ৰৰ এটা নিৰ্দিষ্ট পৰিসীমা থাকে। এনে পৰিসীমাৰ ভিতৰতহে ৰাষ্ট্ৰই নিজৰ কৰ্তৃত্ব সাব্যস্ত কৰিব পাৰে। কিন্তু সমাজৰ তেনে কোনো নিৰ্দিষ্ট পৰিসীমা নাথাকে। উদাহৰণস্বৰূপে খ্ৰীষ্টিয়ান সমাজ বুলিলে সমগ্ৰ পৃথিৱীৰ খ্ৰীষ্টধৰ্মালম্বী লোকক সামৰি লয়।

(ii) ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিওঁ ক'ব পাৰি যে সমাজৰ উৎপত্তি ৰাষ্ট্ৰতকৈ পুৰণি। সমাজ বিকাশৰ ইতিহাস অধ্যয়ন কৰিলে বুজিব পৰা যায় যে ৰাষ্ট্ৰ গঠনৰ বহুপুৰ্বেই সমাজৰ সৃষ্টি হৈছিল মেকাইভাৰৰ মতে 'In the earliest phases, among hunters, fishers, root digggers and fruit - gathers, there have been social groups which know nothing or almost nothing of the state'.

(iii) ৰাষ্ট্ৰৰ সংগঠিত চৰকাৰ থাকে। চৰকাৰ অবিহনে ৰাষ্ট্ৰৰ চিন্তাই কৰিব নোৱাৰি। সমাজৰ ক্ষেত্ৰত এই ধৰণৰ সংগঠিত চৰকাৰ নাথাকে। সমাজৰ কোনো সংগঠিত চৰকাৰ নথকাৰ ফলত সামাজিক ৰীতি-নীতিবোৰ ৰাষ্ট্ৰীয় আইনৰ দৰে কাৰ্যকৰী কৰিব নোৱাৰি।

(iv) ৰাষ্ট্ৰ আৰু সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্যটো হ'ল ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আছে। ৰাষ্ট্ৰই ইয়াৰ আইন কানুনসমূহ নাগৰিকক বাধ্যতামূলক ভাবে মানি চলিবলৈ বাধ্য কৰাব পাৰে। ৰাষ্ট্ৰীয় আইন ভংগকাৰীক শাস্তি প্ৰদান কৰিব পাৰে। আনকি মৃত্যুদণ্ডও দিব পাৰে। কিন্তু সমাজৰ সাৰ্বভৌম ক্ষমতা নথকা হেতু সমাজে বাধ্যতামূলক ভাবে ইয়াৰ সদস্যক নীতি মানিবলৈ দিব নোৱাৰে।

ৰাষ্ট্ৰ আৰু সমাজৰ আন এটা পাৰ্থক্য হ'ল ৰাষ্ট্ৰই মানুহৰ অকল বাহ্যিক কাৰ্যকলাপবোৰহে নিয়ন্ত্ৰণ কৰে কিন্তু সমাজে মানুহৰ বাহ্যিক, আভ্যন্তৰীন দুয়োটা দিশে নিয়ন্ত্ৰণ কৰে ।

ৰাষ্ট্ৰ আৰু সমাজৰ মাজত পাৰ্থক্য আছে যদিওঁ অনেক ক্ষেত্ৰতে ইহঁতৰ মাজত সম্বন্ধ বিদ্যমান। ৰাষ্ট্ৰ আৰু সমাজ এই দুয়োটা অনুস্থানৰে মূল উদ্দেশ্য হ'ল সমাজত মানুহৰ এক সুখী আৰু উন্নত জীৱন গঢ়ি তোলা। আকৌ ৰাষ্ট্ৰ সমাজৰ ভিতৰতে গঢ়ি উঠা এক অনুষ্ঠান। সমাজৰ শান্তিপূৰ্ণ, শৃংখলাবদ্ধ পৰিবেশতহে উন্নত জীৱন গঢ়ি তোলা সম্ভৱ। এনে শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধ পৰিবেশ ৰাষ্ট্ৰইহে নিৰ্মাণ কৰে। ৰাষ্ট্ৰীয় নীতি নিয়মে সমাজৰ কু-সংস্কাৰ, অন্ধ বিশ্বাস আদি আতৰ কৰি প্ৰগতিৰ পথ প্ৰশস্ত কৰে। আকৌ সমাজত প্ৰচলিত ৰীতি-নীতি প্ৰথা পৰম্পৰাই ৰাষ্ট্ৰীয় আইনৰ উৎস। এইদৰে দুয়োটা অনুস্থানে পৰম্পৰ সহযোগী আৰু নিৰ্ভৰশীল হৈ নিজ নিজ কাৰ্য সম্পাদনা কৰে। সেয়েহে বাৰ্কাৰে কৈছিল ৰাষ্ট্ৰ আৰু চৰকাৰ উভয়ৰে এক নৈতিক উদ্দেশ্য আছে আৰু উভয়ে উভয়ৰ ওচৰত নিৰ্ভৰশীল (State and society has the same floral purpose. They lend and borrow from each other)

**ৰাষ্ট্ৰ আৰু সংস্থাৰ সম্পৰ্ক (Relation between State & Association)ঃ**

মানুহৰ জীৱনত নানা সমস্যা থাকে। এনে সমস্যাবোৰ পূৰণ কৰাৰ বাবে বিভিন্ন সময়ত ভিন ভিন সংস্থা বা প্ৰতিষ্ঠান গঢ়ি তোলে। কেইজনমান মানুহে কোনো উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবে একগোট হলে সংস্থাৰ সৃষ্টি হয়। ৰাষ্ট্ৰওঁ মানুহৰ উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবে জন্ম হোৱা এক অনুস্থান।। এৰিষ্টটলৰ মতে 'মানুহৰ সৰ্বাধিক কল্যাণ সাধনৰ বাবে জন্ম হোৱা সৰ্ব্বোচ্চ

অনুষ্ঠান হ'ল ৰাষ্ট্ৰ। (The state is the supreme associations and aims at the supreme good.)

ৰাষ্ট্ৰ আৰু অন্যান্য সংস্থাৰ মাজত অনেক ক্ষেত্ৰত সাদৃশ্য থকা দেখা যায়। যেনে—

(i) ৰাষ্ট্ৰ আৰু সংস্থা দুয়োটাই জনসমষ্টিৰ দ্বাৰা গঠিত।

(ii) ৰাষ্ট্ৰ পৰিচালনাৰ বাবে যিদৰে চৰকাৰ থাকে ঠিক তেনেদৰে সংস্থা পৰিচালনাৰ বাবে এক সংগঠন থাকে।

(iii) ৰাষ্ট্ৰৰ যিদৰে নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকে সংস্থাৰো ঠিক সেইদৰে নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকে।

(iv) ৰাষ্ট্ৰ আৰু সংস্থা উভয়ে কিছুমান নীতি-নিয়মৰদ্বাৰা পৰিচালিত হয়।

ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত অনেক সাদৃশ্য থাকিলেও ইহতৰ মাজত অনেক বৈসাদৃশ্য থকাও দেখা যায়—

(i) ৰাষ্ট্ৰ এক সংস্থা হলেও ইয়াৰ নিৰ্দিষ্ট ভৌগলিক পৰিসীমা আছে। সংস্থাৰ নিৰ্দিষ্ট পৰিসীমা নাই।

(ii) ৰাষ্ট্ৰৰ সদস্যপদ বাধ্যতামূলক। ৰাষ্ট্ৰৰ ভিতৰত স্থায়ীভাৱে বাস কৰা প্ৰতিজন লোকেই ৰাষ্ট্ৰৰ সদস্য পদ গ্ৰহণ কৰিব লাগে কিন্তু সংস্থাৰ সদস্য পদ ইচ্ছামুলক।

(iii) ৰাষ্ট্ৰ সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী। ইয়াৰ ফলত ই নাগৰিকসকলক বাধ্যতামূলক ভাবে নীতি নিয়মবোৰ মানি চলিবলৈ বাধ্য কৰাব পাৰে আন সামাজিক অনুস্থানবোৰৰ সাৰ্বভৌম ক্ষমতা নথকা বাবে সদস্য সকলে ইয়াৰ নীতি- অমান্য কৰিলে কঠোৰ শাস্তি বিহিব নোৱাৰে।

(iv) ৰাষ্ট্ৰৰ উদ্দেশ্য বহুমুখী। জনসাধাৰণৰ সবাঙ্গীন মঙ্গল সাধনৰ বাবে ই সকলো দিশৰ ওপৰত গুৰুত্ব দিয়ে আৰু সেই অনুসৰি কাৰ্য্যও সম্পাদন কৰে কিন্তু অন্যান্য সংস্থাবোৰৰ লক্ষ্য তথা উদ্দেশ্য ৰাষ্ট্ৰৰ তুলনাত সীমিত।

(v) উৎপত্তিলৈ মন কৰিলেও দেখা যায় ৰাষ্ট্ৰ এক মানব সৃষ্ঠ অনুস্থান হলেও ই হঠাতে সৃষ্টি হোৱা নাই। সামাজিক জীবনৰ দীৰ্ঘকালীন ক্ৰমবিকাশৰ ফলতহে ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। সেইবাবে ৰাষ্ট্ৰ উৎপত্তিৰ নিৰ্দিষ্ট সীমা কোৱাটো টান। কিন্তু সংস্থা যিকোনো মুহূৰ্ততে তৈয়াৰ হোৱা অনুষ্ঠান।

(vi) সদস্য পদ গ্ৰহণৰ ক্ষেত্ৰতো ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজত প্ৰভেদ দেখা যায়। কোনো এজন ব্যক্তিয়ে একেটা সময়ত মাত্ৰ এখন ৰাষ্ট্ৰৰহে সদস্য পদ গ্ৰহণ কৰিব লাগে কিন্তু সেই একেটা সময়তে তেওঁ অনেক সংস্থাৰ সদস্য পদ ল'ব পাৰে।

ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজত অনেক পাৰ্থক্য থাকিলেও সাৰ্বভৌমত্বৰ বহুত্ববাদী সকলে ৰাষ্ট্ৰ আৰু সংস্থাৰ পাৰ্থক্যক অস্বীকাৰ কৰিছে। বৰ্তমান গোলকীকৰণৰ সময়তো ৰাষ্ট্ৰৰ ক্ষমতা সীমিত হৈ অহাৰ লগে লগে অন্য সংস্থাবোৰৰ গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি হৈছিল।

**ৰাজনীতি বিজ্ঞানত ৰাষ্ট্ৰৰ তাৎপৰ্য্য (Significance of state in Political Science) ঃ**

ৰাজনীতি বিজ্ঞানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বা কেন্দ্ৰীয় বিষয় হিচাবে ৰাষ্ট্ৰৰ ধাৰণাই স্থান পাই আহিছে। পৰম্পৰাগত ৰাজনৈতিক তত্ববোৰৰ মূল বিষয়বস্তু আছিল ৰাষ্ট্ৰ। ইয়াৰ বাবেই গাৰ্নাৰে কৈছিল 'ৰাজনীতি বিজ্ঞান ৰাষ্ট্ৰতে আৰম্ভ আৰু ৰাষ্ট্ৰতে শেষ' (Politics begins and ends with the state)। আৰ জি গেটেলেও তেওঁৰ 'Political Science' নামৰ গ্ৰন্থখনত ৰাজনীতি বিজ্ঞানক ৰাষ্ট্ৰৰ বিজ্ঞান (Science of the state) হিচাবে আখ্যা দিছিল।

আধুনিক ৰাজনৈতিক তত্বসমূহত ৰাষ্ট্ৰৰ ভূমিকাৰ কিছু পৰিবৰ্ত্তন ঘটিছে। বিশেষকৈ আচৰনবাদী আন্দোলন আৰম্ভ হোৱাৰ লগে লগে একাংশ ৰাজনৈতিক চিন্তাবিদে ৰাজনীতি বিজ্ঞানৰ আলোচনাত ৰাষ্ট্ৰৰ ধাৰণা পৰিহাৰ কৰিব বিচাৰিছে। তেওঁলোকৰ প্ৰধান অভিযোগটো আছিল ৰাষ্ট্ৰৰ ধাৰণাই ৰাজনৈতিক পদ্ধতি বা ৰাজনৈতিক বাস্তৱতা সম্পৰ্কে কোনো আভাষ দিব নোৱাৰে। কিয়নো ৰাষ্ট্ৰৰ ধাৰণাই মূলতঃ আনুষ্ঠানিক সংগঠনতে ৰাজনীতি বিজ্ঞানৰ আলোচনা সীমাবদ্ধ কৰি ৰাখিব বিচাৰে। লগতে সমাজৰ বিভিন্ন গুৰুত্বপূৰ্ণ অনুষ্ঠানসমূহকো এনে আলোচনাই আওঁকান কৰে। ডেভিড ইষ্টনৰ মতে ৰাষ্ট্ৰৰ ধাৰণা এটা অনুস্থান হিচাপেও স্পষ্ট নহয় । তেওঁৰ 'Political System' নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে 'one person sees the state as the embodiment of moral spirit one author defines it as simply an aspect of society... another as a simloy synonym for govt. and still another as a separate unique association among a large number of other association...' সেয়েহে ইষ্টনে ৰাষ্ট্ৰ সম্পৰ্কীয় আলোচনা পৰিত্যাগ কৰিবলৈ আহ্বান জনাইছে।

মাৰ্ক্সবাদী ৰাজনৈতিক তত্বত ৰাষ্ট্ৰক বিভিন্ন প্ৰকাৰে সমালোচনা কৰিলেও বিভিন্ন ৰাজনৈতিক সংগঠন অধ্যয়নত ৰাষ্ট্ৰৰ ধাৰনাক ব্যৱহাৰ কৰি আহিছে। নব্য উদাৰতাবাদীসকলে তেওঁলোকৰ আলোচনাত ৰাষ্ট্ৰক পুনৰ সজীব কৰি তুলিছে। ইয়াকে T.

Skockpolএ 'Bringing the state back in' হিচাপে অভিহিত কৰিছে। অৱশ্যে পৰম্পৰাগত আলোচনাত ৰাষ্ট্ৰৰ সাংগঠনিক দিশটো বিচাৰ কৰাৰ পৰিবৰ্ত্তে বৰ্ত্তমান সমাজৰ পুনৰ গঠনৰ এক আহিলা হিচাপেহে ৰাষ্ট্ৰক আলোচনা কৰা হৈছে। অৰ্থাৎ ৰাষ্ট্ৰৰ কল্যাণমূলক ধাৰণাৰ ওপৰত গুৰুত্ব দি ৰাজনৈতিক আলোচনাবোৰ পুনৰ ৰাষ্ট্ৰ কেন্দ্ৰীক হৈ পৰিছে।

**ৰাষ্ট্ৰৰ আপেক্ষিক স্বায়ত্বতা (Relative autonomy of State)**

ৰাষ্ট্ৰৰ আপেক্ষিক স্বায়ত্বতাৰ ধাৰণাটো মাৰ্ক্সবাদী পণ্ডিতসকলে ৰাষ্ট্ৰৰ প্ৰকৃতি ব্যাখ্যা কৰিবলৈ গৈ অৱতাৰণা কৰিছে। এই তত্ব অনুসৰি ৰাষ্ট্ৰ এক স্বাধীন অনুষ্ঠান নহয়, কিয়নো ই শ্ৰেণী নিৰপেক্ষ হৈ কাম কৰিব নোৱাৰে অৰ্থাৎ ৰাষ্ট্ৰ অধিনস্থ সমুহ ব্যক্তি বা অনুস্থানৰ প্ৰতি ৰাষ্ট্ৰই সম দৃষ্টি দিব নোৱাৰে। সেয়ে ৰাষ্ট্ৰক সম্পূৰ্ণ স্বতন্ত্ৰ অনুষ্ঠান হিচাপে দাবী কৰা লোকসকলৰ প্ৰত্যাহ্বান স্বৰূপে এই তত্ত্বৰ জন্ম হয়।

ৰাষ্ট্ৰৰ আপেক্ষিক স্বায়ত্বতাৰ ধাৰণা অনুসৰি ৰাষ্ট্ৰই ভোগ কৰা সাৰ্বভৌমত্ব যথেষ্ট ক্ষণস্থায়ী। ই এক সময় সাপেক্ষ ধাৰণা। কেতবোৰ বিশেষ পৰিস্থিতিতহে ৰাষ্ট্ৰই স্বতন্ত্ৰতা লাভ কৰে। ১৮৫১ চনত Rlph Milliband এ মাৰ্ক্সে লিখা "the Eighteen the Brumaire of Louis Bonapartee' গ্ৰন্থখনৰ প্ৰসংগত আপেক্ষিক স্বতন্ত্ৰতাৰ ওপৰত লিখিছিল 'The extreme manifestation of the state independent role is to be found in authoritarian personal rule...'

কাৰ্ল মাৰ্ক্সেওঁ মন্তব্য কৰিছিল যে প্ৰত্যেক সমাজ, সমাজৰ শক্তিশালী শ্ৰেণীটোৰ দ্বাৰা নিয়ন্ত্ৰিত। ৰাষ্ট্ৰৰ প্ৰশাসক শ্ৰেণীয়ে সুস্থভাৱে বা নিজ সিদ্ধান্তৰ দ্বাৰা আইন প্ৰণয়ন কৰিব নোৱাৰে। তেওঁলোক সম্পূৰ্ণৰূপে শক্তিশালী শ্ৰেণীটোৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে। কিন্তু ইতিহাসৰ কোনো এক পৰ্যায়ত সমাজৰ কোনো এবাৰ শক্তিশালী ৰূপত নিজকে প্ৰতিস্থা কৰিব নোৱাৰে। এই পৰ্য্যায়ত সমাজত বাস কৰা প্ৰতিটো শ্ৰেণীয়ে শক্তিশালী ৰূপত অৱস্থান কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাই থাকে। এই সময়খিনিত ৰাষ্ট্ৰ কোনো এটা নিৰ্দিষ্ট শ্ৰেণীৰ দ্বাৰা প্ৰভাৱিত হৈ নাথাকে আৰু শাসক শ্ৰেণীয়ে সম্পূৰ্ণৰূপে স্বাধীনভাৱে সিদ্ধান্ত গ্ৰহণ তথা কাৰ্যকৰী কৰিব পাৰে। এই সময়ছোৱাত ৰাষ্ট্ৰ স্বতন্ত্ৰতাৰ প্ৰকাশ পোৱা দেখা যায় কিন্তু সময়ৰ গতিশীলতাই শ্ৰেণী সমূহৰ মাজত চলি থকা প্ৰতিযোগিতাৰ অৱসান ঘটায় আৰু কোনো এটা শ্ৰেণীয়ে শ্ৰেষ্ঠত্বৰ মৰ্যদা পায়। এতিয়া এই শক্তিশালী শ্ৰেণীটোৱে ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰিবলৈ ধৰে। অৰ্থাৎ ৰাষ্ট্ৰই পুনৰ স্বাধীনতা হেৰুৱায়। এনেদৰে দুটা গোটৰ মাজত থকা ক্ষমতা লাভৰ প্ৰতিযোগিতাৰ মধ্যৱৰ্তী স্থানত ৰাষ্ট্ৰই কিছু স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল যদিওঁ ই যথেষ্ট ক্ষণস্থায়ী আছিল। অৰ্থাৎ আপেক্ষিক।

ৰাষ্ট্ৰৰ আপেক্ষিক স্বায়ত্বতাৰ ধাৰণাটো একাংশ মাৰ্ক্সীয় পণ্ডিতে তৃতীয় বিশ্বৰ প্ৰেক্ষাপটতো আলোচনা কৰিছিল। উপনিবেশিক শোষণৰপৰা মুক্ত হোৱাৰ লগে লগে দেশবোৰ এহাতেদি বিদেশী পুঁজিপতিৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈছিল আনহাতে নিজ দেশৰ পুঁজিপতি সকলেওঁ ৰাষ্ট্ৰক নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় ক্ষমতা আহৰন কৰিব পৰা নাছিল। ফলত ৰাষ্ট্ৰই সেই সময়ত সম্পূৰ্ণ স্বতন্ত্ৰতা উপভোগ কৰিছিল। কিন্তু সময়ৰ গতিত ৰাষ্ট্ৰৰ দেশীয় পুঁজিপতি সকলে ক্ষমতাক কেন্দ্ৰীভূত কৰি ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিলে। যাৰ ফলত ৰাষ্ট্ৰই আকৌ শ্ৰেণীস্বাৰ্থৰ হকে কাম কৰিবলৈ ধৰিলে।

আপেক্ষিক স্বতন্ত্ৰতাৰ ধাৰণাটোৱে ৰাষ্ট্ৰক সম্পূৰ্ণ স্বতন্ত্ৰ অনুষ্ঠান বুলি ঘোষণা নকৰিলেওঁ, প্ৰকাশ কৰিছে যে ইতিহাসৰ সৰ্বক্ষণত ৰাষ্ট্ৰই শ্ৰেণী স্বাৰ্থ সুৰক্ষাৰ হকে কাম কৰা বা শক্তিশালীৰ শ্ৰেণীৰ দ্বাৰা নিয়ন্ত্ৰিত অনুষ্ঠান হৈ নাথাকে। ইতিহাসৰ কোনো কোনো পৰিবেশত ৰাষ্ট্ৰই সম্পূৰ্ণ শ্ৰেণী নিয়ন্ত্ৰনৰ পৰা মুক্ত থাকে। এই সময়ছোৱাত ৰাষ্ট্ৰই কিছু স্বাধীনতা উপভোগ কৰা দেখা যায়।

## ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কীয় উদাৰ নৈতিক দৃষ্টিভংগী
## (Liberal perspective of the nature of the State)

ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা এটা অতি গুৰুত্বপূৰ্ণ দৃষ্টিভংগী হ'ল উদাৰতাবাদ। মূলতঃ সামন্তযুগৰ সামন্ত প্ৰভু সকলৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে বিপ্লৱৰ ফলশ্ৰুতিতে উদাৰতাবাদৰ জন্ম হয়। বিশেষভাৱে ১৬৮৮ চনত হোৱা গৌৰৱময় বিপ্লৱে ভূস্বত্বৰ মালিকৰ বিৰুদ্ধে মধ্যবিত্ত শ্ৰেণীক ক্ৰমাৎ গা কৰি উঠাত সহায় কৰে। দৰাচলতে সমগ্ৰ উদাৰতাবাদী আদৰ্শই হ'ল পুজিপতি শ্ৰেণীৰ স্বাৰ্থ সংৰক্ষণৰ দৰ্শন। এনে স্বাৰ্থ সংৰক্ষণৰ স্বাৰ্থতে উদাৰতাবাদী দৰ্শনে পৰিবৰ্ত্তনৰ লগত সংগতি ৰাখিবলৈ নিজৰ প্ৰকৃতিৰো পৰিৱৰ্ত্তন সাধন কৰিছিল। উদাৰতাবাদৰ প্ৰকৃতিৰ পৰিৱৰ্ত্তনৰ ভিত্তিত ৰাষ্ট্ৰৰ প্ৰকৃতি দুটা স্তৰত আলোচনা কৰাটো যুগুত হ'ব।

**পৰম্পৰাগত উদাৰতাবাদৰ দৃষ্টিত ৰাষ্ট্ৰৰ প্ৰকৃতি (Classical liberalist view of nature of state) ঃ**

উদাৰতাবাদৰ বিকাশৰ প্ৰাৰম্ভিক স্তৰক পৰম্পৰাগত উদাৰতাবাদ বা সনাতন উদাৰতাবাদ আখ্যা দিয়া হয়। এই স্তৰৰ

উদাৰতাবাদে অধিক ব্যক্তি স্বতন্ত্ৰতাত বিশ্বাসী। সেয়েহে ই যিকোনো কৰ্তৃত্বসম্পন্ন অনুষ্ঠান যিয়ে ব্যক্তিৰ স্বাধীনতাত হস্তক্ষেপ কৰে সেইবোৰৰ কৰ্ম পৰিসৰ সীমিত কৰিব বিচাৰে।

সনাতনধৰ্মী উদাৰতাবাদৰ মূল বিষয়বস্তু জন ল'কৰ চিন্তাধাৰাত পোৱা যায়। তেওঁৰ মতে জনসাধাৰনৰ কল্যান সাধনৰ বাবেই ৰাষ্ট্ৰৰ সৃষ্টি হৈছে আৰু জনসাধাৰণৰ সন্মতিয়েই হৈছে ৰাষ্ট্ৰৰ ভিত্তি। আইনৰ দ্বাৰা ৰাষ্ট্ৰই নিজৰ কৰ্তৃত্ব প্ৰয়োগ কৰে আৰু আইনৰ অনুশাসনৰ ওপৰত প্ৰতিষ্ঠিত চৰকাৰেই হৈছে সাংবিধানিক চৰকাৰ। ৰাষ্ট্ৰই মানুহৰ ব্যক্তি স্বাধীনতাত হস্তক্ষেপ নকৰাকৈ জনসাধাৰনৰ কল্যান সাধন কৰিব লাগিব।

সনাতন উদাৰতাবাদৰে আন এজন সমৰ্থক আদাম স্মিথে ৰাষ্ট্ৰক অৰ্থনৈতিক ক্ষেত্ৰত অবাধ নীতি (Laisses fair) গ্ৰহণৰ বাবে মন্তব্য কৰিছিল। এই অবাধ নীতি অনুসৰি সকলো ধৰণৰ বিকাশমূলক কাম-কাজ ৰাষ্ট্ৰই নিজৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰি সেইবোৰ ব্যক্তিৰ হাতত অৰ্পণ কৰিব লাগে। অৰ্থাৎ তেওঁ নিৰ্দিষ্ট কাৰ্যাৱলীৰ মাজেৰে ৰাষ্ট্ৰৰ কৰ্ম পৰিসৰ সীমিত কৰিব বিচাৰে। স্মিথৰ এনে তত্বকে পৰৱৰ্তী কালত ৰিকাৰ্ডো, মালথাচ আদি অৰ্থনীতিবিদ সকলে বিকাশ কৰিছিল।

পৰম্পৰাগত উদাৰতাবাদীসকলে দাঙি ধৰা বক্তব্যৰ ভিত্তিত ৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে তলত দিয়া সিদ্ধান্তবোৰত উপনিত হ'ব পাৰি—

**(i) ৰাষ্ট্ৰ এক কৃত্ৰিম অনুষ্ঠান ঃ** উদাৰতাবাদী সকলে ৰাষ্ট্ৰক এক কৃত্ৰিম অনুষ্ঠান হিচাবে অভিহিত কৰিছে। তেওঁলোকৰ মতে ৰাষ্ট্ৰ প্ৰাকৃতিক অনুষ্ঠান নহয়। ই হ'ল মানৱ সৃষ্ট অনুষ্ঠান। মানুহৰ প্ৰয়োজন পূৰণ কৰাৰ কাৰণে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ জন্ম দিছে।

**(ii) ব্যক্তিৰ সৰ্বোচ্ছতা ঃ** পৰম্পৰাগত উদাৰতাবাদীসকলে ব্যক্তিক সৰ্বোচ্চ স্থান প্ৰদান কৰিছে। এওঁলোকৰ মতে ৰাষ্ট্ৰ সৃষ্টিৰ অন্তৰালত নিহিত আছে ব্যক্তিৰ প্ৰয়োজনীয়তা পূৰণ। ব্যক্তিক অমান্য কৰি ৰাষ্ট্ৰই ইয়াৰ কাৰ্য্য সম্পাদনা কৰিব নোৱাৰে।

**(iii) ৰাষ্ট্ৰ এক প্ৰয়োজনীয় অশুভ অনুষ্ঠান ঃ** পৰম্পৰাগত উদাৰতাবাদে ৰাষ্ট্ৰক এটা প্ৰয়োজনীয় অথচ অশুভ অনুষ্ঠান হিচাবে ঘোষণা কৰিছে। এওঁলোকে ৰাষ্ট্ৰৰ ক্ষমতা ৰাজনীতিক সমৰ্থন নকৰে। এওঁলোকৰ মতে নিৰাপত্তা সম্পৰ্কীয় স্বাৰ্থত ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা থাকিলেও ৰাষ্ট্ৰৰ অধিক ক্ষমতা প্ৰয়োগে ব্যক্তি বিকাশত অন্তৰায় সৃষ্টি কৰে। সেয়েহে ৰাষ্ট্ৰই অধিক ক্ষমতা লাভ কৰি অশুভ শক্তিৰহে পৰিচয় দান কৰে ।

**(iv) সীমিত ৰাষ্ট্ৰৰ সমৰ্থন ঃ** পৰম্পৰাগত উদাৰতাবাদী সকলে ৰাষ্ট্ৰৰ সক্ৰিয় ভূমিকাৰ পৰিৱৰ্ত্তে সীমিত ভূমিকাকহে সমৰ্থন কৰে। এওঁলোকৰ মতে ৰাষ্ট্ৰই প্ৰধানতঃ আভ্যন্তৰীণ শান্তি শৃংখলা আৰু বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা ব্যক্তিৰ জীৱন তথা সম্পত্তি সুৰক্ষিত কৰা কাৰ্য্যহে সম্পাদন কৰিব লাগে। অৰ্থনৈতিক ক্ষেত্ৰত ৰাষ্ট্ৰৰ ভূমিকা একেবাৰে সীমিত হোৱাহে যুগুত। অৰ্থনৈতিক দিশটো ৰাষ্ট্ৰই সম্পূৰ্ণৰূপে নিজৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰি ব্যক্তিৰ হাতত অৰ্পণ কৰিব লাগে। জেফাৰচনে মন্তব্য কৰিছিল 'আটাইতকৈ কম শাসন কৰা চৰকাৰেই শ্ৰেষ্ঠ (That government is best which govern the least)

**(v) অবাধ প্ৰতিযোগিতাৰ মাধ্যমত উন্নয়ন ঃ** পৰম্পৰাগত উদাৰতাবাদী সকলে ৰাষ্ট্ৰ বিকাশৰ বাবে মুক্ত প্ৰতিযোগিতাৰ পথ গ্ৰহণ কৰাটোহে সমৰ্থন কৰে। তেওঁলোকৰ মতে অবাধ প্ৰতিযোগিতাৰ স্বাধীনতাইহে ব্যক্তিৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন কৰিব পাৰে। ব্যক্তিৰ পূৰ্ণ বিকাশৰ ফলত সমাজ তথা ৰাষ্ট্ৰৰ বিকাশ আপোনা আপুনি হৈ পৰে। অৰ্থনৈতিক ক্ষেত্ৰত মুক্ত বজাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দৰে ৰাজনৈতিক ক্ষেত্ৰতো ই নিৰ্বাচন, প্ৰতিদণ্ডিতা আদিক সমৰ্থন কৰে। এওঁলোক সকলো ক্ষেত্ৰত 'জোৰ যাৰ মুলুক তাৰ' নীতিত বিশ্বাসী বাবে সকলো ক্ষেত্ৰতে অবাধ প্ৰতিযোগিতাক সমৰ্থন কৰে।

**আধুনিক উদাৰতাবাদৰ দৃষ্টিত ৰাষ্ট্ৰৰ প্ৰকৃতি (Modern liberalist view of nature of State) ঃ**

পৰম্পৰাগত উদাৰতাবাদী ধাৰণাই বিশ্বত সংকটৰ সন্মুখীন হোৱাৰ লগে লগে এচাম সংস্কাৰকামী উদাৰতাবাদী চিন্তাবিদে উদাৰতাবাদক কঠিন পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰি কিছু নতুন চিন্তাধাৰাৰ সমন্বয়ৰে উদাৰতাবাদক নতুন ৰূপত গঢ় দি লয়। উদাৰতাবাদৰ এই সংশোধিত ৰূপকে আধুনিক উদাৰতাবাদ নামে জনা যায়।

আধুনিক উদাৰতাবাদে ব্যক্তি স্বতন্ত্ৰতাৰ লগতে সামাজিক দায়বদ্ধতাৰ ওপৰতো প্ৰাধান্য দিছিল। এওঁলোকৰ মতে ব্যক্তি স্বতন্ত্ৰতা এনেভাবে ভোগ কৰিব লাগে যাতে সমাজৰ সৰহ সংখ্যক লোকৰ অনিষ্ট নহয়। বিশেষকৈ উপযোগীতাবাদৰ প্ৰবক্তা বেন্থামৰ সমাজৰ সৰহ সংখ্যকৰ বাবে সৰহ সুখ (greatest happiness for greatest number) ধাৰণাই কিছু সামাজিক দায়বদ্ধতাকে গুৰুত্ব প্ৰদান কৰিছিল। অৰ্থাৎ এজন ব্যক্তিৰ স্বাধীনতাই সমাজৰ গৰিষ্ঠ সংখ্যকৰ বাবে অন্যায়ৰ সৃষ্টি কৰিলে তাক

বাধা প্ৰদানৰ সপেক্ষে মন্তব্য দিছিল।

আধুনিক উদাৰতাবাদীসকলে ৰাষ্ট্ৰক অশুভ শক্তি হিচাবে জ্ঞান নকৰে। তাৰ পৰিৱৰ্ত্তে ৰাষ্ট্ৰৰ কিছু সক্ৰিয় ভূমিকাকহে এওঁলোকে সমৰ্থন কৰে। লাস্কিৰ মতে সমাজৰ নাগৰিক সকলৰ স্বাৰ্থ ৰক্ষা কৰিবৰ বাবেই ৰাষ্ট্ৰই কাৰ্য কৰিব লাগে। জনগণৰ ব্যাপক অংশৰ সৰ্বাধিক কল্যাণসাধন ৰাষ্ট্ৰৰ প্ৰধান কাম। অৰ্থাৎ আধুনিক উদাৰতাবাদী সকলে সক্ৰিয় ৰাষ্ট্ৰক সমৰ্থন কৰে।

আধুনিক উদাৰতাবাদৰে একাংশই ৰাষ্ট্ৰক এক নিৰপেক্ষ অনুষ্ঠান হিচাবে গণ্য কৰি সমাজৰ আন সংস্থাৰ সমপৰ্য্যায়ৰ হিচাবে ৰাষ্ট্ৰক বিবেচনা কৰে। বিশেষকৈ বহুত্ববাদী সকলৰ মতে ৰাষ্ট্ৰক এক সমন্বয় ৰক্ষাকাৰী অনুষ্ঠান হিচাবেহে গ্ৰহণ কৰা দৰকাৰ।

উদাৰতাবাদৰ এই ধাৰাৰ চিন্তাবিদ সকলে ৰাষ্ট্ৰ তথা অনুস্থানবোৰৰ ভূমিকাক স্বীকৃতি দিলেওঁ কোনো ক্ষেত্ৰতে ব্যক্তি স্বতন্ত্ৰতাক অস্বীকাৰ কৰা নাই। এওঁলোকে ৰাষ্ট্ৰৰ সকাৰাত্মক ভূমিকাক স্বীকৃতি দিছে একমাত্ৰ ব্যক্তিস্বাধীনতাক নিস্কণ্টক কৰাৰ স্বাৰ্থতহে। অৰ্থাৎ পৰম্পৰাগত উদাৰতাবাদৰ দৰেই আধুনিক উদাৰতাবাদে সৰ্বাধিক প্ৰাধান্য ব্যক্তি স্বাধীনতাক প্ৰদান কৰে।

ৰাষ্ট্ৰৰ প্ৰকৃতি দাঙি ধৰাৰ ক্ষেত্ৰত উদাৰতাবাদী তত্বৰ কিছু সীমাবদ্ধতা (limitation) থকা দেখা যায় যেনে—

(i) উদাৰতাবাদে ৰাষ্ট্ৰক এক কৃত্ৰিম অনুষ্ঠান হিচাবে ঘোষণা কৰিছে। কিন্তু ভালদৰে চালে দেখা যায় যে ৰাষ্ট্ৰ হ'ল ক্ৰমবিকাশৰ ফল। ই এক প্ৰাকৃতিক অনুষ্ঠানহে। সংঘবদ্ধ ভাবে বাস কৰিব লোৱা কালৰ পৰাই বিভিন্ন ক্ৰমবিকাশৰ মাধ্যমত ৰাষ্ট্ৰৰ জন্ম হৈছিল। উদাৰতাবাদে কোৱাৰ দৰে ই হঠাৎ আৰ্বিভাব হোৱা অনুষ্ঠান নহয় ।

(1) উদাৰতাবাদে ৰাষ্ট্ৰক সীমিত কৰা বা অশুভ জ্ঞান কৰা ধাৰণাৰো বাস্তৱ ভিত্তি নাই। বহুক্ষেত্ৰত ৰাষ্ট্ৰই ব্যক্তি বিকাশত বাধা দিয়াৰ পৰিৱৰ্ত্তে ব্যক্তি কল্যাণতহে সহায় কৰে।

(2) উদাৰতাবাদে ৰাষ্ট্ৰ বিকাশৰ বাবে গ্ৰহণ কৰা প্ৰতিযোগিতাৰ মাধ্যমকো আদৰ্শ পথ হিচাবে মানি ল'ব নোৱাৰি। কিয়নো অত্যাধিক প্ৰতিযোগিতাই সমাজত শ্ৰেণী বৈষম্য বৃদ্ধি কৰে। শ্ৰেণী বৈষম্য বৃদ্ধিয়ে শ্ৰেণী সংঘাটৰ সৃষ্টি কৰে আৰু ইয়েই এটা সময়ত সমাজত অশান্তিৰ সৃষ্টি কৰে।

উদাৰতাবাদে ৰাষ্ট্ৰৰ প্ৰকৃতি বিশ্লেষণত কিছু সীমাবদ্ধতাৰ সন্মুখীন হ'লেও আদৰ্শ হিচাবে উদাৰতাবাদে ইয়াৰ গতিশীলতা ৰক্ষাত সফল হৈছে। সমাজ পৰিবৰ্ত্তনৰ লগত ব্যক্তি তথা সমাজৰ প্ৰয়োজনীয়তাও পৰিৱৰ্ত্তন হয়। এনে পৰিৱৰ্ত্তনৰ ধাৰা বাখ্যা কৰাত উদাৰতাবাদ সফল হৈছে। এটা নিৰ্দিষ্ট ধাৰণাকে খামুচি নধৰাৰ বাবেই উদাৰতাবাদে মসৃন গতিৰে বিশ্বত জনপ্ৰিয়তা অৰ্জনত সফল হৈছে।

**মাৰ্ক্সবাদী ৰাষ্ট্ৰৰ ধাৰণা (Marxism Concept of State) ঃ** ৰাষ্ট্ৰৰ উৎপত্তি, প্ৰকৃতি, কাৰ্য আদিৰ ক্ষেত্ৰত থকা ধাৰণা সমূহৰ ভিতৰত মাৰ্ক্সবাদী ধাৰণাটো হৈছে অন্যতম। মাৰ্ক্সবাদী ধাৰণা মতে ৰাষ্ট্ৰ এটা প্ৰাকৃতিক অনুষ্ঠান নহয় আৰু আদিম কালৰ পৰাই ৰাষ্ট্ৰৰ অস্তিত্বও নাছিল। সমাজৰ বিকাশৰ এক নিৰ্দিষ্ট স্তৰৰ পৰাহে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ উৎপত্তি হৈছিল। মাৰ্ক্সীয় তত্ব মতে ৰাষ্ট্ৰ সমাজৰ ইচ্ছাত সৃষ্টি হোৱা নাছিল, নতুবা ই সমাজৰ সকলো অংশৰ লোকৰ কল্যানৰ বাবেও পৰিচালিত নহয়। সমাজ আৰু ৰাষ্ট্ৰ সম্পূৰ্ণৰূপে বেলেগ বেলেগ অনুষ্ঠান। সমাজ এক প্ৰাকৃতিক অনুষ্ঠান কিন্তু ৰাষ্ট্ৰ প্ৰাকৃতিক অনুষ্ঠান নহয়। গতিকে মাৰ্ক্সীয় তত্ব মতে ৰাষ্ট্ৰ কোনো নৈতিক উদ্দেশ্য পূৰণৰ বাবে গঠন হোৱা নাছিল নতুবা জনসাধাৰণৰ ইচ্ছাৰ বাবেও ৰাষ্ট্ৰৰ সৃষ্টি হোৱা নাছিল। ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল সামাজিক সংঘাটৰ পৰা আৰু ই সমাজৰ আধিপত্যশালী শ্ৰেণীৰ আধিপত্য ৰক্ষাৰ এক আহিলা হিচাপেহে কাম কৰে। মুঠতে ৰাষ্ট্ৰৰ উৎপত্তি তেতিয়া হৈছিল যেতিয়া সমাজ ধনী আৰু দুখীয়া, বা শোষক আৰু শোষিতৰ দৰে দুটা বিপৰীত মুখী শ্ৰেণীৰ মাজত বিভক্ত হৈছিল। ব্যক্তিগত সম্পত্তিৰ ধাৰণা উদয় হোৱাৰ পিচত সমাজ এনেদৰে বিভক্ত হৈছিল। সমাজৰ শোষক শ্ৰেণীটোৱে শোষণ আৰু অত্যাচাৰ অব্যাহত ৰখাৰ বাবে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ জন্ম দিছিল। এঙ্গেলছে এইক্ষেত্ৰত এনেদৰে মত দাঙি ধৰিছে- the state is an organisation "for the purpose of forcibly keeping the exploited classes in the condition of oppression corresponding with the given mode of production." মাৰ্ক্সীয় তত্ব মতে ৰাষ্ট্ৰ হৈছে শ্ৰেণী শোষণ আৰু অত্যাচাৰৰ আহিলা। ৰাষ্ট্ৰই ইয়াৰ শোষণকাৰী শ্ৰেণী চৰিত্ৰ একেবাৰে উৎপত্তিৰ সময়ৰ পৰাই বিভিন্ন পৰ্যায়ৰ বিকাশৰ মাজেদি অব্যাহত ৰাখি আহিছে। অৰ্থাৎ সমাজৰ বিভিন্ন বিকাশ যেনে- দাস সমাজ, সামন্ত সমাজ আৰু পুঁজিবাদী সমাজ ব্যৱস্থাত ৰাষ্ট্ৰৰ শোষণকাৰী শ্ৰেণী চৰিত্ৰ অব্যাহত আছে। এই প্ৰতিটো সমাজ ব্যৱস্থাত এটা শ্ৰেণীয়ে আধিপত্যশালী আৰু আন এটা শ্ৰেণী আধিপত্যহীন শ্ৰেণী হিচাপে পৰিগণিত হয়। ইয়াৰে শোষকসকল, সম্পদৰ গৰাকীসকল হৈছে আধিপত্যশালী শ্ৰেণী আৰু শোষিত সকল, শ্ৰমিকসকল হৈছে আধিপত্যহীন শ্ৰেণী। ৰাষ্ট্ৰই সদায় সমাজৰ আধিপত্যশালী শ্ৰেণীৰ শোষণ আৰু

অত্যাচাৰৰ আহিলা হিচাপে কাম কৰে। লেনিনে তেওঁৰ 'The State and Revolution' নামৰ গ্ৰন্থত এনেদৰে কৈছে- "According to Marx, the state is an organ of class rule, an organ for the oppression of one class by another, it is the creation of 'order', which legalizes and Perpetuates this oppression by moderating the conflict between the classes." মাৰ্ক্সীয় তত্ব মতে বিপ্লৱৰ জৰিয়তে পুঁজিবাদী সমাজ ব্যৱস্থাৰ বিলোপ সাধন কৰি সমাজবাদ প্ৰতিষ্ঠা হ'লেহে ৰাষ্ট্ৰৰ শোষণকাৰী শ্ৰেণী চৰিত্ৰৰ সমাপ্তি ঘটে। সমাজত শ্ৰেণী বিহীন অৱস্থাৰ সৃষ্টি হৈ সাম্যবাদ প্ৰতিষ্ঠা হ'লে ৰাষ্ট্ৰৰ প্ৰাসংগিকতাও নোহোৱা হয় আৰু শ্ৰেণীবিহীন ৰাষ্ট্ৰবিহীন সমাজৰ জন্ম হয়।

ৰাষ্ট্ৰ সম্পৰ্কে থকা মাৰ্ক্সৰ ধাৰণাক চমুকৈ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি ঃ

**(১) ৰাষ্ট্ৰ এক শ্ৰেণী অনুষ্ঠান ঃ** মাৰ্ক্সবাদী সকলে ৰাষ্ট্ৰক এক শ্ৰেণী অনুষ্ঠান হিচাপে বিবেচনা কৰে। ৰাষ্ট্ৰ হৈছে শ্ৰেণী সমাজৰ ফচল। আদিম সাম্যবাদী সমাজত কোনো শ্ৰেণী নাছিল গতিকে কোনো ৰাষ্ট্ৰও নাছিল। এঙ্গেলছে লিখিছে, "The State ... did not exist from all eternity. There have been societies without it, that had no idea of any state or public power." দাস সমাজৰ পৰাই শ্ৰেণীৰ উদ্ভৱ হৈছিল আৰু ইয়াৰ পৰাই ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰো উদ্ভৱ হৈছিল। মাৰ্ক্সীয় তত্ত্ব মতে শ্ৰেণীবিহীন সমাজৰ উদ্ভৱ নোহোৱালৈকে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰো অস্তিত্ব চলি থাকিব। মুঠতে শ্ৰেণীৰ অস্তিত্ব থকালৈকে ৰাষ্ট্ৰৰো অস্তিত্ব থাকে আৰু শ্ৰেণীৰ অস্তিত্ব নোহোৱা হ'লে ৰাষ্ট্ৰৰো অস্তিত্ব নোহোৱা হয়।

**(২) ৰাষ্ট্ৰ মানুহে সৃষ্টি কৰা অনুষ্ঠান ঃ** মাৰ্ক্সবাদীসকলে বিশ্বাস কৰে যে ৰাষ্ট্ৰ হৈছে মানুহে সৃষ্টি কৰা অনুষ্ঠান। সমাজ বিকাশৰ ইতিহাসৰ এক নিৰ্দিষ্ট স্তৰত মানুহে ৰাষ্ট্ৰ নামৰ সংগঠনটোৰ জন্ম দিছিল। গতিকে ৰাষ্ট্ৰ এটা প্ৰাকৃতিক অনুষ্ঠান নহয়, ই হৈছে এটা কৃত্ৰিম অনুষ্ঠানহে। দাস সমাজত ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল আৰু দাস মালিক সকলে দাস সকলৰ ওপৰত শোষণ আৰু অত্যাচাৰ অব্যাহত ৰখাৰ বাবে ৰাষ্ট্ৰৰ জন্ম দিছিল। দাস সমাজৰ পৰা আৰম্ভ কৰি সকলো কেইটা শোষণকাৰী সমাজ ব্যৱস্থা যেনে সামন্ত সমাজ, পুঁজিবাদী সমাজ সকলোতে ৰাষ্ট্ৰই শোষক আৰু আধিপত্যশালী শ্ৰেণীৰ শোষণ আৰু আধিপত্য ৰক্ষাৰ আহিলা হিচাপে কাম কৰি আহিছে। মুঠতে মাৰ্ক্সীয় ধাৰণা মতে শোষণকাৰী সমাজ ব্যৱস্থাত শোষক সকলে শোষণ আৰু অত্যাচাৰ অব্যাহত ৰখাৰ বাবে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ জন্ম দিছিল।

**(৩) ৰাষ্ট্ৰ সদায় অৰ্থনৈতিক ভাৱে আধিপত্যশালী শ্ৰেণীৰ লগত জড়িত ঃ** মাৰ্ক্সবাদীসকলে বিশ্বাস কৰে যে ৰাষ্ট্ৰই সদায় অৰ্থনৈতিকভাৱে আধিপত্যশালী শ্ৰেণীৰ হকেহে কাম কৰে। দাস সমাজত যেতিয়া ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল তেতিয়া ৰাষ্ট্ৰই দাস মালিকসকলৰ স্বাৰ্থ পূৰণৰ বাবে কাম কৰিছিল। উক্ত সমাজত মালিকসকল আছিল সম্পদ আৰু উৎপাদনৰ গৰাকী। একেধৰণে সামন্ত সমাজত ৰাষ্ট্ৰই সামন্ত প্ৰভুসকলৰ আৰু পুঁজিবাদী সমাজত পুঁজিপতিসকলৰ স্বাৰ্থৰক্ষাৰ হকে পৰিচালিত হয়। এঙ্গেলছৰ মতে- Because the state arose from the need to hold class antagonism in check, but because it arose, at the sametime, in the midst of the conflict of these classes, it is as a rule, the state of the most powerful economically dominant class, which through the medium of state, becomes also the politically dominant class..." এঙ্গেলছৰ মতে, সম্পদশালী শোষক শ্ৰেণীয়ে কেৱল তেওঁলোকৰ সম্পদৰ বলতে নহয় বা শোষণৰ জৰিয়তে নহয় পিচে ৰাষ্ট্ৰৰ ক্ষমতাৰ জৰিয়তে অৰ্থাৎ সৈন্যবাহিনী, আমোলাতন্ত্ৰ, আদালতৰ জৰিয়তেও শ্ৰমিকসকলক কাবু কৰি ৰাখে।

**(৪) ৰাষ্ট্ৰ হৈছে এক উপায় ঃ** মাৰ্ক্সবাদীসকলৰ মতে ৰাষ্ট্ৰ হৈছে ইয়াক নিয়ন্ত্ৰণ কৰাসকলৰ এক আহিলা স্বৰূপ। লেনিনে কৈছিল যে ৰাষ্ট্ৰ হৈছে শ্ৰেণী আধিপত্য আৰু এটা শ্ৰেণীৰ দ্বাৰা আন শ্ৰেণীৰ ওপৰত অত্যাচাৰ চলোৱা অনুষ্ঠান (The state is the organ of class domination, the organ of oppression of one class by another.) ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ সহায়তে শোষকসকলে শোষণ আৰু অত্যাচাৰ অব্যাহত ৰাখে। মাৰ্ক্সবাদীসকলে বুৰ্জোৱা গণতন্ত্ৰত জনসাধাৰণৰ অংশগ্ৰহণৰ ধাৰণাকো বিশ্বাস নকৰে। তেওঁলোকৰ মতে শত্ৰুতাপূৰ্ণ আৰু কোনোকালে সমিলমিললৈ আহিব নোৱাৰা দুটা শ্ৰেণী থকা কোনো সমাজত প্ৰকৃততে গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব নোৱাৰে। গতিকে মাৰ্ক্সবাদীসকলৰ মতে আধুনিক প্ৰতিনিধিত্বমূলক ৰাষ্ট্ৰ হৈছে শ্ৰমিকসকলৰ ওপৰত পুঁজিপতি শোষকসকলৰ দ্বাৰা শোষণ চলোৱা আহিলাহে মাথোন।

**(৫) ৰাষ্ট্ৰ ভীতি প্ৰদানকাৰী অনুষ্ঠান ঃ** মাৰ্ক্সবাদীসকলৰ মতে ৰাষ্ট্ৰৰ মূল ভিত্তি হৈছে শক্তি, জনসাধাৰণৰ ইচ্ছা নহয়। ৰাষ্ট্ৰৰ মাৰ্ক্সবাদী ধাৰণাই দুটা কাৰণৰ বাবে ৰাষ্ট্ৰক ভীতি প্ৰদানকাৰী বা শক্তি প্ৰয়োগকাৰী অনুষ্ঠান বুলি ভাবে- প্ৰথমতে, শ্ৰেণীৰ অস্তিত্ব স্বাভাৱিকতে ভীতি প্ৰদান আৰু শক্তিৰ প্ৰয়োগৰ ওপৰত নিৰ্ভৰ কৰে। দ্বিতীয়তে, ই হৈছে ৰাষ্ট্ৰৰ মূল বৈশিষ্ট্যৰ দৰে ৰাষ্ট্ৰবিহীন প্ৰাচীন কালত অস্ত্ৰ শক্তি সামূহিক ভাৱে জনসাধাৰণৰ হাতত ন্যস্ত আছিল। পিচে ৰাষ্ট্ৰ সৃষ্টিৰ পাছত এই শক্তি জনসাধাৰণৰ পৰা

পৃথক কৰা হ'ল। এঙ্গেলছৰ মতে "the state presupposes a public power of coercion separated from the aggregate body of its members." এনেদৰে ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰ শক্তি একে হিচাপে পৰিগণিত হৈছে।

**(৬) ৰাষ্ট্ৰ এক অস্থায়ী অনুষ্ঠান ঃ** মাৰ্ক্সবাদীসকলৰ মতে ৰাষ্ট্ৰ হৈছে এক অস্থায়ী অনুষ্ঠান। সমাজত শ্ৰেণীৰ ধাৰণা উদয় হোৱাৰ পিছত ৰাষ্ট্ৰৰ জন্ম হৈছিল আৰু শ্ৰেণীৰ অস্তিত্ব থকালৈকে ৰাষ্ট্ৰৰ অস্তিত্বও বাহাল থাকিব। মাৰ্ক্সীয় ধাৰণা মতে সৰ্বহাৰা শ্ৰমিকসকলে পুঁজিবাদৰ অৱসান ঘটাবলৈ বিপ্লৱৰ জৰিয়তে সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰিব। উক্ত সৰ্বহাৰাৰ একনায়কত্ববাদে সকলোধৰণৰ শ্ৰেণী শোষণৰ সমাপ্ত কৰি এক শ্ৰেণীহীন সমাজ গঠন কৰিব অৰ্থাৎ সাম্যবাদ প্ৰতিষ্ঠা কৰিব। শ্ৰেণীহীন সমাজত ৰাষ্ট্ৰৰ কোনো প্ৰাসংগিকতা নোহোৱা হ'ব। অৰ্থাৎ ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটোৰ অস্তিত্বৰ বিলুপ্তি ঘটিব। মুঠতে- 'The abolition of the state is carried on through three stages. Firstly, the overthrough of the bourgeois state by revolution; secondly the establishment of the dictatorship of the probetariat; and finally the withering away of the proletarian state.'

**(৭) মাৰ্ক্সবাদৰ মতে ৰাষ্ট্ৰৰ কাৰ্য ঃ** মাৰ্ক্সবাদীসকলৰ মতে যিকোনো সমাজত ৰাষ্ট্ৰই দুই ধৰণৰ কাৰ্য্য সম্পাদন কৰে- গঠনমূলক আৰু ধ্বংসাত্মক। এই দুয়োধৰণৰ কাৰ্য একে সময়তে অব্যাহত থাকে। এফালে ৰাষ্ট্ৰই পুৰণি ব্যৱস্থাক ধ্বংস কৰে আৰু আনফালে নতুন ব্যৱস্থা সৃষ্টি কৰে। উদাহৰণস্বৰূপে দাস সমাজৰ ৰাষ্ট্ৰই আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ পতন ঘটাই দাস-মালিক সমাজ প্ৰতিষ্ঠা কৰিছিল। একেধৰণে সামন্ত ৰাষ্ট্ৰই দাস সমাজৰ, পুঁজিবাদী ৰাষ্ট্ৰই সামন্ত ব্যৱস্থাৰ পতন ঘটাই নতুন নতুন ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল। একেধৰণে সমাজবাদত শ্ৰমিক শ্ৰেণীয়ে ক্ষমতা আহৰণ আৰু পুঁজিবাদী সমাজৰ অৱশেষৰ সমাপ্তি ঘটাই তাৰ ঠাইত সাম্যবাদ অৰ্থাৎ শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰে।

চমুকৈ আমি মাৰ্ক্সীয় ৰাষ্ট্ৰৰ ধাৰণা তলত দিয়া ধৰণে দাঙি ধৰিব পাৰো ঃ

(ক) অৰ্থনৈতিক উপাদানৰ ওপৰত ভিত্তি কৰিহে আধুনিক ৰাষ্ট্ৰ আৰু ইতিহাসৰ বিকাশ সম্পৰ্কে ধাৰণা পাব পাৰি ।

(খ) সমাজ আৰু ৰাষ্ট্ৰ দুটা সম্পূৰ্ণৰূপে পৃথক বিষয়। সমাজৰ প্ৰকাৰে ৰাষ্ট্ৰৰ প্ৰকাৰ ব্যাখ্যা কৰে। সমাজে নিৰ্মাণ কৰা ভেটিৰ ওপৰতে ৰাষ্ট্ৰৰ উপৰিসৌধসমূহ গঢ়ি উঠে।

(গ) ৰাষ্ট্ৰ সমাজৰ পৰা মুক্ত বা স্বাধীন নহয় ।

(ঘ) ৰাষ্ট্ৰ হৈছে সমাজ যিসকলে নিয়ন্ত্ৰণ কৰে তেওঁলোকৰ লক্ষ পূৰণৰ উপায়। দাস ৰাষ্ট্ৰই দাস মালিক সকলৰ, সামন্ত ৰাষ্ট্ৰই সামন্ত প্ৰভূসকলৰ আৰু পুঁজিবাদী ৰাষ্ট্ৰই পুঁজিপতিসকলৰ স্বাৰ্থ পূৰণ কৰে।

(ঙ) শ্ৰেণীবিভক্ত সমাজে তেনে এখন ৰাষ্ট্ৰ সৃষ্টি কৰে যিয়ে সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ ওপৰত শোষণ আৰু অত্যাচাৰ চলোৱাৰ বাবে আধিপত্যশালী শ্ৰেণীসমূহক সহায় কৰে। এখন শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠাৰ বাবে ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন অতি প্ৰয়োজনীয়।

(ছ) সৰ্বহাৰাৰ একনায়কত্ববাদ মানে ৰাষ্ট্ৰৰ বিলুপ্তি সাধন নহয়। ইয়াত ৰাষ্ট্ৰক সৰ্বহাৰাসকলৰ কল্যান আৰু এখন শ্ৰেণীবিহীন সমাজ প্ৰস্তুতিৰ বাবে ৰাষ্ট্ৰক ব্যৱহাৰ কৰা হয়। সাম্যবাদী সমাজত ৰাষ্ট্ৰৰ প্ৰাসংগিকতা নোহোৱা হৈ পৰে আৰু ৰাষ্ট্ৰৰ অস্তিত্বও বিলুপ্ত হয়।

**সমালোচনা ঃ** ৰাষ্ট্ৰ সম্পৰ্কীয় মাৰ্ক্সবাদী ধাৰণা বিভিন্ন দৃষ্টিকোণৰ পৰা সমালোচকসকলৰ দ্বাৰা সমালোচিত হৈছে। তলত তেনে কেইটামান সমালোচনা দাঙি ধৰা হ'ল—

(১) সমালোচক সকলৰ মতে ক'তোৱেই সমাজ দৃঢ়ভাৱে দুটা অৰ্থনৈতিক শ্ৰেণী যেনে ধনী আৰু দুখীয়া হিচাপে বিভক্ত নহয়। আনহাতে শ্ৰেণী কেতিয়াও স্থিৰ নহয়। উদাৰবাদীপণ্ডিত সকলৰ মতে মানুহে নিজৰ চেষ্টাৰ বলত নিজৰ সামাজিক আৰু অৰ্থনৈতিক মৰ্যাদাৰ পৰিৱৰ্তন সাধন কৰিব পাৰে। সমালোচকসকলৰ মতে ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজত মধ্যবিত্ত শ্ৰেণীয়ে অৱস্থান কৰে। সাম্প্ৰতিক সময়ত পুজিবাদী ৰাষ্ট্ৰসমূহত মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে।

(২) সমালোচক সকলৰ মতে মাৰ্ক্সে ভবাতকৈ পুঁজিবাদৰ চৰিত্ৰৰ বহুখিনি পৰিৱৰ্তন হৈছে। ঊনৈশ শ শতিকাৰ পুঁজিবাদৰ সৈতে বৰ্তমানৰ পুঁজিবাদৰ বহুখিনি অমিল দেখা যায়। সমালোচক সকলৰ মতে পুঁজিবাদী ৰাষ্ট্ৰসমূহ শোষণকাৰী ৰাষ্ট্ৰৰ পৰিৱৰ্তে সাম্প্ৰতিক সময়ত কল্যানকামী ৰাষ্ট্ৰলৈকে ৰূপান্তৰিত হৈছে। এনে ৰাষ্ট্ৰই শ্ৰমিকসকলক শোষণ কৰাৰ পৰিৱৰ্তে কল্যানমূলক আঁচনিহে গ্ৰহণ কৰে।

(৩) সমালোচকসকলৰ মতে ৰাষ্ট্ৰ এটা শ্ৰেণীৰ অনুষ্ঠান নহয় অথবা ই এটা নিৰ্দিষ্ট শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবেও কাম নকৰে। ৰাষ্ট্ৰ সকলোৰে লগত জৰিত। ৰাষ্ট্ৰই সমাজত এনে পৰিবেশ ৰচনা কৰে যিয়ে ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰে। ৰাষ্ট্ৰই সকলোৰে কল্যানৰ বাবে কাম কৰে।

(৪) সমালোচকসকলৰ মতে বিশ্বৰ বহুকেইখন ৰাষ্ট্ৰত সমাজবাদ প্ৰতিষ্ঠা হৈছে যদিও মাৰ্ক্সবাদীসকলে কোৱাৰ দৰে এনে ৰাষ্ট্ৰসমূহত শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা হোৱা নাই অথবা ই ৰাষ্ট্ৰৰ প্ৰাসংগিকতাও নোহোৱা কৰা নাই।

## (খ) অধিকাৰ
## (Rights)

**অধিকাৰৰ অৰ্থ (Meaning of Rights) ঃ**

অধিকাৰ ৰাজনীতি বিজ্ঞানৰ বিশ্লেষক সকলৰ মতে ব্যক্তিৰ ৰাষ্ট্ৰৰ প্ৰতি উঠা দাবীৰ ফলশ্ৰুতি। ৰাষ্ট্ৰৰ ক্ষমতাৰ সিমীত কৰণৰ ই এক আহিলাও। এক কথাত ক'বলৈ হ'লে অধিকাৰ ব্যক্তিৰ দাবী, যি দাবীয়ে ৰাষ্ট্ৰৰ ক্ষমতা সিমীত কৰে আৰু যিবোৰ দাবী সাংবিধানিক আৰু বৈধিক উপায়েৰে সংৰক্ষিত কৰা হয়। এই দাবীবোৰে যেতিয়া ৰাষ্ট্ৰৰ স্বীকৃতি লাভ কৰে তেতিয়া ই ব্যক্তিৰ ব্যক্তিত্ব আৰু সৰ্বাংগীন বিকাশত সহায় কৰে আৰু লগতে ই ৰাষ্ট্ৰৰ সামগ্ৰিক বিকাশৰো কাৰক হৈ পৰে। অধিকাৰৰ ধাৰণাৰ লগত উল্লেখ কৰিবলগীয়া কথাটো হ'ল যে অধিকাৰবোৰ ব্যক্তিয়ে স্বতঃস্ফূৰ্তভাৱে লাভ কৰা নাই। বিভিন্ন সংগ্ৰামৰ মাজেৰেহে ব্যক্তিয়ে এই অধিকাৰবোৰ লাভ কৰিছে। ব্যক্তিয়ে যেতিয়া ৰাষ্ট্ৰৰ ক্ষমতাৰ সিমীতকৰণৰ দাবী উত্থাপন কৰিবলৈ ধৰিলে বা ৰাষ্ট্ৰৰ ব্যক্তিৰ প্ৰতি থকা দায়িত্বৰ প্ৰশ্ন উত্থাপন কৰিবলৈ ধৰিলে তেতিয়াই অধিকাৰৰ ধাৰণাৰ উৎপত্তি আৰু বিকাশ হ'ল। অধিকাৰৰ উপস্থিতিয়ে যিদৰে ৰাষ্ট্ৰৰ ব্যক্তিৰ প্ৰতি থকা দায়িত্বক প্ৰতিফলিত কৰে ঠিক একেদৰে অধিকাৰৰ অনুপস্থিতিয়ে ব্যক্তিৰ প্ৰতি থকা ৰাষ্ট্ৰৰ দায়িত্বক শাসকীয় পক্ষৰ মনোভাৱৰ ওপৰত নিৰ্ভৰশীল কৰি তোলে। অৰ্থাৎ অধিকাৰৰ উপস্থিতিয়ে ব্যক্তিৰ সুখ, ব্যক্তিত্বৰ বিকাশৰ নিশ্চিতি প্ৰদান কৰে। সেয়েহে অধিকাৰৰ স্বীকৃতি ব্যক্তিৰ বিকাশৰ বাবে অতি প্ৰয়োজনীয়। লগতে ৰাষ্ট্ৰৰ দ্বাৰা ইয়াৰ সুৰক্ষাৰ ব্যৱস্থাও প্ৰয়োজনীয়।

**অধিকাৰৰ সংজ্ঞা (Definition of Rights) ঃ**

অধিকাৰ সম্পৰ্কত বিভিন্ন ৰাজনৈতিক চিন্তাবিদে নিজৰ সংজ্ঞা আগবঢ়াইছে। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল—

অধ্যাপক লাস্কিৰ মতে, "অধিকাৰ হ'ল সমাজ জীৱনৰ সেইবোৰ চৰ্ত যাৰ অবিহনে কোনো মানুহে সাধাৰণতে নিজ সত্ত্বাৰ চৰম উৎকৰ্ষ সাধন কৰিব নোৱাৰে। ("Rights are those conditions of social life without which no man can seek, in general to be the himself at his best."– Laski)

আৰ্নেষ্ট বাৰ্কাৰৰ মতে, "ব্যক্তিত্বৰ সাম্ভাব্য সৰ্বাধিক বিকাশৰ বাবে প্ৰয়োজনীয় বাহ্যিক চৰ্তাৱলীয়েই হ'ল অধিকাৰ।" ("Rights are the internal conditions necessary for the greatest possible development of the capacities of the personality."– Burker)

গ্ৰীণৰ মতে, "সৰ্বসাধাৰণৰ কল্যাণ সাধনত বৰঙণি যোগোৱাৰ বাবে প্ৰয়োজনীয় বুলি সমাজৰপৰা স্বীকৃতি লাভ কৰা ক্ষমতাসমূহেই অধিকাৰ।" (Right is a power of acting for his own ends….. secured to an individual by the community on the supposition that it contributes to the good of the communing– Green).

ৱাইল্ডৰ মতে, "অধিকাৰ হৈছে কোনো এটা কাৰ্য সম্পাদন কৰাৰ স্বতন্ত্ৰতাৰ এটি যুক্তিসংগত দাবী।" ("A right is a reasonable claim to freedom in the exercise of certain activities."– Wild)

বোচাংকোৱেটৰ মতে, "সমাজৰ দ্বাৰা স্বীকৃত আৰু ৰাষ্ট্ৰৰ দ্বাৰা বলবৎ হোৱা দাবীয়ে অধিকাৰ।" ("Right is a claim, recognized by society and enforced by the state." – Bosanquet)

ওপৰোক্ত সংজ্ঞাবোৰে অধিকাৰৰ সামগ্ৰিক অৰ্থকে প্ৰতিনিধিত্ব কৰে। অৰ্থাৎ অধিকাৰ যে ব্যক্তিৰ দাবী, যুক্তিসংগত দাবী, অধিকাৰ ৰাষ্ট্ৰ আৰু সমাজৰ দ্বাৰা স্বীকৃত হোৱাটো প্ৰয়োজনীয়, অধিকাৰৰ ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰে আৰু ইয়াৰদ্বাৰা সমাজৰ সামগ্ৰিক বিকাশ সম্ভৱ হয়..... ইত্যাদি সকলো দিশেই ওপৰোক্ত সংজ্ঞাবোৰত প্ৰতিফলিত হয়।

**অধিকাৰৰ বৈশিষ্ট্য (Characteristics of Rights) ঃ**

অধিকাৰৰ অৰ্থ, ধাৰণা আৰু সংজ্ঞাৰ বিশ্লেষণে ইয়াৰ কিছুমান বৈশিষ্ট্য প্ৰতিফলিত কৰে। অধিকাৰৰ মূল বৈশিষ্টবোৰ হ'ল—

**অধিকাৰ ব্যক্তিৰ প্ৰয়োজন পূৰণৰ লগত জড়িত।** আগতেই উল্লেখ কৰা হৈছে যে অধিকাৰ হৈছে ব্যক্তিৰ দাবী বা চৰ্ত যিবোৰ ব্যক্তিৰ জীৱনৰ বিভিন্ন দিশৰ বাবে প্ৰয়োজনীয়। সেয়েহে পৃথিৱীৰ সকলোবোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰই ব্যক্তিৰ প্ৰয়োজন পূৰণৰ বাবে অহা দাবী বা চৰ্তবোৰ পূৰণ কৰাৰ বাবে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰে। গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ব্যক্তিৰ অধিকাৰ সুৰক্ষাৰ বাবেও বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হয়। এই বিষয়ে পিছলৈ বিশদভাৱে আলোচনা কৰা হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে যেতিয়া ব্যক্তিৰ প্ৰয়োজন পৰিৱৰ্তন হয় তেতিয়া অধিকাৰবোৰো পৰিৱৰ্তন হৈ গৈ থাকে।

**অধিকাৰ ব্যক্তিৰ জীৱনৰ উৎকৰ্ষৰ লগত জড়িত।** অধিকাৰে ব্যক্তিৰ প্ৰয়োজন পূৰণ কৰি ব্যক্তিৰ ব্যক্তিত্বৰ বিভিন্ন দিশৰ বিকাশত সহায় কৰে। অধিকাৰ অবিহনে ব্যক্তিৰ সাম্ভাব্য বিকাশ সম্ভৱ নহয়। ব্যক্তিৰ ব্যক্তিত্বৰ উৎকৰ্ষ সাধনে আকৌ সমাজৰ বিকাশতো অৰিহণা যোগায়।

**অধিকাৰৰ এক সামাজিক প্ৰকৃতি আছে।** সমাজতেই অধিকাৰৰ উৎপত্তি হয় আৰু সমাজেই এইবোৰ স্বীকৃতি দি অধিকাৰ উপভোগৰ পথ মসৃণ কৰি তোলে। সামাজিক স্বীকৃতিবিহীন অধিকাৰ উপভোগ কৰাটো সম্ভৱ নহয় বুলিয়ে ক'ব পাৰি। অৱশ্যে সমাজৰ লগতে ৰাষ্ট্ৰৰ স্বীকৃতিও প্ৰয়োজনীয়।

**ব্যক্তিৰ অধিকাৰ ৰাষ্ট্ৰই সৃষ্টি নকৰে, কিন্তু অধিকাৰৰ সুৰক্ষাৰ আৰু স্বীকৃতিৰ মূল দায়িত্ব ৰাষ্ট্ৰই গ্ৰহণ কৰিব লাগে।** ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত অধিকাৰহে প্ৰকৃত অধিকাৰ যিবোৰ নাগৰিকে উপভোগ কৰিব পাৰে আৰু ব্যক্তিত্বৰ বিকাশ সাধন কৰিব পাৰে। ৰাষ্ট্ৰই প্ৰয়োজনীয় বিধি বিধান ৰচনাৰ জৰিয়তে নাগৰিকৰ অধিকাৰক স্বীকৃতি দিয়ে।

**অধিকাৰ কেতিয়াও চৰম বা চূড়ান্ত নহয়।** সীমাহীন অধিকাৰে সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে সকলো ৰাষ্ট্ৰই নাগৰিকৰ অধিকাৰৰ ওপৰত কিছুমান বাধা নিষেধ আৰোপ কৰে যাতে সকলোৱে এইবোৰ সমানে উপভোগ কৰিব পাৰে।

**অধিকাৰৰ লগত কৰ্তব্যৰ ওতঃপ্ৰোত সম্পৰ্ক আছে।** প্ৰত্যেক ৰাষ্ট্ৰই সেয়েহে অধিকাৰৰ লগতে নাগৰিকৰ বাবে কিছুমান কৰ্তব্যও নিৰ্দ্ধাৰণ কৰে। অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্কৰ বিষয়ে পিছলৈ বিশদভাৱে আলোচনা কৰা হৈছে।

**অধিকাৰ পৰিৱৰ্তনশীল।** আগতেই উল্লেখ কৰা হৈছে যে অধিকাৰ ব্যক্তিৰ প্ৰয়োজনৰ লগত জড়িত। ব্যক্তিৰ প্ৰয়োজন সময়ৰ লগে লগে পৰিৱৰ্তন হৈ গৈ থাকে। গতিকে প্ৰয়োজনৰ পৰিৱৰ্তনৰ লগে লগে অধিকাৰৰ দাবীও পৰিৱৰ্তন হৈ আহিছে। আমি আমাৰ চাৰিওকাষৰ সমাজৰ পৰিৱৰ্তিত অধিকাৰৰ দাবীসমূহ লক্ষ্য কৰিলেই অধিকাৰৰ পৰিৱৰ্তনশীলতাক অনুভৱ কৰিব পাৰিম। গতিকে অধিকাৰ কেতিয়াও স্থায়ী নহয়।

চমুকৈ ক'বলৈ হ'লে অধিকাৰৰ প্ৰধান বৈশিষ্টবোৰ হ'ল—

1. অধিকাৰ ব্যক্তিৰ প্ৰয়োজন পূৰণৰ লগত জড়িত।
2. অধিকাৰ ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ লগত জড়িত।
3. অধিকাৰৰ এক সামাজিক প্ৰকৃতি আছে।
4. অধিকাৰ ৰাষ্ট্ৰই স্বীকৃতি দিব লাগে।
5. অধিকাৰ চৰম নহয়, এইবোৰৰ লগত বিভিন্ন বাধা নিষেধ জড়িত হৈ থাকে।
6. অধিকাৰৰ লগত কৰ্তব্যৰ ওতঃপ্ৰোত সম্পৰ্কে আছে।
7. অধিকাৰ পৰিৱৰ্তনশীল, স্থায়ী নহয়।

**অধিকাৰৰ প্ৰয়োজনীয়তা ঃ**

ব্যক্তিৰ বিকাশৰ বুনিয়াদ হৈছে মানুহৰ অধিকাৰবোৰ। অধিকাৰ অবিহনে এজন ব্যক্তিয়ে প্ৰকৃত অৰ্থত মানুহ হিচাপে জীয়াই থাকিব নোৱাৰে। সকলো মানুহ সমান আৰু কোনেও কাৰো অনুগত হ'বলৈ জন্ম গ্ৰহণ নকৰে। প্ৰতিজন ব্যক্তিয়ে স্বাধীন ভাৱে জীৱন-নিৰ্বাহ কৰিবলৈ সমান সা-সুবিধা পাব লাগে। বৰ্তমান সময়ত সমাজত প্ৰচলিত জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু ভাষাৰ

অসমতাক এক প্রত্যাহ্বান হিচাপে গ্ৰহণ কৰা হৈছে। ১৯৪৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভা (General Assembly) এ ঘোষণা কৰা ঘোষণা পত্ৰত অধিকাৰবোৰক সাৰ্বজনীন মানৱ অধিকাৰ হিচাপে ঘোষণা কৰিছে। ঘোষণা পত্ৰত উল্লেখিত বিভিন্ন অধিকাৰ সমূহক জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে বিশ্বৰ সমুদায় জনসাধাৰণে মৰ্যদাসম্পন্ন আৰু আত্মসন্মান পূৰ্বক জীৱন-যাপনৰ বাবে অতিকৈ প্ৰয়োজনীয় অধিকাৰ হিচাপে মান্য কৰে।

সমাজে সন্মুখীন হোৱা বাধা আৰু প্ৰত্যাহ্বানৰ লগত মোকাবিলা কৰাৰ কাৰণে সমাজে দাবী কৰা অধিকাৰবিলাক মানৱ অধিকাৰত অন্তৰ্ভুক্ত কৰাৰ কাৰণে মানৱ অধিকাৰৰ তালিকা সম্প্ৰসাৰণ হৈ আছে। প্ৰাকৃতিক পৰিৱেশ ৰক্ষাৰ কাৰণে আজিকালি মানুহৰ সজাগতা বৃদ্ধি পোৱাৰ ফলত নতুন অধিকাৰৰ দাবী যেনে বিশুদ্ধ বায়ু, বিশুদ্ধ পানী ইত্যাদি নতুন নতুন অধিকাৰৰ দাবী উত্থাপিত হৈছে। ইয়াৰোপৰি আৰু কিছুমান অধিকাৰ, যেনে জীৱন-ধাৰণাৰ অধিকাৰ, মহিলা, শিশু, জেষ্ঠ্য নাগৰিকৰ সংৰক্ষণ আদি অধিকাৰবোৰৰো সাম্প্ৰতিক কালত গুৰুত্ব দেখিবলৈ পোৱা যায়। এইদৰে নতুন নতুন অধিকাৰ সম্প্ৰসাৰণ হৈ মানুহৰ সন্মান আৰু মৰ্যাদাপূৰ্ণ জীৱন-যাপনৰ পথ সুচল কৰি তুলিছে।

অধিকাৰবিলাকৰ জৰিয়তে জনসাধাৰণে ৰাষ্ট্ৰ অৰ্থাৎ চৰকাৰৰ ওচৰত বিভিন্ন দাবী উত্থাপন কৰি কিছুমান বাধ্য-বাধকতা আৰোপ কৰে। এনে ধৰণৰ অধিকাৰবোৰে ৰাষ্ট্ৰক কি কৰিব লাগে বা কি কৰিব নালাগে তাক নিৰ্দ্দিষ্ট কৰি দিয়ে। উদাহৰণস্বৰূপে মানুহৰ জীৱনৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ আদিয়ে ৰাষ্ট্ৰক কিছুমান নতুন নতুন আইন প্ৰণয়ন কৰিবলৈ বাধ্য কৰাইছে।

কোনবোৰ অনুষ্ঠানৰ দ্বাৰা অধিকাৰবোৰক স্বীকৃতি প্ৰদান কৰা হ'ব, কি প্ৰকাৰৰ চৰকাৰ গঠনৰ দ্বাৰা বা আইন প্ৰণয়নৰ দ্বাৰা ব্যক্তিৰ অধিকাৰ সুৰক্ষিত হ'ব এই সকলো দিশ সম্পৰ্কে অধিকাৰে নাগৰিকক সচেতন কৰি তোলে। অধিকাৰে ৰাষ্ট্ৰৰ কৰণীয়তাৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। উদাহৰণস্বৰূপে সমাজৰ প্ৰত্যেক ব্যক্তিৰে কৰ্মৰ আৰু স্বাধীনতাৰ অধিকাৰ আছে আৰু এই অধিকাৰ উপভোগৰ পৰা ৰাষ্ট্ৰই কাকো বঞ্চিত কৰিব নোৱাৰে। গতিকে, ৰাষ্ট্ৰৰ কাৰ্য-কলাপৰ ওপৰত নজৰ দিয়াৰ লগতে দেশত স্বাধীনতা আৰু কৰ্তৃত্বৰ বিতৰণৰ ক্ষেত্ৰতো অধিকাৰৰ ভুমিকা অতি প্ৰয়োজনীয়।

নাগৰিক সকলৰ জীৱনক ব্যক্তিগতভাৱে আৰু সামাজিকভাৱে উৎপাদনক্ষম আৰু গুৰুত্বপূৰ্ণ কৰি তুলিবলৈ অধিকাৰ বাৰুকৈয়ে প্ৰয়োজনীয়, কিয়নো অধিকাৰৰ দ্বাৰা এজন ব্যক্তিয়ে নিজ কৰ্ম ন্যায়সংগত আৰু সঠিক হয় নে নহয়, সেই সম্পৰ্কে অৱগত হয়। গতিকে ক'ব পাৰি যে অধিকাৰ হ'ল জনসাধাৰণৰ সৰ্বাংগীন কল্যাণৰ লগতে সামাজিক কল্যাণৰ এক অন্যতম চৰ্ত। এই অধিকাৰ সমুহৰ তাৎপৰ্য আৰু গুৰুত্ব চৰকাৰ আৰু জনসাধাৰণ উভয়ে উপলব্ধি কৰিব পাৰিব লাগিব। বিশেষকৈ নাগৰিকসকল তেওঁলোকৰ অধিকাৰৰ প্ৰতি সদায় সজাগ হোৱা উচিত।

**অধিকাৰৰ শ্ৰেণীবিভাজন (Classification of Rights) ঃ**

অধিকাৰৰ শ্ৰেণীবিভাজনে অধিকাৰৰ বিভিন্ন ধৰণ বা প্ৰকাৰক বুজায়। অধিকাৰৰ ভাগ বা শ্ৰেণীবিভাজন সম্পৰ্কত চিন্তাবিদসকল একমত নহয়। অৰ্থাৎ বিভিন্নজনে অধিকাৰৰ শ্ৰেণীবিভাজন বিভিন্ন ধৰণে কৰিছে। প্ৰখ্যাত চুক্তিতত্ববিদ হ'বচ্, ল'ক, ৰুচোৱে ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰৰ কথা কৈছিল। অধ্যাপক লাস্কিয়ে অধিকাৰক দুটা ভাগত বিভক্ত কৰিছিল— সাধাৰণ অধিকাৰ আৰু নিৰ্দ্দিষ্ট অধিকাৰ। অৱশ্যে আলোচনাৰ সুবিধাৰ্থে নাগৰিকৰ অধিকাৰক তিনিটা ভাগতেই ভাগ কৰা হৈছে যিটোত আধুনিক চিন্তাবিদসকল বহুপৰিমাণে একমত হৈছে। সেয়া হ'ল—

1. প্ৰাকৃতিক অধিকাৰ (Natural Rights)
2. নৈতিক অধিকাৰ (Moral Rights)
3. বৈধিক অধিকাৰ (Legal Rights)

তলত এই অধিকাৰবোৰৰ বিষয়ে আলোচনা কৰা হৈছে—

**প্ৰাকৃতিক অধিকাৰ (Natural Rights) ঃ** প্ৰাকৃতিক অধিকাৰ সম্পৰ্কত কিছু বিভিন্নতা আছে যদিও এই অধিকাৰ হ'ল ব্যক্তিৰ সেইবোৰ অধিকাৰ যিবোৰ মানুহে নিজৰ সহজাত প্ৰবৃত্তিৰ বাবে জন্মৰ লগে লগেই লাভ কৰে। এই অধিকাৰৰ লগত ৰাষ্ট্ৰৰ স্বীকৃতিৰো সম্পৰ্ক নাথাকে। অৰ্থাৎ, প্ৰাকৃতিক অধিকাৰ হ'ল ব্যক্তিৰ জন্মগত অধিকাৰ আৰু ই এক স্বাভাৱিক সত্য। প্ৰাকৃতিক অধিকাৰৰ ধাৰণাৰ জনপ্ৰিয়কৰণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল প্ৰখ্যাত চুক্তিতত্ববিদ থমাচ হ'বচ্, জন ল'ক আৰু ৰুছোঁৱে। এই তিনিওজন চিন্তাবিদে মত প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰ সৃষ্টিৰ পূৰ্বে ব্যক্তিয়ে প্ৰকৃতি ৰাজ্যত বাস কৰিছিল আৰু ইয়াত অৰ্থাৎ প্ৰকৃতি

ৰাজ্যত যি অধিকাৰ ভোগ কৰিছিল সেইবোৰেই হ'ল প্ৰাকৃতিক অধিকাৰ। হ'বছ, ল'ক, ৰুছোঁৰ এই ব্যাখ্যাক লৈ সমালোচনা হৈছে যদিও তেওঁলোকৰ ধাৰণাৰ নিহীত অৰ্থ এয়াই যে ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ স্বীকৃতিৰ লগত প্ৰাকৃতিক অধিকাৰৰ বিশেষ সম্পৰ্ক নাই। ব্যক্তিৰ জীৱনৰ ই এক এৰাব নোৱাৰা অংগ। মানুহৰ সহজাত প্ৰবৃত্তিৰ লগতে ই জড়িত আৰু প্ৰত্যেক ব্যক্তিয়ে জন্মৰ লগে লগেই এই অধিকাৰবোৰ উপভোগ কৰিবলৈ আৰম্ভ কৰে। প্ৰাকৃতিক অধিকাৰক যদিও আইনগত অধিকাৰৰ অন্তৰ্গত কৰা নাই তথাপিও এই ধাৰণা অধিকাৰৰ ধাৰণাৰ সমানেই গুৰুত্বপূৰ্ণ। প্ৰাকৃতিক অধিকাৰৰ ধাৰণাই ফৰাচী বিপ্লৱ, আমেৰিকাৰ স্বাধীনতা যোদ্ধা ইত্যাদিলৈ প্ৰেৰণা যোগাইছিল।

**নৈতিক অধিকাৰ (Moral Rights) ঃ** নৈতিক নীতি-নিয়ম, আদৰ্শ আদিৰ ভিত্তিত স্বীকৃত অধিকাৰবোৰ হ'ল নৈতিক অধিকাৰ। এই অধিকাৰবোৰ ব্যক্তিয়ে ভংগ কৰিলেও ৰাষ্ট্ৰই কোনো ব্যক্তিক সাধাৰণতে শাস্তি প্ৰদান কৰিব নোৱাৰে। কিন্তু সাধাৰণতে ব্যক্তিয়ে জনমত, নীতি-নিয়ম, আদৰ্শ আদিক সন্মান জনাই— এই অধিকাৰ উলংঘা নকৰে। মুঠ কথাত, ব্যক্তিৰ বিবেক, মানসিকতা, দায়িত্ববোধ আদিৰ ওপৰত নৈতিক অধিকাৰ প্ৰতিষ্ঠিত। শিশুৰ মাতৃ-পিতৃৰ পৰা মৰম লাভৰ অধিকাৰ, বৃদ্ধা পিতৃ-মাতৃৰ সন্তানৰপৰা আদৰ যত্ন লাভ কৰাৰ অধিকাৰ ইত্যাদি হ'ল নৈতিক অধিকাৰৰ উদাহৰণ।

**বৈধিক অধিকাৰ (Legal Rights) ঃ** ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত আৰু বলবৎ কৃত অধিকাৰবোৰেই হ'ল বিধিগত বা বৌদ্ধিক অধিকাৰ। যিহেতু বৈধিক অধিকাৰ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত সেয়েহে এই অধিকাৰ ভংগ হ'লে ৰাষ্ট্ৰই প্ৰয়োজনীয় শাস্তিও প্ৰদান কৰিব পাৰে। বৰ্তমান সময়ত আইনগত বা বৈধিক অধিকাৰকে প্ৰকৃত অধিকাৰ বুলি ক'ব পাৰি। আইনগত বা বৈধিক অধিকাৰৰ এক উল্লেখযোগ্য দিশ হ'ল যে ই সাৰ্বজনীন ৰাষ্ট্ৰ এখনৰ সকলো নাগৰিকে ৰাষ্ট্ৰই প্ৰদান কৰা অধিকাৰ বৈষম্যহীনভাবে উপভোগ কৰিব পাৰে।

**বৈধিক অধিকাৰৰ শ্ৰেণীবিভাজন (Classification of Legal Rights) ঃ** বৈধ অধিকাৰসমূহ ইয়াৰ প্ৰকৃতি অনুসৰি বিভিন্ন ভাগত ভগাব পাৰি—

(১) পৌৰ অধিকাৰ (Civil Rights)
(২) ৰাজনৈতিক অধিকাৰ (Political Rights)
(৩) অৰ্থনৈতিক অধিকাৰ (Economics Rights)
(৪) সামাজিক অধিকাৰ (Social Rights)

**(১) পৌৰ অধিকাৰ (Civil Rights) ঃ**

পৌৰ অধিকাৰ হ'ল সেইবোৰ অধিকাৰ যিবোৰ ব্যক্তিৰ জীৱন-যাপন আৰু ব্যক্তিত্ব বিকাশৰ বাবে নিতান্ত প্ৰয়োজনীয়। সমাজত সভ্য আৰু বিকশিত জীৱন-যাপনৰ বাবে এই অধিকাৰবোৰ অতি প্ৰয়োজনীয়। জীৱন, সম্পত্তি, স্বাধীনতাৰ অধিকাৰ আদি হ'ল অন্যতম প্ৰয়োজনীয় পৌৰ অধিকাৰ। কেইটামান গুৰুত্বপূৰ্ণ পৌৰ অধিকাৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

**(ক) জীৱনৰ অধিকাৰ (Right to life) ঃ** জীৱনৰ অধিকাৰ হ'ল— আটাইতকৈ গুৰুত্বপূৰ্ণ পৌৰ অধিকাৰ। আনকি জীৱনৰ অধিকাৰ ব্যক্তিৰ অন্যতম প্ৰাকৃতিক অধিকাৰ বুলি ক'ব পাৰি। জীৱনৰ অধিকাৰ অবিহনে বাকী অধিকাৰবোৰ অৰ্থহীন। প্ৰত্যক ব্যক্তিৰে জীৱনৰ অধিকাৰৰ সুৰক্ষা ৰাষ্ট্ৰৰ প্ৰাথমিক দায়িত্ব। অৱশ্যে পৃথিৱীৰ কিছুমান দেশত বিশেষ আইনগত কাৰণত ব্যক্তিক মৃত্যুদণ্ড দিয়া হয় বা জীৱনৰ অধিকাৰ বিঘ্নিত কৰা হয়। এই কাৰ্যৰ বাবে মৃত্যুদণ্ড প্ৰচলন থকা দেশবোৰ যথেষ্ট পৰিমাণে সমালোচিত হোৱাও দেখা যায়।

**(খ) স্বাধীনতাৰ অধিকাৰ (Right to Liberty) ঃ** জীৱনৰ অধিকাৰৰ লগত জড়িত আন এক পৌৰ অধিকাৰ হ'ল স্বাধীনতা অধিকাৰ। ব্যক্তি কেৱল জীয়াই থাকিলেই নহয় নিজৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশ কৰিব পাৰিলেহে জীৱনৰ অধিকাৰ উপভোগ কৰাটো সাৰ্থক হয়। গতিকে ব্যক্তিক কিছুমান স্বাধীনতাৰ অতি প্ৰয়োজন।

**(গ) মত প্ৰকাশৰ স্বাধীনতা (Freedom of Expression) ঃ** স্বাধীনতাৰ অধিকাৰৰ ভিতৰত অন্যতম হ'ল মত প্ৰকাশৰ স্বাধীনতা। মত প্ৰকাশৰ স্বাধীনতাই ব্যক্তিক বিভিন্ন দিশত নিজৰ মতামত প্ৰকাশৰ অধিকাৰ প্ৰদান কৰে আৰু ইয়াৰ ফলত সত্য প্ৰতিস্থা সহজ হয়। বাক স্বাধীনতা গণতন্ত্ৰৰ অন্যতম ভেটি। বাক স্বাধীনতাই প্ৰচাৰ মাধ্যমৰ স্বাধীনতাকো অন্তৰ্ভুক্ত কৰে। প্ৰচাৰ মাধ্যমৰ বাক-স্বাধীনতাৰ সুস্থ উপভোগে আকৌ সমাজত সুস্থ জনমত গঠন হোৱাত সহায় কৰে।

**(ঘ) সম্পত্তিৰ অধিকাৰ (Right to Property) ঃ** সম্পত্তিৰ অধিকাৰে সম্পত্তি আহৰণ, সংৰক্ষণ, হস্তান্তৰ, কিনা-বেচা কৰিব পৰা অধিকাৰক বুজায়। ই হৈছে ব্যক্তিৰ সহজাত আকাংক্ষাৰ লগত জড়িত এক বিষয় যাৰ লগত ব্যক্তিৰ জীৱনৰ বৈষয়িক উন্নতিৰ কথা জড়িত হৈ থাকে। সম্পত্তিৰ অধিকাৰে ব্যক্তিক পৰিশ্ৰম কৰিবলৈও উদগনি যোগায়। অৱশ্যে কোনো এক ব্যক্তি বা শ্ৰেণীৰ দ্বাৰা অত্যধিক সম্পত্তি আহৰণে সমাজত বৈষম্যতাৰো সৃষ্টি কৰিব পাৰে। সেয়েহে বিভিন্ন সময়ত সম্পত্তিৰ অধিকাৰক বিভিন্নজনে সমালোচনাও কৰে। প্ৰাচীন গ্ৰীক দাৰ্শনিক প্লেটোৱে শাসক শ্ৰেণীক সম্পত্তিৰ অধিকাৰ প্ৰদানৰ বিৰোধিতা কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে সম্পত্তি আহৰণৰ প্ৰৱণতাই শাসকৰ মনযোগ শাসনৰ পৰা আতৰাই নিব পাৰে আৰু তেওঁ দুৰ্নীতিগ্ৰস্তও হ'ব পাৰে। ইয়াৰ বিপৰীতে উদাৰতাবাদী চিন্তাবিদ ল'কে আকৌ সম্পত্তিৰ অধিকাৰক প্ৰাকৃতিক অধিকাৰৰূপেহে গণ্য কৰে। বৰ্তমান সময়ত বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰই সম্পত্তিৰ অধিকাৰক স্বীকৃতি দিছে।

**(ঙ) সংস্থা গঠনৰ অধিকাৰ (Right to form Association) ঃ** ব্যক্তিৰ জীৱনৰ বিভিন্ন প্ৰয়োজন থাকে আৰু এই প্ৰয়োজনসমূহ বিভিন্ন অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক অনুষ্ঠান গঠনৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰে। ৰাষ্ট্ৰ দৰাচলতে বিভিন্ন সংস্থাৰে সমষ্টি। সেয়েহে ব্যক্তিয়ে বিভিন্ন প্ৰয়োজন পূৰণৰ বাবে সংস্থা গঠনৰ অধিকাৰ লাভ কৰাটো প্ৰয়োজনীয় যাৰ জৰিয়তে ব্যক্তিয়ে নিজৰ মতামত আৰু প্ৰয়োজনবোৰ উত্থাপন কৰিব পাৰে আৰু সমাধানৰ পথ মুকলি কৰিব পাৰে কাৰণ এজন ব্যক্তিৰ সলনি এটা সংস্থাৰপৰা উত্থাপন হোৱা দাবীসমূহ চৰকাৰী পক্ষই সহজে উলংঘা কৰিব নোৱাৰে।

**(চ) কৰ্মৰ অধিকাৰ (Right to Work) ঃ** ব্যক্তিৰ এক গুৰুত্বপূৰ্ণ পৌৰ অধিকাৰ হ'ল কৰ্মৰ অধিকাৰ। প্ৰত্যেক ব্যক্তিৰে জীৱন নিৰ্বাহৰ বাবে কৰ্মৰ অধিকাৰ থকাটো প্ৰয়োজনীয়। পৃথিৱীৰ সকলো দেশে আনুষ্ঠানিকভাৱে নাগৰিকৰ কৰ্মৰ অধিকাৰক স্বীকৃতি দিয়া নাই যদিও ই ব্যক্তিৰ জীৱন আৰু জীৱনৰ সুৰক্ষাৰ অধিকাৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। কাৰণ ই ব্যক্তিৰ মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰে। সেয়েহে পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰতেই জনসাধাৰণক কৰ্মসংস্থাপন দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়।

**(ছ) পৰিয়াল গঠনৰ অধিকাৰ (Right to Family) ঃ** পৰিয়াল হৈছে ৰাষ্ট্ৰৰ প্ৰাথমিক গোট। গতিকে ৰাষ্ট্ৰই নাগৰিকক পৰিয়াল গঠনৰ অধিকাৰ দিয়াটো প্ৰয়োজনীয়। ই ব্যক্তিৰ মানসিক সন্তুষ্টিৰো কাৰক।

**(জ) শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ (Right to Education and Culture) ঃ** বৰ্তমান সময়ত ব্যক্তিৰ সামগ্ৰিক বিকাশৰ এক প্ৰয়োজনীয় উপাদান হ'ল শিক্ষা। সেয়েহে প্ৰত্যেক ৰাষ্ট্ৰই নাগৰিকক শিক্ষাৰ অধিকাৰ প্ৰদান কৰাটো প্ৰয়োজনীয়। শিক্ষাই ব্যক্তিক সচেতন কৰে আৰু সু-নাগৰিক হিচাপে গঢ় দিয়াত সহায় কৰে। সেয়েহে প্ৰত্যেক ৰাষ্ট্ৰই নাগৰিকৰ শিক্ষাৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। প্ৰাচীন গ্ৰীক দাৰ্শনিক প্লেটোৱে শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি বিশেষকৈ শাসক শ্ৰেণীৰ বাবে এক দীঘলীয়া শিক্ষা পদ্ধতিৰ কথা উল্লেখ কৰিছিল। তেওঁ পুৰুষ মহিলাৰ সম শিক্ষাৰ অধিকাৰৰ ওপৰত গুৰুত্ব দিছিল। বৰ্তমান সময়তো বৈষম্যহীনভাৱে সকলো নাগৰিকে শিক্ষাৰ অধিকাৰ লাভৰ ওপৰত গুৰুত্ব দিয়া দেখা যায় যদিও এই অধিকাৰ উপভোগত বৈষম্যৰ উপস্থিতিও তাৎপৰ্যপূৰ্ণ।

শিক্ষাৰ লগতে নিজৰ সংস্কৃতি ৰক্ষাৰ অধিকাৰো এক গুৰুত্বপূৰ্ণ পৌৰ অধিকাৰ। সংস্কৃতি হ'ল ব্যক্তিগোষ্ঠীৰ পৰিচয়। গতিকে প্ৰত্যেকেই নিজৰ সংস্কৃতি ৰক্ষাৰ সুবিধা লাভ কৰাটো প্ৰয়োজনীয়।

**(ঝ) চুক্তিৰ অধিকাৰ (Right to Contract) ঃ** এই অধিকাৰৰ জৰিয়তে এজন ব্যক্তি বা অনুষ্ঠানে ৰাষ্ট্ৰৰ ক্ষতি নোহোৱাকৈৰ আনৰ লগত চুক্তিবদ্ধ হ'ব পাৰে। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশত ব্যক্তিয়ে আনৰ লগত চুক্তি সম্পাদন কৰিবলগীয়া হয় বা হ'ব পাৰে। গতিকে চুক্তিৰ অধিকাৰ ব্যক্তিৰ অন্যতম প্ৰয়োজনীয় পৌৰ অধিকাৰ।

**(২) ৰাজনৈতিক অধিকাৰ (Political Rights) ঃ**

যিবোৰ অধিকাৰৰ দ্বাৰা জনসাধাৰণে ৰাষ্ট্ৰৰ শাসন কাৰ্যত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অংশগ্ৰহণ কৰিব পাৰে সেইবোৰেই হ'ল ৰাজনৈতিক অধিকাৰ। যেনে ঃ ভোটদানৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ, চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ ইত্যাদি। প্ৰাচীন কালৰপৰাই মানুহে এই অধিকাৰ লাভৰ বাবে সংগ্ৰাম চলাই আহিব লগা হৈছিল। গণতন্ত্ৰৰ সম্প্ৰসাৰণে ৰাজনৈতিক অধিকাৰ নিশ্চিত হোৱাত সহায় কৰিছে। তলত প্ৰধান ৰাজনৈতিক অধিকাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

**(ক) ভোটদানৰ অধিকাৰ (Right to Vote) ঃ** ভোটদানৰ অধিকাৰ হ'ল প্ৰধান গুৰুত্বপূৰ্ণ ৰাজনৈতিক অধিকাৰ। ইয়াৰ জৰিয়তে

ব্যক্তিয়ে শাসনৰ বিভিন্ন পৰ্যায়ত প্ৰতিনিধি নিৰ্বাচন কৰি দিব পাৰে। প্ৰাচীন যুগত এই অধিকাৰ সকলোকে দিয়া হোৱা নাছিল যদিও বৰ্তমানৰ গণতান্ত্ৰিক ৰাষ্ট্ৰত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত নাগৰিকক এই অধিকাৰ প্ৰদান কৰা হৈছে। আমাৰ ভাৰততো ১৮ বছৰ বয়সপ্ৰাপ্ত সকলো নাগৰিকে ভোট দানৰ অধিকাৰ লাভ কৰিছে।

**(খ) নিৰ্বাচিত হোৱাৰ অধিকাৰ (Right to be Elected) ঃ** প্ৰত্যেক নাগৰিকৰ যিদৰে ভোটদানৰ অধিকাৰ থাকে, ঠিক একেদৰে নিৰ্বাচিত হোৱাৰো অধিকাৰ থাকে। অৰ্থাৎ নাগৰিকে শাসন কাৰ্যত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰাৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে আৰু নিৰ্বাচিতও হ'ব পাৰে যদিহে তেওঁৰ প্ৰয়োজনীয় যোগ্যতা থাকে আৰু প্ৰয়োজনীয় ভোট লাভ কৰে।

**(গ) চৰকাৰী পদবী লাভৰ অধিকাৰ (Right to hold Public Office) ঃ** যোগ্যতাসম্পন্ন প্ৰত্যেক নাগৰিকৰে চৰকাৰী পদত নিযুক্তি পোৱাৰ অধিকাৰ থাকে। অৱশ্যে এই পদবীসমূহৰ বাবে কিছুমান অৰ্হতা থাকে আৰু এইবোৰ পূৰণ কৰিব পাৰিলেহে নাগৰিকে চৰকাৰী পদবী লাভ কৰিব পাৰে। চৰকাৰী পদবীৰ বিতৰণৰ ক্ষেত্ৰত চৰকাৰে সঠিক আৰু সমতাপূৰ্ণ নীতি গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। প্ৰত্যেক দেশেই নিজ দেশৰ নাগৰিকৰ মাজৰপৰাই ৰাষ্ট্ৰপতিকে ধৰি চৰকাৰী কৰ্মচাৰীলৈ বিভিন্ন পদবীসমূহ পূৰণ কৰে।

**(ঘ) সমালোচনা আৰু প্ৰতিৰোধৰ অধিকাৰ (Right to Criticize and Resist) ঃ** ৰাজনৈতিক অধিকাৰৰ ভিতৰত এক গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল সমালোচনা আৰু প্ৰতিৰোধৰ অধিকাৰ। চৰকাৰক সঠিক পথত ৰখাৰ ই এক গুৰুত্বপূৰ্ণ আহিলা। চৰকাৰে যদি জনহিতকৰ কাৰ্যৰ বিপৰীতে পথ গ্ৰহণ কৰে তেতিয়া নাগৰিকে চৰকাৰক সমালোচনা কৰিব পাৰে আৰু প্ৰয়োজন হ'লে বিভিন্ন গণতান্ত্ৰিক, শান্তিপূৰ্ণ উপায়েৰে প্ৰতিৰোধো আগবঢ়াব পাৰে। জনসাধাৰণৰ এই অধিকাৰ অবিহনে শাসক বা চৰকাৰ স্বেচ্ছাচাৰী হোৱাৰ সম্ভাৱনা থাকে। সজাগতা সভা, বিক্ষোভ প্ৰদৰ্শন, গণমাধ্যম ইত্যাদিৰ জৰিয়তে জনসাধাৰণে চৰকাৰৰ কাৰ্যক সমালোচনা কৰিব পাৰে।

**(৩) অৰ্থনৈতিক অধিকাৰ (Economic Rights) ঃ**

যি অধিকাৰে মানুহৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰণ কৰাত আৰু অৰ্থনৈতিক নিৰাপত্তা নিশ্চিত কৰাত সহায় কৰে সেয়াই হ'ল অৰ্থনৈতিক অধিকাৰ। কৰ্মৰ অধিকাৰ, উপযুক্ত মজুৰী লাভৰ অধিকাৰ, জিৰণিৰ অধিকাৰ ইত্যাদি হ'ল গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অধিকাৰ। অৰ্থনৈতিক অধিকাৰে পৌৰ, ৰাজনৈতিক অধিকাৰবোৰ নিশ্চিত হোৱাত সহায় কৰে। তলত কেইটামান অৰ্থনৈতিক অধিকাৰৰ বিষয়ে আলোচনা কৰা হ'ল—

**(ক) কৰ্মৰ অধিকাৰ (Right to Work) ঃ** কৰ্মৰ অধিকাৰৰ জৰিয়তে ব্যক্তিয়ে নিজৰ দক্ষতা প্ৰকাশৰ সুবিধা লাভ কৰে। লগতে কৰ্মসম্পাদনৰ জৰিয়তে পোৱা ফলৰ জৰিয়তে নিজৰ প্ৰয়োজন পূৰণ কৰি এক সুন্দৰ জীৱন যাপন কৰিব পাৰে। সাধাৰণতে দেখা যায় যে সমাজবাদী আদৰ্শৰ প্ৰচলন থকা দেশতহে নাগৰিকক কৰ্মৰ অধিকাৰ প্ৰদান কৰা হয়। চীন দেশৰ সংবিধানে নাগৰিকক কৰ্মৰ অধিকাৰ প্ৰদান কৰিছে। ভাৰতীয় সংবিধানে নাগৰিকক এই অধিকাৰ প্ৰদান কৰা নাই।


**(খ) উপযুক্ত মজুৰী লাভৰ অধিকাৰ (Right to adequate wages) ঃ** কৰ্মৰ অধিকাৰৰ সমানেই প্ৰয়োজনীয় আন এক অধিকাৰ হ'ল উপযুক্ত মজুৰী লাভৰ অধিকাৰ। ব্যক্তিয়ে কৰ্ম সম্পাদন কৰিলেই নহ'ব, ইয়াৰ পৰা প্ৰয়োজনীয় মজুৰী লাভ কৰিব লাগিব। তেতিয়াহে তেওঁ নিজৰ অভাৱ বা প্ৰয়োজন পূৰণ কৰিব পাৰিব। মজুৰীহীন কৰ্ম আদায়ৰ অৰ্থ হ'ল শোষণ। ইয়াৰ লগতে সমান পৰিশ্ৰমৰ বাবে সমান মজুৰী প্ৰদানো সমানে গুৰুত্বপূৰ্ণ। বৰ্তমান সময়তো মজুৰী প্ৰদানৰ ক্ষেত্ৰত বিভিন্ন বৈষম্যৰ উপস্থিতি দেখা যায়, যিটো কোনো দিশৰ পৰাই গ্ৰহণযোগ্য নহয়।

**(গ) জিৰণিৰ অধিকাৰ (Right to rest) ঃ** কৰ্মৰ অধিকাৰৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ অধিকাৰ হ'ল জিৰণিৰ অধিকাৰ। ব্যক্তিৰ কৰ্ম শক্তি আৰু কৰ্ম সম্পাদনৰ এক সীমা থাকে। গতিকে কৰ্মৰ লগতে জিৰণিৰ অধিকাৰো প্ৰয়োজনীয়। তেতিয়াহে ব্যক্তিয়ে সঠিক ধৰণে কাৰ্য সম্পাদন কৰিব পাৰিব কাৰণ জিৰণিয়ে ব্যক্তিৰ কৰ্ম ইচ্ছা বা স্পৃহা আৰু দক্ষতা অটুত ৰখাত সহায় কৰে। সেয়েহে প্ৰায়বোৰ দেশতে বৰ্তমান সময়ত কৰ্মচাৰীৰ বাবে ছুটী বা বন্ধৰ ব্যৱস্থা আছে আৰু কৰ্ম সম্পাদনৰো নিৰ্দিষ্ট সময় আছে।

**(৪) সামাজিক অধিকাৰ (Social Rights) ঃ**

সামাজিক প্ৰাণী মানুহৰ সামাজিক জীৱনৰ সঠিক পালনৰ বাবে প্ৰয়োজনীয় অধিকাৰবোৰেই হ'ল সামাজিক অধিকাৰ। যেনে ঃ শিক্ষাৰ অধিকাৰ, সমতাৰ অধিকাৰ, বাসস্থানৰ অধিকাৰ, স্বাস্থ্য ৰক্ষাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ ইত্যাদি। সামাজিক বৈষম্য, অন্যায় আদি দূৰ কৰি এখন সৰ্বাংগসুন্দৰ সমাজ প্ৰতিষ্ঠাৰ বাবে সামাজিক অধিকাৰবোৰ অতি প্ৰয়োজনীয়।

অধিকাৰৰ শ্ৰেণীবিভাজন—




**অধিকাৰ সংৰক্ষণৰ উপায় (Measures for safeguarding Rights) ঃ**

অধিকাৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এটা দিশ হ'ল অধিকাৰ সংৰক্ষণ। অৰ্থাৎ অধিকাৰ থাকিলেই নহ'ব, ইয়াৰ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰাটোত অতি প্ৰয়োজনীয়। কাৰণ অধিকাৰৰ লগত সঘনাই উত্থাপিত হোৱা এটা বিষয় হ'ল অধিকাৰৰ উলংঘন। গতিকে ইয়াৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা থকাটো গুৰুত্বপূৰ্ণ। অধিকাৰ সংৰক্ষণৰ ক্ষেত্ৰত ব্যক্তিৰ সচেতনতা, শিক্ষা, ৰাষ্ট্ৰৰ সদিচ্ছা আৰু সহযোগিতা অতি প্ৰয়োজনীয় যদিও কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ জৰিয়তেও অধিকাৰ সুৰক্ষিত কৰিব পাৰি। তেনেকুৱা কেইটামান উপায় হ'ল—

1. **সংবিধান (Constitution) ঃ** নাগৰিকৰ অধিকাৰ সংৰক্ষণৰ উল্লেখযোগ্য উপায় হ'ল সংবিধান। সংবিধান দেশৰ মৌলিক আইন। ইয়াক সহজতে কোনেও ভংগ কৰিব নোৱাৰে। সেয়েহে নাগৰিকৰ অধিকাৰবোৰ সংবিধানত লিপিবদ্ধ কৰি ইয়াক সুৰক্ষিত কৰিব পাৰি। পৃথিৱীৰ বেছিভাগ দেশেই সংবিধানত নাগৰিকৰ অধিকাৰবোৰ লিপিবদ্ধ কৰি ৰাখিছে যাতে ইয়াক সহজতে কোনেও উলংঘা কৰিব নোৱাৰে। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত নাগৰিকৰ বাবে ছয়টা মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। সংবিধানত অধিকাৰৰ উল্লেখে অধিকাৰ সুৰক্ষিতও কৰে আৰু অধিকাৰ সম্পৰ্কত স্পষ্টতাও প্ৰদান কৰে।
2. **আইনৰ শাসন (Rule of Law) ঃ** আইনৰ শাসন অধিকাৰ সুৰক্ষাৰ আন এক উপায়। আইনৰ শাসনে আইনৰ দৃষ্টিত সকলোকে সমানে প্ৰতিষ্ঠা কৰে ফলত সকলো নাগৰিকে আইনৰ শাসনৰ দ্বাৰা সমভাৱে অধিকাৰ উপভোগ কৰিব পাৰে। অন্যথা শাসক বা চৰকাৰী পক্ষই কোনো শ্ৰেণীক অধিকাৰ উপভোগৰ পৰা বঞ্চিত কৰিব পাৰে।
3. **ক্ষমতাৰ পৃথকীকৰণ (Separation of Power) ঃ** চৰকাৰৰ তিনিটা অংগ— কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজৰ ক্ষমতাৰ পৃথকীকৰণে নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰিব পাৰে কাৰণ এটা অংগই স্বেচ্ছাচাৰীভাৱে ক্ষমতাৰ অপপ্ৰয়োগ কৰি অধিকাৰ বিঘ্নিত কৰিলে আন এটা অংগই ইয়াৰ ওপৰত হস্তক্ষেপ কৰিব পাৰে।
4. **সংবিধান আৰু নিৰপেক্ষ ন্যায়পালিকা (Free and Impartial Judiciary) ঃ** চৰকাৰ বা ব্যক্তিৰ দ্বাৰা বহুসময়ত নাগৰিকৰ অধিকাৰ বিঘ্নিত হয়। এইক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব পাৰে ন্যায়পালিকাই। ন্যায়পালিকাই বিভিন্ন উপায়েৰে নাগৰিকৰ অধিকাৰবোৰ সুৰক্ষিত কৰে। কিন্তু এই ভূমিকা পালনৰ বাবে ন্যায়পালিকা স্বাধীন আৰু নিৰপেক্ষ

হোৱাটো প্ৰয়োজনীয়। তেতিয়া ই সমভাৱে নাগৰিকৰ অধিকাৰ ৰক্ষা কৰিব পাৰিব।

5. **স্বাধীন আৰু নিৰপেক্ষ সংবাদ পত্ৰ (Free and Impartial Press) ঃ** স্বাধীন, নিৰ্ভীক আৰু নিৰপেক্ষ সংবাদপত্ৰ নাগৰিকৰ অধিকাৰ সুৰক্ষাৰ আন এক উপায়। বিভিন্ন কাৰণত বিভিন্ন পক্ষৰ দ্বাৰা যেতিয়া নাগৰিকৰ অধিকাৰ বিঘ্নিত হয় তেতিয়া সংবাদ মাধ্যমে এইবোৰ প্ৰচাৰ কৰি ইয়াৰ সুৰক্ষাৰ দাবী সম্পৰ্কত প্ৰয়োজনীয় জনমত সৃষ্টি কৰিব পাৰে।

6. **প্ৰয়োজনীয় আইন প্ৰণয়ন (Enactment of necessary Laws) ঃ** ৰাষ্ট্ৰই অধিকাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিও নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰিব পাৰে। অৰ্থাৎ ৰাষ্ট্ৰই এনেকুৱা আইন প্ৰণয়ন কৰিব লাগে যিবোৰে নাগৰিকৰ অধিকাৰ উপভোগৰ পথ মসৃণ কৰি তোলে।

7. **গণতান্ত্ৰিক ব্যৱস্থা (Democratic system) ঃ** অধিকাৰ প্ৰদান, সুৰক্ষা অধিকাৰৰ বাবে প্ৰয়োজনীয় আইন, নিৰপেক্ষ সংবাদ পত্ৰ, ন্যায়িক ব্যৱস্থা ইত্যাদিৰ দ্বাৰা অধিকাৰ সুৰক্ষা গণতান্ত্ৰিক ব্যৱস্থাৰেহে প্ৰকৃতপক্ষে সম্ভৱ। বৰ্তমান সময়ত গণতন্ত্ৰই একমাত্ৰ নিৰ্ভৰযোগ্য ব্যৱস্থা হিচাপে পাৰিগণিত হৈছে য'ত নাগৰিকৰ অধিকাৰৰ নিশ্চিতি থাকে।

8. **সচেতন নাগৰিক (Vigilant Citizen) ঃ** সচেতনতা অৰ্থাৎ নাগৰিকৰ অধিকাৰ সম্পৰ্কত সচেতনতা হ'ল অধিকাৰ সুৰক্ষাৰ আন এক উপায়। নাগৰিক অধিকাৰ সম্পৰ্কে সজাগ নহ'লে যিকোনো সময়ত ই বিঘ্নিত হোৱাটো নিশ্চিত। অৱশ্যে নাগৰিকৰ মনত সচেতনতা সৃষ্টিৰ বাবে প্ৰয়োজনীয় শিক্ষাৰ প্ৰসাৰ হোৱাটোও অতি প্ৰয়োজনীয়। নাগৰিকৰ সচেতনতা নহ'লে যিকোনো পক্ষৰপৰা অধিকাৰ ভংগ এক সাধাৰণ ঘটনা হৈ পৰে।

9. **সুস্থ জনমত (Sound Public Opinion) ঃ** সুস্থ জনমত নাগৰিকৰ অধিকাৰ ভংগৰ প্ৰধান বাধা হ'ব পাৰে। কিন্তু ইয়াৰ বাবে নাগৰিকৰ প্ৰয়োজনীয় শিক্ষা আৰু সচেতনতা থাকিব লাগিব। সুস্থ জনমতে চৰকাৰী পক্ষক অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ বাধ্য কৰাব পাৰে।

10. **ৰাজনৈতিক দলৰ ভূমিকা (Role of Political Party) ঃ** নাগৰিকৰ মনত সচেতনতা সৃষ্টিৰ বাবে, সুস্থ জনমত গঠনৰ বাবে এক বিশেষ ভূমিকা পালন কৰিব পাৰে ৰাজনৈতিক দলসমূহে। শাসকীয় দলৰ লগতে বিৰোধী দলসমূহে চৰকাৰৰ দ্বাৰা বিঘ্নিত হোৱা অধিকাৰ সম্পৰ্কে সজাগতা আৰু জনমত সৃষ্টি কৰিব পাৰে আৰু চৰকাৰক অধিকাৰ বিৰোধী স্থিতি বাতিল কৰিবলৈ বাধ্য কৰাব পাৰে।

এইদৰে বিভিন্ন উপায়ে নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰিব পাৰি। এইক্ষেত্ৰত আটাইতকৈ প্ৰয়োজনীয় হ'ল চৰকাৰৰ সদিচ্ছা আৰু নাগৰিকৰ সচেতনতা।

**অধিকাৰৰ তত্ত্ব (Theory of Rights) ঃ**

অধিকাৰ সম্পৰ্কে বিভিন্ন তত্ত্ব দেখিবলৈ পোৱা যায়, যিয়ে অধিকাৰৰ ভিত্তি, প্ৰকৃতি আৰু ইয়াৰ অৰ্থ সম্পৰ্কে ভিন্ন ব্যাখ্যা আগবঢ়ায়। সেইবোৰ চমুকৈ আলোচনা কৰা হ'ল—

**প্ৰাকৃতিক অধিকাৰ তত্ত্ব (Theory of Natural Rights) ঃ**

এই তত্ত্ব অনুসৰি অধিকাৰবোৰ হ'ল প্ৰাকৃতিক। সামাজিক চুক্তি মতবাদৰ সমৰ্থক Hobbes, Locke, Rousseau প্ৰাকৃতিক অধিকাৰ তত্ত্বৰ সমৰ্থনকাৰী। এই তত্ত্বৰ মতে সমাজ সৃষ্টিৰ আগতে প্ৰকৃতি ৰাজ্যত মানুহে কিছুমান অধিকাৰ ভোগ কৰিছিল।

**বৈধ অধিকাৰ তত্ত্ব (Theory of  Legal Rights) ঃ**

Jeremy Bantham, Hegel, Austin এই তত্ত্বৰ প্ৰৱৰ্তক। এই তত্ত্ব মতে অধিকাৰ ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল। ৰাষ্ট্ৰ হৈছে অধিকাৰৰ একমাত্ৰ উৎস; ৰাষ্ট্ৰৰ বাহিৰত ব্যক্তিৰ কোনো অধিকাৰ নাথাকে। Prof. Leacock ৰ মতে, "অধিকাৰ হ'ল নাগৰিকে উপভোগ কৰা কিছুমান সা-সুবিধা যিবোৰ ৰাষ্ট্ৰৰ সাৰ্বভৌম কতৃত্বই প্ৰদান কৰে আৰু ৰক্ষণা-বেক্ষণ দিয়ে।"

**অধিকাৰৰ ঐতিহাসিক তত্ত্ব (Historical Theory of Rights) ঃ**

অধিকাৰ হ'ল পৰম্পৰা আৰু নীতি-নিয়মৰ ফলশ্ৰুতি। এই তত্ত্বমতে অধিকাৰবোৰ সমাজৰ ঐতিহাসিক বিকাশ প্ৰক্ৰিয়াৰ লগত জড়িত। Edmund Burke, Ritchie হ'ল এই তত্ত্বৰ উল্লেখনীয় সমৰ্থক। এই তত্ত্বৰ সমৰ্থকসকলে বিপ্লৱৰ বিৰোধিতা কৰে আৰু ক্ৰমবিকাশৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

**অধিকাৰৰ সামাজিক কল্যাণমূলক তত্ত্ব (Social welfare theory of Rights) ঃ**

অধিকাৰ হ'ল সমাজ কল্যাণৰ এক চৰ্ত। ৰাষ্ট্ৰই সেইবোৰ অধিকাৰকহে স্বীকৃতি প্ৰদান কৰিব লাগে, যিয়ে সমাজ কল্যাণত অৰিহণা আগবঢ়ায়। এই তত্ত্বৰ আধুনিক সমৰ্থক সকলৰ ভিতৰত Roscoe Pound আৰু Chafee ৰ নাম বিশেষভাৱে উল্লেখনীয়। Bentham হ'ল এই তত্ত্বৰ ১৮ শতিকাৰ সমৰ্থন।

**মাৰ্ক্সবাদী তত্ত্ব (Marxist theory of Rights) ঃ**

এই তত্ত্বমতে অধিকাৰ হ'ল সামাজিক দাবীৰ নামত সমাজৰ শাসন শ্ৰেণীয়ে উপভোগ কৰা সা-সুবিধা। Marx আৰু Engels ৰ মতে অধিকাৰবোৰ হ'ল সমাজৰ বুৰ্জোৱা শ্ৰেণীয়ে উপভোগ কৰা সা-সুবিধা। গতিকে এই তত্ত্বমতে এখন শ্ৰেণীবিহীন সমাজতহে অধিকাৰৰ সমবিতৰণ সম্ভৱ।

**ব্যক্তি-স্বতন্ত্ৰতাবাদী তত্ত্ব (Libertarian theory of Rights) ঃ**

Robert Nozick এই তত্ত্বৰ প্ৰতিনিধি। অধিকাৰৰ এই তত্ত্বই ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে আৰু ৰাষ্ট্ৰকএখন 'Private Firm' হিচাপে অভিহিত কৰে, যিয়ে ব্যক্তিৰ সম্পত্তিৰ ৰক্ষণা-বেক্ষণ প্ৰদান কৰে।

**সামূহিকতাবাদী তত্ত্ব (Communitarian theory of Rights) ঃ**

এই তত্ত্বৰ প্ৰৱৰ্তক Alasdair Mactniyre ৰ মত অনুসৰি ই ব্যক্তি স্বাধীনতাক সমৰ্থন নকৰে। এই তত্ত্বই সামূহিক কল্যাণক প্ৰতিনিধিত্ব কৰা সম্প্ৰদায়ৰ প্ৰতি ব্যক্তিৰ দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**অধিকাৰ আৰু কৰ্তব্য (Rights and Duties) ঃ**

অধিকাৰৰ ধাৰণাৰ লগত এৰাব নোৱাৰা এটা ধাৰণা হ'ল কৰ্তব্য। কৰ্তব্যৰ সাধাৰণ অৰ্থ হ'ল দায়িত্ব। ব্যক্তি বা নাগৰিকৰ যিদৰে অধিকাৰৰ দাবী থাকে ঠিক সেইদৰে কিছুমান পালন কৰিবলগীয়া দায়িত্বও থাকে। গতিকে এটাক বাদ দি আনটো কেতিয়াও গ্ৰহণযোগ্য নহয়। বাহ্যিক অৰ্থত দুয়োটা সম্পূৰ্ণ বিপৰীত যদিও ৰাজনীতি বিজ্ঞানত এই দুয়োটাক এটাক আনটোৰ পৰিপূৰক হিচাপে গণ্য কৰা হয়। কৰ্তব্যক সাধাৰণতে দুটা ভাগত ভগাব পাৰি। যেনে ঃ নৈতিক কৰ্তব্য আৰু আইনগত কৰ্তব্য। নৈতিক কৰ্তব্যৰ ভিত্তি হ'ল প্ৰচলিত নীতি-আদৰ্শ, পৰম্পৰা ইত্যাদি। আনহাতে আইনগত কৰ্তব্য ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত। এইবোৰ পালন নকৰিলে ৰাষ্ট্ৰই নাগৰিকক শাস্তিও প্ৰদান কৰিব পাৰে। ভাৰতীয় সংবিধানেও মৌলিক অধিকাৰৰ লগতে নাগৰিকৰ বাবে এঘাৰটা মৌলিক কৰ্তব্যৰ সংযোজন কৰিছে।

আগতেই উল্লেখ কৰা হৈছে যে ৰাজনীতি বিজ্ঞানত অধিকাৰ আৰু কৰ্তব্য এটা আনটোৰ পৰিপূৰক। অধিকাৰ সমাজৰ পৰা উৎপত্তি হয়। সমাজৰ সভ্য হিচাপে প্ৰত্যেক ব্যক্তিৰেই সমাজৰ প্ৰতি কিছুমান দায়িত্ব থাকে। গতিকে অধিকাৰ আৰু কৰ্তব্য ওতঃপ্ৰোতভাৱে জড়িত। অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্কৰ ক্ষেত্ৰত অধ্যাপক লাস্কিৰ মতামত উল্লেখযোগ্য। তেওঁৰ মতে, "যি কৰ্তব্য পালন নকৰে, তেওঁ অধিকাৰো ভোগ কৰিব নোৱাৰে, যেনেকৈ যিয়ে কাম নকৰে, তেওঁ খাবলৈ নাপায়"। তেওঁ চাৰিধৰণে অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্কৰ কথা কৈছিল—

— এজনৰ অধিকাৰে আনজনৰ কৰ্তব্যক সূচায়।

— এজন নাগৰিকে ভোগ কৰা অধিকাৰ যাতে আনেও ভোগ কৰিব পাৰে তাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা যোগোৱাটো এটা কৰ্তব্য।

— সামগ্ৰিক বা সামাজিক কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি অধিকাৰ উপভোগ কৰাটো নাগৰিকৰ কৰ্তব্য।

— প্ৰত্যেক নাগৰিকে ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাটো কৰ্তব্য।

অৰ্থাৎ, তেওঁৰ মতে অধিকাৰ কৰ্তব্যৰ মাজতেই সংপৃক্ত হৈ থাকে। আকৌ হবহাউচৰ মতে, "মোৰ যদি ঠেলা-হেঁচা নোখোৱাকৈ ৰাস্তাত খোজ কঢ়াৰ অধিকাৰ আছে তেন্তে আনৰ কৰ্তব্য হ'ব মোক প্ৰয়োজনমতে ৰাস্তা এৰি দিয়া"। মুঠ কথাত অধিকাৰ আৰু কৰ্তব্য এটা আনটোক এৰি অপৰিপূৰ্ণ। দৰাচলতে ৰাষ্ট্ৰ আৰু নাগৰিক উভয়ে অধিকাৰ আৰু কৰ্তব্যৰ বান্ধোনত আৱদ্ধ। ৰাষ্ট্ৰই নাগৰিকক অধিকাৰ প্ৰদান কৰে, নাগৰিকৰ অধিকাৰ সংৰক্ষণৰ ব্যৱস্থা কৰে। ঠিক একেদৰে নাগৰিকেও ৰাষ্ট্ৰৰ প্ৰতি থকা কৰ্তব্য সুকলমে সম্পাদন কৰি ৰাষ্ট্ৰৰ অগ্ৰগতিত বৰঙণি যোগাব লাগে কাৰণ ৰাষ্ট্ৰৰ সমস্যা হ'লে অৱধাৰিতভাৱে নাগৰিকৰ অধিকাৰো বিঘ্নিত হ'ব। সেয়েহে আধুনিক প্ৰায়বোৰ ৰাষ্ট্ৰৰ সংবিধানেই অধিকাৰৰ লগতে কৰ্তব্যৰ ওপৰতো সমানে গুৰুত্ব আৰোপ কৰে।

## (গ) স্বতন্ত্ৰতা
## (Liberty)

ৰাজনীতি বিজ্ঞানৰ অন্যতম গুৰুত্বপূৰ্ণ ধাৰণা হ'ল স্বতন্ত্ৰতাৰ ধাৰণা। প্ৰাচীন কালৰপৰাই ব্যক্তিয়ে স্বতন্ত্ৰতাৰ বাবে সংগ্ৰাম কৰি আহিছে। স্বতন্ত্ৰতাই ৰাষ্ট্ৰৰ স্বতন্ত্ৰতাক বুজায়। কিন্তু ইয়াত ব্যক্তি-স্বতন্ত্ৰতাৰ বিষয়েহে আলোচনা কৰা হৈছে। স্বতন্ত্ৰতাৰ বাবে সংগ্ৰাম বহু পুৰণিকালৰ পৰাই চলি আহিছে যদিও স্বতন্ত্ৰতাক এক আধুনিক অৱধাৰণা বুলিহে অভিহিত কৰিব পাৰি। স্বতন্ত্ৰতাৰ ইংৰাজী প্ৰতিশব্দ 'Liberty' লেটিন ভাষাৰ 'Liber'ৰপৰা আহিছে। Liber শব্দৰ অৰ্থ হ'ল মুক্ত বা স্বাধীন। স্বতন্ত্ৰতাই সাধাৰণ অৰ্থত কোনো ধৰণৰ বাধা নোহোৱা অৱস্থাক বুজায়। কিন্তু স্বতন্ত্ৰতাৰ প্ৰকৃত অৰ্থ কেতিয়াও সম্পূৰ্ণ মুক্ত বা বাধাহীন অৱস্থা হ'ব নোৱাৰে। বাধা নিষেধহীন সমাজ উশৃংখল হ'ব পাৰে আৰু এনেকুৱা সমাজত কাৰোবাৰ নহয় কাৰোবাৰ স্বাধীনতা বিঘ্নিত হ'বই। এখন শান্তিপূৰ্ণ সমাজতহে নীতি-নিয়মৰ মাজত ব্যক্তিয়ে স্বতন্ত্ৰতা উপভোগ কৰিব পাৰে। ৰাজনীতি বিজ্ঞানত সেয়েহে স্বতন্ত্ৰতাৰ অৰ্থ কেতিয়াও সম্পূৰ্ণ নিয়ন্ত্ৰণ বা বাধাহীন অৱস্থা হ'ব নোৱাৰে। সামাজিক দিশৰ প্ৰতি লক্ষ্য ৰাখিলে স্বতন্ত্ৰতা হ'ল আনৰ স্বাধীনতাৰ ওপৰত হস্তক্ষেপ নকৰাকৈ নিজৰ ইচ্ছামতে কাম কৰিব পৰা ক্ষমতা। অৱশ্যে বিভিন্নজনে স্বতন্ত্ৰতাক বিভিন্ন দিশৰ লগত জড়িত কৰে। যেনে ঃ কিছুমানৰ মতে ই পছন্দৰ স্বতন্ত্ৰতা, কিছুমানৰ মতে ই ইচ্ছাৰ স্বতন্ত্ৰতা, কিছুমানৰ মতে ই কৰ্মৰ স্বতন্ত্ৰতা আৰু কিছুমানৰ মতে ই হ'ল এখন মুক্ত সমাজ য'ত ব্যক্তিয়ে স্বতন্ত্ৰভাৱে নিজক পৰিচালনা কৰিব পাৰে।

**স্বতন্ত্ৰতাৰ সংজ্ঞা (Definition of Liberty) ঃ**

স্বতন্ত্ৰতা সম্পৰ্কত কেইটামান গুৰুত্বপূৰ্ণ সংজ্ঞা হ'ল— থমাচ হ'বচৰ মতে স্বতন্ত্ৰতা হ'ল— "বাধা নিষেধৰ অনুপস্থিতি।" ("Liberty Consists in absence of restraints"– Hobbes)।

গ্ৰীণৰ মতে, "প্ৰয়োজনীয় কাৰ্য কৰিব পৰা বা উপভোগ কৰিব পৰাৰ সকৰাত্মক ক্ষমতা বা দক্ষতাই হ'ল স্বতন্ত্ৰতা।" ("Liberty Consists in positive power or capacity of doing or enjoying smothing worth doing or enjoying."– T.H. Green)

চিলিৰ মতে, "অত্যধিক শাসনৰ বিপৰীতটোৱে হ'ল স্বতন্ত্ৰতা"। ('Liberty is the opposite of over government'– Seeley)

লাস্কিৰ মতে, "স্বাধীনতা বুলি কওঁতে বুজায় সেইবোৰ সামাজিক অৱস্থাৰ ওপৰত থকা বাধা নিষেধৰ অপসাৰণ, যিবোৰ বৰ্তমান সভ্য জগতৰ মানুহৰ সুখ-স্বাচ্ছন্দৰ বাবে বাবে অপৰিহাৰ্য্য।" ("Liberty is the essence of restraint upon the existence of those social conditions which in modern civilization are the necessary guarantee of individual happiness."– Laski)

জে. এচ. মিলৰ মতে, "এজনৰ স্বাধীনতা ভোগ কৰা কাৰ্যই আনৰ স্বাধীনতা ভোগৰ কাৰ্যত বাধাৰ সৃষ্টি মকৰিলে সেয়ে প্ৰকৃত ব্যক্তি স্বতন্ত্ৰতা।"

স্বাধীনতা সম্পৰ্কত এইদৰে বিভিন্নজনে বিভিন্ন মত প্ৰকাশ কৰিলেও এটা কথা স্পষ্ট হয় যে ই হ'ল এক মুক্ত অৱস্থা যি অৱস্থা ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ বাবে অতি প্ৰয়োজনীয়। লগতে আৰু এটা কথা স্পষ্ট হয় যে স্বতন্ত্ৰতাই মুক্ত অৱস্থাক বুজালেও ই সম্পূৰ্ণ বাধাহীন নহয় বা হ'ব নোৱাৰে। সমাজত বাস কৰা সকলোৱেই যাতে স্বতন্ত্ৰতাৰ সোৱাদ পাব পাৰে তাৰ বাবে কিছুমান চৰ্ত বা বাধা নিষেধৰ প্ৰয়োজন। অৱশ্যে এই বাধা নিষেধবোৰো যুক্তিসংগত হোৱাটো প্ৰয়োজনীয়। সেয়েহে পৃথিৱীৰ সকলো দেশতেই ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত কিছু পৰিমাণৰ বাধা নিষেধ থকা দেখা যায়।

**স্বতন্ত্ৰতাৰ ধাৰণাৰ বিকাশ (Evolution of the concept of Liberty) ঃ**

আগতেই উল্লেখ কৰা হৈছে যে স্বতন্ত্ৰতাৰ ধাৰণা এক আধুনিক ধাৰণা। মূলত ব্যক্তিবাদী ধাৰণাৰ লগত ইয়াৰ বিকাশ ঘটিছে। কিন্তু ইয়াৰ অৰ্থ এইটো কেতিয়াও নহয় যে স্বতন্ত্ৰতা প্ৰাচীন কালত নাছিল বা ইয়াৰ প্ৰয়োজন হোৱা নাছিল। ইয়াৰ অৰ্থ হ'ল প্ৰাচীন কালত স্বতন্ত্ৰতা আধুনিক ৰূপতহে নাছিল। প্ৰাচীন গ্ৰীক দাৰ্শনিক চক্ৰেটিছ, প্লেটো আদিয়ে ৰাষ্ট্ৰ বা সমাজৰ বাহিৰত ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাছিল। তেওঁলোকে ব্যক্তিতকৈ আদৰ্শ সমাজ বা ৰাষ্ট্ৰৰ বাবে প্ৰয়োজনীয় উপাদান গঢ় দিয়াৰ ওপৰতহে গুৰুত্ব দিছিল। দাৰ্শনিক প্লেটোৱে আনকি ন্যায়ৰ কথা ক'বলৈ গৈয়ো মত প্ৰকাশ কৰিছিল যে সমাজৰ প্ৰত্যেক ব্যক্তিয়ে নিজৰ দায়িত্ব সুকলমে সম্পাদন কৰাটোৱে ন্যায়। আৰু তেওঁৰ আদৰ্শ সমাজৰ অন্যতম ভিত্তি আছিল ন্যায়। গতিকে

ব্যক্তি স্বতন্ত্ৰতাকৈ তেওঁৰ বাবে ৰাষ্ট্ৰীয় স্বাৰ্থ বা ৰাষ্ট্ৰৰ কল্যাণহে প্ৰয়োজনীয় আছিল। ইয়াৰ পৰা স্পষ্ট হয় যে ব্যক্তি স্বতন্ত্ৰতাৰ সেই সময়ত বিশেষ গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল। অৱশ্যে ষ্টইক দাৰ্শনিসকলে স্বতন্ত্ৰতাৰ আধুনিক অৱধাৰণাৰ ওচৰলৈ গৈ মত প্ৰকাশ কৰিছিল যে স্বতন্ত্ৰতা ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ বাবে অতি প্ৰয়োজনীয়। মধ্যযুগতো স্বতন্ত্ৰতাৰ বিশেষ বিকাশ হোৱা নাছিল। এই সময়ছোৱাক স্বতন্ত্ৰতাক এক বিশেষ শ্ৰেণীৰ সুবিধা হিচাপেহে গ্ৰহণ কৰা হৈছিল। নৱজাগৰণৰ লগে লগে স্বতন্ত্ৰতাৰ ধাৰণাই এক নতুন ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰে। নৱজাগৰণে প্ৰচলিত সকলো ক্ষেত্ৰতে অৰ্থাৎ ধৰ্মীয়, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদিত স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰাত সহায় কৰিছিল। এইখিনি সময়ত ধৰ্মক গীৰ্জাৰপৰা স্বতন্ত্ৰ কৰাত সহায় কৰে। এইখিনি সময়ত ধৰ্মক গীৰ্জাৰ পৰা স্বতন্ত্ৰ কৰাত, ৰাজনীতিক ধৰ্মীয় দিশৰ পৰা মুক্ত কৰাত গুৰুত্ব আৰোপ কৰা হৈছিল। ব্যক্তিস্বতন্ত্ৰতাৰ ওপৰত থকা সকলোধৰণৰ বাধানিষেধক ব্যক্তিত্বৰ বিকাশৰ পৰিপন্থী হিচাপে এই সময়ছোৱাতে গ্ৰহণৰ দাবী উত্থাপন হৈছিল। ইয়াৰ পিছত থমাছ হ'বছ, জন ল'ক, ৰুছো আদি চিন্তাবিদেও স্বতন্ত্ৰতাৰ আধুনিক অৱধাৰণাক প্ৰসাৰিত কৰিছিল। ইংৰাজ দাৰ্শনিক আৰু প্ৰাকৃতিক অধিকাৰৰ প্ৰৱক্তা জন ল'কে জীৱন, সম্পত্তি আৰু স্বতন্ত্ৰতাৰ অধিকাৰক ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰ আখ্যা দিছিল আৰু এই তিনিটা অধিকাৰক অলংঘনীয় অধিকাৰ ঘোষণা কৰিছিল। ইয়াৰ পিছত ১৭৭৬ চনৰ আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ১৭৮৯ চনত ফৰাছী বিপ্লৱে ব্যক্তি স্বতন্ত্ৰতাক এক বাস্তৱ ৰাজনৈতিক আদৰ্শ হিচাপে প্ৰতিষ্ঠা কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে বিভিন্ন চিন্তাবিদৰ বৰঙণিৰে স্বতন্ত্ৰতাৰ ধাৰণা ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ অৱধাৰণাত পৰিণত হৈছে। স্বতন্ত্ৰতাৰ ধাৰণাৰ বিকাশত বিশেষভাৱে অৰিহণা যোগোৱা এজন চিন্তাবিদ হৈছে জে. এচ.মিল। মিলে তেওঁৰ বিখ্যাত গ্ৰন্থ On Liberty (1859) ত স্বতন্ত্ৰতাৰ এক বিস্তৃত আলোচনা আগবঢ়াইছিল। তেওঁ ব্যক্তিৰ কাৰ্যক দুটা ভাগত ভাগ কৰিছিল— নিজৰ লগত জড়িত (Self Regarding) আৰু আনৰ লগত জড়িত (Other's regarding)। তেওঁৰ মতে ব্যক্তিয়ে নিজৰ লগত জড়িত বিষয়ত কাৰ্য সম্পাদনৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে স্বাধীন বা কাৰো তলতীয়া নহয়। কিন্তু ব্যক্তিৰ কাৰ্যই যেতিয়া আনৰ ওপৰত প্ৰভাৱ পেলায় তেতিয়া সেই ব্যাৰ্থ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণাধীন। তেওঁৰ মতে ব্যক্তিয়ে কেৱল নিজৰ মন আৰু শৰীৰৰ ওপৰতহে সৰ্বোচ্চ ক্ষমতা লাভ কৰে। অৰ্থাৎ, "Over himself, over his own body and mind the individual is sovereign." এইদৰে তেওঁ ব্যক্তিৰ স্বতন্ত্ৰতাৰ ওপৰত ৰাষ্ট্ৰৰ হস্তক্ষেপক অন্যৰ ওপৰত হোৱা প্ৰভাৱৰ ওপৰত ভিত্তি কৰিহে সমৰ্থন কৰিছিল। ব্যক্তি স্বতন্ত্ৰতাৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল মত প্ৰকাশৰ স্বতন্ত্ৰতা। এই সম্পৰ্কত বিশেষ গুৰুত্ব আৰোপ কৰা এজন চিন্তাবিদ আছিল জন মিল্টন। মিল্টনে তেওঁৰ বিখ্যাত গ্ৰন্থ Areopagitica (1644) ত এই বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছিল। তেওঁ মত প্ৰকাশ কৰিছিল যে মিছাৰ ওপৰত সত্য প্ৰতিষ্ঠাৰ বাবে মুক্ত মত প্ৰকাশৰ স্বতন্ত্ৰতা প্ৰয়োজনীয়। উপযোগীতাবাদী চিন্তাবিদ বেন্থামেও স্বতন্ত্ৰতা সম্পৰ্কত কৈছিল যে স্বতন্ত্ৰতা হ'ল ব্যক্তিৰ সুখৰ এক মাধ্যম। সেয়েহে ব্যক্তি সুখ সৰ্বোচ্চ কৰাৰ বাবে স্বতন্ত্ৰতা প্ৰয়োজনীয়। মাৰ্ক্সবাদী চিন্তাবিদসকলে আকৌ শ্ৰমিক শ্ৰেণীৰ স্বতন্ত্ৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু মত প্ৰকাশ কৰে যে পুজিবাদী ব্যৱস্থাক স্বতন্ত্ৰতা কেতিয়াও সম্ভৱ নহয়। সেয়েহে তেওঁলোক পুজিবাদী ব্যৱস্থাৰ অৱসানৰ পোষকতা কৰে।

**নকাৰাত্মক আৰু সকাৰাত্মক স্বতন্ত্ৰতা (Negative and positive Liberty) ঃ**

স্বতন্ত্ৰতাৰ দুটা গুৰুত্বপূৰ্ণ দিশ হ'ল নকৰাত্মক আৰু সকৰাত্মক স্বতন্ত্ৰতা। স্বতন্ত্ৰতা ধাৰণাৰ দাবী নকৰাত্মক দিশেৰেই আৰম্ভ হৈছিল। সপ্তদশ, অষ্টদশ শতিকাত স্বতন্ত্ৰতাৰ যি আনুষ্ঠানিক দাবী আছিল সেয়া নকৰাত্মক ধৰণেই হৈছিল। থমাছ হ'বছ, ল'ক ইত্যাদি দাৰ্শনিকে মূলতঃ ব্যক্তিৰ নকাৰাত্মক স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰিছিল। ইয়াৰ পিছত ক্ৰমে নকাৰাত্মক স্বতন্ত্ৰতাৰ প্ৰতিক্ৰিয়া স্বৰূপে সকাৰাত্মক স্বতন্ত্ৰতাৰ দাবী উত্থাপন হৈছিল যাতে সমাজৰ সকলো স্তৰৰ লোকেই স্বতন্ত্ৰতা উপভোগ কৰিব পাৰে আৰু সমাজখনো উশৃংখল নহয়।

এতিয়া কথা হ'ল নকৰাত্মক আৰু সকাৰাত্মক স্বতন্ত্ৰতা কি? নকাৰাত্মক স্বতন্ত্ৰতা হ'ল স্বতন্ত্ৰতাৰ সেইটো দিশ য'ত ব্যক্তিস্বতন্ত্ৰতাৰ ওপৰত কোনো ধৰণৰ বাধা নিষেধক গ্ৰহণ কৰা নহয়। ইয়াত ব্যক্তি, ব্যক্তিৰ ইচ্ছাক সৰ্বোচ্চ গুৰুত্ব আৰোপ কৰা হয়। গতিকে এই ধাৰণাই বিশ্বাস কৰে যে ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত কাৰো হস্তক্ষেপ লাগিলে সেয়া ৰাষ্ট্ৰই হওঁক গ্ৰহণযোগ্য নহয়। অৰ্থাৎ ই বাধাহীন স্বতন্ত্ৰতাক সমৰ্থন কৰে। স্বতন্ত্ৰতাৰ এই ধাৰণাটো ব্যক্তিবাদীসকলে সমৰ্থন কৰে। তেওঁলোকৰ মতে ব্যক্তিয়ে নিজে নিজৰ বাবে প্ৰয়োজনীয়তাক বিচাৰ কৰিব পাৰে। সেয়েহে ব্যক্তিৰ কাৰ্যৰ ওপৰত হস্তক্ষেপ সমৰ্থনযোগ্য নহয়। বৰঞ্চ এওঁলোকে ৰাষ্ট্ৰৰ স্বেচ্ছাচাৰিতাৰ পৰা ব্যক্তিক সুৰক্ষিত কৰিব বিচাৰে। এই ধাৰণাৰ সমৰ্থকসকলৰ মতে ৰাষ্ট্ৰৰ স্বেচ্ছাচাৰিতাৰ পৰা

ব্যক্তিক সুৰক্ষিত কৰিব বিচাৰে। এই ধাৰণাৰ সমৰ্থকসকলৰ মতে ৰাষ্ট্ৰৰ মূল দায়িত্ব হ'ল আভ্যন্তৰীণ শান্তি শৃংখলা ৰক্ষা কৰা আৰু বিদেশী আক্ৰমণৰ পৰা সুৰক্ষা প্ৰদান কৰা। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰই ব্যক্তিৰ স্বতন্ত্ৰতা সুৰক্ষাত অৰিহণা যোগাব পাৰে। ৰাষ্ট্ৰক যদি ইয়াৰ উপৰিও আৰু ক্ষমতা প্ৰদান কৰা হয় তেনেহ'লে ই ব্যক্তিস্বতন্ত্ৰতাৰ পৰিপন্থী হ'ব। সেয়েহে নকাৰাত্মক স্বতন্ত্ৰতাৰ সমৰ্থকসকলে ৰাষ্ট্ৰীয় ক্ষমতা সিমীত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকৰ মতে ৰাষ্ট্ৰই ব্যক্তিৰ স্বতন্ত্ৰতা সুৰক্ষিত হোৱাৰ এক পৰিৱেশ সৃষ্টি কৰাৰ ওপৰতহে গুৰুত্ব দিব লাগে। নকৰাত্মক স্বতন্ত্ৰতাৰ অন্যতম সমৰ্থনকাৰীসকল হ'ল জন ল'ক, আডাম স্মিথ, জেৰেমী বেন্থাম ইত্যাদি। অৱশ্যে নকাৰাত্মক স্বতন্ত্ৰতাৰ ধাৰণাত আন এটা শেহতীয়া ধাৰা সংযোজিত হৈছে যিসকলে এক নতুন ৰূপত নকাৰাত্মক দিশত গুৰুত্ব আৰোপ কৰে। নব্য উদাৰপন্থাক প্ৰতিনিধিত্ব কৰা ৰবাৰ্ট নজিক, এফ-এ হায়েক, মিল্টন ফ্ৰাইডমেন, ইচাহ বাৰ্লিন ইত্যাদি হ'ল এই ধাৰাৰ মূল প্ৰৱক্তা। তেওঁৰ মতে স্বতন্ত্ৰতা হ'ল অন্য কোনো ব্যক্তিৰ হস্তক্ষেপ নোহোৱাকৈ কৰিব খোজা কামটো কৰিব পৰা (Liberty counts in doing about one desires to do without interference from other persons) এফ. এ. হায়েকে স্বতন্ত্ৰতাৰ সম্পূৰ্ণ নঞৰ্থক ধাৰণা আগবঢ়াইছিল। তেওঁৰ মতে স্বতন্ত্ৰতা হ'ল— "That condition of man in which coercion of some by others is reduced as much as possible in society." অৰ্থাৎ স্বতন্ত্ৰতা হ'ল ব্যক্তিৰ জীৱনৰ সেই চৰ্ত যি অনুসৰি আনৰ দ্বাৰা শক্তি প্ৰয়োগ যিমান দূৰ সম্ভৱ সিমান সীমাবদ্ধ বা কম কৰা হয়। সমাজৰ কোনো ব্যক্তিক যেতিয়া আনে শক্তি প্ৰয়োগৰ দ্বাৰাই হওঁক বা আন উপায়েৰে হওঁক নিজৰ উদ্দেশ্যৰ সলনি আনৰ উদ্দেশ্য পূৰণৰ কাৰণে কাম কৰিবলৈ বাধ্য কৰোৱা হয় তেতিয়াই স্বতন্ত্ৰতাৰ নীতি ব্যাহত হয়।

চমুকৈ নকৰাত্মক স্বতন্ত্ৰতা হ'ল—

(i) স্বতন্ত্ৰতাই বাধাৰ অনুপস্থিতিক বুজায়।

(ii) ব্যক্তিৰ বিকাশৰ বাবে বাধাহীন স্বতন্ত্ৰতা প্ৰয়োজনীয়।

(iii) ৰাষ্ট্ৰৰ ক্ষমতাৰ সিমীতকৰণ প্ৰয়োজনীয়।

(iv) পৌৰ আৰু ৰাজনৈতিক স্বতন্ত্ৰতা অতি প্ৰয়োজনীয়।

নকৰাত্মক স্বতন্ত্ৰতাৰ বিপৰীতে সকাৰাত্মক স্বতন্ত্ৰতা হ'ল সেই ধাৰণা যিয়ে নকাৰাত্মক স্বতন্ত্ৰতাৰ দৰেই ব্যক্তি স্বতন্ত্ৰতাৰ সৰ্বোচ্চকৰণত বিশ্বাস কৰে কিন্তু ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত যুক্তিসংগত বাধা নিষেধ আৰোপ কৰাৰ সপক্ষে মত পোষণ কৰে। এই ধাৰাৰ প্ৰৱৰ্তক হিচাপে পৰিগণিত কৰিব পাৰি 'On Liberty' গ্ৰন্থৰ লিখক জে. এচ. মিলক। অৱশ্যে মিলে ব্যক্তিৰ সকলো কাৰ্যতে ৰাষ্ট্ৰৰ হস্তক্ষেপ সমৰ্থন কৰা নাছিল। তেওঁ ব্যক্তিৰ কাৰ্যক দুটা ভাগত ভাগ কৰিছিল— নিজৰ লগত জড়িত কাৰ্য (Self Regarding actions) আৰু অন্যৰ লগত জড়িত কাৰ্য (Others Regarding actions)। লগতে মত পোষণ কৰিছিল যে নিজৰ লগত জড়িত কাৰ্যত ৰাষ্ট্ৰৰ হস্তক্ষেপ কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। কিন্তু ব্যক্তিৰ যি কাৰ্যই আনৰ ওপৰত প্ৰভাৱ পেলায় তেনে কাৰ্যত ৰাষ্ট্ৰৰ হস্তক্ষেপ গ্ৰহণযোগ্য। মিলৰ লগত গ্ৰীণ, লাস্কি, হবহাউচ আদি চিন্তাবিদেও সকাৰাত্মক স্বতন্ত্ৰতাৰ সপক্ষে মত পোষণ কৰিছিল। টি. এইচ. গ্ৰীণে ব্যক্তিৰ স্বতন্ত্ৰতাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰক এক সকাৰাত্মক ভূমিকা প্ৰদানৰ সপক্ষে মত পোষণ কৰিছিল। তেওঁ আডাম স্মিথৰ বিখ্যাত Laissez Fair বা অৰ্থনৈতিক অহস্তক্ষেপ নীতিৰো বিৰোধিতা কৰিছিল। চমুকৈ, সকাৰাত্মক স্বতন্ত্ৰতাই বুজায় যে—

(i) স্বতন্ত্ৰতা কেতিয়াও বাধাহীন নহয় বা হ'ব নোৱাৰে।

(ii) বিশেষ সুবিধাপ্ৰাপ্ত শ্ৰেণী থকাটোৱে সমাজত স্বতন্ত্ৰতাৰ সাৰ্বজনীনতাক নাকচ কৰে।

(iii) স্বতন্ত্ৰতাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰৰ ধনাত্মক আৰু কেৱল ভূমিকা প্ৰয়োজনীয়।

এইদৰে দেখা যায় যে নকাৰাত্মক আৰু সকাৰাত্মক স্বতন্ত্ৰতাই ব্যক্তি স্বতন্ত্ৰতা সম্পৰ্কত নহয়, মূলতঃ ৰাষ্ট্ৰৰ ভূমিকা সম্পৰ্কতহে কিছু পৃথক ধাৰণা পোষণ কৰে। স্বতন্ত্ৰতাৰ ধাৰণাৰ উৎপত্তি মূলতঃ নকৰাত্মক স্বতন্ত্ৰতাৰ ধাৰণাৰ পৰাই হৈছিল। সপ্তদশ, অষ্টদশ শতিকাত উৎপত্তি হোৱা স্বতন্ত্ৰতাৰ আধুনিক অৱধাৰণা মূলতঃ নকাৰাত্মক আছিল। ইয়াৰ পিছত মিলৰ লগতে লাস্কি আদি চিন্তাবিদে সকৰাত্মক স্বতন্ত্ৰতাক জনপ্ৰিয় কৰিছিল যদিও শেহতীয়াকৈ নকাৰাত্মক স্বতন্ত্ৰতাৰে পুনৰ উত্থান হোৱা দেখা গৈছে যদিও বহুসময়ত পৃথিৱীৰ বেছিভাগ দেশতেই নকৰাত্মক স্বতন্ত্ৰতাই ব্যক্তিৰ মাজত বিভাজন সৃষ্টি কৰি এখন অ-সামঞ্জস্যপূৰ্ণ আৰু উশৃংখল সমাজৰ সৃষ্টি কৰিছে। আকৌ নকৰাত্মক আৰু সকাৰাত্মক স্বতন্ত্ৰতাৰ ধাৰণা তথা পাৰ্থক্য আলোচনা কৰোতে এই

কথাটোও মন কৰিবলগীয়া যে মিলৰ দৰে চিন্তাবিদে বহুসময়ত দুয়োধৰণৰ স্বতন্ত্ৰতাকেই গুৰুত্ব আৰোপ কৰে। সেয়েহে তেওঁ ব্যক্তিৰ কাৰ্যক দুটা ভাগত ভাগ কৰিছিল। তেওঁৰ লগতে ইচাহ বাৰ্লিনেও ব্যক্তিৰ কাৰ্যৰ এই বিভাজনক সমৰ্থক কৰিছিল।

**স্বতন্ত্ৰতাৰ বিভিন্ন দিশ বা প্ৰকাৰবোৰ ঃ**

ৰাজনৈতিক তত্ত্বৰ আন বিভিন্ন ধাৰণাৰ দৰে স্বতন্ত্ৰতাৰ ধাৰণাটোও বিস্তৃত আৰু বহুপাক্ষিক। নিৰ্দিষ্ট এটা দিশ বা পৰ্যায়ত স্বতন্ত্ৰতাক বাস্তৱ ৰূপত পোৱা নাযায়। মেকাআইভাৰৰ মতে স্বতন্ত্ৰতাৰ ভালেমান দিশ আছে যেনে— (১) প্ৰাকৃতিক স্বতন্ত্ৰতা, (২) পৌৰ বা ব্যক্তিগত স্বতন্ত্ৰতা, (৩) ৰাজনৈতিক স্বতন্ত্ৰতা, (৪) অৰ্থনৈতিক স্বতন্ত্ৰতা, (৫) জাতীয় স্বতন্ত্ৰতা আদি।

**(১) প্ৰাকৃতিক স্বতন্ত্ৰতা ঃ** প্ৰাকৃতিক স্বতন্ত্ৰতাৰ উৎস প্ৰকৃতি। প্ৰাকৃতিক স্বতন্ত্ৰতাৰ পৃষ্ঠপোষক সকলৰ মতে প্ৰকৃতিয়ে মানুহক সকলো ফালৰপৰা মুক্ত কৰি ৰাখিছে। গতিকে মানুহক নিজৰ ইচ্ছামতে বিকাশ কৰাৰ পথ মুকলি কৰিব লাগে। ৰাষ্ট্ৰ বা আন কোনো কৰ্তৃপক্ষই ব্যক্তিৰ স্বতন্ত্ৰতা নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা থাকিব নালাগে। সম্প্ৰতি প্ৰাকৃতিক স্বতন্ত্ৰতাৰ ধাৰণাটোক অগ্ৰহণযোগ্য আখ্যা দিয়া হয়। প্ৰাকৃতিক আইনৰ প্ৰচলন থকা সময়তহে প্ৰাকৃতিক স্বতন্ত্ৰতা সমৰ্থনযোগ্য। সম্প্ৰতি ব্যক্তিৰ স্বতন্ত্ৰতাবোৰ সমাজ বা ৰাষ্ট্ৰস্বীকৃত হোৱাৰ লগে লগে প্ৰাকৃতিক স্বতন্ত্ৰতাৰ ধাৰণাটোৰ মান্যতা বা গ্ৰহণযোগ্যতা কমি আহিছে। সামাজিক চুক্তিতত্বৰ প্ৰবক্তাসকলে প্ৰাকৃতিক স্বতন্ত্ৰতাৰ ধাৰণাটো গ্ৰহণ কৰিছিল। সেই সময়ত ব্যক্তিৰ বিকাশৰ স্বাৰ্থত তেনে স্বতন্ত্ৰতাৰ ধাৰণাৰ প্ৰাসংগিকতাওঁ আছিল। পৰৱৰ্তী পৰ্যায়ত স্বতন্ত্ৰতাৰ এই ধাৰণাই 'জোৰ যাৰ মুলুক তাৰ' নীতি কাৰ্যকৰী কৰাৰ পথ প্ৰশস্ত কৰাত সমাজৰ শৃংখলা আৰু সু-সংবদ্ধতাৰ স্বাৰ্থত প্ৰাকৃতিক স্বতন্ত্ৰতাৰ পৰিৱৰ্তে ৰাষ্ট্ৰপ্ৰদত্ত স্বতন্ত্ৰতাৰ প্ৰচলন কৰিছিল। চুক্তি তত্ত্বৰ অন্যতম প্ৰবক্তা ৰুছোৱেও উল্লেখ কৰিছিল যে মানুহে সামাজিক চুক্তিৰ দ্বাৰা আৱদ্ধ হোৱাৰ পিছত প্ৰাকৃতিক স্বতন্ত্ৰতা বা নিজৰ ইচ্ছামতে কাম কৰাৰ অধিকাৰ হেৰুৱাইছিল। ইয়াৰ পৰিৱৰ্তে চুক্তিৰ ফলশ্ৰুতি নাগৰিক অধিকাৰবোৰহে লাভ কৰিছিল। এনেদৰেই প্ৰাকৃতিক স্বতন্ত্ৰতাৰ তাৎপৰ্য বা গুৰুত্ব ক্ৰমাৎ হ্ৰাস পাই আহিছিল।

**(২) ব্যক্তিগত বা পৌৰ স্বতন্ত্ৰতা ঃ** ব্যক্তিগত বা পৌৰ স্বতন্ত্ৰতা বুলি ব্যক্তিয়ে নিজৰ ব্যক্তিত্ব বিকাশৰ বাবে লাভ কৰা স্বতন্ত্ৰতাক বুজায়। অৱশ্যে প্ৰাকৃতিক স্বতন্ত্ৰতাৰ দৰে ইয়াক সম্পূৰ্ণ মুক্ত পৰিৱেশত উপভোগ কৰিব পৰা নাযায়। সামাজিক জীৱনত ব্যক্তিয়ে এই স্বতন্ত্ৰতা লাভ কৰিব পাৰে। বাৰ্কাৰৰ মতে ব্যক্তিস্বতন্ত্ৰতাই তিনিটা বিষয়ক সামৰি লয়—

(i) দৈহিক স্বতন্ত্ৰতা অৰ্থাৎ জীৱনৰ প্ৰতি ভয় বা ভাবুকি আৰু সু-স্বাস্থ্য তথা ভ্ৰমণ কৰাৰ স্বাধীনতা।

(ii) বৌদ্ধিক স্বাধীনতা ঃ চিন্তা বিশ্বাস আৰু মত প্ৰকাশৰ স্বাধীনতা।

(iii) দৈহিক স্বতন্ত্ৰতা অৰ্থাৎ জীৱনৰ প্ৰতি ভয় বা ভাবুকি আৰু সু-স্বাস্থ্য তথা ভ্ৰমণ কৰাৰ স্বাধীনতা।

ব্যক্তি বা পৌৰ স্বতন্ত্ৰতা উপভোগৰ বাবে এক পৰিৱেশৰ প্ৰয়োজন। এই পৰিৱেশ ৰাষ্ট্ৰই তৈয়াৰ কৰি দিব লাগে। অৰাজক বা আইন শৃংখলামূলক সমস্যা জড়িত পৰিৱেশত ব্যক্তিগত বা পৌৰ স্বতন্ত্ৰতা অসাৰ হয়। মিলে ব্যক্তি স্বতন্ত্ৰতাক সমৰ্থন কৰি কৈছে যে যিবোৰ বিষয়ত অকল ব্যক্তিৰ নিজৰ স্বাৰ্থ জড়িত, তেনে বিষয়ত দাবী থকা উচিত নহয় কিয়নো ব্যক্তি নিজৰ ওপৰত; নিজৰ শৰীৰ আৰু মনৰ ওপৰত ব্যক্তিয়েই হৈছে সাৰ্বভৌম। কেইবিধমান পৌৰ বা নাগৰিক স্বতন্ত্ৰতা হ'ল— (i) জীৱনৰ সুৰক্ষাৰ স্বতন্ত্ৰতা, (ii) সম্পত্তি আহৰণৰ স্বতন্ত্ৰতা, (iii) শোষণ বা উৎপীড়নৰ বিপক্ষে স্বতন্ত্ৰতা, (iv) সংস্কৃতি সুৰক্ষাৰ স্বতন্ত্ৰতা, (v) সমতাৰ স্বতন্ত্ৰতা, (vi) ধৰ্মৰ স্বতন্ত্ৰতা (vii) সাংবিধানিক প্ৰতিকাৰৰ স্বতন্ত্ৰতা আদি।

**(৩) ৰাজনৈতিক স্বতন্ত্ৰতা ঃ** ৰাজনৈতিক স্বতন্ত্ৰতাই ব্যক্তিক নিজৰ সামৰ্থ্য অনুসৰি দেশ বা জাতি নিৰ্মাণত অংশগ্ৰহণ কৰাৰ সুবিধাক বুজায়। লাস্কিৰ মতে শাসনৰ বিষয়ত অংশগ্ৰহণ কৰিব পৰা সুবিধাই হৈছে ৰাজনৈতিক স্বতন্ত্ৰতা। প্ৰাচীন কালৰেপৰা ব্যক্তিয়ে আত্মনিয়ন্ত্ৰণ বা স্বশাসনৰ অধিকাৰ দাবী তুলি আহিছে। ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ আদিৰ দৰে শাসন ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণৰ সীমিত সুবিধাহে উপলব্ধ। গণতন্ত্ৰ সম্প্ৰসাৰণৰ লগে লগে জনসাধাৰণৰ শাসন ব্যৱস্থাত অংশগ্ৰহণ পৰিমাণ আৰু সুবিধা যথেষ্ট বৃদ্ধি পাইছে। সেয়েহে গিলখ্ৰাইষ্টে ৰাজনৈতিক স্বতন্ত্ৰতা গণতন্ত্ৰৰ অন্য এক নাম মাথোন বুলি বক্তব্য আগবঢ়াইছে। গ্লেড্ষ্টোনেও ৰাজনৈতিক স্বতন্ত্ৰতা আৰু গণতন্ত্ৰক সমাৰ্থক শব্দ হিচাপে অভিহিত কৰিছে। ৰাজনৈতিক স্বতন্ত্ৰতাই প্ৰাপ্তবয়স্ক ভোটাধিকাৰ, প্ৰাপ্তবয়স্কৰ নিৰ্বাচনী প্ৰাৰ্থী হোৱাৰ স্বতন্ত্ৰতা, যোগ্যতা অনুযায়ী চৰকাৰী চাকৰি লাভৰ স্বতন্ত্ৰতা, চৰকাৰক সমালোচনা কৰা স্বতন্ত্ৰতাক সামৰি লয়।

অধ্যাপক লাস্কিয়ে ৰাজনৈতিক স্বতন্ত্ৰতা কৃতকাৰ্যতাৰ অৰ্থে দুটা চৰ্ত আৰোপ কৰিছে ঃ প্ৰথমটো হৈছে সকলোকে শিক্ষা

আহৰণৰ অৰ্থে সমান সুবিধা প্ৰদান। চহকী আৰু দুখীয়াৰ পৃথক শিক্ষা ব্যৱস্থাই ভিন্ন ধৰণৰ দৃষ্টিভংগী তৈয়াৰ কৰে। তেনে পৰিৱেশত ৰাজনৈতিক স্বতন্ত্ৰতা নাথাকে।

দ্বিতীয়তে, মত প্ৰকাশৰ স্বাধীনতা। মত প্ৰকাশ আৰু চপাশালৰ স্বতন্ত্ৰতাই মানুহক স্বাধীনভাৱে চিন্তা আৰু বিবেচনা কৰাত উদগনি যোগায়। ইয়াৰ বিপৰীতে এক স্বৈৰাচাৰী শাসন প্ৰতিষ্ঠা কৰে। ৰাজনৈতিক স্বতন্ত্ৰতাৰ উপলব্ধতাই পৌৰ বা অসামৰিক স্বতন্ত্ৰতাক অধিক শক্তিশালী কৰে।

**(৪) অৰ্থনৈতিক স্বতন্ত্ৰতা ঃ** অৰ্থনৈতিক স্বতন্ত্ৰতাই অৰ্থনৈতিক নিৰাপত্তাক প্ৰতিনিধিত্ব কৰে। লাস্কিৰ মতে অৰ্থনৈতিক স্বতন্ত্ৰতাই এনে এক সুবিধা বা নিৰাপত্তাৰ যোগান বুজাইছে যাৰ যোগেদি নিজৰ জীৱিকা অৰ্জনৰ এক যুক্তিসঙ্গত উপায় পোৱা যায়। মাৰ্ক্সবাদী চিন্তাবিদসকলে অৰ্থনৈতিক স্বতন্ত্ৰতাক সকলোৰে উৰ্দ্ধত স্থান দিছে। তেওঁলোকৰ মতে, অৰ্থনৈতিক, স্বতন্ত্ৰতাবিহীন ব্যৱস্থা যোগাযোগ আৰু অৰ্থহীন। সেয়েহে মাৰ্ক্সবাদী চিন্তাবিদসকলৰ মতে ৰাজনৈতিক স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ প্ৰাথমিক চৰ্ত হৈছে অৰ্থনৈতিক স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰা।

অৰ্থনৈতিক স্বতন্ত্ৰতাই জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সম্পদ আৰু সুবিধা আহৰণৰ স্বতন্ত্ৰতাক বুজায়। নিজৰ সামৰ্থ্য অনুসৰি পেচা বা বৃত্তি আহৰণৰ স্বতন্ত্ৰতা, উপযুক্ত মজুৰি লাভৰ স্বতন্ত্ৰতা, উপুযক্ত কৰ্মৰ পৰিৱেশ লাভৰ স্বতন্ত্ৰতা, বৃদ্ধকালত আৰু শাৰিৰীক অক্ষমতা সময়ত অৰ্থনৈতিক নিৰাপত্তা লাভৰ স্বতন্ত্ৰতা আদিক অৰ্থনৈতিক স্বতন্ত্ৰতাই সামৰি লয়।

**(৫) জাতীয় স্বতন্ত্ৰতা ঃ** জাতীয় স্বতন্ত্ৰতাৰ আন এটি নাম স্বাধীনতা ৰাষ্ট্ৰ। যেতিয়া কোনো এখন দেশ আন দেশৰপৰা নিয়ন্ত্ৰণৰ বাহিৰত থাকে তেতিয়া সেই দেশখনত জাতীয় স্বতন্ত্ৰতা থকা বুলি কোৱা হয়। জাতীয় স্বতন্ত্ৰতা থকা দেশ এখনেহে নিজাববীয়াকৈ আভ্যন্তৰীণ আৰু বাহ্যিক ক্ষেত্ৰত সিদ্ধান্ত ল'ব পাৰে। দ্বিতীয় মহাসমৰৰ আগলৈকে ভালেমান জাতিৰ স্বতন্ত্ৰতা নাছিল। সাম্ৰাজ্যবাদী শক্তিৰ অধীনত এই জাতিসমূহ আছিল। দ্বিতীয় মহাসমৰৰ পিছত 'এক জাতি এক দেশ' ধাৰণাত সম্প্ৰসাৰণৰ লগে লগে প্ৰায়বোৰ জাতিয়ে স্বাধীনতা লাভ কৰে আৰু জাতীয় স্বতন্ত্ৰতাৰ অধিকাৰ হয়।

উল্লেখযোগ্য যে আন আন স্বতন্ত্ৰতা উপভোগৰ বাবে জাতীয় স্বতন্ত্ৰতা অপৰিহাৰ্য। কিয়নো জাতীয় স্বতন্ত্ৰতা থাকিলে ৰাষ্ট্ৰই ব্যক্তিৰ অন্য স্বতন্ত্ৰতা প্ৰদানৰ লগতে সেইবোৰ উপভোগৰ পৰিৱেশ সুনিশ্চিত কৰিব পাৰিব।

**স্বতন্ত্ৰতা সংৰক্ষণৰ উপায় (Measures for safeguarding Liberty) ঃ**

স্বতন্ত্ৰতাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এটা দিশ হ'ল স্বতন্ত্ৰতা সংৰক্ষণ। অৰ্থাৎ স্বতন্ত্ৰতা থাকিলেই নহ'ব, ইয়াৰ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰাটোত অতি প্ৰয়োজনীয়। কাৰণ স্বতন্ত্ৰতাৰ লগত সঘনাই উত্থাপিত হোৱা এটা বিষয় হ'ল স্বতন্ত্ৰতাৰ উলংঘন। গতিকে ইয়াৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা থকাটো গুৰুত্বপূৰ্ণ। অধিকাৰ সংৰক্ষণৰ ক্ষেত্ৰত ব্যক্তিৰ সচেতনতা, শিক্ষা, ৰাষ্ট্ৰৰ সদিচ্ছা আৰু সহযোগিতা অতি প্ৰয়োজনীয় যদিও কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ জৰিয়তেও স্বতন্ত্ৰতা সুৰক্ষিত কৰিব পাৰি। তেনেকুৱা কেইটামান উপায় হ'ল—

1. **সংবিধান (Constitution) ঃ** নাগৰিকৰ স্বতন্ত্ৰতা সংৰক্ষণৰ উল্লেখযোগ্য উপায় হ'ল সংবিধান। সংবিধান দেশৰ মৌলিক আইন। ইয়াক সহজাত কোনেও ভংগ কৰিব নোৱাৰে। সেয়েহে নাগৰিকৰ স্বতন্ত্ৰতা সংবিধানত লিপিবদ্ধ কৰি ইয়াক সুৰক্ষিত কৰিব পাৰি। পৃথিৱীৰ বেছিভাগ দেশেই সংবিধানত নাগৰিকৰ স্বতন্ত্ৰতা লিপিবদ্ধ কৰি ৰাখিছে যাতে ইয়াক সহজতে কোনেও উলংঘা কৰিব নোৱাৰে। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত নাগৰিকৰ বাবে ছয়টা মৌলিক স্বতন্ত্ৰতা সন্নিবিষ্ট কৰা হৈছে। সংবিধানত স্বতন্ত্ৰতাৰ উল্লেখে স্বতন্ত্ৰতা সুৰক্ষিতও কৰে আৰু স্বতন্ত্ৰতা সম্পৰ্কত স্পষ্টতাও প্ৰদান কৰে।
2. **আইনৰ শাসন (Rule of Law) ঃ** আইনৰ শাসন স্বতন্ত্ৰতা সুৰক্ষাৰ আন এক উপায়। আইনৰ শাসনে আইনৰ দৃষ্টিত সকলোকে সমানে প্ৰতিষ্ঠা কৰে ফলত সকলো নাগৰিকে আইনৰ শাসনৰ দ্বাৰা সমভাৱে স্বতন্ত্ৰতা উপভোগ কৰিব পাৰে। অন্যথা শাসক বা চৰকাৰী পক্ষই কোনো শ্ৰেণীক স্বতন্ত্ৰতা উপভোগৰ পৰা বঞ্চিতোও কৰিব পাৰে।
3. **ক্ষমতাৰ পৃথকীকৰণ (Separation of Power) ঃ** চৰকাৰৰ তিনিটা অংগ— কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকাৰ মাজৰ ক্ষমতাৰ পৃথকীকৰণে নাগৰিকৰ স্বতন্ত্ৰতা সুৰক্ষিত কৰিব পাৰে কাৰণ এটা অংগই স্বেচ্ছাচাৰীভাৱে ক্ষমতাৰ অপপ্ৰয়োগ কৰি স্বতন্ত্ৰতা বিঘ্নিত কৰিলে আন এটা অংগই ইয়াৰ ওপৰত হস্তক্ষেপ কৰিব পাৰে।
4. **সংবিধান আৰু নিৰপেক্ষ ন্যায়পালিকা (Free and Impartial Judiciary) ঃ** চৰকাৰ বা ব্যক্তিৰ দ্বাৰা বহুসময়ত

নাগৰিকৰ স্বতন্ত্ৰতা বিঘ্নিত হয়। এইক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব পাৰে ন্যায়পালিকাই। ন্যায়পালিকাই বিভিন্ন উপায়েৰে নাগৰিকৰ স্বতন্ত্ৰতা সুৰক্ষিত কৰে। কিন্তু এই ভূমিকা পালনৰ বাবে ন্যায়পালিকা স্বাধীন আৰু নিৰপেক্ষ হোৱাটো প্ৰয়োজনীয়। তেতিয়া ই সমভাৱে নাগৰিকৰ স্বতন্ত্ৰতা ৰক্ষা কৰিব পাৰিব।

5. **স্বাধীন আৰু নিৰপেক্ষ সংবাদ পত্ৰ (Free and Impartial Press)** ঃ স্বাধীন, নিৰ্ভীক আৰু নিৰপেক্ষ সংবাদপত্ৰ নাগৰিকৰ স্বতন্ত্ৰতা সুৰক্ষাৰ আন এক উপায়। বিভিন্ন কাৰণত বিভিন্ন পক্ষৰ দ্বাৰা যেতিয়া নাগৰিকৰ স্বতন্ত্ৰতা বিঘ্নিত হয় তেতিয়া সংবাদ মাধ্যমে এইবোৰ প্ৰচাৰ কৰি ইয়াৰ সুৰক্ষাৰ দাবী সম্পৰ্কত প্ৰয়োজনীয় জনমত সৃষ্টি কৰিব পাৰে।

6. **প্ৰয়োজনীয় আইন প্ৰণয়ন (Enactment of necessary Laws)** ঃ ৰাষ্ট্ৰই স্বতন্ত্ৰতা সুৰক্ষাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিও নাগৰিকৰ স্বতন্ত্ৰতা সুৰক্ষিত কৰিব পাৰে। অৰ্থাৎ ৰাষ্ট্ৰই এনেকুৱা আইন প্ৰণয়ন কৰিব লাগে যিবোৰ নাগৰিকৰ স্বতন্ত্ৰতা উপভোগৰ পথ মসৃণ কৰি তোলে।

7. **গণতান্ত্ৰিক ব্যৱস্থা (Democratic system)** ঃ স্বতন্ত্ৰতা প্ৰদান, সুৰক্ষা, স্বতন্ত্ৰতাৰ বাবে প্ৰয়োজনীয় আইন নিৰপেক্ষ সংবাদ পত্ৰ ন্যায়িক ব্যৱস্থা ইত্যাদিৰ দ্বাৰা স্বতন্ত্ৰতা সুৰক্ষা গণতান্ত্ৰিক ব্যৱস্থাৰহে প্ৰকৃতপক্ষে সম্ভৱ। বৰ্তমান সময়ত গণতন্ত্ৰই একমাত্ৰ নিৰ্ভৰযোগ্য ব্যৱস্থা হিচাপে পাৰিগণিত হৈছে য'ত নাগৰিকৰ স্বতন্ত্ৰতা নিশ্চিত থাকে।

8. **সচেতন নাগৰিক (Vigilant Citizen)** ঃ সচেতনতা অৰ্থাৎ নাগৰিকৰ স্বতন্ত্ৰতা সম্পৰ্কত সচেতনতা হ'ল স্বতন্ত্ৰতা সুৰক্ষাৰ আন এক উপায়। নাগৰিক স্বতন্ত্ৰতা সম্পৰ্কে সজাগ নহ'লে যিকোনো সময়ত ই বিঘ্নিত থোৱাটো নিশ্চিত। অৱশ্যে নাগৰিকৰ মনত সচেতনতা সৃষ্টিৰ বাবে প্ৰয়োজনীয় শিক্ষাৰ প্ৰসাৰ হোৱাটোও অতি প্ৰয়োজনীয়। নাগৰিকৰ সচেতনতা নহ'লে যিকোনো পক্ষৰপৰা অধিকাৰ ভংগ এক সাধাৰণ ঘটনা হৈ পৰে।

9. **সুস্থ জনমত (Sound Public Opinion)** ঃ সুস্থ জনমত নাগৰিকৰ স্বতন্ত্ৰতা ভংগৰ প্ৰধান বাধা হ'ব পাৰে। কিন্তু ইয়াৰ বাবে নাগৰিকৰ প্ৰয়োজনীয় শিক্ষা আৰু সচেতনতা থাকিব লাগিব। সুস্থ জনমতে চৰকাৰী পক্ষক স্বতন্ত্ৰতা সুৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ বাধ্য কৰাব পাৰে।

10. **ৰাজনৈতিক দলৰ ভূমিকা (Role of Political Party)** ঃ নাগৰিকৰ মনত সচেতনতা সৃষ্টিৰ বাবে, সুস্থ জনমত গঠনৰ বাবে এক বিশেষ ভূমিকা পালন কৰিব পাৰে ৰাজনৈতিক দলসমূহে। শাসকীয় দলৰ লগতে বিৰোধী দলসমূহে চৰকাৰৰ দ্বাৰা বিঘ্নিত হোৱা স্বতন্ত্ৰতা সম্পৰ্কে সজাগতা আৰু জনমত সৃষ্টি কৰিব পাৰে আৰু চৰকাৰক স্বতন্ত্ৰতা বিৰোধী স্থিতি বাতিল কৰিবলৈ বাধ্য কৰাব পাৰে।

এইদৰে বিভিন্ন উপায়ে নাগৰিকৰ স্বতন্ত্ৰতা সুৰক্ষিত কৰিব পাৰি। এইক্ষেত্ৰত আটাইতকৈ প্ৰয়োজনীয় হ'ল চৰকাৰৰ সদিচ্ছা আৰু নাগৰিকৰ সচেতনতা।

## (ঘ) সমতা
## (Equality)

**সমতাৰ ধাৰণাৰ বিকাশ (Development of the concept of Equality)** ঃ

ৰাজনৈতিক তত্ত্বৰ ধাৰণাসমূহৰ ভিতৰত সমতা অন্যতম। অতি প্ৰাচীন কালৰেপৰা ৰাজনৈতিক চৰ্চা আৰু আলোচনাবোৰত সমতাই অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। প্ৰাচীন গ্ৰীক দৰ্শনতে সমতাৰ বিতৰ্কই ৰাজনৈতিক দাৰ্শনিক সকলৰ চিন্তা-চৰ্চাত শীৰ্ষ স্থান পাইছিল। সমতা প্ৰতিষ্ঠা, সমতাৰ ন্যায়সংগত দাবীৰ প্ৰয়োজনীয়তা সমতাৰ প্ৰতিষ্ঠাৰ উপায় আদি বিষয়ত চিন্তাবিদসকলে মন্তব্য আগবঢ়াইছিল। গ্ৰীক দাৰ্শনিকসকল সমতাকেন্দ্ৰীক বিতৰ্কত দুটা চিন্তাগোষ্ঠীত বিভক্ত বিভক্ত হৈছিল। প্লেটো, এৰিষ্ট'টলে প্ৰাকৃতিক অসমতাক যুক্তি হিচাপে লৈ সমাজত অসমতা প্ৰতিষ্ঠাত গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে চোফিষ্টসকলৰ নেতৃত্বত একাংশ দাৰ্শনিকে সমাজত সকলো লোকৰে মাজত সমতা প্ৰতিষ্ঠাৰ হকে মন্তব্য প্ৰকাশ কৰিছিল।

ষ্টইক দাৰ্শনিকসকলে মূলতঃ জেনো, চিচেৰো, চেনেকাই প্ৰাকৃতিক আইন আৰু মুক্তিৰ আধাৰত বিশ্বজনীন ভাতৃত্ববোধ আৰু নাগৰিকৰ ধাৰণা আগবঢ়াইছিল। তেওঁলোকে এৰিষ্ট'টলে প্ৰাকৃতিক আইনৰ আধাৰত আগবঢ়োৱা দাসত্ব ব্যৱস্থাৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু মানুহৰ মাজত যে প্ৰাকৃতিক সমতা বিৰাজমান তাক প্ৰতিষ্ঠা কৰাৰ যত্ন কৰিছিল। চিচেৰোৰ মতে বিশ্বজনীন প্ৰাকৃতিক আইনে সকলো মানুহ আৰু দেশকে একতাৰ এনাজৰিৰে বান্ধি ৰাখিছে। অৰ্থাৎ প্ৰাকৃতিক আইন বিশ্বজনীন আৰু ই সকলোৰে বাবে

সমান। মানুহৰ মাজত থকা কু-অভ্যাস, ভ্ৰান্ত যুক্তিয়ে সমতা প্ৰতিষ্ঠাৰ প্ৰতিবন্ধক হিচাপে থিয় দিয়ে। যিহেতু সকলো মানুহ একে প্ৰাকৃতিক নিয়মৰ দ্বাৰা পৰিচালিত সেয়েহে সকলোকে সমান হিচাপে জ্ঞান কৰাটোৱেই উচিত।

মধ্যযুগত মূলতঃ খ্ৰীষ্টান ধৰ্মৰ সম্প্ৰসাৰণে সমতাৰ ধাৰণাক অধিক প্ৰাসংগিক কৰি তুলিছিল। অৱশ্যে খ্ৰীষ্টান ধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত 'সমতা'ৰ অৰ্থ আছিল ভগৱানৰ ওচৰত আমি সকলো সমান। আধ্যাত্মিক ক্ষেত্ৰখনত সমতাৰ আদৰ্শ কিছুপৰিমাণে বিস্তাৰ লাভ কৰিলেওঁ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত যথেষ্ট অসমতাই বিৰাজ কৰিছিল। আৰ্থ-সামাজিক ক্ষেত্ৰত প্ৰচলিত থকা সামন্তীয় সমাজ ব্যৱস্থা আৰু ৰাজনৈতিক ক্ষেত্ৰত প্ৰচলিত ধনীকতন্ত্ৰই এক প্ৰকাৰ ব্যৱহাৰিক ক্ষেত্ৰত সমতাৰ ধাৰণাক নস্যাৎ কৰিছিল। তাৰ পৰিৱৰ্তে সামাজিক আৰ্থিক অসমতাকহে সেই সময়ৰ কৰ্তৃত্বশালী সকলে উৎসাহ যোগাইছিল।

মধ্যযুগৰ শেষৰফালে ইউৰোপীয় সমাজত আৰম্ভ হোৱা সমাজ সংস্কাৰ আৰু নৱজাগৰণৰ ধাৰাই 'সমতা'ৰ ধাৰণা বিকাশত এক নতুন মাত্ৰা প্ৰদান কৰিছিল। 1688 চনত আৰম্ভ হোৱা ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱে যুক্তি, বৈজ্ঞানিক মন আৰু কৌশলৰ দ্বাৰা প্ৰচলিত গোড়ামী আৰু পৰম্পৰাগত ক্ষমতা হস্তান্তৰিত প্ৰক্ৰিয়াৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। সমসাময়িকভাৱে আমেৰিকাৰ স্বাধীনতাৰ ঘোষণা-পত্ৰ 1776, ফৰাচী বিপ্লৱ 1789 আদিয়ে 'সমতা'ৰ ধাৰণাক অধিক গতিশীল আৰু শক্তিশালী কৰিছিল। আমেৰিকাৰ স্বাধীনতা পত্ৰত 'সকলো মানুহৰ সমান' আৰু ফৰাচী বিপ্লৱৰ স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ আদৰ্শই ৰাজনৈতিক চিন্তা-চৰ্চাত এক নতুন যুগৰ পথ মুকলি কৰিছিল। ফৰাচী বিপ্লৱৰ পিচত মানুহৰ মাজত সমতা প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দি জাতীয় পৰিষদে মানৱ অধিকাৰৰ ঘোষণাপত্ৰ উলিয়াইছিল এই ঘোষণা-পত্ৰত কৈছে— মানুহ যিহেতু স্বাধীন হৈ জন্মে গতিকে সকলো মানুহ সমান ব্যৱহাৰ আৰু সম মৰ্যাদাৰ অধিকাৰী। ফৰাচী ঘোষণা-পত্ৰৰ এই বানীয়ে 'সমতা'ৰ আদৰ্শক পৰৱৰ্তী সময়ত অধিক শক্তিশালী আৰু গতিশীলতা লাভ কৰাত সহায় কৰিছিল।

সমতাৰ ধাৰণাক বিদ্যায়তনিক ক্ষেত্ৰত শক্তিশালীকৰণত ক্ষেত্ৰত সামাজিক চুক্তি তত্ত্ববিদ হবচ, ল'ক আৰু ৰুচোৰ ভূমিকাও অনবদ্য। তিনিওজন চিন্তাবিদে সমতাক মানুহৰ জন্মগত অধিকাৰ হিচাবে স্বীকৃতি দিছিল। সমতাৰ ধাৰণাক সমৰ্থন কৰি ল'কে মন্তব্য প্ৰকাশ কৰিছিল যে সকলো মানুহেই জন্মগতভাৱে কিছুমান অহস্তান্তৰিত প্ৰাকৃতিক অধিকাৰ লৈ জন্মগ্ৰহণ কৰে। এই সমূহৰ ভিতৰত লকে জীৱন, স্বতন্ত্ৰতা আৰু সম্পত্তিৰ অধিকাৰ উল্লেখ কৰিছে। এই অধিকাৰবোৰ সকলোৰে ক্ষেত্ৰত সমৰূপে প্ৰযোজ্য। ৰুছোৱে তেওঁৰ "Discourse on Inequality (1755)" গ্ৰন্থত অসমতাৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা কৰি মন্তব্য প্ৰকাশ কৰিছে যে ব্যক্তিগত সম্পত্তিৰ ধাৰণাৰ বিকাশক কেন্দ্ৰ কৰি গঢ়ি উঠা সভ্যতাই সমাজত অসমতাৰ বীজ বহন কৰিছে। তেওঁ অসমতাক উৎপত্তি সম্পৰ্কে ব্যাখ্যা কৰি মন্তব্য প্ৰকাশ কৰিছে যে ব্যক্তিগত সম্পত্তিৰ ধাৰণাৰ বিকাশক কেন্দ্ৰ কৰি গঢ়ি উঠা সভ্যতাই সমাজত অসমতাৰ বীজ বহন কৰিছে। তেওঁ অসমতাক প্ৰাকৃতিক অসমতা আৰু বিধি প্ৰদত্ত অসমতা হিচাপে বিভক্ত কৰিছে। প্ৰাকৃতিক অসমতা নিৰাময়ৰ উপায় নাই। এইবোৰ জন্মগত শাৰিৰীক আৰু মানসিক পাৰ্থক্যৰ সমষ্টি। অৱশ্যে সমাজত দ্বিতীয়বিধ অসমতাইহে বিশেষ প্ৰভাৱ সৃষ্টি কৰে। সেয়া মানৱসৃষ্ট। এই অসমতাবোৰ আতৰ কৰিলেহে সমাজৰ শৃংখলা প্ৰতিষ্ঠা সম্ভৱ। হবচ্, লক আৰু ৰুছো তিনিওজনে সমতা প্ৰতিষ্ঠাৰ হকে মন্তব্য আগবঢ়ালেও তিনিওজনৰে দৃষ্টিভংগী পৃথক পৃথক আছিল। অৱশ্যে তেওঁলোকে আগবঢ়োৱা তাত্বিক বিশ্লেষণে ৰাজনৈতিক তত্ত্বত 'সমতা'ক বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। ৰাজনৈতিক তত্ত্বৰ আলোচনাত সমতাৰ ধাৰণাই বিশেষ চৰ্চা লাভ কৰিছিল ঊনৈশ শতিকাত। ঔদ্যোগীক বিপ্লৱে সমাজত সৃষ্টি কৰা অৰ্থনৈতিক বৈষম্য আতৰ কৰাৰ বাবে শ্ৰমিক শ্ৰেণীৰ মাজত সজাগতা বৃদ্ধি হৈ ন্যায় আৰু সমতা প্ৰতিষ্ঠাৰ হকে আন্দোলন গঢ়ি উঠিছিল। মাৰ্ক্সবাদী চিন্তাবিদসকলৰ লিখনি আৰু আলোচনাই ৰাজনৈতিক ক্ষেত্ৰখনত অৰ্থনৈতিক সমতাৰ ধাৰণাটোক অধিক প্ৰাসংগিক কৰি তুলিছিল। অৰ্থনৈতিক সমতাৰ সমান্তৰালকৈ বিশ্বৰ ভিন্ন ভিন্ন প্ৰান্তত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ দাবীয়ে ৰাজনৈতিক সমতা প্ৰতিষ্ঠাৰ বাবেও প্ৰচেষ্টা আৰম্ভ হৈছিল।

কুৰি শতিকা 'সমতা'ৰ বিকাশৰ এক উল্লেখযোগ্য সময়। যুক্তিবাদ, আলোকতাবাদে ইতিমধ্যেই ৰাজনৈতিক ক্ষেত্ৰখনত আশাৰ সৃষ্টি পিছত কুৰি শতিকাত বিভিন্ন প্ৰান্তত মূলতঃ এচিয়া আৰু আফ্ৰিকাৰ দেশসমূহক লৈ উপনিবেশবাদ বিৰোধী আন্দোলন সমূহে সমতা ধৰাণাৰ আৰ্হিত আত্মনিৰ্দ্ধাৰণৰ অধিকাৰৰ দাবী তুলিছিল। দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী কালত গা কৰি উঠা নাৰীবাদী আন্দোলনসমূহৰো মূল ভিত্তি হ'ল সমতা। এই আন্দোলন সমূহৰ ভিত্তিতে ১৯৪৮ চনত ৰাষ্ট্ৰ সংঘৰ নেতৃত্বত 'সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণাপত্ৰ' প্ৰকাশ পায়। সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাপত্ৰৰ মুখ্য বা প্ৰাথমিক মূল্যবোধ সমূহৰ ভিতৰত সমতা অন্যতম। পৰৱৰ্তী কালত 'সমতা'ক ৰাষ্ট্ৰ নিৰ্মাণৰ এক অন্যতম আহিলা হিচাবে গ্ৰহণ কৰাৰ বাবে এই ঘোষণা-পত্ৰই উদ্বুদ্ধ কৰি

আহিছে। যাৰ ফলত একবিংশ শতিকাৰ ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে গ্ৰহণ কৰা সকলো পদক্ষেপতে সমতাক এক সফলতাৰ পৰিমাপক হিচাপে ব্যৱহাৰ কৰা হৈছে। সম্প্ৰতি বিশ্বত ভিন্ন প্ৰান্তত গঢ়ি উঠা বিভিন্ন আৰ্থ-সামাজিক, ৰাজনৈতিক, নৃগোষ্ঠীয় অথবা পৰিবেশীয় আন্দোলনসমূহৰ মূল ভিত্তি হৈছে সমতা প্ৰতিষ্ঠা।

**সমতাৰ অৰ্থ আৰু সংজ্ঞা (Meaning and Definition of Equality) ঃ**

সাধাৰণ অৰ্থত সমতাই সমান বা সমানতাক বুজায়। অৱশ্যে ৰাজনীতি বিজ্ঞানত সমতাই গাণিতিক সমতাক নুবুজায়। চিন্তাবিদসকলে সমতাৰ দ্বাৰা সময় সুযোগ সুবিধা সৃষ্টি আৰু বিতৰণক বুজায়। অৱশ্যে ধাৰণা হিচাপে সমতাৰ অৰ্থ ব্যাখ্যা কৰা ইমান সহজ নহয়। কিয়নো মানুহে জন্মগতভাৱেই নিজৰ শাৰিৰীক গঠন, সক্ষমতা, মানসিক দক্ষতা আদি ভিন্নতাক লৈয়ে জন্মে। এনে ভিন্নতাবোৰৰ মাজত সমতা কিভাৱে কিমান দূৰলৈ প্ৰতিষ্ঠা বা কাৰ্যকৰী কৰিব পৰা যাব তাক লৈ চিন্তাবিদসকলে ভিন্ন মন্তব্য আগবঢ়াইছে। আপাদুৰাইৰ মতে সকলো মানুহ সমানৰ ধাৰণাটো পৃথিৱীৰ পৃষ্ঠভাগ সমৰূপত সমতলৰ দৰে। বেন্থামৰ মতে সমতাৰ ধাৰণাটো অৰাজক ভ্ৰান্তি (an anarchic fallacy) বাৰ্কৰ মতে সমতাৰ ধাৰণাটো ৰাক্ষসৰ কল্প কাহিনী (Monstrous fiction) কলৰিড্‌জৰ মতে সমতাৰ ধাৰণাটো এটা অসম্ভৱ প্ৰস্তাৱ (Infeasible Proposition) অৰ্থাৎ এই চিন্তাবিদসকলৰ দৃষ্টিত মানুহৰ মাজত ইমান বেছি পৰিমাণে ভিন্নতা বা পৃথকতা আছে যে সেইবোৰৰ মাজত সমতা প্ৰতিষ্ঠা এক প্ৰকাৰ অসম্ভৱ আৰু অকাৰ্যকাৰী। অৱশ্যে সমতা প্ৰতিষ্ঠা এক প্ৰকাৰ অসম্ভৱ আৰু অকাৰ্যকাৰী। অৱশ্যে সমতা প্ৰতিষ্ঠা অসম্ভৱ বা অকাৰ্যকাৰী ৰূপে বিবেচনা কৰা সকলে বাস্তৱতে গাণিতিক সমতাৰ ধাৰণাৰে ৰাজনৈতিক সমতাক ব্যাখ্যা কৰাৰ প্ৰয়াস কৰিছে। ৰাজনীতিত সমতাই কিছুমান বিশেষ তাৎপৰ্য বা অৰ্থ বহন কৰে—

**(i) অধিকাৰৰ বিবৃতি হিচাবেহে সমতা উপলব্ধ-বাস্তৱ নহয় (Equality as a statement of Right, not of facts) ঃ**

সমতাৰ ধাৰণা বা অৰ্থ আলোচনা কৰাটো সততে মনত ৰাখিব লগা বিষয়টো হৈছে সমতা এটা আৰোপিত ধাৰণাহে (Presecriptive term) অৰ্থাৎ সমতা আৰোপ কৰিব খোজ এক প্ৰক্ৰিয়া বা কাৰ্য ই বাস্তৱত নিজে নিজে কাৰ্যকৰী হৈ নাথাকে। সমতাক ব্যাখ্যা কৰোতে আমি ক'ব পাৰোঁ যে মানুহক সমান হিচাবে জ্ঞান কৰিব লাগে, যিহেতু সকলো মানুহৰ প্ৰয়োজনীয়তা একে সেয়ে সকলোৰে একে ধৰণৰ অধিকাৰ পাব লাগে। অৰ্থাৎ আমি সমতা লাভক বা সমতা প্ৰদানক এক অধিকাৰ বা দাবী হিচাপেহে প্ৰতিষ্ঠা কৰিব পাৰোঁ কিন্তু বাস্তৱত ভিন্নতা বা পৃথকতা সকলো ক্ষেত্ৰতে বিৰাজমান হৈ থাকে। প্ৰাকৃতিক ভাৱেও মানুহ এজনৰ পৰা আনজন ভিন্ন সেয়ে চূড়ান্ত ৰূপত সমতা প্ৰতিষ্ঠা সম্ভৱ নহয়। চূড়ান্তৰূপত সমতা প্ৰতিষ্ঠাৰ প্ৰয়াসে সম্পূৰ্ণৰূপে স্বতন্ত্ৰতাৰ ধাৰণাক বিনষ্ট কৰিব। এনে ক্ষেত্ৰত স্বতন্ত্ৰতা আৰু সমতা পৰস্পৰাৰ বিৰোধী হিচাবে প্ৰতিষ্ঠা হ'ব। কিন্তু বাস্তৱত চূড়ান্ত সমতা প্ৰতিষ্ঠাৰ ধাৰণাক কাল্পনিক বা অবাস্তৱ হিচাপে গ্ৰহণ কৰি সমতাক আপেক্ষিক ৰূপত প্ৰতিষ্ঠাৰ চেষ্টা কৰা হয়। সমতাৰ অৰ্থ হ'ল সামাজিক সুবিধা বা সুফলবোৰৰ বিস্তাৰ সাধন কৰি সকলোৰে নিজে নিজে অধিকাৰ ভোগ কৰিব পৰা এক পৰিৱেশৰ সূচনা কৰা।

**সমাজ পৰিৱৰ্তনৰ ধাৰণা হিচাবে সমতা (Equality as a idea of Social Change) ঃ**

সমতাক বহু সময়ত সমাজ পৰিৱৰ্তনৰ এক ধাৰণা হিচাবে লোৱা হয়। সমাজত প্ৰচলিত ভালেমান প্ৰথা বা প্ৰক্ৰিয়া যেনে সামন্তবাদ, জাতিবাদ, পুৰুষতন্ত্ৰবাদ আদিক নিৰ্মূলকৰণৰ এক বাহক বা কাৰক হৈছে সমতা। সমতা প্ৰতিষ্ঠাৰ প্ৰশ্নই সামন্তবাদ জাতিবাদ পুৰুষতন্ত্ৰবাদৰ বিৰুদ্ধে প্ৰত্যাহ্বানৰ সূচনা কৰে। সমতাই এখন গতিশীল সমাজক প্ৰতিনিধিত্ব কৰে। সমতাই পৰম্পৰাগত, ৰক্ষণশীলতাৰ বিৰুদ্ধাচৰণ কৰি এক ন্যায়পূৰ্ণ গণতান্ত্ৰিক যুক্তিসংগত সমাজক সমৰ্থন কৰে। সমতাই আৰ্থ-সামাজিক ৰাজনৈতিক গতিশীলতাক সমৰ্থন কৰে।

**সমতাই বৈষম্যতা সমৰ্থন কৰে (Equality supports Discrimination) ঃ**

সমতাৰ ধাৰণা আলোচনা কৰোতে আমি দেখা পাওঁ যে বিভিন্ন সময়ত সমতাই বৈষম্যতাকো সমৰ্থন কৰে। সমতাৰ লক্ষ্য হৈছে এখন ন্যায়পূৰ্ণ গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰা। এখন ন্যায়পূৰ্ণ আৰু গণতান্ত্ৰিক সমাজৰ স্বাৰ্থত সমতাৰ ধাৰণাই কোনো কোনো ক্ষেত্ৰত যুক্তিসংগত বৈষম্যকো সমৰ্থন কৰে। মুলতঃ দুটা এনে অসমতা সমৰ্থনযোগ্য—

(১) প্ৰয়োজনীয়তাৰ স্বাৰ্থত বিশেষ সুবিধা (Special Provision in case of need)

(২) পাৰদৰ্শীজনক বিশেষ সুবিধা (Special Rewards for Excellence)

সমতাই প্ৰয়োজনীয়তাৰ স্বাৰ্থত বিশেষ সুবিধা বা ব্যৱস্থা নীতিক সমৰ্থন কৰে। এখন সমতাপূৰ্ণ সমাজৰ বাবে এই নীতি

অতি ফলপ্ৰসু হিচাপে ইতিমধ্যে ভালেমান চিন্তাবিদে চিনাক্ত কৰিছে। এই নীতিৰ আধাৰত বিভিন্ন সামাজিক বৈষম্য অথবা প্ৰাকৃতিক বৈষম্যৰ বলী হোৱা লোকসকলক বিশেষ সুবিধা প্ৰদানেৰে আগবঢ়াই অনাৰ প্ৰয়াস কৰা হয়। সাধাৰণ ভাষাত ইয়াক যোগাত্মক কাৰ্যব্যৱস্থা আখ্যা দিয়া হয়।

## যোগাত্মক কাৰ্য/ব্যৱস্থা
## (Affirmative Action)

যোগাত্মক ব্যৱস্থা বা ধনাত্মক ব্যৱস্থাৰ দ্বাৰা সেইবোৰ ব্যৱস্থাকে বুজোৱা হৈছে যিবোৰৰ দ্বাৰা বিভিন্ন কাৰণত সমাজত পিছপৰি থকা সমূহ বা গোটবোৰৰ বিকাশৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইবোৰক ধনাত্মক বৈষম্য বা Positive Discrimination বুলিও কোৱা হয়। এই ব্যৱস্থাবোৰ মূলতঃ সুৰক্ষা প্ৰদানকাৰী। গতিকে, ক'ব পাৰি যোগাত্মক ব্যৱস্থা হ'ল এক বিশেষ ব্যৱস্থা, যি ব্যৱস্থা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ কাৰণে গ্ৰহণ কৰা হয় আৰু যিবোৰ ব্যৱস্থাই সমাজৰ একেবাৰে পিছপৰা গোটসমূহক প্ৰয়োজনীয় সুৰক্ষা প্ৰদান কৰে। অৰ্থাৎ, ই হ'ল সমাজৰ কিছুমান গোটক প্ৰদান কৰা এক অগ্ৰাধিকাৰমূলক ব্যৱস্থা নীতি। অৱশ্যে সকলো অগ্ৰাধিকাৰমূলক নীতি বা কাৰ্যই যোগাত্মক কাৰ্য নহয়। যোগাত্মক ব্যৱস্থাই প্ৰকৃততে সমাজৰ বিভিন্ন গোটৰ মাজত থকা গাঁথনিগত অসমতাক নাইকিয়া কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ব্যৱস্থাই সমাজৰ পিছপৰা আৰু বঞ্চিত শ্ৰেণীক ন্যায় প্ৰদানৰ বাবে ৰাষ্ট্ৰৰ সা-সুবিধা বা সম্পদৰ সাময়িক পুনৰ্নিৰ্দ্ধাৰণ বা পুনৰ বিতৰণ কৰিব বিচাৰে। গতিকে ক'ব পাৰি যে সমাজৰ যিসকল লোকক ন্যায় প্ৰদানৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হয়, সেই ন্যায় লাভৰ পিছত এনেকুৱা ব্যৱস্থাৰ যুক্তিযুক্ততা নাইকিয়া হয় বা হ'ব পাৰে। এই ব্যৱস্থা যদিও যথেষ্ট বিতৰ্কিত তথাপিও ঐতিহাসিক অন্যায় যি বহু বছৰ জুৰি হৈ আছে, সেয়া নাইকিয়া কৰিবলৈ বা সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ এইবোৰ গ্ৰহণ কৰা হয়। দৰাচলতে আনুষ্ঠানিক সমতা (Formal equality) আৰু প্ৰকৃত সমতাৰ (Substantive equality) মাজত ভাৰসাম্য প্ৰতিষ্ঠাই হ'ল যোগাত্মক ব্যৱস্থাৰ মূল উদ্দেশ্য।

সমতাৰ বিশেষ প্ৰয়োজনৰ স্বাৰ্থত বিশেষ নীতিয়ে এক অন্য অৰ্থও প্ৰকাশ কৰে। এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ স্বাৰ্থত বিভিন্ন ক্ষেত্ৰত বিশেষভাবে আগবাঢ়ি যোৱা সকলৰ প্ৰতি এক সামাজিক দায়িত্ববোধ অৰ্পণেৰে তেওঁলোকক সমাজৰ প্ৰতি বৰঙণি প্ৰদানৰ বাবে একপ্ৰকাৰ বাধ্য কৰোৱা হয়। উদাহৰণস্বৰূপে বিভিন্ন দেশে আৰোপ কৰা প্ৰত্যক্ষ কৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰিব পাৰি। কৰ ব্যৱস্থাৰ দ্বাৰা অৰ্থনৈতিকভাবে অধিক আগবঢ়াসকলৰ ওপৰত অধিক কৰ আৰোপেৰে এখন অৰ্থনৈতিকভাবে সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ প্ৰচেষ্টা চলোৱা হয়।

সমতাই সমৰ্থন কৰা অসমতাৰ আন এক ব্যৱস্থা বা নীতি হ'ল পাৰদৰ্শীজনক বিশেষ সুবিধা প্ৰদান। সমতাৰ এনে নীতি কাৰ্যকৰী কৰিবলৈ সমাজত প্ৰাথমিক প্ৰয়োজনীয়তা সমূহৰ পূৰণক পূৰ্বচৰ্ত্ত হিচাবে ধৰি লোৱা হয়। প্ৰাথমিক প্ৰয়োজনীয়তাবোৰ পূৰণৰ পৰৱৰ্তী পৰ্যায়ত সমতাই দক্ষসকলক বিশেষ পুৰস্কাৰ প্ৰদানত গুৰুত্ব প্ৰদান কৰে। অৱশ্যে সমতাৰ এই নীতি 'বজাৰ কেন্দ্ৰিক বিকাশ'ৰ আৰ্হিত অনাচৰ্তসাপেক্ষে আৰোপ কৰিব পৰা নাযায়।

মূলতঃ সমতা সম্পৰ্কীয় ওপৰোক্ত প্ৰকৃতিসমূহক কেন্দ্ৰ কৰিয়েই চিন্তাবিদসকলে সমতাৰ ধাৰণাক ব্যাখ্যা কৰাৰ প্ৰয়াস কৰিছে। বাৰ্কাৰৰ সমতাক ব্যাখ্যা কৰিবলৈ গৈ কৈছে সমতাৰ নীতিয়ে এনে এক ব্যৱস্থাক বুজায় য'ত অধিকাৰৰ আকাৰত মোৰ বাবে যিমানখিনি সুৰক্ষিত কৰা হৈছে আনৰ বাবেও একে পৰিমাণৰ সুৰক্ষিত হওক অথবা আনৰ বাবে যিবোৰ অধিকাৰ আগবঢ়োৱা হৈছে— সেইবোৰ মোকো দিয়া হওঁক।

লাস্কিয়ে সমতাৰ অৰ্থ ব্যাখ্যা কৰি কৈছে— সমতা হৈছে এনে এক প্ৰক্ৰিয়া য'ত সমাজত কোনো মানুহক সমাজত ইমান উচ্চ স্থান দিয়া নহয় যে তেওঁ তেওঁৰ প্ৰতিবেশীৰ অস্তিত্বক অস্বীকাৰ কৰিব পাৰে। লাস্কিয়ে বহল পৰিসৰত আলোচনা কৰি কৈছে— "সমতাই সকলোৰে বাবে সম সুবিধা আৰু বিশেষ সুবিধাৰ অনুপস্থিতিক বুজায়। ভাৰতৰ সংবিধানেও নাগৰিকৰ বাবে সমতাৰ অধিকাৰ সুৰক্ষাৰ বাবে যিবোৰ ব্যৱস্থাৱলী উল্লেখ কৰিছে সমতাৰ ধাৰণা সম্পৰ্কীয় বিশ্লেষণত ই বিশেষ তাৎপৰ্যপূৰ্ণ—

(১) আইনৰ চকুত সমতা আৰু আইনে সকলোকে সমভাবে সুৰক্ষিত কৰা।

(২) জাতি, বৰ্ণ, ভাষা, ধৰ্ম লিঙ্গ অথবা জন্মস্থান নিৰ্বিশেষে কোনো লোকৰ প্ৰতি বৈষম্য আভৰণ নকৰা।

(৩) ৰাজহুৱা সম্পদ সমূহ ব্যৱহাৰত সকলোকে সম সুযোগ প্ৰদান কৰা।

(৪) অস্পৃশ্যতা বৰ্জন কৰা।

(৫) সামৰিক আৰু শৈক্ষিক ক্ষেত্ৰত বাহিৰে অন্য ক্ষেত্ৰত বিশেষ উপাধি বা মৰ্যাদা প্ৰদান নকৰা।

ভাৰতৰ সংবিধানে সকলোৰে প্ৰতি সম আচৰণ আৰু সম সুৰক্ষা প্ৰদান কৰাৰ লগতে সমাজৰ পিছপৰা আৰু অসুৰক্ষিত শ্ৰেণীক আন গোটৰ সমান ক্ষেত্ৰলৈ আগবঢ়াই আনিবলৈ কিছুমান বিশেষ কাৰ্যসূচীৰ ব্যৱস্থা কৰিছে।

সমতা সম্পৰ্কীয় ওপৰোক্ত আলোচনা সমূহে 'সমতা' ধাৰণাটোৰ অৰ্থ বা প্ৰকৃতি সম্পৰ্কে নিম্নলিখিত মন্তব্যসমূহক প্ৰতিফলিত কৰে—

(i) সমতাৰ অৰ্থ সমান সুযোগ সুবিধা সৃষ্টি বা পক্ষপাতিত্বহীনভাৱে সকলোকে সমসুযোগ প্ৰদান কৰা। ই এটা বহুপাক্ষিক ধাৰণা। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশতেই বিস্তৃত।

(ii) সমতাৰ ধাৰণাই গাণিতিক সমতা বা চুড়ান্ত সমানতাক নুবুজায়।

(iii) সমতাৰ ধাৰণাই ৰাষ্ট্ৰীয় সম্পদবোৰ লাভ কৰাৰ বাবে বৈষম্যহীন ৰূপত সকলোকে সম অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰাক বুজায়।

(iv) সমতাই সমানসকলৰ মাজত সম ব্যৱহাৰ/বিতৰণক বুজায়।

(v) সমতাই আনুপাতিক সমতাৰ নীতিক সমৰ্থন কৰে। অৰ্থাৎ দক্ষজনক বঞ্চিত নকৰাকৈ তেওঁৰ অৱদানক সম্পদ বা সেৱা বিতৰণৰ যোগেদি মান্যতা প্ৰদান কৰাক বুজায়।

(vi) সমতাই ঐতিহাসিক ভাবে সামাজিক শোষণৰ বলী হোৱা বা প্ৰাকৃতিক অসমতাৰ বলী হোৱা লোকৰ প্ৰতি বিশেষ ব্যৱস্থা গ্ৰহণক সমৰ্থন কৰে।

(vii) সমতাৰ ইতিবাচক আৰু নেতিবাচক দুটা দিশ আছে। নেতিবাচক সমতাই জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিঙ্গ নিৰ্বিশেষে কোনো বৈষম্য নকৰাক বুজায়, আনহাতে ইতিবাচক সমতাই এনে এক পৰিৱেশ সৃষ্টিক বুজায় য'ত সকলোৱে নিজকে প্ৰকৃত স্বাধীন হিচাবে অনুভৱ কৰিব পাৰে।

**সমতাৰ দিশ বা প্ৰকাৰবোৰ (Dimensions or Kinds of Equality) ঃ**

সমতাৰ ধাৰণা আলোচনা কৰিলে দেখা যায় যে সমতাৰ ধাৰণাটো বহুপাক্ষিক। নিৰ্দিষ্ট এটা দিশৰ দ্বাৰা সমতাক পৰিমাপন কৰা সহজসাধ্য নহয়। সমতাৰ বিভিন্ন দিশ বা প্ৰকাৰ দেখা যায়। লৰ্ড ব্ৰাইচৰ মতে সমতাৰ দিশ চাৰিটা— (i) সামাজিক সমতা, (ii) প্ৰাকৃতিক সমতা বা স্বাভাৱিক সমতা (iii) ৰাজনৈতিক সমতা (iv) অসামৰিক সমতা। অৱশ্যে আধুনিক যুগত এই চাৰিটাৰ উপৰিও অৰ্থনৈতিক সমতাকো সমতাৰ এটা উল্লেখযোগ্য দিশ হিচাবে বিবেচনা কৰা হয়। তলত এইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল—

**(i) সামাজিক সমতা (Social Equality) ঃ** সামাজিক সমতা সমতাৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ বা বিভাগ। সামাজিক সমতাৰ অৰ্থ হ'ল সমাজত বাস কৰা প্ৰতিজন লোকৰ মৰ্যাদা সমান। জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিঙ্গ বা জন্মস্থানৰ মৰ্যাদা সামাজিক সমতাৰ প্ৰতিবন্ধকস্বৰূপ। পৰম্পৰাগত সমাজবোৰত জাতি, বৰ্ণ, লিঙ্গ বা ধৰ্মৰ নামত এক সামাজিক স্তৰীকৰণ কৰি অধিক্ৰম আৰ্হি তৈয়াৰ কৰা হৈছিল। এনে অধিক্ৰম আৰ্হিত সমাজত কিছু লোকে জন্মগতভাৱেই উচ্চ মৰ্যাদাৰ অধিকাৰী হিচাবে জ্ঞান কৰি আন লোকক অবহেলা বা কম মৰ্যাদাৰ অধিকাৰী হিচাবে জ্ঞান কৰা হৈছিল। উদাহৰণস্বৰূপে প্ৰাচীন ভাৰতত প্ৰচলিত জাতি বা বৰ্ণ প্ৰথাত সমাজত বাস কৰা লোকসকলক জন্মৰ ভিত্তিত চাৰিটা অধিক্ৰমিক গোট গঠন কৰা হৈছিল— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। ব্ৰাহ্মণ সকলক উচ্চ স্থান দিয়াৰ বিপৰীতে শূদ্ৰ সকলৰ স্থান আছিল সৰ্বনিম্ন। ইউৰোপ আৰু পশ্চিমীয়া দেশবোৰতো গাৰ ৰংৰ ভিত্তিত বৰ্ণ প্ৰথাৰ প্ৰচলন কৰি বগা ৰংৰ মানুহবোৰক উচ্চ স্থান দিয়াৰ বিপৰীতে কলা বা হালধীয়া ৰংৰ লোকসকলক নিম্ন মৰ্যাদা প্ৰদান কৰিছিল। সম্প্ৰতিও সমাজত কম বেছি পৰিমাণে লিঙ্গভিত্তিক বৈষম্য সৃষ্টিকাৰী পুৰুষতন্ত্ৰৰ প্ৰচলন থকা দেখা যায়। এনে সমাজত পুৰুষক বিভিন্ন ক্ষেত্ৰত মহিলাতকৈ উচ্চ পৰ্যায়ৰ হিচাবে জ্ঞান কৰা হয়। জাতি, বৰ্ণ, লিঙ্গ বা ধৰ্মভিত্তিক পৃথক মৰ্যাদাবোৰ আঁতৰ কৰি সকলোকে মানুহ হিচাপে সম-মৰ্যাদা প্ৰদান কৰাই সামাজিক সমতাৰ লক্ষ্য। শিক্ষাৰ সম্প্ৰসাৰণ, নগৰীকৰণ, দক্ষতাভিত্তিক নিয়োগ ব্যৱস্থা, ধনাত্মক, বৈষম্যকৰণ, আইনৰ দ্বাৰা অস্পৃশ্যতা নিষিদ্ধকৰণ আদিয়ে সমাজত প্ৰচলিত মূল্যবোধৰ সংস্কাৰ সাধন কৰি সামাজিক সমতাৰ লক্ষ্যত কিছু পৰিমাণে উপনীত হ'বলৈ সক্ষম হোৱা দেখা যায়।

**(ii) প্ৰাকৃতিক বা স্বাভাৱিক সমতা (Natural Equality) ঃ** লৰ্ড ব্ৰাইচৰ মতে সমতাৰ অন্য এটা দিশ হৈছে প্ৰাকৃতিক

বা স্বাভাৱিক সমতা। প্ৰাকৃতিক বা স্বাভাৱিক সমতাৰ সমৰ্থক সকলৰ মতে প্ৰকৃতিয়ে আমাক সকলোকে জন্মতে সমান হিচাপেই জন্ম দিছে। অন্য অৰ্থত জন্মতে আমি সকলো সমান সেয়েহে পৰৱৰ্তী জীৱনটো ইয়াৰ প্ৰভাৱ থাকিব লাগে। এই সমতাৰ ভাৱধাৰাৰ মতে সকলো অসমতাই কৃত্ৰিম। গতিকে ৰাষ্ট্ৰই এই অসমতাবোৰ পৰিহাৰ কৰিবলৈ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগে।

অৱশ্যে ভালেমান আধুনিক চিন্তাবিদে প্ৰাকৃতিক সমতাৰ ধাৰণাটোক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। তেওঁলোকৰ মতে প্ৰাকৃতিকভাৱে শাৰিৰীক আৰু মানসিক ক্ষেত্ৰখনত প্ৰতিজন মানুহেই ভিন্ন গুণৰ অধিকাৰী। অৱশ্যে মানুহৰ মাজত থকা এই পাৰ্থক্যসমূহৰ দ্বাৰা যাতে অনিয়ন্ত্ৰিত পাৰ্থক্যৰ সূচনা নহয় তাৰ প্ৰতি ৰাষ্ট্ৰই লক্ষ্য ৰাখিব লাগে।

**(iii) ৰাজনৈতিক সমতা (Political Equality) ঃ** সমতাৰ গুৰুত্বপূৰ্ণ দিশ হ'ল ৰাজনৈতিক সমতা। ৰাজনৈতিক সমতাই সাধাৰণ অৰ্থত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰক বুজায়। অৰ্থাৎ ৰাজনৈতিক সমতাই সকলো নাগৰিকক চৰকাৰী কাৰ্যৱলীলৈ অৰিহণা যোগোৱাৰ সমান ক্ষমতা থকাক বুজায়। আধুনিক গণতন্ত্ৰৰ সম্প্ৰসাৰণৰ লগে লগে ৰাজনৈতিক সমতাৰ ধাৰণাটো ব্যাপক ৰূপত প্ৰসাৰ লাভ কৰিছে। ৰাজতন্ত্ৰ বা অভিজাততন্ত্ৰ শাসন ব্যৱস্থাত ৰাজনৈতিক সমতা অকাৰ্যকৰী। গণতন্ত্ৰৰ সম্প্ৰসাৰণে জনসাধাৰণক চৰকাৰত অংশগ্ৰহণৰ সুবিধা ভিন্ন ৰূপত প্ৰদান কৰিছে যেনে— নিৰ্বাচন কৰাৰ সমতা, নিৰ্বাচিত হোৱাৰ সমতা, গণতান্ত্ৰিক নাগৰিক হিচাবে অধিকাৰ ভোগৰ সমতা আদি। অৱশ্যে একাংশ চিন্তাবিদে অৰ্থনৈতিক সমতা অবিহনে ৰাজনৈতিক সমতাক মূল্যহীন আখ্যা দিছে।

**(iv) অসামৰিক সমতা (Civil Equality) ঃ** লৰ্ড ব্ৰাইচৰ মতে সমতাৰ এটি অন্যতম দিশ হ'ল অসামৰিক সমতা। অসামৰিক সমতাই সকলো নাগৰিকে সমান অসামৰিক অধিকাৰ উপভোগ কৰাকে বুজায়। এই সমতা মতে সকলো নাগৰিক আইনৰ চকুত সমান আৰু সকলো নাগৰিক একে আইনৰ অধীনত শাসিত হ'ব। আইনে মানুহৰ প্ৰতি পৃথক পৃথক দৃষ্টিভংগী প্ৰদান কৰিলে অসমাৰিক সমতা অকাৰ্যকৰী বা নিৰৰ্থক হ'ব। এখন দেশৰ জনসাধাৰণৰ মাজত একতা ভাতৃত্ববোধ অক্ষুণ্ণ ৰখাৰ বাবে অসামৰিক সমতা অপৰিহাৰ্য। সম্প্ৰতি সৰহভাগ দেশতে অসামৰিক সমতা কাৰ্যকৰী হৈ থকা দেখা গৈছে।

**অৰ্থনৈতিক সমতা (Economic Equality) ঃ**

সমতাৰ সমসাময়িক আলোচনা বা বিতৰ্কবোৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিনটো হৈছে অৰ্থনৈতিক সমতা। মাৰ্ক্সবাদী চিন্তাবিদসকলে অৰ্থনৈতিক সমতাক আন সকলো সমতাৰ ভিত্তি আখ্যা দিছে। অৱশ্যে সমতাৰ আন আন দিশৰ দৰে 'অৰ্থনৈতিক সমতাই' অৰ্থনৈতিক ক্ষেত্ৰখনৰ সম অৱস্থাক বা চূড়ান্ত সমানতাক নুবুজায়। মানুহৰ মাজত যিহেতু দক্ষতা আৰু মেধাৰ পাৰ্থক্য আছে সেয়েহে অৰ্থনৈতিক পাৰ্থক্য থকাটো তেনেই স্বাভাৱিক। অৰ্থনৈতিক অসমতা যাতে অনিয়ন্ত্ৰিত পৰ্যায়লৈ গৈ সমাজত শান্তি বিঘ্নিত কৰিব নোৱাৰে আৰু সমাজৰ সকলো লোকে যাতে জীৱন ধাৰণৰ বাবে নিম্নতম প্ৰয়োজনীয়তা পূৰণৰ সুবিধাখিনি পায় সেয়া সুনিশ্চিত কৰাটোৱে অৰ্থনৈতিক সমতাৰ লক্ষ্য। অৰ্থনৈতিক সমতা হ'ল সমাজত থকা অৰ্থনৈতিক বৈষম্যবোৰ দূৰীকৰণ বা হ্ৰাসকৰণৰ অবিৰত প্ৰচেষ্টা। সকলোৰে উৎকৰ্ষ সাধনৰ বাবে পৰিৱেশৰ সূচনা কৰা অৰ্থনৈতিক সমতাৰ প্ৰথম আৰু প্ৰধান কাম। অৰ্থাৎ ৰাষ্ট্ৰই এনে এক পৰিৱেশৰ সূচনা কৰিব লাগে য'ত প্ৰতিজন ব্যক্তিয়ে নিজৰ দক্ষতা অনুসৰি নিয়োজনৰ সুবিধা লাভ কৰিব পাৰে অথবা ৰাষ্ট্ৰই প্ৰতিজন ব্যক্তিয়ে নিয়োজন হ'ব পৰাকৈ উপযুক্ত ৰূপত গঢ়ি তুলিব লাগে। প্ৰয়োজনত ৰাষ্ট্ৰই কিছু সকৰাত্মক হস্তক্ষেপেৰে মানুহৰ মাজত থকা অৰ্থনৈতিক বৈষম্য নিয়ন্ত্ৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে।

বৰ্তমান অনিয়ন্ত্ৰিত পুজিবাদী সমাজ ব্যৱস্থাত অৰ্থনৈতিক বৈষম্য অতি তীব্ৰ হাৰত বৃদ্ধিয়ে সমাজত বিশৃংখলতাৰ সূচনা কৰিবলৈ ধৰিছে। এনে বিশৃংখলতা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰ তীব্ৰ প্ৰত্যাহ্বানৰ মুখামুখি হৈছে। কিয়নো অনিয়ন্ত্ৰিত অৰ্থনৈতিক অসমতাপূৰ্ণ সমাজত সামাজিক, ৰাজনৈতিক আৰু বহু সময়ত অসামৰিক সমতাওঁ অকাৰ্যকাৰী হৈ পৰে। কৌশলপূৰ্ণ সমাধান সূত্ৰ গ্ৰহণ নকৰিলে হিতে বিপৰীত হোৱাৰ সম্ভাৱনাই অধিক।

সমতাৰ এনে বিভিন্ন দিশ থাকিলেও বাস্তৱত এটা আনটোৰ পৰিপূৰক। আটাইকেইটা দিশৰে সমবিকাশ সাধন হ'লেহে এখন সুষম সমাজ প্ৰতিষ্ঠা সম্ভৱ।

**সমতা আৰু স্বতন্ত্ৰতা (Equality and Liberty) ঃ**

সমতা আৰু স্বতন্ত্ৰতাৰে ধাৰণা সম্পৰ্কে ইতিমধ্যে আলোচনা কৰা হৈছে। এখন সমাজত সমতা আৰু স্বতন্ত্ৰতাৰ সম্পৰ্ক সম্পৰ্কে চিন্তাবিদসকলৰ মাজত দুটা চিন্তাগোষ্ঠীৰ জন্ম হৈছে। এচাম চিন্তাবিদে সমতা আৰু স্বতন্ত্ৰতাক পৰস্পৰ বিৰোধী হিচাপে

জ্ঞান কৰাৰ বিপৰীতে আন এচাম চিন্তাবিদে সমতা আৰু স্বতন্ত্ৰতাক পৰস্পৰ পৰিপূৰক হিচাবেহে ব্যাখ্যা কৰিছে।

**সমতা আৰু স্বতন্ত্ৰতা পৰস্পৰ বিৰোধী ঃ** একাংশ চিন্তাবিদে সমতা আৰু স্বতন্ত্ৰতাক পৰস্পৰ বিৰোধী হিচাপে আখ্যা দিছে। তেওঁলোকৰ ভিতৰত টকভিল, লৰ্ড এক্টন, বেজহট, হায়েক, ফ্ৰীডমেন, মস্কা, লুকাচ আৰু পেৰেটো অন্যতম। তেওঁলোকৰ যুক্তিৰ মূল বিষয় হ'ল সমতা আৰু স্বতন্ত্ৰতা প্ৰাকৃতিক ধাৰণা। প্ৰকৃতিয়ে সমতা আৰু স্বতন্ত্ৰতাক পৰস্পৰ বিৰোধী ৰূপত ৰাখিছে। অৰ্থাৎ প্ৰকৃতিয়ে মানুহৰ মাজত শাৰিৰীক আৰু মানসিক ক্ষেত্ৰত ভিন্নতা সৃষ্টি কৰিছে। প্ৰাকৃতিকভাবে এজন ব্যক্তি আন এজনৰপৰা প্ৰায় সকলো ক্ষেত্ৰতে পৃথক। তাৰ পৰিৱৰ্তে ব্যক্তি হিচাবে প্ৰতিজন লোকেই জন্মৰ লগে লগে স্বাধীন হৈ জন্ম গ্ৰহণ কৰে। অৰ্থাৎ স্বাধীনতাৰ লেখিয়াকৈ অসমতাহে প্ৰাকৃতিক। যাৰ ফলত সমাজত স্বাধীনতা অধিক ৰূপত কাৰ্যকৰী কৰিলে সমতা সম্পূৰ্ণৰূপে বিঘ্নিত হয়। কিয়নো স্বাধীনতাই সকলোকে নিজ নিজ ক্ষেত্ৰত দক্ষতা অনুসৰি কাম কৰিবলৈ উৎসাহিত কৰিব ফলত অধিক দক্ষ আৰু কৰ্মঠ সকলে যি হাৰত বিকাশ লাভ কৰিব তাৰ তুলনাত কম দক্ষ বা অদক্ষ সকলৰ বিকাশৰ হাৰ যথেষ্ট কম হ'ব। এনে প্ৰতিযোগিতামূলক পৰিবেশত ব্যক্তিয়ে সম্পূৰ্ণ স্বাধীনতা লাভ কৰিব কিন্তু অসমতাৰ মাত্ৰাও পাহাৰসম হ'ব। আনফালে আকৌ সমতা প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত স্বাধীনতা মূল্যহীন কৰি তোলে। লৰ্ড একটনৰ মতে 'The Passion for equality has made vain the hope for freedom.' উদাৰহণস্বৰূপে বিভিন্ন সময়ত চৰকাৰে সমতা প্ৰতিষ্ঠাৰ নামত সমাজৰ ধনীক শ্ৰেণীৰ ওপৰত যথেষ্ট কৰ আৰোপ কৰে বা কঠোৰ আইনৰদ্বাৰা ধনীক শ্ৰেণীৰ পৰা আদায় কৰা কৰ সমাজৰ দুৰ্বল হিচাপে প্ৰতিষ্ঠিত লোকৰ বিকাশত খৰছ কৰে। চিন্তাবিদসকলৰ মতে চৰকাৰৰ এনে দুৰ্বল দৃষ্টিভংগীয়ে দক্ষ সকলৰ মাজত একপ্ৰকাৰ অনুৎসাহৰ সৃষ্টি কৰে যাৰ ফলত তেওঁলোকে নিজৰ দক্ষতা বা সামৰ্থ অনুসৰি কৰ্মসম্পাদন কৰাৰ পৰা বিৰত থাকে। ফলত স্বাধীনতাৰ ধাৰণা বুমেৰাং হৈ পৰে। F. A. Hayek ৰ মতে "Individual difference in skills and abilities under the conditions of equality before the law result in inequalities of Income and wealth. If we try to remove these inequalities by forcing an authoritarian rule, it is bound to destroy individual's freedom." অৰ্থাৎ এইসকল চিন্তাবিদৰ মতে সমতা আৰু স্বাধীনতা কেতিয়াওঁ একেলগে যাব নোৱাৰে।

আন এচাম চিন্তাবিদে আকৌ **সমতা আৰু স্বতন্ত্ৰতা পৰিপূৰক হিচাপে আখ্যা দিছে**। মূলতঃ লাস্কি, টনি, বাৰ্কাৰ, পোলাৰ্ড আদি চিন্তাবিদসকলে এই অভিমতক প্ৰতিনিধিত্ব কৰে। লাস্কিৰ মতে সমতাবিহীন ভাবে গণতান্ত্ৰিক চৰকাৰ নামেৰে কোনো অভিধা থাকিব নোৱাৰে। পোলাৰ্ডৰ মতেও স্বাধীনতাৰ লগত জড়িত সমস্যাৰ মাত্ৰ এটাই সমাধান আছে আৰু সেয়া হ'ল সমতা। এইসকল চিন্তাবিদৰ মতে সমতাবিহীন স্বাধীনতা এটি উপহাস মাত্ৰ। সামাজিক স্বাধীনতা উপভোগ কৰিবলৈ হ'লে প্ৰথমতে আইনৰ দৃষ্টিত সকলো সমান হ'ব লাগিব। অৰ্থনৈতিক সমতা অবিহনে বাস্তৱিকতে স্বতন্ত্ৰতা সম্ভৱ নহয়। কাৰণ স্বতন্ত্ৰতা উপভোগ কৰাৰ বাবে এক পৰিৱেশৰ প্ৰয়োজন। এই পৰিৱেশ সমতা প্ৰতিষ্ঠিত এখন সমাজতহে পোৱা যায়। বৃহৎ অসমতাৰে পৰিপূৰ্ণ এখন সমাজত য'ত অতি ধনী আৰু একেবাৰে দৰিদ্ৰ লোক বিৰাজ কৰে, তাত যথেষ্ট পৰিমাণে আইন শৃংখলা পৰিস্থিতিৰ উদ্ভৱ হয় আৰু তেনে সমাজত স্বাধীনতা কোনো লোকৰ বাবেই উপভোগ্য হৈ নুঠে। সেয়েহে ফৰাচী বিপ্লৱৰ মাজতো 'স্বাধীনতা, সমতা আৰু ভাতৃত্বৰ' দাবী উঠিছিল।

অৰ্থাৎ স্বাধীনতা আৰু সমতাক দুটা বিপৰীতমুখী আদৰ্শ হিচাবে বিবেচনা কৰাটো উচিত নহয়। য'ত স্বাধীনতা থাকিব তাত সমতাই বিৰাজ কৰিব আৰু য'ত সমতা থাকিব তাত স্বাধীনতা বিৰাজ কৰিব। এইক্ষেত্ৰত স্বাধীনতা আৰু সমতা দুয়োটা আদৰ্শকে অসীম বা চূড়ান্ত ৰূপত পোৱা নাযায়। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহত স্বাধীনতা আৰু সমতাক দুটা অভিন্ন আদৰ্শ হিচাপে গ্ৰহণ কৰা হৈছে। গণতান্ত্ৰিক আদৰ্শই স্বাধীনতা আৰু সমতাক অধিক নিকটবৰ্তীৰূপে প্ৰতিষ্ঠা কৰিছে।

**সমতা আৰু ন্যায় (Equality and Justice) ঃ**

সমতা আৰু ন্যায় আধুনিক গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ দুটা মূল খুটি। অৱশ্যে সমতাৰ দৰে ন্যায়ৰ ধাৰণাটোৱো বহু পৰিমাণে অস্পষ্ট আৰু জটিল। ন্যায় বিতৰণত সমতাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা বা অবদান অতি প্ৰাচীন কালৰপৰাই স্বীকাৰ কৰি অহা হৈছে। এৰিষ্ট'টলে নিজৰ ন্যায় তত্ত্ব আগবঢ়াওতে কৈছে সমানৰ মাজত সম-ব্যৱহাৰ আৰু অ-সমলোকৰ মাজত পৃথক আচৰণেই ন্যায়। এৰিষ্ট'টলে বিশ্বাস কৰিছিল যে সমাজত প্ৰকৃতিয়ে যেনেধৰণে অ-সম ৰূপত মানুহক সৃষ্টি কৰিছে ন্যায়ৰ প্ৰক্ৰিয়াই তাক অধিক শক্তিশালী কৰি তুলিব লাগে। সেয়েহে কম মেধাসম্পন্ন সকলক দাস হিচাপে ব্যৱহাৰ কৰাটো এৰিষ্ট'টলে ন্যায় সংগত হিচাপে বিবেচনা কৰিছিল। অৱশ্যে এফ. এ. হায়েকৰ দৰে চিন্তাবিদে ন্যায়ক এক প্ৰক্ৰিয়া হিচাবে বিবেচনা কৰাৰ বিপৰীতে মানুহৰ আচৰণৰ

এক বিশেষত্ব (A characteristics of human conduct) হিচাপে অভিহিত কৰিছে। তেওঁৰ মতে কোনো সমাজেই ন্যায়পূৰ্ণ বা অন্যায়পূৰ্ণ নহয়। সমতা ৰক্ষাৰ স্বাৰ্থত স্বাধীনতাক বিসৰ্জন দিলে সমাজত সংঘাতৰ সূচনা হ'ব। হায়েকৰ মতে ন্যায় ৰক্ষা কৰাটো প্ৰক্ৰিয়াগত বিষয় ইয়াৰ উদ্দেশ্য হৈছে স্বাধীনতা সম্প্ৰসাৰণ কৰা।

দৰাচলতে ন্যায়, স্বাধীনতা আৰু সমতা গণতান্ত্ৰিক সমাজ এখনৰ ত্ৰিকোণীয় গাঁথনি। এটা আনটোৰ লগত সম্পৰ্কযুক্ত। কাৰণ এখন সমাজত ন্যায়ৰ বিতৰণ যিমানেই সঠিক হ'ব সিমানেই সমাজত থকা বৈষম্যবোৰ আতৰ হ'ব আৰু স্বাধীনতা সকলোৰে বাবে উপভোগ্য হৈ উঠিব। ঠিক তেনেদৰে এখন সমতাপূৰ্ণ সমাজত ন্যায় কাৰ্যকৰী কৰাটো যিমান সম্ভৱ অসমতাপূৰ্ণ সমাজত ই সিমানেই কঠিন। ন্যায় প্ৰক্ৰিয়াই প্ৰতিষ্ঠা কৰা সমতা সকলোৰে গ্ৰহণযোগ্য হয় কিয়নো ন্যায় প্ৰক্ৰিয়াই সকলোৰে উৎকৰ্ষ সাধন কৰে। সমানৰ মাজত সমতা, আনুপাতিক ন্যায় বিতৰণ, বিশেষজনৰ প্ৰতি বিশেষ অধিকাৰ স্বীকৃতিৰে ন্যায় প্ৰক্ৰিয়াই সমাজত অসমতা আঁতৰ কৰাৰ লগতে সকলোৰে উপভোগ্য এখন সমাজ তৈয়াৰ কৰে।

## (ঙ) ন্যায়
## (Justice)

বৰ্ত্তমান সময়ত সকলো ৰাজনৈতিক ব্যৱস্থাতে 'ন্যায়ৰ ওপৰত ব্যাপক ঢৌ আৰম্ভ হৈছে। ৰাজনৈতিক ব্যৱস্থাবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা আন্দোলনবোৰৰ মূল চাবি হৈছে ন্যায় প্ৰতিষ্ঠা কৰা। বুভুক্ষজনে আহাৰৰ কাৰণে কৰা সংগ্ৰাম, নিবনুৱাজনে কৰ্মসংস্থাপনৰ কাৰণে কৰা সংগ্ৰাম, কৰ্মীসকলে উপযুক্ত মজুৰিৰ বাবে কৰা দাবী, গৃহহাৰাসকলে উপযুক্ত বাসস্থানৰ বাবে জনোৱা দাবী, দুৰ্নীতি নিবাৰণৰ কাৰণে হোৱা সংগ্ৰাম, সংখ্যালঘুসকলে নিজৰ ভাষা-সংস্কৃতি আদি সুৰক্ষাৰ বাবে জনোৱা দাবী বৰ্ত্তমান সকলো ৰাজনৈতিক পৰিবেশত সুপৰিচিত। এই দাবী বা সংগ্ৰামবোৰৰ মূল কাৰণ হ'ল অন্যায় যুক্ত সমাজ ব্যৱস্থা। এনে সমাজ ব্যৱস্থাৰ পৰিৱৰ্ত্তে এক ন্যায় প্ৰদানকাৰী সমাজ প্ৰতিষ্ঠাই এওঁলোকৰ উদ্দেশ্য। সেয়ে বৰ্ত্তমান সাধাৰণ কৃষক এজনৰ পৰা নীতি নিৰ্দ্ধাৰকসকললৈ সকলোৰে ৰাজহুৱা জীৱনত ন্যায়ৰ ধাৰণাৰ লগত জড়িত হৈ পৰিছে।

ন্যায়ৰ ধাৰণাটো বৰ্ত্তমান অধিক জনপ্ৰিয় তথা প্ৰাসংগিক হৈ পৰিছে যদিও ন্যায়ৰ ধাৰণাটো আধুনিক সৃষ্টি নহয়। অতি প্ৰাচীন সময়ৰ পৰা ন্যায়ৰ ওপৰত আলোচনা বা বিতৰ্ক চলি আহিছে। প্ৰাচীন কালত ন্যায়ৰ ধাৰণাক ধৰ্মৰ লগত সংস্থাপন কৰা হৈছিল। অন্যায়মূলক কামক অধৰ্ম বা পাপ হিচাপে স্বীকৃতি দিয়া হৈছিল। ন্যায় প্ৰতিষ্ঠাৰ দায়িত্ব আছিল ৰজাৰ হাতত। ভাৰতৰ বিভিন্ন ধৰ্মগ্ৰন্থবোৰ যেনে মহাভাৰত, ৰামায়ণ আদিত ধৰ্মৰ দৃষ্টিৰে ন্যায়ৰ ওপৰত বিশদ আলোচনা আগবঢ়োৱা হৈছিল। কুৰুক্ষেত্ৰত কৌৰৱৰ বিপক্ষে পাণ্ডৱে ন্যায় লাভৰ বাবে কৰা যুদ্ধক ধৰ্মযুদ্ধ আখ্যা দিয়া হৈছিল। ভাৰতৰ হিন্দু দৰ্শনৰ দৰে চীন, গ্ৰীচ আদি দেশৰ দাৰ্শনিকসকলৰ লিখনিত ন্যায়ৰ বিশদ আলোচনা হোৱা দেখা যায়। বিশেষকৈ কণফুচিয়াছ, প্লেটো, এৰিষ্টল, চিফোলাচ, পলিমেকাৰ্চ, থ্ৰেচিমেকাৰ্চ, গ্লুকন আদিৰ লিখনিত ইয়াৰ প্ৰভাৱ স্পষ্ট।

**ন্যায়ৰ অৰ্থ (Meaning of Justice) ঃ**

ৰাজনীতি বিজ্ঞানত অধ্যয়ন কৰা ধাৰণাবোৰৰ ভিতৰত ন্যায় অন্যতম। ওপৰত উল্লেখ কৰা হৈছে যে অতি প্ৰাচীন কালৰ পৰাই বৰ্ত্তমান সময়লৈকে ন্যায়ৰ ওপৰত ৰাজনৈতিক চিন্তাবিদে চিন্তা-চৰ্চা কৰি আহিছে। অৱশ্যে বৰ্ত্তমান সময়লৈকে ন্যায়ৰ ওপৰত সৰ্ব-গ্ৰহণযোগ্য সংজ্ঞা কোনেও দিবলৈ সক্ষম হোৱা নাই । ইয়াৰ প্ৰধান কাৰণ হ'ল ন্যায়ৰ ধাৰণাৰ ব্যাপকতা আৰু গতিশীলতা। সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে ন্যায় সম্পৰ্কীয় ধাৰণাৰো পৰিৱৰ্ত্তন হৈ আহিছে। আনফালে ন্যায়ৰ ধাৰণাই মানৱ জীৱনৰ প্ৰায় সকলো দিশৰ লগত জড়িত হোৱা বাবে ইয়াৰ পৰিসৰ ইমানেই ব্যাপক হৈছে যে কোনো সংজ্ঞাৰে আবদ্ধ কৰিব নোৱাৰি। সেয়ে পোটাৰে (Potter) এ মন্তব্য কৰিছে মানুহে ন্যায় সম্পৰ্কে স্পষ্ট ধাৰণা থকা বুলি ক'লেও বাস্তৱ ক্ষেত্ৰত এই বিষয়ত তেওঁলোকৰ ধাৰণা স্পষ্ট নহয়।

ন্যায় শব্দটো একাংশ ৰাজনৈতিক চিন্তাবিদে গ্ৰীক শব্দ 'Dikaiosume'ৰ পৰা উদ্ভৱ হোৱা বুলি মন্তব্য কৰিছে। যাৰ অৰ্থ হ'ল 'সকলো প্ৰকাৰৰ দোষৰ শাস্তি প্ৰদান কৰি সমতা আৰু শান্তিপূৰ্ণ পৰিবেশ ৰক্ষা কৰা।'

বাৰ্কাৰৰ মতে আকৌ ন্যায়' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Justice' লেটিন শব্দ 'Justita'ৰ পৰা উদ্ভৱ হৈছে। যাৰ অৰ্থ হ'ল, 'Tie' বা 'Bond' অৰ্থাৎ বান্ধোন। ইয়াৰ মতে ন্যায়ে এনে এক অৱস্থাক বুজায় য'ত পৰস্পৰ সম্পৰ্কৰ দ্বাৰা মানুহে বান্ধ খাই থাকে।

অৰ্থাৎ ন্যায়ে মানুহৰ মাজত এক সঠিক সম্পৰ্ক স্থাপন কৰি এক বান্ধোন তৈয়াৰ কৰে।

আভিধানিক অৰ্থত ন্যায়ে সঠিক ব্যৱহাৰ বা আচৰণ বা আইনৰ ভিত্তিত প্ৰশাসনক বুজায়। অক্সফৰ্ড কনচাইচ ডিক্সনাৰী অব পলিটিক্সৰ মতে ন্যায় হ'ল সঠিক ভাৰসাম্য প্ৰতিষ্ঠা। ন্যায়ৰ এনে ধাৰণাবোৰ ন্যায় সম্পৰ্কে ব্যাখ্যা কৰাত সফল হোৱা নাই। বিশিষ্ট ৰাজনৈতিক চিন্তাবিদ প্লেটোৱে তেওঁৰ 'Republic' নামৰ গ্ৰন্থখনত সেই সময়ৰ বিভিন্ন চিন্তাবিদসকলৰ ন্যায়তত্ত্বক সমালোচনা কৰি নিজৰ ধাৰণা দাঙি ধৰিছে। তেওঁ ঐতিহ্যবাদী আৰু চেফোলাৰ্চ থ্ৰেচিমেকাৰ্চ আৰু গ্লুকনৰ ন্যায়তত্ত্বক সমালোচনা কৰিছিল।

চেফোলাচৰ মতে 'আনৰ ঋণ পৰিশোধ কৰা বা সত্য কথা কোৱাই ন্যায়' (Justice consists of speaking the truth and paying the debt)

পলিমেকাৰ্চৰ মতে প্ৰত্যেকৰে প্ৰাপ্যখিনি আদায় দিয়াই ন্যায় (Justice means giving to everyman what is due to him)

থ্ৰোচিমেকাৰ্চৰ মতে সমাজৰ শক্তিশালী লোকৰ স্বাৰ্থৰক্ষাই ন্যায় (Justice is the interest of the stronger) শুদ্ধ-অশুদ্ধৰ মাজত কোনো ব্যৱধান নৰখা অন্যায়ক ন্যায়তকৈ শ্ৰেষ্ঠ আখ্যা দিছে। (Injustice is better than justice) প্লেটোৱে ন্যায় সম্পৰ্কীয় সকলো ধাৰণা অগ্ৰাহ্য কৰি কৈছে 'Such an extreme individualism will reduce the society into pieces.'

প্লেটোৱে গ্লুকনে প্ৰদান কৰা 'ন্যায়' ভয়ৰ পৰা উৎপত্তি হয় (Justice is the fear of child) ধাৰণাটোকো গ্ৰহণ কৰা নাই। তেওঁৰ মতে ন্যায় বাহ্যিক শক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

প্লেটোৱে ৰাজনৈতিক চিন্তাবিদসকলৰ ধাৰণাবোৰ যুক্তিৰ ভিত্তিত অগ্ৰাহ্য কৰি মন্তব্য কৰিছে যে অইনৰ কামৰ ওপৰত হস্তক্ষেপ নকৰাকৈ নিজৰ কাম আৰু দায়িত্ব সুন্দৰভাৱে সম্পন্ন কৰাকে ন্যায় বোলে। (Justice means minding your own business and not interferring with other peoples business).

প্লেটোৰ শিষ্য এৰিষ্টটলেও ন্যায় সম্পৰ্কে মন্তব্য প্ৰদান কৰিছে। এৰিষ্টটলৰ মতে সমাজৰ প্ৰতি অৰিহণাৰ ভিত্তিত মানুহৰ প্ৰস্থিতি নিৰ্ণয় কৰাই হৈছে ন্যায়। ব্যক্তিয়ে সমাজৰ প্ৰতি আগবঢ়োৱা অবদানৰ ভিত্তিত পদমৰ্যাদা প্ৰদান কৰাই হৈছে ন্যায়। এৰিষ্টটলে তেওঁৰ ন্যায়ৰ ধাৰণাক সংশোধনমূলক আৰু বিতৰণমূলক নামেৰে দুটা ভাগত বিভক্ত কৰিছে।

ন্যায়ৰ এই ধাৰণাক আধুনিক পণ্ডিতসকলে মানি ল'ব বিচৰা নাই। সমাজ আৰু সময়ৰ পৰিপ্ৰেক্ষিতত বিভিন্নজন পণ্ডিতে ন্যায়ৰ ধাৰণাক ভিন্ন দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিছে।

জে এচ মিলৰ মতে ন্যায়ে শুদ্ধ কামবোৰ সম্পাদন কৰা আৰু অশুদ্ধ কামৰ পৰা নিজকে আঁতৰাই ৰখাৰ লগতে নৈতিক অধিকাৰ হিচাবে দাবী কৰিব পৰা সকলো কামকে বুজায়। (Justice implies something which is not only right to do and wrong not to do but which some individual person can claim from us as his moral rights)

চালমণ্ডৰ মতে 'প্ৰত্যেককে প্ৰাপ্য অংশ বিতৰণ কৰাই হ'ল ন্যায়। (Justice means distribute the due share to everybody)

হিউমৰ মতে 'আনৰ অধিকাৰ প্ৰতিষ্ঠাৰ প্ৰতি সন্মান প্ৰদৰ্শনেই ন্যায়। (Justice is respect for the established right of others)

বাৰ্কাৰৰ মতে স্বাধীনতা, সমতা আৰু ভাতৃত্ব- এই তিনিওটাৰ সংশ্লেষণ আৰু একত্ৰিত কৰি ভাৰসম্য ৰক্ষা কৰাই হৈছে ন্যায়। (Justice is the synthesis and balance holding together all the three liberty, equality, fraternity and holding them all in equilibrium)

মুঠতে ন্যায় হৈছে এক বহু পাক্ষিক ধাৰণা। ইয়াক বিভিন্ন দৃষ্টিকোণৰ পৰা আলোচনা কৰিব পাৰি। কোনোৱে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক বা বৈধিক দৃষ্টিৰে ন্যায় সম্পৰ্কে মন্তব্য প্ৰকাশ কৰিছে। সেয়ে ন্যায়ৰ অৰ্থ একেবাৰতে কোৱা বহুত টান। ন্যায়ে বিভিন্ন দিশ প্ৰতিফলিত কৰে—

(i) সামাজিক ক্ষেত্ৰত ন্যায়ে জাতি, বৰ্ণ, ভাষা, ধৰ্মৰ ভিত্তিত কোনো ধৰণৰ ভেদ ভাব নাৰাখি সকলোৰে প্ৰতি সম সুযোগ বা প্ৰস্থিতি প্ৰদান কৰাক বুজায়।

(ii) ৰাজনৈতিক ক্ষেত্ৰত ন্যায়ে সমূহ নাগৰিকৰ প্ৰতি কোনো ধৰণৰ বঞ্চনাৰ সৃষ্টি নকৰি চৰকাৰী কাম-কাজত সম অংশগ্ৰহণৰ সুবিধা প্ৰদানক বুজায়।

(iii) অৰ্থনৈতিক ক্ষেত্ৰত ন্যায়ে সকলোৰে জীৱন-নিৰ্বাহৰ নিম্নতম সা-সুবিধাখিনি প্ৰাপ্তি কৰাৰ লগতে সমান কামৰ বাবে সমানে তথা উপযুক্ত মজুৰি লাভ কৰাক বুজায়।

(iv) নৈতিক ক্ষেত্ৰত ন্যায়ৰ অৰ্থ আনৰ প্ৰাপ্যখিনি প্ৰদান কৰাৰ লগতে ঠগ- প্ৰবঞ্চনামূলক কাম-কাজৰ পৰা আঁতৰত থকা।

(v) সাংস্কৃতিক ক্ষেত্ৰত ন্যায়ৰ অৰ্থ হ'ল সৰু-বৰ সকলো কৃষ্টিকে জীয়াই থকাৰ সুবিধা প্ৰদান কৰা। অৰ্থাৎ, প্ৰত্যেক নৃগোষ্ঠীয় লোকৰ নিজৰ সাংস্কৃতিক বা সংস্কৃতিগত আচাৰবোৰ পালন তথা সংৰক্ষণৰ সুবিধা থকা। সংস্কৃতিগত এনে ন্যায়ৰ ভিত্তিত আমাৰ আলোচনাৰ আন এক অন্যতম বিষয় বহুসংস্কৃতিবাদৰ ধাৰণাটো গা কৰি উঠিছে।

(vi) বৈধিক ক্ষেত্ৰত ন্যায়ৰ অৰ্থ হ'ল আইনৰ দৃষ্টিত সকলোৰে প্ৰতি সম সুযোগ- সুবিধা সৃষ্টি কৰা তথা বিশেষ ব্যক্তিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ নকৰা।

**ন্যায়ৰ বিভিন্ন প্ৰকাৰ বা দিশ (Different dimensions or kinds of justice)** ঃ ন্যায়ৰ সংজ্ঞা আলোচনা কৰোঁতে ইতিমধ্যে উল্লেখ কৰা হৈছে যে ন্যায় হৈছে এটা বহুপাক্ষিক বিষয়। ন্যায়ৰ এনে বৈশিষ্ট্যৰ ভিত্তিতে ইয়াৰ বিভিন্ন দিশ তথা প্ৰকাৰবোৰ আলোচনা কৰিব পাৰি। ন্যায়ৰ বিভিন্ন দিশবোৰ তলত আলোচনা কৰা হ'ল—

**(i) সামাজিক ন্যায় (Social justice)** ঃ ন্যায়ৰ এটি অন্যতম দিশ তথা বিভাগ হ'ল সামাজিক ন্যায়। সামাজিক ন্যায়ৰ ধাৰণাটো যথেষ্ট ব্যাপক। ই জনসাধাৰণৰ সামূহিক উন্নতিৰ লগে লগে সংখ্যালঘুৰ অধিকাৰ বা স্বাৰ্থসমূহকো সামৰি লয়, লগতে দৰিদ্ৰতা আৰু নিৰক্ষৰতা আদি সমস্যাবোৰ সমাধানৰ বিষয়ৰ লগতো জড়িত। আধুনিক সময়ত সামাজিক ন্যায়ৰ ধাৰণাটোৰ ওপৰত অধিক চৰ্চা আৰম্ভ হৈছে। কিয়নো, পৃথিৱীৰ প্ৰত্যেক সমাজতে জাতি, বৰ্ণ, লিংগস্থান আদিৰ ভিত্তিত এটি শ্ৰেণীয়ে আন কিছুমান শ্ৰেণীৰ ওপৰত শোষণ, নিপীড়ন চলাইছিল আৰু বৰ্ত্তমান সময়তো চলাই আহিছে। এই শোষণ, নিপীড়নবোৰে সংখ্যালঘু গোটসমূহৰ মানৱ অধিকাৰবোৰো উলংঘন কৰিছে। সামাজিক ন্যায়ে এই সকলো ধৰণৰ জন্মগত বৈষম্যৰ বিৰোধিতা কৰি সকলো লোককে সমান প্ৰস্থিতি প্ৰদান কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে ।

অৱশ্যে সকলোকে বৰ্ত্তমান প্ৰেক্ষাপটত সমান সুযোগ-সুবিধা প্ৰদান কৰিলেও পৰম্পৰাগত ৰীতি-নীতিৰ বাবে সমাজৰ একাংক্ষই তেনে সুযোগ গ্ৰহণ কৰিবলৈ সক্ষম নহবও পাৰে। ইয়াৰ ফলত সমাজত সমান সুযোগ বিতৰণে অধিক অসমতাৰহে সৃষ্টি কৰিব। প্ৰকৃত অৰ্থত সম জীৱনৰ অধিকাৰ প্ৰদানহে সামাজিক ন্যায়ৰ উদ্দেশ্য। এনে উদ্দেশ্য সাধন কৰাৰ বাবে ব্যৱহাৰিক অৰ্থত ন্যায়ৰ সৃষ্টিৰ উপৰিও উক্ত ধাৰণাৰ কিছু সাল-সলনিৰ প্ৰয়োজন। সেয়ে সামাজিক ন্যায় তিনিটা মূল ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত—

(i) সমান সকলৰ মাজত সমতাৰ নীতি

(ii) আনুপাতিক সমতা

(iii) বিশেষ গুণ বা প্ৰয়োজনৰ ভিত্তিত সমতা

তলত এই নীতিকেইটা আলোচনা কৰা হ'ল।

**(i) সমান সকলৰ মাজত সমতা (Equality among equals)** ঃ সামাজিক ন্যায়ৰ এই নীতিয়ে সমান সকলৰ মাজত সম ব্যৱহাৰক সমৰ্থন কৰে। ইয়াত ব্যৱহাৰ কৰা 'সমান সকল' কৰ্ম আৰু উপাৰ্জিত দক্ষতা ভিত্তিক। অৰ্থাৎ, যিসকল মানুহৰ কৰ্ম দক্ষতা আৰু কামৰ মান বা মূল্য একে সেইসকলক সমান বুলি গণ্য কৰা উচিত। এই ক্ষেত্ৰত জাতি, ধৰ্ম, বৰ্ণ বা লিঙ্গৰ দৰে পক্ষপাতমূলক আচৰণ কৰা উচিত নহয়। উদাহৰণস্বৰূপে কোনো এটা কাৰখানাত এজন পুৰুষ আৰু এগৰাকী মহিলাই সম মৰ্যাদাসম্পন্ন কাম কৰে তেন্তে তেওঁলোকে সম মজুৰি পোৱাটো উচিত।

আকৌ সামাজিক ন্যায়ৰ এই উপাদানে মানুহ হিচাপে সকলোকে সমমৰ্য্যাদা প্ৰদানৰ ব্যৱস্থা কৰে। সেয়েহে জীৱনৰ অধিকাৰ ভোটদানৰ অধিকাৰ আদিৰ ক্ষেত্ৰত জাতি, বৰ্ণ, ভাষা, ধৰ্ম লিঙ্গ আদিৰ ভিত্তিত বিভিন্নতা সৃষ্টি কৰাটো সমৰ্থন নকৰে।

**(ii) আনুপাতিক ন্যায় (Proportional justice)** ঃ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ আন এটা নীতি হ'ল আনুপাতিকভাৱে ন্যায় বা সুবিধাৰ বিতৰণ কৰা। ন্যায়ৰ এই নীতিটো প্ৰাথমিক নীতিটোতকৈ কিছু পৃথক। এটা উদাহৰণ দিলে ইয়াৰ অৰ্থ স্পষ্ট হৈ পৰিব। ধৰা হওঁক এটা উদ্যোগত দুজন বনুৱাই একে কামকে কৰে। কিন্তু, এজনে কৰা কামৰ পৰিমাণ আনজনতকৈ বহুত বেছি। ইয়াৰ কাৰণ হ'ল প্ৰথমজনৰ বুদ্ধি, সামৰ্থ্য দ্বিতীয়জনতকৈ বেছি। এই ক্ষেত্ৰত ন্যায়ৰ প্ৰথম নীতি অনুসৰণ কৰি দুয়োজনকে সমান মজুৰি প্ৰদান কৰিলে প্ৰথমজনৰ প্ৰতি অন্যায়হে কৰা হ'ব। ইয়েই ব্যক্তিজনৰ উৎপাদনৰ দক্ষতাতো প্ৰভাৱ পেলাব। কিয়নো, কোনো এটা গোটৰ সদস্যভুক্ত হ'লে ই কৰ্মদক্ষতা বা উৎপাদন ক্ষমতাত লক্ষ্য নকৰাকৈ সমান পৰিতোষিক প্ৰদান কৰিলে তেতিয়া অৰ্হতা বা কৰ্মদক্ষতা বৃদ্ধিৰ বাবে কোনেও প্ৰচেষ্টা নচলাব। ইয়াৰ ফলত কৰ্মসংস্কৃতিৰ জটিলতা আহিব। এনে ক্ষেত্ৰত সামাজিক

ন্যায় প্ৰতিষ্ঠা কৰিবলৈ হ'লে আনুপাতিক ন্যায় বিতৰণ নীতিকহে গ্ৰহণ কৰিব লাগে। ন্যায়ৰ এই নীতিয়ে আনুপাতিক শ্ৰেষ্ঠতাৰ ভিত্তিত সুবিধা বা পাৰিতোষিক বিতৰণ কৰাটো বিচাৰে।

**(iii) বিশেষ শ্ৰেণীৰ বাবে বিশেষ সুবিধা (Special privilages for special class)** ঃ সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে সকলোৰে প্ৰতি সমান সুবিধাৰ বিতৰণ বা দক্ষতাৰ ভিত্তিত ন্যায় প্ৰতিষ্ঠা নীতি যথেষ্ট নহয়। কিয়নো পৃথিৱীৰ প্ৰত্যেক সমাজতে শাৰীৰিক কাৰণতে হওক বা সামাজিক ৰীতি-নীতিৰ ভিত্তিতে হওক একাংশ লোক পিছ পৰি ৰৈ থাকে। সমান সুযোগ বিতৰণ কৰিলেও এওঁলোকে সেই সুবিধা গ্ৰহণ কৰিবলৈ অসমৰ্থ হয় বা কিছু পৰিমাণে সেই সুবিধা গ্ৰহণ কৰিব পাৰিলেও ই সমাজৰ আন লোকসকলতকৈ যথেষ্ট কম পৰিমাণে হয়। যাৰ ফলত তেওঁলোকৰ মাজত থকা বৈষম্য বৃদ্ধি পায়। আকৌ দক্ষতাৰ ভিত্তিত ন্যায় বিতৰণ নীতি পিছপৰা শ্ৰেণীৰ লোকৰ কাৰণে অধিক ক্ষতিকাৰক হয়। কিয়নো, ঐতিহাসিক বা সামাজিক কাৰণত এই শ্ৰেণীবোৰৰ দক্ষতা আন শ্ৰেণীবোৰৰ তুলনাত নিম্ন মানদণ্ডৰ হয়। এই ক্ষেত্ৰত সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে এক অন্য নীতিহে গ্ৰহণ কৰা দৰকাৰ হয়।

সামাজিক ন্যায়ৰ এই তৃতীয় নীতিতো পিচপৰা শ্ৰেণীৰ সহায়ক হোৱাকৈ তৈয়াৰ কৰা হয়। ইয়াৰ বিশেষ শ্ৰেণীটোৱে সমাজৰ দুৰ্বল তথা দুৰ্গতসকলক বুজাইছে। সমাজৰ এই শ্ৰেণীৰ দুৰ্বলতাৰ মূল কাৰণ দুটা—

(i) জন্মগত, (ii) সামাজিক

জন্মগতভাৱেই এচাম লোকে কম দক্ষতা গ্ৰহণ কৰি আহে। উদাহৰণস্বৰূপে জন্মগতভাৱেই অনকে শিশু শাৰীৰিক তথা মানসিকভাৱে প্ৰতিবন্ধী হয়। স্বাভাৱিকতে তেওঁলোকে সমাজৰ আন লোকবোৰতকৈ পিচপৰি ৰয়।

আকৌ সামাজিক ভাৱেও অনেক নীতি-নিয়ম, প্ৰচলিত ব্যৱস্থা যেনে— সমাজত প্ৰচলিত বৰ্ণ বা জাতি বিভাজন, লিংগ তথা আঞ্চলিক বৈষম্য ইত্যাদিৰ বাবে সমাজৰ অনেক অংশ লোকে পিছপৰি ৰয়। সামাজিক প্ৰথাৰ দ্বাৰা প্ৰৱঞ্চিত আৰু জন্মগতভাৱে প্ৰতিবন্ধী লোকৰ লগত সমাজৰ অইন লোকৰ সমান সম্পদ বিতৰণ কৰিলে ন্যায় প্ৰতিষ্ঠাতকৈ অন্যায় হোৱাটোও স্বাভাৱিক। এই ক্ষেত্ৰত ন্যায় প্ৰতিষ্ঠাৰ একমাত্ৰ উপায় হ'ল সেই পিছপৰা জাতি তথা শ্ৰেণীবোৰৰ বাবে বিশেষ সা-সুবিধা প্ৰদান কৰা। এনে বিশেষ সা-সুবিধা তেতিয়ালৈকে প্ৰৱৰ্ত্তন কৰিব লাগে যেতিয়ালৈকে এই পিছপৰা শ্ৰেণীবোৰ অন্য শ্ৰেণীৰ লগত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ সমকক্ষ নহয় ।

পৃথিৱীৰ অন্যান্য দেশৰ দৰে ভাৰতবৰ্ষৰ সংবিধানতো ন্যায়ৰ তৃতীয় নীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ভাৰতীয় সমাজ ব্যৱস্থাতো জাতি, বৰ্ণ, তথা লিঙ্গৰ নামত সমাজৰ এক বৃহৎ অংশৰ ওপৰত নিপীড়ন চলাই অহা হৈছিল। যাৰ ফলশ্ৰুতিত এই নিপীড়িত বা পিচপৰি ৰোৱা সমুহবোৰে যাতে আন শ্ৰেণী, বৰ্ণ, লিংগৰ লোকসকলৰ ওচৰ চাপি আহিব পাৰে তাক নিশ্চিত কৰিবৰ বাবে তেওঁলোকৰ বাবে বিশেষ ব্যৱস্থা থাকিব লাগে।

**(i) ৰাজনৈতিক ন্যায় (Political justice)** ঃ ৰাজনৈতিক ন্যায়ৰ অৰ্থ হ'ল ৰাজনৈতিক ক্ষেত্ৰত জনসাধাৰণৰ অংশ গ্ৰহণৰ বাবে সম সুবিধা প্ৰদান কৰা। যি শাসন ব্যৱস্থাত সিদ্ধান্ত গ্ৰহণকাৰী যন্ত্ৰত অংশগ্ৰহণৰ ক্ষেত্ৰত বা ৰাজনৈতিক প্ৰবেশৰ বাবে জাতি, বৰ্ণ, ভাষা, ধৰ্ম ভিত্তিত কোনো ধৰণৰ বৈষম্যৰ সৃষ্টি কৰা নহয়। তেনে সমাজ ব্যৱস্থাত ৰাজনৈতিক ন্যায় থকা বুলি কোৱা হয়। এনে সমাজ ব্যৱস্থাৰ কিছুমান বৈশিষ্ট্য হ'ল—

(i) জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিংগ বিচাৰ নকৰাকৈ ভোট দানৰ অধিকাৰ প্ৰদান কৰা।

(ii) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সুযোগ প্ৰদান কৰা।

(iii) শান্তিপূৰ্ণ সমবেত হোৱাৰ অধিকাৰ দিয়া।

(iv) চৰকাৰৰ ভুলনীতিৰ সমালোচনা কৰাৰ বাবে সকলো লোককে অধিকাৰ দিয়া।

(v) চৰকাৰী চাকৰিত আবেদন কৰাৰ বাবে সকলোকে সুবিধা প্ৰদান কৰা ।

**(iii) অৰ্থনৈতিক ন্যায় (Economic Justice)** ঃ ন্যায়ৰ আন এক অন্যতম দিশ বা বিভাগ হৈছে অৰ্থনৈতিক ন্যায়। অৰ্থনৈতিক ন্যায়ৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণৰ জীৱন-ধাৰণৰ নিম্নতম সুবিধাখিনি পুৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰা। দ্বিতীয়তে, সমাজৰ অৰ্থনৈতিক বৈষম্য হ্ৰাস কৰা। যি সমাজত এই দুয়োটা লক্ষ্য পূৰণৰ কাৰ্য্য ব্যৱস্থা থাকে সেই সমাজ অৰ্থনৈতিক ন্যায় ভিত্তিত প্ৰতিস্থিত সমাজ। জনসাধাৰণৰ জীৱন- ধাৰণৰ নিম্নতম সুবিধাকণ নাথাকিলে কোনো ব্যক্তিয়ে পূৰ্ণ স্বাধীনতা উপভোগ কৰিব নোৱাৰে। সেয়ে M.C. Cagla ই মন্তব্য কৰিছে 'Freedom is meaningless if it prevents the achievements of

economic justice.'

অৰ্থনৈতিক ন্যায়ে জাতি, বৰ্ণ, ভাষা, লিংগৰ ভিত্তিত কৰা অৰ্থনৈতিক শোষণৰ বিৰুদ্ধাচৰণ কৰে। ৰাষ্ট্ৰৰ সম্পদ কেন্দ্ৰীভূত হোৱাৰ পৰিৱৰ্ত্তে সম্পদ সুবিধাৰ বিকেন্দ্ৰীকৰণৰ যোগেদি এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ প্ৰয়াস কৰিব বিচাৰে। সম্পদৰ অধিকাৰ একেবাৰে তৃণমুল পৰ্য্যায়ৰ পৰা প্ৰতিষ্ঠা কৰাটোৱে ইয়াৰ অন্যতম উদ্দেশ্য।

**(iv) বৈধিক ন্যায় (Legal Justice) ঃ** ন্যায়ৰ অন্যতম এটি দিশ বা শ্ৰেণী হৈছে বৈধিক ন্যায়। ন্যায়ৰ বৈধিক দিশটোৱে আইনৰ দৃষ্টিকোণৰ পৰা ন্যায়ক পৰিমাপন কৰে। অৰ্থাৎ, এই ক্ষেত্ৰত ন্যায়ৰ গুণাগুণ সাংবিধানিক বা সাধাৰণ আইনৰ প্ৰেক্ষাপটত আলোচনা কৰা হয়। এই ক্ষেত্ৰত আইনৰ সৰ্বোচ্চতাক স্বীকাৰ কৰি লোৱা হয়। আইনৰ যোগেদি নাগৰিকৰ অধিকাৰক স্বীকৃতি দিয়াৰ লগতে নাগৰিকৰ দায়িত্ব সম্পৰ্কেও উল্লেখ কৰা হয়। ন্যায়ৰ এনে শ্ৰেণীয়ে একমাত্ৰ আইনৰ পটভূমিত শুদ্ধ কামকে ন্যায়সংগত বুলি স্বীকাৰ কৰে। এইক্ষেত্ৰত ন্যায়ৰ গুণাগুণৰ কোনো ধৰণৰ মূল্যায়ন কৰা নহয় ।

O.P. Gaubaৰ মতে বৈধ ন্যায়ে দুটা দিশ প্ৰতিফলিত কৰে।

**(i) আইন অনুসৰি ন্যায় ঃ** এই ক্ষেত্ৰত আইনৰ গুণাগুণক লৈ কোনো ধৰণৰ প্ৰশ্ন কৰা নহয়। কেৱল আইনৰ সফল প্ৰয়োগকে ন্যায়সংগত হিচাবে স্বীকৃতি দিয়া হয়।

**(ii) ন্যায় অনুসৰি আইন ঃ** এই ক্ষেত্ৰত আইনৰ সফল প্ৰয়োগতকৈ আইন ন্যায়ৰ প্ৰয়োজন ভিত্তিত প্ৰয়োগ হোৱাটোকহে অধিক গুৰুত্ব দিয়া হয়।

ন্যায়ৰ প্ৰথম দিশটোক গুৰুত্ব দি (Alf Ross) এ তেওঁৰ 'On Law and Justice' নামৰ গ্ৰন্থত মন্তব্য কৰিছে যে আইনক সঠিক ৰূপত ৰূপায়ণ কৰাই হ'ল ন্যায়। ন্যায়ক কাল্পনিক বা নৈতিক মূল্যবোধৰ ভিত্তিত পৰীক্ষা কৰাটো অনুচিত। আনহাতে বাৰ্কাৰে তেওঁৰ 'Principle of Social and Political Theory' নামৰ গ্ৰন্থত বৈধিক ন্যায়ৰ দ্বিতীয় দিশটোকহে সমৰ্থন কৰিছে। তেওঁৰ মতে আইন সদায় ন্যায় ভিত্তিক হোৱাটো দৰকাৰী। কিয়নো, আইনৰ প্ৰধান উৎস হ'ল সমাজৰ ৰীতি-নীতি। এই ৰীতি-নীতিবোৰ সমাজৰ প্ৰয়োজনীয়তাৰ ভিত্তিতহে তৈয়াৰ কৰা হয়। অৰ্থাৎ, ন্যায়সংগত নীতি-নিয়মহে আইন হিচাবে স্বীকৃত। বৈধিক ন্যায়ৰ দুয়োটা দিশ চালি-জাৰি চালে আমি ক'ব পাৰো যে বাৰ্কাৰে গ্ৰহণ কৰা ন্যায়ৰ দিশটোহে সবল তথা যুক্তিপূৰ্ণ।

**বিতৰণমূলক ন্যায় (Distributive Justice) ঃ**

ন্যায়ৰ আধুনিক ধাৰণাসমূহৰ ভিতৰত এটা অতি গুৰুত্বপূৰ্ণ ধাৰণা হ'ল বিতৰণমূলক ন্যায়। ন্যায়ৰ ধাৰণাক সমাজৰ প্ৰগতিৰ বাবে প্ৰয়োগ কৰাই বিতৰণমূলক ন্যায়ৰ প্ৰধান লক্ষ্য। অৰ্থাৎ, সম্পদ তথা সুবিধাবোৰ এনেভাৱে বিতৰণ কৰিব লাগে যাতে কোনো ব্যক্তিৰ অসন্তোষ নাথাকে লগতে সমাজৰো প্ৰগতি হয়।

বিতৰণমূলক ন্যায়ৰ ধাৰণাটো প্ৰথমে এৰিষ্টটলে ব্যৱহাৰ কৰিছিল যদিও পৰৱৰ্তী সময়ত একাংশ উদাৰতাবাদী চিন্তাবিদ যেনে জে ডব্লিঅ' চেপমেন, জন ৰ'লচ আদিৰ লিখনিৰ দ্বাৰাহে অধিক জনপ্ৰিয়তা অৰ্জন কৰে। অৱশ্যে বিতৰণমূলক ন্যায়ক সফলভাৱে প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত জন ৰ'লচৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। তলত বিতৰণমূলক ন্যায় সম্পৰ্কে চিন্তাবিদসকলে আগবঢ়োৱা ধাৰণা আলোচনা কৰা হ'ল—

**এৰিষ্টটলৰ বিতৰণমূলক ন্যায় ঃ** বিশিষ্ট ৰাজনৈতিক চিন্তাবিদ এৰিষ্টটলে ন্যায়ক মূলত ঃ দুটা ভাগত ভাগ কৰিছে— (i) সংশোধনমূলক ন্যায় আৰু (ii) বিতৰণমূলক ন্যায়।

এৰিষ্টটলৰ বিতৰণমূলক ন্যায়ৰ ধাৰণাটো সমানুপাতিক সমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে সংখ্যাগত সমতা স্থাপন হ'লেই ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা হ'ব নোৱাৰে, ন্যায় নিৰ্দ্ধাৰণ হ'ব লাগে গুণ আৰু সামৰ্থ্যৰ ভিত্তিতহে ।

ব্যক্তিৰ যোগ্যতা আৰু ক্ষমতাৰ ভিত্তিত ৰাষ্ট্ৰীয় পদবীবোৰ বিতৰণ কৰাই হৈছে বিতৰণমূলক ন্যায়। এনে ব্যৱস্থাৰ জন্মগত সমতাৰ ওপৰত ভিত্তি কৰি মেধা আৰু যোগ্যতাৰ ভিত্তিত পদবীৰ বিতৰণ কৰা দেখা যায়।

এৰিষ্ট'টলে মন্তব্য প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰ এখনৰ প্ৰধান কাম কেৱল মাত্ৰ নাগৰিক জীৱনৰ নিৰাপত্তা প্ৰদান আৰু ৰাষ্ট্ৰৰ আইন শৃংখলা ৰক্ষা কৰাই নহয় ।

ৰাষ্ট্ৰৰ সকলো ক্ষেত্ৰতে বৰঙণি আগবঢ়াব পৰা লোকক সামৰ্থ্য অনুসৰি পদবী প্ৰদানেই বিভাজন মূলক ন্যায়ৰ উদ্দেশ্য।

**জে ডব্লিঅ' চেপমেনৰ বিতৰণমূলক ন্যায়ৰ ধাৰণা ঃ** বিশিষ্ট ৰাজনৈতিক অৰ্থনীতিবিদ জে ডব্লিঅ' চেপম্যান এ 'Justice and Fairness' নামৰ গ্ৰন্থখনৰ এটি প্ৰবন্ধত বিতৰণমূলক ন্যায়ৰ ধাৰণা আগবঢ়াইছে। চেপম্যান এ তেওঁৰ বিতৰণমূলক ন্যায়ৰ

ধাৰণাৰ লগত 'Economic rationality of man' আৰু 'Consumers Sovereignty' ধাৰণাক একত্রিত কৰিছে। তেওঁৰ মতে ন্যায় বিতৰণৰ প্ৰথমটো নীতি হ'ল 'উপভোক্তাৰ সাৰ্বভৌমত্বৰ নীতিৰ ভিত্তিত সৰ্বাধিক লাভ প্ৰদান কৰিব পৰাকৈ সুবিধাবোৰ বিতৰণ কৰা উচিত। ন্যায় প্ৰদানৰ আনটো নীতি হ'ল সম্পদৰ ব্যৱহাৰ তথা বিতৰণ এনে হ'ব নালাগে যিয়ে সংখ্যাগৰিষ্ঠৰ স্বাৰ্থ ক্ষুণ্ণ কৰি সংখ্যালঘিষ্ঠ সকলৰ স্বাৰ্থ পূৰণ কৰে। অৰ্থাৎ ন্যায় এনেভাবে প্ৰদান কৰিব লাগে যিয়ে কাৰোবাৰ স্বাৰ্থক আঘাত কৰি আনৰ স্বাৰ্থ পূৰণ নকৰে। অৰ্থাৎ 'Justice requires that one on shall gain at the expense of another'

**জন ৰ'লছৰ ন্যায় তত্ব (John Rawls theory of Justice) ঃ** আমেৰিকাৰ সমসাময়িক ৰাজনৈতিক দাৰ্শনিকসকলৰ অন্যতম 'John Rawls এ তেওঁৰ 'A Theory of Justice' নামৰ গ্ৰন্থখনেৰে ন্যায়ৰ ধাৰণা আলোচনা ক্ষেত্ৰলৈ উল্লেখযোগ্য অবদান আগবঢ়াইছে। উপযোগিতাবাদৰ দাৰ্শনিক সকলৰ ধাৰণাক সমালোচনা কৰি উদাৰতাবাদ আদৰ্শৰ ভিত্তিতে উদাৰতাবাদৰ বিপৰীতে গা কৰি উঠা সমস্যাবোৰ সমাধান কল্পে তেওঁ 'A Theory of Justice' গ্ৰন্থখনত ন্যায়ৰ এক বিস্তৃত ধাৰণা দাঙি ধৰিছে।

ৰ'লচৰ মতে এখন ভাল সমাজত কিছুমান গুণৰ সমাবেশ ঘটে। এই গুণ- সমূহৰ ভিতৰত ন্যায় অন্যতম। ন্যায়ক আঁতৰাই সামাজিক প্ৰগতি সাধন কৰিব বিচাৰিলে তেনে সমাজে নৈতিক অধঃ পতনৰ দায়িত্ব ল'বলগীয়া হয়। ৰ'লচে তেওঁৰ ন্যায়ৰ ধাৰণাক স্বাধীনতাৰ ব্যাপক আৰু সকলোৰে গ্ৰহণযোগ্য কৰাৰ বাবে ব্যাখ্যা কৰিছিল।

ৰ'লচৰ মতে সমাজত সৃষ্টি হোৱা প্ৰতিটো সমস্যাৰ উদ্ভৱ হৈছে ন্যায় বিতৰণক কেন্দ্ৰ কৰি। মানুহে উপভোগ কৰি থকা অধিকাৰ, স্বতন্ত্ৰতা সা-সুবিধা, আয় উপাৰ্জনৰ ক্ষেত্ৰত দেখা দিয়া বৈষম্যৰ বাবে ন্যায় সম্পৰ্কীয় সমস্যাৰ সৃষ্টি হৈছে। ১৯৬০-৭০ দশকৰ সময়ছোৱাত ৰ'লছে দেখা পোৱা বিভিন্ন জনবিদ্ৰোহ যেনে- পৌৰ স্বাধীনতাৰ দাবী, কলা বৰ্ণ লোকৰ স্বাধীনতা, সংখ্যালঘুক সম অধিকাৰ, দৰিদ্ৰ নিবাৰণৰ বাবে চৰকাৰী আঁচনি আদিয়ে মূলতঃ সমাজত ন্যায় বিতৰণ সমস্যাবোৰৰ কেন্দ্ৰ কৰিয়ে উদ্ভৱ হৈছিল। এই ক্ষেত্ৰত তেওঁ জাৰ্মান দাৰ্শনিক চিন্তাবিদ ইমানুৱেল কাণ্টৰ মানৱ অধিকাৰ সম্পৰ্কীয় ধাৰণাক ভিত্তি হিচাবে লৈ ন্যায় বিতৰণৰ বাবে এক বিশেষ পদ্ধতি অবলম্বন কৰিছিল।

**মানৱ অধিকাৰ সম্পৰ্কীয় কাণ্টৰ ধাৰণা ঃ**

বিশিষ্ট চিন্তাবিদ দাৰ্শনিক ইমানুৱেল কাণ্টে মানুহৰ মৰ্যাদা বা অধিকাৰ সম্পৰ্কে এক ধাৰণা আগবঢ়াইছিল। তেওঁৰ মতে জন্মগতভাৱে সকলো মানুহে সমান। তেওঁ মানুহ হিচাবে এক মৰ্যাদা পোৱাৰ যোগ্য। সমাজত বাস কৰা প্ৰতিজন মানুহে সমমৰ্যদা পাব লাগে। তেওঁ ব্যক্তি হিচাবে সমাজত থকা শ্ৰেণী বিভাজনক তীব্ৰ সমালোচনা কৰে।

ৰ'লছে ন্যায় বিতৰণৰ বিষয়ে মন্তব্য দিবলৈ গৈ সামাজিক চুক্তিৰ প্ৰবক্তাসকলৰ ওচৰ চাপিছে। তেওঁ ন্যায় বিতৰণৰ বাবে এক সামাজিক পৰিকাঠামো তৈয়াৰ কৰিছিল । তেওঁৰ বাবে সামাজিক পৰিকাঠামো বা গাঁথনিটোৱে অৰ্থনৈতিক গাঁথনি, মালিকীস্বত্ব আৰু ইয়াৰ পৰিবৰ্ত্তনৰ নিয়ম, বিভিন্ন সেৱাখণ্ড (যেনে- স্বাস্থ্য, সেৱা, শিক্ষা) আদিৰ লগতে এজন ব্যক্তিক প্ৰদান কৰা সাংবিধানিক অধিকাৰসমূহকো সামৰি লয় ।

ৰ'লচৰ মতে সামাজিক পৰিগাঁথনিটো তৈয়াৰ কৰাৰ আগতে মানুহে এক বিশেষ সামাজিক অৱস্থাত বাস কৰিছিল। এই বিশেষ সামাজিক অৱস্থাক তেওঁ 'Original position' বুলি আখ্যা দিছে। এই অৱস্থাত মানুহবোৰ নিজৰ স্থিতি সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ হৈ থাকে। ইয়াক তেওঁ অজ্ঞতাৰ আৰ কাপোৰ বা 'Veil of ignorance' আখ্যা দিছে। এই অৱস্থাত মানুহে তেওঁৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক প্ৰস্থিতি সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ। কিন্তু সমাজৰ প্ৰতিজনেই বুদ্ধিদীপ্ত। তেওঁলোকে এনে এক সম্পৰ্ক বিচাৰে যাৰ মাধ্যমেৰে অধিক লাভ অৰ্জন কৰিব পাৰিব। কিন্তু, কোনেও লোকচান ভৰিব মুঠেই নোখোজে। ইয়াৰ বাবেই তেওঁলোক সকলোৰে উপযোগী হোৱাকৈ এক সিদ্ধান্ত বা চুক্তিত উপনীত হ'ব বিচাৰিছে। এইখিনিতে ৰ'লচে সামাজিক চুক্তিৰ প্ৰবক্তা হবছ, ল'ক বা ৰুছোৰ ওচৰ চাপিছে। এই প্ৰবক্তাসকলৰ দৰে ৰ'লচেওঁ মন্তব্য কৰিছে সামাজিক সমস্যা নিৰাময় এক চুক্তি বা আলোচনাৰ মাধ্যমেদিহে কৰিব পাৰি। ৰলচে উল্লেখ কৰা চুক্তিৰ উদ্দেশ্য হৈছে সমাজৰ প্ৰাথমিক সুবিধাসমূহৰ বিতৰণ কৰা। কিয়নো, প্ৰাথমিক সুবিধাবোৰৰ বিতৰণৰ মাজতে ন্যায়ৰ সমস্যা অন্তৰ্নিহিত হৈ আছে। প্ৰাথমিক সুবিধা বুলিলে অধিকাৰ স্বতন্ত্ৰতা সম্পদ, আয়, বিভিন্ন সুবিধা তথা ক্ষমতাক বুজা যায়। প্ৰত্যেকে প্ৰাথমিক সুবিধাবোৰ এনেভাৱে বিতৰণ হোৱাটো বিচাৰে যে তাৰ পৰা তেওঁলোকে সৰ্বাধিক লাভ অৰ্জন কৰে, কিন্তু কোনেও লোকচান ভৰিব নালাগে। ইয়াকে ৰ'লচে 'Justice is Fairness' বুলি মন্তব্য কৰিছে। অৰ্থাৎ ন্যায় হ'ল সততা বা সুবিচাৰ ।

এনে সুবিচাৰৰ বাবে দুটা নীতিৰ কথা উল্লেখ কৰিছিল—

**ন্যায়ৰ নীতি ঃ** ৰ'লচৰ মতে সমাজৰ সকলোৰে উপযোগী হোৱাকৈ ন্যায় বিতৰণ কৰিবলৈ হ'লে দুটা নীতি মানি চলিব লগা হয়। ইয়াৰে প্ৰথম নীতিটোক সমতাৰ নীতি আৰু দ্বিতীয় নীতিটোক অসমতাৰ নীতি নামে জনা যায়—

**(i) সমতাৰ নীতি ঃ** প্ৰথম নীতিটোত ৰ'লচে কৈছে যে প্ৰত্যেকজন ব্যক্তিয়েই অন্য যিকোনো ব্যক্তিয়েই ভোগ কৰা সকলোবোৰ স্বাধীনতা সমভাৱে ভোগ কৰাৰ অধিকাৰ লাভ কৰিব লাগিব। অৰ্থাৎ এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ বাবে নিজৰ স্বাধীনতা ত্যাগ কৰাৰ প্ৰশ্নই নুঠে। ন্যায়ৰ এই নীতিয়ে বিভিন্ন স্বাধীনতাক সমবিতৰণৰ ওপৰত গুৰুত্ব দিছে। এই নীতিয়ে মন্তব্য প্ৰকাশৰ স্বাধীনতা, সমবেত হোৱাৰ স্বাধীনতা, চিন্তা প্ৰকাশৰ স্বাধীনতা, ৰাজনৈতিক স্বাধীনতা, সম্পত্তি গ্ৰহণৰ স্বাধীনতা আদিক সামৰি লয়। ৰ'লচৰ মতে ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ই এটা অতি গুৰুত্বপূৰ্ণ নীতি আৰু কোনো পৰিৱেশতে ইয়াক ভাগ কৰাটো উচিত নহয়। ন্যায়ৰ দ্বিতীয় নীতিৰ লগত সংঘাত হ'লেও ইয়াক প্ৰাধান্য দিব লাগে।

**(ii) অসমতাৰ নীতি ঃ** ন্যায়ৰ দ্বিতীয় নীতিটোৱে অসম বিতৰণক প্ৰাধান্য দিয়ে। অৱশ্যে ৰ'লচে স্বাধীনতাৰ অসম বিতৰণ নীতিক সমৰ্থন কৰা নাছিল। তাৰ পৰিৱৰ্তে অৰ্থনৈতিক সম্পদ যেনে— আয়, সম্পত্তি, কৰ্তৃত্ব আৰু পদবী আদিহে অসম বিতৰণক সমৰ্থন কৰিছিল। ন্যায়ৰ দ্বিতীয় নীতি অনুসৰি অসমতাক এনেভাৱে বিতৰণ কৰিব লাগে যাতে তাৰ দ্বাৰা সমাজৰ দুৰ্বলী বা অনুন্নত সকলেহে বেছিকৈ লাভান্বিত হয়। অৰ্থাৎ অসমতাৰ নীতিৰ উদ্দেশ্য হ'ল সমাজৰ দুৰ্বল পিছপৰা শ্ৰেণীয়ে যাতে স্বাধীনতা লাভৰ পৰা বঞ্চিত নহয় তাৰ বাবে অসমতাৰ নীতিৰ ব্যৱস্থা কৰা হৈছে। অসমতাৰ নীতিৰো উদ্দেশ্য হ'ল সমাজৰ সমতা প্ৰতিষ্ঠা কৰা। অৱশ্যে ৰ'লচে স্পষ্টভাৱে কৈছে যে অসমতাৰ নীতিক স্থায়ীভাৱ প্ৰয়োগ কৰা অনুচিত। অসমতাৰ নীতিৰ যোগেদি পিছপৰা বা দুৰ্বল শ্ৰেণীক তেতিয়ালৈকে সুবিধা প্ৰদান কৰি থাকিব লাগে যেতিয়ালৈকে তেওঁলোকে ন্যায়ৰ প্ৰথম নীতিৰ যোগেদি প্ৰদান কৰা সুবিধাবোৰ ভোগ কৰিব পৰা অৱস্থালৈ নাহে। এবাৰ তেনে অৱস্থালৈ অহাৰ পিচত অসমতাৰ নীতি প্ৰত্যাহাৰ কৰিব লাগে।

**ৰ'লচৰ ন্যায় তত্ত্বৰ বৈশিষ্ট্য ঃ** ৰ'লচৰ ন্যায় তত্ত্বটো আলোচনা কৰিলে কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। যেনে—

(i) ৰল'চৰ ন্যায় তত্ত্বৰ অৰ্থ হ'ল ন্যায় সকলো শ্ৰেণীৰ লোকৰ বাবে উপলব্ধ কৰা বা তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা ।

(ii) ৰ'লচৰ ন্যায়তত্ত্বই সমাজৰ প্ৰাথমিক প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁৰ মতে সমাজত প্ৰাথমিক প্ৰয়োজনবোৰ বিতৰণৰ সমস্যাৰ বাবে সমাজত সংঘাতৰ জন্ম হয় ।

(iii) ৰ'লচৰ ন্যায় তত্বৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল অসমতাৰ নীতিৰ প্ৰয়োগ। ৰ'লচে তেওঁৰ ন্যায়তত্বত সমাজৰ দুৰ্বল পিছপৰা শ্ৰেণীৰ লোকৰ উপলব্ধি হোৱাকৈ বিশেষ ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ আগবঢ়াইছে।

(iv) ৰ'লচৰ ন্যায়তত্ত্বই নাগৰিকৰ স্বাধীনতা আৰু সমতা ভোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তেওঁৰ মতে ন্যায়ৰ মূল কাম হৈছে স্বাধীনতা আৰু সমতাক উপযুক্তভাৱে বিতৰণ কৰা। ন্যায়ৰ প্ৰধান লক্ষ্য হ'ল সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কাৰণে স্বাধীনতা উপলব্ধি কৰোৱা।

(v) ৰ'লচৰ ন্যায়তত্ত্বই মানৱ অধিকাৰ সম্পৰ্কীয় ধাৰণাকো সমৰ্থন কৰে।

**ৰ'লচৰ ন্যায় তত্ত্বৰ সমালোচনা ঃ** ৰ'লচৰ ন্যায় তত্ত্বক তলত দিয়া ধৰণে সমালোচনা কৰিব পাৰি

(i) ৰ'লচে আগবঢ়োৱা ন্যায়তত্ত্বক ব্যক্তি স্বতন্ত্ৰতাৰ প্ৰবক্তা ৰবাৰ্ট নজিকে তেওঁৰ 'Anarchy State and Utopia (1974) ত সমালোচনা কৰি তেওঁৰ 'entitlement theory' আগবঢ়াইছে। ৰলচে ৰাষ্ট্ৰক শক্তিশালী কৰাৰ বাবে বা অসমতা নীতিৰ কাৰ্য্যকৰীকৰণৰ বাবে যি মন্তব্য আগবঢ়াইছে সি দৰাচলতে ব্যক্তি স্বতন্ত্ৰতাক খৰ্বহে কৰিব।

(ii) ৰ'লচে আগবঢ়োৱা ন্যায়তত্ত্বক মাৰ্ক্সবাদী সমালোচক সকলে সমালোচনা কৰি কৈছে যে ৰ'লচে আগবঢ়োৱা পৰিবৰ্ত্তন কেতিয়াও কাৰ্য্যকৰী হ'ব নোৱাৰে। পুঁজিবাদী শাসন ব্যৱস্থাত ব্যক্তিগত অধিকাৰ প্ৰৱৰ্ত্তন কৰি সকলোৰে মঙ্গলজনক ন্যায় প্ৰবৰ্ত্তন কৰিব পৰা নাযাব।

(iii) আন একাংশ সমালোচকে মন্তব্য কৰিছে যে ৰ'লচে কোৱাৰ ধৰণে সমাজৰ পৰা পিছপৰা শ্ৰেণীটো বাচি উলিওৱা সহজ নহয়। যদি আয় আৰু সম্পদকে কেৱল পিছপৰা শ্ৰেণীৰ মাপকাঠি হিচাবে লোৱা হয় তেন্তে মানসিকভাৱে বা আবেগিক-ভাৱে নিৰপত্তা অনুভৱ কৰাসকলৰ বাবে কি ব্যৱস্থা লোৱা হ'ব।

ৰ'লচৰ ন্যায়তত্ত্বক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হয় যদিও প্ৰকৃত অৰ্থত ন্যায় সম্পৰ্কে বলচে আগবঢ়োৱা ধাৰণাটো যথেষ্ট গুৰুত্বপূৰ্ণ। ৰলচে ন্যায়ক বহল পৰিসৰত সকলোৰে গ্ৰহণযোগ্য হোৱাকৈ ব্যাখ্যা কৰাৰ চেষ্টা কৰিছিল। ৰলচে ন্যায়ক ব্যক্তি তথা সমাজ উভয়েৰে মঙ্গলৰ কাৰণে প্ৰয়োগ কৰাৰ যত্ন কৰিছে। এহাতেদি তেওঁ ব্যক্তিস্বতন্ত্ৰতাবাদি সকলক সমৰ্থন কৰি ব্যক্তিৰ

স্বাধীনতাক অধিক প্ৰাধান্য দিছে। আনহাতেদি সামূহিকতাবাদীৰ দৰে সামাজিক স্বাৰ্থ সুৰক্ষাৰ বাবে তেওঁ সমতাৰ নীতিৰ ওপৰতো সমানে গুৰুত্ব দিছে। মুঠতে ৰ'লচে সমাজৰ শক্তিশালী, দুৰ্বলী উভয়ৰে স্বাৰ্থ সুৰক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

**ৰ'লচৰ ন্যায়তত্ত্বৰ ভাৰতৰ সংবিধানত প্ৰতিফলন ঃ** ভাৰতৰ সংবিধান বিভিন্ন ব্যৱস্থাৰ মাধ্যমেৰে ৰ'লচৰ ন্যায়তত্ত্বৰ প্ৰতিফলন ঘটা দেখা যায়। ভাৰত এখন বহু সাংস্কৃতিক দেশ। ইয়াত অনেক ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ লোক আছে। লগতে ভাৰতীয় সমাজত জাতিভেদ প্ৰথাইও অনেক বিখণ্ডতা আনিছে। ঐতিহাসিকভাৱে এচাম লোক আন এচামৰ হাতত সামাজিক তথা অৰ্থনৈতিক শোষণৰ বলি হৈ আহিছে। আকৌ সাংস্কৃতিকভাৱে এটা সাংস্কৃতিক সমূহে আন এটা সংস্কৃতিৰ হাতত শোষিত, নিষ্পেষিত হৈছে। এনে এক ব্যৱস্থাত ভাৰতীয় জনসাধাৰণক ন্যায় প্ৰদানৰ বাবে ভাৰতীয় সংবিধানে ৰলচৰ ন্যায়তত্ত্বৰ বাস্তৱ প্ৰয়োগ কৰিছে।

ৰ'লচৰ ন্যায়তত্ত্বৰ প্ৰথম নীতি বা সমতাৰ নীতিটো ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ অন্তৰ্গত সমতাৰ অধিকাৰৰৰ মাজেৰে প্ৰতিফলন ঘটিছে। ইয়াত ভাৰতৰ জাতি, বৰ্ণ, ভাষা, ধৰ্ম, সকলোৰে বাবে সমসুবিধা প্ৰদান কৰা হৈছে। কিন্তু একে সময়তে বিভিন্ন দুৰ্গত লোক যেনে দলিত, অনুসূচীত জাতি জনজাতিৰ বাবে কিছুমান বিশেষ সুবিধা প্ৰদান কৰা হৈছে। এই বিশেষ সা-সুবিধা সমাজত প্ৰতিষ্ঠাৰ লক্ষ্যৰে সন্নিবিষ্ট কৰা হৈছে।

**কাৰ্য্য পদ্ধতিগত আৰু বাস্তৱ ন্যায় (Procedural and Substantive Justice) ঃ** সাম্প্ৰতিক কালত ন্যায় সম্পৰ্কীয় যিবোৰ বিতৰ্কৰ সূচনা হৈছে তাৰ ভিতৰত কাৰ্যপদ্ধতিগত ন্যায় আৰু বাস্তৱ ন্যায়ৰ আলোচনাই অধিক গুৰুত্ব লাভ কৰিছে। বাস্তৱ ন্যায়ক সামাজিক ন্যায় বা বিতৰণমূলক ন্যায় হিচাবেও জনা যায়।

**কাৰ্য্যপদ্ধতিগত ন্যায়ে মূলত ঃ** ন্যায় প্ৰতিস্থাৰ বাবে এক উপযুক্ত পদ্ধতি গ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। এই ন্যায়ৰ প্ৰবক্তা সকলৰ মতে সমাজত সামগ্ৰী, সুযোগ-সুবিধা, ক্ষমতা, পদবী, সন্মান আদি বিষয়বোৰৰ লগত জড়িত বিতৰ্কবোৰ সমাধানৰ বাবে এক উপযুক্ত বা গ্ৰহণযোগ্য পদ্ধতি অনুসৰণ কৰা উচিত। তেতিয়া সমাজত প্ৰকৃত ন্যায় প্ৰতিষ্ঠা কৰিব পৰা যাব। এই ন্যায়ৰ মূল প্ৰৱক্তা সকল হৈছে হাৰ্বাট স্পেনচাৰ, হায়েক, ফ্ৰিডমেন, ৰবাৰ্ট নজিক। এওঁলোক মূলতঃ মুক্ত প্ৰতিযোগিতা আৰু ৰাষ্ট্ৰৰ নিৰপেক্ষ ভূমিকাক সমৰ্থন কৰে। পদ্ধতিগত ন্যায়ে জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিঙ্গ নিৰ্বিশেষে সকলো লোককে সমান হিচাবে জ্ঞান কৰাৰ লগতে সমমৰ্য্যদা প্ৰদানৰ বাবে একমাত্ৰ বজাৰ আৰ্হিক বিকাশৰ উপযুক্ত বুলি দাবী কৰে। এওঁলোকৰ মতে ৰাষ্ট্ৰই বিতৰণ পৰ্য্যায়ত নিজৰ হস্তক্ষেপ সাব্যস্ত কৰিলে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ অপব্যৱহাৰহে হ'ব।

কাৰ্য্যপদ্ধতি ন্যায় ধাৰণাক সমালোচনা কৰি কাৰ্ল মাৰ্ক্স, গ্ৰামচি, চি ৰাইট মিল, পৌলণ্টাজ প্ৰভৃতি লিখকসকলে কেৱল পদ্ধতিৰ মাজতে ন্যায় প্ৰতিষ্ঠা সম্ভৱ নহয় বুলি মন্তব্য কৰিছে। এওঁলোকৰ মতে ন্যায় বিতৰণহে উপযুক্ত হোৱা উচিত। ন্যায় বিতৰণ প্ৰক্ৰিয়াত সমাজৰ দুৰ্বল পিচপৰা শ্ৰেণীটোক সামাজিক ন্যায় বা মনুষ্যত্বৰ স্বাৰ্থত কেতিয়াবা বিশেষ সুযোগ-সুবিধা গ্ৰহণ কৰাটো সমৰ্থন কৰে। ইয়াৰ বাবে ৰাষ্ট্ৰই অধিক সক্ৰিয় বা কল্যাণকামী ভূমিকা গ্ৰহণ কৰিব লাগে। এওঁলোক মূলত সমাজতান্ত্ৰিক পদ্ধতিত ন্যায় প্ৰতিষ্ঠাৰ ধাৰণাটোক সমৰ্থন কৰে।

## ন্যায়ৰ তত্ত্ববোৰ
## (Theory of Justice)

**ন্যায়ৰ প্ৰাকৃতিক তত্ত্ব (Natural theory of Justice) ঃ** ন্যায়ৰ প্ৰাকৃতিক তত্ত্ব ন্যায়ৰ দাৰ্শনিক তত্ত্বৰ এটা প্ৰসাৰণ বুলিবই পাৰি। প্ৰথমতে, ষ্ট'ইকসকলে আৰু পিচলৈ ৰোমান উকীল সকলে এই তত্ত্বৰ প্ৰকাশ কৰিছিল। ষ্ট'ইক সকলৰ মতে গোটেই বিশ্ব ব্ৰহ্মাণ্ডযুক্তিৰ ওপৰতেই প্ৰতিষ্ঠিত। গতিকে প্ৰকৃতিৰ লগত মিলি থকাই ন্যায় যাৰ অৰ্থ হ'ল ন্যায় যুক্তিৰ আন এটা ৰূপান্তৰ মাথোন। ৰাৰ্কাৰে' ক'বৰ দৰে ঈশ্বৰ ইচ্ছামতে প্ৰাকৃতিক গঠন ল'বলৈ, অৰ্থাৎ যুক্তিসঙ্গত হ'বলৈ জীৱনক গঢ় দিবৰ কাৰণে আমি ন্যায়ৰ প্ৰাকৃতিক তত্ত্ব মানিব লাগে।

ৰোমান উকীল সকলে ন্যায়ক চৰম উদ্দেশ্য হিচাবে পৰিগণিত কৰিছিল। তেওঁলোকে ন্যায়ক ৰাষ্ট্ৰৰ আইনৰ সৈতে জড়িত কৰি একে কৰি পেলাইছিল আৰু আইনবোৰ অসামৰিক আৰু আন্তৰ্জাতিক আইনত বিভক্ত কৰি লৈছিল। ন্যায়-অন্যায়ৰ জ্ঞানেই আইন বিজ্ঞান আছিল।

পিছলৈ খৃষ্টধৰ্ম প্ৰচাৰৰ লগে লগে প্ৰাকৃতিক ন্যায় ঈশ্বৰ প্ৰদত্ত বুলি পৰিগণিত হৈছিল। ঋষি আগষ্টাইন এই মতবাদৰ প্ৰধান পৃষ্ঠপোষক। ভাৰতৰ ধৰ্মৰ বুৰঞ্জীতো প্ৰাকৃতিক ন্যায়ক ধৰ্মৰ লগ সানি পোতকি একে কৰিছিল। ফৰাচী আৰু আমেৰিকাৰ বিপ্লৱত

প্ৰাকৃতিক অধিকাৰ আৰু প্ৰাকৃতিক ন্যায় ঈশ্বৰ প্ৰদত্ত আৰু সকলোৰে প্ৰাপ্য বুলি ধৰিছিল। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ একালৰ ন্যায়াধীশ হেগড়েই ১৯৬৯ চনত 'কাৰপাইলাকৰ'ৰ মোকৰ্দ্দমাত এনেদৰে লিখিছে, "প্ৰাকৃতিক ন্যায়ৰ নিয়মাৱলীৰ উদ্দেশ্য ন্যায় আহৰণ কৰা অথবা নেতিবাচক ৰূপে ক'বলৈ গ'লে, ন্যায়ৰ ব্যৰ্থতাক ৰোধ কৰা।" ন্যায়াধীশ মুখাৰ্জীয়ে প্ৰাকৃতিক ন্যায়ৰ ৯টা মূল উপাদান আঙুলিয়াই দেখুৱাইছে[২]— বিচাৰকে নিৰপেক্ষ হৈ আৰু পক্ষপাতিতাৰ আশ্ৰয় ন'লৈ এটা মোকৰ্দ্দমা বিচাৰ কৰা, সকলো পক্ষকে সমান সুবিধা দিয়া, জাননী জাৰি কৰা, আচম্বিতে হোৱা কথাৰ বিপক্ষে বীমা কৰা, যথোচিত আইনৰ প্ৰতিনিধিত্ব কৰাৰ সুবিধা দিয়া, সাক্ষ্য প্ৰদান আৰু সাক্ষী পৰীক্ষা, যুক্তিসঙ্গত মীমাংসা প্ৰদান, আপীল আদি কৰিবলৈ সুবিধা দিয়া ইত্যাদি।

এইটো সত্য যে প্ৰাকৃতিক ন্যায়ৰ বিষয়ে কোৱা সহজ কিন্তু প্ৰাকৃতিক ন্যায়ৰ বিষয়ো এটা সঠিক আৰু নিশ্চিত ধ্যান-ধাৰণা দিয়া অতি কঠিন। সেই বুলি প্ৰাকৃতিক ন্যায়ক পেলাই দিবলগীয়া ধাৰণা বুলিও ক'ব নোৱাৰি। গতিকেই ন্যায়পালিকা বিভাগে বেছিকৈ ইতিবাচক আইনৰহে আলোচনা, ব্যৱহাৰ, আদি কৰে।

**ন্যায়ৰ আইনসঙ্গত তত্ত্ব ঃ** ন্যায়ৰ আইনসঙ্গত তত্ত্ব মতে ইতিবাচক আইনৰ প্ৰয়োগতেই ন্যায় বিদ্যমান। ন্যায়পালিকা অথবা অৰ্দ্ধ ন্যায়পালিকাই ইতিবাচক আইন প্ৰয়োগ কৰে। এই তত্ত্বমতে আইনৰ প্ৰথম উদ্দেশ্য ন্যায় প্ৰদান, নহ'লে আইন অত্যাচাৰৰ আহিলা হৈ পৰিব। ইয়াৰ অৰ্থ এইটো নহয় যে— বিচাৰক সকলে প্ৰাকৃতিক ন্যায়ৰ চৰম ধাৰণাটো অৱজ্ঞা কৰক। গতিকে এই তত্ত্ব ইতিবাচক আইনসঙ্গত ন্যায়ক প্ৰাকৃতিক ন্যায়ৰ লগত মিলাই এটা কল্পনা কৰিব পৰা বাস্তৱ ধাৰণাৰ পক্ষপাতী। এই দৃষ্টিভঙ্গীৰপৰা চালে ন্যায় কৰিবলৈ তলত লিখা কথাকেইটাৰ আৱশ্যক হয়—

(১) দোষীজনে তেওঁৰ ওপৰত কি কি দোষ আৰোপ কৰা হৈছে তাক জানিব লাগে;

(২) দোষীজনক নিজকে অথবা তেওঁৰ উকীলক বিচাৰকৰ আগত প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা দিব লাগে;

(৩) বিচাৰালয়ৰ ন্যায় আৰু নিৰপেক্ষ হ'ব লাগে, আৰু;

(৪) বিচাৰৰ পদ্ধতি ন্যায়সঙ্গত আৰু মুকলিমূৰীয়া হ'ব লাগে।

এই তত্ত্বমতে ব্যক্তিক কৰা বিচাৰকৰ ন্যায়েই ন্যায়ৰ কৰিবলগীয়া সকলোখিনি বুলি দোহৰা হয়। কিন্তু মাৰ্ক্সবাদীসকলে এইটোৱেই ন্যায়ৰ শেষ সীমা বুলি ধৰি নলয়। আনকি সামাজিক ন্যায়, অৰ্থনৈতিক ন্যায়, ৰাজনৈতিক ন্যায় আদি তত্ত্বই ন্যায়ৰ চাৰিসীমা এনেকৈ আৱদ্ধ কৰি ৰাখিব নোখোজে।

**ন্যায়ৰ মাৰ্ক্সবাদ তত্ত্ব ঃ** ন্যায়ৰ উদাৰ দৃষ্টিভঙ্গীত প্ৰাকৃতিক আৰু আইনসঙ্গত ন্যায় পৰে, কিন্তু মাৰ্ক্সবাদী ন্যায় নপৰে। মাৰ্ক্সে শ্ৰেণীসংগ্ৰামক ন্যায়ৰ লগত জড়িত কৰিছে। যি ৰাষ্ট্ৰই শ্ৰেণীশোষণ অব্যাহত থাকিবলৈ দিয়ে তাত আচল ন্যায় থাকিব নোৱাৰে। তাত বুৰ্জোৱা শ্ৰেণীটোৱে আইন আৰু ন্যায়ৰ নামত শোষণ চলাই থকাৰহে ব্যৱস্থা কৰে। তেতিয়াই শ্ৰমিক শ্ৰেণী ক্ষুব্ধ হৈ বিপ্লৱৰ সৃষ্টি কৰি এখন শোষণবিহীন সমাজ স্থাপন কৰে আৰু আচল ন্যায়ৰ প্ৰৱৰ্তন হয়। আৰু শ্ৰমিক দলৰ একনায়কত্বৰ প্ৰতিষ্ঠা হয়।

মাৰ্ক্সবাদী ন্যায় মতবাদৰ বিশেষত্বকেইটা তলত উল্লেখ কৰা হ'ল—

(১) ইয়াত উৎপাদনৰ আহিলা, যিটো ৰাষ্ট্ৰৰ হাতত থাকিব আৰু ভোগৰ বস্তু, যিটো ভোক্তাৰ হাতত থাকিব, দুয়োটাকে মালিকী স্বত্বৰ পৰিষ্কাৰ পাৰ্থক্য থাকিব।

(২) উৎপাদন আৰু বিতৰণ ৰাষ্ট্ৰই নিজে কৰিব বা ৰাষ্ট্ৰৰ তত্ত্বাৱধানত কৰোৱাব।

(৩) ৰাষ্ট্ৰ আৰু ব্যক্তিৰ সম্বন্ধ ন্যাসৰক্ষী মালিক আৰু কৰ্মীৰ সম্বন্ধ হ'ব।

(৪) ভোক্তাৰ বস্তুৰ মালিকী স্বত্ব ব্যক্তিৰ হাততেই সীমিতভাৱে থাকিব; কিন্তু তাৰ পুনৰ বিক্ৰীৰ বিশ্লেষণ হ'ব।

(৫) বিৰোধ আৰু কাজিয়া নিৰপেক্ষ বিচাৰকৰ হাতত বিচাৰৰ অৰ্থে আৰোপ কৰা হ'ব।

(৬) আইনৰ কঠোৰ প্ৰৱৰ্তন হ'ব।

(৭) বিচাৰৰ দৃষ্টিভঙ্গী মাৰ্ক্সবাদী হ'ব লাগিব আৰু তেওঁলোকক তেনেধৰণৰ প্ৰশিক্ষণ দিব লাগিব। গতিকে এনে ব্যৱস্থাত বিচাৰকসকলৰ ৰাষ্ট্ৰৰ আৰু বাস্তৱত চৰকাৰৰ প্ৰভাৱৰপৰা মুক্ত বুলি কোৱাটো শুদ্ধ নহ'ব যেনেই লাগে।

**ন্যায়ৰ আদৰ্শ ঃ** ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে ন্যায় দুই ধৰণৰ— শুধৰণীমূলক আৰু বিতৰণমূলক। শুধৰণীমূলক ন্যায় বিচাৰকৰ ৰায়ত সহজতেই পোৱা যায়। এজনে আনজনক কৰা অন্যায়ৰ বিৰুদ্ধে বিচাৰকে এই ন্যায় প্ৰদান কৰে। এইটো ন্যায়ৰ আৰু আইনৰ ইতিবাচক ৰূপ। কিন্তু আজিকালি বিতৰণীমূলক ন্যায়ে বেচি গুৰুত্ব পাবলৈ ধৰিছে। এই ন্যায় এহাতে মাৰ্ক্সবাদী সকলৰ মূলমন্ত্ৰত আৰু আনহাতে নবীন উদাৰপন্থী সকলোৰে উদ্দেশ্যত পৰিণত হৈছে। এৰিষ্টটোলেই এই ন্যায়ৰ

প্ৰথম পাতনি মেলিছিল। তেখেতে কৈছিল সমানক সমানভাবেই ব্যৱহাৰ কৰিব লাগে। পিচলৈ ধনীৰপৰা কৰ আদি আদায় কৰি দুখীয়াক উপকৃত কৰা আৰু কাকো বুভুক্ষাত নৰখা আদিবিলাক আদৰ্শই বিতৰণমূলক ন্যায়ৰ কাৰ্য্যপন্থাত হৈছে।

ন্যায় এটা আদৰ্শমূলক ধাৰণা (Normative concept)। ইয়াক ধৰ্ম, নীতিশাস্ত্ৰ, আইন, বিচাৰ ব্যৱস্থা, বিতৰণ ব্যৱস্থা, সমাজ ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থা আদি সকলোতে প্ৰয়োগ কৰাৰ স্থল আছে। ন্যায়ৰ অৰ্থ নিৰ্দ্ধাৰিত আৰু নিশ্চিত নহয়। ই বিভিন্ন ঠাইত বিভিন্ন ৰূপ লয়। কিন্তু ৰাজনৈতিক মূল্যজ্ঞানৰ ন্যায়েই সূত্ৰ ধৰি আহিছে। সেয়েহে দেনিয়েল ৱেবষ্টাৰ লিখিছে, "ন্যায়েই মানুহৰ স্বাৰ্থবোৰৰ ভিতৰত আটাইতকৈ মুখ্য।"

**প্ৰশ্নাৱলী ঃ**

১। ৰাষ্ট্ৰৰ ধাৰণা ব্যাখ্যা কৰা।

২। ৰাষ্ট্ৰৰ উপাদানবোৰ আলোচনা কৰা।

৩। ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

৪। ৰাষ্ট্ৰ আৰু সমাজৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

৫। ৰাষ্ট্ৰ আৰু সংস্থাৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

৬। ৰাজনীতি বিজ্ঞানৰ ৰাষ্ট্ৰৰ গুৰুত্ব বা তাৎপৰ্য্য ব্যাখ্যা কৰা।

৭। ৰাষ্ট্ৰৰ আপেক্ষিক স্বায়ত্বতাৰ ধাৰণাটো ব্যাখ্যা কৰা।

৮। উদাৰতাবাদীসকলৰ দৃষ্টিত ৰাষ্ট্ৰৰ প্ৰকৃতি ব্যাখ্যা কৰা।

৯। মাৰ্ক্সবাদীসকলৰ দৃষ্টিত ৰাষ্ট্ৰৰ প্ৰকৃতি ব্যাখ্যা কৰা।

১০। অধিকাৰৰ ধাৰণাটো ব্যাখ্যা কৰা।

১১। অধিকাৰৰ বৈশিষ্টবোৰ আলোচনা কৰা।

১২। অধিকাৰৰ বিভিন্ন তত্ত্ববোৰ আলোচনা কৰা।

১৩। বিধিগত অধিকাৰৰ লগত ৰাষ্ট্ৰৰ সম্পৰ্ক আলোচনা কৰা।

১৪। অধিকাৰৰ শ্ৰেণীবিভাজনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

১৫। অধিকাৰ আৰু কৰ্তব্যৰ সম্পৰ্ক আলোচনা কৰা।

১৬। প্ৰাকৃতিক অধিকাৰৰ বিষয়ে চমুকৈ লিখা।

১৭। সমতাৰ ধাৰণাটো আলোচনা কৰা।

১৮। সমতাৰ দুটা সংজ্ঞা দিয়া।

১৯। সমতাৰ ধাৰণাটো ৰাজনৈতিক তত্ত্বত কিদৰে বিকাশ লাভ কৰিলে আলোচনা কৰা।

২০। সমতাই চূড়ান্ত সমতাক বুজায়নে? নিজৰ উত্তৰ সাপেক্ষে যুক্তি আগবঢ়োৱা।

২১। কি কি পৰিস্থিতিত সমতাই অসমতাৰ নীতিক মানি চলে? আলোচনা কৰা।

২২। সমতাৰ বিভিন্ন দিশবোৰ আলোচনা কৰা।

২৩। সমতা আৰু স্বাধীনতাৰ সম্পৰ্ক আলোচনা কৰা।

২৪। সমতা আৰু ন্যায়ৰ সম্পৰ্ক আলোচনা কৰা।

২৫। সমতাৰ প্ৰকৃতি বিশ্লেষণ কৰা।

২৬। ন্যায়ৰ ধাৰণাটো ব্যাখ্যা কৰা। সমাজত কিদৰে ন্যায় প্ৰতিষ্ঠা কৰিব পৰা যায় উপায়বোৰ আলোচনা কৰা।

২৭। ন্যায়ৰ বিভিন্ন প্ৰকাৰবোৰ আলোচনা কৰা।

২৮। ন্যায়ৰ বিভিন্ন তত্ত্ববোৰ আলোচনা কৰা।

২৯। কাৰ্যপদ্ধতিগত ন্যায় আৰু বিতৰণমূলক ন্যায়ৰ ধাৰণাটো ব্যাখ্যা কৰা।

৩০। জন ৰ'লচৰ ন্যায়ৰ তত্ত্বটো আলোচনা কৰা।

# অধ্যায়- ৪
# গণতন্ত্ৰৰ বোধ
# (Understanding Democracy)

## গণতন্ত্ৰ (Democracy)

অতি প্ৰাচীন কালৰ পৰাই ৰাজনৈতিক তত্ত্ব আৰু ৰাজনীতিত আলোচিত হৈ থকা ধাৰণা সমূহৰ ভিতৰত 'গণতন্ত্ৰ' অন্যতম। এক ধাৰণা হিচাপে গণতন্ত্ৰক ইয়াৰ প্ৰকৃতি, উদ্দেশ্য, প্ৰসাৰতা আৰু প্ৰয়োগিকতা আদি দিশৰ পৰা ভিন্ন দৃষ্টিভংগীৰে বিশ্লেষণ কৰি অহা হেতুকে ভিন্ন ব্যাখ্যাৰ উদ্ভৱ হৈছে। যাৰ ফলত ইয়াক সৰ্বসন্মত সূত্ৰবদ্ধ কৰাটোও যথেষ্ট কঠিন। তথাপি আলোচনাৰ সুবিধাৰ বাবে ইয়াত বিস্তৃত মতভিন্নতালৈ নগৈ পাঠ্যক্ৰমৰ বিষয় হিচাপে বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

এক ধাৰণা হিচাপে গণতন্ত্ৰৰ জন্ম হৈছে প্ৰাচীন গ্ৰীচত। গ্ৰীক শব্দ 'Demos' আৰু 'Kratos' বা 'Cracy' ৰ সংমিশ্ৰনৰ ফলতে ইংৰাজী 'Democracy' শব্দটো উৎপত্তি হৈছে। 'Demos' শব্দৰ অৰ্থ হ'ল জনসাধাৰণ (people) আৰু 'Kratos' বা 'Cracy' ৰ অৰ্থ হ'ল শাসন (Rule)। অৰ্থাৎ ব্যুৎপত্তিগত অৰ্থৰ ফালৰ পৰা গণতন্ত্ৰই জনগণৰ শাসনক বুজায়। বৰ্তমান সময়তো গণতন্ত্ৰৰ তত্ত্বসমূহৰ মাজত বিতৰ্ক থাকিলেও এই তত্ত্বসমূহে এক কথাত একমত যে গণতন্ত্ৰৰ লগত জনসাধাৰণৰ ক্ষমতা বা শাসন জড়িত। আমেৰিকাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে গণতন্ত্ৰক এক জনপ্ৰিয় সংজ্ঞাৰে সূত্ৰবদ্ধ কৰি কৈছে গণতন্ত্ৰ হৈছে জনগণক লৈ জনগণৰ দ্বাৰা আৰু জনগণৰ হকে পৰিচালিত চৰকাৰ। (Democracy is a government of the people, by the people and for the people) ঠিক তেনেদৰে জন ছিলিয়েও মন্তব্য কৰিছে গণতন্ত্ৰ হ'ল সকলোৰে অধিকাৰ থকা এখন চৰকাৰ (Democracy is the government in which everyone has a share) অধ্যাপক ডাইচিৰ মতে "গণতন্ত্ৰ হ'ল এক শাসনব্যৱস্থা য'ত শাসকবৰ্গ তুলনামুলকভাৱে জনসাধাৰণৰ এক বৃহৎ অংশ" (.... one in which the governing body is comparatively a large formation of total population) এন্থনী এৰব্লাষ্টাৰৰ মতে গণতন্ত্ৰই এনে এক পৰিবেশক বুজায় য'ত ক্ষমতা আৰু কৰ্তৃত্ব জনসাধাৰণৰ হাতত নিহিত থাকে। (It refers to a situation where power and authority ultimately rest with the people") ওপৰৰ সংজ্ঞাবোৰৰ পৰা গণতন্ত্ৰ সম্পৰ্কে ধাৰণা কৰিব পৰা বিষয়টো হ'ল গণতন্ত্ৰ জনগণৰ চৰকাৰ, অৰ্থাৎ জনগণৰ হাতত শাসন ক্ষমতা ন্যস্ত থকা চৰকাৰ।

গণতন্ত্ৰত বিশ্লেষণ মূলত ঃ দুটা ভিত্তিত কৰিব পৰা যায়— (ক) সংকীৰ্ণ অৰ্থত গণতন্ত্ৰ আৰু (খ) ব্যাপক অৰ্থত গণতন্ত্ৰ।

সংকীৰ্ণ অৰ্থত গণতন্ত্ৰই চৰকাৰক বুজায়, এক প্ৰশাসনিক ব্যৱস্থাক বুজায় আৰু তাৰ পৰিবৰ্তে ব্যাপক অৰ্থত গণতন্ত্ৰই জীৱন ধাৰণৰ পদ্ধতিক বুজায়। তলত গণতন্ত্ৰক এক প্ৰশাসনৰ ব্যৱস্থা হিচাপে আৰু জীৱনৰ ধাৰণৰ পদ্ধতি হিচাপে আলোচনা কৰা হ'ল—

**প্ৰশাসন বা চৰকাৰ হিচাপে গণতন্ত্ৰ (Democracy as a form of Government) ঃ** গণতন্ত্ৰ চৰকাৰৰ এক ব্যৱস্থা হিচাপে একনায়কত্ববাদী শাসন ব্যৱস্থাৰ বিপৰীত। একনায়কত্ববাদী শাসন ব্যৱস্থাত শক্তি প্ৰয়োগ আৰু বলপূৰ্বক নীতি-নিয়ম আৰোপকৰণৰ ওপৰত প্ৰতিষ্ঠিত। তাৰ পৰিৱৰ্তে গণতন্ত্ৰ সন্মতি আৰু সহমতৰ ওপৰত প্ৰতিষ্ঠিত। জনসাধাৰণে প্ৰদান কৰা সন্মতিতহে গণতান্ত্ৰিক ব্যবস্থা গঢ়ি উঠে। জনসাধাৰণৰ সন্মতি প্ৰদানৰ দ্বাৰাই চৰকাৰৰ কাম-কাজবোৰে বৈধতা লাভ কৰে। যাৰ বাবে ক্ষমতাত অধিস্থিত ব্যক্তিসকলে জনসাধাৰণৰ ওচৰত দায়বদ্ধ হৈ থাকিব লগা হয়।

এক চৰকাৰ হিচাপে গণতন্ত্ৰ সমতাৰ নীতিত বিশ্বাসী। গণতন্ত্ৰত সকলো ব্যক্তিকে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণত সমদক্ষ হিচাপে বিবেচনা কৰা হয়। সেয়েহে গণতন্ত্ৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰতে হওক অথবা চৰকাৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতে হওক 'এক ব্যক্তি এক ভোট' নীতিৰ প্ৰৱৰ্তন কৰে। জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিংগৰ দৰে সামাজিক বা শ্ৰেণীৰ দৰে অৰ্থনৈতিক ভেদাভেদবোৰ আঁতৰাই সকলোৰে সমমূল্য নীতিত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠিত। অৱশ্যে সিদ্ধান্ত গ্ৰহণ বা চৰকাৰ গঠনৰ ক্ষেত্ৰত গণতন্ত্ৰৰ 'সকলো ব্যক্তিৰ' ধাৰণাই প্ৰাপ্তবয়স্কসকলকহে সামৰি লৈছে। আকৌ গণতন্ত্ৰত সকলো ব্যক্তিকে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰতো এক দীঘলীয়া ৰাজনৈতিক সংগ্ৰাম জড়িত হৈ আছে। পোনতে শিক্ষা, সম্পত্তি, জাতি অথবা লিঙ্গভিত্তিক বৈষম্যৰ মাজেৰেই গণতন্ত্ৰ আগবাঢ়িছিল।

গণতান্ত্ৰিক চৰকাৰৰ আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল অধিকাৰ তথা স্বাধীনতাক স্বীকৃতি। ধৰ্ম, মত প্ৰকাশ, বিচৰণ, বৃত্তিগ্ৰহণ সমবেত হোৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত জনস্বাধীনতাক স্বীকৃতি প্ৰদান কৰা হয়। এনে বিভিন্নতাৰ বাবে সহযোগিতা আৰু সহিষ্ণুতা গণতন্ত্ৰৰ সফলতাৰ মূল আহিলা হিচাপে পৰিগণিত হোৱা দেখা যায়। বহুসময়ত ইয়াক ভাতৃত্ববোধ অভিধাৰেও অভিহিত কৰা হয়। গণতন্ত্ৰক মত প্ৰকাশ আৰু চিন্তাৰ স্বাধীনতাই আন সকলো চৰকাৰৰ তুলনাত অনন্য কৰি তুলিছে। সেয়ে কেৱল গণতান্ত্ৰিক সমাজকে মুক্ত সমাজ (Open Society) আখ্যা দিয়া হয়। মুক্ত মত প্ৰকাশৰ অধিকাৰে চৰকাৰৰ ভুল সিদ্ধান্তসমূহকো সমালোচনা কৰাৰ অধিকাৰ প্ৰদান কৰিছে। গণতান্ত্ৰিক চৰকাৰৰ গুৰুত্বপূৰ্ণ দিশটো হ'ল চৰকাৰেই জনসাধাৰণৰ এই অধিকাৰক ৰক্ষণাবেক্ষণ দিব লাগে।

চৰকাৰ হিচাপে গণতন্ত্ৰক বিভিন্ন চিন্তাগোষ্ঠীয়ে (school of thought) বিভিন্ন দৃষ্টিকোণৰ পৰা ব্যাখ্যা আগবঢ়োৱা দেখা যায় ।

**উদাৰ গণতন্ত্ৰ (Liberal Democracy) ঃ** উদাৰতাবাদী গণতন্ত্ৰৰ সমৰ্থকসকল মূলতঃ পশ্চিমীয়া চিন্তাধাৰাৰে পৰিচালিত। এওঁলোকৰ দৃষ্টিত আদৰ্শ অৱস্থাৰ অনুপস্থিতিত গণতন্ত্ৰ কৃতকাৰ্য হ'ব নোৱাৰে। সেয়েহে গণতান্ত্ৰিক চৰকাৰক সফল কৰিবলৈ আদৰ্শ সমাজ তৈয়াৰ কৰিব লাগে। নাগৰিকসকলৰ জাগ্ৰত সচেতনতা, নৈতিক মনোবল আৰু বিচাৰবুদ্ধি সম্পন্নতাইহে গণতন্ত্ৰক কৃতকাৰ্য আৰু সফল কৰিব পাৰিব। পশ্চিমীয়া ইউৰোপীয় সমাজ গণতন্ত্ৰক কৃতকাৰ্য কৰিব পৰাকৈ সকলো গুণৰে অধিকাৰী আৰু তেওঁলোকৰ দেশবোৰ অতি উচ্চ খাপৰ সফল গণতান্ত্ৰিক চৰকাৰৰ যোগ্য। আনহাতে প্ৰাচ্যৰ নতুন দেশসমূহত অলপ অলপকৈ গণতান্ত্ৰিক নিয়ম সুমুৱাই দি নাগৰিকক শিক্ষিত কৰি তুলিলেহে গণতন্ত্ৰ সফল আৰু কাৰ্যকৰী হ'ব।

আন গণতান্ত্ৰিক চিন্তাগোষ্ঠীৰ দৰে এওঁলোকেও চৰকাৰৰ কাৰ্যাৱলীৰ মুকলিমূৰীয়া আলোচনা বা সমালোচনা বিচাৰে, শাসক বাচি দিব পৰা ক্ষমতা, মুক্ত মত প্ৰকাশ, বিচৰণ, সংগঠন গঠনৰ অধিকাৰ আদি সকলো ব্যক্তিৰ বাবেই সমানে উপভোগ্য হোৱাকৈ সমৰ্থন কৰে। শাসনৰ বাঘজৰী নিয়ন্ত্ৰণ বা চৰকাৰৰ গঠনৰ ক্ষেত্ৰত উপযুক্ত বিকল্পৰ মাজত প্ৰতিযোগিতা বা নিৰ্বাচনৰ মাধ্যমত যোগ্য ব্যক্তিক নিৰ্বাচন কৰাটোত এওঁলোক বিশ্বাসী।

**মাৰ্ক্সবাদী গণতন্ত্ৰ (Marxist Democracy) ঃ** মাৰ্ক্সবাদী গণতন্ত্ৰৰ সমৰ্থকসকলৰ মতে শাসক শ্ৰেণী সমাজৰ কৃষক, বনুৱা বা দলিতকে ধৰি নিপিড়িত লোকসকলক লৈহে গঠন হ'ব লাগে। নিপিড়িত লোকসকলে শাসক শ্ৰেণীলৈ উত্তৰণৰ পথ সহজ নহয় তেওঁলোকে ঐক্যবদ্ধভাৱে প্ৰতিষ্ঠিত শাসনযন্ত্ৰৰ শোষক শ্ৰেণীক প্ৰতিহত কৰিব লাগিব। তেওঁলোকৰ দৃষ্টিত সৰ্বহাৰাৰ দ্বাৰা পৰিচালিত তত্ত্বইহে গণতন্ত্ৰৰ ন্যায়, সমতা তথা স্বাধীনতাৰ ধাৰণাক বাস্তৱায়িত কৰিব পাৰিব। অৱশ্যে উদাৰতাবাদী গণতন্ত্ৰৰ দৰে মুক্ত ৰাজনৈতিক স্বাধীনতাক এওঁলোকে সমৰ্থন নকৰে। এওঁলোকৰ দৃষ্টিত সৰ্বাঙ্গীন বা গৰিষ্ঠসংখ্যকৰ কল্যাণৰ স্বাৰ্থত পুজিপতিসকলক ৰাজনৈতিক অংশগ্ৰহণত যিকোনো প্ৰকাৰে বাধা দিয়াটো দৰকাৰ। অৰ্থনৈতিক গণতন্ত্ৰ অৰ্থাৎ উৎপাদন আৰু বিতৰণ প্ৰক্ৰিয়া ৰাষ্ট্ৰনিয়ন্ত্ৰনাধীনৰ জৰিয়তে সকলোৰে মাজত সমবিতৰণৰ দ্বাৰা অৰ্থনৈতিক সমতা প্ৰতিষ্ঠাহে সৰ্বহাৰা চৰকাৰৰ লক্ষ্য। এনে অৰ্থনৈতিক সমতা অবিহনে উদাৰ গণতন্ত্ৰই পোষকতা কৰা ৰাজনৈতিক গণতন্ত্ৰ ভিত্তিহীন।

**এলিট গণতন্ত্ৰ (Elite Democracy) ঃ** এলিট বা সম্ভ্ৰান্তবাদীসকলৰ মতে গণতন্ত্ৰক সৰ্বসাধাৰণৰ শাসন ব্যৱস্থা আখ্যা দিয়া হয় যদিও দৰাচলতে ই সমাজৰ সংখ্যালঘু এলিট সকলৰহে শাসন। এওঁলোকৰ মতে গণতন্ত্ৰত ক্ষমতাৰ জনপ্ৰিয় প্ৰয়োগ আৰু চৰকাৰৰ কাম-কাজত জনসাধাৰণৰ অংশগ্ৰহণ কেতিয়াও বাস্তৱত দেখা নাযায়। ক্ষমতা সদায় সমাজৰ মুষ্টিমেয় একাংশ শ্ৰেণীৰ হাততে থাকে। পৰিৱৰ্তিত পৰিৱেশত শাসক শ্ৰেণীৰ পৰিৱৰ্তন হয় যদিওঁ শাসন ক্ষমতা এচাম এলিটৰ পৰা অন্য এচাম এলিটলৈহে পৰিৱৰ্তিত হয়। সাধাৰণ শ্ৰেণীয়ে কেতিয়াও শাসন ক্ষমতা নিয়ন্ত্ৰকৰ ভূমিকা পালন কৰিব নোৱাৰে।

**বহুত্ববাদী গণতন্ত্ৰ (Pluralist Democracy) ঃ** গণতন্ত্ৰৰ বহুত্ববাদী সকলৰ মতে গণতান্ত্ৰিক পৰিবেশে সমাজৰ সকলো ব্যক্তি বা গোষ্ঠীৰ বাবে এক প্ৰভাৱৰ ক্ষেত্ৰ মুকলি কৰে। প্ৰত্যেক গোষ্ঠীয়ে নিজ নিজ প্ৰভাৱেৰে চৰকাৰ নিয়ন্ত্ৰণত বা সিদ্ধান্ত গ্ৰহণত অংশ লোৱাৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ইয়াৰ ফলত ক্ষমতা নিৰ্দিষ্ট এটা ঠাইত কেন্দ্ৰীভূত হোৱাৰ বিপৰীতে বিভিন্ন গোষ্ঠীৰ মাজত বিভক্ত হৈ পৰে। প্ৰত্যেক গোষ্ঠীৰ সহযোগিতা আৰু সহমতৰ ফলত গণতান্ত্ৰিক সিদ্ধান্তবোৰ গ্ৰহণ কৰা হয়।

ওপৰত উল্লেখ কৰা প্ৰতিটো চিন্তাগোষ্ঠীৰ মূল বক্তব্যৰাজি মূলতঃ গণতন্ত্ৰৰ ক্ষমতাকেন্দ্ৰীকতাক কেন্দ্ৰ কৰিয়ে গঢ়ি উঠিছে। এক শাসন ব্যৱস্থা হিচাপে গণতন্ত্ৰক ব্যাখ্যা কৰা প্ৰতিটো চিন্তাগোষ্ঠীৰে বক্তব্যৰ কম-বেছি পৰিমাণে প্ৰাসংগিকতা আছে। অৱশ্যে এক শাসন ব্যৱস্থা হিচাপে গণতন্ত্ৰক ব্যাখ্যা কৰোতে মূলত তলৰ দিশসমূহেই প্ৰভাৱ বিস্তাৰ কৰে—

(ক) গণতন্ত্র এক শাসন ব্যবস্থা হিচাপে জনসাধাৰণৰ সৰ্ব্বোচ্চ ক্ষমতাক স্বীকৃতি দিয়ে। অৰ্থাৎ ৰাষ্ট্ৰৰ সৰ্বাঙ্গীন ক্ষমতা জনসাধাৰণৰ নিয়ন্ত্ৰণত থাকে। জনসাধাৰণে এই সাৰ্বভৌম ক্ষমতা প্ৰত্যক্ষভাৱে নিজে আৰু কেতিয়াবা নিৰ্বাচনৰ দ্বাৰা প্ৰতিনিধিৰ হাতলৈ হস্তান্তৰ কৰে।

(খ) এক শাসন ব্যৱস্থা হিচাপে গণতন্ত্ৰত যিকোনো সমস্যা সমাধান অথবা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সংখ্যাগৰিষ্ঠ নীতিক মানি চলে। অৰ্থাৎ সংখ্যাগৰিষ্ঠ লোকে প্ৰকাশ কৰা মন্তব্যকে সৰ্বসম্মত হিচাপে বিবেচনা কৰা হয়।

(গ) এক শাসন ব্যবস্থা হিচাপে গণতন্ত্ৰৰ শাসকসকলৰ এক নিৰ্ধাৰিত কাৰ্য- কলাপ থাকে। মূলতঃ চৰকাৰক বা শাসকসকলক জনমুখাপেক্ষী বা জনসাধাৰণৰ ওচৰত দায়বদ্ধ কৰি ৰখাৰ স্বাৰ্থতে এই নীতি প্ৰয়োগ কৰা হৈছে। নিৰ্দ্ধাৰিত সময়ৰ পিছত জনসাধাৰণে নিৰ্বাচনৰ মাধ্যমত চৰকাৰ বাচনি কৰি বৈধতা প্ৰদান কৰে।

(ঘ) গণতন্ত্ৰ এক শাসন ব্যৱস্থা হিচাপে সংখ্যাগৰিষ্ঠ নীতিত প্ৰতিষ্ঠিত হ'লেও সংখ্যালঘুসকলৰ কল্যাণৰ অবজ্ঞা কৰিব নোৱাৰিব। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ মূল ভিত্তি ন্যায়, স্বাধীনতা আৰু সমতা সকলোৰে বাবে উপলব্ধি কৰোৱাই সকলোৰে মাজত ভাতৃত্ববোধ ভাবৰ সৃষ্টি কৰিব পৰাটোতহে চৰকাৰৰ সাৰ্থকতা বা সফলতা নিৰ্ভৰ কৰে।

(ঙ) এক শাসন ব্যৱস্থা হিচাপে গণতন্ত্ৰত প্ৰতিজন নাগৰিকৰ মূল্য সমান। একেবাৰে সামাজিক তথা অৰ্থনৈতিকভাৱে নিম্নজনৰ পৰা শাসন ব্যৱস্থাৰ মুৰব্বীজনলৈকে সকলোৰে সম মূল্য আইনৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়। এক শাসন ব্যবস্থা হিচাপে গণতন্ত্ৰ এই ক্ষেত্ৰত ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ বা আন সকলো শাসন ব্যৱস্থাৰ পৰাই পৃথক।

**জীৱনৰ এক পদ্ধতি হিচাপে গণতন্ত্ৰ (Democracy as a Way of Life) ঃ** জীৱনৰ এক পথ অথবা জীবনাদৰ্শ হিচাপে গণতন্ত্ৰই সামাজিক বা ৰাজহুৱা জীৱনযাত্ৰাৰে যে কেৱল মাত্ৰা নিৰ্ণয় কৰিছে তেনে নহয়, ই আমাৰ ব্যক্তিগত জীৱন ধাৰণৰ পদ্ধতিৰ ওপৰতো হস্তক্ষেপ কৰিছে। গণতান্ত্ৰিক জীবনাদৰ্শই একেবাৰে তৃণমূল পৰ্যায়ৰ লোককো বিশ্বাস নিয়াব পাৰিছে যে গণতান্ত্ৰিক পদ্ধতিয়েই উত্তম আৰু বিশুদ্ধ পদ্ধতি। কিয়নো বিশ্বৰ ভিন্ন প্ৰান্তৰ সমসাময়িক গণ আন্দোলনবোৰৰ ভিত্তি অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক অথবা সামাজিক যিয়েই নহওক কিয় সেইবোৰ কেৱল গণতান্ত্ৰিক পথ প্ৰতিষ্ঠাৰ সংগ্ৰাম হিচাপে পতিয়ন নিয়াবলৈ অহৰহ প্ৰচেষ্টা চলিছে। এনে প্ৰচেষ্টাবোৰে স্বাভাৱিকতে গণতন্ত্ৰৰ গ্ৰহণযোগ্যতাকে প্ৰতিষ্ঠা কৰিছে।

এক শাসন ব্যৱস্থাৰ পৰা জীৱনৰ পন্থালৈ গণতন্ত্ৰৰ এই উত্তৰণত কিছুমান বিশেষ উপাদানে বিশেষভাৱে অৰিহণা যোগাইছে। স্বাধীনতা, সমতা, ন্যায় আৰু ভাতৃত্ববোধৰ ধাৰণা হয়তো গণতন্ত্ৰৰ বিকল্প শাসন ব্যৱস্থাবোৰত অভাৱ ঘটিছিল। যাৰ বাবেই প্ৰথমে স্বাধীনতা, সমতা তথা ন্যায়ৰ ধাৰণাৰে সংপৃক্ত হৈ থকা গণতান্ত্ৰিক শাসন ব্যৱস্থাক বিকল্প আৰ্হিবোৰতকৈ অধিক আগ্ৰহেৰে আঁকোৱালি লৈছিল। পৰবৰ্তী সময়ত জীবন যাত্ৰাৰ অন্য ক্ষেত্ৰবোৰতো সেই ধাৰণাবোৰকে বাস্তবায়িত কৰি এক জীৱন পন্থা বা জীবনাদৰ্শ হিচাপে প্ৰতিষ্ঠা কৰিছে।

জীৱনৰ এক পথ হিচাপে গণতন্ত্ৰই যুক্তিযুক্ততা আৰু বিজ্ঞানসন্মত তথা অভিজ্ঞতাভিত্তিক চিন্তাচৰ্চাক প্ৰাধান্য দিয়ে। সামাজিক জীবনযাত্ৰাত সেয়েহে বিৰোধপূৰ্ণ চিন্তাধাৰাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো অত্যন্ত জৰুৰী। হেগেলৰ শুদ্ধ ধাৰণাৰ প্ৰতিষ্ঠাৰ বাবে আৰু ধাৰণা (Thesis), বিৰোধ পূৰ্ণ ধাৰণা (Anti thesis) সত্যৰ (Synthesis) প্ৰতি গণতন্ত্ৰই সন্মান প্ৰদৰ্শন কৰে। জে এছ মিলে সেয়েহে তেওঁৰ অনিষ্টকাৰী নীতিত মন্তব্য কৰিছে যে এশজনৰ বক্তব্যৰ বিপৰীতে এজন ব্যক্তিয়ে দিয়া বক্তব্যকো এশজনৰ সমান গুৰুত্ব দি শুনিব লাগে। কিয়নো, কোনো ধাৰণা বা মতামত অসত্য নহয়। বিৰোধ বা বিতৰ্কৰ মাজেৰে প্ৰকৃত সত্য উৎঘাটন হয়। চক্ৰেটিছ, গেলিলিও আদিৰ জীৱনৰ দৃষ্টান্তবোৰেই প্ৰতিষ্ঠা কৰে যে অসত্য বা ভুল বুলি স্বীকৃতি দিয়া মন্তব্যও পৰৱৰ্তী সময়ত শুদ্ধ বা সত্য হিচাপে পৰিচিত হয়। বিৰোধ বা বিতৰ্কক সমৰ্থনেৰে এক শুদ্ধ জীৱন পথৰ সন্ধান দিব পাৰে বাবেই গণতন্ত্ৰ আজি সমাদৃত।

সামাজিক জীৱন-যাত্ৰাৰ ক্ষেত্ৰত গণতন্ত্ৰই সমতাপূৰ্ণ এক সমাজ ব্যৱস্থাক সমৰ্থন কৰে। গণতান্ত্ৰিক চিন্তাধাৰাত জাতি, বৰ্ণ, ধৰ্ম, লিংগ সেইবোৰৰ স্থান নিম্ন। প্ৰথমতে আমি সকলো মানুহ আৰু মানুহ হিচাবে সমাজ জীৱনত সকলোৰে প্ৰয়োজনীয়তা আছে। গতিকে আধিপত্য, নিষ্পেষণ অথবা শাসন, শোষণৰ পৰিৱৰ্তে সহযোগিতা তথা ভাতৃত্ববোধপূৰ্ণ এক সমাজ জীৱন গঢ়ি তোলাৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। গণতন্ত্ৰৰ এনে মহান আদৰ্শই বিশ্বৰ নিগৃহীত, নিষ্পেষিত কোটি কোটি জনতাক সমতাৰ অধিকাৰৰ হকে যুঁজিবলৈ কেৱল অনুপ্ৰাণিত কৰাই নাই, শোষক শ্ৰেণীৰ মানসিকতাৰ পৰিৱৰ্তন কৰিবলৈও বিবেকক চাপ দিছে। গণতান্ত্ৰিক জীৱনধাৰাৰ প্ৰতি অনুপ্ৰাণিত হৈও আজি বিশ্বৰ অনেক জাতি-জনগোষ্ঠী, সম্প্ৰদায়, গোষ্ঠীৰ লোকে এক মৰ্যাদাপূৰ্ণ জীৱন-যাপনৰ বাবে আন্দোলন গঢ়ি তুলিছে আৰু সফলতাও লাভ কৰিছে। গণতান্ত্ৰিক জীৱন পন্থাই ব্যক্তিক মানুহ হিচাপে প্ৰতিষ্ঠা

কৰাত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰে ।

গণতন্ত্ৰই এক জীৱনৰ পন্থা হিচাপে ব্যক্তি সমাজ জীৱনৰ অৰ্থনৈতিক সম্পৰ্ককো নিৰ্দ্ধাৰণ কৰে। জীৱন ধাৰণৰ পৰ্যাপ্ত সুবিধাবোৰ গ্ৰহণ কৰা বাবে যাতে কোনো বাধা নাথাকে, লগতে উৎপাদনৰ ক্ষেত্ৰখনত যাতে লেশমানো শোষণৰ প্ৰভাৱ নাথাকে তেনে এক অৰ্থনৈতিক গাঁথনি গণতন্ত্ৰই সমৰ্থন কৰে। এই ক্ষেত্ৰত অৰ্থনৈতিক স্বাধীনতা হৰণ নোহোৱাকৈ সহযোগিতাপূৰ্ণ অৰ্থনৈতিক সম্পৰ্ক গঢ়ি তোলাটোৱে গণতন্ত্ৰৰ মূল উদ্দেশ্য। মানুহৰ স্বাভাৱিক বুদ্ধিমত্তাৰ পাৰ্থক্য থাকিবই আৰু এনে পাৰ্থক্যৰ ভিত্তিত ধনী-দুখীয়াৰ বৈষম্য থকাটোৱে স্বাভাৱিক। এনে বাস্তৱতাক গণতন্ত্ৰই কেতিয়াও উলাই নকৰে। কিন্তু একেবাৰে নিম্ন বুদ্ধিমত্তাৰ শাৰীৰিকভাৱে অক্ষমজনৰো জীৱনৰ পৰ্যাপ্ত সুবিধা পোৱাৰ ক্ষেত্ৰতো গণতন্ত্ৰই আপোচ নকৰে। গণতন্ত্ৰৰ এনে প্ৰকৃতিক বহুতে গণতন্ত্ৰৰ বৈপৰীত্য অথবা এক কাল্পনিক ধাৰণা হিচাপে আখ্যা দিব বিচাৰিলেও দৰাচলতে গণতন্ত্ৰক প্ৰকৃতভাৱে গ্ৰহণ কৰাৰ বাবে এক বহল মানসিকতাৰ আৱশ্যক। এনে মানসিকতা থকা সমাজ ব্যৱস্থাত সমাজৰ সবাতোকৈ দুৰ্বল, নিঃসহায়জনৰ বাবেও মৰ্যদাপূৰ্ণভাৱে জীয়াই থকাত একোৱে বাধা নাথাকে। বৰ্তমান বিশ্বৰ সৰহ সংখ্যক লোকে এনে চিন্তাধাৰা গ্ৰহণ কৰাৰ বাবে ইচ্ছুক নোহোৱা বাবেই সংঘাত আৰু অশান্তিৰ সূচনা হ'বলৈ লৈছে।

গণতন্ত্ৰই আমাৰ ৰাজনৈতিক জীৱন ধাৰাকো প্ৰতিফলিত কৰে। ৰাজনৈতিক জীৱনত প্ৰত্যেক ব্যক্তিয়ে নিজকে স্বাধীন হিচাপে অনুভৱ কৰিব পাৰিব লাগিব। কিন্তু স্বাধীনতাৰ অৰ্থই নিজৰ ইচ্ছামতে কাম কৰিব পৰা শক্তিক নুবুজায়। এইক্ষেত্ৰত মহাত্মা গান্ধীৰ স্বৰাজৰ ধাৰণা অতি প্ৰাসংগিক। প্ৰত্যেকেই স্বাধীন হিচাপে অনুভৱ কৰিব, লগতে সমাজৰ সকলোৰে বাবে আৰু সকলো প্ৰত্যেকৰ বাবে নীতিত বিশ্বাসী। সামূহিক সিদ্ধান্ত গ্ৰহণত সকলোৰে সম অধিকাৰ থাকিলেও ৰক্ষণশীলতা অথবা গোড়ামিক গণতন্ত্ৰই সমৰ্থন নকৰে। প্ৰত্যেকৰে আনৰ অভিমতৰ প্ৰতিও সন্মান থকা দৰকাৰ। নিজৰ সিদ্ধান্ত গ্ৰাহ্য নহ'লেও তাক সহজভাৱে গ্ৰহণ কৰাতো অতি প্ৰয়োজনীয়। প্ৰত্যেক সমাজৰ লোকে সমাজৰ শান্তি শৃংখলাৰ বাবে অনুশাসন মানি চলাটো দৰকাৰ। অৱশ্যে অনুশাসনৰ নীতি বলপূৰ্বকভাৱে জাপি দিয়াৰ পৰিৱৰ্তে ব্যক্তিক হৃদয়ঙ্গম কৰিবলৈ দিয়াটোহে গণতন্ত্ৰই পোষকতা কৰে।

গণতন্ত্ৰই আমাৰ সাংস্কৃতিক জীৱন ধাৰণাৰো এক সুগম পথৰ নিৰ্দেশনা দিয়ে। সংস্কৃতি হ'ল একোটা গোষ্ঠীৰ জীৱন ধাৰণৰ শৈলী। গতিকে ইয়াত উচ্চ-নীচৰ চিন্তাই অমূলক। নিজ মাটি, পানী আৰু জলবায়ুৰ ভিত্তিত গঢ়ি উঠা প্ৰতিটো সংস্কৃতিয়ে সমমৰ্যদাৰ অধিকাৰী। এনে ক্ষেত্ৰত প্ৰতিটো সংস্কৃতিয়েই আন সংস্কৃতিৰ এটি সন্মান প্ৰদৰ্শন কৰাটো আৱশ্যক। গণতন্ত্ৰই বিশ্বাস কৰে যে সকলো জীৱনশৈলীতে কিছুমান সম্ভাৱনা আৰু আন কিছুমান সমস্যা থাকে। গতিকে নিজৰ সমস্যাখিনি আনৰ সম্ভাৱনাৰে পূৰণ কৰি ল'ব লাগে। অৱশ্যে ই কেতিয়াও বলপূৰ্বক জাপি দিব নালাগে। সংস্কৃতিৰ এনে আন্তঃসম্বন্ধ অনুধাৱন কৰিলে সকলো সংস্কৃতিৰে সহবাস সহজ হৈ পৰে।

গণতন্ত্ৰৰ ওপৰোক্ত ধাৰণাবোৰ লক্ষ্য কৰিলে স্বাভাৱিকতে অনুমান কৰিব পাৰি যে গণতন্ত্ৰই প্ৰকৃততে এক সম্পূৰ্ণ জীৱন ধাৰণ পদ্ধতিক প্ৰতিফলন কৰে। সু-সংহত, শান্তিপূৰ্ণ এক সমাজ জীৱনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ দিশকে গণতন্ত্ৰত পোৱা যায়। অৱশ্যে এনে গণতান্ত্ৰিক সমাজ জীৱনক আঁকোৱালি লোৱাৰ বাবে গণতান্ত্ৰিক মানসিকতাৰো আৱশ্যক। বৰ্তমান সমাজব্যৱস্থাত সৰহ সংখ্যক ব্যক্তিয়েই আত্মকেন্দ্ৰিক হৈ পৰা হেতুকে প্ৰকৃত গণতান্ত্ৰিক সমাজ জীবন সম্ভৱ হোৱা নাই। আকৌ নিজকে গণতান্ত্ৰিক আদৰ্শ প্ৰতিষ্ঠাৰ উপায় হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা চলাই অহা দল- সংগঠনবোৰো প্ৰকৃততে গণতান্ত্ৰিক পথৰ পৰা বিচ্যুত। নিজে কোৱা সিদ্ধান্তবোৰকে শ্ৰেষ্ঠ হিচাপে প্ৰতিষ্ঠা কৰাতহে এওঁলোক সততে ব্যস্ত হয়। প্ৰকৃত গণতান্ত্ৰিক সমাজ জীৱন প্ৰতিষ্ঠাৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ আৱশ্যক। কিয়নো প্ৰকৃত শিক্ষাইহে আমাৰ মানসিকতাৰ পৰিৱৰ্তন কৰিব পাৰিব আৰু বহল মানসিকতাৰ মাজেৰেহে আমি গণতন্ত্ৰৰ প্ৰকৃত দিশবোৰ বাস্তৱায়িত কৰিব পাৰিম।

**গণতন্ত্ৰৰ ক্ৰমবিকাশ (Evolution of Democracy) ঃ** ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ হিচাপে গণতন্ত্ৰৰ বিবৰ্তণ বা ক্ৰমবিকাশ অধ্যয়ন কৰিলে দেখা যায় যে যদিও গণতন্ত্ৰ বৰ্তমান সকলোতকৈ জনপ্ৰিয় চৰকাৰ ইয়াৰ বিৱৰ্তনৰ ইতিহাস অতি প্ৰাচীন। আকৌ ইয়াৰ বিৱৰ্তনৰ ইতিহাস মসৃণো নহয়। বিভিন্ন উত্থান-পতনৰ মাজেৰে আহি বৰ্তমান ই সৰ্বোৎকৃষ্ট চৰকাৰৰ মৰ্যাদা লাভ কৰিছে। গণতন্ত্ৰৰ বিৱৰ্তনৰ ইতিহাস তলত চমুকৈ আলোচনা কৰা হ'ল—

**(ক) প্ৰাচীন কালত গণতন্ত্ৰৰ বিকাশ ঃ** গণতন্ত্ৰৰ বিৱৰ্তনৰ প্ৰথম স্তৰটো আৰম্ভ হৈছিল প্ৰাচীন গ্ৰীচত। খ্ৰীঃ পূঃ পঞ্চম শতিকাতে গ্ৰীচৰ এথেন্সত গণতান্ত্ৰিক ব্যৱস্থাৰ চৰ্চাৰ কিছু আভাস পোৱা যায়। খ্ৰীঃ পূঃ ৫০৭ চনত Cleisthenes নামৰ শাসকজনেই এথেন্সৰ প্ৰশাসন ব্যৱস্থাত প্ৰচলিত সম্ভ্ৰান্ত শ্ৰেণীৰ বিপৰীতে জন সভাৰ (Popular Assembly) ব্যৱস্থা কৰি গণতান্ত্ৰিক শাসন

ব্যৱস্থালৈ প্ৰশাসনৰ সংস্কাৰ কৰাৰ প্ৰমাণ পোৱা যায়। পৰৱৰ্তী সময়ত গ্ৰীচত প্ৰৱৰ্তিত হৈ থকা নগৰ ৰাষ্ট্ৰ (City State) বোৰত এনে অনেক সংস্কাৰৰ মাধ্যমেদি শাসন ব্যৱস্থা গণতন্ত্ৰলৈ ধাৱমান হৈছিল। গ্ৰীক চিন্তাবিদ প্লেটো আৰু এৰিষ্ট'টলৰ চিন্তা-চৰ্চাত সেই সময়ৰ এথেন্সত প্ৰচলিত গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ কিছু বৈশিষ্ট্য দেখা যায়। যেনে—

(ক) Polis বা নগৰ ৰাষ্ট্ৰৰ সামূহিক বিষয়ত সকলো নাগৰিকৰ অংশগ্ৰহণ।

(খ) মুক্ত আলোচনাৰ অন্তত ৰাজহুৱা বিষয়ত সিদ্ধান্ত গ্ৰহণ।

(গ) সমূহৰ দ্বাৰা প্ৰতিষ্ঠিত নীতি বা আইনৰ প্ৰতি সকলোৰে সমৰ্থন। অৱশ্যে সেই সময়ত নাগৰিকৰ মৰ্যাদা অতি কমসংখ্যক লোককহে দিয়া হৈছিল। ইয়াৰ নাগৰিকত্ব বংশানুক্ৰমিক আৰু সমাজৰ দাস, মহিলা আৰু শিশুসকলক নাগৰিকৰ মৰ্যাদা দিয়া হোৱা নাছিল। অৰ্থাৎ সংকীৰ্ণ নাগৰিকত্বৰ ধাৰণাৰ বাবে গণতান্ত্ৰিক শাসন সকলোৰে শাসনলৈ ৰূপান্তৰিত হোৱা নাছিল। প্লেটো আৰু এৰিষ্ট'টলৰ চিন্তা-চৰ্চাতো গণতন্ত্ৰক সমাদৃত কৰা হোৱা নাছিল। প্লেটোৱে গণতন্ত্ৰক মুৰ্খৰ শাসন আখ্যা দিছিল। তেওঁৰ মতে অশিক্ষিত জনসাধাৰণে কেতিয়াও সুস্থ শাসন বা সাধাৰণ উন্নয়নৰ চিন্তা কৰিব নোৱাৰে। ফলত গণতন্ত্ৰৰ নামত সাধাৰণ লোকৰ স্বেচ্ছাচাৰিতা (Populist Tyranny) প্ৰতিষ্ঠা হ'ব। চাৰিওফালে অৰাজক পৰিস্থিতিয়ে ৰাষ্ট্ৰক ধ্বংসৰ গৰাহলৈ নিব। গতিকে প্লেটোৰ চৰকাৰ বিভাজনত গণতন্ত্ৰক বেয়া চৰকাৰ আখ্যা দিছে। প্লেটোৰ শিষ্য এৰিষ্ট'টলৰ লিখনিতো গণতন্ত্ৰক আদৰ্শ চৰকাৰ হিচাপে প্ৰতিষ্ঠা কৰা হোৱা নাই। এৰিষ্ট'টলৰ মতে, "গণতন্ত্ৰ হ'ল সৰহসংখ্যক (rule of many) আৰু দুখীয়া লোকৰ শাসন (rule of the poor)।" এৰিষ্ট'টলৰ চৰকাৰ বিভাজন তালিকাত গণতন্ত্ৰক বিকৃত চৰকাৰৰ তালিকাত স্থান দিয়া হৈছে। এৰিষ্ট'টলৰ মতে গণতন্ত্ৰ সমতাৰ মিছা প্ৰতিশ্ৰুতিৰ ওপৰত আধাৰিত (Democracy is Based on a false assumption of equality)।

প্ৰাচীন গ্ৰীচৰ দৰে ৰোমৰ প্ৰশাসনতো সমসাময়িকভাৱেই গণতন্ত্ৰৰ উত্থান আৰম্ভ হৈছিল। ৰোমৰ 'Republica'ত গণতন্ত্ৰৰ উত্থান হ'লেও সীমিত নাগৰিকত্ব ধাৰণা প্ৰচলিত থকা বাবে গণতন্ত্ৰৰ পৰিসৰ সংকীৰ্ণ আছিল।

**(খ) ১২ শতিকাৰ পৰা ১৫ শতিকালৈ গণতন্ত্ৰৰ বিকাশ ঃ** ৰোমান সাম্ৰাজ্যৰ পতনৰ পৰৱৰ্তী সময়ত ইটালীৰ চৌপাশে সৰু সৰু নগৰ ৰাষ্ট্ৰই গা কৰি উঠিছিল। এই নগৰ ৰাষ্ট্ৰবোৰে সীমিত নিৰ্বাচন অনুষ্ঠিত কৰিছিল। ফ্লোৰেন্স, ভেনিচ আদি চহৰত আৰম্ভ হোৱা কৰ্তৃত্ব নিৰ্বাচনী ব্যৱস্থাত ভোটাৰসকল ৰাজকীয় বা সম্ভ্ৰান্ত লোকৰ মাজতে আবদ্ধ আছিল যদিও ১৩ শতিকা মানৰ পৰা সমাজৰ নিম্নবৰ্গীয় লোকসকলেও নিজৰ অধিকাৰৰ দাবী উত্থাপন কৰিছিল। অৱশ্যে এই সময়ত আৰম্ভ হোৱা গৃহ যুদ্ধই স্বৈৰাতান্ত্ৰিক শাসন ব্যৱস্থালৈ ৰাষ্ট্ৰবোৰক পৰিৱৰ্তিত কৰাত গণতন্ত্ৰৰ অস্তিত্ব বিপদাপন্ন হয়। কিন্তু এই সময়ছোৱাৰ ভিতৰত ১২১৫ চনত ইংলেণ্ডত ঘোষণা হোৱা মেগ্নাকাৰ্তাক গণতান্ত্ৰিক জাগৰণৰ এক অন্যতম দলিল আখ্যা দিব পাৰি।

**(গ) ১৭ আৰু ১৮ শতিকাত গণতন্ত্ৰৰ বিকাশ ঃ** সোতৰ শতিকাৰ পৰাই গণতান্ত্ৰিক চিন্তাধাৰাবোৰ পদ্ধতিগতভাৱে স্তৰে স্তৰে ক্ৰমবিকাশ হ'বলৈ ধৰে। ইউৰোপত আৰম্ভ হোৱা সংস্কাৰ আৰু নৱজাগৰণে মানুহৰ চিন্তা-চৰ্চা যুক্তিবাদী কৰি তোলাৰ লগে লগে গণতন্ত্ৰ বিকাশৰ পথ প্ৰশস্ত হয়। বিশিষ্ট চিন্তাবিদ মেকিয়াভেলিয়ে আধুনিক ৰাষ্ট্ৰ ধাৰণাৰ ব্যাখ্যা কৰাৰ লগতে তেওঁৰ 'Discourse' ত আৰু মন্টেস্কুয়ে 'The Spirit of the Laws' নামৰ গ্ৰন্থত মিশ্ৰিত গণৰাজ্যিক সংবিধানত গণতন্ত্ৰক এক শুদ্ধ চৰকাৰ হিচাপে অন্তৰ্ভুক্তিকৰণত গুৰুত্ব দিছিল। এজন সমালোচকে মেকিয়াভেলি প্ৰসংগত কৈছিল— "Machiavelli asserts that a free state is one governed by own citizens through free and accessible institutions, threreby Protecting its autonomy from the carprices of kings and despots. It is the collective commitment to civic values and the common good which make republics, such as Rome, so successful and glorious" এওঁলোকৰ পৰৱৰ্তী সময়ত সামাজিক চুক্তিৰ প্ৰবক্তা ক্ৰমে হবচ, ল'ক, আৰু ৰুছোৰ লিখনিত গণতন্ত্ৰৰ প্ৰকাশ দেখা যায়। চুক্তিতত্ত্বৰ প্ৰবক্তাসকলে ৰাষ্ট্ৰৰ দৈৱিক উৎপত্তি তত্ত্বৰ ভিত্তি নস্যাৎ কৰি ৰাষ্ট্ৰ যে কৃত্ৰিম ই কেৱল মানুহৰ প্ৰয়োজনভিত্তিত গঢ়ি তোলা অনুষ্ঠান তাক ব্যাখ্যা কৰিছিল। চুক্তিতত্ত্বৰ প্ৰবক্তা সকলৰ মাজত মতভিন্নতা থাকিলেও তেওঁলোক এক কথাত একমত যে ৰাষ্ট্ৰৰ মূল উদ্দেশ্য হৈছে ব্যক্তি কল্যাণ সাধন। ব্যক্তি কল্যাণৰ ধাৰণাৰ মাজেদিয়ে হবছে চৰম ৰাজতন্ত্ৰ সমৰ্থন কৰি গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাত অৰিহণা যোগাইছিল। লকে তেওঁৰ 'Two Treaties and Civil Government' ত ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰৰ বিষয়টো উত্থাপন কৰিছিল। জীৱন, সম্পত্তি আৰু স্বতন্ত্ৰতাক ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰৰ স্বীকৃতি প্ৰদানেৰে গণতান্ত্ৰিক ভেটি অধিক শক্তিশালী কৰিছিল। লকৰ পৰৱৰ্তী কালত জ্যা জ্যাক ৰুছোৱে আগবঢ়োৱা 'সাধাৰণ ইচ্ছা' ই প্ৰত্যক্ষ গণতন্ত্ৰৰ ধাৰণাৰ জন্ম দিছিল। ৰুছোৰ 'সাধাৰণ ইচ্ছা' ধাৰণাৰ মূল বিষয় আছিল 'জন সাৰ্বভৌমত্ব'। ৰুছোৰ মতে ৰাষ্ট্ৰ কেৱল সাধাৰণ ইচ্ছাৰ সৃষ্টিয়েই নহয়, পৰৱৰ্তী

কালতো ৰাষ্ট্ৰই 'সাধাৰণ ইচ্ছাক' মানি চলিয়েই আগবাঢ়িব লাগিব। ৰুছোই 'সাধাৰণ ইচ্ছা'ৰ মাজেৰে এখন সমাজৰ সামূহিক ইচ্ছাক বা সিদ্ধান্তক প্ৰকাশ কৰিছে। তেওঁৰ মতে ব্যক্তিগত ইচ্ছা সমাজৰ এজনৰ লগত আনজনৰ পৃথক হ'লেও সাধাৰণ ইচ্ছা সকলোৰে একে। সমাজ বা সামূহিক কল্যাণৰ ভেটিত প্ৰতিষ্ঠিত 'সাধাৰণ ইচ্ছা' ব্যক্তিগত ইচ্ছাৰ তুলনাত শ্ৰেষ্ঠ আৰু ক্ষমতাশালী। সাধাৰণ ইচ্ছাৰ ভেটিত প্ৰতিষ্ঠিত কৰ্তৃপক্ষই জনসাধাৰণৰ সৰ্বাঙ্গীণ কল্যাণকে প্ৰাধান্য দিব। ৰুছোৰ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাই সম্ভৱতঃ প্ৰকৃত গণতন্ত্ৰৰ বীজ কঢ়িওৱা প্ৰথম তাত্ত্বিক প্ৰকাশ।

তাত্ত্বিক প্ৰকাশৰ লগে লগে ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱৰ ফলশ্ৰুতিত অহা অধিকাৰ বিধেয়ক (1689), উপনিবেশিক শাসকৰ পৰা পোৱা মুক্তিৰ ফলত প্ৰকাশ পোৱা আমেৰিকাৰ স্বাধীনতা ঘোষণা-পত্ৰ, ফৰাচী ঘোষণা-পত্ৰ (1789) ও গণতন্ত্ৰৰ বিকাশত বিশেষ অৰিহণা যোগাইছিল। এই ঘোষণা-পত্ৰবোৰৰ ফলতে প্ৰতিনিধিত্বমূলক চৰকাৰ, মানুহৰ সমতাৰ নীতি, জনসাধাৰণৰ চৰকাৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত হৈছিল। আমেৰিকাৰ বিপ্লৱবাদী তথা সংবিধানবাদী টমাচ জেফাৰচন আৰু মেডিচনে গণতন্ত্ৰক এক আনুষ্ঠানিক ভিত্তি প্ৰদান কৰিছিল।

**(ঘ) উনৈছ আৰু কুৰি শতিকাত গণতন্ত্ৰৰ বিকাশ ঃ** উনৈশ শতিকাৰ পৰাই চিন্তাবিদসকলৰ লিখনি আৰু আন্দোলনসমূহে গণতন্ত্ৰক এক সবল আনুষ্ঠানিক ৰূপত প্ৰকাশ হোৱাত সহায় কৰিলে। এই সময়ছোৱাক গণতন্ত্ৰ বিকাশৰ সোণালী সময় আখ্যা দিয়া হয়। ১৮৪৮ চনত ইউৰোপৰ বিভিন্ন দেশত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে হোৱা আন্দোলনৰ ফলশ্ৰুতিত প্ৰুচিয়া আৰু চাৰডিনিয়াত সাংবিধানিক চৰকাৰ প্ৰতিষ্ঠা হয়। এই সময়তে বৃটিছ দাৰ্শনিক জে. এচ. মিলৰ চিন্তা-চৰ্চাই উদাৰতাবাদী গণতন্ত্ৰৰ ধাৰণাক তাত্ত্বিকভাৱে অতি শক্তিশালী ৰূপত প্ৰকাশ কৰিছিল। মিলৰ লগতে সেই সময়ত টি. এইচ. গ্ৰীন, হেৰল্ড লাস্কি, মেকাইভাৰ, উইলচনৰ চিন্তা-চৰ্চাইও উদাৰতাবাদী গণতন্ত্ৰৰ বিভিন্ন দিশত অৰিহণা যোগাইছিল। আনফালে মাৰ্ক্স আৰু এংগেলচৰ দ্বাৰা ১৮৪৮ চনত প্ৰকাশিত 'কমিউনিষ্ট মেনিফেষ্টো'ৰে জনসাধাৰণৰ মাজত সমাজবাদী গণতন্ত্ৰৰ ধাৰণা বিকাশত বিশেষ বৰঙণি যোগাইছিল।

গণতন্ত্ৰৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰথম আৰু দ্বিতীয় মহাসমৰৰ অৰিহণাও কম নহয়। প্ৰথম মহাসমৰৰ ফলস্বৰূপে জনসাধাৰণ ৰাজনৈতিকভাৱে সচেতন হৈ লগে লগে স্ব-শাসনৰ প্ৰতিও আকৃষ্ট হয়। ১৯১৭ চনত আৰম্ভ হোৱা বলচেভিক বিপ্লৱে ৰাচিয়াত সমাজবাদী গণতন্ত্ৰৰ ভেটি প্ৰতিষ্ঠা কৰাৰ সময়তে বিশ্বৰ আন দেশবোৰেও ইয়াক আদৰ্শ হিচাপে লৈ স্ব-শাসনৰ বাবে আন্দোলন আৰম্ভ কৰে। দ্বিতীয় মহাসমৰৰ সময়ছোৱাত উপনিবেশিক শাসকৰ শক্তি কিছু দুৰ্বল হোৱাৰ লগে লগে তৃতীয় বিশ্বৰ দেশবোৰে নিজ শাসনৰ বাবে কৰা আন্দোলন তীব্ৰতৰ কৰি স্বাধীনতা আজুৰি আনে। ফলত তৃতীয় বিশ্বৰ দেশসমূহতো গণতন্ত্ৰৰ প্ৰসাৰ সাধন হৈ এক তন্ত্ৰ হিচাপে সমগ্ৰ বিশ্বতে গণতন্ত্ৰই প্ৰতিষ্ঠা লাভ কৰে।

অৱশ্যে এক শাসনতন্ত্ৰ হিচাপে বা জীৱন পদ্ধতি হিচাপেও বৰ্তমান গণতন্ত্ৰৰ ওপৰত বিভিন্ন গৱেষণা চলি আছে আৰু ইয়াক সৰ্বোৎকৃষ্ট ৰূপায়নৰ ব্যৱস্থা কৰি থকা হৈছে। কিয়নো সমাজৰ একেবাৰে নিম্নস্তৰত থকা ব্যক্তিজনেও যেতিয়ালৈকে শাসন প্ৰক্ৰিয়াত অংশীদাৰিত্ব (প্ৰকৃত অৰ্থত) লাভ কৰিব নোৱাৰে তেতিয়ালৈকে গণতন্ত্ৰ সফল হ'ব নোৱাৰে। সকলোৰে সম অংশ গ্ৰহণ, ন্যায়, স্বাধীনতাৰ দাবীতে বৰ্তমানেও বিভিন্ন আন্দোলন চলি আছে আৰু চিন্তাবিদসকলেও ইয়াৰ সঠিক সমাধানৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অৰ্থাৎ গণতন্ত্ৰ এতিয়াও ক্ৰমবিকাশৰ স্তৰতে আগবাঢ়ি আছে।

**গণতন্ত্ৰৰ আসোঁৱাহসমূহ (Limitations of Democracy) ঃ** বৰ্তমান বিশ্বত গণতন্ত্ৰ সৰ্বোৎকৃষ্ট চৰকাৰ হিচাপে প্ৰতিষ্ঠা হ'লেও গণতন্ত্ৰৰ বিভিন্ন দিশৰ আসোঁৱাহ সম্পৰ্কে চিন্তাবিদসকলে আলোচনা কৰি আহিছে। এচাম চিন্তাবিদে আসোঁৱাহবোৰ আঙুলিয়াই গণতন্ত্ৰক অধিক সবল কৰাৰ প্ৰয়াস অব্যাহত ৰখাৰ সময়তে আন এচাম চিন্তাবিদে গণতন্ত্ৰৰ মূল নীতিবোৰকে সমালোচনা কৰা দেখা যায়। গণতান্ত্ৰিক ব্যৱস্থাত থকা মূল আসোঁৱাহবোৰ এনেধৰণৰ —

**(ক) শাসকৰ অযোগ্যতা আৰু অদক্ষতা ঃ** গণতন্ত্ৰৰ প্ৰতি থকা এচাম চিন্তাবিদ প্ৰথম অভিযোগটো হ'ল- ই অযোগ্য আৰু অদক্ষ শাসনক প্ৰতিনিধিত্ব কৰে। প্লেটোৰ মতে প্ৰশাসন ব্যৱস্থাটো কৌশল আৰু দক্ষতাৰ সংমিশ্ৰণ। গণতন্ত্ৰত সকলো ব্যক্তিকে দক্ষ আৰু কৌশলী হিচাপে বিবেচনা কৰা হয়, কিন্তু বাস্তৱত সৰহ সংখ্যকৰে প্ৰশাসনিক জ্ঞান শূন্য। গতিকে এনে লোকৰ দ্বাৰা প্ৰতিষ্ঠিত শাসন অযোগ্য আৰু অদক্ষ হোৱাই স্বাভাৱিক। সেয়েহে প্লেটোৱে গণতন্ত্ৰৰ পৰিৱৰ্তে প্ৰশাসনিক অভিজ্ঞতাসম্পন্ন দাৰ্শনিক ৰজাৰ শাসনকহে প্ৰাধান্য দিছে।

**(খ) সংখ্যালঘুৰ কম গুৰুত্ব ঃ** গণতান্ত্ৰিক শাসন ব্যৱস্থা সংখ্যাৰ ওপৰত প্ৰতিষ্ঠিত। সংখ্যাগৰিষ্ঠ শাসন ব্যৱস্থাত সদায় কৰ্তৃপক্ষই সংখ্যাধিক্যকহে গুৰুত্ব প্ৰদান কৰে। যাৰ ফলত সমাজৰ সংখ্যালঘুসকলৰ অধিকাৰ যথেষ্ট পৰিমাণে খৰ্ব হয়। মিলে

গণতন্ত্ৰৰ সংখ্যাগৰিষ্ঠ নীতিক আন এটা দিশৰ পৰাও সমালোচনা কৰিছে। তেওঁৰ মতে নিৰক্ষৰ আৰু সম্পত্তিহীন লোকসকলেই সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ গ্ৰহণ কৰিব লগা হয়। ইয়েই প্ৰশাসনৰ মানদণ্ড লাঘৱ কৰে। সুস্থ প্ৰশাসন পৰিচালনাৰ বাবে অভিজ্ঞতাৰ দৰকাৰ। সমাজৰ অভিজ্ঞ, শিক্ষিত আৰু সম্পদশালী লোকসকলক অধিক প্ৰতিনিধিত্ব বাবে তেওঁ বহুল ভোট (plural voting), আনুপাতিক প্ৰতিনিধিত্বক সমৰ্থন কৰিছিল। আকৌ ভাৰতৰ দৰে দেশসমূহৰ বাবে গণতন্ত্ৰক অকাৰ্যকৰী আখ্যা দিছে।

**(গ) দলপ্ৰথাৰ অসাধু নীতি প্ৰয়োগ ঃ** গণতান্ত্ৰিক শাসন ব্যৱস্থাত দলৰ গুৰুত্ব সৰ্বাধিক। প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক ব্যৱস্থা দলীয় ব্যৱস্থাৰ দ্বাৰাই পৰিচালিত। দলসমূহে ক্ষমতা লাভৰ বাবে বিভিন্ন বিভাজনকামী নীতি, দুৰ্নীতি, আদিৰ দৰে অসাধু উপায় গ্ৰহণ কৰা বাবে প্ৰকৃত বিকাশৰ ৰাজনীতি একাষৰীয়া হৈ থাকে।

**(ঘ) ব্যয়বহুলতা ঃ** গণতান্ত্ৰিক ব্যৱস্থা যথেষ্ট ব্যয়বহুল। প্ৰতিনিধি নিৰ্বাচনৰ নামতেই হওক অথবা যথেষ্ট লোকৰ দ্বাৰা পৰিচালিত প্ৰশাসন যন্ত্ৰতেই হওক জনসাধাৰণে অশেষ পৰিশ্ৰমৰ ফলত অৰ্জন কৰা ধনৰ যথেষ্ট খৰচ হয়।

**(ঙ) এলিটতন্ত্ৰ প্ৰতিষ্ঠা ঃ** দৰাচলতে গণতন্ত্ৰক সৰ্বসাধাৰণৰ চৰকাৰ আখ্যা দিয়া হয় যদিওঁ বাস্তৱত ই এলিট তন্ত্ৰহে প্ৰতিষ্ঠা কৰে। লাস্কিৰ মতে গণতান্ত্ৰিক চৰকাৰ মূলতঃ ধনতান্ত্ৰিক। বৰ্তমান প্ৰতিনিধিত্ব মূলক গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্বাচনৰ নামত যথেষ্ট ধনৰ খৰচ কৰিবলগীয়া এক ব্যৱস্থালৈ পৰিৱৰ্তিত কৰি ই ধনতন্ত্ৰক প্ৰতিষ্ঠা কৰিছে। অনেক দেশতে আকৌ পৰিয়ালতন্ত্ৰহে প্ৰাধান্য বৃদ্ধি পাইছে। সাধাৰণ জনসাধাৰণৰ প্ৰশাসনত অংশগ্ৰহণৰ বাস্তৱ সুবিধা যথেষ্ট কম।

**গণতন্ত্ৰৰ সফলতাৰ চৰ্তবোৰ (Conditions for the success of democracy) ঃ** গণতন্ত্ৰ এক প্ৰশাসন ব্যৱস্থা হিচাপে এক নিৰ্দিষ্ট আৰ্থ-সামাজিক তথা সাংস্কৃতিক পৰিৱেশতহে সফলতা লাভ কৰিব পাৰে। ফৰাচী চিন্তাবিদ টকভিলে তেওঁৰ 'Democracy in Ameria' গ্ৰন্থত আমেৰিকাৰ গণতান্ত্ৰিক পৰিবেশক প্ৰভাৱান্বিত কৰা মূল কাৰকসমূহ চিনাক্ত কৰিছিল। তেওঁৰ মতে আমেৰিকাৰ সাংবিধানিক গাঁথনিৰ উপৰিও (ক) বৃহৎ সামৰিক ব্যৱস্থাৰ অনুপস্থিতি (খ) সামাজিক আৰু অৰ্থনৈতিক সমতা (গ) এক বিকশিত কৃষিভিত্তিক অৰ্থনীতি (ঘ) আমেৰিকাত প্ৰচলিত প্ৰথা পৰম্পৰা আৰু বিশ্বাসে গণতান্ত্ৰিক গাঁথনিক সবল কৰি ৰাখিছে। টকভিলৰ আলোচনা সেই সময়ৰ আমেৰিকাৰ পৰিস্থিতিতহে গ্ৰহণযোগ্য। বৰ্তমান আমেৰিকাৰ আৰ্থ- সামাজিক-ৰাজনৈতিক পৰিৱৰ্তনে টকভিলৰ গণতন্ত্ৰ শক্তিশালীকৰণৰ আহিলাবোৰৰ কিছু আধুনিকীকৰণ কৰিছে। বৰ্তমানৰ প্ৰেক্ষাপটত আহিলাবোৰ হ'ব (ক) সামৰিক সেৱাৰ ওপৰত অসামৰিক সেৱাৰ আধিপত্য (খ) অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত সমতা (গ) বিকাশযুক্ত কৃষিভিত্তিক আৰু ঔদ্যোগিক অৰ্থনীতি (ঘ) গণতান্ত্ৰিক সংস্কৃতি। টকভিলৰ আহিলাবোৰৰ উপৰিও বিশ্বৰ গণতান্ত্ৰিক ব্যৱস্থাবোৰ শক্তিশালী অথবা কৃতকাৰ্যতাৰ বাবে আন কিছুমান আহিলাও প্ৰয়োজনীয়—

**(ক) জাতীয়তাবাদী চিন্তাধাৰা ঃ** J.S. Mill এ তেওঁৰ 'Representative Government' ত উল্লেখ কৰিছে যে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বাবে একেধৰণৰ জাতীয় ৰাষ্ট্ৰ (Mono National State) ৰ প্ৰয়োজন। সাম্প্ৰতিক সময়ত জাতি-বৰ্ণ- ধৰ্ম-সংস্কৃতিৰ ভিন্নতা সামৰি ৰাষ্ট্ৰবোৰ গঠন হৈছে যদিও গণতন্ত্ৰৰ সফলতাৰ বাবে সেই ভেদাভেদবোৰৰ উৰ্দ্ধত এক ৰাষ্ট্ৰীয় বা জাতীয় মানসিকতা গ্ৰহণৰ আৱশ্যক।

**(খ) সহিষ্ণুতাৰ মনোভাব ঃ** সহিষ্ণুতাৰ মনোভাব গণতন্ত্ৰ সফলতাৰ প্ৰাথমিক চৰ্ত। গণতন্ত্ৰই কেতিয়াও একত্ৰীকৰণ বা একীভূতকৰণক নুবুজায়। চিন্তাৰ ভিন্নতা বা বিভিন্ন সামাজিক ভিন্নতা গণতন্ত্ৰৰ বাবে আদৰণীয়। এই ভিন্নতাক সকলোৱে স্বীকৃতি দিয়াৰ লগতে সন্মান প্ৰদৰ্শন কৰিলেহে গণতন্ত্ৰ সাৰ্থক হ'ব। প্ৰতিটো সমূহে সমাজত সহনশীলতাৰ মনোভাৱ পোষণ কৰাৰ অৰ্থই হ'ল ৰাষ্ট্ৰীয় গণতান্ত্ৰিক চিন্তাধাৰাক সমৰ্থন প্ৰদান কৰা। গোটসমূহৰ মাজত পাৰস্পৰিক হিংসা বা ঘৃণাৰ মনোভাৱে গণতন্ত্ৰৰ ভেটি দুৰ্বল কৰে।

**(গ) উচ্চ নৈতিক চৰিত্ৰ ঃ** গণতন্ত্ৰ সফলতাৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তি তথা নেতা উচ্চ নৈতিক চৰিত্ৰৰ গৰাকী হ'ব লাগিব। ক্ষুদ্ৰ ব্যক্তিগত স্বাৰ্থক কেন্দ্ৰ কৰি গঢ়ি লোৱা সুবিধাবাদে গণতন্ত্ৰক বিপথে পৰিচালিত কৰি দুৰ্বল কৰে। ইয়াৰ পৰিৱৰ্তে ত্যাগৰ মনোভাবেৰে গঢ়ি তোলা বন্ধুত্বপূৰ্ণ সমাজ ব্যৱস্থাই গণতন্ত্ৰক সকলোৰে বাবে কৰি তোলে।

**(ঘ) শিক্ষাৰ সম্প্ৰসাৰণ ঃ** শিক্ষিত নিৰ্বাচকমণ্ডলী গণতন্ত্ৰৰ সম্পদ। জনসাধাৰণ শিক্ষিত হলেহে চৰকাৰৰ কাম-কাজৰ মূল্যায়ন কৰিব পাৰে। শিক্ষিত নাগৰিকৰ ৰাজনৈতিক সচেতনতা বৃদ্ধি পায়, তেওঁলোকে সবল জনমত গঠনেৰে চৰকাৰক জনমুখাপেক্ষী হ'বলৈ বাধ্য কৰিব পাৰে।

**(ঙ) সমতা আৰু অৰ্থনৈতিক নিৰাপত্তা ঃ** সমতা আৰু অৰ্থনৈতিক নিৰাপত্তা গণতন্ত্ৰ সফলতাৰ অন্যতম চৰ্ত। সামাজিক তথা অৰ্থনৈতিক অসমতাই সমাজত ভোটাৰ সকলৰ সম মৰ্যদা প্ৰতিষ্ঠা কৰিব নোৱাৰে। দৰিদ্ৰতা, নিবনুৱাৰে গ্ৰাস হোৱা সমাজত সংঘাতৰ মাত্ৰা বাঢ়ে আৰু ভোটাৰৰ চৰিত্ৰও কলুষিত হয়। যাৰ ফলত শাসকসকলে দুৰ্বলতাৰ সুযোগ লৈ নিৰ্বাচনত অনৈতিকতাৰ (ধনবল আৰু বাহুবলৰ প্ৰয়োগ) আশ্ৰয় ল'ব পাৰে। এনে অনৈতিক নিৰ্বাচনৰ দ্বাৰা প্ৰতিষ্ঠিত চৰকাৰে গণতন্ত্ৰক প্ৰহসণত পৰিণত কৰে।

**সামৰণি ঃ** দৰাচলতে বৰ্তমান সময়লৈকে প্ৰচলিত হোৱা চৰকাৰসমূহৰ ভিতৰত একমাত্ৰ গণতন্ত্ৰই জনসাধাৰণৰ অংশগ্ৰহণক সামৰি লৈছে। জনসাধাৰণৰ অংশগ্ৰহণৰ ব্যৱস্থাই চৰকাৰক কিছু পৰিমাণে হ'লেও দায়বদ্ধ কৰি ৰখাত সহায় কৰে। সেয়েহে গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ পদ্ধতিলৈও ৰূপান্তৰিত কৰা হৈছে। এখোপ তাৰ আগলৈ গৈ ক'ব পাৰি বৰ্তমান গণতন্ত্ৰক শুদ্ধতাৰ মাপকাঠি হিচাপে গ্ৰহণ কৰা হয়। বিভিন্ন ক্ষেত্ৰৰ বা বিষয়ৰে ধাৰণাৰ শুদ্ধতাক গণতান্ত্ৰিক অভিধাৰে পৰিমাৰ্জিত কৰা হয়। গণতন্ত্ৰই এক শাসনব্যৱস্থাৰ পৰা শুদ্ধতাৰ মাপকাঠিলৈ অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত গণতন্ত্ৰৰ ঘাইখুঁটাস্বৰূপ ন্যায়, স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ চাৰি ধাৰণাই বিশেষ সহায় কৰি আহিছে।

## গণতন্ত্ৰৰ প্ৰকাৰ
## (Types of Democracy)

কাৰ্যপদ্ধতিৰ ফালৰপৰা গণতন্ত্ৰক পদ্ধতিগত আৰু বাস্তৱ গণতন্ত্ৰ হিচাবে আৰু অংশগ্ৰহণ বা প্ৰতিনিধিত্ব ফালৰপৰা প্ৰত্যক্ষ আৰু পৰোক্ষ গণতন্ত্ৰ হিচাবে বিভক্ত কৰা হয়।

**পদ্ধতিগত আৰু প্ৰকৃত বা বাস্তৱ গণতন্ত্ৰ (Procedural and Substantive Democracy) ঃ** বৰ্তমান সময়ত সকলোৰে বাবে এক গ্ৰহণযোগ্য ধাৰণা হিচাপে গণতন্ত্ৰই কেতিয়াবাই বিস্তাৰ লাভ কৰিছে অৱশ্যে গণতন্ত্ৰৰ ব্যাখ্যা ভিন্নজনৰ বাবে ভিন্ন হোৱা পৰিলক্ষিত হয়। মূলতঃ দৃষ্টিভংগীৰ পৰিসীমা আৰু প্ৰকৃতিক কেন্দ্ৰ কৰিয়েই 'গণতন্ত্ৰ' ধাৰণাটোৰ বিচিত্ৰতা গা কৰি উঠিছে। কিন্তু এক ব্যৱস্থা, পদ্ধতি অথবা জীৱনশৈলী হিচাপে গণতন্ত্ৰৰ গ্ৰহণযোগত্যক বৰ্তমান সময়ত সকলোৱে স্বীকৃতি প্ৰদান কৰিছে।

গণতন্ত্ৰৰ দুটা অন্যতম দিশ হ'ল — পদ্ধতিগত গণতন্ত্ৰ (procedural democracy) আৰু বাস্তৱ গণতন্ত্ৰ (substantive democracy)

**(ক) পদ্ধতিগত গণতন্ত্ৰ (Procedural Democracy) ঃ** গণতন্ত্ৰৰ পদ্ধতিগত দিশে মূলতঃ উদাৰতাবাদী গণতন্ত্ৰৰ অৰ্থকে প্ৰকাশ কৰে। গণতন্ত্ৰৰ এই দিশে এটা ব্যৱস্থাক গণতান্ত্ৰিকীকৰণৰ বাবে প্ৰয়োজন পদ্ধতিগত অথবা বিধিগত দিশসমূহক সফল ৰূপায়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। পদ্ধতিগত গণতন্ত্ৰৰ সমৰ্থকসকলৰ মতে গণতন্ত্ৰক সঠিক অৰ্থত প্ৰয়োগ কৰাৰ একমাত্ৰ উপায়টো হৈছে 'জনগণৰ দ্বাৰা' (by the people) ধাৰণাৰ সঠিক কাৰ্যকৰীকৰণ কৰা। তেওঁলোকৰ মতে জনগণৰ দ্বাৰা (by the people) ধাৰণাক সঠিক ৰূপায়ণ কৰিবলৈ সক্ষম হ'লে কৰ্তৃপক্ষ আপোনা-আপুনি জনগণৰ প্ৰতি দায়বদ্ধ (for the people) বা জনমুখাপেক্ষী হৈ পৰিব। উদাৰতাবাদৰ সমৰ্থসকলো গণতন্ত্ৰক পদ্ধতিগতভাৱে সফল ৰূপায়ণ কৰাৰ বাবে যি ধাৰণা আগবঢ়াইছে তাৰ ভিত্তিতে পদ্ধতিগত গণতন্ত্ৰ বা প্ৰক্ৰিয়াগত গণতন্ত্ৰৰ ধাৰণাই গা কৰি উঠিছে।

পদ্ধতিগত গণতন্ত্ৰত নিৰ্বাচন হ'ল কেন্দ্ৰীয় বিষয়। নিৰ্বাচনৰ পদ্ধতি সঠিকভাৱে আগবঢ়াই নিয়া আৰু নিৰ্দিষ্ট কাৰ্যকালৰ অন্তত পুনঃ নিৰ্বাচন অনুষ্ঠিত কৰাৰ মাজতে গণতান্ত্ৰিক কাৰ্যকৰীকৰণৰ বীজ নিহিত থকা বুলি তেওঁলোকৰ বিশ্বাস। জোচেফ চুমপিটাৰৰ ভাষাত 'The democratic method is the institutional arrangement for arriving at political decision in which individual acquire the power to decide by means of a competative struggle for people's vote.

**পদ্ধতিগত গণতন্ত্ৰৰ মূল দিশবোৰ হ'ল—**

**(ক) ৰাজনৈতিক সমতা ঃ** পদ্ধতিগত গণতন্ত্ৰই ৰাজনৈতিক সমতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। অৰ্থাৎ জাতি, বৰ্ণ, ভাষা, ধৰ্ম, লিংগ অথবা জন্মস্থান নিৰ্বিশেষে সকলোৰে চৰকাৰত অংশগ্ৰহণ বা প্ৰতিনিধি নিৰ্বাচনৰ অধিকাৰ থাকিব লাগে। নিৰ্বাচনৰ অধিকাৰে গণতন্ত্ৰৰ জনসাধাৰণৰ দ্বাৰা (by the people) ধাৰণাক বাস্তৱত কাৰ্যকৰী কৰি তোলে।

**(খ) মুক্ত আৰু নিকা নিৰ্বাচন ঃ** পদ্ধতিগত গণতন্ত্ৰৰ আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰা। পৰোক্ষ গণতন্ত্ৰ প্ৰচলনৰ লগে লগে প্ৰতিনিধি নিৰ্বাচন অপৰিহাৰ্য হৈ পৰিছে। গণতন্ত্ৰ সঠিক ৰূপত কাৰ্যক্ষম কৰিবলৈ হ'লে এক

নিৰ্দিষ্ট বিৰতিৰ মূৰ মূৰে নিৰ্বাচন অনুষ্ঠিত কৰা আৰু নিৰ্বাচনৰ প্ৰক্ৰিয়াৰ সুকলমে পৰিচালনা কৰাৰ স্বচ্ছ পদ্ধতি অৱলম্বন কৰা যাতে নিৰ্বাচকসকলৰ ব্যৱস্থাৰ ওপৰত কোনো প্ৰশ্ন বা সন্দেহ নাথাকে।

**(গ) সাংবিধানিক চৰকাৰ ঃ** পদ্ধতিগত গণতন্ত্ৰই সাংবিধানিক চৰকাৰ কাৰ্যকৰীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। অৰ্থাৎ চৰকাৰ সাংবিধানিক নীতিৰ ওপৰত আধাৰিত আৰু পৰিচালিত হ'ব লাগে। চৰকাৰৰ নিৰ্বাচন, চৰকাৰৰ কাৰ্য পৰিচালনা সকলো সংবিধানৰ অধীন। সংবিধানৰ পৰিগণ্ডিৰ মাজত চৰকাৰ আৱদ্ধ থাকিব লাগিব। সংবিধান অতিক্ৰম কৰি কাৰ্য সম্পাদন কৰা চৰকাৰ গণতান্ত্ৰিক হ'ব নোৱাৰে। সি একনায়কত্ববাদী স্বেচ্ছাচাৰী শাসন ব্যৱস্থালৈ পৰিৱৰ্তিত হ'ব।

**(ঘ) ভোটাৰৰ সক্ৰিয় সহযোগ ঃ** পদ্ধতিগত গণতন্ত্ৰৰ সঠিক কাৰ্যকাৰিতা ভোটাৰৰ সক্ৰিয় সহযোগীতাৰ ওপৰত নিৰ্ভৰ কৰে। ভোটাৰসকল যিমানে সক্ৰিয় হয় গণতন্ত্ৰও সিমানে সফল আৰু কাৰ্যক্ষম হয়। ভোটাৰসকলৰ ব্যাপক হাৰত নিৰ্বাচন আৰু চৰকাৰৰ ভুলনীতিক সমালোচনা কৰিব পৰাকৈ সবল জনমত গঠন, সাংবিধানিক পৰিগণ্ডীৰ মাজত থাকি বিক্ষোভ প্ৰদৰ্শন কাৰ্যই গণতান্ত্ৰিক পদ্ধতিটোক অধিক শক্তিশালী কৰি তোলে।

**(ঙ) সঠিক আৰু কাৰ্যক্ষম অনুষ্ঠানৰ সৃষ্টি ঃ** পদ্ধতিগত গণতন্ত্ৰৰ বাবে সঠিক আৰু কৰ্মক্ষম অনুষ্ঠানৰ প্ৰয়োজন। উপযুক্ত বিধানমণ্ডল, ন্যায় পালিকা, কাৰ্যপালিকাৰ উপৰিও বিভিন্ন স্তৰৰ পৰা একেবাৰে তৃণমূল পৰ্যায়লৈ বিভিন্ন অনুষ্ঠানৰ প্ৰয়োজন। এই অনুষ্ঠানবোৰে এহাতেদি চৰকাৰৰ নীতি সিদ্ধান্তক তৃণমূল পৰ্যায়ত কাৰ্যকৰী কৰিব, অন্যহাতেদি জনতাৰ অভাৱ অভিযোগ তথা আসোঁৱাহবোৰ কৰ্তৃপক্ষক অৱগত কৰোৱাত সহায় কৰিব।

**(চ) ৰাজনৈতিক দল ঃ** পদ্ধতিগত গণতন্ত্ৰৰ প্ৰয়োজনীয় আন এক চৰ্ত হৈছে একাধিক ৰাজনৈতিক দল। বিশ্বত এটা মাত্ৰ ৰাজনৈতিক দলৰ প্ৰচলন থকা চীন বা কিউবা আদি দেশত গণতন্ত্ৰৰ প্ৰচলন থকা বুলি দাবি কৰিলেও পদ্ধতিগত গণতন্ত্ৰৰ প্ৰবৰ্তকৰ দৃষ্টিত ই আদৰ্শ গণতান্ত্ৰিক পদ্ধতি নহয়। প্ৰকৃত গণতান্ত্ৰিক পদ্ধতিত ব্যক্তি পছন্দৰ বিকল্প থকাটো অতি প্ৰয়োজন। এক ৰাজনৈতিক বাতাবৰণত একাধিক ৰাজনৈতিক দলীয় ব্যৱস্থাইহে ব্যক্তিক পছন্দৰ অধিকাৰ প্ৰদান কৰি সুস্থ গণতান্ত্ৰিক পৰিৱেশ সৃষ্টি কৰিব পাৰে।

পদ্ধতিগত গণতন্ত্ৰৰ সফল ৰূপায়নৰ দেশসমূহৰ অন্যতম উদাহৰণ হ'ল ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা। স্বাধীনতাৰ ঠিক পিছতে ভাৰতবৰ্ষৰ বিশাল আকৃতি; জনগণৰ বিশালতা তথা নিৰক্ষৰতা আৰু দৰিদ্ৰতাৰ বাবে অনেক ব্যক্তিয়ে ভাৰত গণতন্ত্ৰৰ সফলতাত সন্দিহান হৈছিল যদিও এই সকলো বাধাকে নেওচি সফলভাৱে পদ্ধতিগত গণতন্ত্ৰৰ সকলো দিশে ভাৰতত সঠিকভাৱে কাৰ্যক্ষম হৈ আছে।

**(খ) বাস্তৱ বা প্ৰকৃত গণতন্ত্ৰ (Substantive Democracy) ঃ** প্ৰক্ৰিয়াগত গণতন্ত্ৰৰ প্ৰক্ৰিয়া বা পদ্ধতিৰ বিপৰীতে বাস্তৱ বা প্ৰকৃত গণতন্ত্ৰই কাৰ্যকৰী দিশটোৰ ওপৰত অধিক গুৰুত্ব দিয়ে। প্ৰকৃততে গণতন্ত্ৰ তেতিয়াহে অধিক কাৰ্যকৰী হৈ উঠে যেতিয়াই সমাজৰ নিৰীহতকৈও নিৰীহজনৰো চৰকাৰক প্ৰশ্ন কৰাৰ অধিকাৰ থাকে চৰকাৰক কামৰ বাবে দায়বদ্ধ কৰাৰ ক্ষমতা পায়। গণতন্ত্ৰৰ অৰ্থ তেতিয়াহে অধিক ফলৱতী হয় যেতিয়া সমাজৰ প্ৰতিজন ব্যক্তিয়ে প্ৰকৃত অৰ্থত ৰাষ্ট্ৰ নিৰ্মাণত অংশগ্ৰহণ কৰিব পাৰে আৰু ৰাষ্ট্ৰইও প্ৰতিজন ব্যক্তিৰ গুণগত জীৱন নিৰ্বাহ পদ্ধতিৰ উন্নিতকৰণৰ বাবে ৰাজনৈতিক, অৰ্থনৈতিক তথা বৈধ সামাজিক ক্ষেত্ৰত প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। দৰাচলতে গণতন্ত্ৰই কেৱল জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত শাসন ব্যৱস্থাতে আবদ্ধ নাথাকে। গণতন্ত্ৰই ব্যক্তিৰ মৰ্যাদা বিকাশ আৰু বৈচিত্ৰ্যপূৰ্ণ জীৱন নিৰ্বাহ পদ্ধতিক সমৰ্থন কৰে। যেতিয়ালৈকে সমাজৰ একেবাৰে নিম্ন ব্যক্তিজনৰ মৰ্যাদাপূৰ্ণ জীৱনৰ ব্যৱস্থা নাথাকিব তেতিয়ালৈকে গণতন্ত্ৰ প্ৰকৃত বা বাস্তৱ অৰ্থত সাফল্যমণ্ডিত হ'ব নোৱাৰে। অভাৱ আৰু ভয়ৰ পৰা মুক্ত সমাজ এখনহে গণতান্ত্ৰিক সমাজ।

পদ্ধতিগত গণতন্ত্ৰই কেৱল ৰাজনৈতিক অধিকাৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে বাস্তৱ গণতন্ত্ৰই সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। অৱশ্যে বাস্তৱ গণতন্ত্ৰই অৰ্থনৈতিক সমতা প্ৰতিষ্ঠাৰ ওপৰত অধিক প্ৰাধান্য দিয়া বাবে একাংশ সমালোচকে ইয়াক মাৰ্ক্সীয় গণতন্ত্ৰ বা জন গণতন্ত্ৰৰ নামান্তৰ হিচাপেই অভিহিত কৰে। এনে ধাৰণাৰ সমৰ্থকসকলৰ মতে বাস্তৱ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে পৰিৱেশ কেৱল সমাজবাদী অৰ্থনৈতিক ব্যৱস্থাতহে সম্ভৱ। এওলোকৰ মতে পুজিবাদী অৰ্থনৈতিক ব্যৱস্থাত কেৱল সমাজৰ মুষ্টিমেয় কেইজনমান পুঁজিপতিৰ হাতত সম্পদ কেন্দ্ৰীভূত হয়। যাৰ ফলত সমাজৰ বৃহৎ সংখ্যাগৰিষ্ঠ অংশটো যাক শ্ৰমিক শ্ৰেণী হিচাপে মাৰ্ক্সে অভিহিত কৰিছে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা একেবাৰে দুৰ্বল হয়। বৃহৎ অৰ্থনৈতিক বৈষম্যই সমাজত অশান্তি বা বিপ্লৱৰ সম্ভাৱনাৰ বীজ অনবৰতে কঢ়িয়াই লৈ ফুৰিব লগা হেতু প্ৰকৃত

গণতন্ত্ৰ প্ৰতিষ্ঠা কেতিয়াও সম্ভৱ নহয়। এওঁলোকৰ দৃষ্টিত পদ্ধতিগত গণতন্ত্ৰ হৈছে উদাৰতাবাদী গণতন্ত্ৰৰ সফলতাৰ পৰিৱৰ্তে বাস্তৱ গণতন্ত্ৰ সমাজবাদী গণতন্ত্ৰৰ প্ৰতিফলন। পদ্ধতিগত গণতন্ত্ৰই সেয়েহে ৰাজনৈতিক গণতন্ত্ৰক প্ৰাধান্য দিয়াৰ বিপৰীতে বাস্তৱ গণতন্ত্ৰই অৰ্থনৈতিক ক্ষেত্ৰত গণতন্ত্ৰ প্ৰতিষ্ঠাত প্ৰাধান্য দিয়ে।

অৱশ্যে বাস্তৱত মাৰ্ক্সীয় গণতান্ত্ৰিক বা সমাজবাদী গণতান্ত্ৰিক পদ্ধতিক বহুক্ষেত্ৰত বাস্তৱ গণতন্ত্ৰৰ ওচৰত নিকট সম্পৰ্ক স্থাপন কৰা হয় যদিও কিছু ক্ষেত্ৰত ই বাস্তৱ গণতন্ত্ৰৰ সকলোবোৰ দিশকে প্ৰতিফলন নকৰে। বিশ্বত সমাজবাদী গণতান্ত্ৰিক পদ্ধতিক আঁকোৰালি লোৱা সৰহভাগ দেশতে ব্যক্তিৰ স্বাধীনতা, প্ৰেচৰ স্বাধীনতা খৰ্ব হোৱাৰ অভিযোগ আছে। আকৌ অনেক ক্ষেত্ৰত ক্ষমতাৰ অধিক কেন্দ্ৰীয়কৰণে দুৰ্নীতি ভ্ৰষ্টাচাৰৰ সূচনা কৰি ব্যৱস্থাৰ পতন ঘটোৱাৰ উদাহৰণো এই বিশ্বত আছে। গতিকে বাস্তৱ গণতন্ত্ৰ কেৱল সমাজবাদী ব্যৱস্থাৰ মাজেৰে সম্ভৱ বুলি একেযাৰে কোৱাটো ভুল। দৰাচলতে বাস্তৱ গণতন্ত্ৰই ব্যক্তিৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক অধিকাৰক মান্যতা দিবই লাগিব। লগতে ই প্ৰতিজন ব্যক্তিয়ে সেই সুবিধা উপভোগ কৰিব পৰাকৈ প্ৰয়োজনীয় পৰিকাঠামো বা আন্তঃগাথনি তৈয়াৰ কৰিব লাগিব।

**বাস্তৱ গণতন্ত্ৰৰ প্ৰধান দিশবোৰ ঃ**

**(ক) আৰ্থ-সামাজিক সমতা ঃ** বাস্তৱ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে আৰ্থ-সামাজিক সমতাৰ অতি প্ৰয়োজন। অৰ্থনৈতিক সমতা অবিহনে সমাজত গণতান্ত্ৰিক পদ্ধতিত জনসাধাৰণে প্ৰকৃত অৰ্থত অংশগ্ৰহণ কৰিব নোৱাৰে। দৰিদ্ৰতাৰে পূৰ্ণ সমাজ এখনত ভোটাৰে ৰাষ্ট্ৰীয় স্বাৰ্থৰ চিন্তা কৰি ভোটদান কৰাৰ অৱকাশ কম। আকৌ অৰ্থনৈতিক সমতা অবিহনে সামাজিক অসমতা নিৰ্মূল কৰাও অসম্ভৱ। সমাজ এখন জাতি, বৰ্ণ, লিংগ, শ্ৰেণীৰ নামত বিভিন্ন খণ্ডত বিভক্ত হৈ থাকিলে, সকলো মানুহকে সম মানৱীয় মূল্যবোধৰ দৃষ্টি নিক্ষেপ সম্ভৱ নহয়। যাৰ ফলত গণতান্ত্ৰিক প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণো সঠিক নহ'ব। সেয়ে গণতন্ত্ৰক বাস্তৱ অৰ্থত কাৰ্যকৰী কৰিব লাগিলে অৰ্থনৈতিক বৈষম্য নাইকিয়া কৰিবই লাগিব, লগতে সমাজত সকলো মানুহৰে সম মৰ্যাদাও প্ৰতিষ্ঠা কৰাটো যুগুত।

**(খ) ভিন্ন মতবাদৰ প্ৰতি সহিষ্ণু মনোভাৱ ঃ** সমাজত ব্যক্তি বিশেষে মতবাদ বা চিন্তাধাৰাৰ ভিন্নতা থাকিব। প্ৰকৃত গণতান্ত্ৰিক পৰিৱেশত সকলোকে নিজ মন্তব্য বা চিন্তাধাৰাৰ প্ৰকাশৰ সুযোগ প্ৰদান কৰিব লাগে। সকলোৰে মন্তব্যৰ মাজত গঠনাত্মক বিতৰ্কই প্ৰকৃত সত্য উৎঘাটন কৰিব পাৰে। প্ৰকৃত সত্যই সমাজক বিকাশৰ পথত আগুৱাই নিব পাৰে। সেয়েহে বাস্তৱ গণতন্ত্ৰই চিন্তাৰ প্ৰতি সহিষ্ণু মনোভাৱক সমৰ্থন কৰে। তাৰ বিপৰীতে কেৱল নিজৰ বিবেচনাকে একমাত্ৰ শুদ্ধ বুলি ভাবি শাসকীয় পক্ষই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ল'লে সি গণতন্ত্ৰৰ পৰিৱৰ্তে স্বৈতন্ত্ৰ বা একনায়কত্ববাদী শাসন ব্যৱস্থালৈ পৰিৱৰ্তিত হয়। ইতিহাসেও প্ৰমাণ কৰিছে বহু সময়ত সমাজৰ গৰিষ্ঠ সংখ্যকে প্ৰদান কৰা মন্তব্য ভুল আৰু নিৰ্দিষ্ট ব্যক্তিয়ে প্ৰদান কৰা মন্তব্যই শুদ্ধ। চক্ৰেটিছ, গেলিলিও, ব্ৰুণোৰ দৰে চিন্তাবিদৰ জীৱনধাৰাই ইয়াৰ সাক্ষী। সেয়েহে গণতন্ত্ৰৰ প্ৰকৃত লক্ষ্য জনকল্যাণ সাধনক বাস্তৱত ৰূপায়িত কৰা এটি অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে সংখ্যাগৰিষ্ঠ, সংখ্যালঘিষ্ঠ সকলোৰে চিন্তাধাৰাক যথোচিত সম্মান প্ৰদৰ্শন কৰা বা মান্যতা দিয়া।

**(গ) স্বচ্ছতা আৰু দায়বদ্ধতা ঃ** বাস্তৱ বা প্ৰকৃত গণতন্ত্ৰৰ বাবে প্ৰশাসনিক স্বচ্ছতা আৰু শাসক পক্ষৰ জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হোৱা অতি প্ৰয়োজন। প্ৰশাসনিক স্বচ্ছতাই দুৰ্নীতিমুক্ত শাসন আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হোৱাত সহায় কৰে। প্ৰশাসন ব্যৱস্থাটো যিমানেই স্বচ্ছ হ'ব সিমানে জনকল্যাণকামী আঁচনিবোৰ বাস্তৱ ক্ষেত্ৰত ৰূপায়িত হোৱাত সহায়ক হ'ব। আকৌ প্ৰশাসকসকল জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হোৱাৰ অৰ্থ হৈছে জনকল্যাণমূলক আঁচনি ৰূপায়ণ আৰু কাৰ্যকৰীকৰণ কৰা।

দৰাচলতে বাস্তৱ গণতন্ত্ৰ আৰু পদ্ধতিগত গণতন্ত্ৰৰ মাজত কিছু প্ৰভেদ বিচাৰি পালেও গণতন্ত্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে উভয় ধাৰণাৰে প্ৰয়োজনীয়তা আছে। পদ্ধতিগত গণতন্ত্ৰই পদ্ধতিগতভাৱে গণতন্ত্ৰক শক্তিশালী কৰাৰ লগতে বাস্তৱ গণতন্ত্ৰই গণতান্ত্ৰিক নীতিবোৰৰ সফল ৰূপায়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। গণতন্ত্ৰৰ এই দুয়োটা দিশৰে সফলতাই ব্যৱস্থা এটাৰ গণতান্ত্ৰিকীকৰণক অধিক শক্তিশালী কৰে।

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত পদ্ধতিগত গণতন্ত্ৰ যি সফলভাৱে ৰূপায়িত হৈছে তাৰ তুলনাত বাস্তৱ গণতন্ত্ৰ কাৰ্যকৰীকৰণ ভালেখিনি দুৰ্বল। সংবিধান প্ৰণেতাসকলে পদ্ধতিগত গণতন্ত্ৰৰ লগত বাস্তৱ গণতন্ত্ৰৰ সামাঞ্জস্য ৰখাৰ বাবে সাংবিধানিকভাৱে প্ৰস্তাৱনা আৰু নিৰ্দেশাত্মক নীতিত ভালেমান ব্যৱস্থা উল্লেখ কৰিছে। অৱশ্যে স্বাধীনোত্তৰ কালত প্ৰশাসন ব্যৱস্থাৰ মাজত সোমাই পৰা দুৰ্নীতি, স্বজনতোষন-নীতি তথা বিকাশৰ বাবে গ্ৰহণ কৰা আৰ্হিসমূহে সমাজত ধনী-দুখীয়াৰ মাজত অৰ্থনৈতিক অসমতা বৃদ্ধি, ৰাজনৈতিক অংশগ্ৰহণত বাধাৰ সৃষ্টি তথা প্ৰশাসনিক অস্বচ্ছতাৰ সূচনা কৰিছে। আকৌ পৰম্পৰাগতভাৱে ভাৰতীয় সমাজত

প্ৰচলিত জাতি ব্যৱস্থাৰ দৰে সংগঠনবোৰেও গণতন্ত্ৰৰ সফল কাৰ্যকৰণত বাধাৰ সৃষ্টি কৰি আহিছে। যাৰ বাবেই সাংবিধানিকভাৱে অনেক অধিকাৰ ঘোষণা, সঠিক আৰু সময় সাপেক্ষে নিৰ্বাচন অনুষ্ঠিত তথা বিভিন্ন সাংগঠনিক ব্যৱস্থা থকা সত্ত্বেও মানৱ বিকাশ সুচাংকত (HDI) ত ভাৰতৰ স্থান আন ভালেমান দেশক তুলনাত যথেষ্ট নিম্ন। বাস্তৱ গণতন্ত্ৰৰ কাৰ্যকাৰিতাৰ অভাৱেই ইয়াৰ বাবে মূলতঃ দায়ী। এখন প্ৰকৃত গণতান্ত্ৰিক ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হোৱাৰ বাবে শ্ৰেণীগত, জাতিগত বৈষম্যবোৰ সকলো স্তৰতে আঁতৰ হ'বই লাগিব ।

**অংশগ্ৰহণ আৰু প্ৰতিনিধিত্বৰ ফালৰপৰা গণতন্ত্ৰৰ প্ৰকাৰ ঃ** গণতন্ত্ৰ হ'ল জনসাধাৰণৰ চৰকাৰ। জনসাধাৰণৰ দ্বাৰা পৰিচালিত আৰু জনসাধাৰণৰ হকে পৰিচালিত হোৱা বাবেই বিশ্বৰ সকলো প্ৰান্ততে ই শিপাইছে। জনসাধাৰণৰ দ্বাৰা নীতি কাৰ্যকৰীকৰণৰ লগত অংশগ্ৰহণ আৰু প্ৰতিনিধিত্বৰ সমস্যা জড়িত হৈ আছে। অৰ্থাৎ চৰকাৰী কাৰ্যত জনসাধাৰণে অংশ ল'বলৈ হ'লে জনসাধাৰণে প্ৰত্যক্ষভাৱে বা নিজেই শাসন প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰিব পাৰে অথবা সেয়া বাস্তৱত সম্ভৱ নহ'লে (ৰাষ্ট্ৰৰ আকাৰ বৃহৎ আৰু জনসাধাৰণৰ পৰিমাণ যথেষ্ট বেছি হ'লে) জনসাধাৰণে তেওঁলোকৰ হৈ কাম কৰাৰ বাবে এজন ব্যক্তি বা সৰু ব্যক্তিসমষ্টিক ক্ষমতাত ন্যস্ত কৰিব পাৰে। বৰ্তমান ৰাষ্ট্ৰৰ আকৃতি বিশাল আৰু জনসংখ্যাৰ পৰিমাণ অধিক হোৱা বাবে দ্বিতীয়টো উপায়েৰেই জনসাধাৰণে চৰকাৰত অংশ লয়।

জনসাধাৰণৰ অংশগ্ৰহণৰ এই দুটা উপায়ৰ ভিত্তিতে প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰৰ ধাৰণাৰ জন্ম হৈছে।

**প্ৰত্যক্ষ গণতন্ত্ৰ (Direct Democracy) ঃ**

গণতন্ত্ৰৰ এই পদ্ধতিটো অতি পুৰণি। প্ৰাচীন গ্ৰীচ, ৰোম আদি দেশত গণতন্ত্ৰৰ এই ব্যৱস্থাৰ প্ৰচলন থকা দেখা যায়। প্ৰত্যক্ষ গণতন্ত্ৰত জনসাধাৰণে চৰকাৰী বা ৰাজহুৱা বিষয়বোৰ পৰিচালনাত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰে। এই ব্যৱস্থাত জনসাধাৰণে এক মুকলি পথাৰত মিলিত হৈ প্ৰত্যক্ষভাৱে আইন, বিত্তনীতি, প্ৰশাসনৰ কাম-কাজ নিৰ্দ্ধাৰণ কৰে। লাহে লাহে ৰাষ্ট্ৰৰ আকাৰবোৰ ডাঙৰ হোৱাত আৰু জনসংখ্যাও অধিক হোৱাত অংশগ্ৰহণৰ এই পদ্ধতি অচল হ'বলৈ ধৰে। অৱশ্যে বৰ্তমানেও ছুইজাৰলেণ্ডত এই পদ্ধতিৰ সফল প্ৰয়োগ হৈ থকা দেখা গৈছে। যাৰ বাবে ছুইজাৰলেণ্ডক প্ৰত্যক্ষ গণতন্ত্ৰৰ গৃহভূমি আখ্যা দিয়া হয়। বিশ্বৰ আন দেশবোৰতো বিভিন্ন অনুষ্ঠানৰ মাজেদি প্ৰত্যক্ষ গণতন্ত্ৰ কিছু পৰিমাণে কাৰ্যকৰী হৈ থকা দেখা যায়। উদাহৰণস্বৰূপে ভাৰতৰ স্থানীয় শাসন ব্যৱস্থা বা পঞ্চায়তীৰাজ ব্যৱস্থাত প্ৰচলিত হৈ থকা গাঁওসভাত প্ৰত্যক্ষ গণতন্ত্ৰ কাৰ্যকৰী হৈ থকা দেখা যায়।

প্ৰত্যক্ষ গণতন্ত্ৰ কাৰ্যকৰী হয় বিভিন্ন আহিলাৰ মাধ্যমত। এই আহিলাবোৰ হৈছে —

**(ক) জেৰিমেণ্ডাৰিং বা জনসভা ঃ** ভাৰতৰ পঞ্চায়ত ব্যৱস্থাত থকা গাঁওসভা বা ছুইজাৰলেণ্ডত প্ৰচলিত জেৰিমেণ্ডাৰিং প্ৰত্যক্ষ গণতন্ত্ৰৰ প্ৰাচীনতম আহিলা। এই পদ্ধতিত কোনো এটা নিৰ্দিষ্ট অঞ্চলৰ প্ৰাপ্তবয়স্ক সকলো জনসাধাৰণে কোনো এক মুকলি ঠাইত একগোট হৈ সেই অঞ্চলৰ সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক বিকাশৰ বাবে প্ৰয়োজনীয় দিশবোৰ পৰ্যালোচনা কৰি আলোচনাৰ মাধ্যমত সহমতত সিদ্ধান্ত গ্ৰহণ কৰে।

**(খ) গণ প্ৰস্তাৱ ঃ** ছুইজাৰলেণ্ডৰ যিবোৰ কেণ্টিনত জেৰিমেণ্ডাৰিংৰ ব্যৱস্থা নাই তাত গণপ্ৰস্তাৱ (Initiative)ৰ ব্যৱস্থা কৰা হৈছে। এই পদ্ধতিত আইনসভাই জনসাধাৰণৰ প্ৰগতিৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ বা বিধি-বিধান গ্ৰহণ নকৰিলে তেতিয়া সৰহসংখ্যক ভোটদাতাই সেই বিষয়ক আইনৰ খচৰা প্ৰস্তুত কৰি আইনসভাৰ ওচৰত দাখিল কৰিব পাৰে। আইনসভাই সেই খচৰা গ্ৰহণ কৰিবলৈ বাধ্য।

**(গ) গণভোট ঃ** এই পদ্ধতিৰ দ্বাৰা আইনসভাই গৃহিত কৰা বিধেয়কত জনসাধাৰণৰ অনুমোদন প্ৰদান কৰা হয়। অৰ্থাৎ চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত বা বিষয়ত জনসাধাৰণে আলোচনা কৰি অনুমোদন জনালেহে সি কাৰ্যকৰী হ'ব পাৰে। অৱশ্যে গণভোট বাধ্যতামুলক বা ঐচ্ছিক হ'ব পাৰে। ঐচ্ছিক গণভোটত জনসাধাৰণে দাবী জনালেহে তাক গণভোটৰ বাবে প্ৰেৰণ কৰিব লাগে, কিন্তু বাধ্যতামূলক গণভোটত জনসাধাৰণে দাবী নজনালেও চৰকাৰে গণভোটৰ কাৰণে প্ৰেৰণ কৰিবলৈ বাধ্য থাকে। ছুইজাৰলেণ্ডৰ কেণ্টনবোৰৰ আইনৰ পৰিৱৰ্তন, ছোভিয়েট ৰাচিয়াৰ সংবিধানৰ কোনো কোনো ক্ষেত্ৰৰ উপৰিও অনেক ক্ষেত্ৰতে গণভোটৰ দাবী উত্থাপন বিভিন্ন ৰাষ্ট্ৰত কৰা দেখা যায় বা গণভোটৰ ৰাষ্ট্ৰই আশ্ৰয় লয়। উদাহৰণস্বৰূপে ইউৰোপীয় সংঘৰ পৰা সদস্যপদ ত্যাগৰ ক্ষেত্ৰতো বৃটেইনে গণভোটৰ আশ্ৰয় লৈছিল। ঠিক তেনেদৰে কাশ্মীৰৰ ভৱিষ্যত নিৰ্ণয়ৰ বাবে কাশ্মীৰৰ জনসাধাৰণক গণভোটৰ সুবিধা দিব লাগে বুলি কাশ্মীৰৰ বিচিন্নতাবাদী সংগঠনবোৰে দাবী উত্থাপন কৰি আহিছে।

**(ঘ) পুনৰাহ্বান ঃ** প্ৰত্যক্ষ গণতন্ত্ৰ কাৰ্যকৰী হৈ থকা আন এবিধ আহিলা হৈছে পুনৰাহ্বান। এই পদ্ধতি অনুসৰি কোনো

নিৰ্বাচিত প্ৰতিনিধিয়ে যদি নিজৰ দায়িত্ব পালনত ব্যৰ্থ হয় তেতিয়াহ'লে জনসাধাৰণে তেওঁক পদত্যাগ কৰিব বাধ্য কৰিব পাৰে। পদচ্যুত প্ৰতিনিধিৰ খালী হোৱা আসন পূৰণৰ অৰ্থে পুনৰ বাচনি কৰে। ইয়াৰ দ্বাৰা প্ৰতিনিধিক জনসাধাৰণৰ প্ৰতি দায়বদ্ধ কৰি ৰখা হয়।

ওপৰত উল্লেখ কৰা পদ্ধতিবিলাকৰ দ্বাৰাই মূলতঃ জনসাধাৰণে প্ৰত্যক্ষ গণতান্ত্ৰিক পদ্ধতি প্ৰচলন থকা ব্যৱস্থাত অংশগ্ৰহণ কৰে। প্ৰত্যক্ষ গণতান্ত্ৰিক ব্যৱস্থা প্ৰচলন থকা দেশত জনসাধাৰণৰ প্ৰত্যক্ষ অংশগ্ৰহণেৰে গণতন্ত্ৰৰ জনসাধাৰণৰ দ্বাৰা চৰকাৰৰ ধাৰণাক সফলভাৱে কাৰ্যকৰী কৰে। প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থা এটাৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ভালেমান সাকাৰাত্মক প্ৰভাৱ থকাৰ লগতে ধাৰণাটোৰ ভালেমান নকৰাত্মক দিশো দেখিবলৈ পোৱা যায়—

**সকৰাত্মক প্ৰভাৱ ঃ** (ক) প্ৰত্যক্ষ গণতন্ত্ৰৰ ধাৰণাই জনসাৰ্বভৌমত্ব কাৰ্যকৰী কৰে, (খ) এই পদ্ধতিত প্ৰতিনিধি বা চৰকাৰৰ নেতাবোৰ সকলো সময়তে জনসাধাৰণৰ প্ৰতি দায়বদ্ধ থাকিবলৈ বাধ্য হয়, (গ) এই ব্যৱস্থাত গণতন্ত্ৰৰ নামত দলীয় স্বৈৰচাৰিতা প্ৰয়োগ কৰাৰ কোনো সুযোগ নাপায়।

**নকৰাত্মক দিশ ঃ** (ক) বৃহৎ আৰু অধিক জনসংখ্যাৰ দেশত প্ৰত্যক্ষ গণতন্ত্ৰ মুঠেই উপযোগী নহয়, (খ) সাম্প্ৰতিক কালৰ জটিল আৰ্থ-ৰাজনৈতিক সমস্যাবোৰ সাধাৰণ জনসাধাৰণৰ বাবে বোধগম্য নহ'বও পাৰে, (গ) নিৰক্ষৰ আৰু দৰিদ্ৰতাৰে পূৰ্ণ হৈ থকা ৰাষ্ট্ৰবোৰত প্ৰত্যক্ষ গণতন্ত্ৰ কৃতকাৰ্য হ'ব নোৱাৰে।

**পৰোক্ষ গণতন্ত্ৰ (Indirect Democracy) ঃ**

বৰ্তমান বিশ্বৰ সৰহভাগ ৰাষ্ট্ৰই অৱশ্যে প্ৰত্যক্ষ গণতন্ত্ৰৰ পৰিবৰ্তে পৰোক্ষ গণতন্ত্ৰকহে আকোৱালি লৈছে। ভৌগলিক পৰিসৰৰ বিশালতা তথা বৃহৎ জনসংখ্যাই দেশসমূহক এক প্ৰকাৰ পৰোক্ষ গণতন্ত্ৰ গ্ৰহণ কৰিবলৈ বাধাই কৰিছে। পৰোক্ষ গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিনিধি নিৰ্বাচন কৰি পঠিয়ায়। সেয়েহে বৰ্তমানৰ গণতন্ত্ৰক প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ নামেৰে জনা যায়।

পৰোক্ষ গণতান্ত্ৰিক ব্যৱস্থাত প্ৰতিনিধি নিৰ্বাচন পদ্ধতি একে নহয়। প্ৰতিনিধি নিৰ্বাচনৰ বাবে মূলতঃ দুটা পদ্ধতি ব্যৱহাৰ কৰে—

(ক) সমষ্টিগত প্ৰতিনিধিত্ব (Territorial Representation)

(খ) বৃত্তিগত প্ৰতিনিধিত্ব (Functional Representation)

প্ৰত্যক্ষ গণতন্ত্ৰৰ দৰে পৰোক্ষ গণতন্ত্ৰৰো কিছুমান সুবিধা আৰু কিছুমান অসুবিধা দেখিবলৈ পোৱা যায়—

**সুবিধাবোৰ ঃ** (ক) বিশাল আকাৰৰ আৰু বৃহৎ জনসংখ্যাৰ ৰাষ্ট্ৰত পৰোক্ষ গণতন্ত্ৰইহে সফলতা লাভ কৰিব পাৰে।

(খ) পৰোক্ষ গণতন্ত্ৰই অভিজ্ঞ আৰু দক্ষ চৰকাৰ নিৰ্বাচনত সহায় কৰিব পাৰে।

(গ) পৰোক্ষ গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্বাচনৰ প্ৰতিনিধিসকলে আগবঢ়োৱা বক্তব্য বা ভাষণবোৰে জনসাধাৰণক ৰাজনৈতিক জ্ঞান লাভ কৰাত সহায় কৰে।

**অসুবিধাবোৰ ঃ** (ক) পৰোক্ষ গণতন্ত্ৰত প্ৰত্যক্ষ গণতন্ত্ৰৰ নিচিনাকৈ জনপ্ৰতিনিধিসকলক দায়বদ্ধ কৰাৰ সুযোগ নাথাকে।

(খ) পৰোক্ষ গণতন্ত্ৰটো প্ৰতিনিধি নিৰ্বাচকসকলৰ জ্ঞান সীমিত হোৱা বাবে উচিত প্ৰতিনিধি নিৰ্বাচনৰ আশা কৰিব নোৱাৰি।

(গ) দৰাচলতে পৰোক্ষ গণতান্ত্ৰিক ব্যৱস্থাত গণতন্ত্ৰৰ নামত এচাম এলিটেহে শাসন ক্ষমতা উপভোগ কৰে।

পৰোক্ষ গণতান্ত্ৰিক ব্যৱস্থাৰ কিছু সীমাবদ্ধতা থাকিলেও বৰ্তমান বিশ্বত পৰোক্ষ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰই আটাইতকৈ বেছি সমাদৃত হৈছে। এক শাসন ব্যৱস্থা হিচাপেও আৰু জনসাধাৰণৰ কল্যাণমূলক দৃষ্টিভংগীৰেও ইয়াৰ যথেষ্ট গ্ৰহণযোগ্যতা আছে। ডি টকভিলৰ মতে "সমাজৰ সকলো শ্ৰেণীৰ কল্যাণ সাধনৰ উপযোগী গণতন্ত্ৰৰ দৰে আন কোনো শাসন ব্যৱস্থা আজিলৈকে আৱিষ্কৃত হোৱা নাই" (No Political form has hitherto discovered which is equaly favourable to the prosperity and development of all classes)

**বিচাৰশীল বা বিবেচনাপূৰ্ণ গণতন্ত্ৰ (Deliberative Democracy) ঃ** বৰ্তমান বিকাশ হোৱা গণতন্ত্ৰৰ আধুনিক ধাৰণাসমূহৰ ভিতৰত Deliberative Democracy বা বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ ধাৰণাটো অতি তাৎপৰ্যপূৰ্ণ। প্ৰাচীন সময়ৰ পৰাই এচাম চিন্তাবিদৰ ধাৰণাত বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ ধাৰণাটো প্ৰকাশ হৈছিল যদিও ১৯৮০ চনত Joseph M Bessette এ Deliberative Democracy ৰ ধাৰণাটো তেওঁৰ ৰচনা Deliberative Democracy : "The Majority Principle in Republican Government" ত

প্ৰথম প্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত এই ধাৰণাটোক শক্তিশালীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা চিন্তাবিদসকল হল মাইকেল ৱালজাৰ (Sphere of Justice, 1983) জে কোহেন আৰু জে ৰ'গাৰ্চ (On Democracy: Towards a transformation of American Society, 1983) বাৰ্ণাৰ্ড মণিন (On legitimacy and political deliberation political theory 1987) এচ এল হাৰ্লি (Natural Reason: personality and polity, 1989) জে এ ফিচকিণ (Democracy and Deliberation) আদি ।

Deliberative Democracy বা বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ মূল বিষয় হৈছে গণতান্ত্ৰিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মুক্ত আৰু যুক্তিনিষ্ঠ বিবাদ তথা আলোচনা। অৰ্থাৎ জনসাধাৰণৰ মাজত ঘটা যুক্তিনিষ্ঠ বিতৰ্কই এক সহমতৰ মাজেৰে সিদ্ধান্তত উপনীত হয় আৰু সৰ্বসাধাৰণৰ প্ৰগতিৰ বাবে তেনে সিদ্ধান্ত সৰ্বোৎকৃষ্ট হিচাপে পৰিগণিত হোৱাৰ লগতে তাক বৈধতাও প্ৰদান কৰা হয়। বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ প্ৰবক্তাসকলৰ মতে জনসাধাৰণে প্ৰদান কৰা যুক্তিনিষ্ঠ মন্তব্যবোৰ ব্যক্তিস্বাৰ্থকেন্দ্ৰিক হোৱাৰ পৰিৱৰ্তে সামূহিক প্ৰগতিৰ লগতহে জড়িত। বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ এই ধাৰণা বহু পৰিমাণেই ৰুছোৰ 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাৰ লগত সামঞ্জস্যপূৰ্ণ।

দৰাচলতে Deliberative Democracy ৰ ধাৰণাটোৰেই দুই প্ৰকাৰৰ গণতান্ত্ৰিক ধাৰণাৰ সমিল-মিল কৰিছে (ক) সৰ্বসাধাৰণৰ শাসন হিচাপে গণতন্ত্ৰ (Democracy as a popular rule) (খ) ব্যক্তিস্বাধীনতাৰ ৰক্ষক হিচাপে গণতন্ত্ৰ (Democracy as a Protector of personal freedom )।

ইয়াৰে প্ৰথম ধাৰণা 'সৰ্বসাধাৰণৰ শাসন হিচাপে গণতন্ত্ৰই সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত জনস্বাৰ্থ প্ৰতিফলিত হোৱাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অৰ্থাৎ ই এনে এক পৰিৱেশক সূচায় য'ত জনসাধাৰণে মুক্তভাৱে নিজেই নিজক শাসন কৰাৰ উপলব্ধি কৰিব পাৰে। আকৌ দ্বিতীয় নীতিটোৱে 'ব্যক্তিস্বাধীনতাৰ ৰক্ষক হিচাপে গণতন্ত্ৰই ' সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ব্যক্তিস্বাধীনতা যেনেঃ ভোটদানৰ অধিকাৰ, চৰকাৰী পদবী গ্ৰহণৰ অধিকাৰ, স্বৈৰাতান্ত্ৰিকভাৱে আটক কৰাৰ বিৰুদ্ধে অধিকাৰ আদি প্ৰতিফলিত কৰিছে। দৰাচলতে বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ ধাৰণাই এনে এক পৰিৱেশৰ সৃষ্টি কৰাৰ পোষকতা কৰে যত প্ৰতিজন ব্যক্তিয়ে গণতান্ত্ৰিক প্ৰক্ৰিয়াক সমীহ কৰে আৰু প্ৰতিজন ব্যক্তিয়ে গণতান্ত্ৰিক নীতিক পালন কৰে। ইয়াত প্ৰতিজন ব্যক্তিকে গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশ লোৱাৰ বাবে উৎসাহ যোগোৱা হয়। ইয়াত জনসাধাৰণৰ স্বেচ্ছামূলক অংশগ্ৰহণে প্ৰতিজন ব্যক্তিকে আনৰ প্ৰতি সন্মান প্ৰদান কৰাত উৎসাহ যোগাব আৰু এক সুস্থ বাতাবৰণত জনস্বাৰ্থজনিত বিষয়সমূহৰ ওপৰত প্ৰত্যেকে যুক্তিসংগত বক্তব্য আগবঢ়োৱাৰ সুযোগ পাব। যাৰ ফলত চিন্তাৰ এনে সুস্থ প্ৰকাশে বক্তব্যৰ বৈপৰীতাকো আদৰণি জনাব আৰু জনস্বাৰ্থক কেন্দ্ৰ কৰি এক সহমতত উপনিত হ'ব। এই সহমত কোনো নিৰ্দিষ্ট ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ প্ৰতি পক্ষপাতমূলক হোৱাৰ বিপৰীতে সকলো ব্যক্তিৰে কল্যাণকৰ হ'ব। বিবেচনাৰ ভিত্তিত প্ৰতিষ্ঠিত এই শাসন প্ৰক্ৰিয়াই বিবেচনাপূৰ্ণ গণতন্ত্ৰ বা Deliberative Democracy।

জেমচ ফিচকিন আৰু ৰবাৰ্ট লুচকিনে বিবেচনাপূৰ্ণ গণতন্ত্ৰ প্ৰসঙ্গত পাঁচটা নীতি বা বৈশিষ্ট্য সম্পৰ্কে আঙুলিয়াইছে—


**(ক) সম্ভেদ বা জ্ঞান (Information)** ঃ বিবেচনাপূৰ্ণ গণতন্ত্ৰত অংশগ্ৰহণ কৰ প্ৰতিজন ব্যক্তিৰে বিষয় বা সমস্যা সম্পৰ্কে যুক্তিপূৰ্ণ তথা তথ্যপূৰ্ণ জ্ঞান থাকে প্ৰত্যেকেই নিজ তথ্য আৰু যুক্তিৰ ভিত্তিত মন্তব্য আগবঢ়ায়।

**(খ) ভাৰসাম্যতা (Balanced)** ঃ বিবেচনাপূৰ্ণ গণতন্ত্ৰত প্ৰতিজন ব্যক্তিৰে চিন্তাৰ ভিত্তি বা তথ্য ভিন্ন। তেওঁলোকে নিজ নিজ যুক্তি আৰু দৃষ্টিভংগীৰে পূৰ্বৰ বক্তাৰ সপক্ষে বা বিপক্ষে চিন্তা প্ৰকাশ কৰে।


**(গ) বিবেকপূৰ্ণতা বা ন্যায়সঙ্গত (Conscientious)** ঃ বিবেচনাপূৰ্ণ গণতন্ত্ৰত প্ৰত্যেকজনে প্ৰত্যেকৰ যুক্তি গুৰুত্বসহকাৰে শুনাৰ বাবে প্ৰস্তুত, লগতে প্ৰত্যেকেই প্ৰত্যেকৰ দৃষ্টিভংগীক মান্যতা প্ৰদান কৰে।

**(ঘ) বাস্তৱতা আহৰণৰ গুৰুত্ব (Substantive)** ঃ অংশগ্ৰহণকাৰীসকলে প্ৰতিজনৰ যুক্তিকে জনস্বাৰ্থৰ মানদণ্ডেৰে পৰীক্ষণ কৰে। এই ব্যৱস্থাত যুক্তি কোনে দিছে বা কেনেকৈ দিছে সেয়া গুৰুত্বপূৰ্ণ নহয়, বিষয়বস্তুৰ উপযোগীতাহে গুৰুত্বপূৰ্ণ।

**(ঙ) ব্যাপকতা (Comprehensive)** ঃ সকলোবোৰ দিশকে যুক্তিৰে বিবেচনা কৰাৰ পিছত এক সহমতত উপনীত হয় আৰু ৰাষ্ট্ৰ প্ৰগতিৰ স্বাৰ্থত তাক নীতি প্ৰৱৰ্তনত আৰু কাৰ্যকৰীকৰণত প্ৰয়োগ কৰা হয় ।




অৰ্থাৎ বিবেচনাপূৰ্ণ গণতন্ত্ৰত প্ৰকৃততে ব্যক্তিগত স্বাধীনতাৰ লগত জনস্বাৰ্থৰ সংঘাত নহয়। যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত গণতান্ত্ৰিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ব্যক্তিগত স্বাধীনতা আৰু জনস্বাৰ্থ একত্ৰীকৰণ হৈ সকলোৰে গ্ৰহণযোগ্য এক শাসন ব্যৱস্থা (বিবেচনাপূৰ্ণ গণতন্ত্ৰ) গঢ়ি উঠে। জনস্বাৰ্থ আৰু ব্যক্তিগত স্বাধীনতাৰ মাজত সমন্বয় স্থাপন কৰিব পৰাটোৱে বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ সাৰ্থকতা। এই গুণে বিবেচনাপূৰ্ণ গণতন্ত্ৰক অন্য গণতান্ত্ৰিক ব্যৱস্থাতকৈ পৃথক হিচাপে প্ৰতিষ্ঠা কৰিছে।




জেনচ থম্পচনে বিবেচনাপূৰ্ণ গণতন্ত্ৰ প্ৰসংগত কৈছে "In a well constituted deliberative forum, through the give and take arguments participants can learn from each other, come to recognize their individual and collective misapprehensions and develop new views and policies that can more successfully withstand critical scrutiny" তেওঁ পুনৰ কৈছে When citizens bargain and negotiate, they may learn how better to get what they want. But when they deliberate they can expand their knowledge including self understanding as well as their collective understanding of what will best serve their fellow citizens."

**বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ সফলতা আৰু দুৰ্বলতাবোৰ ( Strength and Weaknesses of Deliberative Democracy)ঃ**

বিবেচনাপূৰ্ণ গণতান্ত্ৰিক পদ্ধতিটো আলোচনা কৰিলে ইয়াৰ ভালেমান সবলতা বা দুৰ্বলতা দেখিবলৈ পোৱা যায়। ইয়াৰ

প্ৰথম সবল দিশটো হৈছে বৈজ্ঞানিক মতামতক প্ৰাধান্য দান। দৰাচলতে ই যুক্তি আৰু বিবেচনাক প্ৰাধান্য দিয়ে। যাৰ ফলত বিভিন্ন বিতৰ্ক আৰু আলোচনাই প্ৰকৃত সত্যটো উৎঘাটনত সহায় কৰে। জেমচ ফিচকিনৰ মতে বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ আৰ্হিয়ে সমাজৰ সকলো স্তৰৰ আৰু সমূহৰ মাজতে একতাৰ মনোভাৱৰ সৃষ্টি কৰাত সফল হয়। ইয়াত যিকোনো বিৰোধ মনোভাবক প্ৰকাশ আৰু বিবেচনাৰ সঠিক পৰিৱেশ প্ৰদান কৰা হয়। যাৰ ফলত কোনো সিদ্ধান্ত জাপি দিয়াৰ পৰিবৰ্তে সকলোৱে তাক বিবেচনাৰ মাধ্যমত মান্যতা দিয়ে। সেয়েহে ফিচকিনে গণতন্ত্ৰৰ এই আৰ্হি আন সকলো গণতন্ত্ৰৰ আৰ্হিতকৈ উন্নত আখ্যা দিছে। কাৰ্ণে ৰচ (Carne Ross)ৰ মতে বিবেচনাপূৰ্ণ গণতন্ত্ৰত গ্ৰহণ কৰা সিদ্ধান্ত অধিক প্ৰামাণিক, সামগ্ৰিক আৰু সভ্য হয়। কিয়নো ইয়াত অংশগ্ৰহণত কৰা ব্যক্তিসকল জ্ঞান আৰু প্ৰামাণিক তথ্যৰে পৰিচালিত।

অৱশ্যে চাৰ্লচ ব্লেটবাৰ্গ (Charles Blatberg)ৰ মতে বিবেচনাপূৰ্ণ গণতান্ত্ৰিক আৰ্হিটো বহু পৰিমাণে উদাৰতাবাদী গণতন্ত্ৰৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত। ব্লেটবাৰ্গৰ মতে বিবেচনাপূৰ্ণ গণতান্ত্ৰিক আৰ্হিটো কাৰ্যকৰী কৰিলে ৰাষ্ট্ৰ আৰু সমাজৰ মাজত সংঘাটপূৰ্ণ পৰিৱেশহে সূচনা হ'ব। কিয়নো ৰাষ্ট্ৰই ইতিমধ্যে সৰ্বশক্তিমান কৰ্তৃত্ব হিচাপে প্ৰতিষ্ঠা কৰিছে। আন এচাম চিন্তাবিদৰ মতে আকৌ বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ ধাৰণাটো কল্পনা প্ৰসূত, বাস্তৱত ৰূপায়ন সম্ভৱ নহয়। বৰ্তমান বহুধাবিভক্ত সমাজ ব্যৱস্থাত কোনো বিষয়তে সকলোৱে সহমত আদায় অসম্ভৱ। যুক্তি আৰু জ্ঞানক বিভিন্ন দৃষ্টিকোণেৰে পৰিচালিত কৰিলে ভিন্ন সিদ্ধান্তহে পোৱা যাব।

দৰাচলতে বিবেচনাপূৰ্ণ গণতন্ত্ৰৰ ধাৰণাটোৱে গণতন্ত্ৰত প্ৰকৃত অৰ্থত কাৰ্যকৰীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। এই তত্ত্বৰ প্ৰবক্তাসকলৰ মতে কেৱল ভোটদানৰ দ্বাৰাই জনসাধাৰণে চৰকাৰৰ কোনো সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াক বৈধতা প্ৰদান কৰাটোক নুসূচায়। জনসাধাৰণে সময়ে সময়ে চৰকাৰৰ সিদ্ধান্তবোৰৰ ওপৰত যুক্তিবাদী মুক্ত চিন্তাৰে সহমত প্ৰকাশ কৰিব। জনসাধাৰণে প্ৰকাশ কৰা সহমতহে বৈধতাৰ আধাৰ। প্ৰকৃততে বিবেচনাপূৰ্ণ গণতন্ত্ৰত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ আৰু প্ৰত্যক্ষ গণতন্ত্ৰৰ সমাহাৰ ঘটিছে। বিচাৰশীল বা বিবেচনাপূৰ্ণ গণতন্ত্ৰই নিৰ্দিষ্ট এক শাসন ব্যৱস্থা প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে এক সামাজিক জীৱনধাৰাকহে প্ৰতিফলিত কৰে।

## গণতন্ত্ৰৰ সমালোচনা
## (Critique of Democracy)

আধুনিক সময়ত শ্ৰেষ্ঠ চৰকাৰ হিচাপে প্ৰচলিত গণতন্ত্ৰৰ অৱধাৰণাটোক অতি প্ৰাচীন কালৰ পৰাই কঠোৰ সমালোচনাৰে সমালোচিত কৰা হৈছিল। অৱশ্যে গণতন্ত্ৰৰ অৱধাৰণাটোক এই ক্ষেত্ৰত চৰকাৰৰ এক পদ্ধতি হিচাপেহে গ্ৰহণ কৰা হৈছিল। প্লেটো, চক্ৰেটিছ আৰু এৰিষ্টটলৰ দৰে প্ৰাচীন গ্ৰীচৰ চিন্তাবিদসকলৰ দৃষ্টিত গণতন্ত্ৰ আছিল অযোগ্য আৰু অপৰিপক্ক লোকৰ শাসন ব্যৱস্থা যিয়ে সমাজত অহিত সাধন কৰে। এখন আদৰ্শ ৰাষ্ট্ৰৰ বাবে গণতন্ত্ৰৰ উপযোগী শাসন ব্যৱস্থা হিচাপে তেওঁলোকে মুঠেই গ্ৰহণ কৰা নাছিল। এৰিষ্ট'টলৰ চৰকাৰৰ শ্ৰেণীবিভাজনত গণতন্ত্ৰক বিকৃত চৰকাৰৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছিল। আধুনিক ৰাজনৈতিক চিন্তাবিদ ৰবাৰ্ট ডাল, যোচেফ শ্চুমপিটাৰ, জেমছ এচ ফিচকিন, ৰবাৰ্ট গুডউইন আদি চিন্তাবিদসকলেও গণতন্ত্ৰৰ অসমাঞ্জস্যতা, পাৰস্পৰিক বিৰোধপূৰ্ণ উপাদানৰ উপস্থিতি আদি কাৰকবোৰে গণতন্ত্ৰক সমালোচনা কৰি আহিছে। এওঁলোকৰ মতে বৰ্তমান সময়ত গণতন্ত্ৰই জনতন্ত্ৰৰ নামত বহুৰাজকতা আৰু গণতান্ত্ৰিক আভিজাত্যবাদহে প্ৰতিষ্ঠা কৰিছে। এই চিন্তাবিদসকলৰ মতে গণতন্ত্ৰই সকলোৰে বাবে শাসনৰ পথ মুকলি কৰা নাই বৰঞ্চ নেতৃত্ব বা শাসক শ্ৰেণী ওপৰৰ পৰা জাপিহে দিছে। গণতন্ত্ৰত সকলোৰে বাবে মুক্ত নিৰ্বাচনৰ পৰিৱৰ্তে নিৰ্বাচিত নিৰ্দিষ্ট কিছুমান আভিজাত্য বা এলিট শ্ৰেণীৰ প্ৰতিনিধিক জনতাৰ সন্মুখত উপস্থাপন কৰোৱাই। এনে ক্ষেত্ৰত জনসাধাৰণৰ সন্মুখত পচন্দৰ স্বাধীনতাৰ পৰিৱৰ্তে সীমিত অভিজাত লোকৰ মাজৰ পৰাই প্ৰাৰ্থী বা শাসক নিৰ্বাচন কৰিবলগীয়া হয়।

গণতন্ত্ৰৰ সমালোচক সকলৰ মতে গণতন্ত্ৰই দলীয় ৰাজনীতিৰ কু-প্ৰভাবেৰে সমাজক কলুষিত কৰে। দলীয় স্বাৰ্থক ক্ষমতাৰ ৰাগীত দেশৰ স্বাৰ্থতকৈও অগ্ৰাধিকাৰ প্ৰদান কৰি জনসাধাৰণৰ মাজত বিভেদ বিচ্ছিন্নতা আৰু সংকীৰ্ণ মানসিকতা গঢ়ি তোলে। এনে মানসিকতা ৰাষ্ট্ৰ বিকাশৰ প্ৰতিবন্ধক হিচাপে থিয় দিয়ে আৰু সমাজৰ ভাতৃত্ব বা একতাৰ দৰে মূল্যবোধক কুঠাৰাঘাত কৰে।

গণতন্ত্ৰৰ আন এক সমালোচনা বা ত্ৰুটি হ'ল সংখ্যাগৰিষ্ঠ গোটৰ প্ৰতি অবহেলা বা আওঁকণীয়া মনোভাব। গণতন্ত্ৰত

সংখ্যাগৰিষ্ঠ লোকৰ সমৰ্থনত চৰকাৰ গঠন হয়। ফলত চৰকাৰ বা কৰ্তৃপক্ষই স্থিতাৱস্থা বাহাল ৰখাৰ স্বাৰ্থত সংখ্যাগৰিষ্ঠ লোক বা গোটসমূহৰ বিকাশত অত্যাধিক গুৰুত্ব প্ৰদান কৰে আৰু সংখ্যালঘুসকলক বিকাশৰ মূল সূতিৰ পৰা আতৰত ৰাখে। ফলত গণতান্ত্ৰিক শাসনব্যৱস্থাত সমতা শ্লোগানত পৰিণত হয় আৰু সংখ্যাগুৰু আৰু সংখ্যালঘুৰ মাজত স্পষ্ট বৈষম্য প্ৰকট হয়।

গণতন্ত্ৰৰ সমালোচক সকলৰ আন এক অভিযোগ হ'ল প্ৰশাসন এক জটিল আৰু কৌশলপূৰ্ণ কাম। এনে কাম দক্ষতাৰে সম্পন্ন কৰিবলৈ প্ৰশাসকসকল শিক্ষিত, দক্ষ আৰু প্ৰশিক্ষণপ্ৰাপ্ত হোৱা দৰকাৰ। কিন্তু গণতন্ত্ৰত প্ৰশাসকসকলৰ আৰু তেওঁলোকৰ নিৰ্বাচকমণ্ডলীৰ কোনো অৰ্হতা নিৰ্দ্ধাৰণ কৰা নহয়। ফলত সৰহৰাষ্ট্ৰতে অযোগ্য, অদক্ষ আৰু মুৰ্খ প্ৰশাসকৰ নিয়ন্ত্ৰণত প্ৰশাসনযন্ত্ৰ পৰিচালিত হয়। বিভিন্ন সময়ত প্ৰশাসকৰ এনে অজ্ঞতাৰ সুযোগ লৈ আমোলাসকলেই প্ৰশাসনৰ নিয়ন্ত্ৰক হৈ পৰে। ফলত গণতন্ত্ৰ জনসাধাৰণৰ শাসনৰ নামত এক ভেঙুচালিত পৰিণত হয়।

সাম্প্ৰতিক সময়ত প্ৰতিষ্ঠিত চৰকাৰে নিজকে শাসনত অধিস্থিত ৰখাৰ স্বাৰ্থত কিদৰে প্ৰশাসনযন্ত্ৰ আৰু ধনৰ অপব্যৱহাৰ কৰাৰ দৃশ্যপট সুলভ হৈ পৰিছে। এনেক্ষেত্ৰত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গণতন্ত্ৰৰ মূল আদৰ্শৰ পৰা পথচ্যুত হৈছে। নোম মস্কিয়ে আন্তৰ্জাতিক প্ৰেক্ষাপটত আমেৰিকাই সাম্ৰাজ্যবাদী নীতিৰে গণতন্ত্ৰৰ নামত কিদৰে নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ ধৰিছে সেয়া তেওঁৰ 'Deterring Democracy' নামৰ গ্ৰন্থত আলোচনা কৰিছে আকৌ ৰাষ্ট্ৰীয় ক্ষেত্ৰত আমেৰিকা গঠনমূলকভাৱে গণতান্ত্ৰিক চৰিত্ৰ বহন কৰিলে কাৰ্যকৰী ক্ষেত্ৰত কিদৰে গণতান্ত্ৰিক মূল্যবোধৰ হমন কৰিছে তাৰো পেষ্ট ব্যাখ্যা দাঙি ধৰিছে। বাস্তৱিকতে সৰহভাগ ৰাষ্ট্ৰৰে সম্প্ৰতি কেৱল গণতান্ত্ৰিক প্ৰক্ৰিয়াহে কাৰ্যকৰী হৈ আছে, গণতান্ত্ৰিক মূল্যবোধৰ প্ৰকৃত পথৰ পৰা এনে ৰাষ্ট্ৰবোৰ বিচ্যুত হৈছে। গণতন্ত্ৰৰ এনে অসামঞ্জস্যতা আৰু বিৰোধপূৰ্ণ চৰিত্ৰই গণতন্ত্ৰৰ সমালোচনাৰ ধাৰা অধিক শক্তিশালী কৰিছে।

অৱশ্যে গণতন্ত্ৰৰ এই সমালোচনাবোৰে গণতন্ত্ৰক দুৰ্বল কৰাৰ পৰিৱৰ্তে অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰাৰ সুযোগ দিছে। সেয়েহে লিশচনে কৈছিল "গণতন্ত্ৰ শ্ৰেষ্ঠ আৰু বিচক্ষণ সকলৰ শাসন ব্যৱস্থা নহয় সঁচা, কিন্তু সকলোধৰণৰ পৰিচিত আৰু প্ৰচলিত শাসনব্যৱস্থাৰ ভিতৰত ই বিচক্ষণ আৰু শ্ৰেষ্ঠ।"

**প্ৰশ্নাৱলী ঃ**

১। গণতন্ত্ৰ কাক বোলে? গণতন্ত্ৰৰ বৈশিষ্টবোৰ আলোচনা কৰা।

২। চৰকাৰ হিচাবে গণতন্ত্ৰৰ অৰ্থ ব্যাখ্যা কৰা।

৩। জীৱনৰ এক পদ্ধতি হিচাবে গণতন্ত্ৰৰ ধাৰণা ব্যাখ্যা কৰা।

৪। গণতন্ত্ৰ ৫টা সীমাবদ্ধতা বা আসোৱাহ আলোচনা কৰা।

৫। গণতন্ত্ৰ সফলতাৰ চৰ্ত্তবোৰ আলোচনা কৰা।

৬। গণতন্ত্ৰৰ ধাৰণাটোৰ ক্ৰমবিকাশ আলোচনা কৰা।

৭। গণতন্ত্ৰৰ শ্ৰেণীবিভাজন বা প্ৰকাৰবোৰ আলোচনা কৰা।

৮। প্ৰত্যক্ষ গণতন্ত্ৰৰ আহিলাবোৰ আলোচনা কৰা।

৯। প্ৰত্যক্ষ গণতন্ত্ৰ কাক বোলে? ইয়াৰ গুণ তিনিটা আৰু দোষ তিনিটা উল্লেখ কৰা।

১০। পৰোক্ষ গণতন্ত্ৰ কাক বোলে? ইয়াৰ গুণ-দোষবোৰ উল্লেখ কৰা।

১১। প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰৰ মাজত প্ৰভেদবোৰ আলোচনা কৰা।

১২। প্ৰক্ৰিয়াগত গণতন্ত্ৰ আৰু বাস্তৱ গণতন্ত্ৰৰ মাজত থকা পাৰ্থক্যবোৰ আলোচনা কৰা।

# সহায়ক গ্রন্থপঞ্জী


- Arora, ND & Awasthy, S.S; (1999) 'Political Theory' Har Anand Publication, New Delhi.
- Barry, N.P. (1995) 'Introduction to modern Political Theory', Macmillan, London.
- Das, P.G. (1996) 'Modern Political Theory' NCBA, Kolkata.
- Ebenslein, W, (1979) 'Great Political Thinkers' Oxford and IBH, New Delhi
- Gouba, O.P. (2003) 'An Introducing to Political Theory' Macmillan, Delhi.
- Held, D. (1989) 'Political theory and modern state' Polity press Cambridge.
- Johari, J.C. (2001) 'Contemporary Political Theory' Sterling Publishers Pvt. Ltd Delhi.
- Laski, H.J. (1979) 'A Grammer of Politics' S. Chand Delhi.
- Mishra, K. K. Ashirvatham EDDY (2002) 'Political Theory' S. Chand, New Delhi.
- Miliband, R. (1977) 'Marxism and Politics' Oxford University Press.
- Ramaswami, S. (2004) 'Political theory ideas and concept' Macmillan, Delhi.
- Sabine, G.H. (1973) 'A History of Political Theory' $4^{th}$ edition, New Delhi
- Vema, S. P. (2010) 'Modern Political Theory' Vikash Publishing, New Delhi.